UG AS S3-01
(DSC)

চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম

(চি. বি. চি. এচ.; এন. ই. পি-2020 অনুসৰি)

তৃতীয় ষাণ্মাসিক

অসমীয়া ব্যাকৰণ

বুনিয়াদী পাঠ্যবিষয়

অসমীয়া

পদ্মনাথ গোহাঞিবৰুৱা মানৱিকী বিদ্যা অধ্যয়ন সত্ৰ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° **দীপ্তি ফুকন পাটগিৰি**, অধ্যাপিকা (অৱসৰপ্ৰাপ্ত), অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

ড° **বিমল মজুমদাৰ**, অধ্যাপক, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

ড° **অনুৰাধা শর্মা**, অধ্যাপিকা, আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° নিভা ৰাণী ফুকন, সহযোগী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	অধ্যায়ৰ নাম	লেখক
১	ব্যাকৰণৰ সাধাৰণ পৰিচয়	ড^0 সেউজী শর্মা, সহকাৰী আধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়
২	ধ্বনিতত্ত্বৰ সাধাৰণ পৰিচয়	চম্পা পাটগিৰি, সহযোগী অধ্যাপক, আর্য বিদ্যাপীঠ মহাবিদ্যালয় ড^0 মিলন নেওগ, আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়
৩	অসমীয়া ভাষাৰ ধ্বনিতত্ত্ব	চম্পা পাটগিৰি ড^0 অপূর্ব কুমাৰ ডেকা, আইডল, গুৱাহাটী বিশ্ববিদ্যালয়
৪	ৰূপতত্ত্ব — সাধাৰণ পৰিচয়	গোলাপ সুত, সহকাৰী অধ্যাপক, প্রাগজ্যোতিষ মহাবিদ্যালয় ড^0 মৃণাল জ্যোতি গোস্বামী
৫	ৰূপতত্ত্ব আৰু অসমীয়া ভাষাৰ ৰূপতত্ত্ব — 1	গোলাপ সুত আৰু ড^0 মৃণাল জ্যোতি গোস্বামী
৬	অসমীয়া ভাষাৰ ৰূপতত্ত্ব — 2	গোলাপ সুত আৰু ড^0 মৃণাল জ্যোতি গোস্বামী
৭	অসমীয়া ভাষাৰ ৰূপতত্ত্ব — 3	গোলাপ সুত আৰু ড^0 মৃণাল জ্যোতি গোস্বামী
৮	বাক্যতত্ত্বৰ সাধাৰণ পৰিচয়	ড^0 পাপু মণি হাজৰিকা, সহকাৰী অধ্যাপক, জগন্নাথ বৰুৱা মহাবিদ্যালয়
৯	অসমীয়া ভাষাৰ বাক্যতত্ত্ব	ড^0 পাপু মণি হাজৰিকা
১০	অসমীয়া ভাষাৰ পদ	ড^0 খগেশ সেন ডেকা, সহযোগী অধ্যাপক (অৱসৰী) পূব কামৰূপ কলেজ
১১	অসমীয়া ভাষাৰ বচন আৰু লিঙ্গ	ড^0 খগেশ সেন ডেকা, সহযোগী অধ্যাপক (অৱসৰী) পূব কামৰূপ কলেজ
১২	অসমীয়া ভাষাৰ কাৰক আৰু বিভক্তি	ড^0 খগেশ সেন ডেকা, সহযোগী অধ্যাপক (অৱসৰী) পূব কামৰূপ কলেজ
১৩	অসমীয়া ভাষাৰ প্রত্যয়	ড^0 পাপু মণি হাজৰিকা
১৪	অসমীয়া ভাষাৰ সন্ধি আৰু সমাস	ড^0 মিলন নেওগ

সম্পাদনা

বিষয়বস্তু আৰু ভাষা সম্পাদনা ঃ ড° অনুৰাধা শর্মা, অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়

গাঁথনিক সম্পাদনা ঃ ড° মৃণাল জ্যোতি গোস্বামী, সহকাৰী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

চেপ্তেম্বৰ, 2024

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international) http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী - 781 017

নগৰ চৌহদ ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী - 781022; www.kkhsou.in

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **ব্যাকৰণৰ সাধাৰণ পৰিচয়** ৭-২১
ব্যাকৰণ ঃ ব্যাকৰণৰ বুৎপত্তিগত অর্থ, ব্যাকৰণৰ সংজ্ঞা, পৰম্পৰাগত ব্যাকৰণ আৰু আধুনিক ব্যাকৰণ; ব্যাকৰণ, ভাষাবিজ্ঞান আৰু ভাষাতত্ত্ব; ব্যাকৰণৰ শ্রেণীবিভাগ; ব্যাকৰণৰ উপাদান; অসমীয়া ব্যাকৰণৰ ইতিহাস

অধ্যায় ২ ঃ **ধ্বনিতত্ত্বৰ সাধাৰণ পৰিচয়** ২২-৩৪
ধ্বনি — সাধাৰণ পৰিচয়; বাগিন্দ্রিয়; স্বৰ আৰু ব্যঞ্জনধ্বনি; বিশিষ্ট ধ্বনি আৰু উপধ্বনি

অধ্যায় ৩ ঃ **অসমীয়া ভাষাৰ ধ্বনিতত্ত্ব** ৩৫-৫১
অসমীয়া ভাষাৰ বিশিষ্ট ধ্বনি ঃ অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি, অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনি; অসমীয়া স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিৰ উপধ্বনি

অধ্যায় ৪ ঃ **ৰূপতত্ত্ব — সাধাৰণ পৰিচয়** ৫২-৬৩
ৰূপতত্ত্বৰ সাধাৰণ পৰিচয়

অধ্যায় ৫ ঃ **ৰূপতত্ত্ব আৰু অসমীয়া ভাষাৰ ৰূপতত্ত্ব — ১** ৬৪-৭৬
ৰূপতত্ত্বৰ কেইটামান দিশ; অসমীয়া ভাষাৰ ৰূপতত্ত্ব

অধ্যায় ৬ ঃ **অসমীয়া ভাষাৰ ৰূপতত্ত্ব — ২** ৭৭-৯২
অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ কেইটামান দিশ ঃ বচন, লিংগ, কাৰক

অধ্যায় ৭ ঃ **অসমীয়া ভাষাৰ ৰূপতত্ত্ব — ৩** ৯৩-১০৯
অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ কেইটামান দিশ ঃ বিশেষণ আৰু বিশেষণৰ তুলনা, সর্বনাম আৰু সর্বনামীয় ৰূপ, ক্রিয়া

অধ্যায় ৮ ঃ **বাক্যতত্ত্বৰ সাধাৰণ পৰিচয়** ১১০-১২৬
বাক্যতত্ত্বৰ সাধাৰণ পৰিচয়

অধ্যায় ৯ ঃ **অসমীয়া ভাষাৰ বাক্যতত্ত্ব** ১২৭-১৪১
অসমীয়া ভাষাৰ বাক্যতত্ত্ব

অধ্যায় ১০ ঃ **অসমীয়া ভাষাৰ পদ** ১৪২-১৫৪
অসমীয়া ভাষাৰ পদ

অধ্যায় ১১ ঃ **অসমীয়া ভাষাৰ বচন আৰু লিঙ্গ** **১৫৫-১৭১**
অসমীয়া ভাষাৰ বচন; অসমীয়া ভাষাৰ লিঙ্গ

অধ্যায় ১২ ঃ **অসমীয়া ভাষাৰ কাৰক আৰু বিভক্তি** **১৭২-১৯৬**
অসমীয়া ভাষাৰ কাৰক; অসমীয়া ভাষাৰ বিভক্তি ঃ বিভক্তি আৰু প্রত্যয় বিভাজনৰ সূত্র, অসমীয়া ভাষাৰ শব্দ-বিভক্তি, অসমীয়া ভাষাৰ ক্রিয়া-বিভক্তি

অধ্যায় ১৩ ঃ **অসমীয়া ভাষাৰ প্রত্যয়** **১৯৭-২১৭**
অসমীয়া ভাষাৰ প্রত্যয়ৰ সাধাৰণ পৰিচয়; অসমীয়া ভাষাৰ সর্গ বা প্রত্যয়ৰ শ্রেণীবিভাজন ঃ অসমীয়া ভাষাৰ অৱস্থানগত প্রত্যয়, অসমীয়া ভাষাৰ গুণগত প্রত্যয়

অধ্যায় ১৪ ঃ **অসমীয়া ভাষাৰ সন্ধি আৰু সমাস** **২১৮-২২৬**
অসমীয়া ভাষাৰ সন্ধি; অসমীয়া ভাষাৰ সমাস

প্রসঙ্গ পুথি **২২৭-২২৯**

পাঠ্যবিষয়ৰ পৰিচয় ঃ অসমীয়া ব্যাকৰণ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে 2023 বর্ষৰ পৰা চাৰি বছৰীয়া স্নাতক পাঠ্যক্রম (চি.বি.চি.এচ.; এন.ই.পি-2020 অনুসৰি) আগ বঢ়াবলৈ লৈছে। এই স্নাতক পাঠ্যক্রমত অসমীয়া বিষয়টি বুনিয়াদী আৰু বিষয় সম্পৰ্কীয় ঐচ্ছিক পাঠ্যবিষয় হিচাপেও প্রদান কৰা হৈছে। বুনিয়াদী বিষয় হিচাপে অধ্যয়ন কৰিব বিচৰাসকলে আঠটা ষাণ্মাসিকত মুঠ 20 খন আৰু বিষয় সম্পৰ্কীয় ঐচ্ছিক পাঠ্যবিষয় হিচাপে অধ্যয়ন কৰিলে মুঠ 8 খন পাঠ্যবিষয় অধ্যয়ন কৰিব লাগিব। ইয়াৰে তৃতীয় ষাণ্মাসিকত বুনিয়াদী পাঠ্যবিষয় হিচাপে "অসমীয়া ব্যাকৰণ" শীর্ষক এইখন পাঠ্যবিষয় অধ্যয়নৰ বাবে নির্বাচিত কৰি দিয়া হৈছে। এইখন চতুর্থ পাঠ্যবিষয়। পাঠ্যবিষয়টিত ব্যাকৰণ আৰু অসমীয়া ব্যাকৰণৰ ইতিহাস তথা অসমীয়া ভাষাৰ গাঁথনিক দিশৰ কেইটামান উপাদানৰ বিষয়ে আলোচনা দাঙি ধৰা হৈছে।

কোনো এটা ভাষা শুদ্ধকৈ লিখিব আৰু ক'বৰ বাবে সেই ভাষাটোৰ গঠন পদ্ধতিৰ প্রণালীৱদ্ধ অধ্যয়ন কৰাৰ প্রয়োজনীয়তা স্বীকাৰ কৰা হয়। এই প্রণালীৱদ্ধ অধ্যয়নৰ ভাষাবৈজ্ঞানিক বর্ণনাই হৈছে সেই ভাষাৰ ব্যাকৰণ। অধ্যয়ন পদ্ধতিৰ ওপৰত নির্ভৰ কৰি ব্যাকৰণ ৰচনা কৰা পদ্ধতিক কেইবাটাও ভাগত ভাগ কৰা হৈছে। বেপ্তিষ্ট মিছনেৰী উইলিয়াম ৰবিন্সনে 1839 চনত ৰচনা কৰা *Grammar of the Asamese Language* খনেই হৈছে প্রথম অসমীয়া ব্যাকৰণ। ইয়াৰ পাছৰে পৰা বর্তমানলৈকে বিভিন্ন পণ্ডিতে বিবিধ পদ্ধতি অৱলম্বন কৰি অসমীয়া ভাষাৰ ব্যাকৰণ ৰচনা কৰিছে। ব্যাকৰণ এখনৰ লগত জড়িত হৈ থাকে ইয়াৰ উপাদানসমূহ, অর্থাৎ — ভাষাৰ ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক আৰু বাক্যতাত্ত্বিক উপাদানসমূহ। ভাষা এটাৰ গাঁথনিক দিশৰ জ্ঞান আহৰণৰ বাবে এই বিষয়সমূহ অধ্যয়ন কৰাটো অপৰিহার্য। এই পাঠ্যবিষয়খনত ভাষাৰ ধ্বনিতত্ত্ব, ৰূপতত্ত্ব আৰু বাক্যতত্ত্বৰ সাধাৰণ পৰিচয় দাঙি ধৰাৰ লগতে অসমীয়া ধ্বনিতত্ত্ব, ৰূপতত্ত্ব আৰু বাক্যতত্ত্ব সম্পর্কে বহলাই আলোচনা কৰা হৈছে। লগতে অসমীয়া ৰূপতত্ত্বৰ কেইটিমান উল্লেখযোগ্য উপাদান — পদ, বচন, লিঙ্গ, কাৰক, বিভক্তি আৰু প্রত্যয় সম্পর্কে বিস্তৃত আলোচনা কৰা গৈছে। এই পাঠ্যবিষয়ত ব্যাকৰণ আৰু অসমীয়া ব্যাকৰণৰ ইতিহাস সম্পর্কেও আলোচনা সন্নিৱিষ্ট হৈছে। এই পাঠ্যবিষয় অধ্যয়ন কৰি আপুনি অসমীয়া ভাষাৰ গঠন প্রণালী সম্পর্কে সম্যক ধাৰণা লাভ কৰিব।

এই গোটেই কেইটা বিষয়বস্তু সর্বমুঠ চৌধ্যটা অধ্যায়ত সজোৱা হৈছে। আমি সকলোৱে জানোঁ যে পৃথিৱীৰ প্রতিটো ভাষাৰে নিজস্ব এক গঠন প্রণালী থাকে। সামগ্রিকভাৱে কোনো ভাষাৰ গঠন পদ্ধতিৰ প্রণালীৱদ্ধ বিশ্লেষণ আৰু বিৱৰণকে সেই ভাষাৰ ব্যাকৰণ বোলে। ব্যাকৰণৰ ব্যুৎপত্তিগত অর্থ তথা ব্যাকৰণৰ সংজ্ঞা সম্পর্কে বিভিন্ন সময়ত ভিন্ ভিন্ ভাষাবিদে নিজস্ব মত আগবঢ়াইছে। এই পাঠ্যবিষয়ৰ প্রথমটো অধ্যায়ত ব্যাকৰণৰ বুৎপত্তিগত অর্থ, ব্যাকৰণৰ সংজ্ঞা, পৰম্পৰাগত ব্যাকৰণ আৰু আধুনিক ব্যাকৰণ; ব্যাকৰণ, ভাষাবিজ্ঞান আৰু ভাষাতত্ত্ব; ব্যাকৰণৰ শ্রেণীবিভাগ; ব্যাকৰণৰ উপাদান; অসমীয়া ব্যাকৰণৰ ইতিহাস সম্পর্কে বহলাই আলোচনা কৰা হৈছে।

ভাষাৰ মূল সামগ্রী ধ্বনি। ধ্বনিৰ অধ্যয়নৰ বাবে ধ্বনিবিজ্ঞান, ধ্বনিতত্ত্ব আৰু বিশিষ্ট ধ্বনিবিজ্ঞান বা বর্ণবিজ্ঞান আদি কেইবাটাও শাখা আছে। পাঠ্যবিষয়টিৰ দ্বিতীয়টো অধ্যায় — ধ্বনিতত্ত্বৰ সাধাৰণ পৰিচয়ত ধ্বনি মানে কি, ধ্বনিতত্ত্ব মানে কি সেই সম্পর্কে আলোচনা কৰাৰ লগতে ধ্বনি সৃষ্টিৰ বিভিন্ন অঙ্গসমূহৰ পৰিচয় দাঙি ধৰি স্বৰধ্বনি, ব্যঞ্জনধ্বনি, বিশিষ্ট ধ্বনি আৰু উপধ্বনিৰ বিষয়ে আলোচনা দাঙি ধৰা হৈছে। তৃতীয়টো অধ্যায় — অসমীয়া ভাষাৰ ধ্বনিতত্ত্বত অসমীয়া ধ্বনিতত্ত্ব অন্তর্গত বিশিষ্ট স্বৰধ্বনি, বিশিষ্ট ব্যঞ্জনধ্বনি; অসমীয়া স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিৰ উপধ্বনি সম্পর্কে আলোচনা কৰা গৈছে।

ভাষা বিশ্লেষণৰ আন এটা উপাদান হ'ল — 'ৰূপতত্ত্ব'। ৰূপতত্ত্ব হ'ল শব্দ তথা পদ-গঠনৰ মৌলিক উপাদানবোৰৰ প্রণালীবদ্ধ বিৱৰণ। আমাৰ পঢ়াশলীয়া ব্যাকৰণবোৰত শব্দ-গঠন প্রক্রিয়া সম্বন্ধে যি আলোচনা পোৱা যায়, আধুনিক ভাষাবিজ্ঞানত তেনে

বিষয়ৰ বিচাৰ-বিশ্লেষণকে ‘ৰূপতত্ত্ব’ আখ্যা দিয়া হৈছে। চতুর্থ, পঞ্চম, ষষ্ঠ আৰু সপ্তম অধ্যায়ত ৰূপতত্ত্বৰ সাধাৰণ পৰিচয় প্ৰদান কৰি অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ কেইবাটাও উল্লেখযোগ্য দিশ — বচন, লিংগ, কাৰক, বিশেষণ আৰু বিশেষণৰ তুলনা, সর্বনাম আৰু সর্বনামীয় ৰূপ, ক্ৰিয়া — সম্পর্কে বহলাই আলোচনা দাঙি ধৰা হৈছে। অধ্যায়কেইটাৰ শিৰোনাম ক্ৰমে — চতুর্থ অধ্যায় ঃ ৰূপতত্ত্ব — সাধাৰণ পৰিচয়, পঞ্চম অধ্যায় ঃ ৰূপতত্ত্ব আৰু অসমীয়া ভাষাৰ ৰূপতত্ত্ব — 1, ষষ্ঠ অধ্যায় ঃ অসমীয়া ভাষাৰ ৰূপতত্ত্ব — 2, সপ্তম অধ্যায় ঃ অসমীয়া ভাষাৰ ৰূপতত্ত্ব — 3¼ এই কেইটা অধ্যায় অধ্যয়ন কৰি আপুনি অসমীয়া ভাষাৰ ৰূপতত্ত্ব সম্পর্কে সম্যক ধাৰণা লাভ কৰিবলৈ সক্ষম হ’ব।

সাধাৰণ অর্থত বাক্যতত্ত্ব বুলি ক’লে, বাক্যৰ সাধাৰণ ৰূপ-গঠন প্ৰণালী সম্পর্কে য’ত বিশ্লেষণ কৰা হয় তাকে বুজা যায়। এই খণ্ডটোৰ প্ৰথম অর্থাৎ পাঠ্যবিষয়টিৰ অষ্টম অধ্যায় — ‘বাক্যতত্ত্বৰ সাধাৰণ পৰিচয়’ত আমি বাক্যতত্ত্বৰ লগত সম্পর্কীত দিশসমূহৰ বিষয়ে অধ্যয়ন কৰিম। নৱম অধ্যায় ‘অসমীয়া ভাষাৰ বাক্যতত্ত্ব’ত অসমীয়া বাক্যতত্ত্ব সম্পর্কীয় প্ৰায় আটাইবোৰ দিশৰ আলোচনা সন্নিৱিষ্ট কৰা হৈছে।

ইয়াৰ পৰৱর্তী অধ্যায়কেইটাত অসমীয়া ৰূপতত্ত্বৰ কেইটামান উল্লেখযোগ্য দিশ — অসমীয়া ভাষাৰ পদ, বচন, লিঙ্গ, কাৰক, বিভক্তি আৰু প্ৰত্যয়, সন্ধি আৰু সমাস সম্পর্কে বহলাই আলোচনা কৰা হৈছে। অধ্যায়কেইটাৰ শিৰোনাম ক্ৰমে — দশম অধ্যায় ঃ অসমীয়া ভাষাৰ পদ, একাদশ অধ্যায় ঃ অসমীয়া ভাষাৰ বচন আৰু লিঙ্গ, দ্বাদশ অধ্যায় ঃ অসমীয়া ভাষাৰ কাৰক আৰু বিভক্তি, ত্ৰয়োদশ অধ্যায় ঃ অসমীয়া ভাষাৰ প্ৰত্যয় আৰু চতুর্দশ অধ্যায় ঃ অসমীয়া ভাষাৰ সন্ধি আৰু সমাস। এই পাঠ্যবিষয়টিয়ে আপোনাক অসমীয়া বাক্যতত্ত্ব আৰু অসমীয়া ৰূপতত্ত্ব সম্পর্কে এটি ধাৰণা গ্ৰহণ কৰাত সহায় কৰিব বুলি আশা কৰা যায়।

এই পাঠ্যবিষয়খন অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অর্থ সন্নিৱিষ্ট হৈছে। সেইদৰে — ‘জানি থোৱা ভাল’ বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা ‘চিন্তা-চর্চা কৰক’সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, ‘অগ্ৰগতি নিৰীক্ষণ’যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পর্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া ‘অগ্ৰগতিৰ খতিয়ান’ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ’ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে ‘অধিক জানিবলৈ’ শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৱথিস্বৰূপ। অধ্যায়বোৰৰ শেষত ‘আৰ্হি প্ৰশ্ন’ হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে।

অধ্যায় ১ ঃ ব্যাকৰণৰ সাধাৰণ পৰিচয়

অধ্যায় গাঁথনি

1.1 উদ্দেশ্য

1.2 পৰিচয়

1.3 ব্যাকৰণ

1.3.1 ব্যাকৰণৰ বুৎপত্তিগত অর্থ

1.3.2 ব্যাকৰণৰ সংজ্ঞা

1.3.3 পৰম্পৰাগত ব্যাকৰণ আৰু আধুনিক ব্যাকৰণ

1.4 ব্যাকৰণ, ভাষাবিজ্ঞান আৰু ভাষাতত্ত্ব

1.5 ব্যাকৰণৰ শ্রেণীবিভাগ

1.6 ব্যাকৰণৰ উপাদান

1.7 অসমীয়া ব্যাকৰণৰ ইতিহাস

1.8 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

1.9 অধিক জানিবলৈ

1.10 অগ্রগতিৰ খতিয়ান

1.11 আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ব্যাকৰণৰ ব্যুৎপত্তিগত অর্থ আৰু সংজ্ঞা নিৰূপণ কৰিব পাৰিব
- পৰম্পৰাগত ব্যাকৰণ আৰু আধুনিক ব্যাকৰণৰ পার্থক্য নির্ণয় কৰিব পাৰিব
- ‘ব্যাকৰণ’, ‘ভাষাবিজ্ঞান’ আৰু ‘ভাষাতত্ত্ব’ৰ লগত পৰিচিত হ’ব
- বিভিন্ন প্রকাৰৰ ব্যাকৰণৰ সূত্র আগবঢ়াব পাৰিব
- ব্যাকৰণৰ বিবিধ উপাদানৰ বিষয়ে চমু আভাস লাভ কৰিব
- অসমীয়া ভাষাৰ ব্যাকৰণৰ ইতিহাসৰ বিষয়ে জানিব পাৰিব।

১.২ পৰিচয়

পৃথিৱীৰ প্রতিটো ভাষাৰে নিজস্ব এক গঠন প্রণালী থাকে। সামগ্রিকভাৱে কোনো ভাষাৰ গঠন পদ্ধতিৰ প্রণালীৱদ্ধ বিশ্লেষণ আৰু বিৱৰণকে সেই ভাষাৰ ব্যাকৰণ বোলে। ব্যাকৰণৰ ব্যুৎপত্তিগত অর্থ তথা ব্যাকৰণৰ সংজ্ঞা সম্পর্কে বিভিন্ন সময়ত ভিন্ ভিন্ ভাষাবিদে নিজস্ব মত

আগবঢ়াইছে। পৰম্পৰাগত আৰু আধুনিক ব্যাকৰণ হৈছে ভাষাৰ বৈজ্ঞানিক বিশ্লেষণৰ দুটা বিশেষ পদ্ধতি। আন ভাষাসমূহৰ দৰে অসমীয়া ভাষাৰো ব্যাকৰণ পোৱা যায়। উইলিয়াম ৰবিন্সন হৈছে অসমীয়া ভাষাৰ ব্যাকৰণ প্ৰণেতাসকলৰ পথ প্ৰদৰ্শক। তেওঁ ইংৰাজী ভাষাৰ মাধ্যমত পোন প্ৰথমবাৰৰ বাবে অসমীয়া ভাষাৰ ব্যাকৰণ পুথি প্ৰণয়ন কৰে। হেমচন্দ্ৰ বৰুৱাৰ দ্বাৰা ৰচিত *অসমীয়া ভাষাৰ ব্যাকৰণ* অসমীয়া ভাষাত ৰচিত প্ৰথম অসমীয়া ব্যাকৰণ। হেমচন্দ্ৰ বৰুৱাৰ পিছত বহুকেইজন অসমীয়া ব্যাকৰণবিদৰ সৰু-বৰ কেইবাখনো ব্যাকৰণ পোৱা যায়। আপুনি এই অধ্যায়টোৰ জৰিয়তে ব্যাকৰণৰ ব্যুৎপত্তিগত অর্থ আৰু সংজ্ঞা, ব্যাকৰণৰ শ্ৰেণীবিভাগ, উপাদান আৰু অসমীয়া ব্যাকৰণৰ ইতিহাস — এই বিষয়সমূহৰ পৰিচয় লাভ কৰিব।

১.৩ ব্যাকৰণ

আমি সকলোৱে জানোঁ যে, পৃথিৱীৰ বিভিন্ন ঠাইত বিভিন্ন ভাষাৰ প্ৰচলন আছে। এই ভাষাসমূহৰ প্ৰত্যেকৰে একোটা নিজৰ শৃংখলা আৰু গঠন প্ৰণালী আছে। সেইবাবে কোনো এটা ভাষা শুদ্ধকৈ শিকিবলৈ হ'লে সেই ভাষাৰ নির্দিষ্ট শৃংখলা আৰু গঠন প্ৰণালী সম্পৰ্কে অধ্যয়ন কৰাতো অতীব প্ৰয়োজনীয়। কোনো ভাষাৰ গঠন পদ্ধতিৰ প্ৰণালীবদ্ধ অধ্যয়নৰ দ্বাৰা প্ৰস্তুত কৰা ভাষাবৈজ্ঞানিক বর্ণনাই হৈছে সেই ভাষাৰ ব্যাকৰণ।

১.৩.১ ব্যাকৰণৰ ব্যুৎপত্তিগত অর্থ

ভাৰতীয় 'ব্যাকৰণ' অভিধাৰ প্ৰথম উল্লেখ পোৱা যায় বৈদিক যুগৰ 'ব্ৰাহ্মণ্য' সাহিত্যত। সংস্কৃত 'ব্যাকৰণ' শব্দটোৰ ব্যুৎপত্তিগত অর্থ হৈছে — বিশেষ আৰু বিতংভাৱে কৰা বিশ্লেষণ (বি - আ - √কৃ ÙÂ অনট্)। আকৌ, ইংৰাজী Grammar শব্দটোও লেটিনৰ মাজেৰে গ্ৰীক ভাষাৰপৰা আহিছে। গ্ৰীক ভাষাৰ Grammatika বা Grammatiké techné শব্দৰপৰা ইংৰাজী Grammar শব্দটো আহিছে। গ্ৰীক ভাষাত Gramma মানে 'আখৰ', Grammta মানে 'আখৰ জনা তত্ত্ব' আৰু Grammatiké techné-ৰ অর্থ হ'ল 'লেখন-কলা' (Art of writing) বা 'লিখা-পঢ়াৰ দক্ষতা' (Skill of reading and writing)। গ্ৰীক Grammatiké-ৰ পৰা উদ্ভূত লেটিন Grammaticus শব্দই ভাষা শুদ্ধকৈ ক'ব আৰু লিখিব জনা মানুহক বুজাইছিল। এই লেটিন শব্দটোৰপৰা ইংৰাজী Grammar শব্দটোৰ সৃষ্টি হয় বুলি আমি ক'ব পাৰোঁ। প্লেটো, এৰিষ্টটল, থ্ৰাস্ক আদি গ্ৰীক দার্শনিকসকলে ব্যাকৰণক দর্শন শাস্ত্ৰৰ এক অংগ হিচাপে জ্ঞান কৰিছিল। ভাৰতৰ প্ৰসিদ্ধ ব্যাকৰণবিদ পাণিনিৰ স্থান ব্যাকৰণ চর্চাৰ ক্ষেত্ৰত অতি উল্লেখযোগ্য। পাণিনিৰ ব্যাকৰণখন *অষ্টাধ্যায়ী* নামেৰে সুপৰিচিত। লিঅ'নার্ড ব্লুমফিল্ডৰ মতে পাণিনিৰ *অষ্টাধ্যায়ী*খন "মানৰ বুদ্ধিমত্তাৰ মহানতম কীর্তিচিহ্ন" (Greatest monument of human intelligence)। পাণিনিৰ লগতে কাত্যায়ন,

পতঞ্জলি, হেমচন্দ্ৰ, বোপদেৱ আদি হ'ল বিখ্যাত ভাৰতীয় ব্যাকৰণবিদ । উল্লেখযোগ্য যে, মধ্যযুগৰ পৰা পণ্ডিতসকলে ব্যাকৰণক ভাষা সম্পৰ্কীয় কিছুমান সূত্ৰ বা নিয়ম (Rules) হিচাপে গণ্য কৰিছিল। কিন্তু বৰ্তমান ভাষাবিজ্ঞানৰ দৃষ্টিভঙ্গীৰে ব্যাকৰণৰ পৃথক সংজ্ঞা নিৰূপণ কৰা হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ইংৰাজী grammar শব্দটো কোনটো ভাষাৰপৰা আহিছে?

.....

১.৩.২ ব্যাকৰণৰ সংজ্ঞা

অতীতৰপৰা বৰ্তমানলৈকে ব্যাকৰণৰ বিভিন্ন দিশ পৰ্যালোচনা কৰি বিভিন্ন ভাষাবিদ আৰু বাগ্‌বিজ্ঞানীয়ে ব্যাকৰণৰ বিভিন্ন সংজ্ঞা আগবঢ়াইছে। তাৰে কিছুমান উল্লেখযোগ্য সংজ্ঞা হ'ল —

- "কোনো এটা ভাষাৰ গঠন পদ্ধতিৰ বিজ্ঞানসন্মত আৰু যথাসম্ভৱ বিতং বিশ্লেষণেই সেই ভাষাৰ ব্যাকৰণ।" (গোলোকচন্দ্ৰ গোস্বামী)
- "কোনো এটা ভাষাৰ গঠনৰ তন্ন তন্ন বিচাৰ আৰু তাৰ শৃংখলাবদ্ধ বিৱৰণ হ'ল সেই ভাষাটোৰ ব্যাকৰণ।" (উপেন্দ্ৰনাথ গোস্বামী)
- "যি বিদ্যাৰ দ্বাৰা কোনো ভাষাক বিশ্লেষণ কৰি তাৰ স্বৰূপ আলোচনা কৰা হয় আৰু সেই ভাষাৰ পঠন, লিখন আৰু কথোপকথনত তাক শুদ্ধভাৱে প্ৰয়োগ কৰা হয়, সেই বিদ্যাক সেই ভাষাৰ ব্যাকৰণ বোলে।" (সুনীতি কুমাৰ চট্টোপাধ্যায়)
- "The grammar of a language may be regarded as a system of rules which relates stretches of sound (or sequences of marks on a flat surface) with meanings." (*Encyclopaedia Britannica*, Vol. VIII)
- "Grammar in the widest sense of the word is both the science and art of language." (Henry Sweet)

১.৩.৩ পৰম্পৰাগত ব্যাকৰণ আৰু আধুনিক ব্যাকৰণ

ভাষাৰ বিজ্ঞানসন্মত বিচাৰ বিশ্লেষণ আৰম্ভ হোৱাৰ পূৰ্বকালত যি পদ্ধতি অৱলম্বন কৰি ব্যাকৰণ ৰচনা কৰা হৈছিল, তাকে পৰম্পৰাগত ব্যাকৰণ (Traditional Grammar) বোলে। ইউৰোপ মহাদেশৰ গ্ৰীক, লেটিন আৰু নৱজাগৰণৰ সময়ৰ

ব্যাকৰণসমূহক এই শ্ৰেণীত ধৰা হয়। আনহাতে ভাষাৰ প্ৰচলিত অথবা বাস্তৱ ৰূপৰ বিশ্লেষণৰ ক্ষেত্ৰত গ্ৰহণ কৰা পদ্ধতিক আধুনিক ব্যাকৰণ (Modern Grammar) বোলে। পৰম্পৰাগত ব্যাকৰণ আৰু আধুনিক ব্যাকৰণৰ মাজত আমি কিছুমান পাৰ্থক্য দেখিবলৈ পাওঁ। সেইসমূহ হ'ল —

- পৰম্পৰাগত ব্যাকৰণ অষ্টাদশ শতিকাৰ পূৰ্বৰ সৃষ্টি; আনহাতে আধুনিক ব্যাকৰণ প্ৰধানতঃ বিংশ শতিকাৰ বৰঙণি।
- পৰম্পৰাগত ব্যাকৰণ নিদানমূলক বা নিদেৰ্শমূলক আৰু লিখিত ভাষাৰ ভুল আৰু শুদ্ধৰ বিচাৰ ইয়াৰ মূল উপজীব্য। ইয়াৰ বিপৰীতে আধুনিক নতুন ব্যাকৰণে ভাষাৰ যথাযথ ৰূপৰ বিতং বিৱৰণহে দাঙি ধৰে।
- পৰম্পৰাগত ব্যাকৰণ বিশৃংখল, আনহাতে আধুনিক ব্যাকৰণ সুশৃংখল।
- পৰম্পৰাগত ব্যাকৰণত বলিষ্ঠ যুক্তি আৰু সুনির্দিষ্ট পদ্ধতি নাই; আনহাতে আধুনিক ব্যাকৰণ যুক্তি আৰু পদ্ধতিৰ দিশত যথেষ্ট সবল।
- পৰম্পৰাগত ব্যাকৰণ বিষয়নিষ্ঠ, আনহাতে আধুনিক ব্যাকৰণ বস্তুনিষ্ঠ।
- পৰম্পৰাগত ব্যাকৰণ ব্যাখ্যামূলক, আনহাতে আধুনিক ব্যাকৰণ বৰ্ণনাত্মক।
- পৰম্পৰাগত ব্যাকৰণ গ্ৰীক আৰু লেটিন ব্যাকৰণৰ ওপৰত ঘাইকৈ নিৰ্ভৰশীল। আনহাতে আধুনিক ব্যাকৰণ ভাষাৰ বাস্তৱ তথ্যৰ ওপৰত নিৰ্ভৰশীল।
- পৰম্পৰাগত ব্যাকৰণত ভাষাৰ লিখিত ৰূপক (বিশেষকৈ ভাষাৰ সাহিত্যিক ৰূপক) অগ্ৰাধিকাৰ দিয়া হয়; আনহাতে আধুনিক ব্যাকৰণত ভাষাৰ কথিত ৰূপক প্ৰাধান্য দিয়া হয়।

এনেধৰণে পৰম্পৰাগত ব্যাকৰণ আৰু আধুনিক ব্যাকৰণৰ মাজত যথেষ্ট পাৰ্থক্য থকা দেখা যায়।



চিন্তা-চৰ্চা কৰক — ১.১

পৰম্পৰাগত ব্যাকৰণ আৰু আধুনিক ব্যাকৰণৰ পাৰ্থক্য নিৰ্ণয় কৰি এটি প্ৰবন্ধ যুগুত কৰক।

১.৪ ব্যাকৰণ, ভাষাবিজ্ঞান আৰু ভাষাতত্ত্ব

ভাষাৰ বিশ্লেষণ আৰু আলোচনাৰ ক্ষেত্ৰত ব্যাকৰণ, ভাষাবিজ্ঞান আৰু ভাষাতত্ত্ব — এই তিনিওটা শব্দ বহুল প্ৰচলিত। ভাষাতত্ত্ব আৰু ভাষাবিজ্ঞান নতুন, আনহাতে ব্যাকৰণ আপেক্ষিকভাৱে প্ৰাচীন শব্দ। ভাষাতত্ত্ব আৰু ভাষাবিজ্ঞানৰ ইংৰাজী প্ৰতিশব্দ হৈছে ক্ৰমে Philology আৰু Linguistics। ব্যাকৰণ শব্দটো ভাষাতত্ত্ব আৰু ভাষাবিজ্ঞানতকৈ কিছু পৃথক হ'লেও পিছৰ দুটা প্ৰায় সমাৰ্থক হিচাপে প্ৰয়োগ হোৱা দেখা যায়। কিন্তু তত্ত্বগতভাৱে তিনিওটা

শব্দৰ মৌলিক পার্থক্য আছে। আনহাতে, ভাষাৰ অধ্যয়নৰ দৃষ্টিভংগীৰ ক্ষেত্রতো তিনিওটা বিষয়ৰ পার্থক্য পৰিলক্ষিত হয়। গ্রীক ভাষাৰ Philologia > লেটিন Philologia > ফৰাচী Philologia > ইংৰাজী Philology । এই Philology মূলতঃ লিখিত নথিৰ সৈতে জড়িত আৰু ইয়াত ভাষাৰ, বিশেষকৈ শব্দৰ বুৎপত্তিমূলক বিশ্লেষণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। আনহাতে Linguistics শব্দটো লেটিন lingua (মাত, কথা) আৰু istics (তত্ত্ব, জ্ঞান)ৰ সংযোগত গঠিত। ইয়াৰ অর্থ হৈছে ভাষাৰ বিজ্ঞান (Science of Language)। ভাষাৰ কথিত আৰু লিখিত দুয়োটা ৰূপৰ প্রণালীৱদ্ধ বিচাৰ-বিশ্লেষণৰ সৈতে ভাষাবিজ্ঞান জড়িত। বর্তমান সময়ত ভাষাবিজ্ঞান আৰু ব্যাকৰণৰ মাজৰ পার্থক্য কমি আহিছে। কিন্তু তথাপিও বিষয়বস্তুৰ নির্বাচন আৰু উপস্থাপনৰ ক্ষেত্রত কিছু পার্থক্য দেখা যায়।

১.৫ ব্যাকৰণৰ শ্রেণীবিভাগ

ভাষাৰ ব্যাকৰণ নানা প্রকাৰৰ হ'ব পাৰে। অধ্যয়ন পদ্ধতিৰ ওপৰত নির্ভৰ কৰি ব্যাকৰণক ঘাইকৈ তিনিটা ভাগত ভাগ কৰিব পাৰি। সেয়া হ'ল —

- ঐতিহাসিক ব্যাকৰণ (Historical Grammar)
- বর্ণনাত্মক ব্যাকৰণ (Descriptive Grammar)
- তুলনামূলক ব্যাকৰণ (Comparative Grammar)

ইয়াৰ উপৰি আৰু দুবিধ ব্যাকৰণৰ কথা ভাষাবিজ্ঞানীসকলে উল্লেখ কৰিছে। সেই দুবিধ হ'ল —

- বিৰোধাত্মক ব্যাকৰণ (Constructive or Transfer Grammar)
- ৰূপান্তৰসৃজন ব্যাকৰণ (Transformational or Generative Grammar)

- **ঐতিহাসিক ব্যাকৰণ ঃ** কোনো এটা ভাষাই প্রাচীন কালৰ পৰা বিভিন্ন স্তৰৰ বিৱর্তনৰ মাজেৰে কেনেদৰে সাম্প্রতিক স্তৰত উপনীত হ'ল তাৰ বিৱৰণেই হ'ল ভাষাটোৰ ঐতিহাসিক ব্যাকৰণ। এনে ব্যাকৰণত ভাষাৰ বংশানুক্রমিক বিচাৰ-বিশ্লেষণ পোৱা যায়। আন কথাত, ঐতিহাসিক ব্যাকৰণত এটা ভাষাৰ বিভিন্ন কালৰ ৰূপ অর্থাৎ জন্ম আৰু ক্রমবিকাশৰ ঐতিহাসিক পর্যালোচনা সন্নিৱিষ্ট হয়।
- **বর্ণনাত্মক ব্যাকৰণ ঃ** যি ব্যাকৰণত কোনো এটা ভাষাৰ কোনো এক নির্দিষ্ট সময়ৰ গঠন পদ্ধতিৰ প্রণালীবদ্ধ বিচাৰ-বিশ্লেষণ পোৱা যায়, তাকে সেই ভাষাটোৰ বর্ণনাত্মক ব্যাকৰণ বোলে। এই ব্যাকৰণ প্রস্তুত কৰোঁতে সেই ভাষাটোৰ ব্যৱহাৰিক দিশত অধিক গুৰুত্ব দিয়া হয়। বর্ণনাত্মক ব্যাকৰণত আলোচিত ভাষাটোৰ অতীতৰ ৰূপ কি আছিল তালৈ চকু দিয়া নহয় আৰু ভৱিষ্যতত কেনে ৰূপ ল'বগৈ সেয়াও আলোচিত নহয়।
- **তুলনামূলক ব্যাকৰণ ঃ** যি ব্যাকৰণত কোনো এটা ভাষাৰ মূল উৎস আৰু তাৰ পৰিৱর্তিত আন আন ৰূপৰ মাজত থকা সম্বন্ধৰ তুলনা কৰা হয়, তাকে তুলনামূলক ব্যাকৰণ বোলে।

একাধিক ভাষাৰ তুলনাত্মক আলোচনা কৰাটো তুলনামূলক ব্যাকৰণৰ উদ্দেশ্য। উদাহৰণস্বৰূপে — একে মূল উৎস সংস্কৃতৰ পৰা পালি-প্ৰাকৃত-অপভ্ৰংশৰ উদ্ভৱ হৈছে। এই পালি-প্ৰাকৃত-অপভ্ৰংশৰ পৰা আধুনিক ভাৰতীয় ভাষাসমূহ; যেনে — অসমীয়া, বঙালী, উড়িয়া, হিন্দী, মাৰাঠী আদি ভাষাৰ জন্ম হৈছে। যদিহে অসমীয়া ভাষাৰ ক্ষেত্ৰত বিজ্ঞানসন্মত অধ্যয়ন চলাই অসমীয়া আৰু এই ভাষাসমূহৰ মাজত থকা সাদৃশ্য বা সম্বন্ধ নিৰূপণ কৰা হয়, তেনেহ'লে আমি তাক অসমীয়া ভাষাৰ তুলনামূলক ব্যাকৰণ বুলি ক'ব পাৰোঁ।

- **বিৰোধাত্মক ব্যাকৰণ ঃ** কোনো দুটা বা তাতোধিক ভাষাৰ বৰ্ণনাত্মক অধ্যয়নৰ জৰিয়তে পোৱা সমলক প্ৰাথমিক আধাৰ হিচাপে লৈ ভাষা দুটা বা ভাষাবোৰৰ মাজত থকা সাদৃশ্য আৰু বৈসাদৃশ্যবোৰক (মিল আৰু অমিলবোৰক) পৃথকীকৰণ কৰিব পাৰি। এনেদৰে কোনো দুটা ভাষাৰ প্ৰথমতে বৰ্ণনাত্মক ব্যাকৰণ ৰচনা কৰি পিছত ভাষা দুটাৰ মাজত থকা বিপৰীত বৈশিষ্ট্যবোৰৰ বিৱৰণ যিখন ব্যাকৰণত সন্নিৱিষ্ট হয় সেই ব্যাকৰণখনৰ নাম হ'ব বিৰোধাত্মক ব্যাকৰণ। এনে ব্যাকৰণৰ দ্বাৰা এটা দ্বিতীয় ভাষা বা বিদেশী ভাষা শিকা আৰু শিকোৱাত সহায় হয়। এটা ভাষাৰ পৰা আন এটা ভাষালৈ অনুবাদ কৰোতে অনুবাদকসকলে বিৰোধাত্মক ব্যাকৰণৰ সহায় ল'ব পাৰে।
- **ৰূপান্তৰসৃজন ব্যাকৰণ ঃ** কেতিয়াবা একোটা ভাষাৰ মূল বাক্যবোৰৰ কিছুমান পৰিৱৰ্তিত ৰূপ থকা আমি দেখিবলৈ পাওঁ। উদাহৰণস্বৰূপে — হাবিখনত বাঘ আছে। — এই বাক্যটো আমি কেইবাটাও বাক্যলৈ ৰূপান্তৰিত কৰিব পাৰো। অৱশ্যে মূল বাক্য আৰু এই ৰূপান্তৰিত বাক্যসমূহৰ মাজত সাধাৰণতে অৰ্থৰ তাৰতম্য ঘটা দেখা যায়। মূল বাক্যটোৰপৰা ৰূপান্তৰিত কৰিব পৰা বাক্যসমূহ হ'ল —

  (ক) হাবিখনত বাঘ আছেনে?

  (খ) হাবিখনত বাঘ নাইনে?

  (গ) হাবিখনত বাঘ নাথাকে?

  (ঘ) হাবিখনত বাঘ নায়েই?

  কেতিয়াবা আকৌ কেইবাটাও পৃথক পৃথক বাক্যক ভাব আৰু অৰ্থৰ সালসলনি নকৰাকৈয়ো মাত্ৰ এটা বাক্যত প্ৰকাশ কৰিব পাৰি। উদাহৰণস্বৰূপে —

  (ক) মানস বুদ্ধিমান ল'ৰা।

  (খ) মানস পৰিশ্ৰমী ল'ৰা।

  (গ) মানস ভাল ল'ৰা।

  এই তিনিওটা বাক্যক আমি এটা বাক্যত প্ৰকাশ কৰিব পাৰো। সেয়া হ'ল — মানস বুদ্ধিমান, পৰিশ্ৰমী আৰু ভাল ল'ৰা।

  এনে ধৰণে ভাষাত ব্যৱহাৰ কৰা বাক্য আৰু অন্যান্য আনুষংগিক পৰিৱৰ্তনৰ ধাৰা আৰু পদ্ধতিৰ বিষয়ে আলোচনা কৰা ব্যাকৰণক ৰূপান্তৰসৃজন ব্যাকৰণ বোলে।

  উল্লেখযোগ্য যে, যোৱা দশক কেইটাত ভাষা বিশ্লেষণ বা ব্যাকৰণতত্ত্বৰ বিভিন্ন দিশ

উন্মোচিত হৈ আহিছে। এনে নতুন দিশবোৰৰ নতুন নতুন নাম দি বহুকেইজন ভাষাবিজ্ঞানীয়ে নানা প্ৰকাৰৰ ব্যাকৰণৰ অৱতাৰণা কৰিছে। সেইবোৰ হ'ল — Stratificational Grammar, Case Grammar, Relational Grammar, Context Sensitive Grammar, Categorial Grammar ইত্যাদি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ ঐতিহাসিক ব্যাকৰণ আৰু বৰ্ণনাত্মক ব্যাকৰণৰ পাৰ্থক্য আছেনে ?

.....

১.৬ ব্যাকৰণৰ উপাদান

সাধাৰণভাৱে আমি কোনো ভাষাৰ ব্যাকৰণৰ অন্তৰ্ভুক্ত সকলো বিষয়কে ব্যাকৰণৰ উপাদান বুলি ক'ব পাৰোঁ। স্বৰধ্বনি, ব্যঞ্জনধ্বনি, ৰূপ, প্ৰত্যয়, ধাতু, বিশেষ্য, বিশেষণ, অব্যয়, কাৰক, বিভক্তি, সৰল বাক্য, মিশ্ৰ বাক্য, লিঙ্গ, বচন আদি সকলোবোৰ ব্যাকৰণৰ একো একোটা উপাদান। সাধাৰণতে আমি ব্যাকৰণৰ উপাদানসমূহক তিনিটা ভাগত ভগাব পাৰোঁ। সেয়া হ'ল—

- **ধ্বনিতাত্ত্বিক উপাদান ঃ** ধ্বনিতত্ত্বৰ অন্তৰ্গত ধ্বনি আৰু বৰ্ণসমূহৰ বিষয়ে কৰা আলোচনাক ব্যাকৰণৰ ধ্বনিতাত্ত্বিক উপাদানে সামৰি লয়। স্বৰধ্বনি, ব্যঞ্জনধ্বনি, দ্বিস্বৰধ্বনি আদি বিভিন্ন ধ্বনি আৰু স্বৰবৰ্ণ, ব্যঞ্জনবৰ্ণ আদিৰ বিষয়ে ব্যাকৰণত আলোচনা কৰা হয়। ধ্বনি আৰু বৰ্ণ, বৰ্ণ আৰু আখৰ — এইসমূহৰ বিষয়েও ইয়াত বিচাৰ-বিশ্লেষণ কৰা হয়।
- **ৰূপতাত্ত্বিক উপাদান ঃ** ব্যাকৰণৰ ৰূপতাত্ত্বিক উপাদানসমূহ হ'ল — প্ৰাকৃতি (প্ৰাকৃতি, প্ৰাতিপদিক, ধাতু-প্ৰাকৃতি, নাম-ধাতু প্ৰাকৃতি আদি), সৰ্গ (উপসৰ্গ, অনুসৰ্গ, মধ্যসৰ্গ আদি), প্ৰত্যয় (কৃৎ, তদ্ধিত, স্ত্ৰীপ্ৰত্যয় আদি), বিভক্তি (শূন্য বিভক্তি, ক্ৰিয়াবিভক্তি, প্ৰথম বিভক্তি, দ্বিতীয়া বিভক্তি আদি), শব্দ (মৌলিক শব্দ, যৌগিক শব্দ আদি), বচন (একবচন, দ্বিবচন, বহুবচন, বচন-নিৰপেক্ষ ৰূপ আদি), লিঙ্গ (পুংলিঙ্গ, স্ত্ৰীলিঙ্গ, ক্লীবলিঙ্গ), কাল (অতীত, বৰ্তমান, ভৱিষ্যত), কৃদন্তৰূপ, ধাতুৰ সাধন (নাম ধাতু, পাঁচনী ধাতু), সমাস, পদ আৰু পদৰ শ্ৰেণীবিভাগ (সৰ্বনাম, অব্যয়, বিশেষণ, নামপদ — সাধাৰণ নামপদ, সম্বন্ধবাচক নামপদ, ক্ৰিয়াপদ — সকৰ্মক, অকৰ্মক, সমাপিকা, অসমাপিকা, নঞৰ্থক ক্ৰিয়াপদ আদি)।
- **বাক্যতাত্ত্বিক উপাদান ঃ** কোনো ভাষাৰ বাক্যৰ গঠন সম্পৰ্কীয় আলোচনা বাক্য বিশ্লেষণৰ উপাদানৰ ওপৰত নিৰ্ভৰ কৰে। বাক্য বিশ্লেষণৰ বিভিন্ন প্ৰণালী আৰু বাক্যৰ বিভিন্ন উপাদান, পদৰ সংগতি আৰু ক্ৰম (উদ্দেশ্য, বিধেয়, কৰ্তা, কৰ্ম আৰু অন্যান্য কাৰকৰ স্থান), বিভিন্ন ধৰণৰ বাক্য (সৰল বাক্য, যৌগিক বাক্য, মিশ্ৰ বাক্য, খণ্ড বাক্য, ক্ৰিয়াযুক্ত বাক্য, ক্ৰিয়ামুক্ত বাক্য আদি), উক্তি (প্ৰত্যক্ষ উক্তি, পৰোক্ষ উক্তি) আদি ব্যাকৰণৰ উপাদানৰ অন্তৰ্ভুক্ত।

ব্যাকৰণৰ উপাদান বুলিলে আমি সামগ্রিকভাৱে ধ্বনিতত্ত্ব, ৰূপতত্ত্ব আৰু বাক্যতত্ত্বৰ উপাদানসমূহক বুজোঁ। এই উপাদানসমূহ প্রত্যেক ভাষাৰ ব্যাকৰণৰ বাবেই প্রয়োজনীয়। কিন্তু এটা কথা আমি মনত ৰাখিব লাগিব যে ভাষাবোৰৰ মাজত বিভিন্নতা আছে। সেয়েহে প্রত্যেক ভাষাৰ ব্যাকৰণৰ উপাদানবোৰৰ মাজত বিভিন্নতা থাকিব পাৰে। পৃথিৱীৰ সকলো ভাষাৰ ক্ষেত্রত প্রযোজ্য হোৱাকৈ ব্যাকৰণৰ কিছুমান সাধাৰণ উপাদান থাকে। কিন্তু প্রত্যেক ভাষাতে ব্যাকৰণৰ প্রতিটো উপাদান নাথাকিবও পাৰে। অৱশ্যে সকলো ভাষাতে কম-বেছি পৰিমাণে এই উপাদানসমূহ থকা দেখা যায়। উদাহৰণস্বৰূপে — অসমীয়া ভাষাত দ্বিবচন নাই। কিন্তু অসমীয়া ভাষাৰ মূল উৎস সংস্কৃত ভাষাৰ ব্যাকৰণত দ্বিবচনৰ প্রয়োগ আছে।

Õ±¿ Õ±áË ÂÃÆÆÃ¯à ßÁ Õ±ýÆÆÎû ñÃòÂ± ±Þ Õ±ŋñÃòî Â1 ùáî ÂÆÉßÁí 1 ü¥óßÇÕ±ËªÃü ËüÞÝÂßÁËÞ±öÂø±Ì ñÃòÂ± ±Þ1 Õ±Ëü±ÆÃÂøûÞßÁÃ±Þ Îüý¾Âø±Ì ÂÆÉßÁí 1 ÂöÂÂî Ãü±¯ý¾ÆË¼ßÁ Îüý¾Ãø öÂø±Ì ±Þ1 Õ±¼ÇÜ÷¢¶ñÃòî Â1 Õ±ŋ1ÂÂî Â1 Õ±Ëü±ÆÂ± ÂÆÉßÁí î ÂÎÂ»±ò±ûþ¼ßÁ ñÃòî Â1 Õ±ŋ1ÂÂî Â1 ßÁÃ±Þ Î÷ì¿ùßÁëÃ¾ÆÞ ÂÆÉßÁí Ë1± ëÃ¾ÆÞ½ÆßÁÆ áêÂ ÂX¿ÆýÃÆÉßÁí 1 ëÃ¾ÆÞ½ÆßÁÆ áêÂ1 ùáî Âæ¿ÆýÂëÃ¾ÆÞü÷ÇÆ ¿ûËÆ¼ 1ÂÂî Â1 Õ±ŋñÃòî Â1 ùáË ÂÕ±Ñ¿ûßÁÆÆæ¿ÆýÂÎüý¾Ë÷ÉýÃÆÉßÁí 1 ëÃ¾ÆÞ½

১.৭ অসমীয়া ব্যাকৰণৰ ইতিহাস

অসমীয়া ভাষাৰ ব্যাকৰণৰ ইতিহাস বৰ বেছি পুৰণি নহয়। পোন প্রথমে খ্রীষ্টান মিছনেৰীৰ হাততে ইংৰাজী ভাষাত অসমীয়া ভাষাৰ ব্যাকৰণ ৰচিত হয়। তাৰ পিছতহে অসমীয়া লোকসকলে নিজৰ মাতৃভাষাত ব্যাকৰণ ৰচনাৰ প্রয়াস কৰা আমি দেখিবলৈ পাওঁ।



Asamese ঃ ব্যাকৰণ পুথিখনৰ প্রকাশৰ সময়ত Assamese শব্দটি Asamese হিচাপে লিখা হৈছিল বাবে তেনেদৰেই উল্লেখ কৰা হ'ল।

অসমীয়া ভাষাৰ প্রথম ব্যাকৰণখন হৈছে *Grammar of the* ***Asamese*** *Language*। আমেৰিকাৰ বেপ্তিষ্ট মিছনেৰী উইলিয়াম ৰবিন্সনে 1839 চনত এইখন ব্যাকৰণ ৰচনা কৰে। ব্যাকৰণখন ইংৰাজী ভাষাৰ মাধ্যমত, লেটিন ব্যাকৰণৰ আৰ্হিত ৰচনা হৈছিল আৰু শ্রীৰামপুৰৰ পৰা প্রকাশিত হৈছিল। এই ব্যাকৰণখন ৰচনাৰ মূল উদ্দেশ্য আছিল ইংৰাজ শাসকবর্গৰ অসমীয়া ভাষা শিকিবলৈ সুবিধা কৰি দিয়া। ইয়াৰ ন বছৰৰ পাছত 1848 চনত আমেৰিকাৰ বেপ্টিষ্ট ¿åÆ1Ï ëÂ নাথান ব্রাউনে *Grammatical Notices of the* ***Asamese*** *Language* নামেৰে দ্বিতীয়খন অসমীয়া ব্যাকৰণ ৰচনা কৰে। এই ব্যাকৰণখনৰ প্রথম সংস্কৰণত ভাষাটো যেনেদৰে উচ্চাৰিত হয় তেনেদৰেই লিখিত ৰূপো দিয়া হৈছিল। এইখন পূর্ণাংগ ব্যাকৰণ নহয়। কিন্তু অসমীয়া ভাষা শিকিবৰ বাবে প্রয়োজনীয় বিষয়সমূহ ইয়াত চমু আৰু শুদ্ধ ৰূপত প্রকাশ পাইছে।



জানি থোৱা ভাল

ড^{0} নাথান ব্রাউনে ৰচনা কৰা দ্বিতীয়খন অসমীয়া ব্যাকৰণৰ প্রথম সংস্কৰণটিৰ নাম আছিল *Grammatical Notices of the*

Asamese Language। এই পুথিখন 1893 চনত P. H. Moore চাহাবে সম্পাদনা কৰি প্ৰকাশ কৰা তৃতীয় সংস্কৰণটিত নামটো সলাই *Grammatical Notes on the Assamese Language* কৰা হয় আৰু তাত পুৰণি বিভিন্ন তথ্য বিকৃত কৰা হৈছিল। পুথিখনৰ দ্বিতীয় সংস্কৰণ কেতিয়া, ক'ৰ পৰা প্ৰকাশ পাইছিল সেই সম্পৰ্কে কোনো তথ্য পোৱা নাযায়। বৰ্তমান ইয়াৰে প্ৰথম সংস্কৰণটোৰ আধাৰত অধ্যাপক নগেন শইকীয়াই সম্পাদনা কৰি কিতাপখন পুনৰ প্ৰকাশ কৰিছে। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে, https://ia600305.us.archive.org/24/items/grammaticalnotic00browrich/grammaticalnotic00browrich.pdf উৎসৰ পৰা পুৰণি সংস্কৰণটোৰে ডিজিটেল ৰূপো আগ্ৰহী শিক্ষাৰ্থীয়ে বিনামূলীয়াকৈ ডাউনলড কৰি ল'ব পাৰিব।

1894 চনত অক্সফ'ৰ্ড বিশ্ববিদ্যালয়ত অধ্যাপক জি. এফ. নিকল(G. F. Nicoll)-এ এখন অসমীয়া ব্যাকৰণ ৰচনা কৰে। তেওঁৰ *Manual of the Bengali Language* নামৰ বাংলা ব্যাকৰণখনৰ শেষত Appendix V : *Sketch of Assamese Grammar* খন সংযোজিত কৰে। মাত্ৰ চল্লিশ পৃষ্ঠাৰ (পৃষ্ঠা 323–362] ই এখন চমু ব্যাকৰণ। ইয়াত ঠাই বিশেষে বাংলা ভাষাৰ লগত অসমীয়া ভাষাৰ মিল-অমিলবোৰ আঙুলিয়াই যোৱা দেখা যায়।

1949 চনত গুৱাহাটীৰ ডনবস্কৰ কেথলিক মিছনৰ ফাদাৰ অ' পাভিয়তিয়ে (Fr. O. Paviotti) *An Assamese Grammar with Vocabulary and Exercises* নামেৰে এখন ব্যাকৰণ ৰচনা কৰে। এই ব্যাকৰণখন ইংৰাজী ভাষাত প্ৰকাশ কৰা হৈছিল। ব্যাকৰণখনৰ আৰম্ভণিতে A Note on the Origin and Development of Assamese Language এই নামৰ এটি ভূমিকা আছে। ইয়াত অসমীয়া ভাষাৰ মূলৰ বিষয়ে লেখকে আলোচনা কৰিছে। এই ব্যাকৰণখন ৰবিন্সন, ব্ৰাউন আৰু নিকলৰ ব্যাকৰণ তিনিখনতকৈ উন্নত। ইয়াক ভাষাটোৰ বৰ্তমান ৰূপৰ লগত কিছু পৰিমাণে খাপ খোৱা বুলি ক'ব পাৰি। এই ব্যাকৰণখনৰ দ্বিতীয় সংস্কৰণ লিখকৰ অনুৰোধক্ৰমে ড^{0} গোলোকচন্দ্ৰ গোস্বামীৰ দ্বাৰা সংশোধিত আৰু পৰিৱৰ্ধিত হৈ গুৱাহাটীৰ ডনবস্কৰ পৰা 1987 চনত ছপা হৈ ওলাইছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ অসমীয়া ভাষাৰ প্ৰথম ব্যাকৰণখনৰ নাম কি আৰু এই ব্যাকৰণখন কোনে ৰচনা কৰিছিল ?

.....

1859 চনত (1781 শকত] *হেমচন্দ্ৰ বৰুৱাই অসমীয়া ভাষাৰ ব্যাকৰণ* ৰচনা কৰে। এইখনেই অসমীয়া ভাষাত ৰচিত প্ৰথম ব্যাকৰণ। ইয়াত সংস্কৃত ব্যাকৰণৰ আদৰ্শ গ্ৰহণ কৰা হৈছে। সম্ভৱতঃ ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ *ব্যাকৰণ কৌমুদি*খনৰ প্ৰভাৱো ইয়াত আছে। অসমীয়া

ব্যাকৰণৰ বর্ণমালা, আখৰ-জোঁটনি, ণত্ববিধি-ষত্ববিধি, সন্ধি, সমাস আদিৰ বিষয়ে ইয়াত আলোচনা সন্নিবিষ্ট হৈছে। এই ব্যাকৰণখন ৰচিত হোৱাৰ সময়ত অসমৰ শিক্ষা-ব্যৱস্থা, প্রশাসনীয় ব্যৱস্থা সকলোতে অসমীয়া ভাষাৰ পৰিৱর্তে বঙলা ভাষাৰহে প্রচলন আছিল। মাতৃভাষাৰ এই দুর্দিনৰ সময়ত সমাজ-সচেতক হেমচন্দ্র বৰুৱাৰ এনে প্রচেষ্টা সঁচাকৈয়ে প্রশংসনীয়। আমেৰিকান মিছনেৰীসকলৰ উদ্যোগত আৰু কিছু মুষ্টিমেয় জাতীয়তাবাদী ভাবধাৰাৰ অসমীয়া লোকৰ প্রচেষ্টাত অসমীয়া ভাষাই পুনর্জীৱন লাভ কৰে। এনে সময়ত হেমচন্দ্র বৰুৱাই 1873 চনত সম্পূর্ণ সংশোধিত ৰূপত ব্যাকৰণখনৰ দ্বিতীয় সংস্কৰণ প্রকাশ কৰে। 1859 চনৰ পৰা 1959 চনৰ ভিতৰত এই ব্যাকৰণ খনৰ 24 টা সংস্কৰণ ছপা হৈছে। ডিব্রুগড় বিশ্ববিদ্যালয়ে এক দশক আগতে এই পুথিখন পুনৰ প্রকাশ কৰে। *অসমীয়া ভাষাৰ ব্যাকৰণ* এই নামটো যথাসম্ভৱ লিখকৰ জীৱিত কালতে সলাই *অসমীয়া ব্যাকৰণ* কৰা হৈছিল।

হেমচন্দ্র বৰুৱাৰ ব্যাকৰণখন অসমীয়া ভাষাত ৰচিত অসমীয়া ব্যাকৰণৰ ক্ষেত্রত এক মাইলৰ খুঁটি। পৰৱর্তী কালৰ অর্থাৎ কুৰি শতিকাত লিখিত সকলোবোৰ ব্যাকৰণৰ ওপৰত কম-বেছি পৰিমাণে ইয়াৰ প্রভাৱ পৰিছে। 1873 চনত অসমৰ পঢ়াশালিবোৰত অসমীয়া ভাষাৰ পুনৰ প্রচলন হয়। লগে লগে অসমীয়া ভাষাৰ ব্যাকৰণ আৰু পাঠ্যপুথি ৰচনাই প্রসাৰ লাভ কৰে। এই সময়ছোৱাত ৰচিত দীনবন্ধু তর্কালংকাৰৰ *অসমীয়া ল'ৰাৰ ব্যাকৰণ*(49ÙÂ2পৃষ্ঠাৰ) খনৰ নাম উল্লেখযোগ্য। 1873 চনৰ পৰা 1878 চনলৈকে মাত্র পাঁচ বছৰৰ ভিতৰত এই ব্যাকৰণখনৰ ছয়টা সংস্কৰণ ওলায়। সংবর্ধিত ষষ্ঠ সংস্কৰণৰ পৃষ্ঠাৰ সংখ্যা আছিল 58ÙÂ4¼ হেমচন্দ্র বৰুৱায়ো 1882 চনত (1804 শকত) স্কুলীয়া ছাত্র-ছাত্রীৰ উদ্দেশ্যে *অসমীয়া ল'ৰাৰ ব্যাকৰণ*নামেৰে এখন চমু ব্যাকৰণ ৰচনা কৰে।

এই প্রসংগতে মনত ৰাখিব যে হেমচন্দ্র বৰুৱাৰ প্রথম ব্যাকৰণখন ওলোৱাৰ আগতে ব্যাকৰণ নহ'লেও অসমীয়া ভাষাৰ ভালেখিনি তথ্যপূর্ণ কথা আনন্দৰাম ঢেকিয়াল ফুকনৰ *A few Remarks on Assamese Language* (1855)-ত প্রকাশ পাইছিল। সেয়ে অসমীয়া ব্যাকৰণৰ ইতিহাস, আলোচনাত এইখন গ্রন্থৰো উল্লেখ কৰিব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ অসমীয়া ভাষাত ৰচিত প্রথম অসমীয়া ব্যাকৰণখনৰ নাম কি আৰু এইখন ব্যাকৰণ কোনে ৰচনা কৰিছিল?

.....

1884 চনত ধর্মেশ্বৰ গোস্বামীৰ দ্বাৰা লিখিত *ল'ৰাবোধ ব্যাকৰণ* কলিকতাৰ পৰা প্রকাশ পায়। নাৰায়ণ শর্মা বিদ্যাভূষণৰ *আশুবোধ ব্যাকৰণ*খন 1887 চনৰ ভিতৰত দুবাৰ প্রকাশ হৈছিল। এই ব্যাকৰণখনৰ পৃষ্ঠাৰ সংখ্যা 94। কুৰি শতিকাৰ প্রাৰম্ভতে 1910 চনত লোকনাথ শর্মাৰ *অসমীয়া ব্যাকৰণে* ছপাশালৰ মুখ দেখে। অৱশ্যে পঢ়াশালীৰ ছাত্র-ছাত্রীৰ

উপযুক্ত পাঠ্যপুথি কৰাৰ উদ্দেশ্যে পৰৱৰ্তী সংস্কৰণবোৰত এই ব্যাকৰণখনৰ নানান সংযোজন আৰু সংবৰ্ধন কৰা হৈছিল।

অসমীয়া ব্যাকৰণ চৰ্চাৰ ক্ষেত্ৰত পোন প্ৰথমবাৰৰ বাবে কুৰি শতিকাৰ দ্বিতীয় দশকত দেবানন্দ ভৰালিয়ে এটা নতুন দিশৰ সুচনা কৰে। তেওঁ ***Manual of Assamese Grammar*** নামেৰে ইংৰাজীত এখন ব্যাকৰণ লিখিছিল বুলি *অসমীয়া ভাষাৰ মৌলিক বিচাৰ* নামৰ গ্ৰন্থখনিত উল্লেখ কৰিছে। *অসমীয়া ভাষাৰ মৌলিক বিচাৰ* গ্ৰন্থত তেওঁ অতি চমু পৰিসৰতে অসমীয়া ভাষাৰ উৎপত্তিৰ বিষয়ে আলোচনা কৰিছে। অসমীয়া ব্যাকৰণৰ মৌলিক সামগ্ৰী (যেনে — অসমীয়া বৰ্ণমালা আৰু তাৰ উচ্চাৰণ, শব্দৰূপ, তদ্ধিত প্ৰত্যয়, সমাস, ক্ৰিয়া, কৃদন্ত, ক্ৰিয়া বিশেষণ, অব্যয় আদি)-সমূহবোৰ আলোচনা তেওঁ দাঙি ধৰিছে।

1925 চনত প্ৰকাশিত সত্যনাথ বৰাৰ *বহল ব্যাকৰণে* অসমীয়া ভাষাক এখন সুসংহত ব্যাকৰণ প্ৰদান কৰে। ই অসমীয়া ব্যাকৰণৰ ভেটিটো অধিক সুদৃঢ় কৰি তোলে। সত্যনাথ বৰাৰ এইখন ব্যাকৰণ বহু পৰিমাণে "অসমীয়া ভাষাৰ বিজ্ঞানসন্মত বিশ্লেষণৰ আন্তৰিক প্ৰচেষ্টা।" এইখন অতি উন্নত মানদণ্ডৰ ব্যাকৰণ বুলি স্বীকৃত হৈছে। উল্লেখযোগ্য যে ব্যাকৰণ সম্পৰ্কে সত্যনাথ বৰাৰ দৃষ্টিভংগী আছিল আধুনিক মানৰ। তেওঁৰ মতে — "ব্যাকৰণ ভাষাৰ বিশ্লেষণ বা ভাঙ্গনি। ই ভাষা এটাক খণ্ড খণ্ড কৰি, তাৰ গঠন আৰু গঠন প্ৰণালীটোক ভাঙ্গি-চিঙ্গি ভিন ভিন কৰি দেখুৱাই দিয়ে, আৰু সেই ভিন ভিন খণ্ডবিলাকৰ ভিন ভিন নাম দিয়ে। যথাৰ্থ পক্ষত ব্যাকৰণে ভাষা নিশিকায়, ভাষাটোক ফালি-ছিৰি তাৰ ভিতৰ ডোখৰ কেনেকুৱা তাকে মাথোন দেখুৱাই দিয়ে।" আধুনিক ভাষাবিজ্ঞানীৰ মতেও ব্যাকৰণ নিৰ্দেশাত্মক নহৈ বৰ্ণনাত্মক হ'ব লাগে। 1933 চনত শৰৎ চন্দ্ৰ গোস্বামীয়ে *সৰল ব্যাকৰণ* ৰচনা কৰে।

পৰৱৰ্তী পৰ্যায়ত কালিৰাম মেধিৰ *অসমীয়া ভাষাতত্ত্ব আৰু ব্যাকৰণ* 1936 চনত প্ৰকাশ পায়। অসমীয়া ভাষাৰ উৎপত্তি আৰু ক্ৰমবিকাশৰ এক বিস্তৃত বিৱৰণ দাঙি ধৰা ইয়াৰ উদ্দেশ্য আছিল। এই উদ্দেশ্যৰ স্পষ্ট ৰূপ ইয়াৰ ইংৰাজী শিৰোনামত পোৱা যায় — Assamese Grammar and Origin of the Assamese Language with an Introduction Containing a Short History of Assamese Literature। সেয়েহে আমি ইয়াক অসমীয়া ভাষাৰ ***ঐতিহাসিক বিৱৰ্তনমূলক ব্যাকৰণ*** (Historical Grammar of the Assamese Language) বুলি ক'ব পাৰো। 1941 চনত ড^0 বাণীকান্ত কাকতিৰ — ***Assamese : Its Formation and Development*** নামৰ গৱেষণা গ্ৰন্থখন প্ৰকাশ পায়। "অসমীয়া ভাষাৰ ইতিহাস, ধ্বনিতত্ত্ব আৰু ৰূপতত্ত্বৰ ই এক পাণ্ডিত্যপূৰ্ণ বিশ্লেষণ।" দৰাচলতে কালিৰাম মেধি আৰু বাণীকান্ত কাকতিৰ উক্ত গ্ৰন্থ দুখন হৈছে অসমীয়া ভাষাৰ ভাষাতাত্ত্বিক আৰু ঐতিহাসিক বিৱৰ্তনৰ আলোচনা।



ঐতিহাসিক বিৱৰ্তনমূলক ÂÉÉRÁÍ Ð কোনো এটা ভাষাই প্ৰাচীন কালৰপৰা বিভিন্ন সময়ৰ মাজেৰে বিৱৰ্তিত বা বিকশিত হৈ কেনেদৰে বৰ্তমানৰ ৰূপটো পালে তাৰ বিৱৰণকে ভাষাটোৰ ঐতিহাসিক বিৱৰ্তনমূলক ব্যাকৰণ বোলে।

এই সময়ছোৱাত ৰচিত আন এখন উল্লেখযোগ্য ব্যাকৰণ হৈছে কালীচৰণ পাটোৱাৰীৰ *ল'ৰাবোধ ব্যাকৰণ*। এইখন 1941 চনত প্ৰকাশ পায়। 1942 চনত সোনাৰাম চৌধুৰীৰ *অসমীয়া সাহিত্যবোধ ব্যাকৰণ* প্ৰকাশিত হয়। কুৰি শতিকাৰ প্ৰথমাৰ্ধত অসমৰ পঢ়াশালিবোৰৰ ওপৰ

মহলাৰ ব্যাকৰণৰ পাঠ্যৰূপে চাৰিখন উল্লেখযোগ্য ব্যাকৰণ প্ৰচলিত হোৱা আমি দেখিবলৈ পাওঁ। সেইসমূহ হ'ল — হেমচন্দ্ৰ বৰুৱাৰ *অসমীয়া ব্যাকৰণ*, সত্যনাথ বৰাৰ *বহল ব্যাকৰণ*, লোকনাথ শৰ্মাৰ *অসমীয়া ব্যাকৰণ* আৰু সোনাৰাম চৌধুৰীৰ *অসমীয়া সাহিত্যবোধ ব্যাকৰণ*।

অসমৰ শিক্ষাবিভাগৰ নিৰ্দেশনামৰ্মে বিদ্যালয়ৰ তলৰ শ্ৰেণীবোৰৰ কাৰণেও নানান সৰু সৰু ব্যাকৰণ ৰচিত হৈছিল। ইয়াৰ ভিতৰত শৰৎ চন্দ্ৰ গোস্বামীৰ *সৰল ব্যাকৰণ* আৰু কালীচৰণ পাটোৱাৰীৰ *ল'ৰাবোধ ব্যাকৰণ* আদিৰ নাম ল'ব পাৰি। ঘনকান্ত শৰ্মাৰ *অসমীয়া ভাষাশিক্ষা ব্যাকৰণ* 1950 চনত প্ৰকাশ পায়। 1952 চনত প্ৰকাশিত তাৰানাথ বৰপূজাৰীৰ *অসমীয়া ভাষাবোধ ব্যাকৰণ*খনো পঢ়াশালিৰ তলৰ খাপৰ কাৰণে ৰচনা কৰা হৈছিল। উল্লেখযোগ্য যে এই সকলোবোৰ ব্যাকৰণেই নিতান্ত গতানুগতিক ধাৰণাৰে ৰচিত। পঞ্চাশৰ দশকতো কেইবাখনো ডাঙৰ ব্যাকৰণ ৰচিত হৈছিল। তাৰ ভিতৰত 1953 চনত প্ৰথম প্ৰকাশিত গিৰিধৰ শৰ্মাৰ *আধুনিক অসমীয়া ভাষাৰ ব্যাকৰণ* উল্লেখনীয়। এই ব্যাকৰণ গ্ৰন্থখনত হেমচন্দ্ৰ বৰুৱা আৰু সত্যনাথ বৰাৰ ব্যাকৰণৰ প্ৰভাৱ পৰা দেখা যায়। ইয়াৰ উপৰি সংস্কৃত ব্যাকৰণৰ প্ৰভাৱো কিছু পৰিলক্ষিত হয়। ডিম্বেশ্বৰ নেওগৰ *শুদ্ধ অসমীয়া* 1953 চনত প্ৰকাশ পায়। এইখন 41 পৃষ্ঠাযুক্ত এখন সৰু পুথি। ইয়াত অসমীয়া ব্যাকৰণৰ পূৰ্ণাঙ্গ আলোচনা নাই যদিও ই এখন উল্লেখযোগ্য গ্ৰন্থ। আন এখন প্ৰণিধানযোগ্য ব্যাকৰণ হৈছে ড০ হৰিচন্দ্ৰ ভট্টাচাৰ্য্যৰ *অসমীয়া ব্যাকৰণৰ জিলিঙনি*। 1954 চনত এইখন গ্ৰন্থ প্ৰথম প্ৰকাশ পায়। এইখনতো হেমচন্দ্ৰ বৰুৱা, সত্যনাথ বৰাৰ লগতে সংস্কৃত ব্যাকৰণৰো প্ৰভাৱ লক্ষ্য কৰা যায়।

1972 চনত কেইবাজনো লেখকৰ অসমীয়া ব্যাকৰণৰ গ্ৰন্থ প্ৰকাশিত হয়। সেইসমূহ হ'ল — বিনন্দ চন্দ্ৰ বৰ্মনৰ *অসমীয়া ভাষাবোধৰ ব্যাকৰণ*, ভূপেন্দ্ৰ নাথ চৌধুৰীৰ *নতুন অসমীয়া ভাষাৰ ব্যাকৰণ*, ড০ মুকুন্দ মাধৱ শৰ্মাৰ *ব্যাকৰণ মঞ্জৰী* আৰু ড০ গোলোকচন্দ্ৰ গোস্বামীৰ *অসমীয়া গোলোক ব্যাকৰণ, সুবোধ ভাগ আৰু প্ৰবোধ ভাগ*। ইয়াৰে ড০ গোলোকচন্দ্ৰ গোস্বামীৰ পুথিখন অসমীয়া ভাষাত ভাষাবৈজ্ঞানিক ভিত্তিত ৰচিত প্ৰথম ব্যাকৰণ বুলি স্বীকৃত হৈছে। ইয়াত ভাষাবৈজ্ঞানিক নীতি আৰু সূত্ৰ অনুসৰি অসমীয়া ভাষাৰ গঠনৰ বিষয়ে আলোচনা কৰা হৈছে। ভূপেন্দ্ৰনাথ চৌধুৰী আৰু বিনন্দচন্দ্ৰ বৰ্মনৰ ব্যাকৰণৰ পুথি দুখন 1970–72 চনলৈ চৰকাৰৰ দ্বাৰা অনুমোদিত হৈ চলি আহিছিল। ভগবান মৰলে 1974 চনত *অসমীয়া ব্যাকৰণ জ্যোতি* ৰচনা কৰে। এইখন শিক্ষাবিভাগৰ ওপৰ মহলাৰ নিৰ্ধাৰিত পাঠ্যক্ৰমক ভিত্তি কৰি ৰচিত হৈছে। ড০ উপেন্দ্ৰনাথ গোস্বামীয়েও 1981 চনত *অসমীয়া ভাষাৰ ব্যাকৰণ*পুথি ৰচনা কৰে। এই ব্যাকৰণ পুথিত ভাষাবৈজ্ঞানিক দৃষ্টিভঙ্গী গ্ৰহণ কৰা আমি দেখিবলৈ পাওঁ। 1987 চনত ড০ গোলোকচন্দ্ৰ গোস্বামীৰ *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ* প্ৰকাশ পায়। ইয়াত অসমীয়া ভাষাৰ বিচাৰ-বিশ্লেষণে প্ৰাধান্য লাভ কৰিছে। অসমীয়া ভাষাৰ ব্যাকৰণ কেনে হোৱা উচিত, ইয়াত কি কি বিষয়ৰ কেনেদৰে বিশ্লেষণ হ'ব লাগে — এই বিষয়ে আলোচনা সন্নিৱিষ্ট হৈছে। প্ৰসঙ্গক্ৰমে মনত ৰাখিব যে অসমীয়া ভাষাৰ ব্যাকৰণ লেখকসকলৰ ভিতৰত নতুন দৃষ্টিভংগীৰ দাবী কৰিব পৰা ব্যক্তি দুগৰাকী হ'ল ড০ গোলোকচন্দ্ৰ গোস্বামী আৰু ড০ উপেন্দ্ৰনাথ গোস্বামী।

এই দুগৰাকী ভাষাতত্ত্বৰ পণ্ডিতে ৰচনা কৰা ব্যাকৰণ কেইখন হ'ল অসমীয়া ব্যাকৰণ ৰচনাৰ আধুনিক বিজ্ঞানসন্মত প্ৰচেষ্টা।

1989 চনত বাপচন্দ্ৰ মহন্তৰ *অসমীয়া ব্যাকৰণৰ ৰূপৰেখা* প্ৰকাশিত হয়। ই নতুন আৰ্হিত অসমীয়া ভাষাৰ বিশ্লেষণাত্মক ব্যাকৰণ। ড০ ৰমেশ পাঠকৰ *ব্যাকৰণ আৰু প্ৰাকৃতি বিজ্ঞান* (1988) পুথিখনিতো আধুনিক ৰীতিৰে বিশ্লেষণ দাঙি ধৰা হৈছে। এইখন পুথি ঘাইকৈ মহাবিদ্যালয় পৰ্যায়ৰ বাবে লিখা। ড০ দীপ্তি ফুকন পাটগিৰীৰ *আধুনিক অসমীয়া ব্যাকৰণ* 1998 চনত প্ৰকাশ পায়। মুখ্যতঃ অসমৰ শিক্ষাবিভাগৰ উচ্চ মাধ্যমিক স্তৰৰ ছাত্ৰ-ছাত্ৰীৰ উদ্দেশ্যে এই ব্যাকৰণ গ্ৰন্থখন ৰচনা কৰা হৈছে। 2000 চনত ড০ গোলোকচন্দ্ৰ গোস্বামীৰ আন এখন ব্যাকৰণ গ্ৰন্থ প্ৰকাশিত হয়। এইখনৰ নাম হৈছে *অসমীয়া ব্যাকৰণ প্ৰৱেশ*। ইয়াত অসমীয়া ভাষাৰ ব্যাকৰণৰ বিভিন্ন সৰল বৰ্ণনা পোৱা যায়।



১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ব্যাকৰণ সম্বন্ধে বিভিন্ন ভাষাবিদ আৰু বাগ্‌বিজ্ঞানীয়ে আগবঢ়োৱা সংজ্ঞাৰ জৰিয়তে তেওঁলোকৰ দৃষ্টিভঙ্গীৰ পৰিচিতি লাভ কৰিলে।
- পৰম্পৰাগত আৰু আধুনিক ব্যাকৰণৰ বিষয়ে জানিব পাৰিলে।
- ব্যাকৰণৰ লগত ভাষাবিজ্ঞান আৰু ভাষাতত্ত্ব কেনেদৰে জড়িত সেই বিষয়ে উমান পালে।
- ঐতিহাসিক ব্যাকৰণ, বৰ্ণনাত্মক ব্যাকৰণ, তুলনামূলক ব্যাকৰণ, বিৰোধী ব্যাকৰণ আৰু ৰূপান্তৰসৃজন ব্যাকৰণ কাক বোলে সেয়া জ্ঞাত হ'ল।
- ব্যাকৰণৰ লগত যে ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক আৰু বাক্যতাত্ত্বিক উপাদান জড়িত হৈ থাকে সেই বিষয়ে ধাৰণা লভিলে।
- অসমীয়া ব্যাকৰণৰ ইতিহাস সংক্ষিপ্ত ৰূপত অধ্যয়ন কৰিলে।



১.৯ অধিক জানিবলৈ

1] কাকতি, বাণীকান্ত [1996] Ê, *অসমীয়া ভাষাৰ গঠন আৰু বিকাশ;* (হাজৰিকা, বিশ্বেশ্বৰ অনু.); ৰৰপেটা ঃ বাণীকান্ত কাকতি জন্ম শতবাৰ্ষিকী উদ্‌যাপন সমিতি (প্ৰথম প্ৰকাশ 1941)।

২) গোস্বামী, উপেন্দ্রনাথ [1997]Ê, *অসমীয়া ভাষাৰ ব্যাকৰণ;* গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

৩) গোস্বামী, উপেন্দ্রনাথ [1993]Ê, *ভাষা-বিজ্ঞান;* গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

4] গোস্বামী, গোলোকচন্দ্র [1999]Ê, *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

5) ঠাকুৰ, নগেন আৰু ডেকা, খগেশসেন (সম্পাঃ) (2002); *ভাষা-চিন্তা-বিচিত্রা;* গুৱাহাটী ঃ পূবেৰুণ।

৬) ডেকা, খগেশসেন (2002); *ব্যাকৰণ ঃ প্রাচ্য আৰু পাশ্চাত্য;* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

7] দত্ত বৰুৱা, ফণীন্দ্র নাৰায়ণ [2006]Ê, *আধুনিক ভাষাবিজ্ঞানৰ পৰিচয়;* গুৱাহাটী ঃ বনলতা।

8] বৰা, সত্যনাথ (1998); *বহল ব্যাকৰণ;* গুৱাহাটী।

9] বৰুৱা, হেমচন্দ্র (1998); *অসমীয়া ব্যাকৰণ;* ডিব্রুগড় ঃ ডিব্রুগড় বিশ্ববিদ্যালয়।

10) ভৰালী, দেবানন্দ (1993); *অসমীয়া ভাষাৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

11) মেধি, কালিৰাম (1999); *অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

১.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ গ্রীক ভাষা।

২ নং প্রশ্নৰ উত্তৰ ঃ আছে।

৩ নং প্রশ্নৰ উত্তৰ ঃ আমেৰিকাৰ বেপ্তিষ্ট মিছনেৰী উইলিয়াম ৰবিন্সনে লিখা *Grammar of the Asamese Language.*

৪ নং প্রশ্নৰ উত্তৰ ঃ হেমচন্দ্র বৰুৱাই লিখা *অসমীয়া ভাষাৰ ব্যাকৰণ* ।

১.১১ আৰ্হিপ্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক —

(ক) পাণিনিয়ে ৰচনা কৰা ব্যাকৰণ পুথিখনৰ নাম কি?

(খ) পৰম্পৰাগত ব্যাকৰণ ব্যাখ্যামূলক, আনহাতে আধুনিক ব্যাকৰণ বর্ণনাত্মক — কথাষাৰ শুদ্ধ নে অশুদ্ধ।

(গ) কালিৰাম মেধিয়ে ৰচনা কৰা ব্যাকৰণখনৰ নাম কি আৰু কেতিয়া প্রথম প্রকাশ পাইছিল?

প্রশ্ন ২ ঃ ব্যাকৰণৰ যিকোনো দুটি সংজ্ঞা দিয়ক।

চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ব্যাকৰণ শব্দৰ ব্যুৎপত্তিগত অর্থৰ বিষয়ে চমু আলোচনা আগবঢ়াওক।

প্রশ্ন ২ ঃ পৰম্পৰাগত ব্যাকৰণ আৰু আধুনিক ব্যাকৰণ কাক বোলে? দুয়োটাৰে পার্থক্য নির্ণয় কৰক।

প্রশ্ন ৩ ঃ ব্যাকৰণ প্রধানতঃ কেইপ্রকাৰৰ আৰু কি কি? যিকোনো দুই প্রকাৰৰ ব্যাকৰণৰ বিষয়ে চমুকৈ আলোচনা কৰক।

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ব্যাকৰণৰ উপাদান বুলিলে কি বুজা যায়? ব্যাকৰণৰ উপাদানসমূহৰ বিষয়ে এটি প্রবন্ধ যুগুত কৰক।

প্রশ্ন ২ ঃ অসমীয়া ব্যাকৰণৰ ইতিহাস নির্ণয় কৰক।

প্রশ্ন ৩ঃ ইংৰাজী ভাষাৰ মাধ্যমত লিখা অসমীয়া ভাষাৰ ব্যাকৰণ কেইখনৰ বিষয়ে এটি টোকা লিখক।

*** ***** ***

অধ্যায় ২ ঃ ধ্বনিতত্ত্বৰ সাধাৰণ পৰিচয়

অধ্যায় গাঁথনি

2.1 উদ্দেশ্য
2.2 পৰিচয়
2.3 ধ্বনি — সাধাৰণ পৰিচয়
2.4 বাগিন্দ্রিয়
2.5 স্বৰ আৰু ব্যঞ্জনধ্বনি
2.6 বিশিষ্ট ধ্বনি আৰু উপধ্বনি
2.7 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
2.8 অধিক জানিবলৈ
2.9 অগ্রগতিৰ খতিয়ান
2.10 আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি —

- ধ্বনি মানে কি সেই বিষয়ে অৱগত হ'ব
- আমাৰ শৰীৰৰ ধ্বনি উচ্চাৰণত সহায়ক বিভিন্ন অঙ্গসমূহৰ অর্থাৎ বাগিন্দ্রিয়ৰ পৰিচয় লাভ কৰিব
- ধ্বনিৰ সূত্র নির্ণয় কৰি স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনি কাক বোলে উদাহৰণসহ ব্যাখ্যা কৰিব পাৰিব
- দ্বিস্বৰধ্বনি সম্পর্কে সম্যক ধাৰণা লাভ কৰিব
- বিশিষ্ট ধ্বনি আৰু উপধ্বনিৰ সম্পর্ক আৰু পার্থক্য আলোচনা কৰিব পাৰিব।

২.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আমি ব্যাকৰণৰ বুৎপত্তিগত অর্থ, ব্যাকৰণৰ সংজ্ঞা, পৰম্পৰাগত ব্যাকৰণ আৰু আধুনিক ব্যাকৰণ মানে কি সেই বিষয়ে অধ্যয়ন কৰিলোঁ। লগতে ভাষাবিজ্ঞান আৰু ভাষাতত্ত্ব মানে কি সেই বিষয়ে সম্যক ধাৰণা লাভ কৰাৰ লগতে ব্যাকৰণৰ শ্রেণীবিভাগ আৰু ব্যাকৰণৰ উপাদান সম্পর্কেও অধ্যয়ন কৰিলোঁ। প্রসংগক্রমে অসমীয়া ভাষাৰ ব্যাকৰণ চর্চাৰ বিষয়েও কিছু কথা অৱগত হ'লোঁ। এই অধ্যায়টোত আমি ধ্বনিতত্ত্ব সম্পর্কে চমুকৈ অধ্যয়ন কৰিম। ভাষাৰ মূল সামগ্রী ধ্বনি। ধ্বনিৰ অধ্যয়নৰ বাবে ধ্বনিবিজ্ঞান, ধ্বনিতত্ত্ব আৰু বিশিষ্ট ধ্বনিবিজ্ঞান বা বর্ণবিজ্ঞান আদি কেইবাটাও শাখা আছে।

বাক্‌ধ্বনিৰ বিষয়ে য'ত আলোচনা কৰা হয় তাকে ধ্বনিবিজ্ঞান বোলে। বিশিষ্ট ধ্বনিবিজ্ঞানত নির্দিষ্ট ভাষাৰ বাক্‌ধ্বনিসমূহৰ গঠনাত্মক দিশসমূহ আলোচনা কৰা হয়। আনহাতে কোনো ভাষাৰ ধ্বনিবিজ্ঞান আৰু বর্ণবিজ্ঞানৰ সমস্ত আলোচনা য'ত থাকে তাকে সেই ভাষাৰ ধ্বনিতত্ত্ব বোলা হয়। এই অধ্যায়ত ধ্বনি মানে কি সেই সম্পর্কে অৱগত হোৱাৰ লগতে ধ্বনি সৃষ্টিৰ বিভিন্ন অঙ্গসমূহৰ অর্থাৎ বাগিন্দ্রিয়ৰ পৰিচয় লাভ কৰিব। লগতে স্বৰ আৰু ব্যঞ্জনধ্বনি, বিশিষ্ট ধ্বনি আৰু উপধ্বনি আদি বিষয়ৰ আলোচনা দাঙি ধৰা হৈছে। আপুনি অধ্যায়টি অধ্যয়ন কৰি ওপৰত উল্লেখ কৰা ধ্বনিতত্ত্বৰ বিষয়সমূহ অনুধাৱন কৰিবলৈ সক্ষম হ'ব।

২.৩ ধ্বনি — সাধাৰণ পৰিচয়

ভাষা মানুহৰ ভাব প্রকাশৰ মাধ্যম। প্রতিটো ভাষাৰে ভাব প্রকাশৰ নিজস্ব বৈশিষ্ট্য থাকে। সেয়েহে জার্মান ভাষী এজন লোকে জার্মান ভাষা নজনা এজন অসমীয়া ভাষীৰ লগত ভাব বিনিময় কৰিব নোৱাৰে, কাৰণ জার্মান ভাষাৰ স্বৰূপ আৰু অসমীয়া ভাষাৰ স্বৰূপ সম্পূর্ণ পৃথক। যিবোৰ বিশেষ নিয়ম বা বৈশিষ্ট্যৰ বাবে অসমীয়া আৰু জার্মান ভাষা পৰস্পৰ পৃথক সেইবোৰ নিয়ম বা বৈশিষ্ট্যৰে এটা প্রধান ভাগ হ'ল ধ্বনিতত্ত্ব।

আপুনি নিশ্চয় জানে যে ইংৰাজী Sound শব্দৰ প্রতিশব্দ হিচাপে অসমীয়াত 'ধ্বনি' শব্দৰ প্রয়োগ কৰা হয়। বহল অর্থত চৰাই-চিৰিকটি, জীৱ-জন্তুৰ মাত, ৰেলৰ উকি, গাড়ী মটৰৰ ঘৰ্‌ ঘৰণি, পেঁপাৰ মাত, হুইচেলৰ মাত আদি সকলোবোৰেই ধ্বনি। কিন্তু ভাষাবিজ্ঞানত একমাত্র মানুহৰ বাগ্‌যন্ত্রৰ সহায়ত অর্থাৎ মুখেৰে উচ্চাৰিত হোৱা ধ্বনিৰহে আলোচনা কৰা হয়।

এতিয়া আপুনি প্রশ্ন কৰিব পাৰে, মানুহেনো এই ধ্বনিবোৰ কেনেদৰে সৃষ্টি কৰে? দৰাচলতে হাঁওফাঁওৰ পৰা নির্গত বায়ুপ্রৱাহক বাগ্‌যন্ত্রৰ বিভিন্ন অংগৰ সহায়ত বিভিন্ন ধৰণে নিয়ন্ত্রণ অথবা বাধা প্রদান কৰিলে ধ্বনিৰ সৃষ্টি হয়। অৱশ্যে বাহিৰৰ পৰা মুখেৰে বতাহ শুহি নিও ধ্বনিৰ সৃষ্টি কৰিব পাৰি; কিন্তু এনে ধ্বনিৰ সংখ্যা সীমিত আৰু অসমীয়া ভাষাত এনে বাক্‌ধ্বনি নাই। ধ্বনিৰ সৃষ্টিত বাগ্‌যন্ত্রৰ ভূমিকা অতি গুৰুত্বপূর্ণ। বাগ্‌যন্ত্র বুলিলে মানৱদেহৰ কোনো এটা নির্দিষ্ট যন্ত্রক নুবুজায়। ই মানৱদেহৰ বিভিন্ন অংগৰ সমন্বয়েৰে গঠিত। ইয়াৰ পৰাই আমি ক'ব পাৰোঁ যে, ভাষাৰ ধ্বনি হ'বলৈ সেই ধ্বনি মানুহৰ বাগ্‌যন্ত্র বা বাগিন্দ্রিয়ৰ দ্বাৰা উচ্চাৰিত হ'ব লাগিব। মানুহৰ বাগিন্দ্রিয়ৰ দ্বাৰা উচ্চাৰিত Soundক (Speech Sound) বুজাবলৈ ব্যৱহৃত শব্দটো হ'ল— Phone বা বাগ্‌ধ্বনি। সাধাৰণভাৱে ভাষাৰ ক্ষেত্রত ব্যৱহৃত বাগ্‌ধ্বনি (Phone)-কো 'ধ্বনি' বুলিয়েই কোৱা হয়। মনকৰিবলগীয়া, মানুহৰ বাগ্‌যন্ত্রৰ সহায়ত উচ্চাৰিত সকলো ধ্বনিয়েই ভাষাত ব্যৱহাৰ নহয়। যেনে— উৰুলি, সুহুৰি, শিশুৰ অস্ফুট ধ্বনি, বিকাৰগ্রস্তজনৰ প্রলাপ ইত্যাদি। গতিকে কেৱল মানুহৰ বাগিন্দ্রিয়ৰ দ্বাৰা উচ্চাৰিত আৰু ভাষাত ব্যৱহৃত (অর্থপূর্ণ) ধ্বনিহে ভাষাবিজ্ঞানৰ ভিতৰুৱা।


দৈনন্দিন জীৱনত আমি অনায়াসে বহু কথা কওঁ— ভাব প্রকাশ কৰোঁ। কিন্তু এই কথা কোৱা কামটো আমি বিশেষ এটা পদ্ধতি মতেহে কৰো। মাতৃভাষী এজনৰ বাবে এয়া স্বতঃস্ফূর্ত

সাংস্কৃতিক কার্য। আমি কোৱা কথাবোৰ আচলতে কিছুমান ধ্বনিৰ প্রণালীবদ্ধ সাজোন (arrangement)। যেনে — 'তুমি কি কৰিছা?' —এই বাক্যটোত তিনিটা খণ্ড আছে— তুমি কি কৰিছা? —প্রতিটো খণ্ডক ক্রমে ত, উ, ম, ই, ক, ই, ক, অ, ৰ, ই, ছ, আ এইদৰে ভাগ পাৰি। অর্থাৎ ত, উ, ম, ই আদি ধ্বনিবোৰ বিশেষ ক্রমত সজাই আমি এটা সম্পূর্ণ ভাব প্রকাশ কৰিব পাৰিলোঁ। কিন্তু ধ্বনিবোৰৰ ক্রমগত সজ্জাটোৱেই শেষ কথা নহয়, তাৰ লগত আন কথা কিছুমানো জড়িত হৈ থাকে। তুমি খালা? আৰু তুমি খালা। এই বাক্য দুটাত একে কেইটা ধ্বনিয়ে একেটা ক্রমত সজোৱা হ'লেও দুয়োটা বাক্য কওঁতে এটা স্পষ্ট পার্থক্য আমাৰ কাণত ধৰা পৰে। এই পার্থক্যটো হ'ল সুৰৰ। সুৰটো ধ্বনিবোৰৰ উচ্চাৰণৰ মাজতে নিহিত থাকে।

আকৌ মন কৰক, ওপৰত যদিও আমি ধ্বনিবোৰ ত, উ, ম, ই আদিকৈ লিখিছোঁ, আচলতে ধ্বনিক দেখা নাযায়— শুনাহে যায়। বাগিন্দ্রিয়ৰ দ্বাৰা উচ্চাৰিত ধ্বনিবোৰ ভৌতিক আৰু জৈৱিক প্রক্রিয়াৰে আমাৰ কাণত পৰে আৰু আমি শুনো, শুনি বুজি পাওঁ। এই যে উচ্চাৰণ কৰাৰ পৰা শুনি বুজালৈকে গোটেই প্রক্রিয়াটো দেখাত তেনেই সহজ যদিও স্বৰূপার্থত অতি সূক্ষ্ম আৰু জটিল। ধৰা হওক — শব্দ, কুশ, শ্লীল — এই তিনিটা শব্দত ব্যৱহৃত 'শ' ধ্বনিটো উচ্চাৰণ কৰোতে তিনিওটা শব্দৰ 'শ' ধ্বনিটো বেলেগ বেলেগ ৰূপত আমাৰ কাণত বাজে। অথচ তিনিটা শব্দত ব্যৱহৃত 'শ' তিনিটা আমি এটা 'শ' ধ্বনি বুলিয়েই কৈছোঁ। একেদৰে 'লাভ' আৰু 'ভাল' শব্দ দুটাৰ ভ ধ্বনি দুটাৰ উচ্চাৰণ মন কৰক— একে নহয়। গতিকে শব্দ, কুশ, শ্লীল ৰ 'শ' ধ্বনি তিনিটাক একেটা ধ্বনি বুলি ভবাৰ কাৰণ হ'ল এই ধ্বনি তিনিটাৰ প্রকৃতিগত লক্ষণ। আনহাতে, তিনিওটাৰ উচ্চাৰণৰ যি ভিন্নতা আমাৰ কাণত পৰিছে সেয়া প্রায়োগিক ক্ষেত্রৰ কথা। 'শব্দ'ৰ 'শ'টো আদিস্থান, 'কুশ'ৰ 'শ'টো শেষস্থানত আৰু 'শ্লীল'ৰ 'শ' টো ল-ৰ লগত যুক্তৰূপত। তিনিওটা 'শ' আচলতে এটা মূল 'শ' ধ্বনিৰে উচ্চাৰণ বৈচিত্র্য। এই মূল 'শ' ধ্বনিটোক ভাষাবিজ্ঞানৰ নিয়মত কোৱা হয় বিশিষ্টধ্বনি (Phoneme) আৰু উচ্চাৰণ-বৈচিত্র্যগত ৰূপ তিনিটা মূল ধ্বনিৰে উপধ্বনি (Allophone)। এই তিনিটা বিষয় ক্রমে Phone (ধ্বনি) Phoneme (বিশিষ্টধ্বনি) আৰু Allophone (উপধ্বনি)ৰ আলোচনাই ধ্বনিবিষয়ক দুটা শাখাৰ সৃষ্টি কৰিছে— ধ্বনিবিজ্ঞান (Phoneme) আৰু বিশিষ্টধ্বনি বিজ্ঞান বা বর্ণবিজ্ঞান (Phonemics)।

- **ধ্বনিবিজ্ঞান (Phonemics)** ঃ বাগ্‌ধ্বনি উচ্চাৰণ হয় বাগিন্দ্রিয়ৰ দ্বাৰা। হাওঁফাওঁৰ পৰা প্রৱাহিত বায়ুৰে মুখবিবৰ, নাসিকাবিবৰ আদিৰে কিদৰে কেতিয়াবা মুক্তভাৱে, কেতিয়াবা বাধাৰ মাজেৰে ওলাই বায়ুত নানা তৰংগৰ সৃষ্টি কৰে, সেই তৰংগ কিদৰে বতাহত ভাহি কাণত পৰে, কাণৰ পৰা তাৰ বার্তা মগজুলৈ গৈ তাৰ অর্থ উদ্‌ঘাটন হয়— এই গোটেই প্রক্রিয়াটো ধ্বনিবিজ্ঞানৰ আলোচ্য বিষয়। কথাখিনি তলৰ ৰেখা চিত্রৰ পৰা আপুনি নিশ্চয় পৰিষ্কাৰকৈ বুজিব পাৰিব—

চিত্ৰ নং ২.১



ওপৰৰ ৰেখাচিত্ৰৰ (1) (2) (3) স্তৰ অনুসৰি ধ্বনিবিজ্ঞানৰ তিনিওটা শাখা—

ক) উচ্চাৰণাত্মক ধ্বনিবিজ্ঞান (Articulatory Phonetics)

খ) ধ্বনিতৰংগ বিজ্ঞান (Acoustics) বা ভৌতিক ধ্বনিবিজ্ঞান

গ) শ্ৰুতিমূলক ধ্বনিবিজ্ঞান (Auditory Phonetics)

- **বিশিষ্ট ধ্বনিবিজ্ঞান (Phonemics) ঃ** কথা কওঁতে শুনা সকলোবোৰ ধ্বনি যে বিশিষ্ট ধ্বনি নহয়, ওপৰত কৈ অহা হৈছে। কোনো এটা ভাষাৰ কোনবোৰ বিশিষ্ট ধ্বনিৰ কি কি উচ্চাৰণ বৈচিত্র্য আছে, ইত্যাদিৰ আলোচনা বিশিষ্ট ধ্বনিবিজ্ঞানৰ ভিতৰুৱা।
- **ধ্বনিতত্ত্ব (Phonology) ঃ** ভাষাত বিশিষ্ট ধ্বনিৰ ভূমিকা (function), এটা বিশিষ্ট ধ্বনিৰ সৈতে আন বিশিষ্ট ধ্বনিৰ সংযোগৰ নিয়ম তথা শব্দৰ আদি-মধ্য-অন্ত্যস্থানত অৱস্থানৰ নিয়ম বিশ্লেষণ আৰু সূত্রবদ্ধ কৰা ধ্বনিতত্ত্বৰ প্রধান বিষয়। এই ক্ষেত্রত প্রত্যেক ভাষাৰ নিজস্ব নিয়ম আছে। গতিকে প্রত্যেক ভাষাৰ ধ্বনিতত্ত্ব সেই ভাষাৰ নিজস্ব বৈশিষ্ট্য। ধ্বনিবিজ্ঞান (Phonetics) ভাষা বিশেষৰো হ'ব পাৰে বা ভাষাৰ সাধাৰণ ধ্বনিবিজ্ঞানো (General Phonetics) হ'ব পাৰে। কিন্তু বিশিষ্ট ধ্বনিবিজ্ঞান (Phonemics) আৰু ধ্বনিতত্ত্ব (Phonology)-অত কিছু সাধাৰণ প্রশ্ন আলোচিত হ'লেও ধ্বনিতত্ত্বৰ এই দুই শাখা প্রধানত ভাষাবিশেষক কেন্দ্র কৰিয়েই সমৃদ্ধ হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ধ্বনি মানে কি?


.....

২.৪ বাগিন্দ্রিয়

ধ্বনি উচ্চাৰণত ব্যৱহৃত মানৱ-শৰীৰৰ অংগ-প্রত্যঙ্গসমূহক বাগিন্দ্রিয় বোলা হয়। প্রকৃততে এই অংগ-প্রত্যঙ্গসমূহৰ প্রাথমিক কাম (primary function) ধ্বনি সৃষ্টি নহয়; খাদ্য গ্রহণ, শ্বাস-প্রশ্বাস আদি জৈৱিক কামহে। আচলতে যিবোৰ অংগ-প্রত্যঙ্গক আমি বাগিন্দ্রিয় বুলি কওঁ জীৱন প্রক্রিয়াৰ আপেক্ষিক গুৰুত্ব বিচাৰত ধ্বনি-উচ্চাৰণ সেইবোৰৰ গৌণ ক্রিয়াহে (Secondary function)। সিপিঠিত মানুহৰ বাগিন্দ্রিয়ৰ এটি চিত্র সংলগ্ন কৰা হ'ল আৰু তাতেই ধ্বনিসৃষ্টিৰ অংগসমূহ চিহ্নিত কৰি দিয়া হৈছে।

চিত্ৰ ২.২ ঃ বাগিন্দ্ৰিয়ৰ চিত্ৰ

1] ওঁঠ
2] দাঁত
3] দন্তমূল
4] কঠিন তালু
5] কোমল তালু
6] আলজিভা
7] নাসিকা বিবৰ
8] মুখ বিবৰ
9] জিভা
10] উপজিহ্বা
11] গলকোষ
12] স্বৰতন্ত্ৰী
13] কণ্ঠ
14] শ্বাসনলী



- **বাগ্‌যন্ত্ৰৰ বিভিন্ন অংগৰ বিৱৰণ ঃ** ধ্বনিৰ উচ্চাৰণত হাঁওফাঁওৰ ভূমিকা গুৰুত্বপূৰ্ণ। হাঁওফাঁওৰ সহায়ত মানুহে উশাহ-নিশাহ লৈ জীৱন ধাৰণ কৰে। হাঁওফাঁওৰ পৰা নিৰ্গত হোৱা বহির্গামী বায়ুপ্ৰৱাহে বাগিন্দ্ৰিয়ৰ বিভিন্ন স্থানত আংশিক বা সম্পূৰ্ণৰূপে বাধাপ্ৰাপ্ত হৈ ধ্বনিৰ সৃষ্টি কৰে। সেয়ে হাঁওফাঁওক বাগ্‌যন্ত্ৰৰ অন্যতম অংগ হিচাপে ধৰাত একো বাধা থাকিব নোৱাৰে। হাওঁফাওঁক বহুতে বাগিন্দ্ৰিয়ৰ ভিতৰত নধৰে। হাওঁফাওঁএ নিজে কোনো ধ্বনি উচ্চাৰণ নকৰে যদিও ধ্বনি সৃষ্টিত অপৰিহার্য বায়ুপ্ৰবাহৰ ক্ষেত্ৰত হাওঁফাওঁৰ গুৰুত্বপূৰ্ণ ভূমিকা থাকে। সেয়ে নোয়েল আৰ্মফিল্ড নামৰ ধ্বনিবিজ্ঞানী গৰাকীয়ে হাওঁফাওঁক বাগিন্দ্ৰিয়ৰ ভিতৰত স্থান দিছে। হাঁওফাঁওৰ পৰা মুখ আৰু নাসিকা বিবৰেদি বতাহ ওলাই অহা আৰু সোমাই যোৱা যিডাল নলী আছে সেইডালেই হ'ল শ্বাসনলী (wind pipe)। ইয়াৰ তলৰ অংশ হাঁওফাঁওৰে সৈতে যুক্ত আৰু ওপৰৰ অংশ মুখ আৰু নাসিকা বিবৰৰ লগত মিলি গৈছে।

শ্বাসনলীৰ ওপৰৰ ফালে, গলকোষৰ ঠিক তলত যিটো স্ফীত অংশ আছে তাকে ঘটিকা বোলা হয়। শ্বাসনলীৰ এই অংশটোৰ ভিতৰ ভাগ তুলনামূলকভাৱে বেছি ফোপোলা আৰু ইয়াকে স্বৰযন্ত্ৰ বোলে। স্বৰযন্ত্ৰৰ মাজত জিভাৰ দৰে দুটা কোমল আৰু পাতল মাংসপেশী আছে। ইয়াক স্বৰতন্ত্ৰী বা কণ্ঠতন্ত্ৰী (Vocal Chords) বোলে। হাঁওফাঁওৰ পৰা ওলাই অহা বায়ুপ্ৰৱাহক স্বৰতন্ত্ৰী দুখনে বিভিন্ন ধৰণে নিয়ন্ত্ৰণ কৰি থাকে। স্বৰতন্ত্ৰী দুটা ডিঙিৰ সন্মুখৰ ফালে পৰস্পৰ লগ লগা আৰু পিছৰ ফালে বিচ্ছিন্ন। স্বৰতন্ত্ৰী দুটাক বহলাই দিবও পাৰি আৰু কোঁচাই নিবও পাৰি। স্বৰতন্ত্ৰী কোঁচাই নিলে বতাহ অহা-যোৱা কৰিবৰ বাবে মাজত যিটো পথ

ওলায় তাক স্বৰপথ (glottis) বোলে। কোনো কোনো ভাষাবিদে ইয়াক কণ্ঠ বুলি কৈছে। স্বৰতন্ত্রী দুচটা পৰস্পৰৰ পৰা যেতিয়া আঁতৰি থাকে তেতিয়া স্বৰপথেৰে হাঁওফাঁওৰ পৰা কোনো বাধা নোপোৱাকৈ বতাহ ওলাই আহে। এনে ক্ষেত্রত বতাহে স্বৰতন্ত্রীত কঁপনি তুলিব নোৱাৰে। এই অৱস্থাত মানুহে যিবোৰ ধ্বনি উচ্চাৰণ কৰে সেইবোৰক অঘোষ ধ্বনি (Voiceless sound) বোলে। যেনে — অসমীয়া ভাষাৰ ক, খ, ত, থ আদি অঘোষ ধ্বনি। সংস্কৃত ভাষাৰ বর্গৰ প্রথম আৰু দ্বিতীয় ধ্বনি সমূহো অঘোষ। আকৌ স্বৰতন্ত্রী দুচটা ওচৰ চপাই আনি যেতিয়া স্বৰপথটোক ঠেক কৰা হয়, তেতিয়া সেই পথেদি ওলাই অহা বতাহে স্বৰতন্ত্রী দুচটাক ঠেলি দিয়ে। ইয়াৰ ফলত স্বৰতন্ত্রী দুচটাত কম্পনৰ সৃষ্টি হয় আৰু সেই কম্পনে এটা সুৰ উৎপাদন কৰে। এই সুৰকেই নাদ বা ঘোষ (Voice) বোলে। এনে অৱস্থাত যি ধ্বনি উচ্চাৰিত হয় তাক ঘোষ ধ্বনি (Voiced sound) বোলে। অসমীয়া ভাষাৰ গ, ঘ, দ, ধ আদি ঘোষ ধ্বনি।



জানি থোৱা ভাল

যি ধ্বনি উচ্চাৰণ কৰোঁতে কণ্ঠতন্ত্রীৰ কম্পন উঠে তাক ঘোষ ধ্বনি আৰু যি ধ্বনি উচ্চাৰণ কৰোঁতে কণ্ঠতন্ত্রীৰ কম্পন নুঠে তাক অঘোষ ধ্বনি বোলে। সাধাৰণতে স্বৰধ্বনিবোৰ ঘোষ ধ্বনি। কোনো কোনো ভাষাত অঘোষ স্বৰধ্বনিও পোৱা যায়। ব্যঞ্জনধ্বনিবোৰ ঘোষ-অঘোষ দুয়ো প্রকাৰৰ হ'ব পাৰে।

শ্বাসনলী আৰু খাদ্যনলী সমান্তৰালভাৱে ওপৰলৈ ওলাই আহি ডিঙিৰ ভিতৰৰ যি ঠাইত মিলিত হৈ এটা নলীত পৰিণত হৈছে, সেই মিলন স্থানকেই গলকোষ (Pharynx) বোলে। গলকোষ হৈছে মুখ আৰু নাসিকা বিবৰৰ শেষ সীমা। অর্থাৎ ওপৰৰ ফালে ই মুখ আৰু নাসিকা বিবৰৰ লগত যুক্ত। গলকোষৰ ঘর্ষণৰ ফলত যি ধ্বনিৰ সৃষ্টি হয় তাক কণ্ঠনালীয় ধ্বনি বা গলকোষীয় ধ্বনি (Pharyngeal sound) বোলে। অসমীয়া ভাষাৰ 'হ' কণ্ঠনালীয় ধ্বনি।

শ্বাসনলীৰ ওপৰৰ মূৰত জিভাৰ দৰে আন এচটা সৰু মাংসপেশী আছে। ইয়াৰ এটা মূৰ জিহ্বামূলৰ ভিতৰ ফালৰ লগত যুক্ত। ইয়াক উপজিহ্বা (Pharynx)বোলে। এই উপজিহ্বাৰ আচল কাম কি সঠিকভাৱে ক'ব পৰা নাযায়।

উপজিহ্বা আৰু গলকোষৰ পিছতেই বাগ্‌যন্ত্রৰ উল্লেখনীয় অংগ হ'ল মুখ, জিহ্বা আৰু নাসিকা। হাঁওফাঁওৰ পৰা নির্গত বতাহ শ্বাসনলীৰ আহি গলকোষ এৰাৰ পিছত মুখবিবৰ আৰু নাসিকা বিবৰেৰে বাহিৰলৈ ওলায় যায়। সাধাৰণতে উশাহ-নিশাহ লওঁতে বতাহ, নাসিকা বিবৰেদি চলাচল কৰে। নাসিকা বিবৰেদি ওলাই অহা বতাহে যেতিয়া তাৰ চাৰিওফালৰ বেৰত খুন্দিয়ায় তেতিয়া এটা অনুনাসিক নাদ (Nasal Resonance)ৰ সৃষ্টি হয়। এনে নাদৰ ফলত যি ধ্বনি উচ্চাৰিত হয় তাকেই কোৱা হয় নাসিক্য ধ্বনি (Nasal sound)। অসমীয়া ভাষাৰ ঙ, ন, ম ধ্বনি নাসিক্য ধ্বনি। নাসিকা আৰু মুখবিবৰ খোলা থাকিলে আৰু

দুয়ো ফালেদি বতাহ ওলাই আহিলে যি ধ্বনিৰ সৃষ্টি হয় তাক অনুনাসিক ধ্বনি বোলে। অনুনাসিক ধ্বনি সূচিত কৰিবলৈ ‘ঁ’ (চন্দ্রবিন্দু) ব্যৱহাৰ কৰা হয়। কাঁহ ,বাঁহ আদি শব্দৰ অনুনাসিক উচ্চাৰণ হয়।

নাসিকা আৰু মুখবিবৰক যিখন বেৰে পৃথক কৰিছে সেইখনক তালু (Palate) বোলে। তালুখনৰ ওপৰৰ ফালে নাসিকা বিবৰ আৰু তলৰ ফালে মুখবিবৰ। নাসিকা বিবৰত বতাহৰ প্ৰৱাহক বাধা দিবলৈ লৰচৰ কৰিব পৰা কোনো অঙ্গ নাই। মুখবিবৰৰ লগত যুক্ত বাগ্‌যন্ত্ৰৰ বিভিন্ন অংগবোৰ হ’ল — ওঁঠ, দাঁত, তালু আৰু জিহ্বা। এইবোৰ ভিতৰত ওপৰৰ ওঁঠ, ওপৰৰ দাঁত আৰু তালুক উৰ্ধস্থ উচ্চাৰক (Upper Articulator) বোলে। আনহাতে, অতি সহজে সঞ্চালন কৰিব পৰা অঙ্গ (বিশেষকৈ তলৰ ওঁঠ আৰু জিভাখন) কেইটাক উচ্চাৰণ কৰণ (Articulator) বোলে।

২.৫ স্বৰ আৰু ব্যঞ্জনধ্বনি

হাঁওফাঁওৰ পৰা নিৰ্গত হোৱা বহির্গামী বায়ু প্ৰৱাহে বাগিন্দ্রিয়ৰ বিভিন্ন স্থানত (বাগিন্দ্রিয়ৰ চিত্ৰ দ্রষ্টব্য) আংশিক বা সম্পূৰ্ণৰূপে বাধাপ্রাপ্ত হৈ এনে ধ্বনিৰ সৃষ্টি কৰে। স্বৰতন্ত্রীৰ পৰা ওঁঠ পৰ্যন্ত কোনো স্থানত যদি বহির্গামী বায়ু বাধাপ্রাপ্ত হয়, তেতিয়াই ধ্বনিৰ উৎপত্তি হয়। বাগিন্দ্রিয়ৰ দ্বাৰা উচ্চাৰিত ধ্বনিসমূহক প্রধানতঃ দুটা ভাগত বিভক্ত কৰা হৈছে। স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনি।

যিবোৰ ধ্বনি উচ্চাৰণ কৰোঁতে হাঁওফাঁওৰ পৰা বাহিৰলৈ অহা বায়ু প্ৰৱাহে স্বৰতন্ত্রীৰ বাহিৰে মুখবিবৰৰ আন কোনো ঠাইতে বাধাপ্রাপ্ত নহয় আৰু জিভাৰ অৱস্থান আৰু ওঁঠৰ আকৃতিৰে বায়ুপ্রৱাহ নিয়ন্ত্রণ কৰা হয় সেইবোৰ ধ্বনিকেই স্বৰধ্বনি বোলা হয়। স্বৰধ্বনিসমূহ স্বয়ংসম্পূৰ্ণ অর্থাৎ অন্য ধ্বনিৰ আশ্রয় নোলোৱাকৈ উচ্চাৰিত হয়। তদুপৰি স্বৰধ্বনিক একে লেথাৰিয়ে উচ্চাৰণ কৰি থাকিব পাৰি। উদাহৰণস্বৰূপে আমি অ, আ, ই নাইবা উ কৈ বহুত সময় থাকিব পাৰোঁ। স্বৰধ্বনিবোৰ দূৰৰ পৰাই স্পষ্ট ৰূপত শুনা যায়। স্বৰধ্বনিবোৰ ঘোষ ধ্বনি। এনে ধ্বনি উচ্চাৰণ কৰোঁতে স্বৰতন্ত্রীত কম্পনৰ সৃষ্টি হয়। Bernard Block আৰু George L Trager-এ আধুনিক বিচাৰেৰে স্বৰধ্বনিৰ সংজ্ঞা দাঙি ধৰিছে এনেদৰে — “যি ধ্বনিৰ উচ্চাৰণত মুখবিবৰৰ পথটি এনেদৰে বাধামুক্ত হৈ থাকে যে শ্বাসবায়ু, হাওঁফাওঁৰ পৰা প্ৰৱাহিত হৈ ক’তো বাধাগ্রস্ত হৈ বৈ নাযায়, বা ক’তো সংকীর্ণ পথেৰে জোৰেৰে পাৰ হ’বলগীয়া নহয়, ক’তো ঘর্ষণ নহয় অথবা সৰল পথেৰে পাৰহৈ যাব নোৱাৰি কাষৰীয়া অন্য পথেৰে প্ৰৱাহিত নহয়, কোনো বাগিন্দ্রিয়তে কম্পনৰ সৃষ্টি নকৰে, তেনে ধ্বনিয়েই স্বৰধ্বনি।” এক কথাত স্বৰধ্বনিৰ সৃষ্টিত বায়ুপ্রৱাহক বাধা দিয়া নহয়। সেয়ে স্বৰধ্বনিবোৰক অনিয়ত বা প্রৱাহ ধ্বনি বোলা হয়। স্বৰধ্বনিৰ সৃষ্টিত বিশেষ ভূমিকা লোৱা কথাকেইটা হ’ল— (ক) জিহ্বাৰ অৱস্থান, (খ) মুখবিবৰৰ বিস্তৃতিৰ পৰিমাপ, (গ) ওঁঠৰ আকৃতি।

হাওঁফাওঁৰ পৰা ওলাই অহা বায়ু মুখবিবৰ পোৱাৰ পিছত জিভাখনৰ বিভিন্ন অংশ উঠা-নমা কৰিলে, ওঁঠ দুটাৰ অৱস্থান কিছু লৰচৰ কৰিলে বা মুখগহ্বৰৰ বিস্তৃতি কম-বেছি কৰিলে বায়ুপ্রবাহ কলিত হয় আৰু ধ্বনিবৈচিত্র্যৰ সৃষ্টি হয়। ইয়াৰ আধাৰতেই স্বৰধ্বনিক শ্রেণীবিভাজনো কৰা যায়।

উশাহৰ একেটা টানতে দুটা স্বৰধ্বনি একেলগে উচ্চাৰণ কৰোঁতে যদি এটা অক্ষৰত পৰিণত হয়, তেতিয়া তাক দ্বিস্বৰধ্বনি বোলে। অসমীয়াত থকা দ্বিস্বৰধ্বনি কেইটামান এনেকুৱা — আই, আউ, ইউ, উই, এ'ই, এ'উ অ'ই, অ'উ। দ্বিস্বৰধ্বনি প্রয়োগ হোৱা কেইটামান শব্দ হ'ল — ভাই, বাই, ঘিউ, জিউ, হাইতাল, সেই, নেউল, নৈ, মৌ, জুই ইত্যাদি। নামনি অসমৰ উপভাষাত ত্রিস্বৰধ্বনিও পোৱা যায়। যেনে — কেউইলা, দেউইলা আদি। কামৰূপী উপভাষাত চতুঃ স্বৰৰো প্রয়োগ আছে। যেনে — অউআই।

বাগিন্দ্রিয়ৰ দ্বাৰা উচ্চাৰিত ধ্বনিসমূহৰ আনটো ভাগ হ'ল ব্যঞ্জনধ্বনি। হাঁওফাঁওৰ পৰা অহা বতাহ মুখৰ ভিতৰত সম্পূর্ণ বা আংশিক ৰূপে বাধা পাই উচ্চাৰিত হোৱা ধ্বনিয়েই ব্যঞ্জনধ্বনি। ব্যঞ্জনধ্বনিক স্বৰধ্বনিৰ নিচিনাকৈ একে লেথাৰিয়ে উচ্চাৰণ কৰিব নোৱাৰি। উদাহৰণস্বৰূপে — ক, ত, প, নাইবা ব বুলি বহুত সময় উচ্চাৰণ কৰি থাকিব নোৱাৰি। অৱশ্যে ঘঁহনি খাই হোৱা ব্যঞ্জনধ্বনিক বহুত সময় উচ্চাৰণ কৰি থাকিব পৰা যায়। যেনে— অসমীয়া ভাষাৰ চ, জ, স, হ ধ্বনি। ব্যঞ্জনধ্বনি স্বৰধ্বনি অবিহনে উচ্চাৰণ কৰিব নোৱাৰি। কিছুমান ব্যঞ্জনধ্বনি দূৰৰ পৰা স্পষ্ট ৰূপত শুনা নাযায়। Bernard Block আৰু George L Trager-এ আধুনিক বিচাৰেৰে ব্যঞ্জনধ্বনিৰ সংজ্ঞা দাঙি ধৰিছে এনেদৰে — "যি ধ্বনি উচ্চাৰণত শ্বাসবায়ু স্বৰপথ (glottis) বা মুখবিবৰৰ কোনো অংশত বাধা পাই কিছু ক্ষণৰ বাবে সংকীর্ণ পথেৰে জোৰকৈ পাৰহৈ যায় — পাৰহৈ যাওঁতে ঘর্ষণৰ সৃষ্টি কৰে, অথবা মুখেৰে ওলাই যাবলৈ সম্মুখত বাধা থকাত কাষৰীয়া অন্য পথেৰে প্রৱাহিত হয়, অথবা স্বৰতন্ত্রীৰ ওপৰভাগৰ (supraglottal) অন্য কোনো বাগিন্দ্রিয়ত কম্পনৰ সৃষ্টি কৰে, তেনে ধ্বনিক ব্যঞ্জনধ্বনি বোলা হয়।" কিন্তু সকলো ব্যঞ্জনধ্বনিৰ ক্ষেত্রত বাধাৰ স্বৰূপ আৰু মাত্রা একে নহয়। ব্যঞ্জনধ্বনিৰ বৈশিষ্ট্য দুটা কথাৰ ওপৰত নির্ভৰ কৰে— 1) উচ্চাৰণ স্থান (Points/places of Articulation) আৰু 2) উচ্চাৰণ প্রকৃতি (Nature of Articulation)ৰ ওপৰত।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ স্বৰধ্বনি কাক বোলে?

.....

প্রশ্ন নং ৩ ঃ অসমীয়াত দ্বিস্বৰধ্বনি আছে নে? আছে যদি কেইটামান উদাহৰণ উল্লেখ কৰক।

.....

২.৬ বিশিষ্ট ধ্বনি আৰু উপধ্বনি

যিবোৰ ধ্বনিৰ উচ্চাৰণ স্পষ্ট; বক্তা আৰু শ্ৰোতাৰ কাণত বাজি উঠে সেইবোৰক বিশিষ্ট ধ্বনি বোলে। বিশিষ্ট ধ্বনিবোৰ একোটা গোট (Unit); এনে ধ্বনিগোটত এটা বা একাধিক ধ্বনি সন্নিৱিষ্ট হৈ বা লুকাই থাকে। বিশিষ্ট ধ্বনিৰ শব্দ পৃথক কৰিব পৰা ক্ষমতা থাকে। দুটা ধ্বনিৰ প্ৰয়োগত যদি বিৰোধ ঘটে অৰ্থাৎ অভিন্ন পৰিৱেশত এটাৰ ঠাইত আনটো বহুৱালে যদি অৰ্থৰ পৰিৱৰ্তন ঘটে তেনেহ'লে সেইবোৰ বিশিষ্ট ধ্বনি। যেনে —

কাল — ক - আ - ল

খাল — খ - আ - ল

ইয়াত আদ্যস্থানত থকা ক ধ্বনিৰ সলনি খ ধ্বনি ব্যৱহাৰ কৰা হৈছে অভিন্ন পৰিৱেশত। ফলত যি দুটা শব্দ পোৱা গ'ল সেয়া সম্পূৰ্ণ পৃথক অৰ্থযুক্ত শব্দ। সেয়ে অসমীয়াৰ ক আৰু খ বিশিষ্ট ধ্বনি।

বিশিষ্ট ধ্বনিৰে অন্য নাম বৰ্ণ। গোলোক চন্দ্ৰ গোস্বামীয়ে বিশিষ্ট ধ্বনি বুজাবলৈ 'বৰ্ণ' শব্দৰ প্ৰয়োগ কৰে আৰু 'বৰ্ণ' আৰু 'আখৰ'ৰ মাজত ভেদ প্ৰতিষ্ঠা কৰিবলৈ যত্ন কৰে। আখৰ হ'ল বৰ্ণ বা বিশিষ্ট ধ্বনিৰ দৃশ্যমান প্ৰতীক। আখৰ আৰু বৰ্ণ সমাৰ্থক নহয়। অসমীয়া ভাষাৰ স্ৱৰবৰ্ণ আৰু ব্যঞ্জনবৰ্ণত থকা আখৰৰ তুলনাত বৰ্ণ বা বিশিষ্ট ধ্বনিৰ সংখ্যা আপেক্ষিকভাৱে কম।



জানি থোৱা ভাল

ইংৰাজী Phoneme শব্দটোৰ পৰিভাষা হিচাপে অসমীয়াত 'বিশিষ্ট ধ্বনি' শব্দটো ব্যৱহাৰ কৰা হয়। এই শব্দটো 1876 খ্ৰীষ্টাব্দত ফৰাচী ভাষাতত্ত্ববিদ লুই আভে (Lauis Havet)ই আৱিষ্কাৰ কৰে । তেওঁ অৱশ্যে 'বাগধ্বনি' অৰ্থতেই শব্দটো ব্যৱহাৰ কৰিছিল। সুস্পষ্টভাৱে বিশিষ্ট ধ্বনিৰ অৰ্থত শব্দটোৰ প্ৰথম ব্যৱহাৰ কৰে পোলিচ ভাষাবিজ্ঞানী বোদুআঁ দি কুৰ্ত্যনে (Jan Baudouin de courtenay)।

এতিয়া আন এটা উদাহৰণ গ্ৰহণ কৰা যাওক —

1) ভল—ভ ঁ আ ঁ ল

2) লাভ—ল ঁ আ ঁ ভ

প্ৰথম শব্দটোত 'ভ' ধ্বনিৰ উচ্চাৰণ যেনেদৰে হৈছে দ্বিতীয়টোত কিন্তু তেনেদৰে হোৱা নাই বা নোৱাৰি। অৰ্থাৎ প্ৰথম শব্দৰ ভ-ৰ উচ্চাৰণ সদায় শব্দৰ আদি স্থানত আৰু দ্বিতীয় শব্দৰ ভ-ৰ উচ্চাৰণ শব্দৰ অন্ত্যস্থানতহে হয়। এটাৰ ঠাইত আনটো বহুৱাব নোৱাৰি। সেয়ে দুয়োটা 'ভ' ধ্বনিৰ মাজত বিৰোধৰ প্ৰশ্নই নাহে। গতিকে দুয়োটা পৃথক বিশিষ্ট ধ্বনি নহয়। এনে প্ৰয়োগক

পৰিপূৰক প্ৰয়োগ বোলে। পৰিপূৰক প্ৰয়োগ হোৱা ধ্বনিবোৰক এটা বিশিষ্ট ধ্বনিৰে উপধ্বনি বোলা হয়। ধ্বনি এটাৰ আগে পাছে কি ধ্বনি আছে, সেয়েই ধ্বনিটোৰ পৰিৱেশ। পৰিপূৰক প্ৰয়োগৰ ক্ষেত্ৰত এই পৰিৱেশৰ গুৰুত্ব সৰ্বাধিক। কোনো ধ্বনি (উপধ্বনি) শব্দৰ শেষতঁবা আদিতঁবা মধ্যত বহে। কোনো ধ্বনি (উপধ্বনি)আকৌ 'ৰ'-ৰ পিছতহে উচ্চাৰিত হয়, ইত্যাদি। বিশিষ্ট ধ্বনি বুজাবলৈ ûûচিন আৰু উপধ্বনি বুজাবলৈ ëÂ ÿ চিন ব্যৱহাৰ কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ বিশিষ্ট ধ্বনি হিচাপে চিহ্নিত হোৱাৰ মূল চৰ্তটো কি ?

.....



২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ধ্বনি মানে কি সেই বিষয়ে অৱগত হোৱাৰ লগতে ধ্বনিবিজ্ঞান, বিশিষ্ট ধ্বনিবিজ্ঞান আৰু ধ্বনিতত্ত্ব সম্পৰ্কে সম্যক ধাৰণা লাভ কৰিলে।
- মানুহৰ বাগিন্দ্ৰিয়ৰ বিভিন্ন অংগসমূহৰ পৰিচিতি লাভ কৰাৰ লগতে ধ্বনি সৃষ্টিত প্ৰত্যেকটো অংগৰ কামৰ বিষয়ে ধাৰণা লাভ কৰিলে।
- স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনি কাক বোলে সেই বিষয়ে অৱগত হ'ল।
- অভিন্ন পৰিৱেশত এটা ধ্বনিৰ ঠাইত আন এটা ধ্বনি বহুৱালে যদি অৰ্থৰ পৰিৱৰ্তন ঘটে তেনেহ'লে সেইবোৰ ধ্বনিকে বিশিষ্ট ধ্বনি বোলা হয়। আনহাতে কেতিয়াবা একোটা বিশিষ্ট ধ্বনিৰ পৰিপূৰক প্ৰয়োগ ঘটে আৰু তেনে ধ্বনিবোৰক এটা বিশিষ্ট ধ্বনিৰে উপধ্বনি বোলে।



২.৮ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

1] কাকতি,বাণীকান্ত [1996]Ê, *অসমীয়া ভাষাৰ গঠন আৰু বিকাশ;*(হাজৰিকা, বিশ্বেশ্বৰ অনুঃ); ৰৰপেটা ঃ বাণীকান্ত কাকতি জন্ম শতবাৰ্ষিকী উদ্‌যাপন সমিতি (প্ৰথম প্ৰকাশ 1941)।

2] কোঁৱৰ, অৰ্পণা [2008]Ê, *ভাষাবিজ্ঞান উপক্ৰমণিকা;* গুৱাহাটী ঃবনলতা।

3) গোস্বামী, উপেন্দ্রনাথ [2000]Ê, *অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ;* গুৱাহাটী ঃ বৰুৱা এজেঞ্চি।

৪) গোস্বামী, উপেন্দ্রনাথ [1997]Ê, *অসমীয়া ভাষাৰ ব্যাকৰণ;* গুৱাহাটীঃ মণি-মাণিক প্রকাশ।

৫) গোস্বামী, উপেন্দ্রনাথ [1993]Ê, *ভাষা-বিজ্ঞান;* গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

6] গোস্বামী, গোলোকচন্দ্র [1999]Ê, *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

7) গোস্বামী, গোলোকচন্দ্র (1996); *অসমীয়া বর্ণপ্রকাশ,* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

8) গোস্বামী, গোলোকচন্দ্র (2008); *ধ্বনিবিজ্ঞানৰ ভূমিকা;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

9] দত্ত বৰুৱা, ফণীন্দ্র নাৰায়ণ [2006]Ê, *আধুনিক ভাষাবিজ্ঞানৰ পৰিচয়;* গুৱাহাটী ঃ বনলতা।

10] দত্তবৰুৱা, ফণীন্দ্র নাৰায়ণ [2006]Ê, *প্রয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা;* গুৱাহাটী ঃ বনলতা।

11) পাঠক, ৰমেশ (1991); *ভাষাবিজ্ঞানৰ ভূমিকা;* গুৱাহাটী ঃ অশোকৰ বুক ষ্টল।

12) পাদুন, নাহেন্দ্র (সম্পাঃ)(1993); *ভাষাৰ তত্ত্বকথা;* গুৱাহাটী ঃ বাণী মন্দিৰ।

13) পাটগিৰি, দীপ্তি ফুকন (1991); *ভাষাতত্ত্ব,* গুৱাহাটী ঃ বনলতা।

14] পাটগিৰি, দীপ্তি ফুকন [2009]Ê, *ভাষা-সাহিত্য-জিজ্ঞাসা;* গুৱাহাটী ঃ পূর্বাঞ্চল প্রকাশ।

15] বৰা, লীলাৱতী শইকীয়া আৰু পাটগিৰি, দীপ্তি ফুকন (সম্পাঃ) (2003); *ভাষা-জিজ্ঞাসা;* গুৱাহাটী ঃ বনলতা।

16) বৰুৱা, বিৰিঞ্চি কুমাৰ (2001); *অসমীয়া ভাষা আৰু সংস্কৃতি;* নলবাৰী ঃ জার্ণল এম্প'ৰিয়াম।

17) ভৰালী, দেবানন্দ (1993); *অসমীয়া ভাষাৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

18) মেধি, কালিৰাম (1999); *অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

19] মৰল, ভগৱান (1998); *আধুনিক ভাষাবিজ্ঞান;* গুৱাহাটী ঃ পঞ্চজ্যোতি প্রকাশ।

ইংৰাজী গ্রন্থ ঃ

২০) Anozie, C. C. (2007). *General Linguistics : An Introduction*. Enugu: Tashiwa Network Ltd.

২১) Bally, C. & Sechehaye, A. (ed.)(1959). *Course in General Linguistics.* New York: Philosophical Library.

২২) Bloomfield, L. (1994). *Language*. Delhi: Motilal Banarasidass.

২৩) Crystal, D. (1997). *The Encyclopedia of Language*. Cambridge: CUP.

২৪) Goswami, G. (1982). *Structure of Assamese.* Guwahati: Gauhati University.

২৫) Kakati, B. (2007). *Assamese : Its Formation and Development.* Guwahati: Lawyers Book Stall.

26) Taraporewalla. I. J. S. (1962). *Elements of the Science of Language.* Calcutta: Calcutta University.



২.৯ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ভাষাবিজ্ঞানত একমাত্ৰ মানুহৰ বাগ্‌যন্ত্ৰৰ সহায়ত অৰ্থাৎ মুখেৰে উচ্চাৰিত হোৱা শ্ৰুয়মান নাদক ধ্বনি বোলা হয়।

২ নং প্ৰশ্নৰ উত্তৰ ঃ যিবোৰ ধ্বনি উচ্চাৰণ কৰোঁতে হাঁওফাঁওৰ পৰা বাহিৰলৈ অহা বায়ু প্ৰৱাহে স্বৰতন্ত্ৰীৰ বাহিৰে মুখবিবৰৰ আন কোনো ঠাইতে বাধাপ্ৰাপ্ত নহয় আৰু জিভাৰ অৱস্থান আৰু ওঁঠৰ আকৃতিৰে বায়ুপ্ৰৱাহ নিয়ন্ত্ৰণ কৰা হয় সেইবোৰ ধ্বনিকেই স্বৰধ্বনি বোলা হয়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ আছে, যেনে— আই, আউ, ইউ, উই, এ'ই, এ'উ অ'ই, অ'উ ইত্যাদি।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ বিশিষ্ট ধ্বনি হিচাপে চিহ্নিত হোৱাৰ মূল চৰ্তটো হ'ল ধ্বনিৰ প্ৰয়োগত বিৰোধ থাকিব লাগে; অৰ্থাৎ অভিন্ন পৰিৱেশত এটাৰ ঠাইত আন এটা ধ্বনি বহুৱালে যদি অৰ্থৰ পৰিৱৰ্তন ঘটে তেনেহ'লে সেইবোৰ বিশিষ্ট ধ্বনি।



২.১০ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

ক) ধ্বনি বুলিলে কি বুজে?

খ) ধ্বনিৰ কেনেকৈ সৃষ্টি হয়?

গ) বিশিষ্ট ধ্বনি কাক বোলে?

প্ৰশ্ন ২ঃ দ্বিস্বৰধ্বনি বুলিলে কি বুজে?

চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনি কাক বোলে?

প্ৰশ্ন ২ঃ চমুটোকা লিখক — দ্বিস্বৰধ্বনি, বিশিষ্ট ধ্বনি

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ বাগিন্দ্ৰিয় বুলিলে কি বুজে ? ছবি আঁকি ধ্বনি সৃষ্টিৰ অংশসমূহ চিহ্নিত কৰি শব্দ উচ্চাৰণৰ প্ৰক্ৰিয়া সম্পৰ্কে বহলাই লিখক।

প্ৰশ্ন ২ ঃ ধ্বনিৰ বিৰোধী প্ৰয়োগ আৰু পৰিপূৰক প্ৰয়োগ বুলিলে কি বুজে উদাহৰণসহ বুজাই লিখক।

প্ৰশ্ন ৩ ঃ স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিৰ পাৰ্থক্য কেনেধৰণৰ আলোচনা কৰক।

*** ***** ***

অধ্যায় ৩ ঃ অসমীয়া ভাষাৰ ধ্বনিতত্ত্ব

অধ্যায় গাঁথনি

3.1 উদ্দেশ্য

3.2 পৰিচয়

3.3 অসমীয়া ভাষাৰ বিশিষ্ট ধ্বনি

3.3.1 অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি

3.3.2 অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনি

3.4 অসমীয়া স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিৰ উপধ্বনি

3.5 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

3.6 অধিক জানিবলৈ

3.7 অগ্রগতিৰ খতিয়ান

3.8 আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি —

- বিশিষ্ট ধ্বনিৰ সূত্র নির্ণয় কৰি অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিবোৰক ভাগ ভাগ কৰি দেখুৱাব পাৰিব
- উচ্চাৰণৰ স্থান আৰু ধৰণ অনুযায়ী অসমীয়া ভাষাৰ ধ্বনিসমূহক তালিকাভুক্ত কৰিব পাৰিব।
- অসমীয়া স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিৰ উপধ্বনি যে আছে সেই সম্পর্কে অৱগত হ'ব।

৩.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি ধ্বনি, ধ্বনিতত্ত্ব, স্বৰধ্বনি, ব্যঞ্জনধ্বনি আৰু উপধ্বনি মানে কি সেই সম্পর্কে অৱগত হ'ল। লগতে কেনেদৰে বাগিন্দ্রিয়ৰ জৰিয়তে ধ্বনিৰ সৃষ্টি হয় সেই বিষয়েও বহলাই অধ্যয়ন কৰিলে। এই অধ্যায়টোত অসমীয়া ভাষাৰ ধ্বনিতত্ত্ব সম্পর্কে আপুনি বহলাই অধ্যয়ন কৰিব। ধ্বনিবিজ্ঞান তথা বর্ণবিজ্ঞানৰ সিদ্ধান্তৰ আধাৰত অসমীয়া ভাষাৰ ধ্বনিৰ স্বৰূপ, বর্গীকৰণ আদিয়েই হ'ল অসমীয়া ভাষাৰ ধ্বনিতত্ত্ব।

এই অধ্যায়টোত অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনি আৰু ইহঁতৰ উচ্চাৰণৰ স্থান, ধৰণ, অসমীয়া আখৰ আদি বিষয়ৰ আলোচনা দাঙি ধৰা হৈছে। আপুনি অধ্যায়টি অধ্যয়ন কৰি ওপৰত উল্লেখ কৰা অসমীয়া ধ্বনিতত্ত্বৰ এই দিশসমূহৰ বিষয়ে সামগ্রিকভাৱে অনুধাৱন কৰিবলৈ সক্ষম হ'ব।

৩.৩ অসমীয়া ভাষাৰ বিশিষ্ট ধ্বনি

আপুনি ইতিমধ্যে ইয়াৰ পূৰ্বৱৰ্তী অধ্যায়টোত অধ্যয়ন কৰি আহিছে যে অভিন্ন পৰিৱেশত কোনো এটা স্থানত যদি দুটা ধ্বনিৰ সালসলনি কৰা হয় আৰু তাৰ ফলস্বৰূপে যদি শব্দ দুটাৰ অর্থৰ পৰিৱর্তন হয় তেনেহ'লে ধ্বনি দুটিক বিশিষ্ট ধ্বনি বোলা হয়। অসমীয়া স্বৰ আৰু ব্যঞ্জন ধ্বনিসমূহৰ প্রয়োগৰ ক্ষেত্রত কেতবোৰ বিশেষ বৈশিষ্ট্য পৰিলক্ষিত হয়। প্রতিটো স্বৰ আৰু ব্যঞ্জন ধ্বনিৰে একাধিক উপধ্বনিও পোৱা যায়। উপধ্বনি হ'ল ধ্বনিগত সাদৃশ্য থকা কেতবোৰ ধ্বনিৰ সমষ্টি। স্বৰ আৰু ব্যঞ্জনৰ যুক্ত ৰূপৰ প্রয়োগ অসমীয়া ধ্বনিতত্ত্বৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য। তলত অসমীয়া ভাষাৰ ধ্বনিতত্ত্বৰ সকলো দিশ ফঁহিয়াই যাবলৈ যত্ন কৰা হ'ব।

আমি আগতে পাই আহিছো যে হাওঁফাওঁৰ পৰা ওলাই অহা বায়ুপ্রৱাহ মুখবিৱৰ অথবা কেতিয়াবা নাসিকাবিৱৰেৰে ওলাই গৈ ধ্বনিৰ সৃষ্টি কৰে। হাওঁফাওঁৰ পৰা ওলাই অহা বায়ুপ্রৱাহক মুখবিবৰৰ বিভিন্ন স্থানত বিভিন্ন অংগই বাধা প্রদান কৰাৰ ফলতে ব্যঞ্জনধ্বনিৰ সৃষ্টি হয়। আনহাতে, হাওঁফাওঁৰ পৰা ওলাই অহা বায়ুপ্রৱাহৰ পথত কোনো স্থানতে বাধাপ্রাপ্ত নোহোৱাকৈ স্বৰধ্বনিৰ সৃষ্টি হয়। এই ধ্বনি উচ্চাৰণত হাওঁফাওঁৰ পৰা ওলাই অহা বায়ু প্রৱাহে স্বৰতন্ত্রীৰ কম্পন ঘটাই অবিৰত গতিত বহির্গামী হৈ থাকে।

অসমীয়া ভাষাত 8টা বিশিষ্ট স্বৰধ্বনি আৰু 21টা ব্যঞ্জনধ্বনি পোৱা যায়। 'ৱ' আৰু 'য়' দুটা অর্ধ স্বৰক ধৰি ব্যঞ্জনধ্বনিৰ সংখ্যা 23টা। এই দুই শ্রেণীৰ বিশিষ্ট ধ্বনিৰ উপৰিও সন্ধি, শ্বাসাঘাত আৰু চন্দ্রবিন্দু (অনুনাসিকতা) লয়যুক্ত ধ্বনি পোৱা যায়।

৩.৩.১ অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি

অসমীয়া ভাষাত আঠোটা বিশিষ্ট স্বৰধ্বনি আছে। সেই কেইটা হ'ল — অ, আ, ই, উ, এ , ঐ, অ', ও। স্বৰধ্বনিৰ উচ্চাৰণত মুখবিবৰৰ জিভা আৰু ওঁঠ দুয়োটাৰে সংকোচন আৰু প্রসাৰণ ঘটে। জিভাৰ অংশ অনুযায়ী সিহঁতক সন্মুখ, কেন্দ্রীয়, আৰু পশ্চ — এই তিনিটা ভাগত ভগাব পাৰি। জিভাৰ আগভাগ ওপৰলৈ উঠাৰ ফলত সৃষ্টি হোৱা ধ্বনিক সন্মুখ স্বৰধ্বনি, জিভাৰ মাজ অংশ ওপৰলৈ উঠাৰ ফলত সৃষ্টি হোৱা ধ্বনিক কেন্দ্রীয় স্বৰধ্বনি আৰু জিভাৰ পিছ অংশ ওপৰলৈ দাং খোৱাৰ ফলত সৃষ্টি হোৱা ধ্বনিক পশ্চ স্বৰধ্বনি বোলা হয়।

জিভাৰ উচ্চতা অনুযায়ী স্বৰধ্বনিক উচ্চ, উচ্চমধ্য, নিম্নমধ্য আৰু নিম্ন — এই চাৰিটা ভাগত ভগাব পাৰি। আকৌ ওঁঠ দুটাৰ আকৃতিৰ সংকোচন আৰু প্রসাৰণ অনুসৰি স্বৰধ্বনিৰ ভাগ দুটা — বিবৃতৌষ্ঠ্য আৰু সংবৃতৌষ্ঠ্য। সন্মুখ আৰু কেন্দ্রীয় স্বৰৰ উচ্চাৰণত ওঁঠ দুটা মেল খায় বাবে ইহঁতক বিবৃতৌষ্ঠ্য আৰু পশ্চ স্বৰধ্বনিৰ উচ্চাৰণত ওঁঠ দুটা গোলাকাৰ হয় বাবে ইয়াক সংবৃতৌষ্ঠ্য ধ্বনি বোলা হয়।

পশ্চ স্বৰধ্বনিবোৰ ***কুঞ্চিত*** আৰু সন্মুখ আৰু কেন্দ্রীয় স্বৰধ্বনিবোৰ ***প্রসৃত***। স্বৰৰ অনুনাসিকতাও অসমীয়াত বিশিষ্ট ধ্বনি। কাৰণ একে ধ্বনি সমষ্টিৰ স্বৰধ্বনিটো অনুনাসিক হ'লে অর্থটোৰ পার্থক্যই দেখা দিয়ে। যেনে — কাহ (কাহ উঠা); কাঁহ (কাঁহৰ বাচন)।

অসমীয়া বিশিষ্ট স্বৰধ্বনিবোৰৰ ব্যৱহাৰ তলৰ উদাহৰণৰ পৰা বুজা যাব —

ঁঅঁ তল, মল
ঁআঁ তাল, মাল
ঁইঁ তিল, মিল
ঁউঁ বুল, (বাট বুল)
ঁএ'ঁ বে'ল, (স্কুল বা কলেজৰ)
ঁএঁ বেল, (গছৰ ফল)
ঁঅ'ঁ ব'ল,
ঁওঁ বোল, (মাত-বোল, ৰং দিয়া)

কুঞ্চিত ঃ যিবিলাক স্বৰ ধ্বনি উচ্চাৰণৰ সময়ত ওঁঠ দুটা ঘোৰ খায়, সেই বোৰক কুঞ্চিত স্বৰধ্বনি বোলা হয়। যেনে — উ, ও, অ', অ।

প্রসৃত ঃ যিবিলাক স্বৰধ্বনি উচ্চাৰণৰ সময়ত ওঁঠ দুটা বহল হৈ উচ্চাৰিত হয় তাক প্রসৃত স্বৰধ্বনি বোলা হয়। যেনে— ই, এ', এ, আ।

জিভাৰ অংশ, জিভাৰ উচ্চতা আৰু ওঁঠৰ আকৃতি অনুসৰি বিশিষ্ট স্বৰধ্বনিসমূহ স্পষ্টভাৱে জানিবৰ বাবে তলত এখন তালিকা প্রস্তুত কৰা হ'ল —

তালিকা ৩.১ ঃ জিভাৰ অংশ, জিভাৰ উচ্চতা আৰু ওঁঠৰ আকৃতি অনুসৰি বিশিষ্ট স্বৰধ্বনিসমূহ

	ওঁঠৰ আকৃতি অনুসৰি	বিবৃতৌষ্ঠ্য		সংবৃতৌষ্ঠ্য
	জিভাৰ অংশ অনুসৰি	সন্মুখ ঁ প্রান্তীয়	কেন্দ্রীয়	পশ্চঁমূলীয়
জিভাৰ	উচ্চ	ই		উ
উচ্চতা	উচ্চমধ্য বা মধ্যসম	এ'		ও
অনুসৰি	নিম্নমধ্য বা মধ্যভাগ	এ		অ'
	নিম্ন		আ	অ

লিখোঁতে সংস্কৃতৰ বর্ণমালাৰ অনুকৰণত অসমীয়াত বহুতো আখৰ ব্যৱহাৰ কৰা হয় যদিও সেই আটাইবোৰৰ ধ্বনি গুণ অসমীয়াত নাই। উদাহৰণস্বৰূপে — সংস্কৃতৰ 'ঋ' ধ্বনি অসমীয়াত 'ৰি' ৰূপেহে উচ্চাৰিত হয়। যেনে — সংস্কৃতৰ 'ঋষি' অসমীয়াত 'ৰিসি' ৰূপে উচ্চাৰিত হয়। অসমীয়াত 'ই' আৰু 'ঈ', 'উ' আৰু 'ঊ' ৰ হ্রস্ব আৰু দীর্ঘ উচ্চাৰণো নাই। ইয়াৰ বিপৰীতে অসমীয়াত অ' আৰু এ' এই বিশিষ্ট ধ্বনি দুটা বুজাবলৈ বেলেগ আখৰ নাই। সেয়ে অ-ৰ পৰা অ'-ক আৰু এ-ৰ পৰা এ'-ক বেলেগ দেখুৱাবলৈ সাধাৰণতে ওপৰত উর্ধকমা (') এটা দি বুজোৱা হয়। যেনে — বলঁ ব'ল, বেলঁ বে'ল ইত্যাদি।

➢ *অসমীয়া বিশিষ্ট স্বৰধ্বনিৰ উচ্চাৰণৰ বৈশিষ্ট্য ঃ*

- ঁইঁ ঃ সন্মুখ, বিবৃতৌষ্ঠ্য, উচ্চ, সঘোষ, বিশিষ্ট স্বৰধ্বনি। এই ধ্বনিটো উচ্চাৰণ কৰোঁতে জিভাৰ আগভাগ আটাইতকৈ ওপৰলৈ উঠি মুখবিবৰৰ বায়ুপ্ৰৱাহৰ পথ সংকীৰ্ণ কৰে। ওঁঠ দুটাৰ আকৃতি কিছু পৰিমাণে চেপেটা হয়। জিভাৰ আগভাগত উচ্চাৰিত হোৱাৰ বাবে এই ধ্বনিক সন্মুখ স্বৰধ্বনি বোলা হয়। 'ই' ৰ উচ্চাৰণ ইংৰাজী nil, pink, pin আদি শব্দৰ দৰে। অসমীয়া ভাষাত তিল, মিল, বিল ইত্যাদি। 'ই' বিশিষ্ট ধ্বনিটোৱে 'ই' আৰু 'ঈ' এই দুয়োটা আখৰৰে প্ৰতিনিধিত্ব কৰে।
- ঁউঁ ঃ পশ্চ, সংবৃতৌষ্ঠ্য, উচ্চ, সঘোষ, বিশিষ্ট স্বৰধ্বনি। এই ধ্বনিৰ উচ্চাৰণত জিভাৰ পশ্চভাগ ওপৰলৈ উঠে আৰু 'ই' ৰ ধ্বনিৰ দৰে মুখবিবৰৰ বায়ুপ্ৰৱাহৰ পথ সংকীৰ্ণ কৰে। ওঁঠ দুটাৰ আকৃতি গোলাকাৰ হয়। ইয়াৰ উচ্চাৰণ ইংৰাজী bull, pull, cushion,আদি শব্দৰ 'u' ৰ দৰে। অসমীয়া ভাষাত ফুল, ভুল, সুৰ, সুন্দৰ ইত্যাদি। 'উ' বিশিষ্ট স্বৰধ্বনিটোৱে 'ঊ' আখৰৰো প্ৰতিনিধিত্ব কৰে।
- ঁএ'ঁ ঃ সন্মুখ, বিবৃতৌষ্ঠ্য, উচ্চমধ্য, সঘোষ, বিশিষ্ট স্বৰধ্বনি। এই ধ্বনি উচ্চাৰণ কালত জিভাৰ আগভাগ 'ই' ধ্বনিৰ উচ্চাৰণ অৱস্থাতকৈ কিছু কেন্দ্ৰৰ ফাললৈ নামে। ওঁঠ দুটা বিবৃত (মেল খোৱা) হৈয়ে থাকে। এ' ধ্বনিটো ইংৰাজী ভাষাৰ pen, head আদি শব্দৰ 'e' ধ্বনিটোৰ দৰে উচ্চাৰণ কৰা হয়। এই ধ্বনি বুজাবলৈ অসমীয়া আখৰমালাত কোনো নিৰ্দিষ্ট আখৰ নাই। বে'ল আদি শব্দত এই ধ্বনি উচ্চাৰিত হয়।
- ঁওঁ ঃ পশ্চ, সংবৃতৌষ্ঠ্য, উচ্চমধ্য, সঘোষ, বিশিষ্ট স্বৰধ্বনি। 'ও' ধ্বনিৰ উচ্চাৰণ কালত জিভাৰ পিছ অংশ 'উ' ধ্বনিৰ উচ্চাৰণ স্থানতকৈ কিছু তললৈ নামে। ওঁঠ দুটাৰ আকৃতি গোলাকাৰ হ'লেও ইষৎ বহল হয়। উদাহৰণস্বৰূপে — বোল (মাত-বোল), মোল (মূল্য, গুণ) গোলাকাৰ ইত্যাদি।
- ঁএঁ ঃ সন্মুখ, বিবৃতৌষ্ঠ্য, নিম্নমধ্য, সঘোষ, বিশিষ্ট স্বৰধ্বনি। এই ধ্বনিৰ উচ্চাৰণত জিভাৰ আগভাগ এ' ধ্বনিৰ উচ্চাৰণ স্থানতকৈ কিঞ্চিৎ তললৈ নামে আৰু কেন্দ্ৰৰ ফালে আকৰ্ষিত হয়। ওঁঠ দুটা বেছিকৈ মুকলি হয়। 'এ' ধ্বনিটো ইংৰাজীৰ cat, rat, mat আদি শব্দৰ 'a' ধ্বনিটোৰ দৰে উচ্চাৰণ কৰা হয়। অসমীয়াত বেল, তেল, মেল, খেল আদি শব্দত 'এ' ধ্বনিৰ উচ্চাৰণ পোৱা যায়।
- ঁঅ' ঁ ঃ পশ্চ, সংবৃতৌষ্ঠ্য, নিম্নমধ্য, সঘোষ, বিশিষ্ট স্বৰধ্বনি। এই ধ্বনিৰ উচ্চাৰণত জিহ্বামূল তললৈ নামে আৰু ওঁঠ দুটা আপেক্ষিকভাৱে বহল হয়।

অ' ধ্বনি বুজাবলৈ অসমীয়া স্বৰলিপিমালাত কোনো নির্দিষ্ট আখৰ নাই। ব'ল (যাওঁ ব'ল), ল'ৰা, ক'লা, হ'ল, হ'ব আদি শব্দত অ' ধ্বনি পোৱা যায়।

- ঁঅঁঃ পশ্চ, সংবৃতৌষ্ঠ্য, নিম্ন, সঘোষ, বিশিষ্ট স্বৰধ্বনি। এই ধ্বনিৰ উচ্চাৰণৰ সময়ত জিভাৰ পিছ অংশ একেবাৰে নিম্ন অৱস্থানত ৰয়হি। 'অ' এই বিশিষ্ট ধ্বনিটোৰ অন্ত্য চিন নাই। ই মধ্যৱর্তী সকলো ব্যঞ্জনতে সংযুক্ত হৈ থাকে। তল, মল, ফল, কল আদি শব্দত 'অ' ধ্বনি পোৱা যায়। ইয়াৰ উচ্চাৰণ ইংৰাজী ball, call, tall, mall আদি শব্দৰ 'অ'ৰ দৰে।
- ঁআঁঃ কেন্দ্রীয়, বিবৃতৌষ্ঠ্য, নিম্ন, সঘোষ, বিশিষ্ট স্বৰধ্বনি। এই ধ্বনিৰ উচ্চাৰণ কালত জিভাৰ আগটোৱে তলপাৰিৰ আগদাঁতত স্পর্শ কৰে। ফলত গোটেই জিভাখন চেপেটা হৈ থাকে। জিভাৰ মাজ অংশ যেন সামান্য সঞ্চালিত হয় তেনে ধাৰণা হয়। মুখবিবৰ সম্পূর্ণ বিবৃত অর্থাৎ মেল খায়; দাঁত দুপাৰি আৰু ওঁঠ দুটা যথেষ্ট বহল হয়। 'আ' ধ্বনিৰ উচ্চাৰণ ইংৰাজী car, bar, far, jar আদি শব্দৰ 'আ'ৰ দৰে। অসমীয়াত তাল, মাল, ভাষা ,মা, মাৰ, খাৰ আদি শব্দত 'আ' ধ্বনি পোৱা যায়।

অসমীয়া বিশিষ্ট স্বৰধ্বনিবোৰ বিভিন্ন আখৰেৰে কেনেদৰে বুজোৱা হয় তলত দেখুওৱা হ'ল—

বিশিষ্ট স্বৰধ্বনি	**অসমীয়া আখৰ আৰু মাত্রা**	
ঁঅঁ	অ	
ঁআঁ	আ	(া)
ঁইঁ	ই, ঈ	(ি, ী)
ঁউঁ	উ, ঊ	(ু , ূ)
ঁএঁ	এ	(ে-)
ঁএ'ঁ	এ	(ে-)
ঁঅ'ঁ	অ	(')
ঁওঁ	ও	(ো)



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি কেইটা?

.....

প্রশ্ন নং ২ ঃ 'ঋ' অসমীয়াৰ বিশিষ্ট স্বৰধ্বনি হয়নে?

.....

৩.৩.২ অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনি

কোনো কোনো ভাষাবিদে অসমীয়া মান্যভাষাত এঁকেশটা বিশিষ্ট ব্যঞ্জনধ্বনি আছে বুলি কৈছে। কিন্তু কোনো কোনো ভাষাবিদে আকৌ 'ৰ' আৰু 'য়' কো বিশিষ্ট ব্যঞ্জন বুলি কয়। এই দুটা ধ্বনিক বিশিষ্ট ধ্বনি হিচাপে বিবেচিত কৰিলে মুঠ 23 টা বিশিষ্ট ব্যঞ্জনধ্বনি পোৱা যায়। এই বিশিষ্ট ব্যঞ্জনধ্বনিৰ ভিতৰত বাৰটা (12) স্পর্শ ধ্বনি, তিনিটা নাসিক্য ধ্বনি, এটা পার্শ্বিক ধ্বনি, এটা কম্পিত ধ্বনি, চাৰিটা উষ্ম ধ্বনি আৰু দুটা অন্তঃস্থ ধ্বনি। বিশিষ্ট ব্যঞ্জনধ্বনি কেইটা হ'ল — ক, খ, গ, ঘ, ঙ, চ, জ, ত, থ, দ, ধ, ন, প, ফ, ব, ভ, ম, ৰ, ল, স, হ, ৱ, য়। ইয়াৰে 'ঙ', 'ৱ' আৰু 'য়' এই বর্ণ কেইটা শব্দৰ আদিত ব্যৱহাৰ নহয়। অসমীয়া বিশিষ্ট ব্যঞ্জনধ্বনিসমূহক অসমীয়া বিভিন্ন আখৰেৰে কেনেদৰে বুজোৱা হয় তলত দেখুওৱা হ'ল—

বিশিষ্ট ব্যঞ্জনধ্বনি	প্রতিনিধিত্ব কৰা অসমীয়া আখৰ
[k]	ক
[kʰ]	খ, ক্ষ (= ক্‌ষ)
[g]	গ
[gʰ]	ঘ
[ŋ]	ঙ, ং
[s]	চ, ছ (শ, ষ, স)
[z]	জ, ঝ, য, হ্য
[t]	ত, ট, ৎ
[tʰ]	থ, ঠ
[d]	দ, ড
[dʰ]	ধ, ঢ
[n]	ন, ণ
[p]	প
[pʰ]	ফ
[b]	ব
[bʰ]	ভ
[m]	ম
[r]	ৰ
[l]	ল

ঁশ	শ, ষ, স
ঁহ	হ, ঃ
ঁৰ	ৰ
ঁয়	য়

লিখোঁতে সংস্কৃতৰ বৰ্ণমালাৰ অনুকৰণত অসমীয়াত বহুতো আখৰ ব্যৱহাৰ কৰা হয় যদিও সেই আটাইবোৰৰ ধ্বনি গুণ অসমীয়াত নাই। উদাহৰণস্বৰূপে কিছুমান শব্দ অসমীয়াত 'ঢ়' আখৰেৰে লিখা হয়। উচ্চাৰণত হ'লে সেইবোৰক 'ৰ' নাইবা 'ৰ' আৰু 'হ'ক সংযুক্ত কৰি উচ্চাৰণ কৰা শুনা যায়; যেনে 'বুঢ়া' শব্দটো বুৰা বা বুৰ্হা (বুৰ্হা) হৈ উচ্চাৰিত হয়। সেইদৰে ভূঞা, কেঞা আদি কেইটামান শব্দত ব্যৱহাৰ হোৱা 'ঞ'ৰো উচ্চাৰণ 'ইঁ'হে হয়। আন ব্যঞ্জনধ্বনিৰ লগত যুক্ত 'ঞ'টোৱে 'ন'ৰ ৰূপ লয়; যেনে —বাঞ্ছা —শব্দ অসমীয়াত বান্‌চা হৈ উচ্চাৰিত হয়। সংস্কৃতৰ 'য়' ধ্বনিটো অসমীয়া শব্দৰ আৰম্ভণিত 'জ' ৰূপে আৰু আন ঠাইত 'ই' ৰূপে উচ্চাৰিত হয়; যেনে — সংস্কৃতৰ যোগ, জয় আদি শব্দ অসমীয়াত জোগ, জই ৰূপেহে উচ্চাৰিত হয়।

উল্লেখযোগ্য যে অসমীয়া য়, ৰ, ঙ — এই তিনিটাৰ বাহিৰে সকলোবোৰ বৰ্ণৰে আদ্য, মধ্য আৰু অন্ত্য অৱস্থানত বিৰোধ পোৱা যায়। তলত ৰ, য় আৰু ঙ — ভিন্ন সকলোবোৰ ব্যঞ্জনৰ আদ্য অৱস্থানৰ বিৰোধৰ উদাহৰণ দিয়া হ'ল —

প - ঁপ আতঁ পাত, পাট
ফ - ঁফ আতঁ ফাট
ব - ঁব আতঁ বাট
ভ - ঁভ আতঁ ভাত,
ত - ঁত আকঁ তাক
থ - ঁথ আকঁ থাক
দ - ঁদ আকঁ ডাক
ধ - ঁধ আকঁ ঢাক
ক - ঁক আতঁ কাট
খ - ঁখ আতঁ খাট
গ - ঁগ আতঁ গাত
ঘ - ঁঘ আতঁ ঘাট
চ - ঁচ আতঁ চাট, ছাটি
জ - ঁজ আতঁ জাত
স - ঁস আতঁ সাত

হ- ঁহআতঁ হাট, হাত

ম - ঁমআতঁ মাত

ন - ঁনআতঁ নাট

ৰ - ঁৰআখঁ ৰাখ

ল - ঁলআখঁ লাখ



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ অসমীয়াত মুঠতে কেইটা ব্যঞ্জনবর্ণ (বিশিষ্ট ব্যঞ্জন) পোৱা যায়?

.....

উচ্চাৰণৰ স্থান আৰু ধৰণ অনুসৰি অসমীয়া বিশিষ্ট ব্যঞ্জনধ্বনি কেইটা তলত দিয়া ধৰণে তালিকাভুক্ত কৰিব পাৰি —

তালিকা ৩.২ ঃ জিভাৰ অংশ, জিভাৰ উচ্চতা আৰু ওঁঠৰ আকৃতি অনুসৰি বিশিষ্ট ব্যঞ্জনধ্বনিসমূহ

	উচ্চাৰণ স্থান	**ওষ্ঠ্য**		**দন্তমূলীয়া**		**তালব্য**		**পশ্চ-তালব্য**		**কণ্ঠ-নালীয়ঁ কণ্ঠ্য**	
	উচ্চাৰণৰ ধৰণ	**অঘোষ**	**সঘোষ**	**অঘোষ**	**সঘোষ**	**অঘোষ**	**সঘোষ**	**অঘোষ**	**সঘোষ**	**অঘোষ**	**সঘোষ**
নিয়ত	স্পর্শ ধ্বনি										
	অল্পপ্রাণ	প	ব	ত	দ			ক	গ		
	মহাপ্রাণ	ফ	ভ	থ	ধ			খ	ঘ		
নিয়ত নিয়ত	নাসিক্য		ম		ন				ঙ		
অনিয়ত	পার্শ্বিক			ল							
	কম্পিত			ৰ							
	উষ্মধ্বনি			চ	জ			স(X)			হ
	অন্তঃস্থ বা অর্ধস্বৰ		ৱ				য়				

➢ *উচ্চাৰণৰ স্থান অনুসৰি বিশিষ্ট ব্যঞ্জনধ্বনিবোৰৰ উচ্চাৰণ ঃ*


❍ ওষ্ঠ্য ধ্বনি ঃ হাঁওফাঁওৰ পৰা বহির্গামী বায়ুপ্রৱাহৰ গতিক দুয়োটা ওঁঠ লগ

লগাই ক্ষন্তেক ৰোধ কৰি পিছ মুহূর্ততে এৰি দিলেই ওষ্ঠ্য ধ্বনিৰ সৃষ্টি হয়। যেনে — প, ফ, ব, ভ, ম, ৱ আদি বিশিষ্ট ব্যঞ্জনধ্বনি ওষ্ঠ্য ধ্বনিৰ অন্তর্গত।

- দন্তমূলীয় ধ্বনি ঃ জিভাৰ আগটো দাঁতৰ গুৰিত লাগি হাঁওফাঁওৰ পৰা ওলাই অহা বায়ুপ্ৰৱাহ ক্ষন্তেক ৰোধ কৰি তৎক্ষণাৎ এৰি দিয়াৰ ফলত উচ্চাৰিত হোৱা ধ্বনিক দন্তমূলীয় ধ্বনি বোলে। যেনে — ত, থ, দ, ধ, ল, ৰ, চ, জ এইকেইটা দন্তমূলীয় বিশিষ্ট ব্যঞ্জনধ্বনি।
- তালব্য ধ্বনি ঃ আগ জিভাখনেৰে (Front of the tongue) কঠিন তালু স্পর্শ কৰি হাঁওফাঁওৰ পৰা ওলাই অহা বায়ুপ্ৰৱাহ ক্ষন্তেক ৰোধ কৰি এৰি দিয়াৰ ফলত উচ্চাৰণ হোৱা ব্যঞ্জনধ্বনিক তালব্য ব্যঞ্জনধ্বনি বোলে। যেনে— সংস্কৃত ভাষাৰ চ, ছ, জ আদি। অসমীয়াত এইকেইটা ধ্বনি দন্তমূলীয় ৰূপেহে উচ্চাৰিত হয়। অসমীয়া ভাষাত তালব্য ধ্বনি মাত্ৰ এটা — 'য়'।
- পশ্চ-তালব্য ধ্বনি ঃ জিভাৰ পিছ অংশৰ দ্বাৰা কোমল তালুত হাঁওফাঁওৰ পৰা ওলাই অহা বায়ুপ্ৰৱাহ ক্ষন্তেক ৰোধ কৰি তাৎক্ষণিকভাৱে এৰি দিলে পশ্চ-তালব্য ধ্বনি উচ্চাৰিত হয়। যেনে — ক, খ, গ, ঘ, ঙ আদি।
- কণ্ঠ-নালীয় ধ্বনি ঃ হাঁওফাঁওৰ পৰা ওলাই অহা বায়ুপ্ৰৱাহ কণ্ঠত ৰোধ কৰি সৃষ্টি কৰা ধ্বনিয়েই কণ্ঠ্য ধ্বনি। কণ্ঠতন্ত্ৰী বিবৰত উচ্চাৰিত ধ্বনিক কণ্ঠনালীয় ধ্বনিও বোলা হয়। এই ধ্বনি উচ্চাৰণত হাঁওফাঁওৰ পৰা নির্গত বায়ু প্ৰবাহে কণ্ঠতন্ত্ৰীত বাধাপ্ৰাপ্ত হৈ ঘর্ষণৰ সৃষ্টি কৰে। অসমীয়া ভাষাৰ কণ্ঠনালীয় বিশিষ্ট ব্যঞ্জনধ্বনিটো হ'ল — 'হ'।

উচ্চাৰণৰ ধৰণ বা প্ৰকৃতি অনুসৰি বিশিষ্ট ব্যঞ্জনধ্বনিৰ শ্ৰেণীবিভাগবোৰ তালিকাৰ সহায়ত দেখুওৱা হ'ল —

চিত্ৰ ৩.৩ ঃ উচ্চাৰণৰ ধৰণ অনুসৰি বিশিষ্ট ব্যঞ্জনধ্বনি



➢ *নিয়ত (Stop) ধ্বনি—স্পর্শ ধ্বনি ঃ* হাঁওফাঁওৰ পৰা ওলোৱা বায়ুপ্ৰৱাহক

ধ্বনিযন্ত্ৰৰ কোনো স্থানত সম্পূৰ্ণৰূপে ৰোধ কৰি ক্ষন্তেক পিছতে মুকলি কৰি দিলে যি ধ্বনিৰ সৃষ্টি হয়, তাক নিয়ত ব্যঞ্জনধ্বনি বোলে। ধ্বনিযন্ত্ৰৰ কোনো বিশেষ স্থানত স্পৰ্শ কৰাৰ ফলত উচ্চাৰিত হোৱাৰ বাবে স্পৰ্শ ধ্বনি নাম দিয়া হৈছে। উচ্চাৰণৰ সময়ত স্ফোটনৰ সৃষ্টি হোৱাৰ বাবে স্পৰ্শ ধ্বনিক প্ৰস্ফোট ধ্বনিও বোলা হয়। স্পৰ্শ ধ্বনিৰ দুটা ভাগ — (ক) অল্পপ্ৰাণ ধ্বনি, আৰু (খ) মহাপ্ৰাণ ধ্বনি।

প, ব, ত, দ, ক, গ — ধ্বনি অল্পপ্ৰাণ ধ্বনি আৰু ফ, ভ, থ, ধ, খ, ঘ — মহাপ্ৰাণ ধ্বনি। প, ফ, ব, ভ — ওষ্ঠ্য ধ্বনি; ত, থ, দ, ধ — দন্তমূলীয় ধ্বনি আৰু ক, খ, গ, ঘ পশ্চ-তালব্য ধ্বনি। তলত স্পৰ্শ ধ্বনিবোৰৰ উচ্চাৰণ বৈশিষ্ট্যৰ বিষয়ে চমু আলোচনা কৰা হ'ল —

- ঃপ/ (p) ঃ নিয়ত, স্পৰ্শ, ওষ্ঠ্য, অঘোষ, অল্পপ্ৰাণ বিশিষ্ট ব্যঞ্জনধ্বনি।
- ঃফ/ (p^h) ঃ নিয়ত, স্পৰ্শ, ওষ্ঠ্য, অঘোষ, মহাপ্ৰাণ বিশিষ্ট ব্যঞ্জনধ্বনি।
- ঃব/ (b) ঃ নিয়ত, স্পৰ্শ, ওষ্ঠ্য, সঘোষ, অল্পপ্ৰাণ বিশিষ্ট ব্যঞ্জনধ্বনি।
- ঃভ/ (b^h) ঃ নিয়ত, স্পৰ্শ, ওষ্ঠ্য, সঘোষ, মহাপ্ৰাণ বিশিষ্ট ব্যঞ্জনধ্বনি।
- ঃত/ (t) ঃ নিয়ত, স্পৰ্শ, দন্তমূলীয়, অঘোষ, অল্পপ্ৰাণ বিশিষ্ট ব্যঞ্জনধ্বনি। 'ত' বিশিষ্ট ধ্বনিটোৱে ত, ট আৰু ৎ আখৰৰ প্ৰতিনিধিত্ব কৰে।
- ঃথ/ (t^h) ঃ নিয়ত, স্পৰ্শ, দন্তমূলীয়, অঘোষ, মহাপ্ৰাণ বিশিষ্ট ব্যঞ্জনধ্বনি। 'থ' বিশিষ্ট ধ্বনিটোৱে 'থ' আৰু 'ঠ' ৰ প্ৰতিনিধিত্ব কৰে।
- ঃদ/ (d) ঃ নিয়ত, স্পৰ্শ, দন্তমূলীয়, সঘোষ, অল্পপ্ৰাণ বিশিষ্ট ব্যঞ্জনধ্বনি। 'দ' ই মূৰ্ধণ্য 'ড' আখৰৰো প্ৰতিনিধিত্ব কৰে।
- ঃধ/ (d^h) ঃ নিয়ত, স্পৰ্শ, দন্তমূলীয়, সঘোষ, মহাপ্ৰাণ বিশিষ্ট ব্যঞ্জনধ্বনি।
- ঃক/ (k) ঃ নিয়ত, স্পৰ্শ, পশ্চ-তালব্য, অঘোষ, অল্পপ্ৰাণ বিশিষ্ট ব্যঞ্জনধ্বনি।
- ঃখ/ (k^h) ঃ নিয়ত, স্পৰ্শ, পশ্চ-তালব্য, অঘোষ, মহাপ্ৰাণ বিশিষ্ট ব্যঞ্জনধ্বনি।
- ঃগ/ (g) ঃ নিয়ত, স্পৰ্শ, পশ্চ-তালব্য, সঘোষ, অল্পপ্ৰাণ বিশিষ্ট ব্যঞ্জনধ্বনি।
- ঃঘ/ (g^h) ঃ নিয়ত, স্পৰ্শ, পশ্চ-তালব্য, সঘোষ, মহাপ্ৰাণ বিশিষ্ট ব্যঞ্জনধ্বনি।

➢ *নিয়তা-নিয়ত ধ্বনি (Stopt continuant) নাসিক্য ধ্বনি ঃ* নিয়ত আৰু অনিয়তৰ গুণ থকা ধ্বনিক নিয়তা-নিয়ত (Stopt continuant) বোলে। অসমীয়াৰ ***নাসিক্য ধ্বনি*** তিনিটাৰ উচ্চাৰণত বায়ুপ্ৰৰাহ মুখবিবৰত ৰুদ্ধ হোৱাৰ বাবে ইহঁত নিয়ত (stop) আৰু নাসিক্য বিবৰেদি প্ৰৰহমান (continuant)



নাসিক্য ধ্বনি ঃ হাঁওফাঁওৰ পৰা ওলাই অহা বতাহৰ প্ৰৰাহক মুখবিবৰৰ কোনো স্থানত সম্পূৰ্ণৰূপে ৰোধ কৰি পিছত নাসিকা বিবৰেৰে ওলাই আহিবলৈ দিলে যি ধ্বনিৰ সৃষ্টি হয়, তাক নাসিক্য ধ্বনি বোলে।

হোৱাৰ বাবে অনিয়ত। উল্লেখযোগ্য যে অসমীয়াত নাসিক্য ব্যঞ্জনধ্বনি তিনিটা হ'ল — ম (m), ন (n) আৰু ঙ (ng)

- ঁম/ (m) ঃ নাসিক্য, ওষ্ঠ্য, সঘোষ বিশিষ্ট ব্যঞ্জনধ্বনি। এই ধ্বনি উচ্চাৰণৰ সময়ত দুয়োটা ওঁঠ যুক্ত হৈ মুখবিবৰত বায়ুপ্ৰৱাহৰ পথ ৰোধ কৰা হয়। শব্দৰ আদি, মধ্য আৰু অন্ত্যত বিৰোধ হয় — মাক, কমল, সকাম ইত্যাদি।
- ঁন/ (n) ঃ নাসিক্য, দন্তমূলীয়, সঘোষ, বিশিষ্ট ব্যঞ্জনধ্বনি। শব্দৰ আদিত, মধ্য, অন্ত্যত ইয়াৰ বিৰোধ হয়। ঁনঁধ্বনি উচ্চাৰণ কৰোঁতে জিভাৰ আগ অংশটোৱে ওপৰ পাৰি দাঁতৰ আলুত স্পৰ্শ কৰি বায়ুপ্ৰৱাহৰ সোঁত নাসিকা বিবৰেদি প্ৰৱাহিত কৰোৱা হয়। ইয়াৰ বিৰোধ — নদ, চনদ, বচন ইত্যাদি।
- ঁঙ/ (ng) ঃ নাসিক্য ধ্বনি, পশ্চ-তালব্য, সঘোষ, বিশিষ্ট ব্যঞ্জনধ্বনি। 'ঙ' ধ্বনিটো শব্দৰ আদিত উচ্চাৰিত নহয়। ঁঙঁধ্বনিৰ লিখিত ৰূপ ঙ আৰু ং (অনুস্বাৰ)। ই শব্দ বিশেষে 'ং' ৰূপে ব্যৱহৃত হয়। ইয়াৰ বিৰোধ এনে ধৰণৰ — ৰঙা, এঙাৰ, শুঙ, লং, মঙল, দিহিং ইত্যাদি।

➢ *অনিয়ত ধ্বনি (Continuant)* ঃ হাঁওফাঁওৰ পৰা ওলোৱা বায়ুপ্ৰৱাহক মুখবিবৰত আংশিকভাবে বাধা দি অথবা বতাহ ওলাই অহা পথটো সংকীর্ণ কৰি যি ধ্বনিৰ সৃষ্টি কৰা হয়, তাক বোলা হয় অনিয়ত ব্যঞ্জনধ্বনি। অসমীয়া অনিয়ত ধ্বনি চাৰি প্ৰকাৰৰ —

- পার্শ্বিক ধ্বনি
- কম্পিত ধ্বনি,
- উষ্ম ধ্বনি,
- অন্তঃস্থ ধ্বনি

- পার্শ্বিক ধ্বনি ঃ পার্শ্ব মানে কায। এই ধ্বনিৰ উচ্চাৰণত জিভাৰ আগটোৱে ওপৰ পাৰি দাঁতৰ আলুত স্পৰ্শ কৰে। জিভাখন কিছু পৰিমাণে সংকুচিত হয় আৰু বায়ুপ্ৰৱাহৰ সোঁতটো জিভাৰ কাষেৰে ওলাই যায়। পার্শ্বিক ধ্বনিৰ উচ্চাৰণৰ স্থান দাঁতৰ আলু, আগতালু যেন অনুভৱ হয়। 'ল' অসমীয়া ভাষাৰ পার্শ্বিক ধ্বনি।

  ঁল/ (l) ঃ পার্শ্বিক, অনিয়ত, দন্তমূলীয়, সঘোষ, বিশিষ্ট ব্যঞ্জনধ্বনি।
- কম্পিত ধ্বনি ঃ যি ধ্বনি উচ্চাৰণ কৰোঁতে জিভাৰ আগটোত একাধিক বাৰ কম্পনৰ সৃষ্টি হয়, সেই ধ্বনিকেই কম্পিত ধ্বনি বোলা হয়। অসমীয়া ভাষাত একমাত্ৰ কম্পিত ধ্বনিটো হ'ল —'ৰ'। এই 'ৰ' ধ্বনিটো উচ্চাৰণ কৰোঁতে জিভাৰ আগটো আগ-তালুৰ ফালে ঘূৰি গৈ তাৎক্ষণিকভাৱে তলৰ পাৰিৰ আগ-দাঁতৰ কায পায়হি।

  ঁৰ/ (r) ঃ অনিয়ত, কম্পিত, দন্তমূলীয়, সঘোষ, বিশিষ্ট ব্যঞ্জনধ্বনি।
- উষ্ম ধ্বনি ঃ যিবোৰ ধ্বনি উচ্চাৰণ কৰোঁতে বতাহ অহা পথটো আংশিকভাৱে সংকীর্ণ কৰি হাঁওফাঁওৰ পৰা ওলোৱা বায়ুপ্ৰৱাহত ঘর্ষণৰ

সৃষ্টি কৰা হয়, সেইবোৰ ধ্বনিকেই উষ্মধ্বনি বোলা হয়। এই ধ্বনিৰ উচ্চাৰণত ঘৰ্ষণৰ বাবে উত্তাপৰ সৃষ্টি হয়। চ, জ, স আৰু হ এই চাৰিটা অসমীয়া ভাষাৰ বিশিষ্ট উষ্ম ধ্বনি।

ঁচ/(s) ঃ উষ্ম, অনিয়ত, দন্তমূলীয়, অঘোষ, বিশিষ্ট ব্যঞ্জনধ্বনি। এই ধ্বনিটোৱে চ, ছ, শ, ষ, স আখৰৰ প্রতিনিধিত্ব কৰে।

ঁজ/(z) ঃ উষ্ম, অনিয়ত, দন্তমূলীয়, সঘোষ, বিশিষ্ট ব্যঞ্জনধ্বনি। এই ধ্বনিটোৱে জ, ঝ, য, হ্য ধ্বনিৰো প্রতিনিধিত্ব কৰে।

ঁস/(x) ঃ উষ্ম, অনিয়ত, পশ্চ-তালব্য, অঘোষ, বিশিষ্ট ব্যঞ্জনধ্বনি। ঁস/ ধ্বনিটোৱে শ, ষ, স এই ধ্বনি কেইটাৰ প্রতিনিধিত্ব কৰে।

ঁহ/(h) ঃ উষ্ম, অনিয়ত, কণ্ঠ-নালীয়, সঘোষ বিশিষ্ট ব্যঞ্জনধ্বনি।

- অন্তঃস্থ ধ্বনি ঃ 'য়' আৰু 'ৱ'-ক অন্তঃস্থ ধ্বনি বোলা হয়। অন্তঃস্থ ধ্বনিবোৰ অনিয়ত। অন্তঃস্থ য় আৰু ৱ-ৰ বৈশিষ্ট্য এয়াই যে ইহঁতৰ উচ্চাৰণ স্বৰধ্বনিৰ দৰে সম্পূর্ণ বাধাহীনো নহয়, নাইবা অন্য ব্যঞ্জনধ্বনিৰ দৰে বৰ বেছি বাধাযুক্তও নহয়। একেবাৰে বাধা নোহোৱা আৰু বাধা হোৱা, এই দুটাৰ মাজতে য় আৰু ৱ-ৰ উচ্চাৰণ হয়; সেয়েই ইহঁত অন্তঃস্থ ধ্বনি।

অন্তঃস্থ ধ্বনিক শ্রুতি ধ্বনি বুলিও কোৱা হয়। ড^{0} গোলোকচন্দ্র গোস্বামীয়ে উল্লেখ কৰিছে যে "শ্রুতি ধ্বনিৰ পৰা সৃষ্টি হোৱা বিশিষ্ট ধ্বনি বা বর্ণ দুটা — ৱ আৰু য়। প্রথমটো ঔষ্ঠ্য, দ্বিতীয়টো তালব্য; আৰু দুয়োটাই সঘোষ অন্তঃস্থ বর্ণ। ইহঁতৰ গাত স্বৰ আৰু ব্যঞ্জন উভয়ৰে গুণ বর্তমান।" 'ৱ' আৰু 'য়' ৰ প্রয়োগ বিশ্লেষণ কৰিলে দেখা যায়—

(ক)ৱ আৰু য় শব্দৰ আদিতে বা স্বৰ-পূর্ববর্তী অৱস্থানত পোৱা নাযায়।

(খ) পূর্ববর্তী ব্যঞ্জনৰ লগত সংযুক্ত অৱস্থানত ৱ-অৰ ও, উ আৰু য়-অৰ এ', ই-ৰ লগত বিৰোধ ঘটা দেখা যায়।



জানি থোৱা ভাল

উচ্চাৰণৰ প্রকৃতিৰ প্রতি লক্ষ্য কৰি ব্যঞ্জনধ্বনিসমূহক অল্পপ্রাণ আৰু মহাপ্রাণ এই দুই ভাগতো ভগোৱা হয়। শ্বাসহীন বায়ুপ্রৱাহৰ সহায়ত যিবোৰ ব্যঞ্জনধ্বনিৰ সৃষ্টি কৰা হয় সেইবোৰক অল্পপ্রাণ ধ্বনি আৰু শ্বাসযুক্ত বায়ুপ্রৱাহেৰে উচ্চাৰণ কৰা ধ্বনিক মহাপ্রাণ ধ্বনি বোলা হয়। মহাপ্রাণ ধ্বনিৰ উচ্চাৰণৰ সময়ত বতাহ বেছি পৰিমাণে আৰু জোৰেৰে নির্গত হয়; আনহাতে অল্পপ্রাণ ধ্বনিৰ উচ্চাৰণত বতাহ কম পৰিমাণে আৰু লাহে লাহে নির্গত হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ অসমীয়াত দন্ত্য আৰু মূর্ধন্য ধ্বনি আছেনে? যদি নাই তেন্তে কি ধ্বনি আছে?

.....

প্রশ্ন নং 5 ঃ অসমীয়াৰ নাসিক্য ধ্বনিকেইটা কি কি?

.....

৩.৪ অসমীয়া স্বৰ আৰু ব্যঞ্জনধ্বনিৰ উপধ্বনি

একেটা ধ্বনিয়ে অৱস্থান আৰু পৰিবেশ ভেদে কিছু ধ্বনিগত পৰিৱর্তন হৈ ব্যৱহাৰ হয়। সেই সামান্য পৰিৱর্তিত ৰূপবোৰকে ধ্বনিটোৰ উপধ্বনি বোলা হয়। আন কথাত ক'বলৈ হ'লে কেতিয়াবা এটা বিশিষ্ট ধ্বনিক দুটা বা ততোধিক ধ্বনিয়ে প্রতিনিধিত্ব কৰে। তেতিয়া সেই ধ্বনি ৰূপবোৰক বিশিষ্ট ধ্বনিটোৰ উপধ্বনি বোলা হয়। এই উপধ্বনিবিলাকৰ মাজত ধ্বনিগত সাদৃশ্য থাকে। আৰু উপধ্বনিসমূহৰ মাজত পৰিপূৰক প্রয়োগহে হয়; অর্থাৎ কোনোবাটো উপধ্বনি যদি আদ্য অৱস্থানত প্রয়োগ, আনটো কেৱল মধ্য আৰু অন্ত্য অৱস্থানতহে প্রয়োগ হ'ব। উপধ্বনিসমূহৰ মাজত যিটোৰ প্রয়োগ বিস্তৃত, সেইটোক বিশিষ্ট ধ্বনিৰ মর্যাদা দিয়া হয়। সেয়ে উপধ্বনিবোৰৰ আলোচনাৰ মূল দিশ দুটা— (ক) বর্ণনা আৰু (খ) প্রয়োগ।

অসমীয়া ভাষাৰ বিশিষ্ট ধ্বনিৰ উপধ্বনি সম্পর্কে ভাষাবিদ গোলোকচন্দ্র গোস্বামীয়ে তেওঁ *Structure of Assamese* গ্রন্থখনত বিস্তৃতভাৱে আলোচনা কৰিছে। পৰৱর্তী সময়ত ড^{0} দীপংকৰ মৰলে *ব্যৱহাৰিক ধ্বনি বিজ্ঞান* নামৰ গ্রন্থখনত অসমীয়া ভাষাৰ বিশিষ্ট ধ্বনিৰ উপধ্বনিসমূহৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰিছে। মন কৰিবলগীয়া যে এনে প্রয়োগ অসমীয়া ভাষাৰ বিশিষ্ট স্বৰ আৰু ব্যঞ্জন ধ্বনি উভয় ক্ষেত্রতে দেখা যায়। উদাহৰণস্বৰূপে — অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জন ধ্বনি ûtû (ত)-ৰ তিনিটা উপধ্বনি পোৱা যায়। সেই কেইটা হ'ল—

1) ত, ম, ৰ, খ, ক আদি ধ্বনিৰ লগত সংযুক্ত হৈ থাকিলে 'ত' ৰ উচ্চাৰণ অঘোষ দন্তমূলীয় অল্পপ্রাণ মুক্ত ধ্বনি ৰূপে হয়। যেনে— উৎসৱ, আত্মা, পৰিত্রাণ ইত্যাদি।
2) 'ৰ' ৰ পৰৱর্তী স্থানত থকা 'ত' ধ্বনি অঘোষ পশ্চদন্তমূলীয় অল্পপ্রাণ মুক্ত ধ্বনি হিচাপে উচ্চাৰণ হয়। যেনে— কর্তা, বর্তমান ইত্যাদি।
3) ইয়াৰ বাহিৰে সকলো ক্ষেত্রতে 'ত' ধ্বনি দন্তমূলীয় অল্পপ্রাণ মুক্ত হিচাপেই উচ্চাৰিত হয়।

ঠিক সেইদৰে অসমীয়া বিশিষ্ট স্বৰধ্বনি /o/ (ও)-ৰো তিনিটা উপধ্বনি পোৱা যায় —

1) মূলীয় সংবৃতৌষ্ঠ উচ্চ-মধ্য স্বৰধ্বনি শব্দৰ সকলো স্থানৰ প্রয়োগ পোৱা যায়। যেনে— ওমলা, জনোৱা, খালো।

2) একাক্ষৰী শব্দসমূহত প্রয়োগ হয়। যেনে— খোল। k^h[o:]l

3) আসন্ন পূর্ববর্ণ নাসিক্য হ'লে প্রয়োগ হয়। যেনে— মোমাই।

এই বিষয়ে আপুনি উচ্চতৰ পর্যায়তহে বহলাই অধ্যয়ন কৰিব লাগিব। ইয়াত কেৱল সম্যক ধাৰণাহে প্রদান কৰি যোৱা হ'ল।



৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অভিন্ন পৰিৱেশত এটা ধ্বনিৰ ঠাইত আন এটা ধ্বনি বহুৱালে যদি অর্থৰ পৰিৱর্তন ঘটে তেনেহ'লে সেইবোৰ ধ্বনিকে বিশিষ্ট ধ্বনি বোলা হয়।
- অসমীয়া ভাষাৰ স্বৰ বর্ণ আৰু ব্যঞ্জন বর্ণত থকা আখৰৰ তুলনাত বর্ণ বা বিশিষ্ট ধ্বনিৰ সংখ্যা যে আপেক্ষিকভাৱে কম সেই বিষয়ে অধ্যয়ন কৰিলে।
- অসমীয়া ভাষাত বিশিষ্ট স্বৰধ্বনিৰ সংখ্যা যে আঠোটা সেই বিষয়ে ধাৰণা লাভ কৰিলে। তদুপৰি কোনো কোনো ভাষাবিদে অসমীয়া মান্যভাষাত এঁকেশটা বিশিষ্ট ব্যঞ্জনধ্বনি আৰু কোনো কোনো ভাষাবিদে আকৌ 'ৰ' আৰু 'য়' কো বিশিষ্ট ব্যঞ্জন বুলি কোৱাত এই দুটা ধ্বনিক লৈ মুঠ 23 টা বিশিষ্ট ব্যঞ্জনধ্বনি পোৱা যায় বুলি কৰা মন্তব্যৰ বিষয়ে জ্ঞাত হ'ল।
- ধ্বনিৰ উচ্চাৰণৰ স্থান আৰু ধৰণৰ বিষয়ে ধাৰণা লাভ কৰাৰ লগতে উচ্চাৰণৰ স্থান আৰু ধৰণ অনুযায়ী অসমীয়া ভাষাৰ ধ্বনিসমূহক কেনেকৈ তালিকাভুক্ত কৰা হয় সেই বিষয়ে অধ্যয়ন কৰিলে।
- অসমীয়া স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিৰ উপধ্বনি যে আছে সেই সম্পর্কে অৱগত হ'ল।



৩.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

1] কাকতি, বাণীকান্ত [1996] Ê, *অসমীয়া ভাষাৰ গঠন আৰু বিকাশ;* (হাজৰিকা, বিশ্বেশ্বৰ অনুঃ); বৰপেটা ঃ বাণীকান্ত কাকতি জন্ম শতবার্ষিকী উদ্‌যাপন সমিতি (প্রথম প্রকাশ 1941)।

2] কোঁৱৰ, অর্পণা [2008] Ê, *ভাষাবিজ্ঞান উপক্রমণিকা;* গুৱাহাটী ঃবনলতা।

3) গোস্বামী, উপেন্দ্রনাথ [2000] Ê, *অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ;* গুৱাহাটী ঃ বৰুৱা এজেঞ্চি।

৪) গোস্বামী, উপেন্দ্রনাথ [1997]Ê, *অসমীয়া ভাষাৰ ব্যাকৰণ;* গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

৫) গোস্বামী, উপেন্দ্রনাথ [1993]Ê, *ভাষা-বিজ্ঞান;* গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

৬] গোস্বামী, গোলোকচন্দ্র [1999]Ê, *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

7) গোস্বামী, গোলোকচন্দ্র (1996); *অসমীয়া বর্ণপ্রকাশ,* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

8) গোস্বামী, গোলোকচন্দ্র (2008); *ধ্বনিবিজ্ঞানৰ ভূমিকা;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

9] দত্ত বৰুৱা, ফণীন্দ্র নাৰায়ণ [2006]Ê, *আধুনিক ভাষাবিজ্ঞানৰ পৰিচয়;* গুৱাহাটী ঃ বনলতা।

10] দত্ত বৰুৱা, ফণীন্দ্র নাৰায়ণ [2006]Ê, *প্রয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা;* গুৱাহাটী ঃ বনলতা।

11) পাঠক, ৰমেশ (1991); *ভাষাবিজ্ঞানৰ ভূমিকা;* গুৱাহাটী ঃ অশোকৰ বুক ষ্টল।

12) পাদুন, নাহেন্দ্র (সম্পাঃ)(1993); *ভাষাৰ তত্ত্বকথা;* গুৱাহাটী ঃ বাণী মন্দিৰ।

13) পাটগিৰি, দীপ্তি ফুকন (1991); *ভাষাতত্ত্ব,* গুৱাহাটী ঃ বনলতা।

14] পাটগিৰি, দীপ্তি ফুকন [2009]Ê, *ভাষা-সাহিত্য-জিজ্ঞাসা;* গুৱাহাটী ঃ পূর্বাঞ্চল প্রকাশ।

15] বৰা, লীলাৱতী শইকীয়া আৰু পাটগিৰি, দীপ্তি ফুকন (সম্পাঃ) (2003); *ভাষা-জিজ্ঞাসা;* গুৱাহাটী ঃ বনলতা।

16) বৰুৱা, বিৰিঞ্চি কুমাৰ (2001); *অসমীয়া ভাষা আৰু সংস্কৃতি;* নলবাৰী ঃ জার্ণল এম্প'ৰিয়াম।

17) ভৰালী, দেবানন্দ (1993); *অসমীয়া ভাষাৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

18) মেধি, কালিৰাম (1999); *অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

19] মৰল, ভগৱান (1998); *আধুনিক ভাষাবিজ্ঞান;* গুৱাহাটী ঃ পঞ্চজ্যোতি প্রকাশ।

ইংৰাজী গ্রন্থ ঃ

২০) Anozie, C. C. (2007). *General Linguistics : An Introduction*. Enugu: Tashiwa Network Ltd.

২১) Bally, C. & Sechehaye, A. (ed.)(1959). *Course in General Linguistics.* New York: Philosophical Library.

২২) Bloomfield, L. (1994). *Language*. Delhi: Motilal Banarasidass.

২৩) Crystal, D. (1997). *The Encyclopedia of Language*. Cambridge: CUP.

২৪) Goswami, G. (1982). *Structure of Assamese.* Guwahati: Gauhati University.

২৫) Kakati, B. (2007). *Assamese : Its Formation and Development.* Guwahati: Lawyers Book Stall.

26) Taraporewalla. I. J. S. (1962). *Elements of the Science of Language.* Calcutta: Calcutta University.



৩.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ৪ টা।

২ নং প্রশ্নৰ উত্তৰ ঃ নহয়।

৩ নং প্রশ্নৰ উত্তৰ ঃ অন্তঃস্থ ধ্বনি ৰ আৰু য়-অক ধৰি ২3টা।

৪ নং প্রশ্নৰ উত্তৰ ঃ নাই। দন্তমূলীয় ধ্বনিহে আছে।

৫ নং প্রশ্নৰ উত্তৰ ঃ ম, ন, ঙ।



৩.৮ আৰ্হি প্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক—

ক) বিশিষ্ট ধ্বনি কাক বোলে?

খ) û আû ধ্বনিৰ উচ্চাৰণত জিভাখন কেনেকুৱা হৈ থাকে?

প্রশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক—

ক) অসমীয়া ভাষাৰ কণ্ঠনালীয় বিশিষ্ট ব্যঞ্জনধ্বনিটো হ'ল — 'হ'।

খ) উপধ্বনিবোৰৰ আলোচনাৰ মূল দিশ চাৰিটা।

চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ চমুটোকা লিখক — দ্বিস্বৰধ্বনি, অল্পপ্রাণ আৰু মহাপ্রাণ ধ্বনি, স্পর্শ ধ্বনি, নাসিক্য ধ্বনি, পার্শ্বিক ধ্বনি, কম্পিত ধ্বনি, উষ্ম ধ্বনি, ওষ্ঠ্য ধ্বনি, কণ্ঠ্য ধ্বনি, কণ্ঠ্যনালীয় ধ্বনি, দন্তমূলীয় ধ্বনি, শ্রুতি ধ্বনি।

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ অসমীয়া স্বৰধ্বনিৰ তালিকা এখন কৰি সিবোৰৰ সৈতে থকা আখৰৰ পার্থক্যবোৰ ফঁহিয়াই দেখুৱাওক।

প্রশ্ন ২ঃ অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি কেইটা আৰু কি কি? জিভাৰ অংশ, উচ্চতা আৰু ওঁঠৰ আকৃতি অনুযায়ী অসমীয়া বিশিষ্ট স্বৰধ্বনিবোৰৰ এখন তালিকা যুগুত কৰক। এই বিশিষ্ট স্বৰধ্বনি কেইটা লিখিবলৈ অসমীয়াত কি কি আখৰ ব্যৱহাৰ কৰা হয়, তাক একাদিক্রমে লিখি দেখুৱাওক।

প্ৰশ্ন ৩ঃ ব্যঞ্জনধ্বনি কাক বোলে? অসমীয়া বিশিষ্ট ব্যঞ্জনধ্বনি কেইটা আৰু কি কি? উচ্চাৰণৰ স্থান আৰু ধৰণ অনুসাৰে সিবোৰৰ এখন তালিকা প্ৰস্তুত কৰক। এই বিশিষ্ট ব্যঞ্জন ধ্বনি কেইটা লিখিবলৈ অসমীয়াত কি কি আখৰ ব্যৱহাৰ কৰা হয়, একাদিক্ৰমে লিখক।

*** ***** ***

অধ্যায় ৪ ঃ ৰূপতত্ত্ব — সাধাৰণ পৰিচয়

অধ্যায় গাঁথনি

4.1 উদ্দেশ্য

4.2 পৰিচয়

4.3 ৰূপতত্ত্বৰ সাধাৰণ পৰিচয়

4.4 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

4.5 অধিক জানিবলৈ

4.6 অগ্রগতিৰ খতিয়ান

4.7 আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ৰূপতত্ত্ব বুলি ক'লে কি বুজা যায় সেই বিষয়ে অৱগত হ'ব
- ভাষাৰ ৰূপতাত্ত্বিক দিশ — আকৃতি, প্রাকৃতি আৰু উপাকৃতিৰ বিশদ পৰিচয় লাভ কৰিব
- শব্দ(word)ৰ শ্রেণীবিভাজন সম্পর্কে জানিব পাৰিব
- অক্ষৰ(syllable)ৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- ৰূপতত্ত্বৰ অন্তর্গত বিষয়বোৰ শ্রেণী বিভাজন কৰি দেখুৱাব পাৰিব।

৪.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি অসমীয়া ভাষাৰ ধ্বনিতত্ত্বৰ কিছু দিশ বিশদভাৱে অধ্যয়ন কৰিলে। এই অধ্যায়টোত আমি ভাষাৰ ধ্বনিতত্ত্ব (Phonology) আৰু বাক্যতত্ত্ব (Syntax)ৰ মাজৰ সংযোগ সেতু স্বৰূপ ৰূপতত্ত্ব (Morphology)ৰ সাধাৰণ পৰিচয় দাঙি ধৰাৰ উপৰি অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক বিচাৰ-বিশ্লেষণৰ অত্যাৱশ্যকীয় উপাদানবোৰৰ বিষয়ে এটি চমু আলোচনা উপস্থাপন কৰিম।

ইংৰাজী Morphology শব্দৰ প্রতিশব্দৰূপে 'ৰূপতত্ত্ব'- 'প্রাকৃতিবিজ্ঞান', 'ৰূপগ্রামবিজ্ঞান' আদি শব্দ ব্যৱহাৰ হৈ আহিছে। ব্যৱহাৰৰ আধিক্যলৈ লক্ষ্য কৰি ইয়াত আমি 'ৰূপতত্ত্ব' শব্দটোকে প্রাধান্য দিম। 'ৰূপতত্ত্ব' হ'ল শব্দ তথা পদ-গঠনৰ মৌলিক উপাদানবোৰৰ প্রণালীবদ্ধ বিৱৰণ। আমাৰ পঢ়াশলীয়া ব্যাকৰণবোৰত শব্দ-গঠন প্রক্রিয়া সম্বন্ধে যি আলোচনা পোৱা যায়, আধুনিক ভাষাবিজ্ঞানত তেনে বিষয়ৰ বিচাৰ-বিশ্লেষণকে 'ৰূপতত্ত্ব' আখ্যা দিয়া হৈছে।

অসমীয়া ভাষাৰ শব্দ তথা পদ-গঠনৰ সমস্ত প্ৰক্ৰিয়াটোক 'অসমীয়া ভাষাৰ ৰূপতত্ত্ব' বুলিব পাৰি। অসমীয়া ভাষাত ব্যৱহাৰ হৈ থকা বিভিন্ন শব্দ; যেনে — বিশেষ্য, বিশেষণ, সৰ্বনাম, ক্ৰিয়া, ক্ৰিয়া-বিশেষণ, অব্যয় আদিৰ শ্ৰেণীবিভাজন; কাৰক, বচন, লিঙ্গ, পুৰুষ, কাল, দশা, প্ৰত্যয়, বিভক্তি আদিৰ পুংখানুপংখ বিচাৰ-বিশ্লেষণ 'অসমীয়া ভাষাৰ ৰূপতত্ত্ব'ৰ অন্তৰ্গত। উল্লিখিত এই বিষয়বোৰৰ প্ৰায় প্ৰতিটোৱেই সুকীয়া অধ্যায়ত বহলাই আলোচনা কৰা হ'ব বাবে এই অধ্যায়ত কেৱল 'ৰূপতত্ত্ব'ৰ কেইটামান দিশৰ সাধাৰণ আভাস এটিহে দাঙি ধৰা হ'ব।

৪.৩ ৰূপতত্ত্বৰ সাধাৰণ পৰিচয়

'ৰূপতত্ত্ব' হ'ল ভাষাৰ শব্দ-গঠন-প্ৰক্ৰিয়াৰ শৃঙ্খলাবদ্ধ বিৱৰণ। ই ভাষাবিজ্ঞানৰ অন্তৰ্গত এটি বিশেষ বিষয়। ভাষাৰ ধ্বনিতত্ত্ব আৰু বাক্যতত্ত্বৰ মাজত ই সংযোগ সেতুৰ দৰে কাম কৰে। অসমীয়া ভাষাত 'ৰূপতত্ত্ব' শব্দগুচ্ছ ইংৰাজী Morphology-ৰ প্ৰতিশব্দৰূপে ব্যৱহাৰ হৈ আহিছে। মূলতঃ জীৱবিদ্যাৰ পৰা আহৰিত ইংৰাজী ভাষাৰ এই পাৰিভাষিক শব্দটোৱে ঊনবিংশ শতাব্দীৰ মধ্যভাগৰ পৰা ভাষাৰ শব্দ-গঠন-প্ৰক্ৰিয়াৰ অন্তৰ্গত মৌলিক উপাদানসমূহৰ বিচাৰ-বিশ্লেষণকো বুজাবলৈ লয়। প্ৰাণী বিজ্ঞানত জীৱকোষৰ গঠন বুজাবলৈ Morphology শব্দৰ ব্যৱহাৰ ঊনবিংশ শতিকাৰ প্ৰথম ভাগৰ পৰাই হৈ আহিছে। 1830 চনৰ *Oxford English Dictionary*-য়ে প্ৰথমে ইয়াক এই অৰ্থতে সামৰিছে। ইয়াৰ কিছু বছৰৰ পাচতহে ভাষা বিজ্ঞানত 'শব্দৰ ৰূপৰ অধ্যয়ন' বুজাবৰ কাৰণে Morphology শব্দৰ ব্যৱহাৰ কৰিবলৈ লোৱা হয়। ইংৰাজী Morphology শব্দটো আকৌ গ্ৰীক ভাষাৰ পৰা অহা আৰু ই জাৰ্মান Formaniehre (the study of forms) শব্দৰ সমান্তৰাল।

'ৰূপ' আৰু 'তত্ত্ব' এই দুটা শব্দৰ সংযোগত 'ৰূপতত্ত্ব' শব্দটো গঠিত হৈছে। ভাষাবিজ্ঞানৰ পৰিসীমাত 'ৰূপ' মানে 'আকাৰ' বা 'আকৃতি' (Form, Morph)। সাধাৰণভাৱে ক'বলৈ গ'লে 'আকৃতি' হ'ল ভাষা একোটাত ব্যৱহৃত আৰু আমাৰ সকলোৱে জ্ঞাত শব্দসমূহ। গতিকে 'ৰূপতত্ত্ব'-ই ভাষা বিশেষৰ শব্দসমূহৰ গঠন-প্ৰণালীক বুজায়। ভাষাবিজ্ঞানৰ আলোচনাত Morph এটা নতুন শব্দ। ধ্বনিতত্ত্বৰ আলোচনাত 'ধ্বনি' যেনেদৰে মূল উপাদান, ৰূপতত্ত্বৰ আলোচনাত তেনেদৰে 'ৰূপ' মূল উপাদান। এই ৰূপৰ গঠন, এটা ৰূপৰ সৈতে আন ৰূপৰ সংযোগ, ৰূপৰ সংযোগৰ ফলত সৃষ্টি হোৱা নতুন শব্দ বা পদৰ আলোচনাই ৰূপতত্ত্বৰ মূল বিষয়। ভাষাবিদ E. A. Nida-ই তেওঁৰ *Morphology* (1957) গ্ৰন্থত ৰূপতত্ত্ব সংজ্ঞা দিছে এনেদৰে— 'Morphology is the study of Morpheme and their arrangement in forming words' ব্লুমফিল্ডৰ মতে, অংগবোৰৰ লগত ব্যৱহাৰ হোৱা বদ্ধৰূপবোৰৰ বিশ্লেষণেই ৰূপতত্ত্ব। ৰূপতত্ত্বত শব্দ গঠনৰ প্ৰত্যয়বোৰৰ লগতে পদৰ লগত সম্পৰ্কিত কিছু কথাও আলোচনা কৰা হয়। বহুতে ৰূপতত্ত্ব আৰু বাক্যতত্ত্বৰ মাজত স্পষ্ট সীমাৰেখা টানিব খোজে। কিন্তু ৰূপতত্ত্বৰ আলোচনাত বাক্যতত্ত্বৰ প্ৰসংগও আহি পৰে। ৰূপতাত্ত্বিক বিশ্লেষণ বিভিন্ন ভাষাবিজ্ঞানীয়ে বিভিন্ন ধৰণে কৰা দেখা যায়। ৰূপসমূহৰ বিস্তৃতি বা প্ৰসাৰ সম্পৰ্কে শব্দত ৰূপসমূহৰ ভিন্নতা, শব্দত ৰূপ সংস্থাপনৰ ভূমিকা,

শব্দ আৰু ৰূপসমূহৰ সম্পৰ্কৰ পৰ্যবেক্ষণ আদি কথাবোৰ ৰূপতাত্ত্বিক বিশ্লেষণে সামৰি লয়।

ৰূপতত্ত্বৰ পৰিসৰ অতি ব্যাপক। ইয়াত আকৃতি, প্ৰাকৃতি আৰু উপাকৃতি সম্পৰ্কে আলোচনা কৰা হয়। তদুপৰি সীমিত সংখ্যক বাগ্‌ধ্বনিৰ পৰা ধ্বনিৰ সংযোগ কৰাই ৰূপৰ গঠন কৰা হয়। এই ৰূপ গঠন প্ৰক্ৰিয়া ভাষা ভেদে বেলেগ বেলেগ আৰু ই জটিল। ভাষা ভেদে বদ্ধৰূপবোৰ মূল ৰূপৰ আগত, পিছত বা মাজত যোগ হয়। কিছুমান ভাষাত আকৌ বদ্ধৰূপবোৰ মূল ৰূপৰ পৰা বিশ্লেষণ কৰি উলিওৱা বৰ জটিল, আনহাতে কিছুমান ভাষাত বদ্ধৰূপবোৰ স্পষ্টভাৱে দেখা পোৱা যায়। এই বদ্ধৰূপবোৰে শব্দ সাধন আৰু পদ সাধনত কেনে কাৰ্য সাধন কৰে সেই কথা ৰূপতত্ত্বত আলোচনা কৰা হয়। আকৌ লিংগ, বচন, পুৰুষ কেনেদৰে নিৰ্ণয় কৰা হয়, এইবোৰে শব্দৰ গঠনত কেনে পৰিৱৰ্তন সাধন কৰে সেই বিষয়েও ৰূপতত্ত্বত আলোচনা কৰা হয়।

পৰম্পৰাগতভাৱে চলি অহা ব্যাকৰণগত আলোচনাত 'শব্দ'-ক 'অৰ্থযুক্ত বৰ্ণ বা বৰ্ণসমষ্টি' বোলা হৈছে আৰু ই ইংৰাজী Word শব্দৰ প্ৰতিনিধিত্ব কৰি আহিছে। এই শব্দবোৰ যেতিয়া বিভক্তিযুক্ত হৈ বাক্যত ব্যৱহাৰ হয় তেতিয়া সিবোৰে 'পদ' নাম পায়। ভাষা এটাত ব্যৱহাৰ হোৱা পদবিলাক ন্যূনতম অৰ্থবিশিষ্ট খণ্ডলৈ ভাঙি উলিয়ালে আমি যিবোৰ উপাদান পাম সেইবিলাককে ভাষাবিজ্ঞানত 'ৰূপ' বা 'আকৃতি' বোলা হয়। আপোনাৰ অধ্যয়নৰ সুবিধাৰ বাবে এই আলোচনাৰ পৰৱৰ্তী অংশত আমি 'ৰূপ' আৰু 'আকৃতি' দুয়োটা শব্দ তেনে অৰ্থত ব্যৱহাৰ কৰিম।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ৰূপতত্ত্ব (Morphology) শব্দটো মূলতঃ কোন বিদ্যাৰ পৰা আহৰিত?

.....


- **ৰূপ বা আকৃতি (Morph) ঃ** ভাষা এটাৰ এক বা একাধিক বৰ্ণৰে গঠিত ক্ষুদ্ৰতম অৰ্থবহ গোটক ৰূপ বা আকৃতি (Morph) বোলা হয়। ৰূপ হ'ল ভাষা এটাৰ ৰূপতত্ত্বৰ মূল আধাৰ। উদাহৰণস্বৰূপে ইংৰাজী ভাষাত 'i' এটা ধ্বনিৰে গঠিত ৰূপ। আকৌ 'the' তিনিটা ধ্বনিৰে গঠিত ৰূপ। দুয়োটাৰে নিজা অৰ্থ আছে। সাধাৰণতে এটাতকৈ অধিক বৰ্ণৰে ৰূপ গঠিত হয়। ৰূপবোৰক দুটা ভাগত ভগাব পাৰি মুক্তৰূপ আৰু বদ্ধৰূপ। যিবোৰ ৰূপ উচ্চাৰণ বা উল্লেখ কৰাৰ লগে লগে সিহঁতৰ নিজস্ব অৰ্থ প্ৰকাশ পায়, সেইবোৰক মুক্তৰূপ (Free Morph) বোলে। যেনে— অসমীয়া ভাষাৰ চৰাই, হাতী, মানুহ, পথ, গাড়ী, জাহাজ, সোণ, ৰূপ, চন্দ্ৰ, তৰা ইত্যাদিবোৰ মুক্তৰূপ। ইহঁতৰ উচ্চাৰণৰ লগে লগে অৰ্থ প্ৰকাশ পায়।

  আন এটা কথা যে মুক্তৰূপবোৰ বাক্যত অকলে প্ৰয়োগ হ'ব পাৰে। আকৌ যিবোৰ ৰূপ অকলে উল্লেখ বা উচ্চাৰণ কৰিলে সিহঁতৰ নিজস্ব অৰ্থ প্ৰকাশ নাপায়, কোনো মুক্তৰূপৰ আগত, পিছত বা মাজত অথবা যি কোনো এটা মুক্ত ৰূপৰ লগত সংযুক্ত হ'লেহে সিহঁতৰ অৰ্থ প্ৰকাশ পায়, তেনেবোৰ ৰূপকে বদ্ধৰূপ (Bound Morph) বোলে। উদাহৰণস্বৰূপে

ইংৰাজী ভাষাৰ Unable, Weekly শব্দক অর্থৰ প্রতি খণ্ডিত কৰিলে পাওঁ Un-able, Week-ly। ইয়াত Un- আৰু -ly হ'ল বদ্ধৰূপ। ইহঁত মূল ৰূপ বা মুক্তৰূপ -able আৰু week-ৰ লগত লগ লাগিহে অর্থ প্রকাশ কৰিছে।

মুক্তৰূপবোৰক আকৌ দুটা ভাগত ভগোৱা হৈছে — শব্দগত (Lexical) আৰু কার্যগত (Functional)। সাধাৰণতে ভাষাৰ বিশেষ্য, বিশেষণ, ক্রিয়া আদিক শব্দগত শ্রেণীৰ আৰু সংযোজক, অব্যয় আদিক কার্যগত শ্রেণীৰ মুক্তৰূপ বুলি ধৰা হয়। একেদৰে বদ্ধৰূপবোৰো দুভাগত বিভক্ত — সাধনাত্মক (Derivational) আৰু ৰূপাত্মক (Inflectional)। সাধনাত্মক বদ্ধৰূপবোৰৰ সহায়ত শব্দমূল বা ধাতুমূলৰ পৰা ভিন্ ভিন্ অর্থসূচক নতুন নতুন শব্দ গঠন কৰিব পাৰি; যেনে— খেত্ + ই = খেতি, খেত্ + ই + অক্ = খেতিয়ক; বাজ্ + অনা = বাজনা ইত্যাদি। ইয়াৰ বিপৰীতে ৰূপাত্মক বদ্ধৰূপবোৰে শব্দৰ ব্যাকৰণগত কার্য নিষ্পন্ন কৰে, বা আন কথাত সাধাৰণভাৱে ব্যৱহাৰ হৈ থকা শব্দসমূহক পদলৈ ৰূপান্তৰিত কৰি বাক্যত সিবোৰৰ স্থান নির্দেশ কৰে। সাধনাত্মক বদ্ধৰূপ বোৰ প্রত্যয় (Derivatives) আৰু ৰূপাত্মক বদ্ধৰূপবোৰ বিভক্তি (Inflectives) ৰূপে জনাজাত। ৰূপ ৰ উল্লিখিত ভাগবোৰ ৰেখাচিত্রৰ সহায়ত এনেদৰে দেখুৱাব পাৰি —

চিত্র ৪.১ ঃ ৰূপ বা আকৃতিৰ ভাগ



পৰম্পৰাগত ব্যাকৰণত মুক্তৰূপক প্রাতিপদিক আৰু ধাতু আৰু বদ্ধৰূপক বিভক্তি আৰু প্রত্যয়ৰূপে আলোচনা কৰা হয়।

ইংৰাজী Morph-ৰ প্রতিশব্দ হ'ল আকৃতি বা ৰূপ। আকৌ Morpheme-ৰ প্রতিশব্দ হ'ল প্রাকৃতি আৰু ৰূপগ্রাম। অসমীয়া 'ৰূপ' বুজাবলৈ Morph আৰু Morpheme ব্যৱহাৰ কৰা হৈছে যদিও দুয়োৰে মাজত পার্থক্য আছে। তেনেদৰে অসমীয়া ৰূপ আৰু প্রাকৃতি শব্দৰ মাজতো পার্থক্য আছে। প্রসিদ্ধ ভাষাবিজ্ঞানীসকলৰ এই ক্ষেত্রত কৰা আলোচনাতো Morpheme শব্দৰে প্রাকৃতি বা ৰূপ দুয়োকে একে অর্থতে প্রয়োগ কৰা দেখা যায়। উদাহৰণস্বৰূপে ৰূপ (প্রাকৃতিৰ) সংজ্ঞা বিভিন্ন ভাষাবিদে দিছে এনেদৰে—

- গ্লীচনৰ মতে, "Morphemes can be usually described as the smallest meaningful units in the structure of the language."
- নিডাৰ মতে, "Morphemes are the minimal meaningful units, which may constitute words or parts of words."

- হকেটৰ মতে, "Morphemes are the smallest individually meaningful elements in the utterances of a language."

উল্লিখিত সংজ্ঞাবোৰে প্ৰাকৃতিৰ প্ৰায় একেই বৈশিষ্ট্য উল্লেখ কৰিছে। অৰ্থাৎ প্ৰাকৃতি হ'ল ভাষা এটাৰ ক্ষুদ্ৰতম অৰ্থবহ একক গোট। প্ৰাকৃতি বা ৰূপ হ'বলৈ হ'লে কেতবোৰ বৈশিষ্ট্য থাকিব লাগিব। সেয়া হ'ল—

- ৰূপৰ এটা অৰ্থ থাকিব লাগিব।
- ৰূপবোৰ এটা বা ততোধিক ধ্বনিৰে গঠিত হ'ব লাগিব।
- ৰূপৰ মৰ্যাদা পোৱা গোটটোৰ লগত অন্য গোটৰ ধ্বনিগত বা অৰ্থগত সাদৃশ্য থাকিব নালাগিব।
- ৰূপবোৰ বাক্যত ব্যৱহাৰ হোৱাৰ ক্ষমতা থাকিব লাগিব।
- ৰূপবোৰ ক্ষুদ্ৰতম গোট হ'ব লাগিব।

উদাহৰণস্বৰূপে — 'আমি খেলোঁ'। এই বাক্যটোত 'আমি' আৰু 'খেলোঁ' দুটা শব্দ পালোঁ। 'আমি' মুক্ত ৰূপ, কিয়নো ই নিজে অৰ্থ প্ৰকাশ কৰিব পাৰিছে। 'খেলোঁ' শব্দক অৰ্থৰ দৃষ্টিৰে ভাগ কৰিলে পাওঁ— খেল্ আৰু ওঁ। খেল্ হ'ল ধাতু আৰু ইয়াৰ নিজা অৰ্থ আছে। -ওঁ-টোৱে বৰ্তমান কালৰ প্ৰথম পুৰুষৰ ব্যক্তিবাচক সৰ্বনাম 'আমি'-ৰ লগত সম্পৰ্ক স্থাপন কৰিছে। -ওঁ-ৰ অৰ্থ আছে। কিন্তু ই অকলে নবহে, ধাতু শব্দৰ লগতহে তাৰ প্ৰয়োগ হয়। আমি, খেল্, ওঁ তিনিওটাই ক্ষুদ্ৰতম গোট আৰু ইহঁতে বাক্য গঠনত প্ৰয়োগ হৈছে। সেয়ে এই তিনিটা একক গোট অৰ্থাৎ ৰূপ।

- **প্ৰাকৃতি (Morpheme) ঃ** প্ৰাকৃতি বা ৰূপ একেই বুলি আগৰ আলোচনাত উল্লেখ কৰি অহা হৈছে। কিন্তু ৰূপ আৰু প্ৰাকৃতিৰ মাজত পাৰ্থক্য বিদ্যমান। আকৃতি বা ৰূপৰ পৰাই প্ৰাকৃতি আৰু উপাকৃতি (allomorph) নিৰ্ণয় কৰা হয়। ভাষা এটাৰ বাক্যত ব্যৱহৃত পদবোৰৰ পৰা বিশ্লেষণৰ বাবে খণ্ডিতকৰণ প্ৰক্ৰিয়াৰে আকৃতি উলিওৱা হয়। তাৰ পিছত একে অৰ্থবাচক ৰূপবোৰ শ্ৰেণীবদ্ধ কৰা হয়। এনেদৰে শ্ৰেণীবদ্ধ ৰূপবোৰৰ মাজত বিৰোধ আছেনে নাই অৰ্থাৎ একে পৰিবেশত ব্যৱহৃত হৈ অৰ্থৰ শ্ৰেণী পৰিৱৰ্তন কৰিব পাৰিছেনে নাই বিশ্লেষণ কৰা হয়। বিৰোধ নথকা বদ্ধৰূপবোৰৰ সামূহিক গোট এটা কৰি তাৰ নাম দিয়া হয় প্ৰাকৃতি। গতিকে প্ৰাকৃতি এটা গোটৰহে নাম। প্ৰাকৃতি হ'ল অৰ্থগতভাৱে একে আৰু প্ৰয়োগৰ বিৰোধ নথকা আকৃতিৰ এটা শ্ৰেণীৰ নাম। (Morpheme is a class of morphs that are semantically similar. –E. A. Nida). উদাহৰণস্বৰূপে ইংৰাজী ভাষাৰ — books, glasses আৰু pens-ক অৰ্থৰ দৃষ্টিৰে খণ্ডিত কৰিলে book –s, glass –es আৰু pen –s পোৱা যায়। ইয়াত –s, –es আৰু –s-ৰ উচ্চাৰণ পৰিৱেশভেদে বেলেগ বেলেগ। ইয়াৰ প্ৰথমটো –s, দ্বিতীয়টো –iz আৰু তৃতীয়টো –z উচ্চাৰণ হয়। একে পৰিৱেশত এটাৰহে উচ্চাৰণ হয়, বাকী দুটাৰ হ'ব নোৱাৰে। গতিকে ইহঁতৰ মাজত বিৰোধ নাই। এই তিনিওটা ইংৰাজী ভাষাৰ বহু বচনৰ বদ্ধৰূপ। ইহঁত একে অৰ্থবোধক আৰু ইহঁতৰ মাজত কোনো ধ্বনিগত সাদৃশ্য নাই। ইহঁত তিনিওটাৰে একেটা পৰিৱেশত এটাৰহে প্ৰয়োগ হ'ব,

আন দুটাৰ প্ৰয়োগ হ'ব নোৱাৰে। এনে প্ৰয়োগক পৰিপূৰক প্ৰয়োগ বোলে।

এই আকৃতি তিনিটাৰ মাজত পৰিপূৰক প্ৰয়োগ ঘটে। ইহঁতক এটা গোট কৰি 'প্ৰাকৃতি' আখ্যা দিয়া হয়। প্ৰাকৃতিৰ অন্তৰ্ভুক্ত হোৱাৰ পিছত –s, –es আৰু –s প্ৰত্যেককে উপাকৃতি বোলা হ'ব। প্ৰাকৃতি বুজাবলৈ '/ /' চিন ব্যৱহাৰ কৰা হয়। উল্লিখিত প্ৰাকৃতিটোক আমি /s/ প্ৰাকৃতি বা /ইংৰাজী বহুবচনৰ প্ৰত্যয়/ নামেৰেও বুজাব পাৰো।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ প্ৰাকৃতি বা ৰূপৰ বিভাগ দুটা কি কি?

.....

- **শব্দ (Word) ঃ** শব্দ বুলি ক'লে সাধাৰণতে কোনো ধ্বনিৰ (sound) কথাই মনলৈ আহে; যেনে— বতাহৰ শব্দ, ভৰিৰ খোজৰ শব্দ, চলন্ত গাড়ীৰ শব্দ ইত্যাদি। কেতিয়াবা আকৌ শব্দই শব্দমূলক বুজায়। যেনে— খা, যা, পঢ়, লিখ্, পানী, বতাহ, মানুহ, চৰাই ইত্যাদি। ইংৰাজী 'word' শব্দৰ অসমীয়া প্ৰতিশব্দ হ'ল 'শব্দ'। ইংৰাজীত stem আৰু base এই দুটা ৰূপো কেতিয়াবা word বুজাবলৈ ব্যৱহৃত হয়। গতিকে word কেতিয়াবা root আৰু কেতিয়াবা stem বা base হ'বও পাৰে। কিন্তু সেই বুলি root আৰু word একে নহয়। উদাহৰণস্বৰূপে ইংৰাজী ভাষাৰ wall-clock এটা শব্দ। কিন্তু ইয়াৰ root দুটা wall আৰু clock।

স্বাধীনভাৱে অৰ্থ প্ৰকাশ কৰা মূল ৰূপ বা প্ৰকৃতিবোৰক বহল অৰ্থত শব্দ বোলা হয়। সেই হিচাপত নাম প্ৰকৃতি, ধাতু-প্ৰকৃতি আৰু অব্যয় প্ৰকৃতিবোৰৰ প্ৰতিটোৱেই একোটা শব্দ। শব্দৰ অৰ্থ বুজিবলৈ হ'লে মানুহৰ ভাব-বিনিময় প্ৰক্ৰিয়াটোলৈ মন কৰিব লাগিব। মানুহে কথা কওঁতে মুখৰ অৱয়বৰ জৰিয়তে কিছুমান ধ্বনি উচ্চাৰণ কৰে। এই সকলোবোৰ ধ্বনি একে সময়তে উচ্চাৰণ নকৰে। কিছুমান ধ্বনি মিলাই একোটা গোট বা সমষ্টি গঠন কৰে। কথা পাতোতে প্ৰতিটো গোট বা সমষ্টিৰ পাছত বিৰাম (pause) দি কথা কয়। বিৰাম আকৌ দীৰ্ঘ বিৰাম আৰু হ্ৰস্ব বিৰাম— দুই শ্ৰেণীত বিভক্ত। উদাহৰণ— বাঘটোঁ হাবিতঁ সোমালঁ। উচ্চাৰণ কৰোতে তিনিটা বিৰাম দিয়া হয়। প্ৰথম দুটাত হ্ৰস্ব বিৰাম আৰু তৃতীয়টো দীৰ্ঘ বিৰাম। হ্ৰস্ব বিৰামৰ মাজত উচ্চাৰিত ধ্বনি সমষ্টিকে শব্দ (word) বোলা হয়।

গঠনৰ ওপৰত ভিত্তি কৰি শব্দক প্ৰধানতঃ দুটা ভাগত ভগাব পাৰি— (ক) মৌলিক শব্দ বা স্বয়ংসিদ্ধ শব্দ (simple word বা root word) আৰু (খ) সাধিত বা যৌগিক (derived বা compound word) শব্দ।

➢ *মৌলিক শব্দ ঃ* যিবোৰ শব্দই স্বাধীনভাৱে অৰ্থপ্ৰকাশ কৰিব পাৰে আৰু যাক অৰ্থপূৰ্ণভাৱে খণ্ডিত কৰিব নোৱাৰি তেনেবোৰেই মৌলিক শব্দ। ইংৰাজীত এনেবোৰ শব্দক 'simple stem' বোলা হয়। এনেবোৰ শব্দৰ গঠন প্ৰক্ৰিয়াও মৌলিক। মৌলিক

শব্দৰ গঠনত আন কোনো মৌলিক শব্দ বা সৰ্গৰ ভূমিকা নাই। এইবোৰ স্বয়ংসিদ্ধ। উদাহৰণস্বৰূপে — অসমীয়া ভাষাৰ সকলোবোৰ নাম শব্দই মৌলিক শব্দ।

➢ *যৌগিক শব্দ ঃ* মৌলিক শব্দত বিভিন্ন সৰ্গ বা প্ৰত্যয় যোগ কৰি অথবা এটা মৌলিক শব্দত এটা মৌলিক বা সাধিত শব্দ সংযোগ কৰি যিবোৰ নতুন শব্দ গঠন কৰা হয়, সেইবোৰেই সাধিত শব্দ। সাধিত শব্দবোৰ অৰ্থপূৰ্ণভাৱে খণ্ড খণ্ড কৰিব পাৰি। উদাহৰণস্বৰূপে — তল ÙÂ সৰা Ô তলসৰা, নৰক ÙÂ অসুৰ Ô নৰকাসুৰ, প্ৰাক্ ÙÂ বৈষ্ণৱ Ô প্ৰাক্‌বৈষ্ণৱ, শংকৰ ÙÂ উত্তৰ Ô শংকৰোত্তৰ ইত্যাদি।

সাধিত শব্দবোৰ মুখ্যতঃ দুটা ভাগত ভগাব পাৰি ঃ প্ৰত্যয় নিষ্পন্ন (inflected words) আৰু সংযুক্ত বা সমস্ত শব্দ (compounded word)। যিবোৰ শব্দ কৃৎ, তদ্ধিৎ আৰু উপসৰ্গ যোগত সাধিত হয়, সেইবোৰেই প্ৰত্যয় নিষ্পন্ন শব্দ। যেনে— খাৱন (খা ÙÂ অন্), শোৱন (শো ÙÂ অন্), ধাননি (ধান ÙÂ অনি) আওমৰণ (আও ÙÂ মৰণ) ইত্যাদি। সংযুক্ত বা সমস্ত শব্দবোৰ ভিন্ন অৰ্থবিশিষ্ট দুটা মৌলিক শব্দৰ সংযোগত, এটা বদ্ধ ৰূপৰ লগত আন এটা প্ৰত্যয় নিষ্পন্ন সাধিত শব্দৰ যোগত অথবা দুটা সাধিত শব্দৰ যোগত সংযুক্ত শব্দবোৰ গঠন কৰা হয়। উদাহৰণ— হাত-লৰ, চকু-চৰহা, পেট-কুলি, কেৰ-মতালি, লেং-পেঙ্গীয়া, এৰা-ধৰা, ঘটং-মটং ইত্যাদি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ গঠনৰ ওপৰত ভিত্তি কৰি শব্দক কেইটা আৰু কি কি ভাগত ভগাব পাৰি?

.....

● **অক্ষৰ (Syllable) ঃ** এটা মাথোন হৃদস্পন্দনত উচ্চাৰিত ধ্বনি বা ধ্বনি সমষ্টিকে অক্ষৰ বোলে। অক্ষৰ শব্দৰ ইংৰাজী প্ৰতিশব্দ হ'ল syllable। অক্ষৰ হ'ল বৰ্ণৰ নিচিনাই উচ্চাৰণাত্মক গোট বা একক। উদাহৰণস্বৰূপে — অসমীয়া ব্যঞ্জন বৰ্ণমালাৰ কথা ক'ব পাৰি। ব্যঞ্জন বৰ্ণমালাৰ — ক, খ, গ, ঘ — প্ৰত্যেকেই একোটা অক্ষৰহে (syllable); কিয়নো ইহঁতৰ প্ৰত্যেকতে অ-স্বৰ যুক্ত হৈ থাকে। অ-স্বৰ যুক্ত হৈ ইহঁতে উচ্চাৰণৰ একক গোট একোটা অক্ষৰৰ সৃষ্টি কৰে। যেনে— ক - ক্‌অ, খ - খ্‌অ, গ - গ্‌অ, ঘ - ঘ্‌অ ইত্যাদি। অৰ্থাৎ ব্যঞ্জন বৰ্ণবোৰৰ আখৰবোৰত দুটাকৈ বৰ্ণ নিহিত হৈ থাকে। এটা ব্যঞ্জনবৰ্ণ আৰু আনটো স্বৰবৰ্ণ। অৰ্থাৎ ক, খ, গ, ঘ প্ৰত্যেকেই একোটা অক্ষৰ। অক্ষৰ হ'বলৈ হ'লে তাত এটা স্বৰধ্বনি থাকিবই লাগিব। এটা স্বৰধ্বনি অকলে এটা অক্ষৰ হ'ব পাৰে অথবা স্বৰযুক্ত একাধিক ব্যঞ্জন ধ্বনিয়েও এটা অক্ষৰ গঠন কৰিব পাৰে। অসমীয়া অনুজ্ঞাৰ ক্ৰিয়াৰূপ 'ধৰ' এটা অক্ষৰ (Ô ধৰ) মাথোন। কিন্তু 'ধৰা' দুটা অক্ষৰৰ সমষ্টি ঃ 'কৰ্' আৰু 'আ'। এটা শব্দত কিমান অক্ষৰ থাকিব পাৰে তেনে কোনো ধৰা-বন্ধা নিয়ম নাই। এটা অক্ষৰো হ'ব পাৰে অথবা পাঁচ-ছটাও হ'ব পাৰে।

অক্ষৰ দুই প্ৰকাৰৰ— বিবৃত (open) আৰু সংবৃত্ত (close)। কোনোৱে ইয়াক মুক্ত (free) আৰু বাধাপ্ৰাপ্ত (checked) বুলিও কয়। এটা অক্ষৰ যদি স্বৰধ্বনিৰে শেষ হয় তেনে তাক বিবৃত অক্ষৰ (open) syllable) বোলে। আকৌ অক্ষৰ এটাৰ শেষত যদি এটা বা একাধিক ব্যঞ্জনধ্বনি থাকে তেন্তে সি সংবৃত অক্ষৰ।

- **প্ৰাকৃতি বা আকৃতিৰ চিনাক্তকৰণ (Identification of Morpheme) ঃ** প্ৰাকৃতি হ'ল অৰ্থগতভাৱে একে, প্ৰয়োগৰ বিৰোধ নথকা আকৃতিৰ এটা শ্ৰেণী — 'Morpheme is a class of morph that are simantically similar'। ভাষা এটাৰ ৰূপতাত্ত্বিক বিশ্লেষণৰ মৌলিক একক হ'ল প্ৰাকৃতি।

আগেয়ে উল্লেখ কৰা হৈছে যে ভাষাবিজ্ঞানী অধিকাংশই morph আৰু morpheme-অৰ ব্যাখ্যা একে ধৰণে প্ৰদান কৰিছে। অৰ্থাৎ morph-অৰ যি বৈশিষ্ট্য সেয়া Morpheme-অৰ ক্ষেত্ৰতো প্ৰয়োগ কৰিছে। কিন্তু morph আৰু morpheme-অৰ মাজত পাৰ্থক্য বিদ্যমান। ইয়াত প্ৰাকৃতি বা আকৃতি চিনাক্তকৰণৰ ক্ষেত্ৰত, ভাষাবিজ্ঞানীসকলে আগবঢ়োৱা morpheme-অৰ সংজ্ঞাৰ ওপৰত ভিত্তি কৰি কেতবোৰ বৈশিষ্ট্য আগবঢ়োৱা হ'ল —

- প্ৰাকৃতি এক বা একাধিক বৰ্ণৰে গঠিত।
- প্ৰাকৃতি ৰূপতত্ত্বৰ প্ৰাথমিক একক।
- প্ৰাকৃতিবোৰৰ নিজা অৰ্থ থাকে।
- প্ৰাকৃতিবোৰৰ ইটোৰ লগত সিটোৰ প্ৰণালীবদ্ধভাৱে লগ হোৱাৰ ক্ষমতা থাকে।
- প্ৰাকৃতিবোৰ হ'ল ক্ষুদ্ৰতম একক।

প্ৰাকৃতি নিৰ্ণয় কৰিবৰ বাবে ভাষা এটাৰ এক বা একাধিক বৰ্ণৰে গঠিত আকৃতিসমূহৰ ধ্বনিগত আৰু অৰ্থগত সাদৃশ্য বিশ্লেষণ কৰা হয়। তাৰ পাছত একে ধ্বনিযুক্ত আৰু একে অৰ্থবাহক ৰূপবোৰক শ্ৰেণীবদ্ধ কৰা হয়। শ্ৰেণীবদ্ধ হোৱা ৰূপ বা আকৃতিসমূহৰ প্ৰয়োগ বিশ্লেষণ কৰা হয়। প্ৰয়োগ বিশ্লেষণত এটা কথা মন দিয়া হয় যে ৰূপবোৰক একে পৰিৱেশত ব্যৱহাৰ কৰিলে অৰ্থৰ শ্ৰেণী পৰিবৰ্তন কৰিব পাৰে নে নোৱাৰে; অৰ্থাৎ সিহঁতৰ মাজত বিৰোধ আছেনে নাই। বিৰোধ নথকা ৰূপবোৰক একোটা গোট কৰি প্ৰাকৃতি বুলি চিনাক্ত কৰা হয়। উদাহৰণস্বৰূপে অসমীয়া ভাষাৰ নঞৰ্থক ক্ৰিয়া গঠন কৰা ন-প্ৰাকৃতিটোৰ কথা ক'ব পাৰি। যেনে—

নহয়	ন - হ - য় (ই)
নাখায়	ন - খা - য় (ই)
নেখেলে	ন - খেল - এ
নুশুনে	ন - শুন্ - এ
নোশোৱে	ন - শো - এ
নিদিয়ে	ন - দি - এ

ইয়াত নেতিবাচক বুজাবৰ কাৰণে (ন-, না-, নে-, নু-, নো-, নি-) এই ছটা ভিন্ ভিন্

বদ্ধৰূপ ব্যৱহৃত হৈছে। অর্থগতভাৱে ইহঁতৰ একেটাই মাথোন কাম আৰু সেইটো হৈছে নেতিবাচক অর্থ কৰা। ইহঁতৰ এটাৰ ঠাইত আনটো বহুৱাব নোৱাৰি। ইহঁত পৰিপূৰক অৱস্থানত থকা বাবে ইহঁতক একোটা গোট কৰি প্ৰাকৃতি হিচাপে ধৰা হয়। এই প্ৰাকৃতিটো নামকৰণ কৰিব পাৰি (অসমীয়া নঞৰ্থক ক্ৰিয়াৰ বদ্ধৰূপ) বা (ন-) প্ৰাকৃতি। এই প্ৰাকৃতিটোৰ অন্তর্ভুক্ত বিভিন্ন ভাগসমূহক সেই প্ৰাকৃতিটোৰ উপাকৃতি বোলা হয়।

- **উপাকৃতি (Allomorph)** ঃ উপাকৃতি হ'ল প্ৰাকৃতি এটাৰ অন্তর্গত এটা আকৃতি বা ৰূপ। প্ৰাকৃতি নির্ণয়ৰ প্ৰসংগত উপাকৃতিৰ বিষয়ে উল্লেখ কৰি অহা হৈছে। ভাষা এটাত ব্যৱহৃত পদবোৰক প্ৰথমতে খণ্ডিতকৰণ প্ৰক্ৰিয়াৰে আকৃতি বাচি উলিওৱা হয়। আকৃতি নির্ণয়ৰ পাছত ধ্বনিগত আৰু অর্থগত সাদৃশ্য বিশ্লেষণ কৰি সিহঁতক একোটা গোটত ভাগ কৰা হয়। এনে একোটা গোটক প্ৰাকৃতি আখ্যা দিয়া হয়। প্ৰাকৃতিৰ অন্তর্ভুক্ত হোৱা আকৃতিসমূহক সেই প্ৰাকৃতিটোৰ উপাকৃতি বোলা হয়। উপাকৃতি বুজাবলৈ ëÂ–ÿ চিন ব্যৱহাৰ কৰা হয়। উদাহৰণ— সোম, মঙ্গল, বুধ, বৃহস্পতি, শুক্ৰ, শনি, দেও। এইকেইটা সপ্তাহৰ বাৰৰ নাম। ইহঁত প্ৰত্যেকেই একোটা মুক্ত প্ৰাকৃতি। অর্থগতভাৱে ইহঁতৰ সাদৃশ্য আছে। ইহঁতৰ মাজত পৰিপূৰক প্ৰয়োগ হয়। ইহঁতক এটা শ্ৰেণীত আৱদ্ধ কৰা হ'ল— (সোম, মঙ্গল, বুধ, বৃহস্পতি, শুক্ৰ, শনি, দেও)। লগে লগে ইহঁতে প্ৰাকৃতি নাম পালে। নতুবা আন নামো দিব পৰা যায়। যেনে— (সপ্তাহৰ বাৰৰ নাম)। এই প্ৰাকৃতিটোৰ অন্তর্ভুক্ত প্ৰতিটো আকৃতিয়েই এই প্ৰাকৃতিটোৰ উপাকৃতি। অর্থাৎ ëÂসোমÿ, ëÂমঙ্গলÿ, ëÂবুধÿ, ëÂবৃহস্পতিÿ, ëÂশুক্ৰÿ, ëÂশনিÿ আৰু ëÂদেওÿ প্ৰত্যেকেই একোটা উপাকৃতি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ প্ৰাকৃতিৰ চিনাক্তকৰণ কিদৰে কৰিব পাৰি — চমুকৈ লিখক। (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

.....

.....

.....

.....

.....

.....



৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাষাৰ 'ৰূপতত্ত্ব' হ'ল শব্দ তথা পদ-গঠনত প্ৰয়োগ হোৱা মৌলিক উপাদানবোৰৰ প্ৰণালীবদ্ধ বিৱৰণ। পাশ্চাত্য দেশৰ এচাম ভাষাতাত্ত্বিকে ৰূপতত্ত্বক ব্যাকৰণ (Grammar) -ৰূপেও অভিহিত কৰিছে।
- ৰূপতত্ত্বৰ আলোচনাত 'ৰূপ' মূল উপাদান। এই ৰূপৰ গঠন, এটা ৰূপৰ সৈতে আন ৰূপৰ সংযোগ, ৰূপৰ সংযোগৰ ফলত সৃষ্টি হোৱা নতুন শব্দ বা পদৰ আলোচনাই ৰূপতত্ত্বৰ মূল বিষয়।
- ৰূপতত্ত্বৰ পৰিসৰ ব্যাপক। ইয়াত আকৃতি, প্ৰাকৃতি আৰু উপাকৃতি সম্পৰ্কে আলোচনা কৰা হয়। তদুপৰি সীমিত সংখ্যক বাগ্‌ধ্বনিৰ পৰা ধ্বনিৰ সংযোগ কৰাই ৰূপৰ গঠন কৰা হয়। এই ৰূপ গঠন প্ৰক্ৰিয়া ভাষা ভেদে বেলেগ বেলেগ আৰু ই জটিল।
- প্ৰাকৃতি বা ৰূপ হ'বলৈ হ'লে কেতবোৰ বৈশিষ্ট্য থাকিব লাগিব। সেই বৈশিষ্ট্যসমূহৰ পৰা ৰূপৰ বিষয়ে স্পষ্ট ধাৰণা আগবঢ়াব পাৰি। অধ্যায়টিত আমি শব্দ, অক্ষৰ, প্ৰকৃতি বা আকৃতিৰ চিনাক্তকৰণ কেনেদৰে কৰা হয় সেই বিষয়েও চমুকৈ আলোচনা কৰিলোঁ। লগতে উপকৃতি সম্পৰ্কে এটি টোকাও উল্লেখ কৰা হ'ল।



৪.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

1] কাকতি,বাণীকান্ত [1996]Ê, *অসমীয়া ভাষাৰ গঠন আৰু বিকাশ;*(হাজৰিকা, বিশ্বেশ্বৰ অনুঃ); ৰৱপেটা ঃ বাণীকান্ত কাকতি জন্ম শতবাৰ্ষিকী উদ্‌যাপন সমিতি (প্ৰথম প্ৰকাশ 1941)।

২) গোস্বামী, উপেন্দ্ৰনাথ [1997]Ê, *অসমীয়া ভাষাৰ ব্যাকৰণ;* গুৱাহাটীঃ মণি-মাণিক প্ৰকাশ।

৩) গোস্বামী, উপেন্দ্ৰনাথ (1995); *অসমীয়া ভাষাৰ ৰূপ-কথা;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

4) গোস্বামী, গোলোকচন্দ্ৰ [1999]Ê, *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

5] গোস্বামী, গোলোকচন্দ্ৰ [2003]Ê, *অসমীয়া ব্যাকৰণৰ প্ৰৱেশ;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

6) গোস্বামী, গোলোকচন্দ্ৰ (1996); *অসমীয়া বৰ্ণপ্ৰকাশ,* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

7] দত্ত বৰুৱা, ফণীন্দ্ৰ নাৰায়ণ [2006]Ê, *আধুনিক ভাষাবিজ্ঞানৰ পৰিচয়;* গুৱাহাটী ঃ বনলতা।

8] দত্ত বৰুৱা, ফণীন্দ্ৰ নাৰায়ণ [2006]Ê, *প্ৰয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা;* গুৱাহাটী ঃ বনলতা।

9) পাদুন, নাহেন্দ্র (সম্পাঃ)(1993); *ভাষাৰ তত্ত্বকথা;* গুৱাহাটী ঃ বাণী মন্দিৰ।
10) পাটগিৰি, দীপ্তি ফুকন (1991); *ভাষাতত্ত্ব,* গুৱাহাটী ঃ বনলতা।
11) ভৱালী, দেবানন্দ (1993); *অসমীয়া ভাষাৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।
12) মেধি, কালিৰাম (1999); *অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।
13) বৰা, লীলাৱতী শইকীয়া [2011]Ê, *অসমীয়া ভাষাৰ ৰূপতত্ত্ব;* গুৱাহাটী ঃ বনলতা।

ইংৰাজী গ্রন্থ ঃ

১৪) Bloomfield, L. (1994). *Language*. Delhi: Motilal Banarasidass.
১৫) Crystal, D. (1997). *The Encyclopedia of Language*. Cambridge: CUP.
১৬) Dutta Baruah, P. N. (1978). *A Comparative Analysis of the Morphological Aspects of Assamese and Oriya (Ph.D. Thesis)*. Guwahati: Gauhati University.
১৭) Gleason (Jr.)(1978). *An Introduction to the Descriptive Linguistics.* Lisbon: Calouste Gulbenkian Foundation.
১৮) Hockett, C. F. (1970). *A Course in Modern Linguistics*. New Delhi: Oxford & IBH Publishing Co. Pvt. Ltd.
১৯) Kakati, B. (2007). *Assamese : Its Formation and Development.* Guwahati: Lawyers Book Stall.
২০) Matthews, P. H. (2002). *Morphology.* Cambridge: CUP.
২১) Yule, G. (1996). *The Study of Language*. Cambridge: CUP.

৪.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ জীৱ বিদ্যাৰ পৰা।

২ নং প্রশ্নৰ উত্তৰ ঃ মুক্তৰূপ আৰু বদ্ধৰূপ।

৩ নং প্রশ্নৰ উত্তৰ ঃ গঠনৰ ওপৰত ভিত্তি কৰি শব্দক প্রধানতঃ দুটা ভাগত ভগাব পাৰি— (ক) মৌলিক শব্দ আৰু (খ) যৌগিক শব্দ।

৪ নং প্রশ্নৰ উত্তৰ ঃ প্রাকৃতি নির্ণয় কৰিবৰ বাবে ভাষা এটাৰ এক বা একাধিক বর্ণৰে গঠিত আকৃতিসমূহৰ ধ্বনিগত আৰু অর্থগত সাদৃশ্য বিশ্লেষণ কৰা হয়। তাৰ পাছত একে ধ্বনিযুক্ত আৰু একে অর্থবাহক ৰূপবোৰক শ্রেণীবদ্ধ কৰা হয়। শ্রেণীবদ্ধ হোৱা ৰূপ বা আকৃতিসমূহৰ প্রয়োগ বিশ্লেষণ কৰা হয়। প্রয়োগ বিশ্লেষণত এটা কথা মন দিয়া হয় যে ৰূপবোৰক একে পৰিৱেশত ব্যৱহাৰ কৰিলে অর্থৰ শ্রেণী পৰিবর্তন কৰিব পাৰে নে

নোৱাৰে; অর্থাৎ সিহঁতৰ মাজত বিৰোধ আছেনে নাই। বিৰোধ নথকা ৰূপবোৰক একোটা গোট কৰি প্ৰাকৃতি বুলি চিনাক্ত কৰা হয়।



৪.৭ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

ক) মুক্তৰূপবোৰক কেইটা আৰু কি কি ভাগত ভগোৱা হৈছে?

খ) বদ্ধৰূপ কাক বোলে?

গ) শব্দ বুলি ক'লে কি বুজে?

প্ৰশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

ক) লিংগ, বচন, পুৰুষ কেনেদৰে নিৰ্ণয় কৰা হয়, এইবোৰে শব্দৰ গঠনত কেনে পৰিৱৰ্তন সাধন কৰে সেই বিষয়েও ৰূপতত্ত্বত আলোচনা কৰা হয়।

খ) ৰূপ আৰু প্ৰাকৃতিৰ মাজত কোনো পাৰ্থক্য নাই।

চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ৰূপ বা আকৃতি সম্পৰ্কে এটি টোকা লিখক।

প্ৰশ্ন ২ ঃ অক্ষৰ মানে কি বুজাই লিখক।

প্ৰশ্ন ৩ ঃ উপাকৃতি সম্পৰ্কে চমুকৈ আলোচনা কৰক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ৰূপতত্ত্ব বুলিলে কি বুজায়? ভাষা একোটাত প্ৰয়োগ হৈ থকা প্ৰাকৃতি বা ৰূপবোৰক কি কি শ্ৰেণীত ভগাব পাৰি বহলাই আলোচনা কৰক।

প্ৰশ্ন ২ ঃ শব্দ মানে কি? শব্দৰ শ্ৰেণীবিভাজন কৰি সেই বিষয়ে বহলাই আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৩ ঃ আকৃতি-প্ৰাকৃতি-উপাকৃতিৰ মাজৰ সম্পৰ্ক কি বুজাই লিখক।

প্ৰশ্ন ৪ ঃ ৰূপতত্ত্বৰ অধ্যয়নৰ পৰিসৰ সম্বন্ধে এটা প্ৰবন্ধ লিখক।

প্ৰশ্ন ৫ ঃ প্ৰাকৃতিৰ বৈশিষ্ট্যসমূহ কি কি? প্ৰাকৃতি কেনেদৰে নিৰ্ণয় কৰা হয় উদাহৰণসহ বুজাই লিখক।

*** ***** ***

অধ্যায় ৫ ঃ ৰূপতত্ত্ব আৰু অসমীয়া ভাষাৰ ৰূপতত্ত্ব — ১

অধ্যায় গাঁথনি

5.1 উদ্দেশ্য
5.2 পৰিচয়
5.3 ৰূপতত্ত্বৰ কেইটামান দিশ
5.4 অসমীয়া ভাষাৰ ৰূপতত্ত্ব
5.5 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
5.6 অধিক জানিবলৈ
5.7 অগ্রগতিৰ খতিয়ান
5.8 আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ৰূপধ্বনিগত পৰিৱর্তন সম্পর্কে অৱগত হ'ব
- সর্গ আৰু বিভক্তিৰ বিষয়ে আলোচনা আগবঢ়াব পাৰিব
- ব্যাকৰণগত বিষয় মানে কি সেই বিষয়ে সার্বিক জ্ঞান আহৰণ কৰিব
- অসমীয়া ৰূপতত্ত্বৰ সামগ্রিক ধাৰণা লাভ কৰিব
- অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ কেইটামান দিশসম্পর্কে বিশ্লেষণ দাঙি ধৰিবলৈ সমর্থ হ'ব।

৫.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি ৰূপতত্ত্ব মানে ভাষাৰ কোনখিনি বিষয়ক বুজা যায় সেই সম্পর্কে অৱগত হ'ল। সেই আলোচনাত আমি ৰূপ বা আকৃতি, প্রাকৃতি, শব্দ, অক্ষৰ, প্রাকৃতি বা আকৃতিৰ চিনাক্তকৰণৰ উপৰি উপাকৃতি সম্পর্কে চমুকৈ আলোচনা দাঙি ধৰিলোঁ। এইটো অধ্যায়টো আমি ৰূপতত্ত্বৰ অন্তর্গত কেইটামান দিশ আলোচনা কৰি অসমীয়া ৰূপতত্ত্বৰো বৈশিষ্ট্যপূর্ণ দিশ দুটা মান বহলাই আলোচনা কৰিম। সেই দিশসমূহৰ পদ্ধতিগত অধ্যয়নে আপোনাক অসমীয়া ৰূপতত্ত্বৰ বিষয়ে যথাযথ জ্ঞান লাভ কৰাত সহায় কৰিব।

৫.৩ ৰূপতত্ত্বৰ কেইটামান দিশ

ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে 'ৰূপতত্ত্ব' হ'ল ভাষাৰ শব্দ-গঠন-প্রক্রিয়াৰ শৃঙ্খলাবদ্ধ বিৱৰণ আৰু ই ভাষাবিজ্ঞানৰ অন্তর্গত এটি বিশেষ বিষয়। এই বিষয়ে আলোচনা কৰিবলগীয়া

হ'লে আমি ইয়াৰ লগত সম্পৰ্কিত বিভিন্ন দিশ সম্পৰ্কে বহলাই আলোচনা কৰিব লাগে। তাৰে কেইটামান দিশ আমি ইয়াৰ পূৰ্বৱৰ্তী অধ্যায়ত অধ্যয়ন কৰিলোঁ। ইয়াত আৰু কেইটামান দিশ সম্পৰ্কে বহলাই আলোচনা কৰিম।

- **ৰূপধ্বনিগত পৰিৱৰ্তন (Morphophonemic Change) ঃ** প্ৰাকৃতি বিশ্লেষণত এটি আলোচ্য বিষয় হ'ল ৰূপধ্বনিগত পৰিৱৰ্তন। প্ৰাকৃতি নিৰ্ণয়ৰ ক্ষেত্ৰত উপাকৃতিবোৰৰ মাজৰ এটাক আধাৰ ৰূপ (base-form) বুলি ধৰি লোৱা হয় আৰু বাকীবোৰৰ ৰূপধ্বনিগত পৰিৱৰ্তন হোৱা বুলি কোৱা হয়। যেনে— ইংৰাজী perfect এটা মুক্তৰূপ বা আকৃতি। ইয়াৰ আগত নঞৰ্থক in লগ লাগিলে হয় imperfect, ইয়াত আধাৰ-ৰূপ (base-form) [in] পৰিৱৰ্তিত হৈ [im] হৈছে।

  ৰূপধ্বনিগত পৰিৱৰ্তনৰ উৎকৃষ্ট উদাহৰণ হ'ল সমীভৱন। আধাৰ-ৰূপটোৰ যেতিয়া কাষৰ ধ্বনিৰ প্ৰভাৱত পৰিৱৰ্তন ঘটি প্ৰায় সমানধ্বনিত পৰিণত হয়, তাকে সমীভৱন বোলে। যেনে— ন ÙÂ শুন > নুশুন। ইয়াত 'শুন' ৰূপত থকা দীৰ্ঘ স্বৰ ধ্বনি 'উ'-ৰ প্ৰভাৱত পূৰ্বৱৰ্তী নঞৰ্থক 'ন'-ত 'উ' লগ লাগিছে। অৰ্থাৎ দুয়োটা প্ৰাকৃতি সম ধ্বনিত পৰিণত হৈছে। অকল সমীভৱনৰ ক্ষেত্ৰতে নহয়, স্বৰ-সংগতি, বিষমীভৱনৰ ফলতো ৰূপধ্বনিগত পৰিৱৰ্তন হয়। স্বৰ-সংগতিৰ (vowel harmony) ফলত হোৱা ৰূপ-ধ্বনিগত পৰিৱৰ্তনৰ উদাহৰণ — খোল ÙÂ ঈয়া Ô খুলীয়া; জোল ÙÂ ঈয়া Ô জুলীয়া ইত্যাদি। এইউদাহৰণ দুটিত বদ্ধৰূপ 'ঈয়া'-ৰ 'ঈ'-ৰ প্ৰভাৱত খ আৰু জ-ত থকা ও > উ হৈছে।

- **মুক্ত আৰু বদ্ধ প্ৰাকৃতি ঃ** ৰূপ বা আকৃতিৰ আলোচনাত মুক্ত আৰু বদ্ধ প্ৰাকৃতিৰ বিষয়ে ইতিমধ্যে কিছু কথা বিশ্লেষণ কৰি অহা হৈছে।
  - ➢ *মুক্ত প্ৰাকৃতি ঃ* যিবোৰ প্ৰাকৃতিয়ে স্বতন্ত্ৰভাৱে অৰ্থ প্ৰকাশ কৰিব পাৰে, সেইবোৰ প্ৰাকৃতিকেই মুক্ত প্ৰাকৃতি বোলা হয়। W. Langacker-এ এনেবোৰ প্ৰাকৃতিক শব্দ বিষয়ক ৰূপ বা প্ৰাকৃতি (Lexical Morpheme) বুলিছে। বিশেষকৈ বিশেষ্য, বিশেষণ, ক্ৰিয়া বিশেষণ, সৰ্বনাম, ক্ৰিয়া বিষয়ক শব্দ আৰু বিবিধ ধাতুসমূহক এই শ্ৰেণীৰ ভিতৰত ধৰা হয়। যেনে— গৰু, ম'হ, হাতী, মানুহ, ভালুক, গাহৰি, কুকুৰ, √পঢ়, √খা, √কৰ ইত্যাদি।
  - ➢ *বদ্ধ প্ৰাকৃতি ঃ* যিবোৰ প্ৰাকৃতিয়ে স্বতন্ত্ৰভাৱে অৰ্থ প্ৰকাশ কৰিব নোৱাৰে, মুক্ত প্ৰাকৃতিৰ লগ লাগিলেহে সেইবোৰৰ অৰ্থ স্পষ্ট হয়, তেনেবোৰ প্ৰাকৃতিকে বদ্ধ প্ৰাকৃতি বোলা হয়। W. Langacker-এ এনে প্ৰাকৃতিক ব্যাকৰণগত ৰূপ বা প্ৰাকৃতি (Grammatical Morpheme) আখ্যা দিছে। বিবিধ শব্দ গঠনাত্মক প্ৰত্যয়, বিভক্তিমূলক প্ৰত্যয় আদিক এই শ্ৰেণীত ধৰা হয়। যেনে— -টো, -জন, -জনা, -ডাল, -গৰাকী, -লৈ, -চোন, -হেঁতেন, -ক, ইত্যাদি।

  মুক্ত ৰূপ আৰু বদ্ধ ৰূপবোৰকে আন দুটা ভাগত ভগাব পাৰি— প্ৰকৃতি বা মূল প্ৰাকৃতি (root morpheme) আৰু সৰ্গ (affix)।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ সমীভৱন মানে কি ?

.....

প্রশ্ন নং ২ ঃ মুক্ত প্রাকৃতি কাক বোলে ?

.....

- **সর্গ আৰু বিভক্তি (Affix and Inflection)** ঃ সাধাৰণতে বদ্ধৰূপসমূহকে সর্গ (affix) বোলে। মুক্তৰূপ বা মূল প্রাকৃতি অর্থাৎ প্রকৃতিক আশ্রয় কৰি যিবোৰ বদ্ধ প্রাকৃতিয়ে ভিন্ ভিন্ অর্থবাচক ৰূপৰ সৃষ্টি কৰে, সেই বদ্ধ প্রাকৃতিবোৰকে সর্গ বোলে। উদাহৰণস্বৰূপে অসমীয়া ভাষাৰ সকলোবোৰ নির্দিষ্টতাবাচক প্রত্যয়ক বদ্ধৰূপ বোলা হয় আৰু এই বদ্ধৰূপবোৰ মূল ৰূপৰ লগত লগ লাগি বিভিন্ন অর্থবাচক ৰূপৰ সৃষ্টি কৰে। গতিকে নির্দিষ্টতাবাচক প্রত্যয়বোৰ হ'ল সর্গ।

  সর্গসমূহৰ প্রয়োগৰ ওপৰত ভিত্তি কৰি অর্থাৎ মুক্ত ৰূপৰ লগত হোৱা অৱস্থানগত প্রয়োগৰ ওপৰত ভিত্তি সর্গসমূহক তিনিটা ভাগত ভাগ কৰা হয় — উপসর্গ (prefix), পৰসর্গ (suffix), মধ্যসর্গ বা অন্তঃসর্গ (infix) । সর্গ বা বদ্ধৰূপবোৰে ভাষাৰ গাঁথনিক দিশত বিশেষ ভূমিকা পালন কৰি আহিছে। ভাষাৰ গঠনৰ দিশত পালন কৰা ভূমিকা বা কার্যৰ গুণ অনুসৰি বদ্ধ ৰূপবোৰক গুণ বা কার্যৰ বিশেষ সূত্রে দুটা ভাগত ভাগ কৰা হয়। যেনে— প্রত্যয় বা শব্দ সাধনৰ সর্গ বা ব্যুৎপত্তিমূল সর্গ (derivative affix), বিভক্তি বা পদ সাধনৰ সর্গ (inflectional affix)

  বদ্ধৰূপ বা সর্গসমূহক প্রয়োগৰ অৱস্থানৰ প্রতি লক্ষ্য কৰি কৰা বিভাজনেই হ'ল পূর্ব সর্গ, মধ্য সর্গ আৰু অন্ত্য সর্গ। এই আটাইকেইটা বদ্ধৰূপৰ প্রকাৰ পৃথিৱীৰ প্রায়বোৰ ভাষাতেই পোৱা যায়। অসমীয়া ভাষাত এই সর্গকেইটাৰ কেবাটাও সমার্থক শব্দ দেখা যায়।

  - *পূর্ব সর্গ বা উপসর্গ বা পূর্ব প্রত্যয় (prefix)* ঃ যিবোৰ সর্গ মূল ৰূপ বা মুক্ত ৰূপ বা প্রকৃতিৰ আগত বহি ৰূপ সাধন কৰে সেইবোৰকে উপসর্গ বোলে। উপসর্গ যোগ হ'লে মুক্ত ৰূপৰ অর্থৰ সলনি হয়। সংস্কৃত ভাষাত কুৰিটা উপসর্গ পোৱা যায়। অসমীয়া ভাষাতো পূর্ব সর্গ বা পূর্ব প্রত্যয়ৰ ব্যৱহাৰ আছে। যেনে— অনা-অসমীয়া, আও-বাট, বদ-নাম, অনা-বৃষ্টি। ইয়াত অনা-, আও-, বদ- হ'ল- পূর্ব সর্গ বা পূর্ব প্রত্যয়।
  - *মধ্য সর্গ বা মধ্য প্রত্যয় বা অন্ত্য সর্গ (infix)* ঃযিবোৰ বদ্ধৰূপে মুক্তৰূপ বা প্রকৃতিটোক দুভাগ কৰি তাৰ মাজত সোমাই পৰে আৰু মুক্তৰূপটোৰ পূর্বৰ অর্থৰ সলনি কৰে সেই বদ্ধৰূপকে অন্ত্য সর্গ বোলে। ভাষাবিদ Gleason-এ মধ্য সর্গৰ সংজ্ঞা দিছে এনেদৰে— "An infix is a morpheme which is inserted into the stem with which it is associated." ভাষাবিদ Bloomfield মধ্য সর্গৰ সংজ্ঞা দিছে এনেদৰে— "Affixes

added within the underlying form are called the infixes.'

উদাহৰণস্বৰূপে—

i)	ভাষা	ঃ	Taglog
	মূল ৰূপ	ঃ	gulay (সেউজীয়া শাক-পাচলি)
			guin-lay (সেউজী নীলা)
	শব্দ-মূল	ঃ	gulay-ক ভাঙি মাজত -in- সোমাইছে।
ii)	ভাষা	ঃ	Latin
	মূল ৰূপ	ঃ	nigu (দেখা, চোৱা)
			ni-ng-gu (দেখুওৱা)

উদাহৰণ দুটিত -in- আৰু -ng- হ'ল মধ্য প্ৰত্যয়। সংস্কৃত, হিব্ৰু, আৰবী আদি ভাষাত মধ্য প্ৰত্যয় পোৱা যায়। অসমীয়া ভাষাত মধ্যসৰ্গ নাই।

- *অন্ত্য প্ৰত্যয় বা অন্ত্য সৰ্গ বা পৰসৰ্গ বা অনুসৰ্গ (suffix)* ঃ যিবোৰ বদ্ধৰূপ মুক্তৰূপ বা মূলৰূপ বা প্ৰকৃতিৰ পিছফালে বহি কোনো নতুন ৰূপ সাধন কৰে সেইবোৰকে পৰসৰ্গ বা পৰপ্ৰত্যয় বোলে। পৃথিৱীৰ প্ৰায়বোৰ ভাষাতে পৰসৰ্গৰ প্ৰয়োগ বেছি। অসমীয়া ভাষাতো পৰসৰ্গৰ প্ৰয়োগ উপসৰ্গতকৈ বেছি। অসমীয়া ভাষাত বহু বচনৰ প্ৰত্যয়, নিৰ্দিষ্টতা, অনিৰ্দিষ্টতা, লিংগবাচক, স্বাৰ্থিক প্ৰত্যয়বোৰ হ'ল পৰপ্ৰত্যয়।

যিবোৰ সৰ্গই সব্যয় পদ গঠন কৰে আৰু পদৰ পৰিৱৰ্তন সাধন কৰে তেনেবোৰ সৰ্গকে বিভক্তি বোলে। উদাহৰণস্বৰূপে— -এ, -ক, -ৰে, -লৈ, -ত আদি সৰ্গ মানুহ শব্দত প্ৰয়োগ কৰিলে পাওঁ— মানুহে, মানুহক, মানুহলৈ, মানুহত ইত্যাদি। এই শব্দ বিভক্তিবোৰ লগ হৈ 'মানুহ'-ৰ ৰূপাত্মক পৰিৱৰ্তন সাধন কৰিছে আৰু বাক্যত ব্যৱহাৰৰ উপযোগী কৰিছে। তেনেদৰে ল'ৰাবোৰ, ল'ৰামখা, ল'ৰাজাক, ল'ৰাহঁত আদিত মূল ৰূপ ল'ৰাৰ লগত -বোৰ, -মখা, -জাক, -হঁত আদি যুক্ত হৈ ব্যাকৰণগত অৰ্থ প্ৰকাশ কৰিছে। গুণ বা কাৰ্য অনুসৰি বিভক্তিমূলক সৰ্গও দুবিধ — বাক্য বিন্যাসত কাৰ্যসাধক আৰু ব্যাকৰণগত বিশেষ অৰ্থ প্ৰকাশক সৰ্গ।

চিত্ৰ ৫.১ ঃ বিভক্তিমূলক সৰ্গৰ ভাগ

বিভক্তিমূলক সৰ্গ (inflectives)

বাক্যবিন্যাসগত কাৰ্যসাধক (Syntactical)	ব্যাকৰণগত অৰ্থ প্ৰকাশক (Semantical)
1] শব্দ বিভক্তি	1] বচনবাচক
2] ধাতুবিভক্তি	2] লিংগবাচক
3] সম্বন্ধবাচক শব্দত যোগ হোৱা পুৰুষবাচক সৰ্গ	3] নিৰ্দিষ্টতাবাচকসৰ্গ
4] অসমাপিকা আৰু কৰ্মবাচ্য গঠন কৰা সৰ্গ	4] অনিৰ্দিষ্টতাবাচকসৰ্গ
	5] জোৰবুজোৱা সৰ্গ,ইত্যাদি

➢ *বাক্যবিন্যাসগত কার্যসাধক বিভক্তি ঃ* যিবোৰ সৰ্গই বাক্যত পদৰ লগত পদৰ সম্পৰ্ক স্থাপন কৰে। যিবোৰ সৰ্গ মূল ৰূপৰ পৰা আঁতৰাই আনিলে বাক্যবিন্যাসত আউল লাগে, সেইবোৰকেই বাক্যবিন্যাসগত কার্যসাধক বিভক্তিমূলক সৰ্গ বোলা হয়। যেনে—

মই কৰোঁ।
তই কৰ।
তুমি কৰা।
সি কৰে।

-ইয়াত কৰ্ ধাতুত ক্রমে -ওঁ, -অ, -আ আৰু -এ পুৰুষবাচক ক্রিয়া বিভক্তি বা ধাতু বিভক্তি লগ লাগি ক্রিয়াপদ কেইটি গঠিত হৈছে। এই বিভক্তিকেইটাই পুৰুষৰ লগত ক্রিয়াপদৰ সংগতি ৰক্ষা কৰিছে আৰু এইবোৰ আঁতৰাই আনিলে বাক্য গঠনত আউল লাগিব।

➢ *ব্যাকৰণগত বিশেষ অর্থপ্রকাশক বিভক্তি ঃ* যিবোৰ সৰ্গ মূল ৰূপৰ পৰা আঁতৰাই আনিলে বাক্যবিন্যাসত আউল নালাগে কিন্তু প্রকাশ কৰিব খোজা অর্থটো প্রকাশ নাপায় অথচ যিটো অর্থ প্রকাশ কৰিবলৈ বাক্যত যিবোৰৰ প্রয়োগ অপৰিহার্য, সেইবোৰেই বিশেষ অর্থপ্রকাশক বিভক্তিমূলক সৰ্গ। যেনে— মানুহবিলাক আহিছে। এই বাক্যৰ পৰা 'বিলাক' ৰূপ আঁতৰালে বাক্যটো হ'ব মানুহ আহিছে। তেতিয়াও বাক্যটো শুদ্ধ হৈ থাকিব। কিন্তু বহুত মানুহ অহা কথাটো প্রকাশ নাপাব। লগতে নির্দিষ্ট অথবা আগেয়ে পৰিচিত মানুহবিলাকহে যে আহিছে সেই কথাও প্রকাশ নাপাব। গতিকে ইয়াত 'বিলাক' অপৰিহার্য। গতিকে 'বিলাক' ব্যাকৰণগত অর্থ প্রকাশক বিভক্তিমূলক সৰ্গ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ পৰসৰ্গ বা পৰপ্রত্যয় কাক বোলে।

.....

● **ব্যাকৰণগত বিষয় (Grammatical categories) ঃ** ব্যাকৰণগত বিষয় এটা বিশেষ অর্থবাচক পাৰিভাষিক কথা। Grammatical elements (categories) আৰু Gramaticalness এই তিনিওটা প্রতিশব্দই ব্যাকৰণগত বিষয়কে বুজায়। ই ব্যাকৰণত আলোচিত সকলো বিষয়ক সামৰি নলয়। ই প্রধানতঃ ৰূপতত্ত্বৰ (morphology) কথা। তথাপি ইয়াক বাক্যতত্ত্বৰ (syntax) পৰিপ্রেক্ষিততহে বিচাৰ কৰা হয়।

বাক্যৰ গাঁথনিত যিবোৰ প্রাকৃতিয়ে বা ৰূপে পদৰ লগত পদৰ সম্পৰ্ক স্থাপন কৰে, যিবোৰ নহ'লে পদেই ৰচিত হ'ব নোৱাৰে; ভাষাৰ তেনেবোৰ প্রাকৃতিকে বিভক্তি বোলে আৰু সেই বিভক্তিবোৰে প্রকাশ কৰা গাঁথনিক অর্থকে ব্যাকৰণগত বিষয় বা ব্যাকৰণগত সংবর্গ বোলে। উদাহৰণস্বৰূপে — ৰাইজে মন্ত্রীজনক কথাটো কৈছে।

ৰাইজে মন্ত্রীজনৰ কথাটো কৈছে।

এই দুটা অসমীয়া ভাষাৰ বাক্য। ইয়াত মন্ত্রী শব্দৰ লগত ক্রমে দ্বিতীয়া '-ক' আৰু ষষ্ঠী '-ৰ' বিভক্তি সংযোগ কৰাত বাক্য দুটাৰ অর্থৰ সলনি ঘটিছে। সেয়ে বিভক্তিবোৰ ব্যাকৰণগত বিষয়সূচক প্রাকৃতি।

ব্যাকৰণগত বিষয় মূলতঃ ৰূপতত্ত্বৰ অন্তর্গত যদিও বাক্য বিন্যাস তত্ত্বৰ (syntax) আধাৰতহে ইয়াৰ পূর্ণাংগ বিচাৰ সম্ভৱ হয়। অর্থাৎ ভাষা এটাৰ ৰূপতত্ত্ব আৰু বাক্যবিন্যাস তত্ত্ব বা বাক্যতত্ত্বৰ সমান্তৰাল আলোচনাৰ জৰিয়তেহে সেই ভাষাৰ ব্যাকৰণগত বিষয়সমূহ নির্ণয় কৰিব পাৰি। গতিকে বুজা যায় যে ব্যাকৰণগত বিষয়ৰ সূত্র ভাষাৰ গঠন বৈশিষ্ট্যৰ ওপৰত নির্ভৰশীল। ভাষা ভেদে গঠন বৈশিষ্ট্য ভিন ভিন হোৱা বাবে ব্যাকৰণগত বিষয়সমূহো ভিন ভিন হয়। এটা ভাষাৰ ব্যাকৰণগত বিষয় হিচাপে চিহ্নিত বিষয় আন এটা ভাষাত ব্যাকৰণগত বিষয় বুলি চিহ্নিত নহ'ব পাৰে। সকলোবোৰ ভাষাতে ব্যাকৰণগত বিষয় হিচাপে আলোচিত হ'ব পৰা বিষয়সমূহ হ'ল— বচন (Number), (Gender), পুৰুষ (Person), কাৰক (Case), ভাব (Mood) আৰু কাল (Tense)। আনহাতে অসমীয়া ভাষাত ব্যাকৰণগত বিষয়কেইটা হ'ল— কাৰক (Case), পুৰুষ (সম্বন্ধবাচক নামপদ আৰু ক্রিয়াপদৰ পুৰুষ), অসমাপিকা ক্রিয়া, কর্মবাচ্য (সীমিত প্রয়োগ)। দুটা এটা সীমিত উদাহৰণেৰে লিঙ্গ-পদ্ধতিকো আংশিকভাৱে ব্যাকৰণগত বিষয়ৰ শ্রেণীৰ ভিতৰত সামৰিব পাৰি যদিও সামগ্রিক বিচাৰত অসমীয়া লিঙ্গ ব্যাকৰণগত নহয়। অধ্যায়টিত আপোনাক ব্যাকৰণগত বিষয় সম্পর্কে সম্যক ধাৰণাহে প্রদান কৰা হ'ল। উচ্চ পর্যায়তহে আপুনি এই বিষয়ে বহলাই অধ্যয়ন কৰিব লাগিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ সর্গক কেইটা আৰু কি কি ভাগত ভাগ কৰিব পৰা যায়?

.....

৫.৪ অসমীয়া ভাষাৰ ৰূপতত্ত্ব

অসমীয়া ভাষা সংস্কৃত মূলীয় হ'লেও অন্যান্য নব্য ভাৰতীয় আর্যভাষাৰ তুলনাত এই ভাষাটো মূলৰ পৰা ভালেখিনি আঁতৰি আহিছে। সেইবাবে অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ গঠনত বৈচিত্র্যৰ সমাহাৰ লক্ষ্য কৰা যায়। ভাষা বিশেষৰ ৰূপ-গঠনত পদ, বচন, লিঙ্গ, কাৰক, প্রত্যয়, বিভক্তি আদি বিভিন্ন বিষয়ৰ আলোচনা অন্তর্ভুক্ত হয়। ভাষা ভেদে এই বিষয়বোৰৰ অন্তর্গত ৰূপ-গঠন প্রক্রিয়া ভিন্ ভিন্ হোৱা দেখিবলৈ পোৱা যায়। অসমীয়া ভাষাও তাৰ ব্যতিক্রম নহয়। অসমীয়া ভাষাৰ অন্তর্গত উল্লিখিত বিষয়বোৰৰ গঠন-প্রণালীৰ প্রণালীবদ্ধ

বিৱৰণেই হ'ল অসমীয়া ভাষাৰ ৰূপতত্ত্ব।

অন্যান্য ভাষাৰ দৰে অসমীয়া ভাষাৰো ৰূপতাত্ত্বিক বিশ্লেষণৰ মৌলিক একক হৈছে প্ৰাকৃতি বা ৰূপ। এই প্ৰাকৃতিৰ পৰা অসমীয়া ভাষাৰ প্ৰকৃতি, সৰ্গ আৰু তাৰ পৰা বিভক্তি আৰু প্ৰত্যয় নিৰ্ণয় কৰি দেখুৱাব পাৰি। প্ৰাকৃতিৰ দুটা ভাগ — মুক্ত প্ৰাকৃতি আৰু বদ্ধ প্ৰাকৃতি (মুক্তৰূপ আৰু বদ্ধৰূপ)। অসমীয়া ভাষাৰ আটাইবোৰ সৰ্গ বদ্ধ প্ৰাকৃতি বা বদ্ধৰূপ; আনহাতে প্ৰাতিপদিক আৰু ধাতুবোৰক মুক্ত আৰু বদ্ধ দুয়োটা ৰূপত পোৱা যায়।

প্ৰকৃতি বা মূল প্ৰাকৃতিক ৰূপগত বৈশিষ্ট্যৰ ভিত্তিত অসমীয়া ভাষাত চাৰিটা ভাগত ভাগ কৰা হয়। যথা —

- **নাম প্ৰকৃতি বা প্ৰাতিপদিক** (Substantive root বা Nominal root) ঃ যিবোৰ প্ৰকৃতিৰ পৰা কেৱল নামশব্দ বা নাম পদহে তৈয়াৰ কৰা হয় সেইবোৰেই নাম প্ৰকৃতি। যেনে— চৰাই, গৰু, হাতী, মানুহ, কাছ, বাঘ, পশু, জাহাজ, বৰফ, বতাহ, জুই ইত্যাদি।
- **ধাতু প্ৰকৃতি** (Verbal root) ঃ যিবোৰ প্ৰকৃতিৰ পৰা কেৱল ধাতুশব্দ, ক্ৰিয়াপদ আৰু কৃদন্ত ৰূপহে পাব পাৰি, সেইবোৰেই ধাতু প্ৰকৃতি। যেনে— লিখ্, পঢ়্, যা, কৰ, ধৰ, ল, হ, মাৰ্, খা ইত্যাদি।
- **নাম-ধাতু প্ৰকৃতি** (Nominal-verbal root) ঃ যিবোৰ প্ৰকৃতিৰ পৰা নামশব্দ, ধাতু শব্দ, ক্ৰিয়াপদ আৰু কৃদন্ত ৰূপ পাব পাৰি সেইবোৰেই নাম-ধাতু প্ৰকৃতি। যেনে— চিন, মাত, মান, খেল, নাচ, ইত্যাদি। উদাহৰণ— এই চিন ডাল মোহাৰি নেপেলাবা, মই তোমাক ভালকৈ চিনিছোঁ। অসমীয়া ভাষাত এনেবোৰ প্ৰকৃতি তাকৰ যদিও বেলেগে ভাগ কৰা হৈছে। কিন্তু কিছুমান ভাষা বিজ্ঞানীয়ে এইবোৰ প্ৰকৃতিক নাম আৰু ধাতু প্ৰকৃতি হিচাপে দুটা ভাগত দেখুৱাব খোজে।
- **অব্যয় প্ৰকৃতি** (Absolute words or indeclinables) ঃ যিবোৰ প্ৰকৃতিৰ পৰা অব্যয় শব্দবোৰ পোৱা যায় সেইবোৰেই অব্যয় প্ৰকৃতি। এনে প্ৰকৃতিবোৰক কেতিয়াও কাৰক অনুযায়ী ৰূপ কৰিব নোৱাৰি। যেনে— আৰু, অথচ, জানোচা, যদি, বা, অথবা, বাৰু, উঃ, ছিঃ, খাতাং ইত্যাদি।
- **মূলাভাস প্ৰকৃতি (Subroot Morpheme)** ঃ মূল প্ৰাকৃতি বা প্ৰকৃতিৰ (root morpheme) আৰু সৰ্গৰ (affix) মাজতে অসমীয়া ভাষাত মূলাভাস প্ৰাকৃতি নামৰ এবিধ প্ৰাকৃতি আছে। এই প্ৰাকৃতিবোৰক কেতিয়াবা প্ৰয়োগ বিশেষে মূল প্ৰাকৃতি বা প্ৰকৃতি হিচাপে, আকৌ কেতিয়াবা সৰ্গ হিচাপে ধৰিব পাৰি। ইহঁত প্ৰকৃতিও নহয় আৰু সৰ্গও নহয়। সেই কাৰণে ইহঁতক মূলাভাস প্ৰাকৃতি বোলা হয়। যেনে— অসমীয়া ভাষাত একবচনবাচক আৰু নিৰ্দিষ্টতাসূচক প্ৰাকৃতিবোৰ আৰু বহুবচনবাচক প্ৰাকৃতি কেতবোৰক এই শ্ৰেণীত ধৰা হয়।

উদাহৰণ—	**সৰ্গ হিচাপে প্ৰয়োগ**	**প্ৰকৃতি হিচাপে প্ৰয়োগ**
	-জন — মানুহজন	জনেপতি।
	-ডাল — গছডাল	ডাল ডাল কৰা।


-চপৰা — মাটিচপৰা	চপৰা-চপৰে খহিছে।
-ঘৰ — মানুহঘৰ	ঘৰে প্ৰতি দহটকা দিবা।
-খন — তামোলখন	খনেপতি।
-জাক — চৰাইজাক	জাকে জাকে উৰিছে।
-ঘটি — পানীঘটি	ঘটিটো আনা।
-আখি — কলআখি	আখিটোৰ দাম এশ টকা, ইত্যাদি।

- **সৰ্গ (Affix) ঃ** ইতিমধ্যে কৈ অহা হৈছে যে অসমীয়া ভাষাত বদ্ধৰূপবোৰকে সৰ্গ বা প্ৰত্যয় বোলা হয়। অসমীয়া ভাষাত সংস্কৃতৰ পৰা অহা — প্ৰ-, পৰা-, অপ-, সম- আদি কৰি কুৰিটা উপসৰ্গৰ প্ৰয়োগ আছে। এই উপসৰ্গবোৰ অসমীয়াত বিশেষকৈ তৎসম শব্দত ব্যৱহাৰ হয়। এই কুৰিটা উপসৰ্গৰ বাহিৰেও অসমীয়াত থকা আন উপসৰ্গবোৰ হ'ল— অ-, আ-, আও-, অনা-, উ-, নি, সু-, বে-, গৰ-, কাৰ-, বছ-, বৰ-, ন- ইত্যাদি। উদাহৰণ— আওমৰণ, অনাঅসমীয়া, সুনাম, গৰমিল, বদহজম, নকৰে ইত্যাদি।

অসমীয়া ভাষাত মধ্যসৰ্গ বা অন্তঃসৰ্গ নাই। উল্লেখযোগ্য যে, ভাষাবিদ উপেন্দ্ৰনাথ গোস্বামীয়ে তেওঁৰ *অসমীয়া ভাষাৰ ব্যাকৰণ* গ্ৰন্থত 'মানুহকেইজন' পদৰ মানুহ-কেই-জন হিচাপে দেখুৱাই 'কেই' টোক মধ্যপ্ৰত্যয় হিচাপে ধৰিছে। কিন্তু 'কেই' টোক মধ্যপ্ৰত্যয়ৰ শাৰীত ধৰিব নোৱাৰি। ভাষাবিদ গোলোকচন্দ্ৰ গোস্বামীয়ে তেওঁৰ *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ* গ্ৰন্থত বিশ্লেষণ কৰি দেখুৱাইছে যে 'কেই' মধ্যপ্ৰত্যয় হ'ব নোৱাৰে। কেইখন কিতাপ আছে, কেইটকা দিবা, কেইদিন থাকিবা আদি বাক্যত 'কেই' মধ্যপ্ৰত্যয় হিচাপে ব্যৱহাৰ হোৱা নাই। গতিকে 'কেই' অসমীয়া ভাষাৰ মধ্যপ্ৰত্যয় নহয়।

সামগ্ৰিকভাৱে অসমীয়া ভাষাৰ সৰ্গৰ শ্ৰেণীবিভাজন তলত ৰেখাচিত্ৰৰ সহায়ত দেখুওৱা হ'ল—

চিত্ৰ ৫.৬ ঃ অসমীয়া ভাষাৰ সৰ্গৰ শ্ৰেণীবিভাজন



(ভাগ কেইটা সিপিঠিত উল্লেখ কৰা হ'ল)

বিভক্তিমূলক

বাক্যবিন্যাসগত কার্যসাধক (syntactical)	ব্যাকৰণগতবিশেষ অর্থ প্রকাশক (semantical)
শব্দবিভক্তি	বচনবাকচ সর্গ
ধাতুবিভক্তি	লিংগবাচক সর্গ
পুৰুষবাচক শব্দবিভক্তি	নির্দিষ্টতাবাচক সর্গ
অসমাপিকা সাধনৰ সর্গ	অনির্দিষ্টতাবাচক সর্গ
কর্মবাচ্য গঠনৰ সর্গ	জোৰ বুজোৱা সর্গ

অগ্রগতি নিৰীক্ষণ



প্রশ্ন নং ৫ ঃ অসমীয়া ভাষাত সংস্কৃতৰ পৰা অহা কেইটা উপসর্গৰ প্রয়োগ আছে।

.....

.....

জানি থোৱা ভাল



অসমীয়া ভাষাৰ বাক্যৰ গাঁথনিত ব্যৱহাৰ হোৱা পদসমূহক বাক্যতাত্ত্বিক আৰু ৰূপতাত্ত্বিক সূত্র অনুসাৰে দুই ধৰণে শ্রেণী বিভাগ কৰি দেখুৱাব পাৰি। বাক্যতাত্ত্বিক সূত্র অনুসাৰে কৰা বিভাজনত প্রধানকৈ বাক্যত এক পদৰ লগত আন এক পদৰ সঙ্গতি আৰু কার্যৰ প্রতি লক্ষ্য ৰখা হয়। আমাৰ আটাইৰে পৰিচিত বিশেষ্য, বিশেষণ, সর্বনাম, ক্রিয়া, ক্রিয়া বিশেষণ, অব্যয় আদি পদ বাক্যতাত্ত্বিক সূত্রৰ আধাৰত পোৱা শ্রেণীবিভাজন। আনহাতে পদৰ গঠনৰ আধাৰত; অর্থাৎ শব্দৰ ৰূপ, বিভক্তি আৰু বিভক্তিৰ সংযোগৰ ভিত্তিত যি শ্রেণীবিভাজন কৰা হয়, সেয়া ৰূপতাত্ত্বিক বিভাজন। অসমীয়া ভাষাত ৰূপতাত্ত্বিক দিশৰ পৰা পদসমূহক প্রধানকৈ দুটা ভাগত ভাগ কৰা হয় — (ক) সব্যয় পদ আৰু (খ) অব্যয় পদ। সব্যয় পদত বিভিন্ন বিভক্তিৰ সংযোগ ঘটে। আনহাতে অব্যয় পদত বিভক্তিৰ সংযোগ নঘটে। এইবোৰৰ কোনো পৰিৱর্তনো নঘটে। মাথো কেতিয়াবা দুটা বা ততোধিক অব্যয়ৰ সংযোগ ঘটিব পাৰে। এই বিষয়ে পৰৱর্তী এটা অধ্যায়ত বহলাই আলোচনা কৰা হ'ব।



৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- প্ৰাকৃতি বিশ্লেষণত এটি আলোচ্য বিষয় হ'ল ৰূপধ্বনিগত পৰিৱৰ্তন। প্ৰাকৃতি নিৰ্ণয়ৰ ক্ষেত্ৰত উপাকৃতিবোৰৰ মাজৰ এটাক আধাৰ ৰূপ (base-form) বুলি ধৰি লোৱা হয় আৰু বাকীবোৰৰ ৰূপধ্বনিগত পৰিৱৰ্তন হোৱা বুলি কোৱা হয়।
- সাধাৰণতে বদ্ধৰূপসমূহকে সৰ্গ (affix) বোলে। মুক্তৰূপ বা মূল প্ৰাকৃতি অৰ্থাৎ প্ৰকৃতিক আশ্ৰয় কৰি যিবোৰ বদ্ধ প্ৰাকৃতিয়ে ভিন্ ভিন্ অৰ্থবাচক ৰূপৰ সৃষ্টি কৰে, সেই বদ্ধ প্ৰাকৃতিবোৰকে সৰ্গ বোলে।
- সৰ্গসমূহৰ প্ৰয়োগৰ ওপৰত ভিত্তি কৰি তিনিটা ভাগত ভাগ কৰা হয় — উপসৰ্গ (prefix), পৰসৰ্গ (suffix), মধ্যসৰ্গ বা অন্তঃসৰ্গ (infix)। আনহাতে ভাষাৰ গঠনৰ দিশত পালন কৰা ভূমিকা বা কাৰ্যৰ গুণ অনুসৰি বদ্ধৰূপবোৰক গুণ বা কাৰ্যৰ বিশেষ সূত্ৰে দুটা ভাগত ভাগ কৰা হয় — প্ৰত্যয় বা শব্দ সাধনৰ সৰ্গ বা ব্যুৎপত্তিমূল সৰ্গ (derivative affix), বিভক্তি বা পদ সাধনৰ সৰ্গ (inflectional affix)।
- ব্যাকৰণগত বিষয় এটা বিশেষ অৰ্থবাচক পাৰিভাষিক কথা। Grammatical elements (categories) আৰু Gramaticalness এই তিনিওটা প্ৰতিশব্দই ব্যাকৰণগত বিষয়কে বুজায়। ই ব্যাকৰণত আলোচিত সকলো বিষয়ক সামৰি নলয়। ই প্ৰধানতঃ ৰূপতত্ত্বৰ (morphology) কথা। তথাপি ইয়াক বাক্যতত্ত্বৰ (syntax) পৰিপ্ৰেক্ষিততহে বিচাৰ কৰা হয়।
- অসমীয়া ভাষাৰ শব্দ তথা পদ-গঠনৰ সমগ্ৰ প্ৰক্ৰিয়াটোক 'অসমীয়া ভাষাৰ ৰূপতত্ত্ব' বোলা হয়। অসমীয়া ভাষাত ব্যৱহাৰ হৈ থকা বিভিন্ন শব্দ, যেনে — বিশেষ্য, বিশেষণ, সৰ্বনাম, ক্ৰিয়া, ক্ৰিয়াবিশেষণ, অব্যয় আদিৰ শ্ৰেণী বিভাজন; কাৰক, বচন, লিঙ্গ, পুৰুষ, কাল, দশা, প্ৰত্যয় আদিৰ গঠন পদ্ধতিৰ পুংখানুপুংখ বিচাৰ-বিশ্লেষণ 'অসমীয়া ভাষাৰ ৰূপতত্ত্ব'ৰ আলোচ্য বিষয়।
- অধ্যায়টিত প্ৰকৃতি বা মূল প্ৰাকৃতিক ৰূপগত বৈশিষ্ট্যৰ ভিত্তিত যে অসমীয়া ভাষাত চাৰিটা ভাগত ভাগ কৰা হয় সেই কথা উল্লেখ কৰি যোৱা হৈছে। লগতে মূলাভাস প্ৰাকৃতি আৰু অসমীয়া ভাষাৰ সৰ্গ সম্পৰ্কে চমুকৈ আলোকপাত কৰা হ'ল।



৫.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

1] কাকতি, বাণীকান্ত [1996]Ê, *অসমীয়া ভাষাৰ গঠন আৰু বিকাশ;* (হাজৰিকা, বিশ্বেশ্বৰ অনুঃ); বৰপেটা ঃ বাণীকান্ত কাকতি জন্ম শতবাৰ্ষিকী উদ্‌যাপন সমিতি (প্ৰথম প্ৰকাশ 1941)।

২) গোস্বামী, উপেন্দ্ৰনাথ [1997]Ê, *অসমীয়া ভাষাৰ ব্যাকৰণ;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

৩) গোস্বামী, উপেন্দ্ৰনাথ (1995); *অসমীয়া ভাষাৰ ৰূপ-কথা;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

4) গোস্বামী, গোলোকচন্দ্ৰ [1999]Ê, *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

5] গোস্বামী, গোলোকচন্দ্ৰ [2003]Ê, *অসমীয়া ব্যাকৰণৰ প্ৰৱেশ;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

6) গোস্বামী, গোলোকচন্দ্ৰ (1996); *অসমীয়া বৰ্ণপ্ৰকাশ,* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

7] দত্ত বৰুৱা, ফণীন্দ্ৰ নাৰায়ণ [2006]Ê, *আধুনিক ভাষাবিজ্ঞানৰ পৰিচয়;* গুৱাহাটী ঃ বনলতা।

8] দত্ত বৰুৱা, ফণীন্দ্ৰ নাৰায়ণ [2006]Ê, *প্ৰয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা;* গুৱাহাটী ঃ বনলতা।

9) পাদুন, নাহেন্দ্ৰ (সম্পাঃ)(1993); *ভাষাৰ তত্ত্বকথা;* গুৱাহাটী ঃ বাণী মন্দিৰ।

10) পাটগিৰি, দীপ্তি ফুকন (1991); *ভাষাতত্ত্ব,* গুৱাহাটী ঃ বনলতা।

11) ভৰালী, দেবানন্দ (1993); *অসমীয়া ভাষাৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

12) মেধি, কালিৰাম (1999); *অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

13) বৰা, লীলাৱতী শইকীয়া [2011]Ê, *অসমীয়া ভাষাৰ ৰূপতত্ত্ব;* গুৱাহাটী ঃ বনলতা।

ইংৰাজী গ্ৰন্থ ঃ

১৪) Bloomfield, L. (1994). *Language*. Delhi: Motilal Banarasidass.

১৫) Crystal, D. (1997). *The Encyclopedia of Language*. Cambridge: CUP.

১৬) Dutta Baruah, P. N. (1978). *A Comparative Analysis of the Morphological Aspects of Assamese and Oriya (Ph.D. Thesis).* Guwahati: Gauhati University.

১৭) Gleason (Jr.)(1978). *An Introduction to the Descriptive Linguistics.* Lisbon: Calouste Gulbenkian Foundation.

১৮) Hockett, C. F. (1970). *A Course in Modern Linguistics*. New Delhi: Oxford & IBH Publishing Co. Pvt. Ltd..

১৯) Kakati, B. (2007). *Assamese : Its Formation and Development.* Guwahati: Lawyers Book Stall.

২০) Matthews, P. H. (2002). *Morphology.* Cambridge: CUP.

২১) Yule, G. (1996). *The Study of Language*. Cambridge: CUP.



৫.৭ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ আধাৰ-ৰূপটোৰ যেতিয়া কাষৰ ধ্বনিৰ প্ৰভাৱত পৰিৱৰ্তন ঘটি প্ৰায় সমানধ্বনিত পৰিণত হয়, তাকে সমীভৱন বোলে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ যিবোৰ প্ৰাকৃতিয়ে স্বতন্ত্ৰভাৱে অৰ্থ প্ৰকাশ কৰিব পাৰে, সেইবোৰ প্ৰাকৃতিকেই মুক্ত প্ৰাকৃতি বোলা হয়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ যিবোৰ বদ্ধৰূপ মুক্তৰূপ বা মূলৰূপ বা প্ৰকৃতিৰ পিছফালে বহি কোনো নতুন ৰূপ সাধন কৰে সেইবোৰকে পৰসৰ্গ বা পৰপ্ৰত্যয় বোলে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ সৰ্গক মূলতঃ দুটা ভাগত ভাগ কৰা হয়। যথা— (ক)অৱস্থানগত বিভাগ — পূৰ্বসৰ্গ, অন্তঃ বা মধ্যসৰ্গ আৰু অনুসৰ্গ বা পৰসৰ্গ, (খ) গুণগত বা কাৰ্যগত বিভাগ — প্ৰত্যয় আৰু বিভক্তি।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ অসমীয়া ভাষাত সংস্কৃতৰ পৰা অহা কুৰিটা উপসৰ্গৰ প্ৰয়োগ আছে।



৫.৮ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

ক) আকৃতি, প্ৰাকৃতি আৰু উপাকৃতি বুলিলে কি বুজে?

খ) অসমীয়া ভাষাৰ ব্যাকৰণগত বিষয়সমূহ কি কি?

গ) প্ৰাকৃতি বুলিলে কি বুজে?

প্ৰশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

ক) বিশেষ্য, বিশেষণ, ক্ৰিয়া বিশেষণ, সৰ্বনাম, ক্ৰিয়া বিষয়ক শব্দ আৰু বিবিধ ধাতুসমূহক বদ্ধপ্ৰাকৃতিৰ শ্ৰেণীৰ আলোচনা কৰা হয়।

খ) যিবোৰ বদ্ধৰূপে মুক্তৰূপ বা প্ৰকৃতিটোক দুভাগ কৰি তাৰ মাজত সোমাই পৰে আৰু মুক্তৰূপটোৰ পূৰ্বৰ অৰ্থৰ সলনি কৰে সেই বদ্ধৰূপকে অন্ত্য সৰ্গ বোলে।

চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ব্যাকৰণগত বিষয় বুলিলে কি বুজে?

প্ৰশ্ন ২ ঃ চমুটোকা লিখক — ৰূপধ্বনিগত পৰিৱৰ্তন, বিভক্তি, পূৰ্ব সৰ্গ, মধ্য সৰ্গ, অন্ত্য সৰ্গ।

প্ৰশ্ন ৩ ঃ মধ্য প্ৰত্যয় বুলিলে কি বুজে? অসমীয়া ভাষাত মধ্য প্ৰত্যয় আছেনে?

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অসমীয়া ভাষাৰ ৰূপতত্ত্ব সম্পৰ্কে চমুকৈ লিখক।

প্ৰশ্ন ২ ঃ সৰ্গ কাক বোলে? সৰ্গৰ শ্ৰেণীবিভাজন কৰি দেখুৱাওক।

প্ৰশ্ন ৩ ঃ প্ৰকৃতি (root morpheme) বুলিলে কি বুজে? অসমীয়া ভাষাৰ প্ৰকৃতিৰ শ্ৰেণী বিভাজন কৰি দেখুৱাওক।

প্ৰশ্ন ৪ ঃ সৰ্গৰ অৱস্থানগত আৰু গুণগত বিভাজন সম্পৰ্কে উদাহৰণ দি বুজাই লিখক।

*** ***** ***

অধ্যায় ৬ঃ অসমীয়া ভাষাৰ ৰূপতত্ত্ব — ২

অধ্যায় গাঁথনি

6.1 উদ্দেশ্য

6.2 পৰিচয়

6.3 অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ কেইটামান দিশ

6.3.1 বচন

6.3.2 লিংগ

6.3.3 কাৰক

6.4 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

6.5 অধিক জানিবলৈ

6.6 অগ্রগতিৰ খতিয়ান

6.7 আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া ভাষাৰ বচন কেইবিধৰ পৰিচয় লাভ কৰিব পাৰিব
- অসমীয়া ভাষাত লিংগ নির্ণয়ৰ পদ্ধতি কেনেকুৱা, সেই বিষয়ে ধাৰণা লাভ কৰিব পাৰিব
- অসমীয়া ভাষাৰ কাৰক সম্পর্কে জ্ঞান আহৰণ কৰিব।

৬.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায় দুটিত আপুনি ৰূপতত্ত্বৰ সাধাৰণ পৰিচয় লাভ কৰাৰ লগতে অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ দুটামান দিশ সম্পর্কে অৱগত হ'ল। এই অধ্যায়টোত আমি অসমীয়া ৰূপতত্ত্বৰ অন্তর্গত আন কেইটামান বিশেষ দিশ সম্পর্কে বহলাই আলোচনা কৰিম। মূলতঃ অসমীয়া ভাষাৰ বচন, লিংগ আৰু কাৰক — এই দিশকেইটাৰ বিষয়ে চমুকৈ আলোকপাত কৰিম। অধ্যায়টোৰ আলোচনাত সন্নিৱিষ্ট হোৱা বিষয়সমূহে অসমীয়া ব্যাকৰণৰ লগত জড়িত নানানটা দিশৰ বিষয়ে সামগ্রিক ধাৰণা লাভ কৰাত আপোনাক সহায় কৰিব।

৬.৩ অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ কেইটামান দিশ

ইতিমধ্যে আমি উল্লেখ কৰি আহিছোঁ যে বচন, লিংগ আৰু কাৰক আদি ৰূপতত্ত্বৰ লগত সম্পর্কিত দিশ। তলত অসমীয়া ভাষাৰ এই দিশসমূহৰ বিষয়ে আলোচনা দাঙি ধৰা হ'ল।

৬.৩.১ বচন

ভাষাৰ ৰূপতত্ত্বৰ এটি আলোচ্য বিষয় হ'ল বচন। ভাষাৰ আলোচনাত বচনে পদৰ সংখ্যা বা পৰিমাণ বুজায়। যাৰ দ্বাৰা পদৰ সংখ্যা বা পৰিমাণৰ বোধ জন্মে তাকে বচন বোলে। বচনৰ ইংৰাজী প্ৰতিশব্দ হ'ল number। উদাহৰণস্বৰূপে—

তুমি এইফালে আহাচোন।
মই আৰু তুমি একেলগে যাম।
তোমালোক কেলেই নাহিলা?

এই বাক্যকেইটাৰ তুমি, মই আৰু তুমি, তোমালোক পদে ক্ৰমে এজন ব্যক্তি, দুজন ব্যক্তি আৰু বহু ব্যক্তিক বুজাইছে। এনেদৰে এজনক বুজালে একবচন, দুটাক বুজালে দ্বিবচন আৰু বহুতক বুজালে বহুবচন বোলা হয়।

বচন সাধাৰণতে দুটা— একবচন আৰু বহুবচন। কোনো কোনো ভাষাত একবচন আৰু বহুবচনৰ উপৰি দ্বিবচনো পোৱা যায়। দ্বিবচনৰ প্ৰয়োগ বৈদিক, প্ৰাচীন গ্ৰীক আদি ভাষাতো দেখা যায়। আনকি প্ৰাকৃততো দ্বিবচনৰ প্ৰয়োগ সীমিত ৰূপত দৃশ্যমান। বৈদিক প্ৰভৃতি প্ৰাচীন ভাষাত যুগ্মদেৱতা, চক্ষু প্ৰভৃতি স্বভাৱজাত যুগ্ম শব্দৰ ক্ষেত্ৰত বহুবচন প্ৰযুক্ত হয়। প্ৰাকৃততো এই ধাৰাটো অব্যাহত। মধ্যভাৰতীয় আৰ্য ভাষাৰ প্ৰথম স্তৱতেই (পালি, অশোকৰ অনুশাসন আদিত) দ্বিবচনৰ বিলোপ সাধন লক্ষণীয়। দ্বিবচনৰ চিনৰূপে মাথোন উভো (> উভৌ), দো > দ্বৌ), দুৱে, দুৰি, ৱে (< দ্বে) আদি ৰ'লগৈ। একবচন আৰু বহুবচনৰ পাৰ্থক্য সংস্কৃতৰ পৰা অসমীয়া ভাষালৈ অব্যাহত আছে। অসমীয়াকে আদি কৰি প্ৰায়বোৰ নব্য ভাৰতীয় আৰ্য ভাষাত বচন দুটা— একবচন আৰু বহুবচন। এটা বা এজনক বুজালে একবচন আৰু দুটা বা ততোধিক বুজালে বহুবচন হয়। দ্বিবচন বহুবচনৰ লগত যুক্ত হ'ল। কিন্তু দুটা বস্তুক একেলগে বুজাবলৈ অসমীয়া ভাষাত কেইটিমান ৰূপ আছে। সেইবোৰ হৈছে যোৰ(ঐ)যুৰি, হাল, যুগল আৰু দ্বয়। চাৰিটা বস্তুৰ একোটা গোট বুজাবলৈ গণ্ডা, আঁৰা আৰু হালি ৰূপ পোৱা যায়। আকৌ সংখ্যাবাচক শব্দ যোগ কৰিও বচন নিৰ্ণয় কৰা হয়। উদাহৰণ— এযোৰ কণী, তামোল গণ্ডা, দুইযোৰ কণী, চকুযুৰি, তামোল আঁৰা, গৰুহাল, পদযুগল, দুই আঁৰা তামোল, ইত্যাদি।আকৌ, কুৰি আৰু গুছি শব্দই একুৰি বা বিশ সংখ্যা বুজায়। যেনে— পাণ একুৰি, পাণ এগুছি। তেনেদৰে পোন শব্দই আশী সংখ্যা বুজায়। যেনে— এপোন তামোল।

নব্য ভাৰতীয় আৰ্য ভাষাবোৰত বাক্যত কিছুমান পদ পোৱা যায়, যিবোৰে ব্যক্তি, প্ৰাণী বা বস্তুৰ কোনো সংখ্যা বা পৰিমাণৰ ধাৰণা নিদিয়ে। তেনেবোৰক বচন নিৰপেক্ষ ৰূপ বোলা হয়। অসমীয়া ভাষাৰ উদাহৰণেৰে কথাটো দেখুওৱা হ'ল —

বাৰীত গৰু সোমাল।
মেললৈ মেলুৰৈ আহিছে।

কিনিবলৈ দিয়া কলম কিনিলানে?

প্ৰথম বাক্যত 'গৰু' শব্দই এটা নে বহুত গৰুক বুজাইছে জানিব পৰা নাযায়। দ্বিতীয় বাক্যত মেললৈ এজন নে বহুত মেলুৰৈ আহিছে জানিব নোৱাৰি। তৃতীয় বাক্যটোতো কলম এটা নে বহুত, সেই কথা জানিব নোৱাৰি। গতিকে ক'ব পৰা যায় যে অসমীয়া ভাষাত বচনৰ তিনিটা ৰূপ আছে। এটা একবচনৰ, এটা বহুবচনৰ আৰু আনটোক বচন নিৰপেক্ষ ৰূপ বোলা হয়।

অসমীয়া ভাষাত বচন ব্যাকৰণগত (Grammatical Category or elements) নহয়। অসমীয়াত বিশেষণ পদৰ পৰা বিশেষ্যৰ বা বিশেষ্য পদৰ পৰা ক্ৰিয়া পদৰ বা ক্ৰিয়া পদৰ পৰা বিশেষ্য বা সৰ্বনাম পদৰ বচন জনাৰ উপায় নাই। উদাহৰণ— ল'ৰাজন আহিছে।

ধুনীয়া ল'ৰাজন আহিছে।

ধুনীয়া ল'ৰাবোৰ আহিছে।

এই বাক্যকেইটাত ক্ৰিয়াপদ একেই আছে। বচন সলনিৰ লগে লগে ক্ৰিয়াপদৰ একো সালসলনি ঘটা নাই। আকৌ, বচন সলনিৰ লগে লগে বিশেষণ পদ 'ধুনীয়া'ৰ কোনো পৰিৱৰ্তন হোৱা নাই বা 'ধুনীয়া' পদৰ বচন সলনি হোৱা নাই।

অসমীয়া ভাষাত বিশেষ্য আৰু সৰ্বনাম পদৰ বচন পোৱা যায়। বিশেষ্য পদৰ একবচন, বহুবচন আৰু বচন নিৰপেক্ষ ৰূপ পোৱা যায়। যেনে— বাঘ ওলাইছে। (বচন নিৰপেক্ষ), বাঘটো মৰিল। (একবচন), বাঘবোৰ পলাল। (বহুবচন)।

সৰ্বনাম পদৰ একবচন আৰু বহুবচনৰ ৰূপহে আছে, বচন নিৰপেক্ষ ৰূপ নাই।

যেনে—	**একবচন**	**বহুবচন**
	মই	আমি
	তই	তহঁত
	তুমি	তোমালোক

অসমীয়া ভাষাত বিশেষণৰ একবচন আৰু বহুবচন ৰূপ পোৱা যায়। কিন্তু বিশেষণ পদে বচন বুজালে সি বিশেষ্যলৈ পৰিৱৰ্তন হৈ যায়। যেনে— ক'লাডাল, বগাডাল, ৰূপহীজনী, পুৰণাডাল ইত্যাদি। আকৌ ক্ৰিয়া পদত -হঁক যোগ কৰিলে বহুবচনৰ ধাৰণা জন্মায়। যেনে— তোমালোক যোৱাহঁক, আহাহঁক, খালাহঁকনে? আদিত বহুবচনৰ বোধ হৈছে। অসমীয়া ভাষাত অব্যয় পদৰ বচন পোৱা নাযায়।

অসমীয়া ভাষাত একবচন আৰু বহুবচন কৰাৰ বিশেষ কিছুমান নিয়ম পোৱা যায়। 'অসমীয়া ভাষাৰ বচন আৰু লিঙ্গ' — শীৰ্ষক অধ্যায়টিত এই বিষয়ে বহলাই আলোচনা কৰা হ'ব বাবে ইয়াত উল্লেখ কৰি যোৱা নহ'ল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ অসমীয়া ভাষাত দ্বিবচনৰ প্রয়োগ আছেনে?

.....

৬.৩.২ লিংগ

লিংগ শব্দৰ অর্থ হ'ল চিন। যিহেৰে পুৰুষ আৰু স্ত্রী, অর্থাৎ মতা নে মাইকী চিনিব পাৰি তাকে লিংগ বোলে। লিংগ নির্ণয়ৰ বাবে যিবোৰ প্রত্যয় বা ৰূপ প্রয়োগ কৰা হয় সেইবোৰক লিংগবাচক প্রত্যয় বোলে। অসমীয়া ভাষাত লিংগ দুবিধ— পুংলিংগ আৰু স্ত্রীলিংগ। মতা বুজালে পুংলিংগ আৰু মাইকী বা মহিলা বুজালে স্ত্রীলিংগ হয়। উদাহৰণ—

পুংলিংগবাচক শব্দ— পিতা, মামা, ভাই, ভতিজা, মখনা ইত্যাদি।

স্ত্রীলিংগবাচক শব্দ— স্ত্রী, আইতা, মা, গাই, বৰানী ইত্যাদি।

অসমীয়া ভাষাত নির্জীৱ পদার্থৰ কোনো লিংগ বিচাৰ কৰা নহয়। এইবোৰ লিংগবিহীন।

অসমীয়া ভাষাত ব্যাকৰণগত বিষয়ৰ (Grammatical Category) তালিকাত লিংগক ধৰা নহয়। বাক্যৰ গাঁথনিত লিংগই গাঁথনিক সংগতি ৰক্ষা নকৰে। বিশেষ্যৰ লিংগ অনুযায়ী বিশেষণ বা ক্রিয়াপদৰ ৰূপৰ কোনো পৰিৱর্তন নহয়। উদাহৰণ—

ভাল ল'ৰা	ভাল ছোৱালী
ধুনীয়া ল'ৰা	ধুনীয়া ছোৱালী
ল'ৰাই খেলে	ছোৱালীয়ে খেলে।

উল্লিখিত উদাহৰণকেইটিত বিশেষ্যৰ লিংগ অনুযায়ী বিশেষণ আৰু ক্রিয়া পদৰ কোনো পৰিৱর্তন হোৱা নাই।

অসমীয়া ভাষাত প্রচলিত কেতবোৰ তৎসম আৰু তদ্ভৱ শব্দত সংস্কৃতৰ দৰে বিশেষ্যৰ লিংগ অনুযায়ী বিশেষণবো লিংগ পৰিৱর্তন হয়। এনে উদাহৰণৰ ভিত্তিত অসমীয়া লিংগক ব্যাকৰণগত বিষয় বুলি ক'ব পৰা যায়। উদাহৰণ—

বিদ্বান পুৰুষ	বিদুষী মহিলা
মহান পুৰুষ	মহীয়সী নাৰী
সুন্দৰ যুৱক	সুন্দৰী যুৱতী
ৰূপহ কোঁৱৰ	ৰূপহী কুঁৱৰী
লাজুক কোঁৱৰ	লাজুকী কুঁৱৰী
অজলা ল'ৰা	আজলী ছোৱালী

পগলা ল'ৰা পাগলী ছোৱালী
কণা ল'ৰা কাণী ছোৱালী ইত্যাদি।

মূলতঃ প্রত্যয় যোগ আৰু লিংগ নিৰপেক্ষ ৰূপত অসমীয়া ভাষাত লিংগ সাধন হয়। প্রত্যয় যোগত — পুংলিংগ সাধন আৰু স্ত্রীলিংগ যোগত প্রত্যয় সাধন হয়। লগতে অসমীয়া ভাষাত লিংগ নিৰপেক্ষ ৰূপ এটিও আছে। অসমীয়া ভাষাত লিংগ লিংগ নির্ণয় কৰা পদ্ধতি সম্পর্কে তলত বহলাই আলোচনা দাঙি ধৰা হ'ল।

পুংলিংগ সাধন

অসমীয়া ভাষাৰ এক নিজস্ব বৈশিষ্ট্য হ'ল ইয়াৰ পুংলিংগ সাধন প্রক্রিয়া। অসমীয়াৰ বাহিৰে অন্য ভাৰতীয় আর্য ভাষাবোৰত, আনকি সংস্কৃততো পুংলিংগ সাধন কৰা নহয়। পুংলিংগ প্রত্যয় যোগে অসমীয়াত পুংলিংগ সাধন কৰা হয়। অসমীয়াত পুংলিংগ সাধনৰ প্রত্যয় তিনিটা— -আ, -আই আৰু -উ।

-আ প্রত্যয় যোগে পুংলিংগ সাধনৰ উদাহৰণ— বগা, কজলা, মেমেৰা, কথা, ভঙুৰা, নাচোঁতা, ৰঙামুৰা, গাইমুৰা, আহিনা, আঘোণা, ফাগুনা, পিতা, মহা, পেহা, লিগিৰা, বেচেৰা, বগা, ভেকোলা ইত্যাদি।

-আই প্রত্যয়যোগে পুংলিংগ সাধনৰ উদাহৰণ— কানাই, বোপাই, পুতাই, চেনাই, মনাই, মঘাই ইত্যাদি।

-উ প্রত্যয়যোগে পুংলিংগ সাধনৰ উদাহৰণ— বাপু, জলহু ইত্যাদি।

অসমীয়া ভাষাত কেতবোৰ পুংলিংগবাচক শব্দ স্ত্রীলিংগৰ পৰাহে বাচি উলিওৱা হয় বুলি গোলোক চন্দ্র গোস্বামীয়ে তেওঁৰ *অসমীয়া ভাষাৰ ব্যাকৰণ প্রৱেশ* গ্রন্থত দেখুৱাইছে। অসমীয়া ভাষাৰ পৰম্পৰাগত ব্যাকৰণসমূহত এনে নিদর্শন পাবলৈ নাই। গোস্বামীয়ে কিছুমান উদাহৰণৰে এই কথাৰ সত্যতা দেখুৱাইছে যদিও এই পদ্ধতি প্রয়োগৰ দিশত কেতবোৰ সমস্যাৰ সৃষ্টি কৰিব পাৰে। স্ত্রীলিংগৰ পৰা কেনেদৰে পুংলিংগ সাধন কৰিব পাৰি তাৰ উদাহৰণ—

স্ত্রী শব্দ	-ঈ	Ô	মূল ৰূপ ÙÂ পুং প্রত্যয় -আ	Ô	পুং শব্দ
পাগলী	-ঈ	Ô	পাগল্ÙÂআ	Ô	পগলা
মাহী	-ঈ	Ô	মাহ্ÙÂআ	Ô	মহা
পেহী	-ঈ	Ô	পেহ্ÙÂআ	Ô	পেহা
কাণী	-ঈ	Ô	ৰূণ্ÙÂআ	Ô	কণা

স্ত্রীলিংগ সাধন

অসমীয়া ভাষাত স্ত্রীলিংগ সাধনৰ প্রত্যয় তিনিটাহে। অসমীয়া ভাষাৰ অধিকাংশ ব্যাকৰণ পুথিত স্ত্রীলিংগ সাধনৰ প্রত্যয় চাৰিটা বুলি উল্লেখ কৰা হৈছে। গোলোক চন্দ্র গোস্বামীয়ে তেওঁৰ *অসমীয়া ব্যাকৰণ* গ্রন্থত স্ত্রী প্রত্যয় তিনিটা বুলিছে। সেইকেইটা হ'ল—

ক) -ঈ

খ) -অনী (-নী, -ইনী, -উনী)

গ) -এৰী (-অৰী, -আৰী, -উৰী)

এই প্ৰত্যয় তিনিটাৰ সম্প্ৰসাৰিত ৰূপবোৰক ধৰিলে অসমীয়া ভাষাত স্ত্ৰী প্ৰত্যয় সাধনৰ ৰূপ নটা পোৱা যায়।

ক) -ঈ প্ৰত্যয়যোগে স্ত্ৰীলিংগ সাধন

উদাহৰণ ঃ

পুংলিংগ	**স্ত্ৰীলিংগ**
বগা	বগী
লিগিৰা	লিগিৰী
ৰঙা	ৰাঙী
ক'লা	ক'লী
কুমাৰ	কুমাৰী
কোঁৱৰ	কুঁৱৰী
গোলাপ	গোলাপী
বান্দৰ	বান্দৰী
ৰাক্ষস	ৰাক্ষসী
দেৱ	দেৱী ইত্যাদি।

খ) -অনী (-নী, -ইনী, -উনী) প্ৰত্যয়যোগে স্ত্ৰীলিংগ সাধন ঃ

উদাহৰণ ঃ

পুংলিংগ	**স্ত্ৰীলিংগ**
ফুকন	ফুকননী
ডাক্তৰ	ডাক্তৰনী
নাপিত	নাপিতনী
ভকত	ভকতনী
মিৰি	মিৰিয়নী
বন্ধু	বন্ধুৱনী
বাঘ	বাঘিনী
বেজ	বেজিনী
চোৰ	চুৰুণী
ধোবা	ধুবুনী
বৰা	বৰানী
চলিহা	চলিহানী ইত্যাদি।

গ) -এৰী (-অৰী, -আৰী, -উৰী) প্রত্যয় যোগত স্ত্রীলিংগ সাধন ঃ

উদাহৰণ ঃ

পুংলিংগ	**স্ত্রীলিংগ**
ডেকা	ডেকেৰী
কোৱা	কাউৰী
কলা	কালৰী
বেঙা	বেঙুৰী ইত্যাদি।

মতা আৰু মাইকী শব্দৰ যোগত অসমীয়া ভাষাত লিংগ নির্ণয় কৰা হয়। লিংগ নিৰপেক্ষ ৰূপৰ আগত মতা বা মাইকী শব্দ যোগ কৰি লিংগৰ ভিন্নতা অনা হয়। উদাহৰণ—

পুংলিংগ	**স্ত্রীলিংগ**
মতা গৰু	মাইকী গৰু
মতা মানুহ	মাইকী মানুহ
মতা হাঁহ	মাইকী হাঁহ
মতা ম'হ	মাইকী ম'হ ইত্যাদি।

আকৌ মহিলা লিখক, মহিলা উকীল মহিলা প্রতিনিধি, মহিলা শিক্ষক এনেদৰেও স্ত্রীলিংগ নির্ণয় কৰা হয়।

অসমীয়া ভাষাত অনেক শব্দ পোৱা যায় যিবোৰে নিজেই পুংলিংগ অথবা স্ত্রীলিংগ বুজায়। তেনে শব্দ কিছুমানৰ উদাহৰণ দিয়া হ'ল।

পুংলিংগ	**স্ত্রীলিংগ**	**পুংলিংগ**	**স্ত্রীলিংগ**
মামা	মামী	ৰজা	ৰাণী
পো	বোৱাৰী	বোন্দা	জাঁই
তাৰৈ	আমৈ	বলধ	গাই
দাদা	বৌ	শৰ	ভেলেঙ্গী
স্বামী	স্ত্রী	নবাব	বেগম
মতা	মাইকী	ভাই	ভনী
পুৰুষ	মহিলা		ইত্যাদি।

পুৰুষবাচক প্রত্যয় আৰু স্ত্রীবাচক প্রত্যয়ৰ যোগত লিংগ নির্ণয় কৰাৰ উপৰি অসমীয়া ভাষাত আন কেতবোৰ প্রত্যয় আছে যিবোৰৰ সহায়ত লিংগ নির্ণয় কৰিব পাৰি। সেইকেইটা হ'ল— -জন, -জনা, -গৰাকী, -টো, -জনী। উদাহৰণ—

-জন (পুংলিংগ প্রকাশক) ঃ ল'ৰাজন, গুৰুজন, ৰজাজন, সদস্যজন ইত্যাদি।

-জনা আৰু -গৰাকী (মান্যার্থত পুৰুষ স্ত্রী উভয়ৰ ক্ষেত্রত প্রয়োগ হয়) ঃ

ৰজাজনা, ৰাণীজনা, আলহীগৰাকী, সিজন, এইজনা, শিক্ষক গৰাকী, শিক্ষয়িত্রী গৰাকী ইত্যাদি।

-টো (পুংলিংগবাচক আৰু তুচ্ছার্থত) ঃ ল'ৰাটো, চোৰটো, হাতীটো, মাখিটো, মানুহটো, ভূতটো, গাধটো, ডকাইতটো, পুলিচটো ইত্যাদি।

-জনী (স্ত্রীলিংগবাচক আৰু তুচ্ছার্থত) ঃ

এজনী, দুজনী, চাৰিজনী, এইজনী, সেইজনী, চৰাইজনী, চুৰুণীজনী, মানুহজনী, গাইজনী ইত্যাদি।

উল্লিখিত আলোচনাৰ পৰা জনা গ'ল যে অসমীয়া ভাষাৰ লিংগ নির্ণয় প্রক্রিয়া অতি বিস্তৃত লগতে জটিলো। সংস্কৃতৰ পৰা ওলোৱা ভাষা হ'লেও ইয়াৰ লিংগ নির্ণয় প্রক্রিয়া সম্পূর্ণৰূপে সংস্কৃতৰ লগত নিমিলে। আনকি অসমীয়া ভাষাৰ লিংগ সংস্কৃতৰ দৰে সম্পূর্ণ ব্যাকৰণগত বিষয় নহয়। অসমীয়া ভাষাৰ স্বতন্ত্রতাৰ ক্ষেত্রত অসমীয়া লিংগৰ নিজস্ব বৈশিষ্ট্য আছে।

লিংগ নিৰপেক্ষ ৰূপ

অসমীয়া ভাষাত কেতবোৰ বিশেষ্য আৰু সর্বনাম শব্দ আছে, যিবোৰৰ পুংলিংগ আৰু স্ত্রীলিংগ উভয়তে প্রয়োগ হ'ব পাৰে। অর্থাৎ এনেবোৰ শব্দৰ দ্বাৰা পুৰুষ বা স্ত্রীৰ ধাৰণা কৰিব নোৱাৰি। যেনে—

মানুহ— সভাত বহুত মানুহ গোট খাইছিল।

ইয়াত 'মানুহ' শব্দই মতা অথবা মাইকীৰ ধাৰণা নিদিয়ে। তেনেদৰে— আমি গুৱাহাটীলৈ যাম। এই বাক্যটোতো 'আমি' শব্দই পুৰুষ-স্ত্রীৰ ধাৰণা নিদিয়ে। এইবোৰক লিংগ নিৰপেক্ষ ৰূপ বোলা হয়। অসমীয়া ভাষাত লিংগ নিৰপেক্ষ শব্দ কিছুমান হ'ল— সখি, কবি, গল্পকাৰ, গ্রন্থাকাৰ, বাঘ, ভালুক, মই, তুমি, তোমালোক, তহঁত, এওঁ, তেওঁ, তেওঁলোক, এখেত, তেখেত, তেখেতসকল, এখেতসকল, আপুনি ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ অসমীয়া ভাষাৰ লিংগ সাধন প্রক্রিয়াটো ব্যাকৰণগত বিষয় (Grammatical Category) ৰ অন্তর্ভুক্ত নে?

.....

প্রশ্ন নং ৩ ঃ অসমীয়া ভাষাৰ লিংগ নিৰপেক্ষ ৰূপ বুলিলে কি বুজে?

.....

.....

.....

৬.৩.৩ কাৰক

বাক্যত ক্রিয়া পদৰ লগত অন্য পদৰ যি সম্পর্ক স্থাপিত হয় সেই সম্পর্ককে কাৰক বোলে। 'ক্রিয়ান্বয়ী কাৰকম্'— পাণিনি। অর্থাৎ ক্রিয়াৰ লগত যাৰ অন্বয় হয় তাক কাৰক বোলে। উদাহৰণ— ডাক্তৰে ৰোগীজনক এৰোপ্লেনেৰে গুৱাহাটীৰ পৰা ভেলোৰলৈ নিলে।

এই বাক্যটোত নিলে ক্রিয়াপদৰ লগত আন পদবোৰৰ সম্পর্ক স্থাপিত হৈছে। এই সম্বন্ধই কাৰক। ডাক্তৰ, ৰোগীজনক, এৰোপ্লেনেৰে, গুৱাহাটীৰ পৰা, ভেলোৰলৈ প্রত্যেকেই একো একোটি কাৰক।

কোনে নিলে?	উত্তৰ	— ডাক্তৰে (কর্তা-কাৰক)
কাক নিলে?		— ৰোগীজনক (কর্ম-কাৰক)
কেনেকৈ নিলে?		— এৰোপ্লেনেৰে (কৰণ-কাৰক)
ক'ৰপৰা নিলে?		— গুৱাহাটীৰ পৰা (অপাদান কাৰক)
ক'লৈ নিলে?		— ভেলোৰলৈ (নিমিত্ত কাৰক)।

এনেদৰে ক্রিয়াপদৰ লগত হোৱা সম্বন্ধৰ ভিত্তিত অসমীয়া কাৰকক ছটা ভাগত ভগাব পাৰি।

১/৪	কর্তা-কাৰক	২/৪	কর্ম-কাৰক
৩/৪	কৰণ-কাৰক	৪/৪	নিমিত্ত-কাৰক
৫/৪	অপাদান কাৰক	৬/৪	অধিকৰণ-কাৰক

এতিয়া আন এটা উদাহৰণলৈ মন কৰা হওক — "এইটো মোৰ ঘৰ"। ইয়াত ঘৰ শব্দৰ লগত 'মোৰ' এটা সম্বন্ধ স্থাপিত হৈছে। কিন্তু ঘৰ শব্দটো ক্রিয়া পদ নহয়। নামপদহে। কাৰকৰ সূত্র অনুযায়ী ক্রিয়াপদৰ লগত আন পদৰ সম্বন্ধকহে কাৰক বোলে। 'ঘৰ' ক্রিয়াপদ নোহোৱা বাবে এনে সম্বন্ধক সম্বন্ধ পদ বোলা হয়। সম্বন্ধ পদক কাৰক বোলা নহয়। গতিকে অসমীয়া ভাষাত কাৰক ছটাহে।

অসমীয়া ভাষাত এই ছটা কাৰক আৰু 'সম্বন্ধ পদৰ বোধ জন্মাবৰ কাৰণে কিছুমান সর্গ আছে। এই সর্গবোৰক শব্দ বিভক্তি বা কাৰক বিভক্তি বোলা হয়। 'যিহৰ দ্বাৰা কাৰক আৰু সম্বন্ধ পদৰ বোধ জন্মে বা যিহৰ দ্বাৰা কাৰক আৰু সম্বন্ধ পদক চিনিব পাৰি, সেইটোৱেই শব্দবিভক্তি' বুলি উপেন্দ্র নাথ গোস্বামীয়ে কৈছে। অসমীয়াত শব্দ বিভক্তি ছবিধ ঃ প্রথমা, দ্বিতীয়া, তৃতীয়া, চতুর্থী, ষষ্ঠী আৰু সপ্তমী। সেইকেইটা হ'ল—

প্রথমা	—	এ
দ্বিতীয়া	—	ক
তৃতীয়া	—	ৰে
চতুর্থী	—	লৈ
ষষ্ঠী	—	ৰ

সপ্তমী — ত

অসমীয়া ভাষাত অপাদান কাৰক বুজাবলৈ পঞ্চমী বিভক্তি নাই। অপাদানৰ বোধ জন্মাবলৈ প্ৰয়োগ কৰা -'পৰা' এটা পৰসৰ্গহে। ষষ্ঠী -ৰ বিভক্তিৰ পিছত -'পৰা' যোগ দি অপাদানৰ অৰ্থ প্ৰকাশ কৰা হয়। তেনেদৰে কৰণ কাৰকৰ অৰ্থ প্ৰকাশ কৰিবলৈও ষষ্ঠী -ৰ বিভক্তিৰ পাছত দি, দ্বাৰা, হতুৱাই, সৈতে, জৰিয়তে অনুপদ ব্যৱহাৰ কৰা হয়।

কৰ্তা আৰু কৰ্ম কাৰকত কেতিয়াবা বিশেষ পৰিবেশ আৰু পৰিস্থিতিত কোনো বিভক্তি প্ৰত্যক্ষভাৱে যোগ নহয়। কিন্তু তেনেবোৰ বিভক্তিহীন পদে কৰ্তা আৰু কৰ্ম কাৰকৰ অৰ্থ প্ৰকাশ কৰে আৰু বাক্যত বিভক্তিযুক্ত পদৰ দৰে প্ৰয়োগ হয়। তেতিয়া সেই কাৰকত শূন্য বিভক্তি যোগ হোৱা বুলি ধৰা হয়। অসমীয়াত অপাদানৰ বাহিৰে প্ৰত্যেক কাৰকৰে নিজা বিভক্তি আছে। আকৌ একেটা বিভক্তিৰে বিভিন্ন কাৰকৰ অৰ্থও প্ৰকাশ কৰা হয়। অসমীয়াত দুটা উপায়েৰে কাৰক আৰু সম্বন্ধ শব্দক বুজাব পাৰি।

ক) শব্দ বিভক্তি যোগ কৰি আৰু

খ) সম্বন্ধ পদৰ ষষ্ঠী বিভক্তিৰ পিছত বিভিন্ন অনুপদ যোগ কৰি।

সম্বন্ধ পদকে ধৰি ছটা কাৰকত প্ৰয়োগ হোৱা কাৰকবিভক্তি আৰু অনুপদবোৰৰ তালিকা তলত দিয়া হ'ল।

কাৰক	**বিভক্তি**	**বিভক্তিৰ চিন**		**অনুপদ**
		ব্যঞ্জনান্ত শব্দত		**স্বৰান্ত শব্দত**
কৰ্তা	শূন্য বিভক্তি	-0		-0
	1ম	-এ	-এ	-ই
কৰ্ম	শূন্য	-0	-0	
	2য়া	-অক	-ক	
কৰণ	3য়া	-এৰে	ৰে	দি, দ্বাৰা, হতুৱাই, সৈতে, জৰিয়তে
নিমিত্ত	4র্থী	-অলৈ	-লৈ	
অপাদান	—	—	—	পৰা
অধিকৰণ	7মী	-অত	-ত	
সম্বন্ধ পদ	6ষ্ঠী	-অৰ	-ৰ	

কাৰক অনুযায়ী শব্দ বিভক্তি আৰু কাৰক বাচক অনুপদৰ প্ৰয়োগ।

কৰ্তা কাৰক

যি পদে ক্ৰিয়া সম্পাদন কৰে তাকে কৰ্তা কাৰক বোলে। কৰ্তা কাৰকত প্ৰথমা বিভক্তি লগ লাগে। প্ৰথমা বিভক্তিৰ চিন -এ, -ই, শূন্য (ϕ)। এ বা ই বিভক্তি ধ্বনি সাপেক্ষ ৰূপহে।

ল'ৰাই খেলি আছে।

গৰুৱে ঘাঁহ খাই আছে।

ইয়াত ল'ৰা আৰু গৰু শব্দত ক্ৰমে ই আৰু এ বিভক্তি লগ লাগিছে। আকৌ—

মানুহ মৰে। তেওঁ টোপনিয়াই আছে।

এই বাক্য দুটাৰ কর্তা হ'ল মানুহ আৰু তেওঁ। ইহঁতে কার্য সাধন কৰিছে যদিও বিভক্তিযুক্ত হোৱা নাই। বিভক্তি অবিহনে পদ গঠন হ'ব নোৱাৰে। সেয়ে ইয়াত শূন্য বিভক্তিযুক্ত হোৱা বুলি ধৰা হয়।

কর্ম কাৰক

কর্তাই যাৰ ওপৰত ক্ৰিয়া সম্পূর্ণ কৰে তাকে কর্ম কাৰক বোলা হয়। অর্থাৎ কর্তাই যি কৰে সেয়ে কর্ম। কর্ম কাৰক দ্বিতীয় বিভক্তি যোগ হয়। দ্বিতীয়া বিভক্তিৰ চিন হ'ল শূন্য, -অক, ক। ব্যঞ্জনান্ত শব্দৰ পিছত -অক আৰু স্বৰান্ত শব্দৰ পিছত -ক যোগ হয়। ইহঁত ধ্বনি সাপেক্ষ।

বাঘে গৰুজনী খালে।

মায়ে ভাত ৰান্ধিছে।

মই কিতাপ পঢ়িছো।

এই বাক্যকেইটাত কর্তাই গৰুজনী, ভাত, কিতাপৰ ওপৰত কার্য সম্পাদন কৰিছে। এই পদবোৰত কোনো বিভক্তি যোগ হোৱা নাই বাবে শূন্য বিভক্তি যোগ হোৱা বুলি কোৱা হয়। আকৌ—

পুলিচে চোৰটোক পিটিলে।

মই ভকতসকলক নিমন্ত্রণ জনাইছোঁ।

ইয়াত চোৰটো পদত -ক আৰু ভকতসকল পদত -অক বিভক্তি যোগ হৈছে।

কৰণ কাৰক

যাৰ বা যিহৰ দ্বাৰাই কর্তাই ক্ৰিয়া সম্পন্ন কৰে, সেইটোৱেই কৰণ কাৰক। কৰণ কাৰকত তৃতীয়া বিভক্তি যোগ হয়। তৃতীয়া বিভক্তিৰ চিন -এৰে, -ৰে। এই বিভক্তিৰ উপৰিও ষষ্ঠী বিভক্তি -ৰ লগ লগাৰ পিছত দি, দ্বাৰা, হতুৱাই, সৈতে, জৰিয়তে অনুপদ বহুৱাই কৰণ কাৰকৰ ভাব প্রকাশ কৰা হয়। উদাহৰণ—

মধুৰে চকুৰে নেদেখে।

জখলাৰে পাণ পাৰিছে।

ৰসগোল্লা গাখীৰেৰে তৈয়াৰ কৰা হয়।

উদাহৰণকেইটিত চকু, জখলা শব্দ স্বৰান্ত বাবে -ৰে আৰু গাখীৰ শব্দ ব্যঞ্জনান্ত হোৱা বাবে -এৰে বিভক্তি লগ লাগিছে। আকৌ—

তাৰ দ্বাৰা কামটো কৰা হ'ল।

হাতেদি কটা সূতা বৰ ভাল।

গৌতমৰ হতুৱাই কামটো কৰা হ'ল।

গৌতমৰ সৈতে ফুৰিবলৈ গ'লো।

গৌতমৰ জৰিয়তে চিঠিখন পঠালো। এই বাক্যকেইটিত অনুপদৰ জৰিয়তে কৰণ কাৰকৰ অর্থ প্রকাশ কৰা হৈছে।

নিমিত্ত কাৰক

অসমীয়াত উদ্দেশ্য, লক্ষ্য, দিশ, প্রতি, অভিমুখ নিমিত্ত আদি অর্থত ক্রিয়াৰ লগত কিছুমান শব্দৰ সম্পর্ক ঘটে। এইবোৰক নিমিত্ত কাৰক বোলা হয়। নিমিত্ত কাৰকত চতুর্থী বিভক্তি যোগ হয়। চতুর্থী বিভক্তিৰ চিন -অলৈ, লৈ। ব্যঞ্জনান্ত শব্দৰ পিছত -অলৈ আৰু স্বৰান্ত শব্দৰ পিছত -লৈ যোগ হয়। সংস্কৃতত সম্প্রদান কাৰক আছে। কাৰোবাক কোনো বস্তু দিয়াটোৱেই সম্প্রদান। অসমীয়াত সম্প্রদান কাৰক নাই। উদাহৰণ—

পৰীক্ষালৈ আৰু দহদিন আছে।

মই ঘৰলৈ যাওঁ।

ইয়াত স্বৰান্ত 'পৰীক্ষা' শব্দত -লৈ আৰু ব্যঞ্জনান্ত ঘৰ শব্দৰ পাছত -অলৈ যোগ হৈছে।

অপাদান কাৰক

যাৰ পৰা কোনো বস্তু পৃথক, ব্যাপ্তি, অপসৰণ, স্খলন অর্থ প্রকাশ পায় বা ভয় আদি ভাব জন্মে তাকে অপাদান কাৰক বোলে। অপাদান কাৰক অসমীয়াত আছে, কিন্তু কোনো নির্দিষ্ট বিভক্তি ইয়াত যোগ নহয়। পঞ্চমী বিভক্তি অসমীয়া ভাষাত নাই। অপাদান অর্থ প্রকাশ কৰিবলৈ ষষ্ঠী বিভক্তিৰ চিন -ৰ যোগ হয় আৰু তাৰ পিছত -পৰা পৰসর্গ যোগ হয়। উদাহৰণ—

বজাৰৰ পৰা মাছ অনা হৈছে।

ঘৰৰ পৰা কলেজলৈ খোজকাঢ়ি যাওঁ।

গুৱাহাটীৰ পৰা কলিকতালৈ ৰেলেৰে যাব পাৰি। ইত্যাদি।

প্রথমা -এ বিভক্তিৰেও অপাদানৰ অর্থ প্রকাশ কৰিব পাৰি। যেনে— ঘটনাটো তেওঁৰ মুখে (মুখৰ পৰা) সকলোৱে গম পালে।

অধিকৰণ কাৰক

যিহক আধাৰ বা আশ্রয় কৰি ক্রিয়া সম্পাদিত হয় তাক অধিকৰণ কাৰক বোলে। অধিকৰণ কাৰকত সপ্তমী বিভক্তি যোগ হয়। সপ্তমী বিভক্তিৰ চিন হ'ল -ত, -অত। ব্যঞ্জনান্ত শব্দৰ পিছত -অত আৰু স্বৰান্ত শব্দৰ পিছত -ত যোগ হয়। উদাহৰণ—

নদীত বান্ধ দিয়া হৈছে।

সাগৰত ছুনামিয়ে বহু ধ্বংস কৰিছে।

আঞ্জাত মছলা নহ'লে খাই ভাল নালাগে। ইত্যাদি।

কেতিয়াবা প্ৰথমা বিভক্তিৰ চিন -এ -ৰে সপ্তমী বিভক্তি বুজোৱা হয়। যেনে— বাটে বাটে ঘূৰি নুফুৰিবা। দেশে-বিদেশে বহুত ঘূৰিলো। অসমৰ উত্তৰে অৰুণাচল প্ৰদেশ।

সম্বন্ধ পদ

সম্বন্ধ পদ কাৰক নহয়। তথাপি ইয়াক কাৰকৰ শ্ৰেণীতে ধৰি আলোচনা কৰা হৈছে। যি পদৰ আন এটা পদৰ লগত সম্বন্ধ, স্বত্ব, গৰাকী, অধিকাৰ আদি ভাব বুজায় তাকে সম্বন্ধ পদ বোলে। যেনে—

এইখন মোৰ ঘৰ।

বজাৰত পিঁয়াজৰ আশী টকা কিলো।

তাৰ দেউতাক এজন খেতিয়ক।

এই বাক্যবোৰত মোৰ, পিঁয়াজৰ, তাৰ আদি শব্দত ষষ্ঠী বিভক্তিৰ চিন -অৰ, -ৰ যোগ হৈছে। স্বৰান্ত শব্দৰ পিছত -ৰ আৰু ব্যঞ্জনান্ত শব্দৰ পিছত -অৰ যোগ হয়।

ওপৰত কাৰক আৰু শব্দ বিভক্তিৰ প্ৰয়োগৰ আলোচনাত এটা কথা স্পষ্ট হৈছে যে বাক্যৰ গাঁথনিত এই বিভক্তিবিলাকৰ প্ৰয়োগ অপৰিহাৰ্য। এনেবোৰ বিভক্তি নহ'লে বাক্য শুদ্ধ হ'ব নোৱাৰে, সেয়ে অসমীয়া ভাষাত কাৰক ব্যাকৰণগত বিষয়। উদাহৰণ—

কটাৰীৰে তামোলখন কটা হ'ল।

এই বাক্যটোৰ কটাৰী শব্দত -ৰে বিভক্তি প্ৰয়োগ হৈছে। -ৰে বিভক্তি প্ৰয়োগ নহ'লে বাক্যটো হ'ব— কটাৰী তামোলখন কটা হ'ল। এনেকৈ ক'লে বা লিখিলে বাক্যটো শুদ্ধ নহ'ব বা অভিপ্ৰেত অৰ্থ নোলাব। সেয়ে বাক্যটো শুদ্ধ হ'বলৈ 'কটাৰীৰে' বুলি লিখিব লাগিব। ইয়াত কৰণ কাৰকৰ অৰ্থ প্ৰকাশিত হৈছে।

অসমীয়া ভাষাত এটা বিভক্তিৰ ঠাইত আন এটা বিভক্তিৰে কাম চলোৱা দেখা যায়। প্ৰথমা বিভক্তি -এ প্ৰয়োগ কৰি সপ্তমী বিভক্তি বুজোৱাৰ কথা ইতিমধ্যে উল্লেখ কৰি অহা হৈছে। এটা বিভক্তিৰ ঠাইত আন এটা বিভক্তিৰ প্ৰয়োগ অসমীয়া ভাষাৰ অন্যতম স্বতন্ত্ৰ বৈশিষ্ট্য।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ ক্ৰিয়াপদৰ লগত হোৱা সম্বন্ধৰ ভিত্তিত অসমীয়া কাৰকক কেইটা ভাগত ভগোৱা হয়?

.....

প্ৰশ্ন নং ৫ ঃ অপাদান কাৰক কাক বোলে?

.....



৬.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ আলোচনাত বচন, লিংগ, কাৰক আদিয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।
- সংস্কৃতৰ পৰা পালি, প্ৰাকৃতৰ মাজেদি বিকাশ লাভ কৰি অসমীয়া ভাষা উদ্ভৱ হৈছে। সংস্কৃতৰ কিছুমান ৰূপতত্ত্বৰ কথা অসমীয়াতো প্ৰযোজ্য হয়। তথাপি ৰূপতত্ত্বৰ উল্লিখিত বিষয়সমূহৰ আলোচনাত দেখা গ'ল যে অসমীয়া ভাষাত অনেক স্বতন্ত্ৰ বৈশিষ্ট্য আছে যিবোৰ সংস্কৃতত পাবলৈ নাই। যেনে— ব্যাকৰণগত বচন সংস্কৃতত আছে কিন্তু অসমীয়া ভাষাত নাই। অসমীয়া ভাষাৰ ৰূপতত্ত্বত আৰ্য ভিন্ন ভাষাৰ প্ৰভাৱ পৰিছে।



৬.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

1] কোঁৱৰ, অৰ্পণা [2002]Ê, *ভাষাবিজ্ঞান উপক্ৰমণিকা;* ডিব্ৰুগড় ঃ বনলতা।

2] গোস্বামী, উপেন্দ্ৰনাথ [1995]Ê, *ভাষাবিজ্ঞান;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

3] গোস্বামী, উপেন্দ্ৰনাথ [2001]Ê, *অসমীয়া ভাষাৰ ব্যাকৰণ;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

4] গোস্বামী, গোলোকচন্দ্ৰ [1987]Ê, *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ;* গুৱাহাটী।

5] দত্তবৰুৱা, ফণীন্দ্ৰনাৰায়ণ [2006]Ê, *আধুনিক ভাষাবিজ্ঞান পৰিচয়;* ডিব্ৰুগড় ঃ বনলতা।

6] দত্তবৰুৱা, ফণীন্দ্ৰনাৰায়ণ [2006]Ê, *প্ৰয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা;* ডিব্ৰুগড় ঃ বনলতা।

7] দেৱী, প্ৰণীতা [2007]Ê, *ভাষা বিজ্ঞানৰ জিলিকনি;* নলবাৰী (সৱনৰ্দী) ঃ হীৰেন্দ্ৰনাথ শৰ্মা (প্ৰকাশক)।

8] পাঠক, ৰমেশ [1998]Ê, *ব্যাকৰণ আৰু প্ৰাকৃতি বিজ্ঞান;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

9] পাঠক, ৰমেশ [2000]Ê, *ভাষা বিজ্ঞানৰ ভূমিকা;* গুৱাহাটী ঃ নেচনেল প্ৰিণ্টাৰ্চ।

10] ফুকন পাটগিৰি, দীপ্তি [1991]Ê, *ভাষাতত্ত্ব;* গুৱাহাটী ঃ বনলতা।

11] বৰা, লীলাৱতী শইকীয়া [2006]Ê, *অসমীয়া ভাষাৰ ৰূপতত্ত্ব;* গুৱাহাটী ঃ বনলতা।

12] বৰা, লীলাৱতী শইকীয়া [2002]Ê, *সংস্কৃত-পালি-প্ৰাকৃত আৰু অসমীয়া ব্যাকৰণ;* গুৱাহাটী ঃ বনলতা।


13] মহন্ত, বিপুল কুমাৰ [1992]Ê, *ভাষাবিজ্ঞানৰ পৰিচয়;* ডিব্ৰুগড় ঃ বনলতা।

14] হাজৰিকা, লক্ষী [2006] Ê, *ভাষাবিজ্ঞান আৰু অসমীয়া ভাষাবিজ্ঞান পৰিচিতি;* গুৱাহাটী ঃ আশা বুক ষ্টল।

ইংৰাজী গ্ৰন্থ ঃ

15] Crystal, D. (1985); *Linguistics*; England: Clays Ltd. st. Ives plc.

16] Kakati, B. (2007). *Assamese ItsFormation and Development*, Guwahati: Layers' Book Stall.



৬.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃনাই।

২ নং প্ৰশ্নৰ উত্তৰ ঃ অসমীয়া ভাষাত ব্যাকৰণগত বিষয়ৰ (Grammatical Category) তালিকাত লিংগক ধৰা নহয়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ অসমীয়া ভাষাত কেতবোৰ বিশেষ্য আৰু সর্বনাম শব্দ আছে, যিবোৰ শব্দৰ দ্বাৰা পুৰুষ বা স্ত্ৰীৰ ধাৰণা কৰিব নোৱাৰি, এইবোৰক লিংগ নিৰপেক্ষ ৰূপ বোলা হয়।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ক্ৰিয়াপদৰ লগত হোৱা সম্বন্ধৰ ভিত্তিত অসমীয়া কাৰকক ছটা ভাগত ভাগ কৰা হয়।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ যাৰ পৰা কোনো বস্তু পৃথক, ব্যাপ্তি, অপসৰণ, স্খলন অর্থ প্ৰকাশ পায় বা ভয় আদি ভাব জন্মে তাকে অপাদান কাৰক বোলে।



৬.৭ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

ক) বচন কাক বোলে?

খ) কাৰক বুলিলে কি বুজে?

গ) লিংগ কাক বোলে?

চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অসমীয়া ভাষাত বচন নিৰ্ণয় কেনেদৰে কৰা হয়, আলোচনা কৰক।

প্ৰশ্ন ২ ঃ অসমীয়া ভাষাৰ লিংগভেদ সম্পৰ্কে আলোচনা কৰক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অসমীয়া ভাষাৰ বচন সম্পৰ্কে উদাহৰণসহ আলোচনা কৰক।

প্ৰশ্ন ২ ঃ অসমীয়া ভাষাত কি কি উপায়েৰে বহুবচন বুজাব পাৰি?

প্ৰশ্ন ৩ ঃ অসমীয়া ভাষাত দ্বিবচন আছেনে? দ্বিবচনৰ অৰ্থ কেনেদৰে প্ৰকাশ কৰা হয়, আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ অসমীয়া ভাষাত লিংক কেইটা আৰু কি কি? আলোচনা কৰক।

প্ৰশ্ন ৫ ঃ অসমীয়া ভাষাত পুংলিংগ সাধনৰ উপায়সমূহ কি কি আলোচনা কৰক।

প্ৰশ্ন ৬ ঃ অসমীয়া ভাষাত স্ত্ৰী প্ৰত্যয় কেইটা? কি কি? স্ত্ৰী লিংগ সাধনৰ উপায়সমূহ আলোচনা কৰক।

প্ৰশ্ন ৭ ঃ কাৰক কাক বোলে? অসমীয়া ভাষাত কাৰক কেইটা আৰু কি কি? কাৰক আৰু শব্দ বিভক্তিৰ সম্পৰ্ক নিৰ্ণয় কৰক।

*** ***** ***

অধ্যায় ৭ ঃ অসমীয়া ভাষাৰ ৰূপতত্ত্ব — ৩

অধ্যায় গাঁথনি

7.1 উদ্দেশ্য

7.2 পৰিচয়

7.3 অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ কেইটামান দিশ

7.3.1 বিশেষণ আৰু বিশেষণৰ তুলনা

7.3.2 সর্বনাম আৰু সর্বনামীয় ৰূপ

7.3.3 ক্রিয়া

7.4 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

7.5 অধিক জানিবলৈ

7.6 অগ্রগতিৰ খতিয়ান

7.7 আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বিশেষণৰ সাধাৰণ পৰিচয় লাভৰ লগতে বিশেষণৰ শ্রেণীবিভাজন সম্বন্ধে আলোচনা কৰিব পাৰিব
- সর্বনাম আৰু সর্বনামীয় ৰূপ সম্বন্ধে ধাৰণা লাভ কৰিব পাৰিব
- অসমীয়া ক্রিয়াৰূপৰ বিষয়ে বিস্তৃত ধাৰণা লাভ কৰিব পাৰিব।

৭.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায় তিনিটাত আপুনি ৰূপতত্ত্বৰ সাধাৰণ পৰিচয় লাভ কৰাৰ লগতে অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ দুটামান দিশ সম্পর্কে অৱগত হ'ল। অধ্যায় 6–ত অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ অন্তর্গত বচন, লিংগ, কাৰক সম্পর্কে বহলাই আলোচনা কৰিলোঁ। এই অধ্যায়টিত বিশেষণ আৰু বিশেষণৰ তুলনা, সর্বনাম আৰু সর্বনামীয় ৰূপ, ক্রিয়া — এই দিশকেইটাৰ বিষয়ে চমুকৈ আলোকপাত কৰিম। এই অধ্যায়টিৰ আলোচনাত সন্নিৱিষ্ট হোৱা বিষয়সমূহে অসমীয়া ব্যাকৰণৰ লগত জড়িত এই দিশ কেইটাৰ সামগ্রিক ধাৰণা লাভ কৰাত আপোনাক সহায় কৰিব।

৭.৩ অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ কেইটামান দিশ

বিশেষণ আৰু বিশেষণৰ তুলনা, সর্বনাম আৰু সর্বনামীয় ৰূপ, ক্রিয়া আদি ৰূপতত্ত্বৰ

লগত সম্পর্কিত দিশ আন কেইটামান দিশ। তলত অসমীয়া ভাষাৰ এই দিশসমূহৰ বিষয়ে আলোচনা দাঙি ধৰা হ'ল।

৭.৩.১ বিশেষণ আৰু বিশেষণৰ তুলনা

বিশেষণ হ'ল নাম পদৰ এটি বিভাগ। বিভক্তি যুক্ত হোৱা আৰু নোহোৱাৰ ওপৰত ভিত্তি কৰি পদক দুটা ভাগত ভগোৱা হয়— অব্যয় আৰু সব্যয়। অব্যয় পদত বিভক্তি যোগ নহয়। সব্যয় পদক বিভক্তি গ্রহণৰ প্রকাৰ লৈ দুটা ভাগত ভগোৱা হয়— নামপদ আৰু ক্রিয়াপদ। নামপদক ইহঁতৰ প্রয়োগ আৰু স্বকীয় বৈশিষ্ট্যলৈ লক্ষ্য ৰাখি তিনিটা ভাগত ভগোৱা হয় — বিশেষ্য পদ, সর্বনাম পদ আৰু বিশেষণ পদ।

যি পদে আন পদৰ বিষয়ে বিশেষকৈ বুজায় বা বিশেষ কিবা দোষ-গুণ আদি প্রকাশ কৰে, তেনে পদকে বিশেষণ পদ বোলে। উদাহৰণ — বিশুদ্ধ বায়ু স্বাস্থ্যৰ বাবে উপকাৰী, গায়কজনে শুৱলা গীত গাইছে। ইয়াত বিশুদ্ধ, শুৱলা শব্দদুটা বিশেষণ শব্দ। ইহঁতে ক্রমে বায়ু আৰু গীত পদক বিশেষকৈ বুজাইছে।

মন কৰিবলগীয়া কথা যে অসমীয়া ভাষাত বিশেষণ পদৰ ৰূপ নহয়। অর্থাৎ ইহঁত অব্যয় পদৰ দৰে অর্থাৎ বিশেষণ পদত কোনো বিভক্তি লগত নালাগে। উল্লিখিত বাক্যবোৰৰ বিশেষণ পদত কেতিয়াও বিভক্তি যুক্ত নহয়। বিশেষণত নাম বিভক্তি যোগ হ'লে সেইবোৰ নামপদৰ দৰে ব্যৱহাৰ হয়। যেনে— ছোৱালীজনী ভালত পৰিছে, ভাললৈ চাওঁতে কালহে হ'ল। এইবোৰ বিশেষণত বিভক্তি প্রয়োগ হোৱাৰ লগে লগে ইহঁত বিশেষ্য পদৰ দৰে হৈছে।

বাক্যত বিশেষণৰ স্থান আৰু আন পদৰ লগত থকা সম্পর্কৰ দিশলৈ চাই বিশেষণক মুখ্যতঃ চাৰিটা ভাগত ভগাব পাৰি। যথা — বিশেষ্যৰ বিশেষণ, সর্বনামৰ বিশেষণ, বিশেষণীয় বিশেষণ বা বিশেষণৰ বিশেষণ আৰু ক্রিয়া বিশেষণ।

উল্লেখযোগ্য যে ভাষাবিদ গোলোকচন্দ্র গোস্বামীয়ে বিশেষণক তিনিটা ভাগত ভগাইছে। তেওঁ বিশেষ্যৰ বিশেষণ আৰু সর্বনামৰ বিশেষণক একেলগে নাম বিশেষণ বা বিশেষ্য-সর্বনামৰ বিশেষণ হিচাপে আলোচনা কৰিছে।

- *বিশেষ্যৰ বিশেষণ ঃ* যিবোৰ বিশেষণ পদ সাধাৰণতে বিশেষ্য পদৰ আগত বহি ইহঁতৰ গুণ-দোষ, অৱস্থা, পৰিমাণ, সংখ্যা আদি বুজায় সেইবোৰেই বিশেষ্যৰ বিশেষণ। উদাহৰণ— চেঁচা বতাহ, গৰম দিন, বগা কাপোৰ, স্বদেশী কাপোৰ, বিদেশী বস্ত্র ইত্যাদি। ইয়াত বিশেষণ পদবোৰে বিশেষ্য পদটোৰ বিষয়ে কিবা এটা ব্যক্ত কৰিছে। কেতিয়াবা বিশেষ্যৰ বিশেষণ পদটো নাম পদৰ পিছতো বহে। যেনে— কুকুৰ বৰ প্রভুভক্ত প্রাণী, মানুহজনী সাংঘাটিক চুৰুণী। এই বাক্যবোৰত ব্যৱহাৰ হোৱা বিশেষণবোৰ বাক্যত থকা বিশেষ্যৰ পৰা পিছফালে আৰু আঁতৰি বহিছে। এনেকৈ নামপদৰ পৰা আঁতৰি বহা বিশেষণ পদক বিধেয় বিশেষণ বোলে।

- *সৰ্বনামৰ বিশেষণ ঃ* সৰ্বনামৰ গুণ, দোষ, অৱস্থা আদি বুজোৱা বিশেষণবোৰেই সৰ্বনামৰ বিশেষণ। সৰ্বনামৰ বিশেষণ সাধাৰণতে সৰ্বনামৰ পিছত বহে। সেই কাৰণে সৰ্বনামৰ বিশেষণক বিধেয় বিশেষণ বোলে। উদাহৰণস্বৰূপে — আপুনি উদাৰ, তই ভীৰু ইত্যাদি। কেতিয়াবা আবেগত কোৱা কথাত সৰ্বনামৰ আগতো সৰ্বনামৰ বিশেষণ বহে। যেনে— মহা বলৱান তেওঁ, অতি সাহসী তোমালোক। আকৌ সমাস হৈ সাধিত হোৱা সমস্ত পদত বিশেষণ পদটো কেতিয়াবা বিশেষ্যৰ পিছতে লগ লাগে। যেনে— নক্ষত্ৰ-বিশেষ, সচিব-প্ৰধান, সময়-বিশেষ ইত্যাদি।
- *বিশেষণীয় বিশেষণ ঃ* কিছুমান বিশেষণে অন্য বিশেষণৰ গুণ, দোষ, অৱস্থা আদি বুজায়। এনেবোৰ বিশেষণক বিশেষণীয় বিশেষণ বোলা হয়। উদাহৰণ— মানুহজন অতিপাত খঙাল, অতি শান্ত ছোৱালীজনী। এই বাক্যকেইটিত অতিপাত, অতি বিশেষণকেইটাই ক্ৰমে— খঙাল, শান্ত বিশেষণক বিশেষকৈ বুজাইছে। গতিকে অতিপাত, অতি হ'ল বিশেষণীয় বিশেষণ।

  বিশেষণীয় বিশেষণে ক্ৰিয়া বিশেষণকো বিশেষকৈ দেখুৱায়। যেনে— মানুহজনে বৰ শুৱলাকৈ ভাষণ দিয়ে। ইয়াত 'বৰ' পদে 'শুৱলাকৈ ভাষণ দিছে' পদক বিশেষকৈ বুজাইছে। কেতিয়াবা একাধিক বিশেষণৰো একেলগে প্ৰয়োগ হয়। যেনে— বৰ বেছি বুধিয়ক মানুহ, অত্যন্ত সৎসাহসী লোক।
- *ক্ৰিয়া বিশেষণ ঃ* ক্ৰিয়াৰ গুণ, লক্ষণ, সময়, ঠাই আদি বুজোৱা শব্দবোৰেই ক্ৰিয়া বিশেষণ। যেনে— খৰকৈ খোৱা বেয়া, বেগাই খোজ কাঢ়িবা। ইয়াত খৰকৈ, বেগাই বিশেষণে ক্ৰিয়া পদৰ গুণ, অৱস্থা আদি বুজাইছে। নাম বিশেষণৰ পিছত -এ, -এৰে, -আই যোগ দিলে ক্ৰিয়া বিশেষণ হয়। যেনে— ভালে আছানে? কুশলে থাকা। উদাহৰণকেইটিত ভাল, কুশলত ক্ৰমে -এ, -এ যোগ হৈছে। নাম বিশেষণৰ পিছত -কৈ অনুসৰ্গ যোগ কৰিও ক্ৰিয়া-বিশেষণ কৰা হয়। যেনে— বেছিকৈ ল'লে, পলমকৈ আহিল, ভুলকৈ ক'লে ইত্যাদি। দ্বিৰুক্তি যোগেও ক্ৰিয়া-বিশেষণ হয়। যেনে— লাহে লাহে আহা, খৰ খৰকৈ পঢ়া ইত্যাদি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ বিশেষণীয় বিশেষণ কাক বোলে?

.....

.....

দুটা বা তাতকৈ অধিক বস্তু বা প্ৰাণীৰ মাজত তুলনা কৰি এটা আনটোতকৈ বা আন সকলোতকৈ উৎকৃষ্ট বা নিকৃষ্ট বুলি দেখুৱাবলৈ অসমীয়া ভাষাত কেতবোৰ নিয়ম আছে। এই নিয়ম প্ৰত্যেক ভাষাতে বিদ্যমান। সংস্কৃত ভাষাত বিশেষণ শব্দত -তৰ,

-তম, -ইষ্ঠ প্রত্যয় যোগ দি দুটা বা বহুতৰ মাজত তুলনা কৰা হয়। যেনে—

	বিশেষণ দুটাৰ মাজত তুলনা	বহুতৰ মাজত তুলনা
বৃহৎ	বৃহত্তৰ	বৃহত্তম
গুৰু	গুৰুতৰ	গুৰুতমগ্রিষ্ঠ
ক্ষুদ্র	ক্ষুদ্রতৰ	ক্ষুদ্রতম ইত্যাদি।

অসমীয়া ভাষাতো যিবোৰ বিশেষণ শব্দ সংস্কৃতৰ পৰা আহিছে সেইবোৰ তৎসম বিশেষণ শব্দৰ সংস্কৃতৰ নিয়মেৰে তুলনা কৰা হয়। অৱশ্যে এই নিয়ম অসমীয়াত বেছি কটকটীয়া নহয়।

অসমীয়া ভাষাত দুটাৰ মাজত তুলনা বুজাবলৈ হ'লে যাৰ লগত তুলনা কৰা হয়, সেই প্রাণীবাচক বা অপ্রাণীবাচক শব্দটোৰ অধিকৰণ কাৰকৰ ৰূপৰ পিছত -কৈ প্রত্যয় যোগ দি তাৰ পিছত বিশেষণটো ব্যৱহাৰ কৰা হয়। যেনে— যাদৱতকৈ প্রকাশ সৰু। কেতিয়াবা এটাতকৈ আনটোত বেছি থকা বুজাবলৈ -কৈ প্রত্যয়ান্ত ৰূপৰ আগত বা পিছত ব্যৱহৃত তুলনীয় নামপদটোত ষষ্ঠী -ৰ বা সপ্তমী -ত প্রত্যয় যোগ হয়। যেনে— গৰুতকৈ ম'হৰ শক্তি বেছি।

কেতিয়াবা ইংৰাজী ভাষাৰ অনুকৰণত আপেক্ষিকভাৱে, তুলনামূলকভাৱে 'তুলনাত' পদে�ৰেও দুটাৰ মাজত তুলনা বুজোৱা হয়। যেনে— ডিব্রুগড়তকৈ গুৱাহাটী আপেক্ষিকভাৱে আগবঢ়া, তেজপুৰৰ তুলনাত গুৱাহাটী বেছি অপৰিষ্কাৰ।

বিধেয় ৰূপে শেষত বহা বিশেষণৰ আগত অর্থ অনুসৰি বহুত, অনেক, অধিক, অত্যন্ত, বেছি, অলপ, কম, ভালেখিনি ইত্যাদি বিশেষণ ব্যৱহাৰ কৰা হয়। যেনে— কাছতকৈ শহা বহুত বেগী, যদু মধুতকৈ অলপ ওখ।

কেতিয়াবা বহলাই বুজাই দিও তুলনা প্রকাশ কৰা হয়। যেনে— ৰামায়ণ আৰু মহাভাৰতৰ ভিতৰত ৰামায়ণেই বেছি পুৰণি। যদু আৰু মধুৰ ভিতৰত মধু বেছি ভাল।

বহুতৰ মাজত তুলনা বুজাবলৈ 'আটাই' আৰু 'সকলো' শব্দত অধিকৰণ কাৰকৰ -ত যোগ দি তাৰ পিছত -কৈ যোগ দিয়া হয়। যেনে — এইটো আটাইতকৈ বগা বা আটাইতকৈ এইটো বগা।

কেবাটাও বিশেষ্য একেলগে ব্যৱহাৰ কৰি শেষৰটোত ষষ্ঠী বিভক্তি -ৰ ব্যৱহাৰ কৰি তাৰ পিছত 'ভিতৰত', 'মাজত' পদ বহুওৱা হয়। তাৰ পিছত তুলনীয় পদটো বহুওৱা হয়। বিশেষণীয় পদটো একেবাৰে পিছত বহে। যেনে— প্রাগজ্যোতিষ কলেজ, গুৱাহাটী কলেজ, কটন কলেজৰ ভিতৰত কটনকলেজেই পুৰণি।

দুটা বিশেষণ পদ একেলগে ব্যৱহাৰ কৰি প্রথমটোত ষষ্ঠী -ৰ আৰু -ও প্রত্যয়ান্ত কৰি বহুতৰ মাজত তুলনা কৰিব পাৰি। যেনে— ভালৰো ভালখিনি আনিবা।

কেতিয়াবা বিশেষণৰ পিছত -ত বিভক্তি আৰু -কৈও প্রত্যয় যোগ দি বহুতৰ মাজত তুলনা কৰা হয়। যেনে— সৰুতকৈয়ো সৰু হৈ কথাখিনি ক'বা।

সাদৃশ্য বা সমান ভাব বুজাবলৈয়ো তুলনা কৰা হয়। যাৰ লগত তুলনা কৰা হয়, তাৰ পিছত ষষ্ঠী -ৰ বিভক্তি যোগ কৰি দৰে, নিচিনা অনুপদ যোগ কৰা হয়। যেনে— সিংহৰ দৰে গোঁজৰণি, চেনিৰ দৰে মিঠা।

কেতিয়াবা 'হেন' অনুপদ বহুওৰা হয়, তেতিয়া ষষ্ঠী -ৰ বিভক্তি নবহে। যেনে— ভীমহেন বলবান, পানীহেন দাম।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ খালি ঠাই পূৰণ কৰক—

(ক) অসমীয়া ভাষাত দুটাৰ মাজত তুলনা বুজাবলৈ হ'লে যাৰ লগত তুলনা কৰা হয়, সেই প্রাণীবাচক বা অপ্রাণীবাচক শব্দটোৰ অধিকৰণ কাৰকৰ ৰূপৰ পিছত ..... যোগ দি তাৰ পিছত বিশেষণটো ব্যৱহাৰ কৰা হয়।

(খ) দুটা বিশেষণ পদ একেলগে ব্যৱহাৰ কৰি প্রথমটোত ষষ্ঠী -ৰ আৰু .....কৰি বহুতৰ মাজত তুলনা কৰিব পাৰি।

৭.৩.২ সর্বনাম আৰু সর্বনামীয় ৰূপ

সর্বনাম হ'ল নাম পদৰ এটি বিভাগ। বিশেষ্যৰ সলনি ব্যৱহাৰ হোৱা পদবোৰেই সর্বনাম। সর্ব অর্থাৎ সকলো নাম বা বিশেষ্যৰ সলনি ব্যৱহৃত হয় কাৰণেই এই নাম পদক সর্বনাম বোলা হয়। উদাহৰণ—'গোপীনাথ বৰদলৈ সভালৈ আহিছিল। তেওঁ ভাষণ প্রদান কৰিছিল।' ইয়াত দ্বিতীয়টো বাক্যত 'গোপীনাথ বৰদলৈ'ৰ ঠাইত 'তেওঁ' প্রয়োগ হৈছে। এইবোৰ সর্বনাম।

সর্বনাম পদক প্রধানকৈ তিনিটা ভাগত ভগাব পাৰি — ব্যক্তিবাচক সর্বনাম, সাকল্যবাচক সর্বনাম, তদর্থক সর্বনাম।

- *ব্যক্তিবাচক সর্বনাম ঃ* যিবোৰ সর্বনামে ব্যক্তি অর্থাৎ মানুহ অথবা প্রাণীক বুজায় সেইবোৰক ব্যক্তিবাচক সর্বনাম বোলে। ব্যক্তিবাচক সর্বনাম তিনি প্রকাৰৰ — উত্তম পুৰুষৰ (প্রথম পুৰুষ) সর্বনাম, দ্বিতীয় পুৰুষৰ সর্বনাম আৰু নাম পুৰুষৰ (তৃতীয় পুৰুষ) সর্বনাম। ব্যক্তিবাচক সর্বনামবোৰৰ একবচন আৰু বহুবচনৰ ৰূপ পোৱা যায়।

পুৰুষ	**একবচন**	**বহুবচন**
উত্তম পুৰুষ (প্রথম পুৰুষ)	মই	আমি
মধ্যম পুৰুষ (মান্য)	তুমি	তোমালোক
মধ্যম পুৰুষ (তুচ্ছ)	তই	তহঁত

উত্তম পুৰুষ (প্রথম পুৰুষ) আৰু দ্বিতীয় পুৰুষৰ বাহিৰে আন সকলোবোৰ

নাম পুৰুষ। যেনে—	**একবচন**	**বহুবচন**
	আপুনি	আপোনালোক, আপোনাসকল
	এওঁ	এওঁলোক
	তেওঁ	তেওঁলোক, তেওঁবিলাক
	কোন	কোনবিলাক, কোনবোৰ

উত্তমপুৰুষ, দ্বিতীয় পুৰুষ আৰু নাম পুৰুষৰ সর্বনামবোৰৰ ভিতৰত মই, তই, তুমি, আপুনি, সি, তাই, তেওঁ, তেখেত, আমি— এই সর্বনামবোৰ কর্তা কাৰকৰ। ইয়াৰ প্রথমা বিভক্তি যোগ নহয়। এইবোৰত শূন্য বিভক্তি যোগ হোৱা বুলি ধৰা হয়। আনহাতে এই ৰূপবোৰৰ তীর্যক ৰূপত কর্তাৰ বাহিৰে সকলো কাৰক বিভক্তি লগ লাগে। যেনে—

কর্ম	ঃ	মোক, তোক, তোমাক, আপোনাক, তাক।
কৰণ	ঃ	মোৰ দ্বাৰা, তোৰ দ্বাৰা, তোমাৰ দ্বাৰা, আপোনাৰ দ্বাৰা, তাৰ দ্বাৰা।
নিমিত্ত	ঃ	মোলৈ, তোলৈ, তোমালৈ, আপোনালৈ, তালৈ।
অপাদান	ঃ	মোৰ পৰা, তোৰ পৰা, তোমাৰ পৰা, আপোনাৰ পৰা, তাৰ পৰা।
অধিকৰণ	ঃ	মোত, তোত, তোমাত, আপোনাত, তাত।
সম্বন্ধ	ঃ	মোৰ, তোৰ, তোমাৰ, আপোনাৰ, তাৰ।

- *সাকল্যবাচক সর্বনাম ঃ* সকলো, সমূহ বা সমষ্টি বুজাবলৈ ব্যৱহাৰ হোৱা সর্বনাম পদক সাকল্যবাচক সর্বনাম বোলে। বহুতো প্রাণী বা বস্তুৰ নামৰ সলনি এই সর্বনাম ব্যৱহৃত হয়। অসমীয়াত এনে সর্বনাম সাতটা। সকলো, সমূহ, উভয়, আটাই, গোটেই, সব আৰু সদৌ। এইবোৰ বহুবচন বাচক। তথাপি সকলোবোৰ, সকলোবিলাক, আটাইবোৰ, আটাইবিলাক আদি ৰূপৰো প্রয়োগ হয়। আন উদাহৰণ— উভয়লৈ, উভয়কে, আটায়ে, সমূহকে, গোটেইমখা, গোটেইটো, সবেই, সবাতো, সবাৰো, সবাতো, সদৌটি, সদৌটিলৈ ইত্যাদি।
- *তদর্থক সর্বনাম ঃ* অসমীয়া ভাষাত কিছুমান সর্বনামৰ আদিতে স- বা ত-, য- আৰু ক- থাকি বেলেগ বেলেগ অর্থ প্রকাশ কৰে। স- আৰু ত-ৰ অর্থ দূৰ বা পৰোক্ষ, য-ৰ অর্থ সংগতিসূচক আৰু ক-ৰ অর্থ প্রশ্নবোধক বা অনিশ্চয়ার্থক। সর্বনামটোৰ আদিতে লগ লগা উপসর্গটোৰ অর্থকে প্রকাশ কৰে কাৰণে তদর্থক সর্বনাম বোলা হয়। তদ্ মানে সি বা সেইটো, অর্থাৎ উপসর্গটো। উপসর্গটোৰ অর্থই বলাই নিয়ে কাৰণে এই সর্বনামবোৰৰ এনে নাম দিয়া হৈছে। তদর্থক সর্বনামবোৰ হ'ল —

প্রত্যক্ষ	পৰোক্ষ	সংগতিসূচক	প্রশ্নবোধক	অনিশ্চয়ার্থ
	স-বা ত-	য-	ক-	-বা
ই	সি	যি	কি	কিবা
	তিহ	যিহ	কিহ	কিহবা
ইমান	সিমান	যিমান	কিমান	কিছুমান
এই	সেই	যেই	কেই	কেইবা
	সৌ			
এতিয়া	তেতিয়া	যেতিয়া	কেতিয়া	কেতিয়াবা
অথনি	তাহানি	যেতিয়া	কাহানি	কাহানিবা
এতেক	তেতেক	যেতেক	কেতেক	
এনি	তেনি	যেনি	কেনি	কেনিবা
এনে	তেনে	যেনে	কেনে	কেনেবা
এনেকৈ	তেনেকৈ	যেনেকৈ	কেনেকৈ	কেনেবাকৈ
এনেকুৰা	তেনেকুৰা	যেনেকুৰা	কেনেকুৰা	
এনেকুৰাকৈ	তেনেকুৰাকৈ	যেনেকুৰাকৈ	কেনেকুৰাকৈ	

তদর্থক সর্বনামবোৰৰ—

- ই, সি, যি পদে মানুহক বা অচেতন পদার্থক বুজায়।
- ইমান, সিমান, যিমান, কিমান, কিছুমান পদে পৰিমাণ বুজায়।
- এতেকে, তেতেকে, যেতেক, কেতেক সর্বনামেও পৰিমাণ বুজায়।
- এই, সেই, সৌ, যেই, কেই, কেইবা সর্বনামৰ পিছত -টো, -খন, -জন আদি উপশব্দ যোগ হয়। যেনে— এইখন, সৌখন, এইজন ইত্যাদি।
- এতিয়া, তেতিয়া, কেতিয়া, যেতিয়া, কেতিয়াবা, অথনি, তাহানি, কাহানি পদে সময় বা কাল বুজায়।
- এনি, তেনি, যেনি, কেনি, কেনিবা পদে দিশ বুজায়। দিশ বুজোৱা এই সর্বনামবোৰ অব্যয়।
- এনে, তেনে, যেনে, যেন, কেনে, কেনেবা পদে ধৰণ বুজায়।
- এনেকুৰা, এনেকুৰাকৈ, তেনেকুৰা, তেনেকুৰাকৈ, যেনেকুৰা, যেনেকুৰাকৈ, কেনেকুৰা, কেনেকুৰাকৈ আদি পদেও ধৰণকে বুজায়। এই সর্বনামবোৰো অব্যয়।

গোলোক চন্দ্র গোস্বামীয়ে তেওঁৰ *অসমীয়া ব্যাকৰণ প্রৱেশ* গ্রন্থত সর্বনামক এই তিনিটা ভাগত ভাগ কৰিছে। আকৌ লীলাৱতী শইকীয়া বৰাই তেওঁৰ *অসমীয়া ভাষাৰ ৰূপতত্ত্ব*গ্রন্থত সর্বনামক সাতটা ভাগত ভগাইছে। তেওঁ কৰা বিভাজনকেইটা হ'ল— ব্যক্তিবাচক সর্বনাম, নির্দেশক সর্বনাম, সাকল্যবাচক সর্বনাম, সংগতিসূচক

সর্বনাম, অনিশ্চয় বা অনির্দিষ্টতাবাচক সর্বনাম, প্রশ্নবাচক সর্বনাম আৰু আত্মবাচক সর্বনাম। অৱশ্যে এই সাতটা ভাগকে গোলোক চন্দ্র গোস্বামীৰ সর্বনামৰ তিনিটা বিভাগে সামৰি লয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ সাকল্যবাচক সর্বনাম কাক বোলে?

.....

৭.৩.৩ ক্রিয়া

ক্রিয়া হ'ল সব্যয় পদৰ এটি বিভাগ। যিবোৰ পদে কোনো কার্য কৰা, ঘটা, হোৱা, নাইবা কৰি থকা, ঘটি থকা, হৈ থকা, নতুবা এইবোৰৰ নেতিবাচক অর্থ বুজায়, সেইবোৰকে ক্রিয়াপদ বোলে। উদাহৰণ— মই পঢ়োঁ, মই পঢ়িছোঁ, মই লিখি লিখি পঢ়িম। বাক্যকেইটিত মই সর্বনামৰ বাহিৰে বাকীবোৰ ক্রিয়াপদ।

ক্রিয়াৰ আলোচনাত বা ক্রিয়াৰ লগত ৰূপতত্ত্বৰ কেইবাটাও দিশ জড়িত হৈ থাকে। সেইকেইটা হ'ল— ধাতু, পুৰুষ, কাল, ভাব (mood) আৰু বাচ্য। এইকেইটাৰ আলোচনা অবিহনে ক্রিয়াৰ আলোচনা সম্পূর্ণ নহয়।

সকলো ক্রিয়াপদকে ইহঁতৰ ৰূপ আৰু অর্থৰ ভিত্তিত দুটা বহল ভাগত ভগাব পাৰি। যেনে— সমাপিকা ক্রিয়া আৰু অসমাপিকা ক্রিয়া।

➢ *সমাপিকা ক্রিয়া* ঃ যিবোৰ ক্রিয়াপদে বাক্যৰ গঠন আৰু অর্থ সম্পূর্ণ কৰিব পাৰে, সেইবোৰকে সমাপিকা ক্রিয়া বোলে। যেনে— মই লিখি শেষ কৰিলোঁ। ইয়াত 'কৰিলোঁ' ক্রিয়াপদে লিখা কাম সম্পূর্ণ হোৱা বুজাইছে। গতিকে ই সমাপিকা ক্রিয়া। সমাপিকা ক্রিয়াত সদায় পুৰুষবাচক বিভক্তি লগ লাগে। সেয়ে পুৰুষৰ বিভক্তিযুক্ত ক্রিয়াপদকে সমাপিকা ক্রিয়া বোলে। সমাপিকা ক্রিয়াক সাধ্যা ক্রিয়াও বোলে। প্রসংগক্রমে উল্লেখযোগ্য যে কেতিয়াবা সমাপিকা ক্রিয়া অসমাপিকা ক্রিয়া হিচাপেও প্রয়োগ হ'ব পাৰে। যেনে— আপুনি যাওঁ যাওঁ বুলি ইমান দেৰি কৰিলে। এই বাক্যটোত 'যাওঁ যাওঁ' ক্রিয়াটি পুৰুষৰ বিভক্তি লগ লাগিছে বাবে ইহঁত সমাপিকা ক্রিয়া হয় যদিও বাক্য শেষ কৰিব পৰা নাই। বাক্য শেষ কৰিবৰ বাবে অন্য সমাপিকা ক্রিয়াৰ সহায় লোৱা হৈছে।

বাক্য একোটাত ক্রিয়াৰ কর্ম থকা বা নথকা অনুযায়ী সমাপিকা ক্রিয়া দুবিধ — সকর্মক ক্রিয়া আৰু অকর্মক ক্রিয়া।

❍ সকর্মক ক্রিয়া ঃ যিবিলাক সমাপিকা ক্রিয়াৰ কর্ম থাকে, তাকে সকর্মক ক্রিয়া বোলে। যেনে— 'মই খৰি ফালিছোঁ।' ইয়াত কর্ম হ'ল 'খৰি'। কেতিয়াবা এটা

বাক্যত দুটা কর্ম থাকিব পাৰে। তেতিয়া এটা মুখ্য কর্ম, আনটো গৌণ কর্ম হ'ব। 'মন্ত্রীজনাই ৰাইজকৰ বান সমস্যা নিৰাময়ৰ কথা কৈছে' — ইয়াত 'বান সমস্যা নিৰাময়ৰ কথা' মুখ্য কর্ম আৰু 'ৰাইজ' গৌণ কর্ম।

- অকর্মক ক্রিয়া ঃ যিবোৰ সমাপিকা ক্রিয়াৰ কর্ম নাথাকে, তাকে অকর্মক ক্রিয়া বোলে। কিছুমান অকর্মক ধাতুৰ পৰা উদ্ভৱ হোৱা ক্রিয়াৰ কর্ম নাথাকে। চৰ্, মৰ্, বুৰ্, উৰ্, উঠ্, বহ্ আদি অকর্মক ধাতুৰ পৰা চৰিছে, মৰে, বুৰিছে, উৰিছে, উঠিছে, বহিছে ক্রিয়া অকর্মক। অকর্মক ক্রিয়াৰ কর্তাত প্রথমা বিভক্তি যোগ নহয়। যেনে— মানুহ মৰে, চৰাই উৰিছে।

  সাধাৰণতে হঁহা, কন্দা, নচা, ভ্রমণ, গমন, শয়ন, পতন, মৰণ আদি অর্থত ধাতুবোৰ অকর্মক হয়। কিন্তু কেতিয়াবা অকর্মক ক্রিয়াকো সকর্মক কৰা হয়। যেনে— ছোৱালীজনীয়ে ঝুমুৰ নাচ নাচিছে, সি আমাক হঁহুৱালে — ইয়াত নাচিছে আৰু হঁহুৱালে সকর্মক ক্রিয়া।

➢ *অসমাপিকা ক্রিয়া ঃ* যি ক্রিয়াই বাক্য সম্পূর্ণ কৰিব নোৱাৰে আৰু বাক্য সম্পূর্ণ কৰিবৰ বাবে অন্য ক্রিয়াৰ ওপৰত নির্ভৰ কৰিবলগা হয়, তেনে ক্রিয়াই অসমাপিকা ক্রিয়া। অসমাপিকা ক্রিয়াত পুৰুষ বিভক্তি লগ নালাগে। যেনে — চাইকেল চলাই ভাগৰ লাগিছে। এই বাক্যত 'চলাই' অসমাপিকা ক্রিয়া। ই বাক্য সম্পূর্ণ কৰিব পৰা নাই। 'লাগিছে' ক্রিয়াইহে বাক্য সম্পূর্ণ কৰিছে।

অসমাপিকা ক্রিয়া পদৰ গঠনত এটা ৰূপাত্মক সর্গ বা বিভক্তিৰ প্রয়োগ হোৱা দেখা যায়। এই বিভক্তিটো হৈছে -ই। উল্লেখ কৰি অহা অসমাপিকা ক্রিয়াবোৰত এই প্রাকৃতিটো প্রয়োগ হৈছে। ইয়াৰ প্রয়োগ অবিহনে অসমাপিকা ক্রিয়া গঠনত আউল লাগিব। সেয়ে ইয়াৰ প্রয়োগক ব্যাকৰণগত বিষয় বোলা হয়।

অসমাপিকা ক্রিয়াপদ প্রত্যয় যোগতো গঠন কৰিব পাৰি। অতীত কৃদন্ত পদ গঠন কৰা -ইলে বা -লে আৰু -লত বা -ইলত প্রত্যয় কোনো ধাতুৰ পিছত যোগ দিও অসমাপিকা পদ গঠন কৰিব পাৰি। যেনে — মাকে খুৱালে সি খায়, মাক শুলে সিয়ো শোৱে।

তেনেদৰে -ওঁতে আৰু -ওৱাত প্রত্যয়ান্ত বর্তমান কৃদন্ত ৰূপৰ দ্বাৰাও ক্রিয়াৰ অসমাপিকা ৰূপ পাব পাৰি। যেনে— সি শোওঁতে মই নাছিলোঁ, দুৱাৰ ঢকিওৱাত সি দুৱাৰ খুলিলে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ সমাপিকা ক্রিয়া কাক বোলে?

.....

ক্রিয়াৰ মূলেই হৈছে ধাতু। ক্রিয়াপদৰ পৰা পুৰুষবাচক, কালবাচক আৰু ভাববাচক বিভিন্ন বিভক্তি বা চিহ্নবোৰ আঁতৰাই আনিলে যি মূল ৰূপ থাকে, তাকে ধাতু বোলে। যেনে— খালোঁ, খাইছোঁ, খাইছিলোঁ, খাম, খাওঁক। এই ক্রিয়াপদকেইটাৰ পৰা -ওঁ, -ইছোঁ, -ইছিলোঁ, -ম, -ওক আঁতৰাই আনিলে তাৰ মূল ৰূপ হ'ব 'খা'। ইয়েই উল্লিখিত ক্রিয়াপদকেইটাৰ মূল বা ধাতু।

অসমীয়া ভাষাৰ ধাতুবোৰৰ উৎপত্তি, প্রকৃতি আৰু গাঁথনিক দিশ বিচাৰ কৰি তিনিটা ভাগত ভগাব পাৰি। যেনে— মুখ্য বা মৌলিক ধাতু (Primary roots), গৌণ বা সাধিত ধাতু (Secondary roots), যৌগিক ধাতু বা সংযুক্ত ধাতু (Compound roots) ।

যিবোৰ ধাতু স্বয়ংসিদ্ধ, যিবোৰ ধাতুক ভাঙি খণ্ড খণ্ড কৰিব নোৱাৰি, সেইবোৰেই মৌলিক বা মুখ্য ধাতু। মুখ্য ধাতুবোৰৰ কিছুমান সংস্কৃতৰ পৰা প্রাকৃতৰ মাজেদি আহিছে, কিছুমান ধাতু সংস্কৃতৰ উপসর্গজাত ধাতুৰ পৰা আহিছে আৰু কিছুমান ধাতু সংস্কৃতৰ পাচনি ধাতুৰ পৰা আহিছে। উদাহৰণ— কৰ্, দেখ্, পঢ়্, উজা, ওপজ্, ওলম্, ফাল্, পাৰ্, থ, দা, ওখল্, ক, থ ইত্যাদি।

যিবোৰ ধাতুক অর্থপূর্ণভাৱে ভাঙি খণ্ড খণ্ডকৈ দেখুৱাব পাৰি, সেইবোৰেই গৌণ বা সাধিত ধাতু। সাধিত ধাতু ভাঙিলে এটা ধাতু বা নাম শব্দ আৰু একাধিক প্রত্যয় পোৱা যায়। সাধিত ধাতুৰ তিনিটা ভাগ— পাচনি ধাতু, নাম ধাতু আৰু ধ্বন্যাত্মক ধাতু।

আনক পাচি বা আনৰ হতুৱাই কোনো কার্য কৰা বুজোৱা ধাতুবোৰেই পাচনি ধাতু। পাঁচনী ধাতু গঠন কৰা প্রত্যয় হ'ল— -আ, -উৱা আৰু -ওৱা। উদাহৰণ—কোৱা, ধৰা, নিয়া, মৰোৱা, পলুৱা, কামোৰা ইত্যাদি। আনহাতে বিশেষ্য আৰু বিশেষণ পদত প্রত্যয় যোগ কৰি এক প্রকাৰ সাধিত ধাতু গঠন কৰিব পাৰি। এনে সাধিত ধাতুক নাম ধাতু বোলে। যেনে— চৰা, লঠিয়া, টঙনীয়া, দীঘলা, বহলা, ঘুচিয়া, ভুকুৱা, পিছুৱা, তপতা, কোমলা, চৰিয়া, খীনা ইত্যাদি। এই নাম ধাতুবোৰ গঠন হওঁতে তিনিটা প্রত্যয় -আ, -ইয়া আৰু -উৱা যোগ হয়। কোনো ধ্বনিৰ অনুকৰণত সৃষ্টি হোৱা ধ্বন্যাত্মক শব্দবোৰত -আ প্রত্যয় যোগ কৰি ধ্বন্যাত্মক ধাতু গঠন কৰা হয়। আচলতে ধন্যাত্মক ধাতুবোৰ নামধাতুৱেই। যেয়ে ধাতুৰ আলোচনাত বহু ব্যাকৰণত সাধিত ধাতুৰ কেৱল পাচনি আৰু নাম ধাতুৰহে আলোচনা কৰে। ধ্বন্যাত্মক ধাতুবোৰ সাধাৰণতে এটা অংশ বা দুটা অংশৰে গঠিত। উদাহৰণ— কেঁকা, ফোঁপা, কক্‌বকা, কেৰ্‌কেৰা, ধৰ্‌ফৰা, মেৰ্‌মেৰা, দপ্‌দপা ইত্যাদি।

এটা সাধিত ধাতুৰ লগত এটা মুক্ত প্রাকৃতি লগ লাগি বা এটাতকৈ বেছি মুক্ত প্রাকৃতি লগ লাগি অথবা এটা মুক্ত প্রাকৃতিৰ লগত এটা সাধিত ধাতু লগ লাগি হোৱা ধাতুক যৌগিক ধাতু বোলে। যৌগিক বা সংযুক্ত ধাতুৰ উদাহৰণ— জয় কৰ, ভাল কৰ

(মুক্ত প্ৰাকৃতি ÙÂ মুক্ত প্ৰাকৃতি — বিশেষ্য বা বিশেষণ ÙÂমৌলিক ধাতু); মৰণা মৰা, পতিয়ন নিয়া (মুক্ত প্ৰাকৃতি ÙÂ সাধিত ধাতু); মৰা পৰ, শোৱা কৰ (ক্ৰিয়াৰ অতীত কৃদন্ত ÙÂ ধাতু); লই যা, খাই পেলা (অসমাপিকা ক্ৰিয়া ÙÂ ধাতু); বাগৰ মাৰ, থেকেচা মাৰ (প্ৰত্যয়ান্ত ধাতু ÙÂ আন ধাতু)।

অসমীয়া ভাষাত এনে কিছুমান ধাতু আছে, যিবোৰৰ পিছত ক, চ, ট, ঠ, ৰ, ল আৰু হ এই ব্যঞ্জনকেইটা প্ৰত্যয় হিচাপে লগ লাগে। এইবোৰ দেখাত মৌলিক ধাতুৰ দৰে। প্ৰত্যয় যোগ দি ইহঁতৰ পৰা যৌগিক ধাতু গঢ়িবও পাৰি, ক্ৰিয়া বিশেষণো গঠন কৰিব পাৰি। উদাহৰণ — খলক্, গৰক্ (-ক প্ৰত্যয়ান্ত); থেকেচ্, খামোচ্ (-চ প্ৰত্যয়ান্ত); ঘোকট, নেওঠ্ (-ট, -ঠ প্ৰত্যয়ান্ত); চেকুৰ্, গোজৰ্ (-ৰ, প্ৰত্যয়ান্ত); টহল্, লেৰেল্ (-ল প্ৰত্যয়ান্ত); চোহ্, থেৰেহ্ (-ই প্ৰত্যয়ান্ত)।

কৰ্তা অনুসাৰে ক্ৰিয়াপদৰ পুৰুষ তিনিটা — উত্তম পুৰুষ (1st person), মধ্যম পুৰুষ (2nd person), নাম পুৰুষ (3rd person)। ক্ৰিয়াৰ যি বক্তা, সিয়েই উত্তম পুৰুষ। মই আৰু আমি উত্তম পুৰুষৰ কৰ্তা। যাৰ প্ৰতি লক্ষ্য কৰি কিবা কোৱা হয় সি দ্বিতীয় পুৰুষ (মধ্যম পুৰুষ)। 'তই', 'তুমি', 'আপুনি', 'তহঁত', 'তোমালোক', 'আপোনালোক' দ্বিতীয় পুৰুষৰ কৰ্তা। যাৰ সম্বন্ধে কিবা কোৱা হয়, সি তৃতীয় পুৰুষ (নাম পুৰুষ)। 'সি', 'তাই', 'তেওঁ', 'তেখেত', 'সিহঁত', 'তেওঁলোক' তৃতীয় পুৰুষ। মধ্যম পুৰুষৰ তুচ্ছ, মান্য আৰু অধিক মান্য এই তিনিটা ভাগ আছে। আপুনি অধিক মান্য। অৰ্থৰ ফালৰ পৰা ই দ্বিতীয় বা মধ্যম পুৰুষৰ সৰ্বনাম কিন্তু প্ৰয়োগৰ দিশৰ পৰা ই নাম পুৰুষৰ সৰ্বনাম। এই তিনিওটা পুৰুষৰ ক্ৰিয়াৰ ৰূপ বেলেগ বেলেগ হয়। ক্ৰিয়াপদৰ এই তিনিওটা পুৰুষ নিৰ্দিষ্টকৈ দেখুৱাবলৈ কিছুমান সৰ্গ আছে। ইহঁতক পুৰুষ বাচক বিভক্তি বা ক্ৰিয়া বিভক্তি বোলে। এই বিভক্তিবোৰ এনে ধৰণৰ—

উত্তম পুৰুষ	ঃ	ওঁ
মধ্যম পুৰুষ		
তুচ্চ	ঃ	অ
মান্য	ঃ	আ
নাম পুৰুষ	ঃ	-এ, -য় (আ কাৰান্ত ধাতুত)

উদাহৰণ—

উত্তম পুৰুষ	ঃ	মই খাওঁ আমি খাওঁ	
মধ্যম পুৰুষ			
তুচ্চ	ঃ	তই খাৱ তহঁতে খাৱ	
মান্য	ঃ	তুমি খোৱা	তোমালোকে খোৱা
নাম পুৰুষ	ঃ	সিÛতাইখায়	সিহঁতে খায়
		আপুনি খায়	আপোনালোকে খায়।

এই উদাহৰণবোৰৰ পৰা এটা কথা গম পোৱা যায় যে পুৰুষবাচক বিভক্তি বা ক্রিয়া বিভক্তিবোৰ বচন নিৰপেক্ষ; অর্থাৎ একবচন আৰু বহুবচনত একেই ক্রিয়া বিভক্তি প্রয়োগ হৈছে।

যি প্রক্রিয়াৰে ক্রিয়াপদৰ দ্বাৰা বর্ণিত কার্য সংঘটিত হোৱাৰ ভাব বা ৰীতি বোধ হয়, তাকেই ক্রিয়া পদৰ ভাব (mood) বোলা হয়। কেৱল দ্বিতীয় পুৰুষৰ তুচ্চ আৰু তৃতীয় পুৰুষৰ ক্রিয়াতহে ভাবৰ ভেদ দেখা যায়। অসমীয়াত ক্রিয়াৰ ভাব দুই প্রকাৰৰ— নির্দেশক ভাব (Indicative mood), অনুজ্ঞা ভাব (Imperative mood)

ক্রিয়াৰ সাধাৰণ ভাব প্রকাশৰ উপায়েই হৈছে নির্দেশক ভাব। বর্তমান, অতীত, ভৱিষ্যৎ তিনিও কালতে ক্রিয়াপদ নির্দেশক ভাবৰ হ'ব পাৰে। যেনে — মই পঢ়ো, মই পঢ়িলোঁ, মই পঢ়িম ইত্যাদি।

অনুজ্ঞা ভাবত আদেশ, অনুমতি, অনুৰোধ, আশীর্বাদ, ইচ্ছা আদি প্রকাশিত হয়। অনুজ্ঞা নিত্য বর্তমান কালৰ দ্বিতীয় আৰু তৃতীয় পুৰুষত আৰু ভৱিষ্যত কালৰ দ্বিতীয় পুৰুষত পোৱা যায়। কাল আৰু পুৰুষ অনুযায়ী নির্দেশক আৰু অনুজ্ঞাৰ বিভক্তিৰ প্রয়োগ এনেধৰণৰ—

	দ্বিতীয় পুৰুষ		তৃতীয় পুৰুষ
	তুচ্চ	মান্য	
বর্তমান ঃ	তই ল	তুমি লোৱা	আপুনি লওক
ভৱিষ্যৎ ঃ	তই লবি	তুমি ল'বা	

কেতিয়াবা অনুজ্ঞাৰ দ্বিতীয় পুৰুষৰ ৰূপৰ পিছত 'চোন' আৰু 'দেই' প্রয়োগ কৰি আদেশ, অনুৰোধ স্পষ্টকৈ দেখুওৱা হয়। যেনে— তুমি আহিবা দেই, তুমি আহিবাচোন ইত্যাদি।

বাক্যত ক্রিয়াই ক'বলগীয়া কথাই হ'ল বাচ্য। বাচ্য শব্দৰ অর্থ হ'ল ক'বলগীয়া। বাক্যত ক্রিয়াই কর্তা, কর্ম আৰু ক্রিয়াৰ নিজৰ কথা বর্ণনা কৰে। কর্তাৰ কথা বর্ণিত হ'লে কর্তৃ-বাচ্য, কর্মৰ কথা বর্ণিত হ'লে কর্ম-বাচ্য আৰু ক্রিয়াৰ ৰূপৰ বর্ণনা থকা বাক্য ভাব-বাচ্যৰ। অর্থাৎ বাচ্য তিনিবিধ — কর্তৃ-বাচ্য (active voice), কর্ম-বাচ্য (passive voice), ভাব-বাচ্য (impersonal voice)।

কর্তৃ-বাচ্যৰ কর্তাত প্রথমা আৰু শূন্য বিভক্তি যোগ হয়। যেনে— চৰাই উৰে। (চৰাই + শূন্য বিভক্তি), দেউতাই মাতিছে। (দেউতা + প্রথমা -ই)।

কর্ম-বাচ্যৰ বাক্যত কর্তাত ষষ্ঠী -ৰ আৰু তৃতীয়াৰ দ্বাৰা অনুপদ যোগ হয়। ইয়াত কর্মটোত শূন্য বিভক্তি যোগ হয়। যেনে — সেনাৰ দ্বাৰা উগ্রপন্থী নিহত হৈছিল।

কেতিয়াবা কর্ম-বাচ্যৰ কর্ম-কাৰকত দ্বিতীয়া বিভক্তি যোগ হয় আৰু কর্তাটো উহ্য থাকে। যেনে— ৰমেনক অহাটো নিষিদ্ধ কৰা হৈছে। পুলিচক মতা হৈছে।

আকৌ প্ৰতিটো কৰ্তৃ-বাচ্যৰ বাক্য কৰ্ম-বাচ্যলৈ আৰু প্ৰায়বোৰ কৰ্ম-বাচ্যৰ বাক্যক কৰ্তৃবাচ্যলৈ ৰূপান্তৰ কৰিব পাৰি। যেনে— বাপেকে পুতেকক গালি পাৰিলে (কৰ্তৃ-বাচ্য), আপোনাৰ দ্বাৰা কামটো কৰা হ'ল (কৰ্ম-বাচ্য)।

ভূত কালিক কৃদন্ত ৰূপৰ পিছত 'হ' বা 'যা' ধাতুৰ পৰা উৎপন্ন ক্ৰিয়াৰ ব্যৱহাৰৰ দ্বাৰা বাক্যত ক্ৰিয়াৰ নিজৰ কথা বৰ্ণিত হয়। এয়ে ভাব-বাচ্য। উদাহৰণ— উপন্যাসখন লিখা হ'ল, ঠাইখন চাফ-চিকুণ কৰা হ'ল।

ক্ৰিয়াৰ সময়কে কাল বোলে। অৰ্থাৎকোনো ক্ৰিয়া বা কাৰ্য ঘটা বা সম্পন্ন হোৱাৰ সময়েই হৈছে কাল । ক্ৰিয়াৰ কাল তিনিটা — বৰ্তমান কাল (Present Tense), অতীত কাল (Past Tense), ভৱিষ্যৎ কাল (Future Tense)।

ৰূপ (form) আৰু গঠন অনুযায়ী এই তিনিটা কালক দুটা প্ৰধান ভাগত ভাগ কৰা হয় — ক) সৰল বা মৌলিক কাল (Simple tense), খ) মিশ্ৰ বা যৌগিক কাল (Compound tense)।

ক্ৰিয়াৰ সময় অনুযায়ী মৌলিক কাল তিনিটা — সাধাৰণ বা নিত্য বৰ্তমান (Present Indefinite), সাধাৰণ অতীত (Past Indefinite) আৰু সাধাৰণ ভৱিষ্যৎ (Future Indefinite)। যিবোৰ ক্ৰিয়া পদ ধাতুত পুৰুষবাচক বিভক্তিবোৰ প্ৰত্যক্ষভাৱে লগ লাগে আৰু যিবোৰ ক্ৰিয়া পদে নিয়ম, অভ্যাস, চলিত বৰ্তমান বা সাৰ্বজনীন ভাব প্ৰকাশ কৰে সেইবোৰেই নিত্য বৰ্তমান। যেনে— মই কিতাপ পঢ়োঁ, আমি ভাত খাওঁ ইত্যাদি। কেতিয়াবা অতীতত ঘটা ঘটনা বুজাবলৈও নিত্য বৰ্তমান কালৰ ক্ৰিয়া পদ বহে। যেনে— 1947 চনত ভাৰত স্বাধীন হয়।

যি ক্ৰিয়াৰ কাৰ্য কোনো অনিৰ্দিষ্ট অতীত কালত শেষ হৈছে, তেনে কালকে সাধাৰণ অতীত কাল বোলে। ইয়াক স্বৰূপ ভূত কাল বুলিও কোৱা হয়। উদাহৰণ— মই কামটো কৰিলোঁ, মানুহজন ঢুকাল।

যি ক্ৰিয়াৰ কাৰ্য ভৱিষ্যতে হ'ব, তেনে ক্ৰিয়াৰ কালকে সাধাৰণ ভৱিষ্যৎ কাল বোলা হয়। যেনে— মই পঢ়িম, তুমি পঢ়িবা।

যিবোৰ কালৰ ক্ৰিয়াপদত দশা বাচক (aspect) আৰু কালবাচক প্ৰত্যয় যোগ হোৱাৰ পাছতহে ক্ৰিয়া বিভক্তি লগ লাগে, যি ক্ৰিয়াপদৰ পিচত সম্ভাব্যসূচক অনুপদ যোগ হয় আৰু যিবোৰ ক্ৰিয়াপদ অসমাপিকা ক্ৰিয়াৰ সংযোগতহে সম্পূৰ্ণ হয়, তেনেবোৰ ক্ৰিয়াৰ কালেই মিশ্ৰ কাল। গঠন আৰু অৰ্থৰ ভিত্তিত যৌগিক কাল দুবিধ — পূৰাঘটিত কাল (Perfect tense), ঘটমান কাল (Continuous tense)। পূৰাঘটিত কালক পুনৰ দুটা ভাগত ভাগ কৰি আলোচনা কৰা হয় — স্বৰূপ বৰ্তমান আৰু [2] অপূৰ্ণভূত বা অতীত কাল।

যি কাম কিছু সময় আগতে শেষ হৈছে, কিন্তু তাৰ প্ৰভাৱ এতিয়াও চলি আছে, এনে অৰ্থ প্ৰকাশ কৰা ক্ৰিয়াৰ কালক স্বৰূপ বৰ্তমান বোলে। যেনে— কি খেলিছে, সি

পঢ়িছে। আকৌ— ৰামায়ণ পঢ়িছানে? মহাভাৰত পঢ়িছানে? হয় পঢ়িছো। এনে বাক্যত ক্রিয়াৰ কাল বহু আগেয়ে শেষ হৈছে। কিন্তু তাৰ প্রভাৰ এতিয়াও চলি আছে। এনেবোৰ ক্রিয়াৰ কাল স্বৰূপ বর্তমানৰ। পূর্বে বা বাক্যত উল্লিখিত অন্য ঘটনাৰ পূর্বে হৈ যোৱা বা দূৰ অতীত বুজোৱা কালেই হৈছে অপূর্ণভূত বা পূৰাঘটিত অতীত। উদাহৰণ— ছাদ্দাম হুছেইন ইৰাকৰ ৰাষ্ট্রপতি আছিল। (পূর্বে সংঘটিত হোৱা বুজাইছে)।

দূৰ অতীতত সদায় ঘটি থকা কার্য বুজাবলৈও অপূর্ণভূত কালৰ ক্রিয়া পদ বহে। যেনে — মই সদায় ফুৰিবলৈ গৈছিলোঁ।

আনহাতে ক্রিয়াৰ অবিচ্ছিন্নতা বুজোৱা কালকে ঘটমান কাল বোলা হয়। ঘটমান কালৰ তিনিটা ভাগ — ঘটমান বর্তমান (Present progressive), ঘটমান অতীত (Past progressive), আৰু ঘটমান ভৱিষ্যৎ (Future progressive)।

ক্রিয়াৰ কার্য বর্তমান সময়ত অবিচ্ছিন্নভাৱে চলি থকা বুজোৱা কালেই ঘটমান বর্তমান কাল। উদাহৰণ— মই লিখি আছোঁ, তুমি কি কৰি আছা?

ক্রিয়াৰ কার্য আগতেই আৰম্ভ হৈ বহু সময় ধৰি চলি থকা বুজোৱা কালেই ঘটমান অতীত। যেনে— তই শুই আছিলি, সিহঁতে কাম কৰি আছিল।

ক্রিয়াৰ কার্য ভৱিষ্যতে আৰম্ভ হৈ অবিচ্ছিন্নভাৱে চলি থকা বুজোৱা কালেই হৈছে ঘটমান ভৱিষ্যৎ। উদাহৰণ— কাইলৈ আমি গৈ থাকিম, পৰহিলৈ মই পাঠদানত ব্যস্ত থাকিম। তই কি কৰি থাকিবি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ ক্রিয়া পদৰ ভাব (mood) কাক বোলা হয়?

.....

.....

জানি থোৱা ভাল



ধাতুত পুৰুষ, কাল আৰু ভাব অনুযায়ী বিভিন্ন বিভক্তি যোগ কৰি ক্রিয়াৰ বিভিন্ন ৰূপ আৰু ব্যৱহাৰ নির্দেশ কৰাই হৈছে ধাতু ৰূপ। ধাতুত সাধাৰণতে কালবাচক প্রত্যয় আৰু পুৰুষবাচক বিভক্তি যোগ হ'লেহে একোটা সমাপিকা ক্রিয়া সম্পন্ন হয়। ধাতুবোৰত বিভক্তি যোগ হোৱাৰ ধৰণলৈ লক্ষ্য কৰি অসমীয়া ধাতু ৰূপকো দুটা ভাগত ভগাব পাৰি— মুখ্য বা মৌলিক ধাতু ৰূপ (Primary Conjunction) আৰু গৌণ বা সাধিত ধাতু ৰূপ (Secondary Conjunction)। যিবোৰ ধাতুত কালবাচক প্রত্যয় আৰু পুৰুষবাচক বিভক্তি প্রত্যক্ষভাৱে যোগ কৰি বিভিন্ন সমাপিকা ক্রিয়া গঠন কৰা হয়, সেইবোৰ ধাতুৰ ৰূপক মুখ্য ধাতু ৰূপ

বোলা হয়। গৌণ ধাতু ৰূপত ধাতুত কাল, ভাব আৰু পুৰুষবাচক সৰ্গ যোগ হোৱাৰ আগতে আন কৃৎ প্ৰত্যয় যোগ হয়। পাচনি ধাতু, নাম ধাতু আৰু ধ্বন্যাত্মক ধাতুৰ ৰূপক সাধাৰণতে গৌণ ধাতুৰ ভিতৰত ধৰা হয়।



৭.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সংস্কৃতৰ পৰা পালি, প্ৰাকৃতৰ মাজেদি বিকাশ লাভ কৰি অসমীয়া ভাষা উদ্ভৱ হৈছে। সংস্কৃতৰ কিছুমান ৰূপতত্ত্বৰ কথা অসমীয়াতো প্ৰযোজ্য হয়। তথাপি ৰূপতত্ত্বৰ উল্লিখিত বিষয়সমূহৰ আলোচনাত দেখা গ'ল যে অসমীয়া ভাষাত অনেক স্বতন্ত্ৰ বৈশিষ্ট্য আছে যিবোৰ সংস্কৃতত পাবলৈ নাই। যেনে— ব্যাকৰণগত বচন সংস্কৃতত আছে কিন্তু অসমীয়া ভাষাত নাই। অসমীয়া ভাষাৰ ৰূপতত্ত্বত আৰ্য ভিন্ন ভাষাৰ প্ৰভাৱ পৰিছে।
- ক্ৰিয়াৰ আলোচনা অতি সংক্ষিপ্তভাৱে কৰা হৈছে। পাঠ্যবিষয়ৰ সীমাবদ্ধতাৰ প্ৰতি লক্ষ্য ৰাখি ক্ৰিয়াৰ আলোচনা হোৱা বাবে সহায়কাৰী ক্ৰিয়া, নঞৰ্থক ক্ৰিয়া, নিমিতাৰ্থক ক্ৰিয়াকে আদি কৰি ক্ৰিয়াৰ বিভিন্ন ৰূপৰ আলোচনা বাদ পৰিছে। বিশেষণ বা সৰ্বনামৰ প্ৰয়োগৰ সকলো দিশ খৰচি মাৰি আলোচনা কৰাৰ পৰিবৰ্তে সীমাবদ্ধতাৰ প্ৰতি লক্ষ্য ৰাখি কিছুমান বিষয় বাদ দিয়া হৈছে। ছাত্ৰ-ছাত্ৰীসকলে এই অধ্যায়টিত বচন, লিংগ, কাৰক, বিশেষণ, সৰ্বনাম আৰু ক্ৰিয়া সম্পৰ্কে সম্যক জ্ঞান লাভ কৰিব পাৰিব আৰু অসমীয়া ভাষাৰ ব্যাকৰণ তথা গাঁথনিক দিশৰ জ্ঞান লাভ কৰিব পাৰিব।



৭.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

1] কোঁৱৰ, অৰ্পণা [2002] Ê, *ভাষাবিজ্ঞান উপক্ৰমণিকা;* ডিব্ৰুগড় ঃ বনলতা।

2] গোস্বামী, উপেন্দ্ৰনাথ [1995] Ê, *ভাষাবিজ্ঞান;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

3] গোস্বামী, উপেন্দ্ৰনাথ [2001] Ê, *অসমীয়া ভাষাৰ ব্যাকৰণ;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

4] গোস্বামী, গোলোকচন্দ্ৰ [1987] Ê, *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ;* গুৱাহাটী।

5] দত্তবৰুৱা, ফণীন্দ্ৰনাৰায়ণ [2006] Ê, *আধুনিক ভাষাবিজ্ঞান পৰিচয়;* ডিব্ৰুগড় ঃ বনলতা।

6] দত্তবৰুৱা, ফণীন্দ্ৰনাৰায়ণ [2006] Ê, *প্ৰয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা;* ডিব্ৰুগড় ঃ বনলতা।

7] দেৱী, প্ৰণীতা [2007]Ê, *ভাষা বিজ্ঞানৰ জিলিকনি;* নলবাৰী (সৰুনদী) ঃ হীৰেন্দ্ৰনাথ শৰ্মা (প্ৰকাশক)।

8] পাঠক, ৰমেশ [1998]Ê, *ব্যাকৰণ আৰু প্ৰাকৃতি বিজ্ঞান;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

9] পাঠক, ৰমেশ [2000]Ê, *ভাষা বিজ্ঞানৰ ভূমিকা;* গুৱাহাটী ঃ নেচনেল প্ৰিণ্টাৰ্চ।

10] ফুকন পাটগিৰি, দীপ্তি [1991]Ê, *ভাষাতত্ত্ব;* গুৱাহাটী ঃ বনলতা।

11] বৰা, লীলাৱতী শইকীয়া [2006]Ê, *অসমীয়া ভাষাৰ ৰূপতত্ত্ব;* গুৱাহাটী ঃ বনলতা।

12] বৰা, লীলাৱতী শইকীয়া [2002]Ê, *সংস্কৃত-পালি-প্ৰাকৃত আৰু অসমীয়া ব্যাকৰণ;* গুৱাহাটী ঃ বনলতা।

13] মহন্ত, বিপুল কুমাৰ [1992]Ê, *ভাষাবিজ্ঞানৰ পৰিচয়;* ডিব্ৰুগড় ঃ বনলতা।

14] হাজৰিকা, লক্ষী [2006]Ê, *ভাষাবিজ্ঞান আৰু অসমীয়া ভাষাবিজ্ঞান পৰিচিতি;* গুৱাহাটী ঃ আশা বুক ষ্টল।

ইংৰাজী গ্ৰন্থ ঃ

15] Crystal, D. (1985); *Linguistics*; England: Clays Ltd. st. Ives plc.

16] Kakati, B. (2007). *Assamese ItsFormation and Development*, Guwahati: Layers' Book Stall.

৭.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ কিছুমান বিশেষণে অন্য বিশেষণৰ গুণ, দোষ, অৱস্থা আদি বুজায়। এনেবোৰ বিশেষণক বিশেষণীয় বিশেষণ বোলা হয়।

২ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) -কৈ প্ৰত্যয়।

(খ) -ও প্ৰত্যয়ান্ত।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ সকলো, সমূহ বা সমষ্টি বুজাবলৈ ব্যৱহাৰ হোৱা সৰ্বনাম পদক সাকল্যবাচক সৰ্বনাম বোলে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ যিবোৰ ক্ৰিয়াপদে বাক্যৰ গঠন আৰু অৰ্থ সম্পূৰ্ণ কৰিব পাৰে, সেইবোৰকে সমাপিকা ক্ৰিয়া বোলে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ যি প্ৰক্ৰিয়াৰে ক্ৰিয়াপদৰ দ্বাৰা বৰ্ণিত কাৰ্য সংঘটিত হোৱাৰ ভাব বা ৰীতি বোধ হয়, তাকেই ক্ৰিয়া পদৰ ভাব (mood) বোলা হয়।



৭.৭ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

ক) তদৰ্থক সৰ্বনাম কি?

খ) অসমীয়া ভাষাত লিংগ ব্যাকৰণগত বিষয় হয়নে?

চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ বিশেষণ কাক বোলে? ই কেই প্ৰকাৰৰ আৰু কি কি? উদাহৰণসহ বুজাই লিখক।

প্ৰশ্ন ২ ঃ অসমীয়া ভাষাত বিশেষণৰ তাৰতম্য কেনেকৈ প্ৰকাশ কৰা হয়, আলোচনা কৰক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ সৰ্বনাম কাক বোলে? সৰ্বনাম কেই প্ৰকাৰ আৰু কি কি? উদাহৰণসহ আলোচনা কৰক।

প্ৰশ্ন ২ ঃ সৰ্বনামৰ পুৰুষ কেইপ্ৰকাৰৰ আৰু কি কি? 'আপুনি' সৰ্বনাম পদক নাম পুৰুষৰ পদ বুলি কোৱাৰ কি যুক্তি আছে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ ক্ৰিয়া কাক বোলে? অসমীয়া ভাষাত ক্ৰিয়াৰ প্ৰকাৰ সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ অসমীয়া ক্ৰিয়া পদৰ পুৰুষকেইটা আৰু কি কি বহলাই উদাহৰণসহ আলোচনা কৰক।

প্ৰশ্ন ৫ ঃ ক্ৰিয়াৰ কাল কাক বোলে? ক্ৰিয়াৰ কাল কেইটা আৰু কি কি উদাহৰণসহ আলোচনা কৰক।

প্ৰশ্ন ৬ ঃ অনুজ্ঞা মানে কি? অসমীয়া ভাষাত অনুজ্ঞা কেনেদৰে প্ৰকাশ কৰা হয় আলোচনা কৰক।

প্ৰশ্ন ৭ ঃ ধাতু কাক বোলে? অসমীয়া ভাষাৰ ধাতুবোৰক শ্ৰেণী বিভাজন কৰি আলোচনা কৰক।

প্ৰশ্ন ৮ ঃ বাচ্য শব্দৰ অৰ্থ কি? অসমীয়াত বাচ্য কেই প্ৰকাৰৰ আৰু কি কি? উদাহৰণসহ বুজাই লিখক।

প্ৰশ্ন ৯ ঃ ক্ৰিয়াৰ ভাব বুলিলে কি বুজে? ক্ৰিয়াৰ ভাব কেই প্ৰকাৰৰ, আলোচনা কৰক।

*** ***** ***

অধ্যায় ৮ ঃ বাক্যতত্ত্বৰ সাধাৰণ পৰিচয়

অধ্যায় গাঁথনি

8.1 উদ্দেশ্য

8.2 পৰিচয়

8.3 বাক্যতত্ত্বৰ সাধাৰণ পৰিচয়

8.4 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

8.5 অধিক জানিবলৈ

8.6 অগ্রগতিৰ খতিয়ান

8.7 আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাষাৰ বাক্যতাত্ত্বিক দিশৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- বাক্যতত্ত্বৰ অন্তর্গত বিষয়বোৰ শ্রেণী বিভাজন কৰি দেখুৱাব পাৰিব
- বাক্যত পদৰ যোগ্যতা, আকাংক্ষা আৰু আসত্তিৰ গুৰুত্ব কি জানিব পাৰিব
- ৰূপান্তৰ প্রক্রিয়াৰ জৰিয়তে নতুন নতুন বাক্য গঠন কৰিব পাৰিব
- পদসমষ্টিৰ আসত্তি ভেদে কেনেকৈ অর্থৰ ভেদ হয় সেয়া নিৰূপণ কৰিব পাৰিব।

৮.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আমি অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ বিশেষ কেইটিমান দিশ অধ্যয়ন কৰিলোঁ। প্রসংগক্রমে উল্লেখ কৰি যাওঁ যে এইখন পাঠ্যবিষয়ৰ পূর্ব্বৰ্তী অধ্যায়বোৰত আমি সামগ্রিকভাৱে ভাষাৰ ধ্বনিতত্ত্ব, ৰূপতত্ত্বৰ অন্তর্গত বিষয়বোৰৰ আভাস লাভ কৰাৰ লগতে অসমীয়া ভাষাৰ ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক দিশৰ বিষয়েও অধ্যয়ন কৰিলোঁ। এইটো অধ্যায়ত আমি বাক্যতত্ত্বৰ সাধাৰণ পৰিচয় লাভ কৰিম।

একোটা ভাষাৰ ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, শব্দতত্ত্ব আদি মৌলিক তত্ত্বসমূহ নিহিত হৈ থাকে ভাষাটোৰ বাক্যসমূহত। গতিকে বাক্যতত্ত্বৰ আলোচনাত উল্লিখিত দিশসমূহৰ বিচাৰ-বিশ্লেষণবোৰ প্রয়োজনীয়তা আহি পৰে। পৃথিৱীৰ সকলো ভাষাতে চুটি আৰু দীঘল বাক্য পোৱা যায়; কিন্তু সকলো ভাষাৰে বাক্য-গঠন প্রণালী একে নহয়। অৱশ্যে এটা কথা ঠিক যে, ভাষাভেদে শব্দগঠন, বাক্য-ৰীতিত পার্থক্য থাকিলেও ভাষা মাত্রেই কিছুমান উমৈহতীয়া উপাদান আৰু বৈশিষ্ট্য বিৰাজমান।সেই উমৈহতীয়া বৈশিষ্ট্যৰাজিক কেন্দ্র কৰিয়েই ঘাইকৈ ভাষাবিজ্ঞানীসকলে তেওঁলোকৰ

বিশ্লেষণ আগবঢ়ায়। বাক্যতত্ত্বৰ ক্ষেত্ৰতো এই কথা প্ৰযোজ্য। তেনে আলোচনাক ভিত্তি কৰিয়েই এইটো অধ্যায়ত বাক্যতত্ত্বৰ সাধাৰণ পৰিচয় দাঙি ধৰাৰ লগতে বাক্যতাত্ত্বিক বিচাৰ-বিশ্লেষণৰ অত্যাৱশ্যকীয় উপাদানবোৰৰ বিষয়ে এটি চমু আলোচনা উপস্থাপন কৰিম। অধ্যায়টিত সমগ্ৰ পৃথিৱীত ব্যক্যতত্ত্বৰ চৰ্চা কেনেদৰে হৈ আছে সেই বিষয়েও চমুকৈ আলোকপাত কৰা হ'ব।

৮.৩ বাক্যতত্ত্বৰ সাধাৰণ পৰিচয়

সাধাৰণ অৰ্থত বাক্যতত্ত্ব বুলি ক'লে, বাক্যৰ সাধাৰণ ৰূপ-গঠন প্ৰণালী সম্পৰ্কে য'ত বিশ্লেষণ কৰা হয় তাকে বুজা যায়। অসমীয়াত প্ৰয়োগ কৰা 'বাক্যতত্ত্ব' শব্দটো ইংৰাজী Syntax শব্দৰ প্ৰতিশব্দ হিচাপে গ্ৰহণ কৰা হৈছে। দৰাচলতে গ্ৰীক ভাষাৰ 'Syn' আৰু 'taxis' শব্দ দুটাৰ সংযোগত ইংৰাজী Syntax শব্দটো গঠন কৰা হৈছে। গ্ৰীক ভাষাত Syntax শব্দটো প্ৰথম ব্যৱহাৰ কৰিছিল দিওনুছিয়াছ থ্ৰাক্স (Dionusious Thrax)-এ । গ্ৰীক ভাষাত Syntaxis শব্দটোৱে Systematic arrangement অৰ্থাৎ প্ৰণালীবদ্ধ গাঁথনিক বুজায়। থোৱতে ক'বলৈ গ'লে, বাক্যৰ অন্তৰ্গত পদৰ প্ৰয়োগ-ৰীতি বা পদৰ গাঁথনিক ৰীতিয়ে বাক্যতত্ত্ব। ভাষাবিজ্ঞানী ব্লুমফিল্ডৰ মতে, "It is evident that the sentences in any utterance are marked off by the mere fact that each sentence is an independent linguistics form, not included by virtue of any grammatical construction in any larger linguistic form" এনে বাক্যৰ অন্তৰ্গত বিভিন্ন অংশবোৰ যি তত্ত্বৰ সহায়ত পুংখানুপুংখকৈ বিশ্লেষণ কৰা হয় তাকে বাক্যতত্ত্ব বোলে। বাক্যৰ মূল গাঁথনিক স্বৰূপ আৱিষ্কাৰ কৰি সেই গাঁথনিৰপৰা কেনেকৈ প্ৰকৃততে ভাষাত ব্যৱহাৰ হোৱা শুদ্ধ বাক্য মাথোন পাব পাৰি, লগতে সম্ভাব্য নতুন নতুন বাক্য সৃষ্টি কৰিব পাৰি তাৰ সূত্ৰ বা নিয়ম নিৰ্ধাৰণ কৰাটোৱেই বাক্যতত্ত্বৰ মূল লক্ষ্য।


মানুহে মনৰ ভাব প্ৰকাশ কৰিবলৈ বাগিন্দ্ৰিয়ৰদ্বাৰা উচ্চাৰণ কৰা ধ্বনিৰ সহায়ত শব্দৰ সৃষ্টি কৰে। শব্দবোৰ বিশেষ ৰূপত আৰু বিশেষ ক্ৰমত উচ্চাৰিত হয় আৰু এই শব্দবোৰক ইটোৰ লগত সিটোৰ একোটা সম্বন্ধেৰে বান্ধ খুৱাই বাক্য সজা হয়। এইদৰে গঠন কৰা বাক্যৰ জৰিয়তে বক্তাই শ্ৰোতাৰ আগত মনৰ ভাব প্ৰকাশ কৰে। বাক্যই হৈছে ভাষাৰ চানেকি। শব্দ সুন্দৰ হ'লেও যি কোনো স্থানত সংস্থাপন কৰিলে বাক্য শুদ্ধ নহয়। এটা বাক্য শুদ্ধ ৰূপত প্ৰকাশ কৰিবলৈ শব্দসমূহক উপযুক্ত স্থানত স্থাপন কৰিব লাগিব। বাক্যৰ সৃষ্টিতহে ভাষাৰ মৰ্যাদা বৃদ্ধি পায়। বাক্যই হ'ল ভাষাৰ শেষ পৰ্যায়।

ব্যাকৰণ তথা বাগ্‌বিজ্ঞানত বাক্যতত্ত্ব এটা বহল বিষয়। ৰূপতত্ত্বৰ সহায়ত শব্দ-গঠন আৰু পদ-গঠনৰ আভ্যন্তৰীণ প্ৰক্ৰিয়াৰ আলোচনা আগবঢ়োৱা হয়, কিন্তু বাক্যতত্ত্বত বিভক্তি, প্ৰত্যয় আদিৰ সংযোগত সৃষ্টি হোৱা বিভিন্ন শব্দ আৰু পদৰ মাজত থকা বাহ্যিক সম্বন্ধ আলোচনা কৰা হয়। অৰ্থাৎ বাক্যতত্ত্বত কোনো এটা ভাষাৰ শব্দৰ সজ্জা, বাক্যৰ বিভিন্ন গাঁথনি, বাক্যৰ প্ৰকাৰ, বাক্যৰ ৰূপান্তৰ, বাক্যৰ অন্তৰ্নিহিত সুৰ, বাক্যাংশ আদি বিভিন্ন দিশবোৰ সামৰা হয়।

- **বাক্যৰ উপাদান ঃ** বাক্য ৰচিত হয় পদেৰে আৰু এই পদেই বাক্য স্তৰৰ নিম্নতম ক্ষুদ্র একক বা গোট বিশেষ। এনে ধৰণৰ এক বা একাধিক পদৰ সুসংগঠনত বাক্যৰ সৃষ্টি হয়। সেয়েহে পদৰ গাঁথনি বা বাক্যৰীতি বুলিলে বাক্যৰ অন্তর্গত পদবোৰৰ প্রয়োগৰ ৰীতিকে বুজা যায় আৰু বাক্যৰ গঠনকে প্রকাৰান্তৰে ভাষাৰ গঠন (Structure of language) বুলি ক'ব পাৰি।

ধ্বনিতাত্ত্বিক স্তৰত — ধ্বনি, বর্ণ, উপধ্বনি আৰু অক্ষৰ এই বিষয়সমূহ আলোচনা কৰা হয়; ৰূপতাত্ত্বিক স্তৰত আকৃতি, প্রাকৃতি, উপাকৃতি আদিৰ সূক্ষ্ম বিচাৰ কৰাৰ উপৰি প্রাকৃতিৰ পৰা সৃষ্টি হোৱা শব্দ আৰু পদৰ বিষয়েও আলোচনা কৰা হয়। বাক্যতাত্ত্বিক স্তৰত — বাক্যৰ নিম্নতম গোট অর্থাৎ পদসমূহৰ সু-সংগঠনত বাক্যৰ সৃষ্টি সম্পর্কে আলোচনা কৰা হয়। অর্থতত্ত্বৰ স্তৰত আকৌ শব্দৰ অর্থ-বিশ্লেষণ আৰু সম্পূর্ণ ভাব-প্রকাশক একোটা বাক্যৰ অর্থ বিচাৰ কৰা হয়। উল্লিখিত সকলো উপাদানেৰে বাক্য এটা গঠিত হয় আৰু প্রত্যেক উপাদানৰে একোটা সহ সম্বন্ধ আছে। তলত ৰেখাচিত্রৰ সহায়ত ধ্বনি, ৰূপ, বাক্য আৰু অর্থৰ সহ সম্বন্ধ দেখুওৱা হৈছে।

চিত্র ৮.১ ঃ ধ্বনি, ৰূপ, বাক্য আৰু অর্থৰ সহ সম্বন্ধ



- **বাক্য গঠন প্রক্রিয়া ঃ** বাক্যৰ গঠনত পদেই মূল সামগ্রী। পদবোৰ যেনেকৈ তেনেকৈ লগ লগালেই বাক্য পোৱা নাযায়। বাক্য হ'বলৈ হ'লে — (ক) বাক্যৰ আকাংক্ষা পূর্ণ হ'ব লাগে; (খ) পদবোৰ বাক্যত প্রয়োগ হ'বৰ যোগ্য হ'ব লাগে ; আৰু (গ) পদৰ লগত পদৰ আসত্তিও সুদৃঢ় আৰু সুস্পষ্ট হ'ব লাগে। যোগ্যতা থকা আসত্তিযুক্ত পদে আকাংক্ষা পূর্ণ কৰিলেহে বাক্য পোৱা যায়।
  - ➢ *পদৰ আকাংক্ষা ঃ* বাক্যৰ যোগেদি মনৰ ভাব প্রকাশ কৰিবলৈ লওঁতে বাক্যৰ মাজত অন্তর্নিহিত হৈ থকা আৱশ্যকীয় পদসমূহ ব্যৱহাৰ কৰিবলৈ বক্তাৰ আকাংক্ষা জাগিব লাগিব। ঠিক সেইদৰে বক্তাৰ মনৰ ভাব শুনিবলৈও শ্রোতাৰ আকাংক্ষা জন্মিব লাগিব। বাক্য গঠনত পদৰ উপৰি আৰু এবিধ অপৰিহার্য অংগ হৈছে সুৰ-লহৰ। সুৰ-লহৰে পদ বা পদ সমষ্টিৰে নির্মিত বাক্য, খণ্ডবাক্য, গর্ভবাক্য বা বাক্যাংশৰ সীমা নির্ণয় কৰি দেখুৱায়। সেয়েহে কেৱল সমাপিকা ক্রিয়াপদেহে বাক্য শেষ হোৱা নুবুজায়। তদুপৰি বাক্য এটাই সাধাৰণ বিবৃতি বুজাইছে নে অনুজ্ঞা অর্থ প্রকাশ কৰিছে, তাক সুৰ-লহৰৰ পৰাহে জানিব পাৰি। অর্থাৎ সুৰ-লহৰৰ পৰাহে শ্রোতাৰ বাক্য শ্রৱণৰ আকাংক্ষা পূর্ণ হয়।

সাধাৰণতে বিৰাম চিহ্ন বা যতি চিহ্নৰদ্বাৰা সুৰ-লহৰ সূচিত হয়। সুৰ-লহৰৰ

সহায়ত এটা নিশ্চয়সূচক বাক্য প্ৰশ্নসূচক বাক্যলৈ ৰূপান্তৰ কৰিব পাৰি। উদাহৰণস্বৰূপে অসমীয়া ভাষাত—

(ক) সি কিতাপখন পঢ়িলে। (নিশ্চয়বাচক)

(খ) সি কিতাপখন পঢ়িলে? (প্ৰশ্নসূচক)

সুৰ-লহৰ বুজাবলৈ লিখিত ভাষাত দাঁৰি, প্ৰশ্নবোধক চিন, কোলন, ছেমিকোলন, কমা, হাইফেন, ডেছ আদি বিভিন্ন যতিচিহ্ন ব্যৱহাৰ কৰা হয়। এই যতিবোৰে বাক্যৰ একোটা খণ্ডৰ মাজত অৰ্থৰ সঙ্গতি ৰাখি ক্ষণিক বিৰামৰ ইঙ্গিত দিয়ে আৰু এনেকৈয়ে সুৰ-লহৰৰ বৈশিষ্ট্য দাঙি ধৰে। এক কথাত ক'বলৈ গ'লে, এই যতিচিহ্নবোৰে ইঙ্গিত দিয়া সুৰ-লহৰৰদ্বাৰা প্ৰকাশিত আকাংক্ষাই বাক্যাংশ, খণ্ডবাক্য আৰু গৰ্ভবাক্যৰ মাজত সংহতি সাধন কৰি বাক্য পূৰ্ণ কৰিব পাৰে।

- *পদৰ যোগ্যতা ঃ* বাক্যত যিকোনো পদৰ লগত যিকোনো পদ লগ লগাব নোৱাৰি। পদৰ যোগ্যতা অনুসৰিহে বাক্যত পদসমূহ সংস্থাপন কৰা হয়। পদৰ যোগ্যতা নিৰ্ভৰ কৰে দুটা কথাৰ ওপৰত— অৰ্থগত যোগ্যতা আৰু ৰূপগত যোগ্যতা।
  - অৰ্থগত যোগ্যতা ঃ বাক্যত ব্যৱহৃত পদৰ অৰ্থৰ সঙ্গতি থাকিব লাগিব। প্ৰত্যেক ভাষাতে বিশেষ্য পদ অনুসৰি ক্ৰিয়া পদসমূহৰ ৰূপ নিৰ্দিষ্ট। যেনে— 'আমি পানী পিওঁ' কিন্তু 'ভাত খাওঁ'। বক্তব্য ৰাখে নহয়, বক্তব্য দাঙি ধৰে বা বক্তৃতা দিয়ে। আকৌ ইংৰাজীত warm reception হ'লেও অসমীয়াত 'উষ্ম সম্বৰ্ধনা' নজনায়, 'সাদৰ সম্বৰ্ধনা'হে জনায়। গতিকে একোটা বিশেষ পদৰ অৰ্থৰ লগত একোটা বিশেষ অৰ্থবাচক পদৰহে সংগতি স্থাপন হ'ব পাৰে। তেনে সঙ্গতি ভঙ্গ হ'লে পদে অৰ্থগত যোগ্যতা হেৰুৱায়।
  - ৰূপগত যোগ্যতা ঃ বাক্যত ব্যৱহৃত পদবোৰৰ মাজত অৰ্থৰ সঙ্গতি থকাৰ দৰে ব্যাকৰণগত ৰূপসমূহৰ মাজতো সঙ্গতি স্থাপন হ'ব লাগিব। ৰূপগত যোগ্যতাৰ অভাৱত বাক্য দেখাত শুদ্ধ যেন লাগিলেও প্ৰকৃতাৰ্থত অসাৰ্থক আৰু ভুল হয়।

    পদৰ ৰূপগত যোগ্যতাকো আকৌ দুটা ভাগত ভগাব পাৰি—

    (ক) ৰূপাত্মক যোগ্যতা আৰু

    (খ) সাধনগত যোগ্যতা।

    (ক) ৰূপাত্মক যোগ্যতা ঃ আপোনালোকে ইতিমধ্যে শব্দৰ ৰূপ আৰু ধাতুৰ ৰূপৰ কথা আগৰ অধ্যায়ত পঢ়ি আহিছে। সম্বন্ধবাচক পুৰুষৰ বিভক্তি আৰু কাৰকৰ বিভক্তি যোগ হ'লে নাম শব্দবোৰ বাক্যত ব্যৱহাৰৰ উপযোগী পদ হয়। সেইদৰে ধাতুৰূপৰ পুৰুষবাচক বিভক্তিবোৰ যোগ হ'লে ধাতু বা ধাতুশব্দবোৰ ক্ৰিয়াপদ হৈ বাক্যত পদ হৈ পৰে। এই বিভক্তিবোৰ নালাগিলে বাক্যত শব্দৰ ব্যৱহাৰ হ'ব নোৱাৰে বা যি শব্দত য'ত যি বিভক্তি লাগে সেই শব্দত সেই বিভক্তি নলগোৱাকৈ কথা ক'লে বা লিখিলে পদে ৰূপাত্মক যোগ্যতা হেৰুৱায়।

তেতিয়া বাক্য ভুল হয়। উদাহৰণস্বৰূপে—

চৰাইবোৰ আকাশত উৰি আছে।

ছোৱালীবোৰে পুখুৰীত সাঁতুৰি আছে।

এই বাক্য দুটাৰ ক্রিয়াপদ 'উৰি আছে' আৰু 'সাঁতুৰি আছে' —দুয়োটা অকর্মক। সেইদৰে 'আকাশত' আৰু 'পানীত' — একে অধিকৰণ কাৰকৰ পদ। তথাপি— প্রথম বাক্যৰ 'চৰাইবোৰ' পদত কর্তা কাৰকৰ শূন্য বিভক্তি যোগ হৈছে আৰু দ্বিতীয় বাক্যৰ 'ছোৱালীবোৰ' পদত একে কর্তা কাৰকতে -এ বিভক্তি যোগ হৈছে। অর্থাৎ কর্তাপদ দুটাৰ ৰূপগত ভিন্নতা প্রকাশ পাইছে। গতিকে বাক্য দুটাৰ পৰা আমি এটা কথা জানিলোঁ যে, সাঁতুৰি আছে ক্রিয়া পদৰ লগত সঙ্গতি ৰক্ষা কৰিবলৈ হ'লে -এ বিভক্তি নিতান্তই প্রয়োজন। কিন্তু উৰি আছে ক্রিয়াপদৰ লগত সঙ্গতি ৰাখিবলৈ কর্তা পদত শূন্য বিভক্তিৰহে প্রয়োজন। পদৰ লগত পদৰ এনে সঙ্গতি স্থাপন কৰিব পৰা গুণকে পদৰ ৰূপাত্মক যোগ্যতা বোলে।

(খ) সাধনগত যোগ্যতা ঃ শব্দৰ সাধন ভুল হ'লেও পদৰ ৰূপগত যোগ্যতা নোহোৱা হয়। অসমীয়া ভাষাত লিঙ্গ আৰু বচনৰ প্রত্যয়বোৰ শব্দ সাধনৰ প্রত্যয়। সেইকাৰণে এইবোৰ প্রত্যয়ৰ প্রয়োগত ভুল হ'লে শব্দৰ সাধন ভুল হয়, তেতিয়া সেই শব্দৰ পৰা পোৱা পদো ভুল হয়। যেনে—

	ভুল	*শুদ্ধ*
লিঙ্গ ঃ	তিৰোতাজনী কণা	তিৰোতাজনী কাণী।
বচন ঃ	তেখেতলোকৰ দাবী	তেখেতসকলৰ দাবী।
প্রত্যয় ঃ	প্রাধান্যতা লাভ কৰিছে	প্রাধান্য লাভ কৰিছে।

➢ *পদৰ আসত্তি ঃ* আসত্তি শব্দৰ ব্যুৎপত্তিগত অর্থ হৈছে ওচৰতে বহা বা লগালগিকৈ থকা অৱস্থা অর্থাৎ নিকটতা। অর্থগত আৰু ৰূপগত যোগ্যতা থকা পদবোৰ বাক্যত যথোপযুক্ত ক্রমত যথাসম্ভৱ ওচৰা-উচৰিকৈ সজোৱা হয় ; পদবোৰৰ এনে অৱস্থাকে পদৰ আসত্তি বোলে।

বাক্যত পদৰ আসত্তি নির্ণয় কৰি তলত দিয়া কথাবোৰ জানিব পাৰি—

[1] পদৰ লগত পদৰ সঙ্গতি আৰু সঙ্গতিৰ গাঢ়তা

[2] খণ্ডবাক্যৰ গঠন

[3] গর্ভবাক্যৰ গঠন আৰু অৱস্থান, আৰু

[4] বাক্যৰ অর্থৰ স্পষ্টতা।

বাক্যতত্ত্বৰ বিশ্লেষণত বাক্যত সংস্থাপন কৰা আসত্তিযুক্ত পদ অর্থাৎ আসন্ন অঙ্গসমূহৰ বিচাৰ কৰি প্রকৃত অর্থ নিৰূপণ কৰা হয়। তলৰ উদাহৰণ দুটালৈ চোৱা যাওক—

[1] ল'ৰাবোৰে খেলিছে।

[2] তেখেত মোৰ দেউতা।

ওপৰৰ প্ৰথম বাক্যটোত দুটা পদ আছে। এই দুটা পদৰ অৰ্থগত আৰু ৰূপগত যোগ্যতা আছে। ইহঁতৰ প্ৰত্যেকৰে পদমৰ্যাদা আছে আৰু পৰস্পৰে পৰস্পৰৰ আসন্ন অংগ। দ্বিতীয় বাক্যটোত তিনিটা পদ আছে। এই তিনিটা পদক দুটা অংগত বিভক্ত কৰিলে হ'ব— 'তেখেত' আৰু 'মোৰ দেউতা'। 'মোৰ দেউতা' অংগটোত আকৌ দুটা পদ আছে — 'মোৰ' আৰু 'দেউতা'। ইহঁত পৰস্পৰ আসন্ন অংগ। ইহঁতৰ অংগ বিচাৰ কৰিলে হ'ব—

তেখেত মোৰ দেউতা।

তেখেত মোৰ দেউতা।

মোৰ দেউতা।

আসত্তি বিচাৰৰ জৰিয়তে দীঘলীয়া বাক্যৰ গঠন শুদ্ধ হৈছেনে নাই বিচাৰ কৰিব পাৰি। তলৰ বাক্যটিৰ আসন্ন অংগবোৰ হ'ব—

শিক্ষকে ছাত্ৰক তেওঁলোকৰ দৈনন্দিন পাঠ অতি মনোযোগেৰে পঢ়ুৱায়।

শিক্ষকে ছাত্ৰক তেওঁলোকৰ দৈনন্দিন পাঠ অতি মনোযোগেৰে পঢ়ুৱায়।

ছাত্ৰক তেওঁলোকৰ দৈনন্দিন পাঠ অতি মনোযোগেৰে পঢ়ুৱায়।

তেওঁলোকৰ দৈনন্দিন পাঠ অতি মনোযোগেৰে পঢ়ুৱায়।

তেওঁলোকৰ দৈনন্দিন পাঠ অতি মনোযোগেৰে পঢ়ুৱায়।

দৈনন্দিন পাঠ অতি মনোযোগেৰে পঢ়ুৱায়।

দৈনন্দিন পাঠ অতি মনোযোগেৰে পঢ়ুৱায়।

অতি মনোযোগেৰেপঢ়ুৱায়।

অতি মনোযোগেৰে।

ওপৰৰ বাক্যটোত ব্যৱহৃত শব্দ, শব্দবোৰৰ নিৰ্দিষ্ট ক্ৰম আৰু প্ৰতিটো শব্দৰ আসত্তি বিচাৰৰদ্বাৰা বাক্যটোৰ গঠন প্ৰণালী আৰু তাৰ সম্পূৰ্ণ অৰ্থ বুজিব পাৰি।

বাক্যত পদৰ স্থানান্তৰ হ'লে কেতিয়াবা অৰ্থৰ সলনি হয় নাইবা কেতিয়াবা বাক্য নিৰৰ্থক হৈ পৰে। সেয়েহে বাক্যত আসন্ন অংগবোৰ যথাসম্ভৱ ওচৰা-উচৰিকৈ লিখিব লাগে। উদাহৰণস্বৰূপে—

ভুল ঃ প্ৰাক্তন অসম সাহিত্য সভাৰ সভাপতি

শুদ্ধ ঃ অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি।

ওপৰৰ বিস্তৃত আলোচনাৰপৰা ক'ব পাৰি যে, এটা শুদ্ধ বাক্য গঢ় দিবলৈ বিশেষকৈ দুটা কথালৈ লক্ষ্য কৰিবলগীয়া হয়—

(ক) বাক্যত পদৰ ক্ৰম।

(খ) শব্দবোৰৰ মাজৰ পাৰস্পৰিক সম্পৰ্ক।

পৃথিৱীৰ সকলো ভাষাতে বাক্যৰ পদৰ ক্ৰম একে নহয়। অসমীয়া ভাষাৰ বাক্যত প্ৰথমে কৰ্তা, কৰ্ম আৰু তাৰপাছত ক্ৰিয়া বহে। কিন্তু ইংৰাজী ভাষাৰ বাক্যত প্ৰথমে কৰ্তা, তাৰপাছত ক্ৰিয়া আৰু শেষত কৰ্মপদ বহে। উদাহৰণস্বৰূপে— 'গীতাই কিতাপ পঢ়ে।' ইয়াত 'গীতাই' কৰ্তা,'কিতাপ' কৰ্ম, আৰু 'পঢ়ে' ক্ৰিয়া পদ; কিন্তু ইংৰাজীত এই বাক্যটো হ'ব 'Geeta reads book' (গীতাই পঢ়ে কিতাপ)। ইয়াত Geeta কৰ্তা, reads ক্ৰিয়া আৰু book কৰ্ম। দেখা যায়, অসমীয়া বাক্যত কৰ্তা-কৰ্ম-ক্ৰিয়াৰ পদক্ৰম বাধ্যতামূলক; কিন্তু কৰ্তাহীন বা কৰ্মহীন বা ক্ৰিয়াহীন বাক্যৰ শুদ্ধ প্ৰয়োগো পোৱা যায়। উদাহৰণস্বৰূপে—

(ক) ঘৰলৈ যোৱা। (কৰ্তাহীন)

(খ) চৰাই উৰে। (কৰ্মহীন)

(গ) জোন মাক-দেউতাকৰ আলাসৰ লাড়ু। (ক্ৰিয়াহীন)

বাক্যসমূহ কিছুমান খণ্ডৰ সমষ্টি। এই খণ্ডসমূহ এটা বা তাতকৈ বেছি পদেৰে গঠিত। বাক্যত ব্যৱহৃত পদসমূহ খণ্ডিতকৰণ প্ৰক্ৰিয়া (Segmantally analysed)ৰে খণ্ডিত কৰি সকলো ভাষাৰে বাক্যৰ পুঙ্খানুপুঙ্খ বিশ্লেষণ কৰি দেখুৱাব পাৰি।

কিছুমান বাক্য আছে যাক দীৰ্ঘত্ব (Length), শ্বাসাঘাত (Stress) আৰু সুৰ (Pitch) অনুসৰি দেখুৱাব পাৰি। বাক্যৰ এনে ক্ৰমক উপাহিত অনুক্ৰম (Supra Segmental) বোলে। অসমীয়া ভাষাৰ বাক্যৰ উদাহৰণেৰে তলত দেখুওৱা হ'ল—

(ক) সি কেনে কৈ যাব।

(খ) সি কেনেকৈ যাব?

সন্ধি আৰু অক্ষৰৰ পৰিৱৰ্তনৰ লগে লগে ওপৰৰ একেটা বাক্যই দুটা বেলেগ অৰ্থ বহন কৰিছে। আকৌ নিৰ্দিষ্ট বাক্যৰ নিৰ্দিষ্ট শব্দৰ উচ্চাৰণত দিয়া জোৰ অনুসৰিও অৰ্থ পৰিৱৰ্তন হ'ব পাৰে। উদাহৰণস্বৰূপে—

(ক) ভীম বৰুৱা ছাৰ আহিছে।

(খ) ভীম, বৰুৱা ছাৰ আহিছে।

ওপৰৰ প্ৰথম বাক্যটোত 'ভীম বৰুৱা ছাৰ' শব্দ তিনিটাত জোৰ দিয়াত ভীম বৰুৱা নামৰ ছাৰজনক বুজাইছে; কিন্তু পাছৰ বাক্যটোত ভীম নামৰ ছাত্ৰজনক বৰুৱা ছাৰ অহাৰ কথা জনোৱাৰ উমান পোৱা যায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ সাধাৰণ অৰ্থত বাক্যতত্ত্ব বুলিলে কি বুজা যায়?

.....

প্ৰশ্ন নং ২ ঃ বাক্যতত্ত্বত সাধাৰণতে কোনবোৰ বিষয়ৰ বিশ্লেষণ কৰা হয়?

.....

প্ৰশ্ন নং ৩ ঃ বাক্য গঠন প্ৰক্ৰিয়াত পদৰ আকাংক্ষা, যোগ্যতা আৰু আসত্তিৰ গুৰুত্ব কি?

.....

প্ৰশ্ন নং ৪ ঃ তলত দিয়া বাক্যকেইটা শুদ্ধ ৰূপত লিখক —

(ক) বাহুল্যতাৰ ভয়ত ইমানতে সামৰিলোঁ।

(খ) আপুনি কেতিয়া আহিলে?

(গ) ৰাণীজনী বৰ শুৱনী।

(ঘ) তেওঁ মোক ফোন কৰিছিল।

.....

.....

.....

.....

পাশ্চাত্যৰ অন্যতম ভাষাবিজ্ঞানী ব্লুমফিল্ডে বাক্যৰ গঠনক দুটা ভাগত ভাগ কৰিছে—

(ক) আন্তঃকেন্দ্ৰিক গঠন (Endocentric construction)

(খ) বহিঃকেন্দ্ৰিক গঠন (Exocentric construction)

- *আন্তঃকেন্দ্ৰিক গঠন ঃ* কেতিয়াবা বাক্যত ব্যৱহাৰ হোৱা পদসমূহৰ যিকোনো এক বা একাধিক পদ সম্পূৰ্ণ বাক্যটোৰ সলনি প্ৰয়োগ কৰিলেও বাক্যটোৰ অৰ্থ ব্যাকৰণগতভাৱে একে থাকে। অৰ্থাৎ বক্তাৰ ভাব প্ৰকাশত আৰু শ্ৰোতাৰ অৰ্থ গ্ৰহণত কোনো ধৰণৰ অসুবিধাৰ সৃষ্টি নহয়, ব্যাকৰণগতভাৱে শুদ্ধ; তেনে গঠন প্ৰক্ৰিয়াক আন্তঃকেন্দ্ৰিক গঠন বুলি কোৱা হয়। উদাহৰণস্বৰূপে— 'ল'ৰাজন কামে-কাজে বৰ ভাল' বাক্যটোত 'ল'ৰাজন' পদটো প্ৰধান বা কেন্দ্ৰ পদ। বাক্যটোত কেৱল 'ল'ৰাজন ভাল' বুলি ক'লেও অৰ্থটো ওলাই পৰে; কিন্তু 'কামে-কাজে বৰ' বা 'বৰ ভাল' বুলি ক'লে সম্পূৰ্ণ অৰ্থ প্ৰকাশ নাপায়। 'ল'ৰাজন কামে-কাজে ভাল' বুলি ক'লেহে সম্পূৰ্ণ অৰ্থ প্ৰকাশ পায়। বাক্যটোত 'ল'ৰাজন' পদটোৰ লগত বাকীকেইটা পদৰ সম্পৰ্ক আন্তঃকেন্দ্ৰিক।
- *বহিঃকেন্দ্ৰিক গঠন ঃ* কোনো বাক্যত প্ৰয়োগ হোৱা পদসমূহৰ ভিতৰত এক বা একাধিক শব্দ বাক্যটোৰ সলনি প্ৰয়োগ কৰিলে বাক্যটোৰ অৰ্থ প্ৰকাশ নাপায়, বাক্যটো ব্যাকৰণগতভাৱে শুদ্ধ নহয়। তেনে গঠনক বহিঃকেন্দ্ৰিক গঠন বোলে। উদাহৰণস্বৰূপে— 'শিক্ষকসকলৰ প্ৰতি ছাত্ৰজনে নমস্কাৰ জনাইছিল' বাক্যটোত প্ৰধান পদ হ'ল 'ছাত্ৰজনে'। 'ছাত্ৰজনে' পদটিৰ সৈতে 'শিক্ষকসকলৰ প্ৰতি' বাক্যাংশ গুণবোধক সম্প্ৰসাৰক ৰূপে প্ৰয়োগ হৈছে। বাক্যটোত 'ছাত্ৰজনে' পদটোৰ ঠাইত কেৱল 'শিক্ষকসকলৰ প্ৰতি' বাক্যাংশ প্ৰয়োগ হ'লে বাক্যটোৰ সঠিক অৰ্থ প্ৰকাশ নাপাব; কিন্তু 'শিক্ষকসকলৰ প্ৰতি' বাক্যাংশ বাদ দিলেও বাক্যটোৰ অৰ্থ প্ৰকাশত কোনোধৰণৰ অসুবিধা নহয়। গতিকে বাক্যটোত 'শিক্ষকৰ প্ৰতি' বাক্যাংশৰ গঠন বহিঃকেন্দ্ৰিক গঠন।

আন্তঃকেন্দ্রিক গঠন দুই ধৰণৰ —

(ক) সমানাধিকাৰ আন্তঃকেন্দ্রিক (Co-ordination) আৰু

(খ) অধীনস্থ আন্তঃকেন্দ্রিক (Sub-ordination)


কোনো বাক্যৰ অন্তর্ভুক্ত পদসমূহে যদি সমান অধিকাৰ লাভ কৰে অর্থাৎ আটাইবোৰ পদ যদি সম গুণসম্পন্ন হয় তেনে গঠনক সমানাধিকাৰ আন্তঃকেন্দ্রিক গঠন বোলে। যেনে— 'ল'ৰাজনে ভাত-পানী খালে' বাক্যটোত 'ভাত' আৰু 'পানী' দুয়োটা পদৰ গঠন সমানাধিকাৰ। আনহাতে, যদি কোনো বাক্যত পদসমূহ সংগঠিত কৰোঁতে প্রধান বা কেন্দ্র পদটোৱে অধিক গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে আৰু বাকীবোৰ পদৰ গুৰুত্ব কম হৈ পৰে অর্থাৎ বাক্যটোত থকা প্রধান পদটোৰ অধীনত বাকীবোৰ পদ থাকে, তেনে গঠনেই অধীনস্থ আন্তঃকেন্দ্রিক গঠন। যেনে— 'মুনীন বৰুৱাই লিখা নাটক এখন চালোঁ' বাক্যটোত প্রধান পদ হ'ল 'নাটক' আৰু 'চালোঁ'। 'নাটক এখন চালোঁ' বাক্যাংশটোৰ গুণবোধক সম্প্রসাৰক ৰূপে 'মুনীন বৰুৱাই লিখা' বাক্যাংশটো সংযোজিত হৈছে। এই বাক্যাংশটো সংযোজন নকৰিলেও নাটক চোৱা প্রধান কার্যটো সুন্দৰ ৰূপে প্রকাশ পায়। অর্থাৎ বাক্যটোত প্রধান বাক্যাংশটোৱে গুৰুত্ব পাইছে। গতিকে দেখা যায়, উল্লিখিত পূর্ণাংগ বাক্যটোৰ 'মুনীন বৰুৱাই লিখা' বাক্যাংশটোক 'নাটক এখন চালোঁ' বাক্যাংশৰ লগত হোৱা গাঁথনিক সম্পর্কক অধীনস্থ আন্তঃকেন্দ্রিক সম্পর্ক বুলি ক'ব পাৰি।

বিংশ শতিকাৰ মাজভাগত আমেৰিকাৰ ভাষাবিজ্ঞানী নোয়ম চমস্কিয়ে তেওঁৰ *Aspects of the Theory of Syntax* (Noam Chomsky) গ্রন্থৰ বাক্যতত্ত্বৰ আলোচনাত এক নতুন দিগন্ত উন্মোচন কৰে। তেওঁৰ মতে — "The users of each and every language of the world have some inborn abilities of their own those make them produce such types of sentences which they never have used and even never have heard before"। অর্থাৎ ভাষা মানুহৰ সৃজনশীলতাৰ স্বতঃস্ফূর্ত বহিঃপ্রকাশ। প্রত্যেক মানুহে নিজৰ সৃজনী ক্ষমতাৰে প্রতিদিনে নতুন নতুন বাক্য সৃষ্টি কৰে। চমস্কিয়ে মানুহৰ এই ক্ষমতাৰ দুটা দিশৰ কথা উল্লেখ কৰিছে— (ক) ভাষাগত সামর্থ্য (Linguistic Competence), (খ) বাস্তৱ বাক্ ব্যৱহাৰ (Linguistic Performance)। চমস্কিয়ে উল্লিখিত একেখন গ্রন্থতে বাক্য গঠনৰ দুই প্রকাৰৰ নিয়মৰ কথা কৈছে—


(ক) খণ্ডবাক্য গঠনৰ নিয়ম।

(খ) ৰূপান্তৰ নিয়ম।

চিত্ৰ ৮.২ ঃ অসমীয়া ভাষাৰ বাক্য



চিত্ৰ ৮.৩ ঃ ইংৰাজী ভাষাৰ বাক্য



তেওঁ কৈছে যে, পৃথিৱীৰ সকলো ভাষাতে নির্দিষ্টসংখ্যক মূল বা সাৰবাক্য থাকে, যিবোৰৰপৰা ৰূপান্তৰ প্ৰক্ৰিয়াৰে বিভিন্ন নতুন নতুন বাক্য গঠন কৰিব পাৰি। এনে বাক্যবোৰক তেওঁ Kernal Sentence বুলি কৈছে। উদাহৰণস্ৱৰূপে— অসমীয়া ভাষাত 'মই খাওঁ'— এই সাৰ বাক্যটোৰপৰা সম্প্ৰসাৰক পদৰ জৰিয়তে অথবা নঞৰ্থক ৰূপৰ সংযোগত তলত দিয়া ধৰণেৰে নতুন নতুন বাক্য গঠন কৰিব পাৰি—

কর্তা + ক্রিয়া — মই খাওঁ।

কর্তা + কর্ম + ক্রিয়া — মই ভাত খাওঁ।

কর্তা + কৰণ + কর্ম + ক্রিয়া — মই হাতেৰে ভাত খাওঁ।

কর্তা + ক্রিয়া বিশেষণ + কৰণ + কর্ম + ক্রিয়া — মই সদায় হাতেৰে ভাত খাওঁ।

কর্তা + ক্রিয়া বিশেষণ + কৰণ + কর্ম + নঞৰ্থক ক্রিয়া — মই সদায় হাতেৰে ভাত নাখাওঁ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ পাশ্চাত্যৰ অন্যতম ভাষাবিজ্ঞানী ব্লুমফিল্ডে বাক্যৰ গঠনক কেইটা আৰু কি কি ভাগত ভাগ কৰিছে?

.....

প্রশ্ন নং ৬ ঃ চমস্কিয়ে বাক্য গঠনৰ কেই প্রকাৰৰ আৰু কি কি নিয়ম আছে বুলি কৈছে?

.....

- **পাশ্চাত্য বাক্যতত্ত্ব চর্চাৰ অধ্যয়ন** ঃখ্রীষ্টপূর্ব পঞ্চম শতিকাৰপৰা পাশ্চাত্য ভাষা-চিন্তাৰ শৃংখলাবদ্ধ আৰু ধাৰাবাহিক আলোচনাৰ সূত্রপাত হয় গ্রীচ দেশত। 'ছোফিষ্ট' সম্প্রদায়ৰ অলংকাৰ শাস্ত্র সম্বন্ধীয় আলোচনাৰ মাজেদি ইয়াৰ সর্বপ্রথম অংকুৰণ ঘটে। গ্রীক ভাষাত 'ছোফিষ্ট' শব্দৰ অর্থ 'জ্ঞানী মানুহ'। তেওঁলোকৰ মাজৰ অগ্রণী আলংকাৰিক প্রোটাগোৰাছে বর্ণনা, প্রশ্ন, উত্তৰ, আদেশ, প্রার্থনা, আমন্ত্রণ আৰু বিৱৰণ— এই সাত প্রকাৰৰ বাক্য সম্পর্কে আলোচনা কৰিছিল। সময়ত তেওঁৰ কোনো লেখা ৰক্ষিত নহ'ল যদিও প্রাপ্ত তথ্যৰপৰা এই কথা জানিবৰপৰা যায় যে বাক্যৰ বিভিন্ন ৰীতিৰ মাজৰ পার্থক্য তেৱেঁই সর্বপ্রথম নির্ণয় কৰিছিল। খ্রীষ্টপূর্ব দ্বিতীয় শতিকাৰ আলেকজেণ্ড্রীয় যুগৰ দার্শনিক দিওনুছিয়াছ থ্রাক্স (Dionusious Thrax)-এ বাক্যতত্ত্বৰ প্রসংগ উপস্থাপন কৰিছিল যদিও সেই বিষয়ে বিতং আলোচনা আগনবঢ়ালে। বাক্যতত্ত্ব সম্পর্কে সর্বপ্রথমে প্রণালীবদ্ধভাৱে আলোচনা কৰে এপোলোনিওছ ডুস্কোলেছ (Apolonius Dyscolus)-এ। পাশ্চাত্য ভাষাচর্চাৰ ইতিহাসত গ্রীচৰ পিছতেই ৰোমৰ অৱদান উল্লেখযোগ্য। খ্রীষ্ট পূর্বপ্রথম শতিকাত গ্রীচ দেশ ৰোম সাম্রাজ্যৰ অধীনলৈ আহে। গ্রীচ আর্হিৰে ব্যাকৰণ প্রণয়ন কৰা প্রথম পণ্ডিত মার্কাছ তেৰেনতিউছ্ ভাৰ্ৰো (Marcus Terentius Varro)-এ খ্রীষ্টপূর্ব প্রথম শতিকাত লেটিন ভাষাৰ প্রথম ব্যাকৰণ 'দ্য লিংগুৱা লেটিনা' (De Lingua Latina) ৰচনা কৰে। এই ব্যাকৰণখনত ভাষাৰ বুৎপত্তি (etimology), ৰূপতত্ত্ব (morphology) আৰু বাক্যতত্ত্ব (Syntax) — এই তিনিটা দিশৰ আলোচনা আগবঢ়াইছে। খ্রীষ্টাব্দ ষষ্ঠ শতিকাত থ্রাক্স আৰু ডুস্কোলেছৰ গ্রীক ব্যাকৰণৰ আর্হিত লেটিন ভাষাৰ এখন আদর্শ আৰু পূর্ণাংগ ব্যাকৰণ ৰচনা কৰে বিখ্যাত লেটিন পণ্ডিত প্রিছকিয়ানুছে। ওঠৰটা অধ্যায়যুক্ত এই ব্যাকৰণখনৰ প্রথম ষোল্লটা অধ্যায়ত শব্দৰ আলোচনা কৰা হৈছে আৰু শেষৰ দুটা অধ্যায়ে বাক্যৰ আলোচনাক সামৰি লৈছে। প্রিছকিয়ানুছে বাক্যৰ সংজ্ঞা দিছে এনেদৰে— "বাক্য হ'ল শব্দৰ গ্রহণযোগ্য বিন্যাস, যি পূর্ণ অর্থ জ্ঞাপন কৰে।" এই সংজ্ঞাত থ্রাক্সৰ প্রভাৱ স্পষ্ট।

বিংশ শতিকাৰ প্রথমার্ধত আধুনিক ভাষাবিজ্ঞানৰ জনক ফার্ডিনাণ্ড দ্য ছছ্যুৰৰ 1915

চনত প্ৰকাশিত গ্ৰন্থ *Course in General Linguistics (Cours de linguistique generale)* -ৰ জৰিয়তে ভাষাৰ গাঁথনিক দিশৰ আলোচনাৰ ভেটি সুদৃঢ় হয়; কিন্তু বাক্যতত্ত্বৰ আলোচনা ইয়াত সীমিত। ছছ্যুৰৰ গাঁথনিক ধাৰাক আমেৰকাত প্ৰয়োগ কৰে ভাষাবিদ ব্লুমফিল্ডে। তেৱেঁই পোনপ্ৰথমবাৰৰ বাবে বাক্যৰ পদ গঠনৰ স্বাভাৱিক ৰীতিৰ বিশ্লেষণ কৰে তেওঁৰ 1933 চনত প্ৰকাশিত *Language* নামৰ গ্ৰন্থত। গাঁথনিক ধাৰাৰ বিশ্লেষণত বাৰ্ণাড ব্লখ (Bernard Bloch), জৰ্জ এল ট্ৰেগাৰ (George L Trager), চি.এফ.হকেট (C.F. Hockett), এইচ. এ. গ্লীছন (H.A.Gleason) আদিৰ অৱদান যথেষ্ট আছিল; কিন্তু তেওঁলোকৰ আলোচনাত বাক্যতাত্ত্বিক বিশ্লেষণ সীমিত আছিল। বিংশ শতিকাৰ দ্বিতীয়াৰ্ধত আমেৰিকান মনস্তত্ত্ববিদ তথা ভাষাবিজ্ঞানী নোৱম চমস্কিয়ে তেওঁৰ *Syntactic Structure* (1957] গ্ৰন্থত বাক্য আৰু মানৱ মনৰ সৃজনশীলতাক ভাষাৰ মূল বুলি উল্লেখ কৰে। তেওঁ গঠনবাদীসকলৰ ভাষাৰ বাহ্যিক দিশটোৰ পৰিৱৰ্তে মানুহৰ অন্তৰ্লীন ভাষা চেতনাক অধিক গুৰুত্ব দিছে। তেওঁৰ মতে, যি অন্তৰ্লীন জ্ঞানৰদ্বাৰা চালিত হৈ নিৰ্দিষ্ট নিয়মৰ মাধ্যমেৰে নিত্য নতুন ব্যাকৰণসন্মত বাক্য ৰচনা সম্ভৱ হৈছে তাৰ স্বৰূপ ব্যাখ্যা কৰাহে বিশেষ মূল্যৱান। 1965 চনত প্ৰকাশিত *Aspects of the Theory of Syntax* গ্ৰন্থত বাক্যতত্ত্ব সম্পৰ্কে তেওঁৰ ধাৰণা অধিক স্পষ্ট ৰূপত ব্যক্ত হৈছে। তেৱেঁই প্ৰথমে ৰূপান্তৰমূলক পদ্ধতি প্ৰয়োগ কৰি বাক্য বিশ্লেষণ কৰি দেখুৱায়। তেওঁ ইংৰাজী ভাষাৰ সৰলীকৰণৰ উপৰি সাৰবাক্যৰ খণ্ডবাক্য গাঁথনি, ৰূপান্তৰ গাঁথনি আৰু ৰূপতাত্ত্বিক গাঁথনিৰ নিয়ম আলোচনা কৰিছে। এই দিশৰপৰা ভাষা-চিন্তাৰ ইতিহাসত তেওঁৰ স্থান অদ্বিতীয় বুলি ক'ব পাৰি। সাম্প্ৰতিক সময়ত চমস্কিৰ 'X-bar syntax' সম্পৰ্কীয় আলোচনাই বাক্যাংশ গঠনত নতুন চিন্তাৰ বাট মুকলি কৰিছে। চমস্কিৰ সিদ্ধান্তৰ সমৰ্থনত নিজ নিজ ব্যাখ্যা আগবঢ়াই চাৰ্লছ ফিলমোৰ (Charles Fillmore), কে.এল.পাইক (K.L. Paik), মাইকেল হলিডে (Micael Halliday), ৱেলিং এছ হেৰিছ (Zelling S.Harris) আদি ভাষাবিজ্ঞানীসকলে এই চিন্তাক অধিক সংহত ৰূপ প্ৰদান কৰে। তদুপৰি মৰিচ হালে, কালেচ্ছাটা স্মিথ, জৰ্জ লেকফ, ৰবাৰ্ট বি লিচ, এডৱাৰ্ড ক্লিমা, জেৰি এ ফোডোৰ, জেৰোল্ট জে কাট্জ, জেম্ছ মেক্লে, জোন ব্ৰেচনান আদি ভাষাবিদসকলে 'ৰূপান্তৰ উৎপাদক পদ্ধতি' প্ৰয়োগ কৰি ভাষাবিজ্ঞানৰ বিভিন্ন দিশৰ বিশ্লেষণ আগবঢ়ায়।

সাম্প্ৰতিক সময়ত যোছেফ এডমণ্ডছৰ Root Structure বিষয়ক গৱেষণাই বাক্য বিশ্লেষণত নতুন চিন্তাৰ সন্ধান দিবলৈ সক্ষম হৈছে। "চমস্কিৰ মডেলৰ বিকল্প মডেলৰ সহায়ত ৰূপান্তৰমূলক পদ্ধতি প্ৰয়োগ কৰি মাইকেল ব্ৰেম, জন ব্ৰেছনান, জেৰাল্ড গাজদাৰে ভাষাৰ বিশ্লেষণত অগ্ৰসৰ হৈছে।" গতিকে সাৰ বাক্য গঠন বিশ্লেষণ আৰু সাৰ বাক্যৰ জৰিয়তে নানা ধৰণৰ ৰূপান্তৰজনিত নিয়মৰ প্ৰয়োগেই আধুনিক ভাষাবিজ্ঞান চৰ্চাৰ কেন্দ্ৰবিন্দু বুলি ক'ব পাৰি।

- **ভাৰতীয় বাক্যতত্ত্ব চৰ্চাৰ অধ্যয়ন ঃ** পৃথিৱীৰ ভিতৰত ভাৰতবৰ্ষতেই প্ৰথম ভাষা চৰ্চাৰ ইতিহাসৰ সূচনা হয়। ইয়াৰ পাছতেই গ্ৰীচ দেশত দৰ্শনশাস্ত্ৰৰ অংগ স্বৰূপে ভাষাৰ অধ্যয়ন হোৱা দেখা যায়। প্ৰাচীন ভাৰতৰ আৰ্য সমাজত প্ৰধানকৈ ধৰ্মীয় উদ্দেশ্যত অৰ্থাৎ বেদৰ বিশুদ্ধতা ৰক্ষাৰ বাবেই ভাষা-চৰ্চাৰো সূত্ৰপাত ঘটে। বৈদিক ঋষিসকলে বিশ্বাস কৰিছিল যে ধ্বনিৰ এক অতীন্দ্ৰিয় শক্তি আছে; মন্ত্ৰ যথাযথভাৱে উচ্চাৰণ কৰিলেহে মন্ত্ৰ কাৰ্যকৰী হয়। সেয়ে প্ৰথমে ভাৰতত ধ্বনি বিষয়ক আলোচনাইহে গুৰুত্ব পাইছিল। পাছলৈ ব্যাকৰণৰ অন্তৰ্গত বিবিধ বিষয়ৰ আলোচনা হয়।

  আনুমানিক খ্ৰীষ্টপূৰ্ব পঞ্চম শতিকাত মহৰ্ষি পাণিনিয়ে ৰচনা কৰা *অষ্টাধ্যায়ী* ব্যাকৰণখনেই যথাৰ্থত প্ৰাচীন ভাৰতীয় প্ৰথম ব্যাকৰণ। ইয়াত ভাষাচৰ্চাৰ তিনিটা ভাগ পোৱা যায়, তাৰে প্ৰথমটোৱে হৈছে বাক্যৰপৰা পদৰ সংকলন। এই সম্পৰ্কীয় আলোচনা গ্ৰন্থখনৰ প্ৰথম দুটা অধ্যায়ত আছে। পাণিনিয়ে তিনিখলপীয়া ব্যাখ্যাৰদ্বাৰা প্ৰতিষ্ঠা কৰিছিল যে, "The sentence is the unit of language" আধুনিক ভাষাচৰ্চাকাৰীসকলে ভাষাৰ গাঁথনিক দিশক এক সুশৃংখলিত ৰূপ দিবৰ বাবে বাক্য গঠন কৰা পদসমূহক সব্যয় (declinable) আৰু অব্যয় (indeclinable) ধাৰণাৰে যি বিভাজন প্ৰণালী তৈয়াৰ কৰি লৈছে আৰু যাক বিজ্ঞানসন্মত বুলি স্বীকৃতি দিয়া হৈছে, তেনে বিজ্ঞানসন্মত বিভাজন প্ৰণালী পাণিনিৰ 'সুবন্ত', 'তিঙন্ত' আৰু 'নিপাত'ৰ মাজতে তাহানিৰ যুগতে প্ৰতিফলিত হৈছিল। প্ৰসংগক্ৰমে উল্লেখনীয় যে, প্ৰখ্যাত ভাষাবিজ্ঞানী নোয়ম চমস্কিয়ে তেওঁৰ ৰূপান্তৰ উৎপাদক ব্যাকৰণৰ বীজ পাণিনিৰ ব্যাকৰণতে নিহিত বুলি উল্লেখ কৰিছে— "What is more it seems that even Panini's grammar can be interpreted as a fragment of such "generative grammar" in essentially the contemporary sense of this term."

  পাণিনিৰ পাছতে *বাক্যপদীয়* শীৰ্ষক ব্যাকৰণত বাক্যতত্ত্বৰ আলোচনা খ্ৰীষ্টীয় অষ্টম শতিকাৰ কবি, দাৰ্শনিক, বৈয়াকৰণ ভৰ্তৃহৰিয়ে। 'ব্ৰহ্ম', 'বাক্য' আৰু 'প্ৰকীৰ্ণ'— এই তিনিটা কাণ্ডৰ মাজেদি ভাষাত বাক্যৰ প্ৰাধান্য সম্পৰ্কে আলোচনা কৰিছিল কাৰণে ভৰ্তৃহৰিক 'বাক্যবাদী' বুলি অভিহিত কৰা হয়। তেওঁৰ মতে, ভাষাত বাক্যই মূল। ধ্বনি, শব্দ বা পদ আদি যিবোৰৰ সমষ্টিৰে বাক্য গঠন হয়, সেইবোৰ বাক্যৰ লগত অবিচ্ছেদ্যভাবে জড়িত; সেইবোৰ স্বতন্ত্ৰ ৰূপত খণ্ডন কৰি বিচাৰ কৰিব নোৱৰা বস্তু।

  প্ৰাচীন ভাৰতবৰ্ষত ভাষাচৰ্চাৰ দিশটোলৈ মন কৰি এটা কথা ক'ব পাৰি যে, সংস্কৃত, পালি, প্ৰাকৃত স্তৰৰ ভাষাৰ আলোচনাত ধ্বনিৰ উচ্চাৰণ, পদ প্ৰকৰণ আদিৰ লগতে বাক্যসম্পৰ্কীয় আলোচনাই ঠাই পাইছিল যদিও সেয়া পৰ্যাপ্ত নাছিল।

  বিংশ শতিকাত তাৰাপৰেৱালা, ভি.এছ.আপ্তে, বটকৃষ্ণ ঘোষ, কপিলদেৱ দ্বিৱেদী, ডি সত্যকাম আদিয়ে বাক্যতত্ত্ব সন্দৰ্ভত আলোকপাত কৰা পৰিলক্ষিত হয়। তদুপৰি ভাৰতীয় বিভিন্ন ভাষাবিদে বাক্যতত্ত্বৰ নানা দিশৰ গৱেষণাৰ জৰিয়তে নতুন নতুন দিশৰ উন্মোচন

কৰি ভাৰতীয় ভাষাচৰ্চাৰ ক্ষেত্ৰখনক সমৃদ্ধ কৰি তুলিছে।

- **অসমীয়া বাক্যতত্ত্ব চৰ্চাৰ অধ্যয়ন ঃ** অসমত বাক্যতত্ত্ব সম্পৰ্কীয় চিন্তা-চৰ্চা বৰ বেছি পুৰণি নহয়। বিংশ শতিকাৰ প্ৰথমাৰ্ধত অসমীয়া বাক্যতত্ত্বৰ আলোচনাৰ প্ৰথম স্তৰত, গ্ৰীয়াৰ্ছন, দেৱানন্দ ভৱালী, কালিৰাম মেধি, বাণীকান্ত কাকতি প্ৰমুখ্যে ভাষাচিন্তাবিদসকলে ঐতিহাসিক ভাষাবিজ্ঞানৰ দৃষ্টিকোণৰপৰা অসমীয়া ভাষাৰ তাত্ত্বিক আলোচনাৰ দিশ মুকলি কৰে। পাছৰ ফালে উপেন্দ্ৰনাথ গোস্বামী আৰু গোলোকচন্দ্ৰ গোস্বামীয়ে ঐতিহাসিক ভাষাবিজ্ঞানৰ প্ৰান্তৰেখাত থাকি বৰ্ণনাত্মক ভাষাবিজ্ঞান চৰ্চাৰ বাট মুকলি কৰে কিন্তু বাক্যতত্ত্বৰ আলোচনা তেওঁলোকৰ হাতত তেনেই সংক্ষেপ। পৰৱৰ্তী কালছোৱাত বসন্ত কুমাৰ ভট্টাচাৰ্যৰ *ভাষা বিজ্ঞান প্ৰৱেশ*, ফণীন্দ্ৰ নাৰায়ণ দত্তবৰুৱাৰ *আধুনিক ভাষাবিজ্ঞান পৰিচয়* আৰু অৰ্পণা কোঁৱৰৰ *ভাষাবিজ্ঞান উপক্ৰমণিকা আৰু ভাষা চিন্তন*, প্ৰণীতা দেৱীৰ *ভাষাবিজ্ঞানৰ জিলিঙনি* আদি গ্ৰন্থত সন্নিৱিষ্ট বাক্যতত্ত্বৰ আলোচনা উল্লেখযোগ্য। এইসকলৰ উপৰি সম্প্ৰতি, অসমীয়া ভাষাৰ বাক্য সম্পৰ্কে ভাষাবিদসকলে ভাষাবিজ্ঞানৰ আধুনিক দৃষ্টিভংগীৰে অসমীয়া ভাষাৰ বাক্যতাত্ত্বিক বিশ্লেষণ কৰা দেখিবলৈ পোৱা গৈছে যদিও সেয়া যথেষ্ট নহয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ ভাষাবিজ্ঞানী নোৱম চমস্কিয়ে ভাষাৰ মূল বুলি কিহৰ কথা উল্লেখ কৰি গৈছে? এই কথাখিনি তেওঁ কত লিখিছিল?

.....

প্ৰশ্ন নং ৮ ঃ *বাক্যপদীয়* শীৰ্ষক ব্যাকৰণৰ ৰচক কোন?

.....



৮.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাষাৰ 'বাক্যতত্ত্ব' হ'ল বাক্যৰ গাঁথনিৰ সূক্ষ্মাতিসূক্ষ্ম বিশ্লেষণ। পৃথিৱীৰ সকলো ভাষাৰে বাক্যগত উপাদান — ধ্বনি, ৰূপ অৰ্থাৎ বাক্যত ব্যৱহৃত পদসমূহ, খণ্ডবাক্য, বাক্যাংশ আদি ভাষাৰ মৌলিক উপাদানবোৰ একে। কিন্তু প্ৰতিটো ভাষাৰ ধ্বনিৰ উচ্চাৰণ, ৰূপৰ গঠন, বাক্যৰ গঠন সুকীয়া সুকীয়া।
- ভাষাৰ অধ্যয়নৰ স্তৰ বাক্যতত্ত্বত বাক্যৰ উপাদান, বাক্যৰ গঠন প্ৰক্ৰিয়া, বাক্য গঠনত ৰূপান্তৰ প্ৰক্ৰিয়া — আদি দিশসমূহৰ পুংখানুপুঙ্খ বিশ্লেষণ কৰা হয়।

- সমগ্ৰ বিশ্বতে কেনেদৰে বাক্যতত্ত্বৰ চৰ্চা হৈ আছে সেই বিষয়ে চমুকৈ জানিব পাৰিলে।



৮.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

1] কাকতি,বাণীকান্ত [1996]Ê, *অসমীয়া ভাষাৰ গঠন আৰু বিকাশ;*(হাজৰিকা, বিশ্বেশ্বৰ অনুঃ); বৰপেটা ঃ বাণীকান্ত কাকতি জন্ম শতবাৰ্ষিকী উদ্‌যাপন সমিতি (প্ৰথম প্ৰকাশ 1941)।

2] কোঁৱৰ, অৰ্পণা [2008]Ê, *ভাষাবিজ্ঞান উপক্ৰমণিকা;* গুৱাহাটী ঃবনলতা।

৩) গোস্বামী, উপেন্দ্ৰনাথ [1997]Ê, *অসমীয়া ভাষাৰ ব্যাকৰণ;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

৪) গোস্বামী, উপেন্দ্ৰনাথ (1995); *অসমীয়া ভাষাৰ ৰূপ-কথা;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

5] গোস্বামী, গোলোকচন্দ্ৰ [1999]Ê, *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

6] গোস্বামী, গোলোকচন্দ্ৰ [2003]Ê, *অসমীয়া ব্যাকৰণৰ প্ৰৱেশ;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

7) গোস্বামী, গোলোকচন্দ্ৰ (1996); *অসমীয়া বৰ্ণপ্ৰকাশ*, গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

8] দত্ত বৰুৱা, ফণীন্দ্ৰ নাৰায়ণ [2006]Ê, *আধুনিক ভাষাবিজ্ঞানৰ পৰিচয়;* গুৱাহাটী ঃ বনলতা।

9] দত্ত বৰুৱা, ফণীন্দ্ৰ নাৰায়ণ [2006]Ê, *প্ৰয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা;* গুৱাহাটী ঃ বনলতা।

10) পাদুন, নাহেন্দ্ৰ (সম্পাঃ)(1993); *ভাষাৰ তত্ত্বকথা;* গুৱাহাটী ঃ বাণী মন্দিৰ।

11) পাটগিৰি, দীপ্তি ফুকন (1991); *ভাষাতত্ত্ব*, গুৱাহাটী ঃ বনলতা।

12) ভৰালী, দেবানন্দ (1993); *অসমীয়া ভাষাৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

13) মেধি, কালিৰাম (1999); *অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

ইংৰাজী গ্ৰন্থ ঃ

১৪) Chomsky, N. (1965). *Aspects of the Theory of Syntax.* Cambridge Mass.: MIT

১৫) Chomsky, N. (2002). *Syntactic Structure.* Barlin: Walter de Gruyter GmbH & Co. KG.

১৬) Crystal, D. (1997). *The Encyclopedia of Language*. Cambridge: CUP.

১৭) Hockett, C. F. (1970). *A Course in Modern Linguistics*. New Delhi: Oxford & IBH Publishing Co. Pvt. Ltd.

১৮) Kakati, B. (2007). *Assamese : Its Formation and Development.* Guwahati: Lawyers Book Stall.



৮.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ বাক্যৰ অন্তর্গত বিভিন্ন অংশবোৰ যি তত্ত্বৰ সহায়ত পুংখানুপুংখকৈ বিশ্লেষণ কৰা হয় তাকে বাক্যতত্ত্ব বোলে।

২ নং প্রশ্নৰ উত্তৰ ঃ বাক্যৰ গাঁথনি, বাক্যৰ প্রকাৰ, বাক্যৰ ৰূপান্তৰ, বাক্যৰ অন্তর্নিহিত সুৰ, বাক্যাংশ, বাক্যৰ নিকটস্থ অংগৰ বিশ্লেষণ।

৩ নং প্রশ্নৰ উত্তৰ ঃ যোগ্যতা থকা আসত্তিযুক্ত পদে আকাংক্ষা পূর্ণ কৰিলেহে বাক্য পোৱা যায়।

৪ নং প্রশ্নৰ উত্তৰ ঃ (ক) বাহুল্যৰ ভয়ত ইমানতে সামৰিলোঁ।

(খ) আপুনি কেতিয়া আহিল?

(গ) ৰাণীগৰাকী বৰ শুৱনী।

(ঘ) তেওঁ মোলৈ ফোন কৰিছিল।

৫ নং প্রশ্নৰ উত্তৰ ঃপাশ্চাত্যৰ অন্যতম ভাষাবিজ্ঞানী ব্লুমফিল্ডে বাক্যৰ গঠনক দুটা ভাগত ভাগ কৰিছে— আন্তঃকেন্দ্রিক গঠন আৰু বহিঃকেন্দ্রিক গঠন।

৬ নং প্রশ্নৰ উত্তৰ ঃ চমস্কিয়ে বাক্য গঠনৰ দুই প্রকাৰৰ নিয়মৰ কথা কৈছে— খণ্ডবাক্য গঠনৰ নিয়ম আৰু ৰূপান্তৰ নিয়ম।

৭ নং প্রশ্নৰ উত্তৰ ঃ ভাষাবিজ্ঞানী নোৱম চমস্কিয়ে তেওঁৰ *Syntactic Structure* (1957] গ্রন্থত বাক্য আৰু মানৰ মনৰ সৃজনশীলতাক ভাষাৰ মূল বুলি উল্লেখ কৰে।

৮ নং প্রশ্নৰ উত্তৰ ঃ*বাক্যপদীয়* শীর্ষক ব্যাকৰণৰ ৰচক হ'ল ভর্তৃহৰি।



৮.৭ আৰ্হিপ্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক—

ক) 'বাক্যতত্ত্ব' বুলিলে কি বুজা যায়?

খ) 'সাধনগত যোগ্যতা' মানে কি?

গ) 'পদৰ আসত্তি' বুলিলে কি বুজে?

ঘ) বাক্য হ'বলৈ হ'লে কি কি গুণ থাকিব লাগে?

চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ বাক্যতত্ত্বৰ আলোচনাত কোনবোৰ দিশ বিশ্লেষণ কৰা হয় আলোচনা কৰক।

প্ৰশ্ন ২ ঃ 'পদৰ যোগ্যতা' সম্পৰ্কে চমুকৈ আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৩ ঃ বাক্যৰ 'আন্তঃকেন্দ্ৰিক গঠন' মানে কি উদাহৰণ দি বুজাই লিখক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ বাক্য গঠন প্ৰক্ৰিয়াত পদৰ আকাংক্ষা, যোগ্যতা আৰু আসত্তিৰ গুৰুত্ব কিমান ? অসমীয়া ভাষাৰ উদাহৰণসহ বৰ্ণনা কৰক।

প্ৰশ্ন ২ ঃ বাক্যৰ গঠন প্ৰক্ৰিয়া সম্পৰ্কে উদাহৰণসহ আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৩ ঃ প্ৰাচ্য আৰু প্ৰাশ্চাত্যত বাক্যতত্ত্ব চৰ্চা ইতিহাস সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ৪ ঃ বাক্যতত্ত্ব বুলিলে কি বুজে ? বাক্যতত্ত্ব আলোচনাত কি কি দিশ অন্তৰ্ভুক্ত হৈ আছে সেই বিষয়ে উদাহৰণসহ এটি প্ৰবন্ধ যুগুত কৰক।

*** ***** ***

অধ্যায় ৯ ঃ অসমীয়া ভাষাৰ বাক্যতত্ত্ব

অধ্যায় গাঁথনি

9.1 উদ্দেশ্য
9.2 পৰিচয়
9.3 অসমীয়া ভাষাৰ বাক্যতত্ত্ব
9.4 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
9.5 অধিক জানিবলৈ
9.6 অগ্রগতিৰ খতিয়ান
9.7 আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া ভাষাৰ বাক্যতাত্ত্বিক দিশৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- অসমীয়া বাক্যত পদৰ যোগ্যতা, আকাংক্ষা আৰু আসত্তিৰ গুৰুত্ব কি জানিব পাৰিব
- অসমীয়া বাক্যত পদসমষ্টিৰ আসত্তি ভেদে কেনেকৈ অর্থৰ ভেদ হয় সেয়া নিৰূপণ কৰিব পাৰিব।

৯.২ পৰিচয়

এই অধ্যায়ৰ পূর্বৱর্তী অধ্যায়টোত আমি সামগ্রিকভাৱে ভাষাৰ বাক্যতত্ত্বৰ সাধাৰণ পৰিচয় লাভ কৰিলোঁ। বাক্যতত্ত্বৰ লগত সম্পর্কিত দিশসমূহৰ বিষয়ে অধ্যয়ন কৰাৰ লগতে সমগ্র বিশ্বতে বাক্যতত্ত্ব সম্পর্কে কেনেদৰে চিন্তা-চর্চা হৈছিল সেই বিষয়ে অৱগত হ'লো। এই অধ্যায়টোত আমি অসমীয়া ভাষাৰ বাক্যতাত্ত্বিক বিচাৰ-বিশ্লেষণৰ অত্যাৱশ্যকীয় উপাদানবোৰৰ বিষয়ে এটি চমু আলোচনা উপস্থাপন কৰিম।

ইতিমধ্যে কোৱা হৈছে যে ভাষাৰ বাক্যৰ বিভিন্ন গাঁথনি, বাক্যৰ প্রকাৰ, বাক্যৰ ৰূপান্তৰ, বাক্যৰ অর্ন্তনিহিত সুৰ, বাক্যাংশ, বাক্যৰ নিকটস্থ অঙ্গ বিচাৰ আদিৰ পুংখানুপুংখ বিচাৰ-বিশ্লেষণ আদিয়েই যি কোনো ভাষাৰ বাক্যতত্ত্বৰ অর্ন্তগত। এই অধ্যায়টোৰ অধ্যয়নে আপোনাক অসমীয়া ব্যক্যতত্ত্ব সম্পর্কে সামগ্রিক ধাৰণা প্রদান কৰিব।


৯.৩ অসমীয়া ভাষাৰ বাক্যতত্ত্ব

অসমীয়া বাক্যতত্ত্বৰ আলোচনাৰ পৰিধি অতিশয় বিশাল। ভাষাৰ ধ্বনিতাত্ত্বিক, বর্ণতাত্ত্বিক

আৰু ৰূপতাত্ত্বিক বিশ্লেষণতকৈ বাক্যতাত্ত্বিক বিশ্লেষণ আপেক্ষিকভাৱে জটিল আৰু অধিক গুৰুত্বপূর্ণ। 1957 চনত মার্কিন বাগ্‌বিজ্ঞানী নোৱম চমস্কী (Noam Chomsky)-ৰ *Syntactic Structure* খনৰ প্রকাশে ভাষাৰ বাক্য বিশ্লেষণৰ ক্ষেত্রত নতুন দিগন্তৰ সূচনা কৰে। এই বিষয়ে ইতিমধ্যে উল্লেখ কৰি অহা হৈছে। অসমতো প্রথম স্তৰত, দেৱনন্দ ভৰালী (1912), কালিৰাম মেধি [1936], বাণীকান্ত কাকতি [1941] প্রমুখ্যে ভাষাবিদসকলে ঐতিহাসিক ভাষাবিজ্ঞানৰ দৃষ্টিকোণৰ পৰা অসমীয়া ভাষাৰ তাত্ত্বিক আলোচনাৰ দিশ মুকলি কৰে। পাছৰ ফালে উপেন্দ্রনাথ গোস্বামী আৰু গোলোকচন্দ্র গোস্বামীয়ে ঐতিহাসিক ভাষাবিজ্ঞানৰ প্রান্তৰেখাত থাকি বর্ণনাত্মক ভাষাবিজ্ঞান চর্চাৰ বাট মুকলি কৰে কিন্তু বাক্যতত্ত্বৰ আলোচনা তেওঁলোকৰ হাতত তেনেই সংক্ষেপ। পৰৱর্তী কালছোৱাত ফণীন্দ্র নাৰায়ণ দত্তবৰুৱাৰ *আধুনিক ভাষাবিজ্ঞান পৰিচয়* আৰু অর্পণা কোঁৱৰৰ *ভাষাবিজ্ঞান উপক্রমণিকা* গ্রন্থত সন্নিৰিষ্ট বাক্যতত্ত্বৰ আলোচনা উল্লেখযোগ্য।

বাক্যতত্ত্বৰ আলোচকসকলে বাক্যৰ দুটা বৃহৎ ভাগৰ কথা কৈ আহিছে। এটা হৈছে— উদ্দেশ্য আৰু আনটো হৈছে বিধেয়। অসমীয়া ভাষাৰ বাক্যতো উদ্দেশ্য আৰু বিধেয় — এই দুটা ভাগত ভাগ কৰিলে তলত দেখুওৱাৰ দৰে পোৱা যায়—

চিত্র ৯.১ ঃ অসমীয়া ভাষাৰ বাক্যৰ ভাগ



ওপৰৰ বাক্যটোত 'মই কৰিলোঁ' এই বাক্যটোৰ পদ দুটা। মই 'উদ্দেশ্য' আৰু কৰিলোঁ 'বিধেয়'। বাক্যটোত আসত্তি বিচাৰৰ প্রধান অঙ্গ দুটা হৈছে — 'মই কৰিলোঁ'। ইয়াত 'কৰিলোঁ' বুলি কোৱাৰ লগে লগে 'মই' নক'লেও প্রথম পুৰুষে যে কার্যটো কৰিছে এই কথা বুজা যায়। 'মই' কর্তাপদৰ লগত 'কৰিলোঁ' ক্রিয়া পদৰ সম্পর্ক অতি ঘনিষ্ঠ আৰু দুয়োটা পদৰ অর্থগত যোগ্যতা আছে। ইয়াক কোৱা হৈছে অভিকেন্দ্রিক গঠন। এই বাক্যটিত 'মই' আৰু 'কামটো' দুয়োটা পদক উদ্দেশ্যৰ ভাগত ধৰিব পাৰি। ইয়াত 'মই'ৰ ঠাইত 'কামটো' বহুৱালেও বাক্যটোৰ অর্থ বুজাত অসুবিধা নহয়। বাক্যটোত 'কামটো' পদটো 'কৰিলোঁ' ক্রিয়া পদৰ লগত সম্পর্ক নির্ভৰ। 'কামটো' আৰু 'কৰিলোঁ' — এই দুয়োটাই প্রধান অংগ আৰু এটাৰ ঠাইত আনটোক বহুৱাব পাৰি। প্রধান অংগবোৰৰ লগত নিকটস্থ অংগ 'কেতিয়াবাই'ৰ সম্পর্ক আছে। প্রধান অংগৰ নিকটস্থ অংগবোৰৰ গঠনক আন্তঃকেন্দ্রিক গঠন বোলা হয়।

- **বাক্যৰ শ্রেণীবিভাগ ঃ** অসমীয়া ভাষাৰ বাক্যৰ শ্রেণীবিভাগ চাৰিটা ভিন্ ভিন্ দিশৰ পৰা কৰিব পৰা যায়—

(ক) বাক্যৰ গাঁথনিক দিশৰ পৰা

(খ) অর্থৰ দিশৰ পৰা

(গ) বাক্যত ক্রিয়াই প্রকাশ কৰা ভাবৰ দিশৰ পৰা, আৰু

(ঘ) বাক্যত কর্তা, কর্ম, অথবা ক্রিয়াই লাভ কৰা প্রাধান্যৰ দিশৰ পৰা।

গাঁথনিক দিশৰ পৰা অসমীয়া বাক্যক তিনিটা শ্রেণীত ভগাব পাৰি —

(ক) সৰল বাক্য

(খ) যুগ্ম বাক্য

(গ) জটিল বাক্য

ক্রিয়াই প্রকাশ কৰা ভাব (mood) বা ক্রিয়াৰ 'দশা'ৰ পৰিপ্রেক্ষিতত অসমীয়া বাক্যক প্রধানকৈ দুটা ভাগত ভাগ কৰিব পাৰি ; তাৰে প্রথমটোৰ আকৌ তিনিটা উপবিভাগ আছে—

(ক) নির্ণয়াত্মক (indicative)

[1] সদর্থক (affirmative)

[2] নঞর্থক (negative)

[3] প্রশ্নবাচক (interrogative)

(খ) অনুজ্ঞাবোধক (imperative)

ক্রিয়াৰ বাচ্যৰ (voice)-ৰ পৰিপ্রেক্ষিতত অর্থাৎ বাক্যত কর্তা-কর্মৰ স্থিতিৰ প্রাধান্যলৈ চাই অসমীয়া বাক্যক আকৌ তিনিটা ভাগত ভগাব পাৰি —

(ক) কর্তৃবাচ্যৰ বাক্য

(খ) কর্মবাচ্যৰ বাক্য

(গ) ভাববাচ্যৰ বাক্য।

➢ *সৰল বাক্য ঃ* সৰল অসমীয়া বাক্যৰ স্বাভাৰিক গঢ় হ'ল— কর্তা + কর্ম + ক্রিয়া (S-O-V)। বাক্যত সংযোগ ঘটা প্রত্যেকটো পদৰ মাজত অর্থগত আৰু ৰূপগত যোগ্যতা থাকে। সাধাৰণতে বাক্যৰ প্রধান অংগ সম্বন্ধ পদৰ বাহিৰে বাকী কর্তা, কর্ম, কৰণ, নিমিত্ত, অপাদান, অধিকৰণ আদি প্রত্যেকটো কাৰকবাচক পদৰ লগত ক্রিয়া পদৰ সম্পর্ক ৰক্ষা কৰিয়েই বাক্য গঠন কৰা হয়। যেনে —

কর্তা + ক্রিয়া — মই খাওঁ।

কর্তা + কর্ম + ক্রিয়া — ৰামে হৰিক মাৰিলে।

কর্তা + কর্ম + কৰণ + ক্রিয়া — ভীমে দুর্যোধনক গদাৰে কোবাইছিল।

কর্তা + কর্ম + কৰণ + নিমিত্ত + ক্রিয়া — যদুৰে মধুক গাড়ীৰে গুৱাহাটীলৈ আনিছে।

কর্তা + অপাদান + কর্ম + ক্রিয়া — যদুৰে বাটৰ পৰা মধুক মাতিছিল।

কর্তা + কর্ম + অধিকৰণ + ক্রিয়া — ৰামে মধুক ঘৰত বিচাৰিছিল।

অৱশ্যে কেতিয়াবা কর্তাহীন, কর্মহীন আৰু ক্রিয়াহীন সৰল বাক্যও দেখিবলৈ পোৱা যায়। ইয়াত সাধাৰণতে দুটা শ্রেণীৰ শব্দগুচ্ছ থাকে — বিশেষ্য শব্দগুচ্ছ আৰু ক্রিয়া শব্দগুচ্ছ। সাধাৰণতে কর্তা আৰু ক্রিয়াপদযুক্ত বাক্যসমূহক পূর্ণবাক্য বুলি ধৰা হয়। যেনে—

[1] মইকিতাপ পঢ়োঁ।

[2] সি কেতিয়া ঘৰলৈ যাব?

অসমীয়াত ক্রিয়াপদ উহ্য হৈ থকা সৰল বাক্যও পোৱা যায় —

[1] দিছপুৰ অসমৰ ৰাজধানী।

[2] ব্রহ্মপুত্র অসমৰ এখন ডাঙৰ নদী।

কেতিয়াবা আকৌ এটা মাত্র শব্দইও অসমীয়া সৰল বাক্যৰ অর্থ বহন কৰে। যেনে—

[1] আহঁ।

[2] গৈছোঁ।

[3] এৰা।

[4] হ্য়।

এইবোৰ দেখাত একোটা শব্দ মাত্র যেন লাগে; কিন্তু প্রকৃততে এইবোৰৰ প্রতিটোৰে আঁৰত একোটা পূর্ণ বাক্য লুকাই আছে। ওপৰৰ [1] আৰু [2] ৰ সম্প্রসাৰিত বাক্য ৰূপ হ'ব ক্রমে—

[1] তুমি আহাঁ, আৰু

[2] মইগৈছোঁ।

একেদৰে [3] আৰু [4] ৰ সম্প্রসাৰিত বাক্য ৰূপ হ'ব ক্রমে—

[3] এৰা, কথাটো হ্য়; আৰু

[4] হ্য়, কথাটো হ্য়।

অসমীয়াত এনে ধৰণৰ এক শব্দীয় বাক্যৰ প্রয়োগ আমি প্রায়েই কৰি থাকোঁ, য'ত কেতিয়াবা উদ্দেশ্য উহ্য থাকে (উদাহৰণ 1 আৰু 2], নাইবা কেতিয়াবা উদ্দেশ্য আৰু বিধেয় দুয়োটাই উহ্য থাকে আৰু অন্য কোনো শব্দই (উদাহৰণ 3, 4] সিহঁতৰ অস্তিত্ব বহন কৰে।

- *যুগ্ম বা যৌগিক বাক্যঃ* দুই বা ততোধিক সৰল বাক্য কোনো সংযোজক বা বিযোজক অব্যয়ৰ সহায়ত লগ লগাই বাক্য গঠন কৰা হয়। তলৰ বাক্যকেইটালৈ চোৱা যাওক—

(ক) মা আহিল।

(খ) তেওঁ বাইদেউক বহুত বুজালে।

(গ) তাই নামানিলে।

এই বাক্য তিনিটাক সংযোজক আৰু বিযোজক অব্যয়ৰ সহায়ত সংযোগ কৰিলে আমি পাম— 'মা আহিল আৰু তেওঁ বাইদেউক বহুত বুজালে কিন্তু তাই নামানিলে।'

এনেদৰে একাধিক সৰল বাক্যক কিন্তু, যদি, তেন্তে, তথাপি, আৰু, অথবা, নাইবা আদি সংযোজক অব্যয়ৰ সহায়ত জোৰা লগাই যৌগিক বাক্য ৰচনা কৰা হয়।

অসমীয়া বাক্যৰীতিত এইটো মন কৰিবলগীয়া কথা যে — যুগ্ম বাক্যৰ এটা উপবাক্যত যদি উদ্দেশ্যৰ ঘৰত প্ৰথম পুৰুষৰ সৰ্বনাম থাকে আৰু আনটো উপবাক্যত অন্য পুৰুষৰ উদ্দেশ্য থাকে তেতিয়া হ'লে যুগ্ম বাক্যৰ ক্ৰিয়া প্ৰথম পুৰুষৰ হয়। যেনে—

মই আৰু ভণ্টি ফুৰিবলৈ যাম।

একেদৰে যদি এটা উপবাক্যৰ উদ্দেশ্যৰ ঘৰত দ্বিতীয় পুৰুষৰ সৰ্বনাম থাকে আৰু আনটো উপবাক্যৰ উদ্দেশ্যৰ ঘৰত তৃতীয় পুৰুষৰ বিশেষ্য বা সৰ্বনাম থাকে, তেতিয়া হ'লে ক্ৰিয়া সদায় দ্বিতীয় পুৰুষৰ হয়। যেনে—

তুমি আৰু দীপাই কামটো কৰিবা।

অৰ্থাৎ অসমীয়া যুগ্মবাক্যত উদ্দেশ্য হিচাপে তৃতীয় পুৰুষৰ ওপৰত দ্বিতীয় আৰু দ্বিতীয় পুৰুষৰ ওপৰত প্ৰথম পুৰুষে প্ৰাধান্য বিস্তাৰ কৰে।

- *জটিল বাক্য ঃ* অৰ্থৰ দৃষ্টিকোণৰ পৰা সাধাৰণতে জটিল বাক্যত এটা প্ৰধান বাক্য থাকে আৰু এই প্ৰধান বাক্যটো এটা অপ্ৰধান বাক্যৰ ওপৰত নিৰ্ভৰশীল হৈ থাকে। তলত জটিল বাক্যৰ নমুনা দাঙি ধৰা হ'ল—

যদি গা ভালে থাকে, ফুৰিবলৈ যাম।

ইয়াত প্ৰধান বক্তব্য হ'ল — ফুৰিবলৈ যাম; আমি 'ফুৰিবলৈ যাম' বুলি ক'ব বা লিখিব পাৰোঁ কিন্তু 'যদি গা ভালে থাকে' বুলি কোনো স্বয়ংসম্পূৰ্ণ ভাব প্ৰকাশ কৰিব নোৱাৰোঁ। 'ফুৰিবলৈ যাম' উপবাক্যৰ অবিহনে 'গা ভালে থাকে' উপবাক্যৰ কোনো অস্তিত্ব নাই। সেয়ে ইয়াত 'যদি গা ভালে থাকে' উপবাক্যটো আশ্ৰিত বা অপ্ৰধান উপবাক্য (Subordinate Clause) আৰু 'ফুৰিবলৈ যাম' উপবাক্যটো প্ৰধান বা মুখ্য উপবাক্য (Principal Clause).

জটিল বাক্যৰ অপ্ৰধান উপবাক্যটো প্ৰায়েই 'যদি', 'যিহেতু', 'যেতিয়া', 'যি' আদি 'য'-ৰে আৰম্ভ হোৱা অব্যয়ৰ সহায়ত প্ৰধান বাক্যৰ লগত সংযোজিত হয়। কেতিয়াবা দুটা উপবাক্যক 'আৰু'-ৰে সংযোগ কৰি দুয়োটাকে প্ৰধান বাক্যৰ তলতীয়া হিচাপে ব্যৱহাৰ কৰি দীঘলীয়া জটিল বাক্য গঠন কৰিব পাৰি। যেনে—

যদি গা ভালে থাকে আৰু সময় থাকে, ফুৰিবলৈ যাম।

জটিল বাক্য কেতিয়াবা এনেও হ'ব পাৰে য'ত অপ্ৰধান উপবাক্যটো প্ৰধান বাক্যৰ গৰ্ভত সোমাই থাকে। এনে বাক্যক গৰ্ভবাক্যযুক্ত জটিল বাক্য বুলি কোৱা হয়। উদাহৰণস্বৰূপে — ৰামে ক'লে যে এইবাৰ পৰীক্ষাৰ ফলাফল ভাল হ'ব।

ইয়াত প্ৰধান বাক্য হ'ল 'ৰামে ক'লে'; তেওঁ কি ক'লে সেইটো অৰ্থাৎ 'যে এইবাৰ পৰীক্ষাৰ ফলাফল ভাল হ'ব' ইয়াৰ গৰ্ভত সোমাই আছে। এনে জটিল বাক্যত মুখ্য বাক্যক ধাৰক বাক্য (matrix clause) আৰু গৰ্ভস্থ উপবাক্যক গৰ্ভ উপবাক্য

(embedded clause), সংক্ষেপে গৰ্ভবাক্য বুলিব পাৰি। যেনে—

যিহেতু সময় মতে বৰষুণ হৈছে, গতিকে এইবাৰ খেতি ভাল হ'ব।

❍ জটিল বাক্যৰ প্ৰকাৰভেদ ঃ জটিল বাক্যৰ অপ্ৰধান উপবাক্যৰ প্ৰকৃতিলৈ চাই জটিল বাক্যক তিনিটা উপভাগত ভাগ কৰা যায়—

(ক) বিশেষণীয় উপবাক্য (Adjectival clause)

(খ) ক্ৰিয়া বিশেষণীয় উপবাক্য (Adverbial clause)

(গ) বিশেষ্য উপবাক্য (Noun clause)

(ক) বিশেষণীয় উপবাক্য ঃ কেতিয়াবা জটিল বাক্যৰ কোনো এটা উপবাক্যই প্ৰধান বাক্যৰ কোনো এটা শব্দৰ বিষয়ে সবিশেষ বৰ্ণনা কৰে। অসমীয়াত খুব সম্ভৱ ইংৰাজী বাক্যৰীতিৰ প্ৰভাৱত এনে বাক্যৰীতিৰ প্ৰচলন হৈছে। উদাহৰণস্বৰূপে— মই এটা কবিতা পঢ়িলোঁ, যিটো মই কেতিয়াও পাহৰিব নোৱাৰোঁ। ইয়াত 'যিটো কেতিয়াও পাহৰিব নোৱাৰোঁ' উপবাক্যই প্ৰধান বাক্যৰ কৰ্মৰ স্থানত থকা বিশেষ্য 'কবিতা'ৰ গুণাগুণ বৰ্ণনা কৰিছে।

(খ) ক্ৰিয়া বিশেষণীয় উপবাক্য ঃ কেতিয়াবা মুখ্য বাক্যত থকা কোনো ক্ৰিয়া বিশেষণৰ বিষয়ে অধিক স্পষ্টকৈ ক'বৰ বাবে একোটা উপবাক্যৰ সংযোগ কৰা হয়। উদাহৰণস্বৰূপে — তাই ইমান খৰকৈ কথা কয় যে একো বুজিবই নোৱাৰি। বাক্যটোত 'যে একো বুজিবই নোৱাৰি' উপবাক্যই তাইৰ কথা কোৱাৰ ধৰণটোৰ কথা বাখ্যা কৰিছে। এনে ধৰণৰ ক্ৰিয়াৰ কাম কৰাৰ ধৰণৰ বিষয়ে বহলাই কোৱা উপবাক্যক ক্ৰিয়া বিশেষণীয় উপবাক্য বোলে।

(গ) বিশেষ্য উপবাক্য ঃ কেতিয়াবা জটিল বাক্যত থকা কোনো উপবাক্যই প্ৰধান বাক্যত থাকিবলগীয়া অথচ উহ্য থকা কোনো বিশেষ্যৰ ঠাই পূৰণ কৰে। যেনে— সি এটা কথা জানে। — এই বাক্যটোত কৰ্ম হ'ল 'এটা কথা'। ই কৰ্তাৰ অভিপ্ৰায়ৰ কথা স্পষ্টকৈ প্ৰকাশ কৰা নাই। অভিপ্ৰায় স্পষ্ট কৰিবলৈ হ'লে কৰ্ম 'এটা কথা' শব্দগুচ্ছৰ সলনি এটা উপবাক্য ব্যৱহাৰ কৰিব লাগিব। তাকে কৰিলে আমি পাম — সি জানে যে আজিকালি চাকৰি পোৱা বৰ টান। — ইয়াত 'যে আজিকালি চাকৰি পোৱা বৰ টান' উপবাক্যটোৱে 'সি' কি জানে সেই বিষয়ে আভাস দিছে। প্ৰধান উপবাক্যটোত সি কি ভাবে সেই বিষয়ে স্পষ্ট উল্লেখ নাই। 'যে আজিকালি চাকৰি পোৱা বৰ টান' উপবাক্যই প্ৰধান উপবাক্যৰ কৰ্ম (এটা কথা)ৰ স্থান পূৰণ কৰিছে। এনে ধৰণৰ পৰিপূৰকৰ কাম কৰা উপবাক্যক বিশেষ্য উপবাক্য বোলে।

● **ক্ৰিয়াৰ দশা (mood)ৰ পৰিপ্ৰেক্ষিতত বাক্যৰ শ্ৰেণীবিভাগ ঃ** বাক্যত ক্ৰিয়াই হৈছে আটাইতকৈ গুৰুত্বপূৰ্ণ অংগ। ক্ৰিয়াৰ অন্তৰ্নিহিত ভাব অনুসৰি বাক্যৰ প্ৰকৃতিও বেলেগ বেলেগ হয়। ক্ৰিয়াই কোনো কাৰ্য বা স্থিতিৰ আভাস মাত্ৰ দিব পাৰে বা আদেশ নাইবা অনুৰোধ কৰিব

পাৰে। সেই অনুসৰি বাক্যক প্ৰধানকৈ দুটা ভাগত বিভক্ত কৰা যায় —

(ক) নিৰ্ণয়াত্মক (indicative) বাক্য আৰু

(খ) অনুজ্ঞাবোধক (imperative) বাক্য।

নিৰ্ণয়াত্মক বা নিৰ্দেশাত্মক সমাপিকা ক্ৰিয়া থকা বাক্যক নিৰ্ণয়াত্মক বা নিৰ্দেশাত্মক বাক্য বোলে।

নিৰ্ণয়াত্মক বাক্যত উদ্দেশ্য আৰু বিধেয় দুয়োটা ভাগ থাকে। উদ্দেশ্যৰ ঘৰত কৰ্ম পদো বহিব পাৰে বা সম্বন্ধ পদো বহিব পাৰে। এনে বাক্যত উদ্দেশ্যৰ স্থিতি কি বা উদ্দেশ্যই কি কৰিলে তাৰ আভাস থাকে। নিৰ্ণয়াত্মক বা নিৰ্দেশাত্মক বাক্যত উদ্দেশ্য যিকোনো পুৰুষৰ হ'ব পাৰে। নিৰ্ণয়াত্মক বাক্যক আকৌ তিনিটা ভাগত ভাগ কৰিব পাৰি— সদৰ্থক, নঞৰ্থক আৰু প্ৰশ্নবাচক।

সদৰ্থক বাক্যত ক্ৰিয়াই সূচনা কৰা কাৰ্য বা স্থিতিৰ যথাযথ বৰ্ণনা থাকে আৰু কোনো নেতিবাচক বা প্ৰশ্নসূচক ভাব নাথাকে। এনে বাক্যত ক্ৰিয়া যিকোনো কালৰ হ'ব পাৰে। কেতিয়াবা আকৌ সদৰ্থক বাক্যত ক্ৰিয়া উহ্য হৈ থাকে। উদাহৰণ স্বৰূপে—

ৰামে ভাত খায়।

অহা মাহত মোৰ পৰীক্ষা হ'ব।

তেওঁ এজন চিকিৎসক (হয়)।

এই বাক্য তিনিটাৰ 'তেওঁ এজন চিকিৎসক' বাক্যটোত 'হয়' ক্ৰিয়া উহ্য আছে।

নিৰ্ণয়াত্মক বাক্যৰ আন এক প্ৰকাৰ হ'ল — নঞৰ্থক বাক্য। কোনো স্থিতি বা কাৰ্য 'নহয়' বা 'নোহোৱা' বুজাবলৈ এনে বাক্য ব্যৱহাৰ কৰা হয়। সাধাৰণতে সদৰ্থক সাৰ বাক্যৰ পৰা ৰূপান্তৰণ নিয়মৰ জৰিয়তে নঞৰ্থক বাক্য গঠন কৰা হয়। এনে বাক্যত সাধাৰণতে ক্ৰিয়াটোৰ ৰূপৰ সলনি হয়। সামান্য বৰ্তমান আৰু সামান্য অতীত কালৰ ক্ৰিয়াৰ আগত নঞৰ্থক প্ৰাকৃতি (ন-, না-, নি-, নু-, নে-, নো-) বহে আৰু সম্পন্ন বৰ্তমান আৰু সম্পন্ন অতীত কালত মূল ধাতুত (-আ) যুক্ত হৈ পিছফালে ক্ৰমে 'নাই' বা 'নহয়' আৰু 'নাছিল' বহে। যেনে—

সামান্য বৰ্তমান→অতীত — মই আজি স্কুললৈ নাযাওঁ→নগলোঁ।

সম্পন্ন বৰ্তমান→অতীত — মই তেওঁক দেখ্ + আ + নাই→নাছিলোঁ।

কিন্তু অসমীয়া ভাষাত সাধাৰণ ভৱিষ্যত কালৰ ক্ৰিয়া থকা বাক্য নঞৰ্থক কৰিবলৈ হ'লে প্ৰথমতে ক্ৰিয়াটো নিত্য বৰ্তমান কাললৈ পৰিৱৰ্তিত কৰিব লাগে। যেনে—

মই ফুৰিবলৈ যাম > মই ফুৰিবলৈ যাওঁ > মই ফুৰিবলৈ নাযাওঁ (ন + যাওঁ)।

তাই গান গাব > তাই গান গায় > তাই গান নাগায় (ন + গায়)।

ক্ৰিয়া বিশেষণ থকা সদৰ্থক সাৰ বাক্যক নঞৰ্থক বাক্যলৈ পৰিৱৰ্তন কৰাৰ নিয়মো একে ধৰণৰ। বাক্যত যদি অনিশ্চয়তা বা পৰিমাণসূচক ক্ৰিয়া বিশেষণ থাকে তেতিয়াহ'লে নঞৰ্থক বাক্যত সিহঁতৰ মূল শব্দৰূপত (-ও) যোগ হয় অথবা সিহঁতৰ ঠাই (-ওঁ) প্ৰত্যয়ান্ত

অন্য ক্রিয়া বিশেষণে দখল কৰে। যেনে—

মই কেতিয়াবা তালৈ যাওঁ > মই কেতিয়াও তালৈ নাযাওঁ।

সি অলপ বুজিছে > সি অলপো বুজা নাই।

প্রশ্নবাচক বাক্য গঠন কৰিবলৈ হ'লে সাধাৰণ নির্ণয়াত্মক সাৰ (Kernal) বাক্যত তিনিটা উপায় অৱলম্বন কৰা দেখা যায়—

[1] সুৰ লহৰৰ পৰিৱর্তন

[2] প্রশ্নবোধক প্রত্যয় 'নে', 'নেকি' বা 'জানো'ৰ সংযোগ, আৰু

[3] 'ক'-ৰে আৰম্ভ হোৱা সর্বনাম বা ক্রিয়া বিশেষণৰ ব্যৱহাৰ।

সুৰ লহৰৰ সংযোগ ঘটাই এটা নির্ণয়াত্মক বাক্যক প্রশ্নবোধক বাক্যলৈ ৰূপান্তৰ কৰিব পাৰি। যেনে—

(ক) তুমি আহিবা। (নির্দেশাত্মক)

(খ) তুমি আহিবা? (প্রশ্নসূচক)

ইয়াৰ দ্বিতীয় বাক্যটোত 'আহিবা' বুলি কওঁতে সুৰ নিম্নগামী হৈ এটা দীর্ঘ বিৰামৰ সূচনা কৰিছে। মাতৃভাষীয়ে অন্তৰানুভূতিৰ সহায়ত বাক্য দুয়োটাৰে অর্থ সুকীয়া সুকীয়াকৈ বুজি ল'ব পাৰে।

নির্ণয়াত্মক বাক্যৰ ক্রিয়াৰ শেষত 'নে' বা 'নেকি' প্রশ্নবাচক প্রত্যয় সংযোগ কৰি প্রশ্নবাচক বাক্য গঠন কৰা হয়। এনে বাক্যৰ উত্তৰ সদায় 'হয়' বা 'নহয়' হয়। যেনে—

(ক) সি তালৈ যাব নেকি?

(খ) তেওঁ কিতাপখন পঢ়িলেনে?

কেতিয়াবা আকৌ 'নে'ৰ ঠাইত 'জানো' ব্যৱহাৰ কৰিও প্রশ্নবাচক বাক্য গঠন কৰা হয়। যেনে—

(ক) সি তালৈ যাব জানো?

(খ) তেওঁ জানো কিতাপখন পঢ়িলে?

- **কর্তা বা কর্মৰ প্রাধান্যৰ ভিত্তিত, অর্থাৎ বাচ্য ভিত্তিক শ্রেণীবিভাজন ঃ** বাক্যত কেতিয়াবা কর্তা, কেতিয়াবা কর্ম আৰু কেতিয়াবা ক্রিয়াৰ কথাই মুখ্যভাৱে ক'বলগীয়া বা প্রকাশ কৰিবলগীয়া হয়। ইয়াকে বাচ্য (voice) বোলে। বাচ্য মানে ক'বলগীয়া। বাচ্যৰ পৰিপ্রেক্ষিতত অসমীয়া ভাষাৰ বাক্যক তিনিটা ভাগত ভাগ কৰা যায় বুলি ইতিমধ্যেই উল্লেখ কৰি অহা হৈছে। এতিয়া প্রতিবিধ বাচ্যৰ বিস্তৃত আলোচনা কৰা যাওক—

  ➢ *কর্তৃবাচ্যৰ বাক্য ঃ* যি বাক্যত কর্তাই মুখ্যস্থান গ্রহণ কৰে আৰু কর্তাই কাৰ ওপৰত কেনেকৈ, কি কাৰণে, কিহৰ সহায়ত কোনো কার্য সম্পাদন কৰে সেই কথাই প্রধান বক্তব্য হয় সেই বাক্যক কর্তৃবাচ্যৰ বাক্য বোলে। তলৰ বাক্যটো চোৱা যাওক—

  ৰামে কৰতেৰে গছডাল কাটিলে।

  এই বাক্যটোত কর্তা 'ৰাম' এটা এৰাব নোৱাৰা অঙ্গ। কর্তা 'ৰাম'ৰ অবিহনে

বাকী অংশ নিৰৰ্থক। এনে ধৰণৰ কৰ্তাৰ প্ৰাধান্য থকা বাক্যই কৰ্তৃবাচ্যৰ বাক্য।

- *কৰ্মবাচ্যৰ বাক্য ঃ* যি বাক্যত কৰ্মই মুখ্য স্থান গ্ৰহণ কৰে আৰু প্ৰায়েই উদ্দেশ্যৰ স্থানত বহে; উদ্দেশ্যৰ স্থানত বহা কৰ্মৰ লগত ক্ৰিয়াৰ অন্বয় হয় আৰু ক্ৰিয়াৰ কাৰ্য কোনে কৰিলে — সেইটো উল্লেখ কৰাটো সিমান প্ৰয়োজনীয় কথা নহয়, সেই বাক্যকে কৰ্মবাচ্যৰ বাক্য বোলে।

কাজিৰঙাত এশিঙীয়া গঁড় পোৱা যায়।

'এশিঙীয়া গঁড়' কৰ্ম ; ই উদ্দেশ্যৰ ঠাইত বহিছে। এই বাক্যত — 'কাজিৰঙা' নামে ঠাইত যে এশিঙীয়া গঁড়ৰ প্ৰাচুৰ্য আছে, সেইটোহে প্ৰধান বক্তব্য বিষয়। এনে ধৰণৰ কৰ্মৰ ওপৰত প্ৰাধান্য দিয়া বাক্য হ'ল কৰ্মবাচ্যৰ বাক্য।

কৰ্মবাচ্যৰ বাক্যৰ ক্ৰিয়া গঠন কৰিবলৈ হ'লে ধাতুত '-আ' যোগ কৰি পিছৰ ফালে সহায়কাৰী ধাতু 'হ' বা 'যা'ৰ 3য় পুৰুষৰ ৰূপ বহুৱাব লাগে। ওপৰৰ উদাহৰণটোত কৰ্মবাচ্যৰ ক্ৰিয়াপদটো 'পা' ধাতুত '-আ' যোগ হৈ 'পোৱা' হৈছে আৰু তাৰ পিছফালে সহায়কাৰী ধাতু 'যা'ৰ 3য় পুৰুষৰ ৰূপ 'যায়' যোগ হৈছে।

অসমীয়া ভাষাত ক্ৰিয়াত 'ই' বিভক্তি যোগ কৰিও কৰ্মবাচ্যৰ বাক্য গঠন কৰা হয়। যেনে— দেখি, শুনি, পাৰি, বুজি ইত্যাদি।

উমানন্দ মন্দিৰটো ইয়াৰপৰা ভালদৰে দেখি।

ভালদৰে শিকি ল'লে কামটো সহজে কৰিব পাৰি।

চমস্কী আৰু তেওঁৰ অনুগামীসকলে আধুনিক বাক্যতত্ত্বৰ আলোচনাত কৰ্তৃবাচ্যৰ বাক্যৰ পৰা কৰ্মবাচ্যৰ বাক্য স্ৰজন কৰাটোৰ ওপৰত অধিক প্ৰাধান্য দিছে। তেওঁলোকৰ মতে, কৰ্তৃবাচ্যৰ বাক্যবোৰহে সাৰ বাক্য, কৰ্মবাচ্যৰ বাক্যবোৰ তেনে সাৰ বাক্যৰ পৰা বিভিন্ন ৰূপান্তৰমূলক নিয়মৰ প্ৰয়োগ কৰি স্ৰজন কৰা গৌণ (secondary) ৰূপ মাথোন। বাহ্যিক গঠনতহে কৰ্মবাচ্যৰ বাক্য কৰ্তৃবাচ্যৰ বাক্যতকৈ বেলেগ, কিন্তু অৰ্থৰ ফালৰ পৰা দুয়ো একে। যেনে—

পুলিচে চোৰটো ধৰিলে (কৰ্তৃবাচ্য)।

পুলিচৰ হাতত চোৰটো ধৰা পৰিল (কৰ্মবাচ্য)।

বাক্য দুটা অৰ্থৰ ফালৰ পৰা অভিন্ন আৰু 'পুলিচৰ হাতত' শব্দগুচ্ছ বাদ দিলে দুয়োটা বাক্য একেই।

- *ভাববাচ্যৰ বাক্য ঃ* ক্ৰিয়াৰ কৰ্মৰ বিষয়ে বৰ্ণনা কৰাই মুখ্য আৰু কৰ্তা আৰু কৰ্ম দুয়ো গৌণ অথবা কৰ্তা গৌণ আৰু কৰ্ম অবৰ্তমান, সেই বাক্যই ভাববাচ্যৰ বাক্য। যেনে—

কোনফালে যোৱা হ'ব?

ক'ৰ পৰা অহা হ'ল?

এনেবোৰ বাক্যত কৰ্তা উহ্য আছে, কৰ্ম নাই আৰু ক্ৰিয়া অকৰ্মক অথচ ইহঁতে বাক্যত মুখ্য ভূমিকা গ্ৰহণ কৰিছে।

- কর্তৃ ভাববাচ্যৰ বাক্য ঃ কর্তৃ ভাববাচ্যৰ বাক্যত মনৰ ভাবটো কর্তাৰূপে প্রকাশ পায়। অসমীয়া ভাষাৰ জতুৱা যৌগিক ধাতুৰ সহযোগত এনে কর্তৃ ভাববাচ্যৰ বাক্য গঠন কৰিব পাৰি। যেনে—

  তাইৰ কপাল ফুলিছে।
  চাকৰি পাই ৰবীনৰ মনত আনন্দ লাগিছে।
  পৰীক্ষাত বেয়া কৰি তাৰ বেজাৰ লাগিছে।

  ওপৰৰ বাক্যকেইটাত কপাল ফুলিছে, আনন্দ লাগিছে, বেজাৰ লাগিছে — এই বাক্যখণ্ড কেইটাত কপাল, আনন্দ, বেজাৰ আদি শব্দ যৌগিক ক্রিয়া পদৰ একোটা অংশহে। ইহঁতক কর্তা যেন ভাব হয় যদিও আচলতে কর্তা নহয়। সেই কাৰণে এই বাক্যকেইটাক কর্তৃ ভাববাচ্যৰ বাক্য বুলি কোৱা হৈছে।

- কর্ম ভাববাচ্যৰ বাক্য ঃ বাক্যত ব্যৱহৃত কিছুমান পদ ওপৰে ওপৰে চালে কর্ম যেন লাগে, কিন্তু প্রকৃততে কর্ম পদ নহয়, কর্ম পদৰ ভাবহে প্রকাশ কৰে তেনে বাক্যবোৰকে কর্ম ভাববাচ্যৰ বাক্য বুলি ধৰা হয়। উদাহৰণস্বৰূপে — অসমীয়া ভাষাত ৰ'দ দিছে, বৰষুণ দিছে, গাজনি মাৰিছে, বতাহ বলিছে আদি যৌগিক ধাতুৰ ক্রিয়াৰূপ। এই ধাতুবোৰৰ সংযোগত যিবোৰ বাক্য গঠন কৰা হয়, সেই বাক্যবোৰত কর্ম পদ নাথাকে। কিন্তু যৌগিক ধাতুৱে কর্মপদৰ দৰে কাম কৰে আৰু ধাতুৰ অর্থই প্রধান হয়। এনে বাক্যবোৰক কর্ম ভাব বাচ্যৰ বাক্য বুলি কোৱা হয়। যেনে—

  আজি বৰ ৰ'দ দিছে।
  কালি জোৰেৰে বতাহ বলিছিল।
  কালি ভীষণ বৰষুণ দিছিল।

ওপৰৰ আলোচনাত আমি বাক্যৰ গাঁথনিক দিশৰ পৰা, বাক্যত ক্রিয়াই প্রকাশ কৰা ভাবৰ দিশৰ পৰা আৰু বাক্যত কর্তা, কর্ম অথবা ক্রিয়াই লাভ কৰা প্রাধান্যৰ দিশৰ পৰা কৰা অসমীয়া ভাষাৰ বাক্যৰ শ্রেণীবিভাগৰ বিষয়ে পঢ়িলোঁ। ইয়াৰ বাহিৰেও আন দিশৰ পাৰও বাক্যৰ প্রকাৰ ভেদ কৰিব পাৰি। যেনে— বিবৃতিমূলক বাক্য, প্রত্যক্ষ উক্তিমূলক বাক্য, আৰু পৰোক্ষ উক্তিমূলক বাক্য।

- **বিবৃতিমূলক বাক্য ঃ** ৰচনা, প্রবন্ধ, প্রতিবেদন আৰু জ্ঞান-বিজ্ঞানৰ আলোচনা আদিত প্রয়োগ হোৱা বাক্যক সাধাৰণত বিবৃতিমূলক বাক্য বোলে। গল্প, উপন্যাসতো বিবৃতিমূলক বাক্য পোৱা যায়। এই বাক্যতত্ত্বৰ আলোচনাতো আপোনালোকে বিবৃতিমূলক বাক্যকে পঢ়ি আছেহঁক।
- **প্রত্যক্ষ উক্তিমূলক বাক্য ঃ** কথা বতৰা পাতোঁতে এজন ব্যক্তিয়ে আন এজনক যি ধৰণে কথা কয়, ঠিক সেই ধৰণেই যদি কোৱা বা লিখা হয়; তেনেহ'লে, এনে বাক্যক প্রত্যক্ষ উক্তি বোলে। নাটকৰ চৰিত্রৰ মুখৰ বচনবোৰ প্রত্যক্ষ উক্তি ; গল্প উপন্যাসতো প্রত্যক্ষ উক্তি পোৱা যায়। যেনে—

(ক) মুখ ভেঙুচাই মামাক ক'লোঁ — "যদি ইমান টান কাম নহয়, তেনেহ'লে তুমি ভয়াতুৰ। নহ'লে অনাগ্রহী, বিয়া পাতি দেখুৱাই দিয়াচোন চাওঁ তোমাৰ সাহস।"

(সভা দাসৰ "সৰুমামা")

ইয়াত ঊর্ধকমাৰ ভিতৰৰ বাক্য কেইটা প্রত্যক্ষ উক্তিত আছে। কাৰণ, বক্তাজনৰ মুখৰ কথাকে ইয়াত তুলি দিয়া হৈছে।

বুৰঞ্জীৰ পুথিবোৰত প্রত্যক্ষ উক্তি বুজাবলৈ ঊর্ধকমাৰ প্রয়োগ নহৈছিল। বোলে, বা, বুলিলে, অর্থাৎ ক'লে বুলি লিখি তাৰ পিছতে কমা চিন দি, বা কেতিয়াবা নিদিয়াকৈ প্রত্যক্ষ উক্তি লিখাৰ নিয়ম আছিল। পুৰণি অসমীয়া কথিত ভাষাৰ নিদর্শন *থকা কথা গুৰু চৰিত* পুথিত কেনেদৰে প্রত্যক্ষ উক্তি পোৱা গৈছিল তলৰ বাক্যটো চালেই বুজিব পাৰি —

(খ) গুৰুজনে পৰমার্থেই কলে। বোলে মহাৰাজ এই মানকৈহে পাৰি। ৰাজা বোলে তোমৰা কি সাত প্রকাৰেও পৰা যায় প্রমাণ পালোঁ।

আজিকালি ক'লে, সুধিলে, মাতিলে, মাতি দিলে, উত্তৰ দিলে আদি যথোচিত সমাপিকা ক্রিয়াৰ পাছত কমা চিন (,) দি উক্তিটো ঊর্ধকমাৰ ভিতৰত লিখা হয়। যেনে —

(গ) মোক দেখি দূৰৰ পৰাই মাত দিলে, "কিহে, কি খবৰ? ইমান দিন ক'ত আছিলাগৈ?"

কেতিয়াবা প্রত্যক্ষ উক্তিৰ কথাখিনি প্রথমে কৈ তাৰ পিছতহে ডেছ (—) এডাল দি কোনে কৈছে সেই কথা লিখা হয়। যেনে —

"আজি মোৰ গাটো ভাল নহয়। বাৰু, লৰালৰিকৈ জোবো�ৰাটো মাৰিয়েই গৈছোঁ। তই যা।" — বুলি দীঘল হুমুনিয়াহ এটা পেলাই আঘোণী ভিতৰ সোমাল।

(বিৰিঞ্চিকুমাৰ বৰুৱা)

- **পৰোক্ষ উক্তিমূলক বাক্য ঃ** যি উক্তিত কথা নিজে পোনপটীয়াকৈ নকৈ আনে কোৱাৰ দৰে কোৱা হয় তাকে পৰোক্ষ উক্তি বোলে। পুৰণি কালত অসমীয়া মানুহে তেনে পৰোক্ষ উক্তি বৰকৈ ব্যৱহাৰ নকৰিছিল। বুলি, বোলে আদি প্রয়োগ কৰি প্রত্যক্ষ উক্তিৰেই পৰোক্ষ বক্তব্য প্রকাশ কৰিছিল। আজিকালি ইংৰাজী ভাষাৰ বাক্যৰীতিৰ প্রভাৱত বোলে, বুলি - ৰ প্রয়োগ কমি গৈছে; তাৰ ঠাইত যে -ৰ প্রয়োগ হ'বলৈ ধৰিছে। যেনে—

(ক) ৰীমাই ক'লে যে তাই আজি স্কুললৈ যাব নোৱাৰে।

এই বাক্যটো আচলতে অসমীয়া ঠাঁচত এনেহে হ'ব লাগে —

[1] আজি স্কুললৈ যাব নোৱাৰে বুলি ৰীমাই ক'লে; অথবা

[2] ৰীমাই ক'লে বোলে আজি তাই স্কুললৈ যাব নোৱাৰে। অথবা

[3] ৰীমাই ক'লে, আজি তাই স্কুললৈ যাব নোৱাৰে।

ইংৰাজী ব্যাকৰণৰ আর্হিত প্রত্যক্ষ উক্তিক পৰোক্ষ উক্তিলৈ নিওঁতে ক্রমে ব্যক্তিবোধক, স্থানবোধক আৰু কালবোধক সর্বনামৰ তলত দেখুওৱাৰ দৰে সলনি ঘটে।

ব্যক্তিবোধক সর্বনাম		স্থানবোধক সর্বনাম		কালবোধক সর্বনাম	
প্রত্যক্ষ উক্তি	*পৰোক্ষ উক্তি*	*প্রঃ উঃ*	*পঃ উঃ*	*প্রঃ উঃ*	*পঃ উঃ*
মইঁআমি	তেওঁঁতেওঁলোক	ইয়াত	তাত	আজি	সেইদিনা
তুমিঁতোমালোক	ঐ	এই ঠাইত	সেই ঠাইত	কালি	আগদিনা
তইঁতহঁত	ঐ	তাত	তাত		
সিঁতাইঁসিহঁত	ঐ	তালৈ	তালৈ	কাইলৈ	পিচদিনা
এখেতঁতেখেত	তেখেত	তাৰ	তাৰ	তেতিয়া	তেতিয়া
এওঁঁতেওঁ	তেওঁ	তাৰপৰা	তাৰপৰা	সেইসময়ত	সেইসময়ত

এইখিনিতে এটা কথা মনত ৰাখিবলগীয়া যে, উত্তম পুৰুষ আৰু মধ্যম পুৰুষৰ সর্বনামক যদি প্রত্যক্ষ সম্বোধন কৰি কথা কয়, তেনেহ'লে পৰোক্ষ উক্তিলৈ নিওঁতে সেই সর্বনামৰ পুৰুষৰ সলনি নঘটে। যেনে—

প্রত্যক্ষ উক্তি ঃ হৰিয়ে কৈছিল, "মই কেতিয়াও স্কুল খতি নকৰোঁ।"

পৰোক্ষ উক্তি ঃ হৰিয়ে কৈছিল বোলে, সি কেতিয়াও স্কুল খতি নকৰে।

নাইবা, হৰিয়ে কেতিয়াও স্কুল খতি নকৰে বুলি কৈছিল।

প্রত্যক্ষ উক্তি ঃ হৰিয়ে মোক ক'লে, "তুমি কাইলৈ তালৈ যাব লাগিব।"

পৰোক্ষ উক্তি ঃ হৰিয়ে মোক ক'লে বোলে পিচদিনা মই সেই ঠাইলৈ যাব লাগিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ গাঁথনিক দিশৰপৰা অসমীয়া বাক্যক কেইটা ভাগত ভগাব পাৰি আৰু কি কি?

.....

প্রশ্ন নং ২ ঃ অসমীয়া ভাষাত ক্রিয়াপদ উহ্য হৈ থকা দুটা সৰল বাক্যৰ উদাহৰণ দিয়ক।

.....

প্রশ্ন নং ৩ ঃ অসমীয়া ভাষাত সাধাৰণ ভৱিষ্যত কালৰ ক্রিয়া থকা বাক্য কেনেদৰে নঞৰ্থক বাক্যলৈ পৰিৱর্তিত কৰিব পাৰি?

.....

প্রশ্ন নং ৪ ঃ সাধাৰণ নির্ণয়াত্মক সাৰ বাক্যক প্রশ্নবাচক বাক্যলৈ পৰিৱর্তন কৰাৰ তিনিটা নিয়ম উল্লেখ কৰক।

.....

প্রশ্ন নং ৫ ঃ তলত দিয়া বাক্যকেইটাৰ কোনটো কি বাচ্যৰ বাক্য বাছি উলিয়াওক—

ক) বৰষুণত নিতিতিবা, পানী লাগিব।

খ) ৰায়বাহাদুৰ চাহাবে বন্দুকেৰে এটা হাতী চিকাৰ কৰিলে।

গ) দিনত আকাশত তৰা দেখা নাযায়।

ঘ) কেতিয়া অহা হ'ল?

ঙ) বাৰিষা হিমালয়লৈ যাব নোৱাৰি।

.....

.....

.....

প্ৰশ্ন নং ৬ ঃ "আৰু কমতেশ্বৰে বোলে পুৰোহিতৰ বেটাও নষ্ট গৈল, আমাৰো ভাৰ্যা কলঙ্কী হৈ ৰহিল।" (*অসম বুৰঞ্জী*) — ইয়াত কি উক্তিৰ প্ৰয়োগ হৈছে?

.....



৯.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমীয়া বাক্যতত্ত্বৰ আলোচনাৰ পৰিধি অতিশয় বিশাল। ভাষাৰ ধ্বনিতাত্ত্বিক, বৰ্ণতাত্ত্বিক আৰু ৰূপতাত্ত্বিক বিশ্লেষণতকৈ বাক্যতাত্ত্বিক বিশ্লেষণ আপেক্ষিকভাৱে জটিল আৰু অধিক গুৰুত্বপূৰ্ণ।
- বাক্যৰ গাঁথনিক দিশৰ পৰা, বাক্যত ক্ৰিয়াই প্ৰকাশ কৰা ভাবৰ দিশৰ পৰা আৰু বাক্যত কৰ্তা, কৰ্ম অথবা ক্ৰিয়াই লাভ কৰা প্ৰাধান্যৰ দিশৰ পৰা কৰা অসমীয়া ভাষাৰ বাক্যৰ শ্ৰেণীবিভাগৰ বিষয়ে পঢ়িলোঁ। ইয়াৰ বাহিৰেও আন দিশৰ পৰাও বাক্যৰ প্ৰকাৰ ভেদ কৰিব পাৰি। যেনে— বিবৃতিমূলক বাক্য, প্ৰত্যক্ষ উক্তিমূলক বাক্য, আৰু পৰোক্ষ উক্তিমূলক বাক্য। এই দিশ কেইটাৰ বিষয়েও চমু আলোচনা দাঙি ধৰা হৈছে।



৯.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

1] কাকতি, বাণীকান্ত [1996]Ê, *অসমীয়া ভাষাৰ গঠন আৰু বিকাশ;* (হাজৰিকা, বিশ্বেশ্বৰ অনুঃ); বৰপেটা ঃ বাণীকান্ত কাকতি জন্ম শতবাৰ্ষিকী উদ্‌যাপন সমিতি (প্ৰথম প্ৰকাশ 1941)।

2] কোঁৱৰ, অৰ্পণা [2008]Ê, *ভাষাবিজ্ঞান উপক্ৰমণিকা;* গুৱাহাটী ঃবনলতা।

৩) গোস্বামী, উপেন্দ্ৰনাথ [1997]Ê, *অসমীয়া ভাষাৰ ব্যাকৰণ;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

৪) গোস্বামী, উপেন্দ্রনাথ (1995); *অসমীয়া ভাষাৰ ৰূপ-কথা;* গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

5) গোস্বামী, গোলোকচন্দ্র [1999]Ê, *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

6) গোস্বামী, গোলোকচন্দ্র [2003]Ê, *অসমীয়া ব্যাকৰণৰ প্রৱেশ;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

7) গোস্বামী, গোলোকচন্দ্র (1996); *অসমীয়া বর্ণপ্রকাশ,* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

8) দত্ত বৰুৱা, ফণীন্দ্র নাৰায়ণ [2006]Ê, *আধুনিক ভাষাবিজ্ঞানৰ পৰিচয়;* গুৱাহাটী ঃ বনলতা।

9) দত্ত বৰুৱা, ফণীন্দ্র নাৰায়ণ [2006]Ê, *প্রয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা;* গুৱাহাটী ঃ বনলতা।

10) পাদুন, নাহেন্দ্র (সম্পাঃ)(1993); *ভাষাৰ তত্ত্বকথা;* গুৱাহাটী ঃ বাণী মন্দিৰ।

11) পাটগিৰি, দীপ্তি ফুকন (1991); *ভাষাতত্ত্ব,* গুৱাহাটী ঃ বনলতা।

12) ভৰালী, দেবানন্দ (1993); *অসমীয়া ভাষাৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

13) মেধি, কালিৰাম (1999); *অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

ইংৰাজী গ্রন্থ ঃ

১৪) Chomsky, N. (1965). *Aspects of the Theory of Syntax.* Cambridge Mass.: MIT

১৫) Chomsky, N. (2002). *Syntactic Structure.* Barlin: Walter de Gruyter GmbH & Co. KG.

১৬) Crystal, D. (1997). *The Encyclopedia of Language*. Cambridge: CUP.

১৭) Hockett, C. F. (1970). *A Course in Modern Linguistics*. New Delhi: Oxford & IBH Publishing Co. Pvt. Ltd.

১৮) Kakati, B. (2007). *Assamese : Its Formation and Development.* Guwahati: Lawyers Book Stall.

৯.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ তিনিটা — (ক) সৰল বাক্য (খ) যুগ্ম বাক্য (গ) জটিল বাক্য।

২ নং প্রশ্নৰ উত্তৰ ঃ [1] তেখেত শিক্ষক, [2] উমানন্দ ব্রহ্মপুত্রৰ মাজত অৱস্থিত।

৩ নং প্রশ্নৰ উত্তৰ ঃ ক্রিয়াপদটো নিত্য বর্তমান কাললৈ পৰিৱর্তন কৰি তাৰ পিছত ক্রিয়াৰ আগত নেতিবাচক প্রত্যয় যোগ কৰিব লাগে।

৪ নং প্রশ্নৰ উত্তৰ ঃ 1] সুৰ লহৰৰ পৰিৱর্তন,

2] প্রশ্নবোধক প্রত্যয় 'নে', 'নেকি' বা 'জানো'ৰ সংযোগ,

3] 'ক' - ৰে আৰম্ভ হোৱা সর্বনাম বা ক্রিয়া বিশেষণৰ ব্যৱহাৰ।

৫ নং প্রশ্নৰ উত্তৰ ঃ ক) কর্তৃ ভাববাচ্যৰ বাক্য খ) কর্তৃবাচ্যৰ বাক্য
গ) কর্মবাচ্যৰ বাক্য গ) ভাববাচ্যৰ বাক্য
ঙ) কর্মবাচ্যৰ বাক্য।

৬ নং প্রশ্নৰ উত্তৰ ঃ প্রত্যক্ষ উক্তি।



৯.৭ আৰ্হি প্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক—

ক) জটিল বাক্য কাক বোলে?
খ) যৌগিক বাক্য মানে কি?
গ) উক্তি মানে কি?

চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ জটিল বাক্যৰ প্রকাৰভেদ উদাহৰণসহ বুজাই লিখক।

প্রশ্ন ২ ঃ উক্তি মানে কি? উক্তিৰ ভিত্তিত বাক্যক কেইপ্রকাৰে ভগাব পাৰি? বাক্য কি উক্তিত আছে কেনেকৈ জানিব পাৰি, উদাহৰণ দি বুজাই লিখক।

প্রশ্ন ৩ ঃ তলৰ কবিতা ফাকিত প্রত্যক্ষ উক্তি কোনখিনি— বুজাই লিখক।

মাৰৰ বচন শুনি পাশ চাপি
হাঁসিয়া বোলে কানাই।
কেনেকুৱা গোটে কাণ খাই ফুৰে
চিনোৱা হাৰলী আই।।

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ অসমীয়া ভাষাৰ বাক্যতত্ত্ব আলোচনাত কি কি দিশ অন্তর্ভুক্ত হৈ আছে সেই বিষয়ে উদাহৰণসহ এটি প্রবন্ধ যুগুত কৰক।

প্রশ্ন ২ ঃ ক্রিয়াৰ বাচ্যৰ পৰিপ্রেক্ষিতত অসমীয়া বাক্যক কেইটা ভাগত ভগাব পাৰি? প্রতিবিধ বাক্যৰে উদাহৰণসহ বিশ্লেষণ কৰক।

প্রশ্ন ৩ ঃ অসমীয়া ভাষাৰ সদর্থক (positive) বাক্যক নঞর্থক (negative) বাক্যলৈ কেনেদৰে নিব পাৰি উদাহৰণসহ বুজাই লিখক।

*** ***** ***

অধ্যায় ১০ ঃ অসমীয়া ভাষাৰ পদ

অধ্যায় গাঁথনি

10.1 উদ্দেশ্য

10.2 পৰিচয়

10.3 অসমীয়া ভাষাৰ পদ

10.4 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

10.5 অধিক জানিবলৈ

10.6 অগ্রগতিৰ খতিয়ান

10.7 আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- অসমীয়া ভাষাৰ পদৰ গঠন সম্পর্কে ব্যাখ্যা কৰিব পাৰিব
- অসমীয়া পদসমূহৰ শ্রেণীবিভাজন কৰি দেখুৱাব পাৰিব।

১০.২ পৰিচয়

এই অধ্যায়ৰ পূর্বৱর্তী অধ্যায়টোত আমি সামগ্রিকভাৱে অসমীয়া ভাষাৰ বাক্যতত্ত্বৰ অন্তর্গত বিষয়বস্তুৰ আভাস লাভ কৰিলোঁ। এতিয়া এইটো অধ্যায়ত অসমীয়া ভাষাৰ পদৰ বিষয়ে বিস্তৃতভাৱে আলোচনা দাঙি ধৰিম।

বাক্য বিশেষৰ অন্তর্গত অর্থযুক্ত গাইগুটীয়া খণ্ডবোৰক পদ বোলা হয়। গাঁথনিক বা ৰূপতাত্ত্বিক দিশেৰে বিচাৰ কৰিলে অসমীয়া ভাষাত আমি দুবিধ পদ পাওঁ — সব্যয় পদ আৰু অব্যয় পদ। বিভক্তিৰ সংযোগত পদৰ ৰূপগত পৰিৱর্তন ঘটিলে তাক সব্যয় পদ আৰু কেতিয়াও বিভক্তি লগ নলগা পদবোৰক অব্যয় পদ বোলা হয়। বাক্যতাত্ত্বিক দিশৰ বিচাৰত পদৰ আকৌ কেইবাটাও শ্রেণী বিভাগ পোৱা যায়, যেনে — বিশেষ্য, বিশেষণ, সর্বনাম, ক্রিয়া বিশেষণ, ক্রিয়া ইত্যাদি। অধ্যায়টি অধ্যয়নৰ অন্তত আপুনি অসমীয়া ভাষাৰ পদ সম্পর্কে অনুধাৱন কৰিবলৈ সক্ষম হ'ব।

১০.৩ অসমীয়া ভাষাৰ পদ

পদ হ'ল বাক্যৰ অন্তর্গত অর্থযুক্ত গাইগুটীয়া খণ্ড। পদক বাক্যৰ গাঁথনিৰ একক বোলা হয়। অসমীয়া ভাষাৰ পদসমূহক দুই প্রকাৰে শ্রেণীবিভাজন কৰি দেখুৱাব পাৰি — বাক্যতাত্ত্বিক

শ্রেণীবিভাজন আৰু ৰূপতাত্ত্বিক শ্রেণীবিভাজন। বাক্যতাত্ত্বিক শ্রেণীবিভাজনত বাক্যত ব্যৱহৃত পদসমূহৰ পাৰস্পৰিক সঙ্গতি আৰু কার্যৰ ওপৰত গুৰুত্ব দিয়া হয়। বিশেষ্য, সর্বনাম বিশেষণ, ক্রিয়া বিশেষণ, ক্রিয়া আদি শ্রেণী বিভাজন মুখ্যতঃ বাক্যতাত্ত্বিক দিশৰ পৰা কৰা শ্রেণীবিভাজন। আনহাতে পদৰ গঠনৰ ভিত্তিত কৰা শ্রেণী বিভাজনক ৰূপতাত্ত্বিক শ্রেণীবিভাজন বোলা হয়। এনে শ্রেণীবিভাজন বাক্যত ব্যৱহৃত পদসমূহৰ সৈতে বিভক্তিৰ সংযোগৰ ওপৰত নির্ভৰশীল। অসমীয়া ভাষাত পদৰ ৰূপতাত্ত্বিক বিভাজনত বা আন কথাত পদৰ গঠনৰ আধাৰত কৰা শ্রেণীবিভাজনত দুই প্রকাৰৰ পদ পোৱা যায় — অব্যয় পদ আৰু সব্যয় পদ।

- **অব্যয় পদ ঃ** যিবোৰ পদত কোনো ধৰণৰ বিভক্তি লগ নালাগে সেইবোৰক অব্যয় পদ বোলা হয়, যেনে — আৰু, বা, ঠিক, জানো, যদি ইত্যাদি। অব্যয় পদবোৰক দুটা ভাগত ভগাব পাৰি — মৌলিক অব্যয় আৰু যৌগিক অব্যয়।
  - ➢ *মৌলিক অব্যয় ঃ* অন্য কোনো ৰূপক আশ্রয় নকৰাকৈ যিবোৰ অব্যয় গুটীয়াভাৱে প্রয়োগ হয় সেইবোৰক মৌলিক অব্যয় বুলিব পাৰি, যথা — অতি, আৰু, ইতি, খাতাং, ছিঃ, জানো, ঠিক, প্রতি, বিনা, মাত্র, স্বয়ং ইত্যাদি।
  - ➢ *যৌগিক অব্যয় ঃ* একাধিক অব্যয়ৰ সংযোগত সৃষ্টি হোৱা অব্যয় পদক যৌগিক অব্যয়ৰ শ্রেণীত ধৰা হৈছে, যেনে — অথচ, কদাপি, কিয়নো, জানোচা, তথাপি, নতুবা, নাইবা, কিংবা ইত্যাদি।
- **সব্যয় পদ ঃ** বিভক্তিৰ সংযোগৰ ভিত্তিত ড^{0} গোলোকচন্দ্র গোস্বামীয়ে অসমীয়া সব্যয় পদবোৰক দুটা প্রধান ভাগত ভাগ কৰিছে — নামপদ আৰু ক্রিয়াপদ।
  - ➢ *নামপদ ঃ* একোটাইঁত বিশেষ ভাব, অৱস্থা, কার্য, গুণ, বস্তু, ঠাই বা প্রাণীৰ নাম বা শ্রেণীক প্রত্যক্ষ বা পৰোক্ষভাৱে বুজোৱা পদক নামপদ বোলা হৈছে। যেনে — মাটি, পানী, আকাশ, জোন, বেলি, কিতাপ, কলম, মানুহ ,গৰু, ভাই, ভনী, কাপোৰ, খাৱন, শোৱন, ল'ৰালি, সাধুতা, মই, তুমি, সি, ই, ইয়াত, ক'ত ইত্যাদি। নামপদক আকৌ দুটা ভাগত ভগাব পাৰি — বিশেষ্য পদ আৰু সর্বনাম পদ। মন কৰিবলগীয়া যে নামপদত কাৰকৰ বিভক্তি লগ লাগে। এই পদক একবচন আৰু বহুবচন দুয়োটা ৰূপত পাব পাৰি।
    - ❍ বিশেষ্য পদ ঃ কোনো বিশেষ ভাব, কার্য, গুণ, অৱস্থা, বস্তু, ঠাই আৰু প্রাণীৰ নাম বুজোৱা পদক বিশেষ্য পদ বোলা হয়, যেনে — মানুহ, গৰু, বৰপেটা, তেজপুৰ, দিহিং, দিবং, ধন, সোণ ইত্যাদি।

      বিশেষ্য পদক চাৰিটা উপভাগত ভাগ কৰিব পাৰি — সংজ্ঞাবাচক বিশেষ্য, সম্বন্ধবাচক বিশেষ্য, গুণ বা ভাববাচক বিশেষ্য আৰু ক্রিয়াবাচক বিশেষ্য।

      (ক) সংজ্ঞাবাচক বিশেষ্য ঃ যিবোৰ বিশেষ্য পদে প্রাণী, বস্তু, জাতি, শ্রেণী আৰু কোনো বিষয়ক বুজায়, নাইবা প্রাণী বা বস্তুৰ নাম বুজায়, অথবা পৰিমাণ আদি বুজায় তেনে বিশেষ্যক সংজ্ঞাবাচক বিশেষ্য বোলা হয়। যেনে — মানুহ, গৰু, ল'ৰা, ছোৱালী, চন্দ্র, সূর্য, ব্রহ্মপুত্র, গঙ্গা, ৰামায়ণ, মহাভাৰত, গুৱাহাটী,

লণ্ডন, ভাৰত, আমেৰিকা, কাঁহী, বাতি, গ্ৰাম, সেৰ, কিলোগ্ৰাম, মিটাৰ, লিটাৰ, বিঘা, কঠা, হেক্টৰ ইত্যাদি।

(খ) সম্বন্ধবাচক বিশেষ্য ঃ জন্মসূত্ৰে, বৈবাহিক সূত্ৰে আৰু সামাজিক সূত্ৰে মানুহৰ মাজত যি সম্বন্ধ স্থাপিত হয় তাক বুজাবলৈ যিবোৰ বিশেষ্য পদ ব্যৱহাৰ হয় সেইবোৰক সম্বন্ধবাচক বিশেষ্যৰ শ্ৰেণীত ধৰিব পাৰি। যেনে — মা, দেউতা, ভাই, ভনী, মোমাই, পেহা, মাহী ইত্যাদি। অৰ্থৰ ফালৰ পৰা এইবোৰ সংজ্ঞাবাচক বিশেষ্যৰ অন্তৰ্গত, কিন্তু গঠনৰ ফালৰ পৰা এই বিশেষ্যবোৰ পুৰুষযুক্ত হোৱা বাবে অৰ্থাৎ বিভিন্ন পুৰুষৰ সৈতে সংগতি ৰক্ষা কৰা হেতুকে ইহঁতক সম্বন্ধবাচক বিশেষ্যৰূপে এটা সুকীয়া শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰা হয়।

(গ) গুণ বা ভাববাচক বিশেষ্য ঃ যিবোৰ বিশেষ্য পদে গুণ, ভাব, অৱস্থা আদি বুজায়, সেইবোৰক গুণ বা ভাববাচক বিশেষ্য বোলা হয়। যেনে — সুখ, দুখ, দয়া, মমতা, দুষ্টালি, ভণ্ডামি, সৰলতা, জড়তা ইত্যাদি। গুণ বা ভাববাচক বিশেষ্য তলত দিয়া ধৰণেও গঠন কৰি লোৱা হয় — (1) বিশেষণ পদৰ সৈতে -তা বা -ত্ব সংযোগ কৰি, যেনে — সৰল-সৰলতা, নম্ৰ-নম্ৰতা, সুন্দৰ-সুন্দৰতা, গুৰু-গুৰুত্ব, মহৎ-মহত্ব ইত্যাদি। (2) বিশেষ্য বা বিশেষণৰ পিছত -আলি, -আমি, -অৰি প্ৰত্যয় সংযোগ কৰি, যেনে — বেজ-বেজালি, মুৰ্খ-মুৰ্খামি, ভাল-ভালৰি ইত্যাদি। (3) বিশেষণ পদৰ পিছত নিৰ্দিষ্টতাবাচক প্ৰত্যয়, বহুবচনবাচক প্ৰত্যয় -বোৰ, -বিলাক তথা কাৰকৰ বিভক্তি যোগ দি; যেনে — ভাল-ভালখিনি, বেয়া-বেয়াবোৰ, ভাল-ভালেৰেঁভালকঁভালত ইত্যাদি। অৱশ্যে এনে প্ৰয়োগ নিতান্তই সীমিত।

(ঘ) ক্ৰিয়াবাচক বিশেষ্য ঃ যিবোৰ বিশেষ্য পদে কোনো এটা কৰা, হোৱা বা ঘটা কাৰ্যক বুজায় সেইবোৰক ক্ৰিয়াবাচক বিশেষ্য বোলা হয়, যেনে — খাৱন, শোৱন, পিন্ধন, উৰণ, খাব, হ'ব, নিব ইত্যাদি। গঠন আৰু প্ৰয়োগ অনুসাৰে এনে বিশেষ্য তিনি প্ৰকাৰৰ — -অন প্ৰত্যয়ান্ত , -আ প্ৰত্যয়ান্ত আৰু -বঁ-ইব প্ৰত্যয়ান্ত। -অন প্ৰত্যয়ান্ত বিশেষ্য পদৰ উদাহৰণ কেইটামান হ'ল, যেনে — শো শোৱন, খা খাৱন, বাঢ় বাঢ়ন, উজা উজান, পিন্ধ পিন্ধন, উৰ উৰণ ইত্যাদি। সেইদৰে -আ প্ৰত্যয়ান্ত ক্ৰিয়াবাচক বিশেষ্য, যেনে — লিখা, পঢ়া ,শুনা, পোৱা, দিয়া, বুজা, হোৱা, খোৱা ইত্যাদি। আকৌ -ইবঁ-ব প্ৰত্যয়ান্ত ক্ৰিয়াবাচক বিশেষ্যবোৰ হ'ল, যেনে — মাত - মাতিব, পঢ় - পঢ়িব, কৰ - কৰিব, শুন - শুনিব, খা - খুৱাব, খা - খাব ইত্যাদি। ক্ৰিয়াবাচক বিশেষ্যক কৃদন্ত বিশেষ্য ৰূপেও অভিহিত কৰা হয়।

❍ সৰ্বনাম পদ ঃ বিশেষ্য পদৰ সলনি ব্যৱহাৰ হোৱা পদক সৰ্বনাম পদ বোলা হয়। যেনে — মই, তই, তুমি, তেওঁ, সি, কি, কোন, এই, সেই ইত্যাদি। ড^{0} গোলোকচন্দ্ৰ

গোস্বামীয়ে অসমীয়া সর্বনাম পদসমূহক তিনি প্রকাৰে শ্রেণী বিভাগ কৰিছে — ব্যক্তিবাচক সর্বনাম, সাকল্যবাচক সর্বনাম আৰু তদর্থক সর্বনাম। কালবোধক, স্থানবোধক, প্রশ্নবোধক, নির্দেশাত্মক, অনিশ্চয়ার্থক আদি পৰম্পৰাগতভাৱে চলি অহা সর্বনামবোৰক তেখেতে একেলগে তদর্থক সর্বনাম আখ্যা দি সেইবোৰক উপভাগ হিচাপে দেখুৱাইছে।

যিবোৰ সর্বনামে ব্যক্তি অর্থাৎ মানুহ বা অন্য কোনো প্রাণীক বুজায়, সেইবোৰক ব্যক্তিবাচক সর্বনাম বোলা হয়। ব্যক্তিবাচক সর্বনামবোৰৰ পুৰুষ তিনিটা — প্রথম পুৰুষ, দ্বিতীয় পুৰুষ আৰু তৃতীয় পুৰুষ। দ্বিতীয় পুৰুষৰ আকৌ তুচ্ছ আৰু মান্য— এই দুটা ভেদ পোৱা যায়। এই শ্রেণীৰ সর্বনামৰ একবচন আৰু বহুবচনৰ ৰূপো পোৱা যায়। তলৰ তালিকাখনে কথাখিনি স্পষ্ট হোৱাত সহায় কৰিব —

তালিকা ১০.১ ঃ অসমীয়া ব্যক্তিবাচক সর্বনামৰ তালিকা

পুৰুষ	একবচন	বহুবচন
প্রথম পুৰুষ	মই	আমি
দ্বিতীয় পুৰুষ তুচ্ছ	তই	তহঁত
দ্বিতীয় পুৰুষ মান্য	আপুনি	আপোনালোক
	তুমি	তোমালোক
তৃতীয় পুৰুষ	সি	সিহঁত
	তাই	সিহঁত, তাইহঁত
	এওঁ, তেওঁ, তেৰা	এওঁলোক, তেওঁলোক
	এখেত, তেখেত	এখেতসকল, তেখেতসকল

অসমীয়া ভাষাৰ 'আপুনি' সর্বনাম পদ দ্বিতীয় পুৰুষৰ হলেও এই পদত তৃতীয় পুৰুষৰ বিভক্তি লগ লগাটো এক বিশেষ বৈশিষ্ট্য। ই, যি, সর্বনামেও ব্যক্তি বা পুৰুষ নির্দেশ কৰে।

(ক) সাকল্যবাচক সর্বনাম ঃ সমষ্টি বুজাবলৈ ব্যৱহাৰ হোৱা সর্বনাম পদক সাকল্যবাচক সর্বনাম বোলা হৈছে। এই শ্রেণীৰ সর্বনামৰ সংখ্যা নিচেই তাকৰ। সকলো, উভয়, সদৌ, আটাই, সব আদি এই শ্রেণীৰ সর্বনামৰ উদাহৰণ। এই সর্বনামৰ একবচনবাচক ৰূপ নাই। নিত্য বহুবচন হ'লেও কেতিয়াবা বহুবচন সূচক প্রত্যয়ো এইবোৰৰ সৈতে লগ লাগে, যেনে — আটাইবোৰ, সকলোবিলাক ইত্যাদি।

(খ) তদর্থক সর্বনাম ঃ যি সর্বনামে ইয়াৰ আৰম্ভণিতে লগা উপসর্গ কেইটাৰ অর্থকে প্রকাশ কৰে তেনে সর্বনামকে তদর্থক সর্বনাম বোলা হয়। অৱশ্যে মন কৰিবলগীয়া যে ইহঁত অতীত কালৰ 'গ' ধাতুৰ দৰে বদ্ধ সর্বনামৰ ৰূপ; অকলে ইহঁতৰ স্থিতি নাই; বিভক্তি যোগত হে অর্থজ্ঞাপক হয়। উল্লেখযোগ্য যে, তদ্

মানে সি বা সেইটো, অর্থাৎ উপসর্গটো। এইবিধ সর্বনামৰ কেইবাটাও উপবিভাগ পোৱা যায় —

(1) স্থানবাচক ঃ অ'ৰ, অ'লৈ,অ'ত, ত'ৰ, ত'লৈ, ত'ত, ক'ৰ, ক'লৈ, ক'ত। মন কৰিবলগীয়া যে স্থানবাচক সর্বনামকেইটাৰ পিছৰ ফালে যোগ হোৱা -ৰ, -লৈ আৰু -ত কাৰক বিভক্তিহে। ইহঁতৰ সংযোগ অবিহনে অ'-,ত'- আৰু ক'-ৰ অর্থ পোৱা নাযায়।

(2) কালবাচক ঃ এতিয়া, তেতিয়া, যেতিয়া,কেতিয়া, কেতিয়াবা, অথনি, তাহানি, কাহানি। এই সর্বনাম কেইটাই সময় বা কাল বুজায়।

(3) নির্দেশক ঃ এই, যেই, সৌ, সেই , কেই, কেইবা। সাধাৰণতে এনে সর্বনামৰ পিছত নির্দেশাত্মক প্রত্যয় -টো, -জন, -খন আদি সংযুক্ত হয়।

(4) পৰিমাণবাচক ঃ ইমান, সিমান, যিমান, কিমান, কিছুমান, এতেক, যেতেক, ইত্যাদি। এই সর্বনামে পৰিমাণ বুজায়।

(5) ধৰণবাচক ঃ এনেকুৱা, তেনেকুৱা, যেনেকুৱা, এনে, তেনে, যেনে, কেনে। এইবোৰ সর্বনামে ধৰণ বুজায়।

(6) দিশবাচক ঃ এনি, তেনি, যেনি, কেনি, কেনিবা। এইবোৰে দিশ নির্দেশ কৰে।

মন কৰিবলগীয়া যে দিশ আৰু ধৰণ বুজোৱা সর্বনাম পদৰ ৰূপ নহয়। অর্থাৎ ইহঁতৰ সৈতে কোনো বিভক্তি লগ নালাগে।

(গ) সর্বনামৰ তির্যক ৰূপ ঃ অসমীয়া ভাষাৰ কেইটামান সর্বনামৰ সৈতে সংযোগ হৈ থকা কাৰক বিভক্তিবোৰ গুচালে সেইবোৰৰ দুটাকৈ ৰূপ পোৱা যায়, যেনে—

তালিকা ১০.২ ঃ সর্বনামৰ তির্যক ৰূপ

সর্বনাম পদ	শব্দ-১	শব্দ-২
মই	ম-	মো-
তই	ত-	তো-
আমি	আম্-	আমা-
তুমি	তোম্-	তোমা-
আপুনি	আপোন-	আপোনা-
ই	ই-	ইয়া-
সি	স্-	তা-
কি	ক্-	কা-
যি	য্-	যা-

তালিকাখনৰ শব্দ-1 আৰু শব্দ-2 স্তম্ভ দুটাত দেখুওৱা শব্দবোৰে প্রত্যক্ষভাৱে কোনো অর্থ নির্দেশ নকৰে। ইয়াৰে শব্দ-1ত দেখুওৱাবোৰ কর্তাকাৰকৰ '-ই' বিভক্তি লগ লগাৰ বাবে সৃষ্টি হোৱা ৰূপ। আনহাতে সম্বন্ধসূচক '-ৰ' যোগ হোৱাৰ বাবে সৃষ্টি হোৱা ৰূপবোৰত (শব্দ-2) মো- আৰু তো-ৰ বাহিৰে বাকীবোৰত একোটাকৈ অতিৰিক্ত স্বৰ আ- লগ লগিছে। মো- আৰু তো-ত অতিৰিক্তভাৱে কোনো স্বৰ লগ লগা নাই, মাত্র অ-ৰ ঠাইত ও- ব্যৱহাৰ হৈছে। এনেদৰে অতিৰিক্তকৈ স্বৰ লগ লগা হেতুকে মো- আৰু তো-কে ধৰি শব্দ- 2-ত উল্লেখ হোৱা ৰূপবোৰক তির্যক ৰূপ বোলা হৈছে।

- ক্রিয়াপদ ঃ যিবোৰ পদে কোনো কার্য কৰা, হোৱা অথবা কৰি থকা, ঘটি থকা, হৈ থকা নাইবা এইবোৰৰ নেতিবাচক অর্থ বুজায় সেইবোৰ পদকে ক্রিয়াপদ বোলা হয়। যেনে— কৰা, কৰিলে, গৈছে, পঢ়িছিল ইত্যাদি। বাক্যত ব্যৱহৃত প্রতিটো মূল পদৰ লগত ক্রিয়াপদৰ সম্পর্ক ঘটে আৰু এই সম্পর্কৰ নাম কাৰক।

ক্রিয়াপদক শব্দৰূপ (কাৰকৰ ৰূপ) আৰু ধাতুৰূপৰ দৃষ্টিৰে সকর্মক আৰু অকর্মক এই দুটা ভাগত ভগাব পাৰি। যি ক্রিয়াৰ কর্ম থাকে তাক সকর্মক আৰু যি ক্রিয়াৰ কর্ম নাথাকে তাক অকর্মক ক্রিয়া বোলা হয়। 'ৰামে ভাত খাইছে' আৰু 'ৰাম গ'ল' — এই বাক্য দুটাৰ প্রথমটো বাক্যৰ ক্রিয়াপদ 'খাইছে'ৰ 'ভাত' কর্ম আৰু সেইবাবে 'ৰাম' কর্তাপদত -এ কাৰক বিভক্তি লগ লাগিছে। আনহাতে দ্বিতীয় বাক্যৰ 'গ'ল' ক্রিয়াপদৰ কর্ম নাই সেইবাবে কর্তা 'ৰাম'-ত শূন্য বিভক্তি লগ লাগিছে। উদাহৰণ দুটাৰ 'খাইছে' সকর্মক আৰু 'গ'ল' অকর্মক ক্রিয়াপদ। কিছুমান সকর্মক ক্রিয়াৰ দুটাকৈ কর্ম থকাও দেখা যায়। যেনে 'সি ল'ৰাটোক ব্যাকৰণ শিকাইছে'। বাক্যটোত 'শিকাইছে' ক্রিয়াৰ দুটা কর্ম আছে — 'ল'ৰাটোক' আৰু 'ব্যাকৰণ'। অসমীয়া ভাষাত কেতিয়াবা অকর্মক ক্রিয়াপদৰ কর্তা পদতো কাৰক বিভক্তি লগ লগা দেখা যায় —'মানুহে হাঁহে', 'সিহঁতে কান্দিছে' আদি বাক্য তাৰ প্রকৃষ্ট উদাহৰণ।

কর্তাৰ লগত ক্রিয়াপদৰ অতি ঘনিষ্ঠ সম্পর্ক আছে। কর্তাৰ পুৰুষ অনুসৰি ক্রিয়াপদবো পুৰুষ হয় আৰু সেইমতে বিভক্তিৰ প্রয়োগ ঘটে। এটা কথা লক্ষণীয় যে, একে পুৰুষৰ একাধিক কর্তাৰ এটা মাথোন ক্রিয়াপদ হ'লে তাৰ ৰূপ একে থাকে। উদাহৰণস্বৰূপে—

ৰীতা, দীপা, প্রীতি আৰু ভাস্কৰে কেৰম খেলিছে।

— এই বাক্যটোত 'খেলিছে' ক্রিয়াৰ কর্তা ৰীতা, দীপা, প্রীতি আৰু ভাস্কৰ। ইহঁতকেইটাৰ পুৰুষ নামপুৰুষ আৰু 'খেলিছে' ক্রিয়াপদ একেটাই। আনহাতে, প্রথম, দ্বিতীয় আৰু তৃতীয় পুৰুষৰ কর্তা একেলগে প্রয়োগ হ'লে ক্রিয়াটো সদায় প্রথম পুৰুষৰ হয় আৰু দ্বিতীয় আৰু তৃতীয় পুৰুষৰ কর্তা একেলগে প্রয়োগ হ'লে ক্রিয়াটো সদায় দ্বিতীয় পুৰুষৰ হয়। যেনে—

মই, আপুনি আৰু সি একেলগে ভাত খাম।

মধু আৰু তুমি কিতাপখন পঢ়িলা।

এটা ক্রিয়াপদৰ যেনেকৈ কেইবাটাও কর্তাপদ থাকিব পাৰে, ঠিক সেইদৰে একেটা কর্তাপদৰো কেইবাটাও ক্রিয়াপদ এটা বাক্যতে বহিব পাৰে। যেনে — মই আজি ৰাতিপুৱাৰেপৰা কিতাপ পঢ়িলোঁ, ঘৰ চাফা কৰিলোঁ, কাপোৰ-কানি ধুলোঁ আৰু ক'ত যে কি নকৰিলোঁ।

— ইয়াত 'মই' কর্তাটোৰ পঢ়িলোঁ, কৰিলোঁ, ধুলোঁ আৰু নকৰিলোঁ — এই চাৰিটা ক্রিয়াপদৰ ব্যৱহাৰ কৰা হৈছে।

ক্রিয়াপদক আকৌ সমাপিকা আৰু অসমাপিকা এই দুটা বহল ভাগতো ভাগ কৰা হয়। বাক্যৰ গঠন আৰু অর্থ সম্পূর্ণ কৰিব পৰা ক্রিয়াপদবোৰ সমাপিকা আৰু বাক্য শেষ কৰিব নোৱাৰা ক্রিয়াপদবোৰ অসমাপিকা। অৱশ্যে অসমাপিকা ক্রিয়াই কোনো কার্য শেষ হোৱা বা চলি থকা বুজাব পাৰে।

অসমীয়া ভাষাত সমাপিকা ক্রিয়াই কেইটামান নির্দিষ্ট বৈশিষ্ট্য ৰক্ষা কৰি চলে। এই বৈশিষ্ট্যকেইটা তলত উল্লেখ কৰা হ'ল —

(ক) সমাপিকা ক্রিয়াৰ এটা প্রধান বৈশিষ্ট্য হৈছে, ইয়াত সদায় পুৰুষবাচক বিভক্তি লাগি থাকে। পুৰুষবাচক বিভক্তি নলগাকৈ কোনো সমাপিকা ক্রিয়াপদ বাক্যত ব্যৱহৃত হ'বনোৱাৰে। সেয়েহে গোলোকচন্দ্র গোস্বামীয়ে "পুৰুষৰ বিভক্তিযুক্ত ক্রিয়াপদকে সমাপিকা ক্রিয়াপদ বোলে বুলিও সমাপিকা ক্রিয়াৰ সূত্র তৈয়াৰ কৰিব পাৰি" বুলি মত প্রকাশ কৰিছে।

(খ) পুৰুষৰ বিভক্তিযুক্ত সমাপিকা ক্রিয়াপদ প্রয়োগ ভেদে অসমাপিকা ক্রিয়া পদ ৰূপেও পাব পাৰি। যেনে —

দীপিকাই পৰীক্ষাত প্রথম বিভাগ পাব নে নাপায় ক'ব নোৱাৰে।

দীপক গুৱাহাটীতে আছে যদি আহিব।

ইয়াত পাব, নাপায়, আছে — এই গোটেই কেইটা পুৰুষৰ বিভক্তি লগা সমাপিকা ক্রিয়া। তথাপি বাক্যকেইটালৈ মন কৰিলে দেখা যায় যে, ইহঁতে বাক্যবোৰ শেষ কৰিব পৰা নাই। বাক্যকেইটা শেষ কৰিবলৈ অন্য সমাপিকা ক্রিয়াৰ প্রয়োজন হৈছে। ইয়াৰ পৰা বুজা যায় যে, প্রয়োগ বিশেষে সমাপিকা ক্রিয়াও অসমাপিকা ক্রিয়া ৰূপে ব্যৱহাৰ হ'ব পাৰে।

(গ) ইহঁত কাল সাপেক্ষ। অর্থাৎ সমাপিকা ক্রিয়াপদে সদায় নির্দিষ্ট সময়ত কোনো কাম কৰা বা হোৱা বুজায়।

তলত 'কৰ্' ধাতুৰ দশা, কাল আৰু পুৰুষ অনুসাৰে গঠন হোৱা ক্রিয়াপদৰ তালিকা এখন দিয়া হ'ল —

তালিকা ১০.৩ঃ 'কৰ্' ধাতুৰ দশা, কাল আৰু পুৰুষ অনুসাৰে গঠন হোৱা ক্রিয়াপদ

কাল	কাল আৰু দশাৰ ভাগ	কালসূচক প্রত্যয়	পুৰুষবাচক বিভক্তি				
			প্রথমপুৰুষ	দ্বিতীয়পুৰুষ			তৃতীয় পুৰুষ
				তুচ্ছ	*মান্য*	*সম্ভ্রম*	
বর্তমান	অনুজ্ঞা (দশা)	-	-	$-\phi$	- কৰ্-আ	কৰ্- অক	কৰ্-অক
	নিত্য বর্তমান (কাল)	-	কৰ্-ওঁ	কৰ্-অ	কৰ্-আ	কৰ্-এ	কৰ্-এ
	স্বৰূপ বর্তমান (দশা)	ইছ্	কৰ্-ইছ্-ওঁ	কৰ্-ইছ-অ	কৰ্-ইছ-আ	কৰ্-ইছ-এ	কৰ্-ইছ্-এ
ভূত	স্বৰূপ ভূত (কাল)	ইল্	কৰ্-ইল্-ওঁ	কৰ্-ইল্-ই	কৰ্-ইল্ আ	কৰ্-ইল্-এ	কৰ্-ইল্-এ
	অপূর্ণ ভূত (দশা)	ইছ্-ইল্	কৰ্ -ইছ্ -ইল্-ওঁ	কৰ্-ইছ্ ইল্-ই	কৰ্-ইছ্ -ইল্-আ	কৰ্-ইছ্ -ইল্-ϕ	কৰ্-ইছ্ -ইল্-ϕ
ভৱিষ্যত	ভৱিষ্যৎ(কাল)	ইব	কৰ্-ইম(ম)	কৰ্-ইব্-ই	কৰ্-ইব্-আ	কৰ্-ইব-ϕ	কৰ্- ইব-ϕ

ওপৰৰ তালিকাত অসমীয়া সমাপিকা ক্রিয়াৰ ছটা কাল আৰু দশাত ৰূপ পোৱা যায় — বর্তমান কালৰ তিনিটা, অতীত কালৰ দুটা আৰু ভৱিষ্যত কালৰ মাথোন এটা। ই বর্তমান কালত ব্যৱহাৰ হোৱা ক্রিয়াৰ এটা দশা মাথোন।

উল্লেখযোগ্য যে অসমীয়া ভাষাৰ প্রচলিত ব্যাকৰণবোৰত -ইছ্, -ইল-, -ইছ-ইল (-ইছিল), ইব আদি ৰূপক ক্রিয়া বিভক্তিৰূপে আলোচনা কৰা হৈছে। কিন্তু, প্রকৃত বিচাৰত ইহঁত কাল আৰু ভাব বা দশা বুজোৱা কৃৎ প্রত্যয়হে। ড^0 গোলোকচন্দ্র গোস্বামীয়ে এনে যুক্তিৰ আধাৰতে সমাপিকা ক্রিয়াপদ গঠনত বিভিন্ন পুৰুষ অনুসাৰে লগ লগা ৰূপ, যেনে — ওঁ, -আ,-এ,- অ আদিক ক্রিয়া বিভক্তি আখ্যা দিছে।

ইতিমধ্যেই ওপৰত উল্লেখ কৰি অহা হৈছে যে, অসমাপিকা ক্রিয়াই বাক্য সম্পূর্ণ কৰিব নোৱাৰে, কিন্তু কোনো কার্য শেষ হোৱা বা চলি থকা বুজাব পাৰে। কিন্তু অসমাপিকা ক্রিয়াই কার্যটো শেষ হোৱা বুজাইছে নে চলি থকা বুজাইছে সেইটো নির্ভৰ কৰে বাক্যটো শেষ কৰা ক্রিয়াপদটোৰ ওপৰতহে। যেনে —

মই কিতাপ পঢ়ি ভাল।

আলহী আহিব বুলি ৰৈ ৰৈ।

ওপৰৰ বাক্য দুটাত 'পঢ়ি' আৰু 'ৰৈ ৰৈ' — এই ক্রিয়াপদ কেইটাই বাক্য সম্পূর্ণ কৰিব পৰা নাই। এতেকে, ইহঁত অসমাপিকা ক্রিয়া। সেইদৰে,

ৰামে ৰাৱণক মাৰি সীতাক উদ্ধাৰ কৰিলে।

মধুৰী কেইটা গছৰ পৰা পাৰি আনিলোঁ।

এই বাক্য কেইটাৰ অসমাপিকা ক্রিয়া কেইটাৰ কার্য সমাপন হৈ গৈছে। ৰামে ৰাৱণক মাৰি, মানে মাৰি উঠি, অর্থাৎ মৰা কার্যটো শেষ কৰিহে সীতাক উদ্ধাৰ

কৰিলে। সেইদৰে 'পাৰি আনিলোঁ' বোলোঁতে পৰা কার্য শেষ কৰা বুজাইছে। আকৌ—

মই উপন্যাস পঢ়ি ভাল পাওঁ।

পানীত মাছবোৰ ওপঙি আছে।

— এই বাক্য দুটাত 'পঢ়ি', 'ওপঙি'— এই অসমাপিকা ক্রিয়াই কার্য চলি থকাহে বুজাইছে।

অসমাপিকা ক্রিয়াৰ ক্ষেত্রত মন কৰিবলগীয়া কথা এয়ে যে, অর্থৰ ফালৰপৰা ক্রিয়াটোৱে বুজোৱা কার্যটো হৈ থকা, চলি থকা বা শেষ কৰা বুজালেও ই বাক্য সম্পূর্ণ বা শেষ কৰিব নোৱাৰে। অর্থাৎ অসমাপিকা ক্রিয়াৰ অর্থ আৰু কার্য একে নহয় বা একে নহ'ব পাৰে। অসমাপিকা ক্রিয়াৰ সহায়ত বাক্য চুটি আৰু শুৱলা কৰিব পাৰি। অসমাপিকা ক্রিয়াৰ পোনপটীয়া সম্বন্ধ সদায় এটা সমাপিকা ক্রিয়াৰ লগতহে হয়। সেইকাৰণে অসমাপিকা ক্রিয়াক সমাপিকা ক্রিয়াৰ সহচৰ বুলিব পাৰি বুলি *অসমীয়া ব্যাকৰণ প্রৱেশত* গোলোকচন্দ্র গোস্বামীয়ে উল্লেখ কৰিছে।

অসমীয়া ভাষাত প্রয়োগ হোৱা সকলোবোৰ ক্রিয়াপদ দুটা ৰূপত পোৱা যায় — সদর্থক বা যথার্থক আৰু নঞর্থক। নাই বা নোহোৱা অর্থ বুজাবলৈ ব্যৱহাৰ হোৱা ক্রিয়াপদকে নঞর্থক ক্রিয়া বোলা হয়। মূল ক্রিয়াপদৰ আগত ন- পূর্বসর্গ সংযোগ কৰি এনে ক্রিয়াপদ গঠন কৰা হয়। এই বিষয়ে আগৰ অধ্যায়ত আলোচনা কৰি অহা বাবে ইয়াত পুনৰাই আলোচনা কৰা নহ'ল।

- বিশেষণ পদ ঃ আন পদক বিশেষভাৱে বুজোৱা বা আন পদৰ দোষ গুণ আদি বুজোৱা পদবোৰক বিশেষণ পদ বোলা হয়, যেনে — ভাল, বেয়া, ধুনীয়া ইত্যাদি। অসমীয়া ভাষাত বিশেষণ পদৰ কোনো ৰূপ নহয়। ৰূপ হোৱা মাত্রে সিহঁত বিশেষ্য হৈ পৰে। অর্থাৎ অসমীয়া বিশেষণ পদবোৰ অব্যয় পদৰ দৰে। উদাহৰণস্বৰূপে ভাল মানুহ, শান্ত ছোৱালী, বেয়া দিন আদি প্রয়োগত 'ভাল', 'শান্ত', 'বেয়া' বিশেষণ পদ। কিন্তু 'ভাললৈ বোলোঁতে', 'ভালত পৰিছে' আদিত ব্যৱহাৰ হোৱা 'ভাল' বিশেষণ পদ নহয় বৰং বিশেষ্যহে। অৱশ্যে কেতবোৰ বিশেষণ পদ যেনে — খাটাং, অতি, পৰম আদি সদায়েই বিশেষণৰূপে ব্যৱহাৰ হয়।

প্রয়োগৰ ভিত্তিত বিশেষণ পদবোৰত তিনি ভাগত ভগোৱা হয়, যেনে — নামপদৰ বিশেষণ, বিশেষণীয় বিশেষণ আৰু ক্রিয়া বিশেষণ। নামপদ, অর্থাৎ বিশেষ্য আৰু সর্বনামৰ দোষ, গুণ বুজোৱা বিশেষণ পদক নামপদ বিশেষণ বোলা হয়। যেনে — ভাল মানুহ, বেয়া ল'ৰা, ধুনীয়া তিৰোতা, কপাহী কাপোৰ, ডাঙৰ পণ্ডিত, ইত্যাদি। মন কৰিবলগীয়া কথাটো হ'ল অসমীয়া বাক্যত বিশেষণ পদৰ ব্যৱহাৰ অতি সঞ্চৰণশীল। বক্তাৰ ইচ্ছানুসাৰে প্রয়োগ সাপেক্ষে বিশেষণ পদ বিশেষ্য আৰু সর্বনামৰ আগতো বহিব পাৰে পিছতো বহিব পাৰে।

যিবোৰ বিশেষণ পদে অন্য কোনো বিশেষণৰ দোষ-গুণ আদি বিচাৰ কৰে সেইবোৰক বিশেষণীয় বিশেষণ বোলা হয়। যেনে — বৰ ভাল, অতি সুন্দৰ, খুব বেয়া ইত্যাদি।

কার্য বা ক্রিয়াৰ ধৰণ, অৱস্থা বা প্রকৃতি আদি বুজোৱা বিশেষণ পদক ক্রিয়া বিশেষণ বোলা হয়। যেনে — খৰকৈ, বেগাই, যেনেকৈ, তেনেকৈ ইত্যাদি।

অসমীয়া ভাষাত বিশেষণৰ তাৰতম্য বুজাবলৈ নিম্নোক্ত উপায় কেইটা অৱলম্বন কৰা হয় —

(ক) বিশেষণীয় বিশেষণ প্রয়োগ কৰি, যেনে — অতি সুন্দৰ, খুৱ ভাল, অত্যন্ত কঠিন ইত্যাদি।

(খ) সংস্কৃতৰ পৰা আহৰিত -তৰ, -তম প্রত্যয় ব্যৱহাৰ কৰি, যেনে — গুৰু - গুৰুতৰ, গুৰুতম, উচ্চ - উচ্চতৰ, উচ্চতম, লঘু - লঘুতৰ, লঘুতম ইত্যাদি।

(গ) কোনো কথা বা বস্তুৰ তুলনাৰ ক্ষেত্রত বস্তু দুটাৰ যিকোনো এটাত অধিকৰণ কাৰকৰ -অত বিভক্তি লগ লগাই তাৰ পিছত কৈ সংযোগ কৰি, যেনে — বিমলতকৈ অমল ওখ বা অমল বিমলতকৈ ওখ, হেম সৰস্বতী শঙ্কৰদেৱতকৈ আগৰ ইত্যাদি।

(ঘ) অতিকৈ, তাতোকৈ আদি ৰূপ প্রয়োগ কৰি, যেনে— অতিকৈ মৰমৰ, তাতোকৈ চেনেহৰ ইত্যাদি।

(ঙ) তুলনাত, তুলনামূলকভাৱে পদ প্রয়োগ কৰি, যেনে — 'মহাভাৰতৰ তুলনাত ৰামায়ণ অধিক পুৰণি', 'হাফলঙতকৈ ছিলং তুলনামূলকভাৱে ওখ', 'এইটোতকৈ সেইটো বাট আপেক্ষিকভাৱে বহল আৰু ওখ' ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ অসমীয়া ভাষাৰ নামপদক কেইটা আৰু কি কি ভাগত ভগাব পাৰি?

.....

প্রশ্ন নং ২ ঃ অসমীয়া ব্যক্তিবাচক সর্বনামৰ কি কি পুৰুষ পোৱা যায় ?

.....

প্রশ্ন নং ৩ ঃ অসমীয়া সর্বনাম পদৰ তির্যক ৰূপবোৰ উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৪ ঃ অসমীয়া নঞৰ্থক ক্রিয়াপদ গঠনৰ মূল বৈশিষ্ট্যটো কি?

.....

প্ৰশ্ন নং ৫ ঃ তলত উল্লেখ কৰা বিশেষণ পদকেইটাৰ শ্ৰেণী বিভাজন কৰি দেখুৱাওক—
বেগাই, ভাল, অতি, ধুনীয়া, খুচ, তেনেকৈ, সৰু, খৰকৈ, বৰ

.....

.....



১০.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এইটো অধ্যায়ত আমি অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ অন্তৰ্গত এটা অতি প্ৰয়োজনীয় বিষয়— পদৰ গঠন সম্পৰ্কে অধ্যয়ন কৰিলোঁ।
- পদৰ প্ৰসঙ্গত বিভক্তি লগ নলগা বা কোনো কালে কেতিয়াও ৰূপ নোহোৱা অব্যয় পদ আৰু বিভক্তিৰ সংযোগত ৰূপাত্মক পৰিৱৰ্তন লাভ কৰা সব্যয় পদবোৰৰ বিষয়ে আমি জানিব পাৰিলোঁ। আকৌ সব্যয় পদৰ অন্তৰ্গত বিভিন্ন বিভাগ, যেনে — বিশেষ্য, বিশেষণ, সৰ্বনাম, ক্ৰিয়া আদিৰ বিষয়েও অৱগত হ'লোঁ।
- তদুপৰি অসমীয়া বিশেষণ পদবোৰৰ যে অব্যয়ৰ দৰেই ৰূপ নহয়, ৰূপ হোৱা মাত্ৰে সি বিশেষ্যলৈ ৰূপান্তৰিত হয় সেই কথা হৃদয়ঙ্গম কৰিব পাৰিলোঁ।



১০.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

1] কাকতি, বাণীকান্ত [1996]Ê, *অসমীয়া ভাষাৰ গঠন আৰু বিকাশ;* (হাজৰিকা, বিশ্বেশ্বৰ অনুঃ); ববপেটা ঃ বাণীকান্ত কাকতি জন্ম শতবাৰ্ষিকী উদ্‌যাপন সমিতি (প্ৰথম প্ৰকাশ 1941)।

২) গোস্বামী, উপেন্দ্ৰনাথ [1997]Ê, *অসমীয়া ভাষাৰ ব্যাকৰণ;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

৩) গোস্বামী, উপেন্দ্ৰনাথ (1995); *অসমীয়া ভাষাৰ ৰূপ-কথা;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

4] গোস্বামী, গোলোকচন্দ্ৰ [1999]Ê, *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

5] গোস্বামী, গোলোকচন্দ্ৰ [2003]Ê, *অসমীয়া ব্যাকৰণৰ প্ৰৱেশ;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

6) গোস্বামী, গোলোকচন্দ্র (1996); *অসমীয়া বর্ণপ্রকাশ,* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

7] বৰা, লীলাৱতী শইকীয়া আৰু পাটগিৰি, দীপ্তি ফুকন (2003) (সম্পাঃ); *ভাষা-জিজ্ঞাসা;* গুৱাহাটী ঃ বনলতা।

8] বৰা, সত্যনাথ (1998); *বহল ব্যাকৰণ;* গুৱাহাটী।

9) বৰুৱা, ভীমকান্ত (1997); *অসমীয়া ভাষা;* ডিব্রুগড় ঃ বনলতা।

10] বৰুৱা, হেমচন্দ্র (1998); *অসমীয়া ব্যাকৰণ;* ডিব্রুগড় ঃ ডিব্রুগড় বিশ্ববিদ্যালয়।

11) ভৱালী, দেবানন্দ (1993); *অসমীয়া ভাষাৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

12) মেধি, কালিৱাম (1999); *অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

ইংৰাজী গ্রন্থ ঃ

১৩) Dutta Baruah, P. N. (1978). *A Comparative Analysis of the Morphological Aspects of Assamese and Oriya (Ph.D. Thesis).* Guwahati: Gauhati University.

১৪) Kakati, B. (2007).*Assamese : Its Formation and Development.* Guwahati: Lawyers Book Stall.

১০.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ দুটা (1) বিশেষ্য আৰু (2] সর্বনাম।

২ নং প্রশ্নৰ উত্তৰ ঃ ব্যক্তিবাচক সর্বনামৰ তিনিটা পুৰুষ — প্রথম পুৰুষ,দ্বিতীয় পুৰুষ আৰু তৃতীয় পুৰুষ।

৩ নং প্রশ্নৰ উত্তৰ ঃ মই - মো, তই -তো, আমি - আমা, তুমি - তোমা, আপুনি - আপোনা, ই- ইয়া, সি - তা কি - কা, যি - যা (মুঠ নটা)।

৪ নং প্রশ্নৰ উত্তৰ ঃ অসমীয়া ভাষাত ন- পূর্বসর্গ সংযোগ কৰি সদর্থক ক্রিয়াক নঞৰ্থক কৰা হয়।

৫ নং প্রশ্নৰ উত্তৰ ঃ

ভাল, সৰু, ধুনীয়া	—	নামপদৰ বিশেষণ
খুব, অতি, বৰ	—	বিশেষণীয় বিশেষণ
খৰকৈ, বেগাই, তেনেকৈ	—	ক্রিয়া বিশেষণ।



১০.৭ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

ক) পদ কাক বোলে?

খ) পদ কেইবিধ আৰু কি কি?

গ) বিশেষ্য পদক কেইটা আৰু কি কি ভাগত ভাগ কৰা হয়?

ঘ) ক্ৰিয়াপদ কাক বোলে?

চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ পদৰ শ্ৰেণীবিভাগ কিহৰ কিহৰ ভিত্তিত কৰিব পৰা যায় বুজাই লিখক।

প্ৰশ্ন ২ ঃ বিশেষ্য পদৰ শ্ৰেণী বিভাজন কৰি উদাহৰণ দি একোটাকৈ টোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ৩ঃ বিশেষণ পদ কাক বোলে? ই কেই প্ৰকাৰৰ আৰু কি কি? উদাহৰণসহ আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ চমুটোকা লিখক —

(ক) নামপদ (খ) ক্ৰিয়া বিশেষণ (গ) তদৰ্থক সৰ্বনাম

(ঘ) সম্বন্ধবাচক বিশেষ্য (ঙ) অনুজ্ঞা ক্ৰিয়া (চ) নঞৰ্থক ক্ৰিয়া

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ সৰ্বনাম পদ কেই প্ৰকাৰৰ আৰু কি কি? ইহঁতক কিহৰ ভিত্তিত শ্ৰেণীবিভাগ কৰা হয়? সৰ্বনাম পদৰ তিৰ্যক ৰূপবোৰৰ এখন তালিকা প্ৰস্তুত কৰক।

প্ৰশ্ন ২ ঃ বিশেষণ পদ কাক বোলে? ই কেই প্ৰকাৰৰ আৰু কি কি? উদাহৰণসহ আলোচনা কৰক। লগতে অসমীয়া ভাষাত বিশেষণৰ তাৰতম্য কেনেদৰে দেখুওৱা হয় সেই কথাও বুজাই লিখক।

প্ৰশ্ন ৩ ঃ ক্ৰিয়াপদ কাক বোলে? ইয়াৰ শ্ৰেণী বিভাগ কেনেদৰে কৰা হয়? ক্ৰিয়াৰ কাল কি আৰু কেইটা? অসমীয়া ক্ৰিয়াৰ বিভিন্ন পুৰুষত বিভিন্ন কালত যোগ হোৱা প্ৰত্যয় আৰু বিভক্তিৰ সংযোগ দেখুৱাই এখন তালিকা যুগুত কৰক।

প্ৰশ্ন ৪ ঃ অব্যয় পদ কাক বোলে? ই কেই প্ৰকাৰৰ আৰু কি কি? উদাহৰণ দি বুজাই লিখক।

*** ***** ***

অধ্যায় ১১ ঃ অসমীয়া ভাষাৰ বচন আৰু লিঙ্গ

অধ্যায় গাঁথনি

11.1 উদ্দেশ্য
11.2 পৰিচয়
11.3 অসমীয়া ভাষাৰ বচন
11.4 অসমীয়া ভাষাৰ লিঙ্গ
11.5 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
11.6 অধিক জানিবলৈ
11.7 অগ্রগতিৰ খতিয়ান
11.8 আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- অসমীয়া ভাষাৰ একবচন আৰু বহুবচনৰ গঠন সম্বন্ধে ব্যাখ্যা আগবঢ়াব পাৰিব
- অসমীয়া ভাষাৰ লিঙ্গ-পদ্ধতিৰ আটাইবোৰ দিশ বিশ্লেষণ কৰি দেখুৱাবলৈ সমর্থ হ'ব।

১১.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আমি সামগ্রিকভাৱে ভাষাৰ অসমীয়া ভাষাৰ পদৰ বিষয়ে অধ্যয়ন কৰিলোঁ। এতিয়া এইটো অধ্যায়ত অসমীয়া ভাষাৰ বচন আৰু লিঙ্গ-পদ্ধতিৰ বিশদ আলোচনা দাঙি ধৰিম।

অসমীয়া ভাষাত বচন দুবিধ — একবচন আৰু বহুবচন। বচন নিৰপেক্ষ ৰূপৰ লগত একবচনসূচক ৰূপ সংযোগ কৰি একবচন আৰু বহুবচনসূচক ৰূপ লগ লগাই বহুবচন গঠন কৰা হয়। ইয়াৰ উপৰি কিছুমান বহুত্বাচক গুটীয়া শব্দেৰেও বহুবচন বুজোৱা হয়।

বচনৰ দৰে অসমীয়া ভাষাৰ লিঙ্গও দুই প্রকাৰৰ — পুংলিঙ্গ আৰু স্ত্রীলিঙ্গ। অসমীয়া ভাষাত লিঙ্গ নির্ণয়ৰ কেতবোৰ নির্দিষ্ট নিয়ম আছে। আমাৰ এই অধ্যায়ত অসমীয়া ভাষাৰ বচন আৰু লিঙ্গৰ বিষয়ে বহলভাৱে আলোচনা দাঙি ধৰা হৈছে। অধ্যায়টি অধ্যয়নৰ অন্তত আপুনি উল্লিখিত বিষয়সমূহ অনুধাৱন কৰিবলৈ সক্ষম হ'ব।

১১.৩ অসমীয়া ভাষাৰ বচন

ভাষা বিশেষত বিভিন্ন পদে বুজোৱা সংখ্যা বা পৰিমাণক বচন বোলা হয়। অসমীয়া

ভাষাত বচন দুবিধ — একবচন আৰু বহুবচন। যিবোৰ পদে এটাক বুজায় সি একবচন আৰু একতকৈ অধিক বুজোৱা পদবোৰ বহুবচন। যেনে — মই, তুমি, সি, ৰাম, হৰি, কলমটো, মানুহজন আদি পদে এটাক বুজাইছে; সেইবাবে এইবোৰ একবচনৰ পদ। আনহাতে আমি, তোমালোক, সিহঁত, মানুহবোৰ, কিতাপবিলাক আদি পদে একতকৈ অধিকক বুজাইছে; সেইবাবে এইবোৰ বহুবচনৰ পদ। এই বিষয়ে কিছু কথা ইতিমধ্যে আপুনি এইখন পাঠ্যবিষয়ৰে ৰূপতত্ত্ব বিষয়ে লিখা অধ্যায়টোত অধ্যয়ন কৰি আহিছে।

অসমীয়া ভাষাত ব্যক্তি, প্ৰাণী বা বস্তুৰ সংখ্যা বা পৰিমাণৰ ধাৰণা দিব নোৱাৰা পদৰো ব্যৱহাৰ আছে। তেনে পদক বচন নিৰপেক্ষ পদ বোলা হয়, যেনে — মানুহ, গৰু, ঘৰ ইত্যাদি।

অসমীয়া ভাষাত সাধাৰণতে বিশেষ্য আৰু সর্বনাম পদৰ বচন পোৱা যায়। বিশেষ্য পদ একবচন, বহুবচন আৰু বচন নিৰপেক্ষ — এই তিনিওটা ৰূপত ব্যৱহাৰ হ'ব পাৰে। যেনে —

তালিকা ১১.১ ঃ বিশেষ্য পদৰ বচনৰ ৰূপ

একবচন	**বহুবচন**	**বচন নিৰপেক্ষ**
কলমটো	কলমবোৰ	কলম
মানুহজনû মানুহটো	মানুহবিলাকûমানুহবোৰ	মানুহ
ঘৰটো	ঘৰবোৰ	ঘৰ
কিতাপখন	কিতাপবোৰûকিতাপবিলাক	কিতাপ ইত্যাদি

সর্বনাম পদসমূহ সাধাৰণতে একবচন আৰু বহুবচন — এই দুটা ৰূপত পোৱা যায়। অৱশ্যে ই, এই, সেই, সৌ-ৰ বচন নিৰপেক্ষ ব্যৱহাৰো পোৱা যায়। যেনে —

তালিকা ১১.২ ঃ সর্বনাম পদৰ বচনৰ ৰূপ

একবচন	**বহুবচন**
মই,তই, তুমি, আপুনি	আমি, তহঁত, তোমালোক
সি, তাই, এওঁ, তেওঁ	আপোনালোক û সকল, সিহঁত, এওঁলোক
এখেত, তেখেত, ইটো û খন	তেওঁলোক, এখেতসকল, তেখেতসকল
এইটো, সেইখন, সৌখন	ইবোৰ, এইবোৰ, সেইবোৰ, সৌবোৰ।

কিছুমান বিশেষণ পদক বিশেষ্য হিচাপে ব্যৱহাৰ কৰিব পৰি। তেতিয়া বিশেষণ পদত বচনবাচক উপাদান যোগ হৈ সেইবোৰ বিশেষ্য হৈ পৰে । যেনে —

তালিকা ১১.৩ ঃ বিশেষণ পদৰ বচনৰ ৰূপ

বিশেষণ	**একবচন**	**বহুবচন**
ভাল	ভালটো	ভালবোৰ
পুৰণি	পুৰণিখন	পুৰণিবোৰ।

-হঁক যোগত ক্রিয়াপদৰ বহুবচন হয়। যেনে —

তালিকা ১১.৪ ঃ '-হঁক' যোগত হোৱা ক্রিয়াপদৰ বহুবচনৰ ৰূপ

ক্রিয়াপদ	বহুবচন
যাওঁ	যাওঁহঁক
আহা	আহাহঁক
ব'লা	ব'লাহঁক ইত্যাদি।

- **একবচন ঃ** অসমীয়া ভাষাত একবচন বুজাবলৈ বচন নিৰপেক্ষ ৰূপৰ পিছত কেইটামান শ্রেণী নির্দেশক সংযোগ কৰা হয়। এইবোৰক একবচনসূচক উপশব্দ আখ্যা দিব পাৰি। এনে উপশব্দবোৰে একবচনৰ ধাৰণা দিয়াৰ লগে লগে নির্দিষ্টতাও বুজায়। ইয়াৰে কেইটামানে আকৌ লিঙ্গৰ ধাৰণাও দিয়ে। তদুপৰি আকাৰ, ক্ষুদ্রতা, মান্যতা, তুচ্চতাৰ ধাৰণা দিয়াটোও এই উপশব্দবোৰৰ অন্যতম বৈশিষ্ট্য। তলত তাৰ কেইটামান উদাহৰণ দাঙি ধৰা হ'ল —
  - ➢ *- টো ঃ* ঘৰটো, গাটো, নাকটো, মাতটো, স্বভাৱটো, হাতটো, মাখিটো, ডাঙৰটো, অহাটো, যোৱাটো ইত্যাদি।
  - ➢ *- খন ঃ* মুখখন, হাতখন, হিয়াখন, কাঁহিখন, চকীখন, কাপোৰখন, জিলাখন, চহৰখন, চাইকেলখন, গাড়ীখন, ঘৰখন, আঁচনিখন, ইখন, সিখন, বেয়াখন, নীলাখন, ফটাখন, যোৱাখন ইত্যাদি।
  - ➢ *- ডাল ঃ* বাঁহডাল, পেঞ্চিলডাল, মাৰিডাল ইত্যাদি। তুচ্ছ ভাব বা গালি বুজাবলৈকো - ডাল যোগ দিয়া হয়, যেনে — মানুহডাল।
  - ➢ *-পাট ঃ* দীঘল আৰু চেপেটা বস্তু বুজাবলৈ ব্যৱহাৰ হয়। যেনে— কাঁড়পাট, ব'ঠাপাট। নামবাচক বিশেষ্য আৰু কেইটামান তদর্থক সর্বনামৰ সৈতে যোগ হ'লে তুচ্ছ ভাব বা গালি বুজায়। যেনে — মানুহপাট, ল'ৰাপাট, এইপাট, সেইপাট ইত্যাদি।
  - ➢ *-চটা ঃ* পাট চটা, খৰিচটা, কামিচটা ইত্যাদি।
  - ➢ *-টুকুৰা ঃ* বাঁহটুকুৰা, কাঠটুকুৰা ইত্যাদি।
  - ➢ *-খতুৰা ঃ* মাছখুতুৰা, মাংসখুতুৰা।
  - ➢ *-ডোখৰ ঃ* কাঠডোখৰ, মাছডোখৰ।
  - ➢ *-খিলা ঃ* কাগজখিলা, পানখিলা।

  এইবোৰৰ উপৰি -সাজ (ভাতসাজ), -ধাৰ (মণিধাৰ), -পদ (গহনাপদ), -ষাৰ (মাতষাৰ), -গছ্ঠ-গছি (শলিতাগছ, বস্তিগছি, -জন (মানুহজন, শিক্ষকজন, ইজন, সিজন, কোনজন), -জনা (গোসাঁইজনা, ৰজাজনা, ইজনা, সিজনা), -গৰাকী (সম্রাটগৰাকী, মানুহগৰাকী, ইগৰাকী, সিগৰাকী), -জনী (মানুহজনী, ইজনী, কোনজনী) আদি উপশব্দৰ সংযোগৰ সহায়ত একবচনৰ ৰূপ গঠন কৰা হয়।
- **বহুবচন ঃ** এটাতকৈ অধিক বুজোৱাকে বহুবচন বুলি কোৱা হয়। অসমীয়া ভাষাত বহুবচনৰ

অর্থ প্রকাশ কৰিবলৈ তলত উল্লেখ কৰা উপায়কেইটা অৱলম্বন কৰা হয়—

- বহুত্বৰাচক স্বতন্ত্র পদৰ প্রয়োগৰ দ্বাৰা
- শব্দৰ দ্বিৰুক্তি কৰি
- প্রত্যয় সংযোগ কৰি

- *বহুত্বৰাচক স্বতন্ত্র পদৰ প্রয়োগৰ দ্বাৰা ঃ* অসমীয়া ভাষাত বহুত, ঢেৰ, অসংখ্য, একাধিক, অগণন, অজস্র আদি বহুত্ববোধক বিশেষণ পদ বিশেষ্যৰ আগত বা পিছত বহুৱাই বহুবচনৰ ধাৰণা দিয়া হয়। যেনে — বহুত মানুহ, অসংখ্য লোক, মানুহ ঢেৰ হ'ব বুলি ভাবিছিলোঁ, ইত্যাদি। এনে পদে কেতিয়াবা স্বতন্ত্রভাৱেও অর্থ বুজাব পাৰে। যেনে— বহুত আহিছে, অজস্র পাইছোঁ ইত্যাদি। মন কৰিবলগীয়া যে এনে ক্ষেত্রত বিশেষ্য পদত বহুবচনত বিভক্তি যোগ কৰাৰ প্রয়োজন নাই।
- *শব্দৰ দ্বিৰুক্তি কৰি ঃ* শব্দৰ দ্বিৰুক্তিৰ সহায়তো, অর্থাৎ একেটা পদকে দুবাৰ ব্যৱহাৰ কৰিও অসমীয়াত বহুবচন বুজোৱা হয়। যেনে — বৰ বৰ মানুহ, সৰু সৰু ঘৰ, ঘৰে ঘৰে, গছে গছে, কোন কোন ইত্যাদি। এনে ক্ষেত্রতো বিশেষ্য পদত বহুবচনৰ বিভক্তি যোগ কৰাৰ প্রয়োজন নাই।
- *প্রত্যয় সংযোগ কৰি ঃ* অসমীয়া ভাষাত কেইটামান প্রত্যয়ৰ সংযোগৰ জৰিয়তেও বহুবচন প্রকাশ কৰা হয়। সেইবোৰৰ বিষয়ে তলত এটি বিৱৰণ দাঙি ধৰা হ'ল —
  - বোৰ ঃ বিশেষ্য, সর্বনাম আৰু বিশেষণ শব্দত -বোৰ প্রত্যয় যোগ দি বহুবচন কৰা হয়। যেনে —

    বিশেষ্য পদত ঃ গৰুবোৰ, গাঁওবোৰ, পুখুৰীবোৰ, চিন্তাবোৰ, কথাবোৰ ইত্যাদি।

    সর্বনাম পদত ঃ ইবোৰ, সিবোৰ, যিবোৰ, এইবোৰ, সেইবোৰ, সৌবোৰ ইত্যাদি।

    বিশেষণ পদত ঃ ভালবোৰ, বেয়াবোৰ ইত্যাদি।

    কৃদন্ত পদত ঃ অহাবোৰ, যোৱাবোৰ, থকাবোৰ ইত্যাদি।

    ব্যক্তিবাচক পদত -বোৰ সংযোগ হ'লে সামান্য বা তুচ্ছার্থৰ ভাব প্রকাশ পায়। যেনে— মানুহবোৰ, ল'ৰা-ছোৱালীবোৰ, সৈন্যবোৰ ইত্যাদি।
  - -বিলাক ঃ -বোৰ আৰু -বিলাক বিকল্পে ব্যৱহাৰ হয়। যেনে — মানুহবোৰ⇆ মানুহবিলাক। অৱশ্যে -বিলাক কিছু পৰিমাণে মান্যার্থসূচক। ব্যক্তিবাচক সর্বনামৰ প্রথম আৰু তৃতীয় পুৰুষ বহুবচনত -বিলাক যোগ হ'লেও (যেনে — আমিবিলাক, তেওঁবিলাক) দ্বিতীয় পুৰুষত ইয়াৰ প্রয়োগ পাবলৈ নাই।
  - -হঁত ঃ কোনো ব্যৱসায়, জাতি বা দলৰ ভাব প্রকাশ কৰিবলৈ -হঁত প্রয়োগ কৰা হয়। যেনে— কুমাৰহঁত, বণিয়াহঁত ইত্যাদি। ব্যক্তিবাচক বিশেষ্য, সম্বন্ধবাচক বিশেষ্য আৰু ব্যক্তিবাচক সর্বনামৰ পিছত -হঁত প্রয়োগ কৰিলে আত্মীয়তা তথা আদৰৰ ভাব প্রকাশ পায়। যেনে — ল'ৰাহঁত, বোপাহঁত , আইহঁত, দেউতাহঁত, মাহঁত, ইহঁত, সিহঁত, ইত্যাদি। জীৱ জন্তু সূচক শব্দত -হঁত যোগ দিলে গালি বুজায়।

যেনে— গৰুহঁত, কুকুৰহঁত, গাধহঁত, শিয়ালহঁত ইত্যাদি।

- -লোক ঃ সাধাৰণতে মান্যার্থক সর্বনামৰ লগত -লোক যোগ হয়। যেনে — তুমি-তোমালোক, আপুনি - আপোনালোক, এওঁ - এওঁলোক, তেওঁ - তেওঁলোক ইত্যাদি। কেতিয়াবা বিশেষ্যৰ পিছত বিশেষকৈ ব্যঙ্গ ভাবত -লোকৰ প্রয়োগ হোৱা দেখা যায়। যেনে — চাহাবলোক
- সকল ঃ বিশেষ্য আৰু সর্বনামৰ পিছত সন্মানার্থত -সকল প্রয়োগ হয়। যেনে — দেউতাসকল, ছাত্রবন্ধুসকল, ডা-ডাঙৰীয়াসকল, আপোনাসকল, এখেতসকল ইত্যাদি।
- মখা ঃ সামূহিকভাৱে হীনার্থত আৰু কেতিয়াবা গালি বুজাবলৈ -মখা প্রত্যয় প্রয়োগ কৰা হয়। যেনে— ল'ৰামখা, গাধমখা ইত্যাদি।
- সোপা ঃ সামূহিকভাৱে হীনার্থত আৰু ব্যঙ্গভাবত -সোপা ব্যৱহাৰ হয়। যেনে — মেডেলসোপা, এসোপা বস্তু ইত্যাদি।

এই প্রত্যয়কেইটাৰ উপৰি -সমূহ (ৰাজ্যসমূহ), -বৃন্দ (ছাত্রবৃন্দ,সুধীবৃন্দ), -বর্গ (বন্ধুবর্গ, শ্রোতাবর্গ), -মণ্ডলী (শিক্ষকমণ্ডলী), -গণ (জনগণ), -পুঞ্জ (দ্বীপপুঞ্জ, নিহাৰিকাপুঞ্জ), -ৰাজি (তাৰকাৰাজি, গ্রন্থৰাজি, ৰচনাৰাজি), -ৰাশি (ধনৰাশি), -মালা (পর্বতমালা), -জাক (ল'ৰাজাক, গৰুজাক), -গুচ্ছ (গল্পগুচ্ছ, শব্দগুচ্ছ) আদি প্রত্যয়ৰ সংযোগতো বহুবচনৰ পদ গঠন কৰা হয়। অৱশ্যে এইবোৰৰ প্রয়োগ কিছু সীমিত।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃবচন নিৰপেক্ষ ৰূপ মানে কি?

.....

প্রশ্ন নং ২ ঃ অসমীয়া ভাষাত সাধাৰণতে বচন কেইটা আৰু কি কি?

.....

প্রশ্ন নং ৩ ঃ বিশেষণ পদৰ বহুবচন কৰিব পাৰি নে?

.....

প্রশ্ন নং ৪ ঃ একবচনসূচক 5টা প্রত্যয়ৰ ব্যৱহাৰ দেখুৱাওক।

.....

প্রশ্ন নং ৫ ঃ বহুবচনবাচক 5টা প্রত্যয় সংযোগ কৰি দেখুৱাওক।

.....

১১.৪ অসমীয়া ভাষাৰ লিঙ্গ

ভাষাৰ আলোচনাত পুৰুষ-স্ত্রী নাইবা মতা-মাইকীৰ ধাৰণা দিব পৰা ৰূপক লিঙ্গ বোলা

হয়, যেনে — ল'ৰা-ছোৱালী, মুনিহ-তিৰোতা, মানুহজন, মানুহজনী, ফুকন, ফুকননী ইত্যাদি। অসমীয়া ভাষাত কেৱল প্ৰাণীবাচক ৰূপবোৰৰহে লিঙ্গভেদ কৰা হয়। এই অনুসাৰে অসমীয়াত লিঙ্গ দুই প্ৰকাৰৰ — পুংলিঙ্গ আৰু স্ত্ৰীলিঙ্গ। পুৰুষ বা মতাক বুজোৱা ৰূপবোৰ পুংলিঙ্গ, যেনে— ককা, দেউতা, গোসাঁই, ভাই, দৰা, ডেকা, মুনিহ ইত্যাদি। সেইদৰে স্ত্ৰী বা মাইকীক বুজোৱা ৰূপবোৰ স্ত্ৰীলিঙ্গ, যেনে — আইতা, মা, গোসাঁনী, ভনী, কইনা, গাভৰু, তিৰোতা ইত্যাদি। এই বিষয়েও কিছু কথা ইতিমধ্যে আপুনি অধ্যয়ন কৰি আহিছে।

অসমীয়া ভাষাত এনে কিছুমান প্ৰাণীবাচক ৰূপ আছে যিবোৰে স্বাধীনভাৱে পুৰুষ-স্ত্ৰীৰ ধাৰণা দিব নোৱাৰে। এনে ৰূপক লিঙ্গ নিৰপেক্ষ ৰূপ বোলা হয়, যেনে — মানুহ, গৰু, কুকুৰ, মেকুৰী ইত্যাদি। পৰম্পৰাগত ব্যাকৰণবোৰত এনে ৰূপকে উভয় লিঙ্গ বোলা হৈছে। মন কৰিবলগীয়া যে অসমীয়া ভাষাত লিঙ্গ স্বাভাৱিক আৰু অৰ্থগত। স্বাভাৱিক লিঙ্গভেদ হোৱা প্ৰাণীবাচক শব্দবোৰৰ কিছুমানৰ অসমীয়া ভাষাত তিনিটাকৈ ৰূপ পোৱা যায় — পুংলিঙ্গ, স্ত্ৰীলিঙ্গ আৰু লিঙ্গ নিৰপেক্ষ ৰূপ।

অসমীয়া ভাষাত নিৰ্জীৱ বস্তুৰ কোনো লিঙ্গভেদ কৰা নহয়। এইবোৰ সদায় লিঙ্গবিহীন হিচাপে প্ৰয়োগ হয়। পৰম্পৰাগত ব্যাকৰণত এনে ৰূপবোৰক ক্লীৱলিঙ্গ আখ্যা দিয়া হৈছে। কিন্তু স্বাভাৱিক আৰু অৰ্থগত লিঙ্গৰ ক্ষেত্ৰত ক্লীৱলিঙ্গৰ ধাৰণা অনাৱশ্যক হোৱা হেতুকে এইবোৰ ৰূপক লিঙ্গহীন বোলা সমীচীন। অসমীয়া ভাষাৰ কাগজ, কলম, কিতাপ, বহী, ঘৰ, চকী মেজ, কাপোৰ আদি তেনে জাতীয় শব্দ।

অসমীয়া ভাষাত চাৰিটা উপায়েৰে লিঙ্গভেদ কৰা হয় —

- লিঙ্গ নিৰপেক্ষ ৰূপৰ আগত মতা আৰু মাইকী শব্দ বহুৱাই
- লিঙ্গ নিৰপেক্ষ ৰূপৰ পিছত পুৰুষ বা স্ত্ৰীসূচক শ্ৰেণী নিৰ্দেশক লগ লগাই
- পুৰুষ আৰু স্ত্ৰী বুজোৱা ভিন্ ভিন্ শব্দ ব্যৱহাৰ কৰি
- স্ত্ৰীলিঙ্গসূচক প্ৰত্যয় সংযোগ কৰি ।

- **লিঙ্গ নিৰপেক্ষ ৰূপৰ আগত মতা আৰু মাইকী শব্দ বহুৱাই ঃ** লিঙ্গ নিৰপেক্ষ ৰূপৰ আগত মতা আৰু মাইকী শব্দ ব্যৱহাৰ কৰি লিঙ্গভেদ কৰিব পাৰি, যেনে —

তালিকা ১১.৫ ঃ লিঙ্গ নিৰপেক্ষ ৰূপৰ আগত মতা আৰু মাইকী শব্দ ব্যৱহাৰ কৰি কৰা লিঙ্গভেদ

পুংলিঙ্গ	লিঙ্গ নিৰপেক্ষ ৰূপ	স্ত্ৰীলিঙ্গ
মতা মানুহ	মানুহ	মাইকী মানুহ
মতা গাহৰি	গাহৰি	মাইকী গাহৰি
মতা ম'হ	ম'হ	মাইকী ম'হ ইত্যাদি।

- **লিঙ্গ নিৰপেক্ষ ৰূপৰ পিছত পুৰুষ বা স্ত্ৰীসূচক শ্ৰেণী নিৰ্দেশক লগ লগাই ঃ** অসমীয়া ভাষাত লিঙ্গ নিৰপেক্ষ ৰূপৰ পিছত পুৰুষ আৰু স্ত্ৰীবাচক কেতবোৰ প্ৰত্যয় ব্যৱহাৰ কৰিও লিঙ্গ ভেদ কৰা হয়, যেনে —

তালিকা ১১.৬ ঃ লিঙ্গ নিৰপেক্ষ ৰূপৰ পিছত পুৰুষ বা স্ত্রীসূচক শ্রেণী নির্দেশক লগ লগাই কৰা লিঙ্গভেদ

পুংলিঙ্গ	লিঙ্গ নিৰপেক্ষ ৰূপ	স্ত্রীলিঙ্গ
গৰুটো	গৰু	গৰুজনী
কুকুৰটো	কুকুৰ	কুকুৰজনী
ম'হটো	ম'হ	ম'হজনী
মানুহটো/জন	মানুহ	মানুহজনী ইত্যাদি।

- **পুৰুষ আৰু স্ত্রী বুজোৱা ভিন্ ভিন্ শব্দ ব্যৱহাৰ কৰি ঃ**পুৰুষ আৰু স্ত্রীবাচক সুকীয়া সুকীয়া শব্দৰ ব্যৱহাৰৰ দ্বাৰাও অসমীয়াত লিঙ্গভেদ কৰা হয়। তলত তাৰ এখন তালিকা দিয়া হ'ল—

তালিকা ১১.৭ ঃ পুৰুষ আৰু স্ত্রী বুজোৱা ভিন্ ভিন্ শব্দ ব্যৱহাৰ কৰি কৰা লিঙ্গভেদ

পুংলিঙ্গ	স্ত্রীলিঙ্গ
ককা	আইতা
দেউতা	মা, আই
জোঁৱাই	জী
তাৰৈ	আমৈ
ডেকা	গাভৰু
দৰা	কইনা
ভাই	ভনী, ভাইবোৱাৰী
দমৰা	কাঢ়লী, চেঁউৰী
পুৰুষ	স্ত্রী, মহিলা
বলধ	গাই
গোঁহাই, গগৈ	আইচু
পৈ	ঘৈণী
শহুৰ	শাহু
দঁতাল	মাখুন্দী
শৰ	ভেলেঙী

- **স্ত্রীলিঙ্গসূচক প্রত্যয় সংযোগ কৰি ঃ** অসমীয়া ভাষাৰ স্ত্রীলিঙ্গ সূচক প্রত্যয়ৰ সংযোগেৰে লিঙ্গভেদ কৰাৰ নিয়মটোৰেই সর্বাধিক প্রচলিত। এনে স্ত্রী প্রত্যয়ৰ একাধিক উপৰূপৰ ব্যৱহাৰ অসমীয়াত পোৱা যায়, যেনে ঃ -ঈ, -নী, -অনী, -ইনী, -উনী, -ৰী, -অৰী, -উৰী আৰু -এৰী। তলত উদাহৰণসহ সিবোৰৰ প্রয়োগ দেখুওৱা হ'ল —
  - ➢ *-ঈ ঃ* কিছুমান পুংলিঙ্গবাচক, লিঙ্গ নিৰপেক্ষ ৰূপ বা লিঙ্গহীন ৰূপৰ পিছত -ঈ লগ লাগে, যেনে—

তালিকা ১১.৮ ঃ -ঈ লগলগাই কৰা লিঙ্গভেদ

পুংলিঙ্গ বাচক ৰূপ	**স্ত্রীলিঙ্গ**
বামুণ	বামুণী
গোপ	গোপী
লিঙ্গনিৰপেক্ষ	**স্ত্রীলিঙ্গ**
মানৰ	মানৰী
শিয়াল	শিয়ালী
বান্দৰ	বান্দৰী
লিঙ্গহীন ৰূপ	**স্ত্রীলিঙ্গ**
পদুম	পদুমী
গোলাপ	গোলাপী ইত্যাদি।

কিছুমান ৰূপৰ পিছত -ঈ লগ লাগিলে মূল ৰূপটোৰ ৰূপধ্বনিগত পৰিৱৰ্তন হয়, যেনে—

তালিকা ১১.৯ ঃ -ঈ লগলগাই লিঙ্গভেদ কৰিলে হোৱা ৰূপধ্বনিগত পৰিৱৰ্তন

পুংলিঙ্গ	**স্ত্রীলিঙ্গ**
বুঢ়া	বুঢ়ী
বেঙা	বেঙী
খুৰা	খুৰী
মহা	মাহী
পেহা	পেহী
ঘোঁৰা	ঘুঁৰী
অজলা	আজলী
কজলা	কাজলী
অকৰা	আকৰী ইত্যাদি।

ওপৰৰ উদাহৰণ কেইটাৰ 'মহা' আৰু 'পেহা' পুংলিঙ্গবাচক শব্দ দুটা পশ্চগঠন (Back formation)ৰ প্রক্রিয়াৰে সৃষ্টি হৈছে। কাৰণ 'মাহী' আৰু 'পেহী'ৰ বিয়া হ'লেহে যথাক্রমে 'মহা' আৰু 'পেহা' সম্বন্ধৰ উদ্ভৱ হয়। অৱশ্যে এই প্রক্রিয়া প্রাচীন ভাৰতীয় আর্যভাষা স্তৰতে সাধিত হৈছিল বুলি ধাৰণা কৰিব পাৰি; সংস্কৃতত— মাউসা ঃ মাউসী, পিউসা ঃ পিউসী ৰূপ আছিল। তাৰ পৰাই অসমীয়াত মহা ঃ মাহী, পেহা ঃ পেহী ওলাইছে। এইখিনিতে আন এটা কথাও মন কৰিবলগীয়া যে অসমীয়া ভাষাৰ সৰহ সংখ্যক পুংলিঙ্গ বাচক ৰূপ -আ-কাৰান্ত। এনে বৈশিষ্ট্যলৈ লক্ষ্য কৰি ড^{0} গোলোকচন্দ্র গোস্বামীয়ে পুংলিঙ্গবাচক -আ প্রত্যয়ৰ সংযোগ দেখুৱাই অসমীয়া লিঙ্গৰ গঠন-পদ্ধতি বিশ্লেষণ কৰি দেখুৱাইছে, যেনে—

তালিকা ১১.১০ ঃ -আ প্রত্যয়ৰ সংযোগত সৃষ্টি হোৱা লিঙ্গ

পুংলিঙ্গ	**মূলৰূপ**	**স্ত্রীলিঙ্গ**
ফাগুনা	ফাগুন	ফাগুনী
আঘোণা	আঘোণ	আঘোণী
শাওণা	শাওণ	শাওণী
কজলা	কাজল	কাজলী

অৱশ্যে এনেদৰে বিশ্লেষণ কৰিলে মূল ৰূপ নির্ণয়ৰ ক্ষেত্রত প্রায়ে নিৰর্থক বদ্ধৰূপৰ কল্পনা কৰি ল'বলগীয়া হয়। উদাহৰণ হিচাপে তলৰ ৰূপবোৰলৈ আঙুলিয়াব পাৰি —

তালিকা ১১.১১ ঃ নিৰর্থক বদ্ধৰূপৰ কল্পনা

পুংলিঙ্গ	**মূলৰূপ**	**স্ত্রীলিঙ্গ**
বগা	* বগ্	বগী
ক'লা	* ক'ল্	ক'লী
অজলা	* আজল্	আজলী
মহা	* মাহ্	মাহী
পেহা	* পেহ্	পেহী

জানি থোৱা ভাল



নিৰর্থক বদ্ধৰূপৰ কল্পনা কৰিলে তাৰ আগত * চিহ্ন দিয়াৰ নিয়ম বাবে ওপৰত তেনেদৰে উল্লেখ কৰা হৈছে।

অসমীয়া ভাষাৰ লিঙ্গ পদ্ধতি সামগ্রিক বিচাৰত সংস্কৃত, হিন্দী আদি ভাষাৰ দৰে ব্যাকৰণগত নহয়। প্রাণী, নির্জীৱ পদার্থ, পুৰুষ, স্ত্রী আদি ধাৰণাৰ সৈতে সম্পর্ক নৰখাকৈ কৰা লিঙ্গভেদক ব্যাকৰণগত লিঙ্গ বোলা হয়। সংস্কৃতত 'দাৰ' শব্দই স্ত্রী বুজালেও ই পুংলিঙ্গ বাচক ৰূপ। সেইদৰে 'কলত্র' শব্দৰ অর্থও স্ত্রী। কিন্তু লিঙ্গৰ বিচাৰত ই ক্লীৱলিঙ্গ হে। আকৌ সংস্কৃতত বিশেষ্য পদৰ যি লিঙ্গ তাৰ সৈতে সম্পর্কিত বিশেষণ পদৰো একেই লিঙ্গ হয়, যেনে — সুন্দৰঃ বালিকা, কিন্তু সুন্দৰী বালিকা। অসমীয়া ভাষাতো কেইটামান বিশেষ্য শব্দৰ বিশেষণ পদেও বিশেষ্য পদটোৰ লিঙ্গ গ্রহণ কৰাৰ নিয়ম প্রচলিত, যেনে— ৰূপহ কোঁৱৰ-ৰূপহী কুঁৱৰী, অজলা ককাই-আজলী নবৌ, ৰঙা বলধ- ৰাঙী গাই ইত্যাদি। এনে দুই এটা ব্যতিক্রমৰ বাহিৰে অসমীয়া লিঙ্গ স্বাভাৱিক আৰু অর্থগত।

➢ *-অনী ঃ* সাধাৰণতে ব্যঞ্জনান্ত আৰু অ, আ- ভিন্ন অন্য স্বৰান্ত শব্দত -অনী যোগ হয়। যেনে —

তালিকা ১১.১২ ঃ -অনী লগ লগাই কৰা লিঙ্গভেদ

পুংলিঙ্গ	স্ত্রীলিঙ্গ
বামুণ	বামুণনী
কমাৰ	কমাৰণী
নাপিত	নাপিতনী
ভকত	ভকতনী
ফুকন	ফুকননী
মাষ্টৰ	মাষ্টৰণী

মন কৰিবলগীয়া যে ধাৰ কৰা শব্দবোৰ এই নিয়মেৰে স্ত্রীলিঙ্গৰ পদ গঠন কৰা হয়।

অ, আ-ৰ বাহিৰে অন্য স্বৰান্ত শব্দৰ পিছত -অনী যোগ হ'লে মাজত য় বা ৱ-ৰ আগম ঘটে। যেনে—

তালিকা ১১.১৩ ঃ য় বা ৱ-ৰ আগম

পুংলিঙ্গ	স্ত্রীলিঙ্গ
গগৈ	গগৈয়নী
বাবু	বাবুৱনী

➢ - *ইনী ঃ* কেতবোৰ ব্যঞ্জনান্ত আৰু অ বা আকাৰান্ত শব্দৰ পিছত -ইনী যোগ হয় । যেনে—

তালিকা ১১.১৪ ঃ -ইনী লগ লগাই কৰা লিঙ্গভেদ

পুংলিঙ্গ	স্ত্রীলিঙ্গ
পিশাচ	পিশাচিনী
বাঘ	বাঘিনী
বেজ	বেজিনী
ৰাক্ষস	ৰাক্ষসিনী
গোপ	গোপিনী
সিংহ	সিংহিনী
মিতা	মিতিনী

➢ *-উনী ঃ* পুংলিঙ্গসূচক আৰু লিঙ্গ নিৰপেক্ষ ৰূপৰ আদি অক্ষৰত উ বা ও স্বৰ থাকিলে -উনী প্রত্যয় যোগ হয় আৰু ৰূপ-ধ্বন্যাত্মক পৰিৱর্তন যোগে আদিৰ 'ও'-ধ্বনি 'উ'-লৈ পৰিৱর্তিত হয়। যেনে —

তালিকা ১১.১৫ ঃ -উনী প্রত্যয় যোগ হৈ সৃষ্টি হোৱা লিঙ্গভেদ

পুংলিঙ্গ	স্ত্রীলিঙ্গ
চোৰ	চুৰুণী
ধোবা	ধুবুনী

ভূত ভূতুনী

- *-নী ঃ*পুংলিঙ্গবাচক -অ আৰু -আ কাৰন্ত স্বৰান্ত শব্দৰ পিছত -নী যোগ হয়। নাতি আৰু গৰাকী শব্দ ব্যতিক্রমধর্মী; ইহঁতৰ লগতো -নী যোগ হয়। যেনে —

তালিকা ১১.১৬ ঃ -নী লগ লগাই কৰা লিঙ্গভেদ

পুংলিঙ্গ	**স্ত্রীলিঙ্গ**
বৰুৱা	বৰুৱানী
চলিহা	চলিহানী
শইকীয়া	শইকীয়ানী
গৃহস্থ	গৃহস্থনী
নাতি	নাতিনী

- *-এৰী,-অৰী,-উৰী,-ৰী ঃ* অসমীয়া ভাষাত -এৰী, -অৰী, - উৰী, -ৰী এই প্রত্যয়কেইটাৰ সংযোগ মাত্র কেইটামান শব্দতহে পোৱা যায়। এনে ক্ষেত্রত মূল ৰূপৰ কিছু ৰূপ ধ্বন্যাত্মক পৰিৱর্তন হয়। তলত সিবোৰৰ উদাহৰণ দাঙি ধৰা হ'ল —

তালিকা ১১.১৭ ঃ এৰী,-অৰী,-আৰী,-উৰী,-ৰী লগ লগাই কৰা লিঙ্গভেদ

	পুংলিঙ্গ	**স্ত্রীলিঙ্গ**
-এৰী ঃ	ডেকা	ডেকেৰী
-অৰী ঃ	কলা	কালৰী
-উৰী ঃ	বেঙা	বেঙুৰী
-ৰী ঃ	ভঙুৰা	ভাঙুৰী

- *সংস্কৃত মূলীয় স্ত্রী প্রত্যয় ঃ* অসমীয়া ভাষা সংস্কৃত মূলীয় হোৱা হেতুকে আৰু সংস্কৃতৰ পৰা পোনে পোনে অহা ভালেমান শব্দ অসমীয়াত ব্যৱহাৰ হৈ থকা হেতুকে সংস্কৃতৰ পৰা অহা স্ত্রীবাচক প্রত্যয় -আ, -ইকা, -ঈ আৰু -আনী-ৰ প্রয়োগৰ বিষয়েও কিছু আলোচনা কৰা আৱশ্যক। তলত সেই বিষয়ে চমু আভাস এটি দাঙি ধৰা হ'ল—
  - আ ঃ -আ প্রত্যয় বিশেষ্য আৰু বিশেষণ উভয়ৰে স্ত্রীলিঙ্গত ৰূপ দিবলৈ ব্যৱহাৰ কৰা হয়। যেনে —

তালিকা ১১.১৮ ঃ -আ প্রত্যয় লগ লগাই কৰা লিঙ্গভেদ

বিশেষ্য শব্দত ঃ	**পুংলিঙ্গ**	**স্ত্রীলিঙ্গ**
	বৃদ্ধ	বৃদ্ধা
	মহাশয়	মহাশয়া
	মহোদয়	মহোদয়া
বিশেষণ শব্দত ঃ	**পুংলিঙ্গ**	**স্ত্রীলিঙ্গ**
	সৰল	সৰলা
	সবল	সবলা

বিনীত	বিনীতা
আধুনিক	আধুনিকা
প্ৰথম	প্ৰথমা
দ্বিতীয়	দ্বিতীয়া

❍ -ইকা প্ৰত্যয়ৰ ব্যৱহাৰো অসমীয়াত লক্ষ্য কৰা যায়। যেনে-

তালিকা ১১.১৯ ঃ -ইকা প্ৰত্যয় লগ লগাই কৰা লিঙ্গভেদ

পুংলিঙ্গ	**স্ত্ৰীলিঙ্গ**
বালক	বালিকা
সম্পাদক	সম্পাদিকা
পৰিচালক	পৰিচালিকা
সেৱক	সেৱিকা
লেখক	লেখিকা

তালিকা ১১.২০ ঃ -ঈ প্ৰত্যয় লগ লগাই কৰা লিঙ্গভেদ

❍ -ঈ ঃ

পুংলিঙ্গ	**স্ত্ৰীলিঙ্গ**
সুন্দৰ	সুন্দৰী
তৰুণ	তৰুণী
ঈশ্বৰ	ঈশ্বৰী

সংস্কৃতৰ -ঈয়স প্ৰত্যয়ান্ত শব্দত (পুংলিঙ্গত -ঈয়ান্) স্ত্ৰীলিঙ্গত -ঈ যুক্ত হ'লে -ঈয়সী হয়। যেনে —

তালিকা ১১.২১ ঃ -ঈয়স প্ৰত্যয় লগ লগাই কৰা লিঙ্গভেদ

পুংলিঙ্গ	**মূলৰূপ**	**স্ত্ৰীলিঙ্গ**
গৰীয়স্	গৰীয়ান্	গৰীয়সী
মহীয়স্	মহীয়ান্	মহীয়সী

তালিকা ১১.২২ ঃ -অনী প্ৰত্যয় লগ লগাই কৰা লিঙ্গভেদ

❍ -আনী ঃ

পুংলিঙ্গ	**স্ত্ৰীলিঙ্গ**
ইন্দ্ৰ	ইন্দ্ৰানী
ভৱ	ভৱানী
মাতুল	মাতুলানী

অসমীয়া ভাষাত কেইটামান পুংলিঙ্গবাচক শব্দ পোৱা যায়, যাৰ স্ত্ৰীবাচক ৰূপ নাই। যেনে — বৰলা, ডঙুৰা। সেইদৰে পুংলিঙ্গৰ ৰূপ নথকা স্ত্ৰীবাচক ৰূপ কেইটামানৰ ব্যৱহাৰো লক্ষ্য কৰা যায়। যেনে — লাহৰী, লাহতী, লচপচী, ৰচকী, নামতী, ফুলতী, পোহাৰী, শিপিনী, দাৱনী, ৰাংঢালী, আয়তী, ধাই, বোৱনী ইত্যাদি।

সখী, ৰান্ধনী, শিপিনী আদি শব্দক হ্ৰস্ব ইকাৰান্ত ৰূপ দি পুংলিঙ্গবাচক ৰূপ

গঠন কৰাৰ নিয়মো অসমীয়া পৰম্পৰাগত ব্যাকৰণত সন্নিৱিষ্ট হৈছে। অসমীয়াত হ্রস্ব-দীৰ্ঘৰ ভেদ নাই কাৰণে সাম্প্রতিক যুগৰ লেখক আৰু বক্তাই এই নিয়ম মানি চলা দেখা নাযায়। আকৌ কবি, সাহিত্যিক, খেলুৰৈ, মন্ত্রী আদি শব্দক স্ত্রীলিঙ্গ কৰিবলৈ সাম্প্রতিক কালত এই শব্দবোৰৰ আগত 'মহিলা' শব্দ ব্যৱহাৰ কৰাৰ নিয়মো প্রচলিত হৈছে। যেনে — মহিলা কবি, মহিলা খেলুৰৈ, মহিলা মন্ত্রী ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ অসমীয়া ভাষাত কেই প্রকাৰৰ আৰু কি কি লিঙ্গ পোৱা যায়?

.....

.....

প্রশ্ন নং ৭ ঃ অসমীয়া ভাষাত লিঙ্গভেদ কৰাৰ উপায় কি কি?

.....

.....

.....

.....

প্রশ্ন নং ৮ ঃ অসমীয়া ভাষাত স্ত্রী প্রত্যয় কেইটা আৰু কি কি?

.....

.....

.....

প্রশ্ন নং ৯ ঃ সংস্কৃতৰ কি কি স্ত্রী প্রত্যয় অসমীয়াত ব্যৱহাৰ হয়।

.....

.....

.....

প্রশ্ন নং ১০ ঃ লিঙ্গ নির্ণয় কৰক — মানুহ, গোহাঁই, পৈ, কমাৰ, বেঙা, গাহৰি, ইন্দ্র, শৰ, বালক, সবল।

.....

.....

.....

.....

.....



১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমীয়া বচন আৰু লিঙ্গ সামগ্রিকভাৱে ব্যাকৰণগত বিষয় নহয়। বচন অসমীয়া ভাষাত দুবিধ — একবচন আৰু বহুবচন । তেনেদৰে লিঙ্গও দুই প্রকাৰৰ — পুংলিঙ্গ আৰু স্ত্রীলিঙ্গ। তদুপৰি বচন আৰু লিঙ্গ উভয়ৰে নিৰপেক্ষ ৰূপ আছে। বচনৰ ক্ষেত্রত বচন নিৰপেক্ষ ৰূপৰ লগত একবচনসূচক প্রত্যয় যোগ দি একবচনৰ আৰু বহুবচনসূচক প্রত্যয় যোগ দি বহুবচনৰ ৰূপ গঠন কৰা হয়। একেদৰে লিঙ্গ নিৰপেক্ষ ৰূপৰ লগত পুংলিঙ্গসূচক প্রত্যয় সংযোগ কৰি পুংলিঙ্গৰ আৰু স্ত্রীলিঙ্গসূচক ৰূপ যোগ দি স্ত্রীলিঙ্গৰ ৰূপ গঠন কৰি লোৱা হয়।
- অসমীয়া ভাষাত কিছুমান গুটীয়া শব্দয়ো পোনপটীয়াকৈ বহুবচন বুজাব পাৰে। সেইদৰে লিঙ্গৰ ক্ষেত্রতো কেতবোৰ কেৱল পুংলিঙ্গবাচক বা স্ত্রীলিঙ্গবাচক ৰূপৰ ব্যৱহাৰ লক্ষ্য কৰা যায়। পুৰুষ আৰু স্ত্রীবাচক ৰূপ লিঙ্গ নিৰপেক্ষ ৰূপৰ আগত বহুৰাই লিঙ্গভেদ কৰা আৰু ভিন্ ভিন্ শব্দৰ ব্যৱহাৰৰ জৰিয়তে পুৰুষ স্ত্রীৰ ধাৰণা দিয়া অসমীয়া ভাষাৰ লিঙ্গভেদৰ আন দুটি প্রধান বিশেষত্ব।



১১.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

1] কাকতি, বাণীকান্ত [1996]Ê, *অসমীয়া ভাষাৰ গঠন আৰু বিকাশ;* (হাজৰিকা, বিশ্বেশ্বৰ অনুঃ); ববপেটা ঃ বাণীকান্ত কাকতি জন্ম শতবার্ষিকী উদ্যাপন সমিতি (প্রথম প্রকাশ 1941)।

২) গোস্বামী, উপেন্দ্রনাথ [1997]Ê, *অসমীয়া ভাষাৰ ব্যাকৰণ;* গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

৩) গোস্বামী, উপেন্দ্রনাথ (1995); *অসমীয়া ভাষাৰ ৰূপ-কথা;* গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

4] গোস্বামী, গোলোকচন্দ্র [1999]Ê, *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

5] গোস্বামী, গোলোকচন্দ্র [2003]Ê, *অসমীয়া ব্যাকৰণৰ প্রৱেশ;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

6) গোস্বামী, গোলোকচন্দ্র (1996); *অসমীয়া বর্ণপ্রকাশ,* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

7] বৰা, লীলাৱতী শইকীয়া আৰু পাটগিৰি, দীপ্তি ফুকন (2003) (সম্পাঃ); *ভাষা-জিজ্ঞাসা;* গুৱাহাটী ঃ বনলতা।

8] বৰা, সত্যনাথ (1998); *বহল ব্যাকৰণ;* গুৱাহাটী।

9) বৰুৱা, ভীমকান্ত (1997); *অসমীয়া ভাষা;* ডিব্রুগড় ঃ বনলতা।

10] বৰুৱা, হেমচন্দ্র (1998); *অসমীয়া ব্যাকৰণ;* ডিব্রুগড় ঃ ডিব্রুগড় বিশ্ববিদ্যালয়।

11) ভৰালী, দেবানন্দ (1993); *অসমীয়া ভাষাৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

12) মেধি, কালিৰাম (1999); *অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

ইংৰাজী গ্রন্থ ঃ

১৩) Dutta Baruah, P. N. (1978). *A Comparative Analysis of the Morphological Aspects of Assamese and Oriya (Ph.D. Thesis).* Guwahati: Gauhati University.

১৪) Kakati, B. (2007).*Assamese : Its Formation and Development.* Guwahati: Lawyers Book Stall.

১১.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ব্যক্তি, প্রাণী বা বস্তুৰ সংখ্যা বা পৰিমাণৰ ধাৰণা দিব নোৱাৰা পদবোৰেই বচন নিৰপেক্ষ পদ। যেনে — মানুহ, গৰু, কলম, কিতাপ ইত্যাদি।

২ নং প্রশ্নৰ উত্তৰ ঃ দুটা — একবচন আৰু বহুবচন।

৩ নং প্রশ্নৰ উত্তৰ ঃ বিশেষণ পদত বহুবচনৰ উপাদান যোগ হোৱা মাত্রে সি বিশেষ্য পদলৈ ৰূপান্তৰিত হয়। যেনে— ভাল, কিন্তু ভালবোৰ।

৪ নং প্রশ্নৰ উত্তৰ ঃ -টো - ঘৰটো, -খন - মুখখন, ডাল - বাঁহডাল, -পাট - ব'ঠাপাট, -চটা - কামিচটা।

৫ নং প্রশ্নৰ উত্তৰ ঃ -বোৰ - কিতাপবোৰ, -বিলাক - মানুহবিলাক, -লোক - তেওঁলোক, -হঁত - তহঁত, -সকল - ভকতসকল।

৬ নং প্রশ্নৰ উত্তৰ ঃ দুই প্রকাৰৰ — পুংলিঙ্গ আৰু স্ত্রীলিঙ্গ।

৭ নং প্রশ্নৰ উত্তৰ ঃ (ক) লিঙ্গ নিৰপেক্ষ ৰূপৰ আগত মতা আৰু মাইকী শব্দ বহুৰাই, (খ) লিঙ্গ নিৰপেক্ষ ৰূপৰ পিছত পুৰুষ আৰু স্ত্রীবাচক শ্রেণী নির্দেশক (নির্দিষ্টতাবাচক) প্রত্যয় সংযোগ কৰি, (গ) পুৰুষ আৰু স্ত্রী বুজোৱা ভিন্ ভিন্ শব্দ ব্যৱহাৰ কৰি, আৰু (ঘ) স্ত্রীলিঙ্গ সূচক প্রত্যয় ব্যৱহাৰ কৰি।

৮ নং প্রশ্নৰ উত্তৰ ঃ অসমীয়া ভাষাত স্ত্রী প্রত্যয় মূলতঃ তিনিটা। যথা -ঈ, -নী আৰু -ৰী। অৱশ্যে -নী আৰু -ৰী প্রত্যয়ৰ একাধিক উপৰূপ আছে। যেনে—

- নী প্রত্যয় ঃ -নী, -অনী, -ইনী, -উনী; -ৰী প্রত্যয়ৰ ঃ - ৰী,- অৰী, -উৰী, - এৰী, - আৰী।

৯ নং প্রশ্নৰ উত্তৰ ঃ সংস্কৃতৰ -আ, -ইকা, -ঈ আৰু -আনী — এই স্ত্রী প্রত্যয়কেইটাৰ ব্যৱহাৰ অসমীয়া ভাষাত পোৱা যায়।

১০ নং প্রশ্নৰ উত্তৰ ঃ

পুংলিঙ্গ	*লিঙ্গ নিৰপেক্ষ ৰূপ*	*স্ত্রীলিঙ্গ*
মানুহটোঁজন	মানুহ	মানুহজনী
মতা মানুহ		মাইকী মানুহ
গোহাঁই	-	আইচু
পৈ	-	ঘৈণী
কমাৰ	-	কমাৰনী
বেঙা	-	বেঙুৰী
গাহৰিটো	গাহৰি	গাহৰিজনী
মতা গাহৰি		মাইকী গাহৰি
ইন্দ্র	-	ইন্দ্রানী
বালক	-	বালিকা
সবল	-	সবলা



১১.৮ আৰ্হি প্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক—

ক)বচন বুলিলে কি বুজায়?

খ) অসমীয়া ভাষাত বচন কেইটা আৰু কি কি?

গ) অসমীয়া ভাষাত লিঙ্গ কেইটা আৰু কি কি?

চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ কি কি উপায়েৰে অসমীয়া ভাষাত একবচন নির্ণয় কৰা হয় বুজাই লিখক।

প্রশ্ন ২ ঃ কি কি উপায় অৱলম্বন কৰি অসমীয়াত লিঙ্গ নির্ণয় কৰা হয় উদাহৰণসহ বুজাই লিখক।

প্রশ্ন ৩ ঃ টোকা প্রস্তুত কৰক —

(ক) স্ত্রী প্রত্যয় (খ) একবচনৰ প্রত্যয়।

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ অসমীয়া ভাষাত বহুবচনৰ অর্থ প্রকাশ কৰিবলৈ কি কি উপায় অৱলম্বন কৰা হয় উদাহৰণসহ বুজাই লিখক।

প্রশ্ন ২ ঃ অসমীয়া ভাষাৰ লিঙ্গভেদ কেনেদৰে কৰা হয় সেই বিষয়ে এটি প্রবন্ধ যুগুত কৰক।

প্রশ্ন ৩ ঃ লিঙ্গ নিৰপেক্ষ ৰূপ বুলিলে কি বুজে? লিঙ্গ নিৰপেক্ষ ৰূপৰ পৰা কিদৰে পুংলিঙ্গ আৰু স্ত্রী লিংগ সাধন কৰিব পাৰি উদাহৰণসহ আলোচনা কৰক।

প্রশ্ন ৪ ঃ অসমীয়া ভাষাত বচন আৰু লিঙ্গ ব্যাকৰণগত বিষয় হয়নে? উপযুক্ত উদাহৰণৰ সহায়ত বুজাই লিখক।

*** ***** ***

অধ্যায় ১২ ঃ অসমীয়া ভাষাৰ কাৰক আৰু বিভক্তি

অধ্যায় গাঁথনি

12.1 উদ্দেশ্য

12.2 পৰিচয়

12.3 অসমীয়া ভাষাৰ কাৰক

12.4 অসমীয়া ভাষাৰ বিভক্তি

12.4.1 বিভক্তি আৰু প্ৰত্যয় বিভাজনৰ সূত্ৰ

12.4.2 অসমীয়া ভাষাৰ শব্দ-বিভক্তি

12.4.3 অসমীয়া ভাষাৰ ক্ৰিয়া-বিভক্তি

12.5 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

12.6 অধিক জানিবলৈ

12.7 অগ্ৰগতিৰ খতিয়ান

12.8 আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- অসমীয়া ভাষাৰ কাৰক সম্বন্ধে আলোচনা কৰিব পাৰিব
- অসমীয়া ভাষাৰ কাৰকৰ সৈতে সম্পৰ্কিত শব্দ-বিভক্তিবোৰৰ প্ৰয়োগ বিশ্লেষণ কৰি দেখুৱাব পাৰিব
- অসমীয়া ভাষাৰ কাৰকৰ সৈতে সম্পৰ্কিত শব্দ-বিভক্তিবোৰৰ প্ৰয়োগ বিশ্লেষণ কৰি দেখুৱাব পাৰিব
- অসমীয়া ভাষাৰ ক্ৰিয়াপদত যোগ হোৱা ক্ৰিয়া-বিভক্তিবোৰ ফঁহিয়াই আলোচনা কৰিব পাৰিব
- সামগ্ৰিকভাৱে অসমীয়া ভাষাত প্ৰয়োগ হোৱা বিভক্তিবোৰৰ লগত পৰিচিত হ'ব।

১২.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আমি অসমীয়া ভাষাৰ বচন আৰু লিংগ বিচাৰ সম্পৰ্কে বহলাই আলোচনা কৰিলোঁ। সেই অধ্যায়টোৰ অধ্যয়নে আমাক অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ অন্তৰ্গত এই দুটা বিষয় সম্পৰ্কে সম্যক ধাৰণা প্ৰদান কৰিলে। এতিয়া এইটো অধ্যায়ত আমি অসমীয়া ভাষাৰ কাৰক আৰু বিভক্তি সম্পৰ্কে খৰচি মাৰি অধ্যয়ন কৰিম।

আপুনি এই কথা নিশ্চয় জানে যে ভাষা একোটাৰ সর্ববৃহৎ একক হৈছে বাক্য আৰু এই বাক্য গঠিত হয় বিভিন্ন পদৰ পাৰস্পৰিক সম্পর্কৰ দ্বাৰা। বাক্যত ক্রিয়াপদৰ সৈতে অন্যান্য পদৰ যি সম্পর্ক ঘটে ভাষাৰ আলোচনাত তাকে কাৰক বোলা হয়। এই কাৰকৰ সম্বন্ধ নির্ণিত হয় কেতবোৰ অত্যাৱশ্যকীয় বদ্ধৰূপ বা ৰূপাত্মক সর্গৰদ্বাৰা। ৰূপতত্ত্বৰ আলোচনাত আপুনি নিশ্চয় পাই আহিছে যে ভাষাৰ এনে অত্যাৱশ্যকীয় ৰূপাত্মক সর্গক বিভক্তি বোলা হয়। বিভিন্ন কাৰক-ৰূপ চিনি উলিয়াবলৈ যিবোৰ ৰূপাত্মক সর্গ ব্যৱহাৰ কৰা হয় সেইবোৰৰ নাম কাৰক চিহ্ন বা কাৰক বিভক্তি অথবা শব্দ-বিভক্তি। কাৰকৰ উপৰি বিভিন্ন ধাতুৰ কাল আৰু দশা অনুসাৰে ৰূপ হোৱা দেখা যায়। ধাতু একোটাৰ ৰূপ হওঁতে ধাতুটোৰ সৈতে যিবোৰ ৰূপাত্মক সর্গ লগ লাগে সেইবোৰক ক্রিয়া-বিভক্তি বোলে। অসমীয়া ভাষাত ক্রিয়া-বিভক্তিবোৰে পুৰুষৰ সৈতে সঙ্গতি ৰক্ষা কৰি চলে।

আপুনি এই অধ্যায়টো অধ্যয়ন কৰি অসমীয়া ভাষাৰ কাৰক আৰু বিভক্তিৰ বিষয়ৰ সামগ্রিক ধাৰণা লাভ কৰিবলৈ সক্ষম হ'ব।

১২.৩ অসমীয়া ভাষাৰ কাৰক

'অসমীয়া ভাষাৰ কাৰক'-ৰ বিষয়ে অধ্যয়ন কৰাৰ পূর্বে কাৰকনো কি সেই বিষয়ে আমি জানি লোৱা আৱশ্যক। আপুনি অলপ মন কৰিলে বুজিব পাৰিব যে আমি কৈ থকা বাক্যবোৰত যিবোৰ পদ ব্যৱহাৰ হয় সেইবোৰৰ মাজত এটা পাৰস্পৰিক সম্পর্ক থাকে। পদৰ এনে সম্পর্ক অবিহনে বাক্যৰ কোনো অর্থ নোলায়। এনে সম্পর্কৰ ক্ষেত্রত এটা কথা মন কৰিবলগীয়া যে বাক্যত থকা ক্রিয়াপদটোৰ সৈতে বাকীবোৰ পদৰ সম্পর্ক অধিক স্পষ্ট; যেনে—

ৰামে খায়
কৃষ্ণই সীতাক মাতিছে
মালতীয়ে কটাৰীৰে তামোল কাটিছে
সি গুৱাহাটীলৈ গ'ল
কলমটো তাৰ পৰা আনিছোঁ
সি কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ত অধ্যয়ন কৰি আছে।

-এই বাক্যকেইটাত খায়, মাতিছে, কাটিছে, গ'ল, আনিছোঁ, কৰি আছে —আদি ক্রিয়াপদৰ সৈতে ৰাম, কৃষ্ণ, সীতা, মালতী, কটাৰী, সি, গুৱাহাটী, তাৰ, বিশ্ববিদ্যালয় আদি পদৰ সম্পর্ক স্থাপন হৈছে। এনে ধৰণৰ বাক্যত ক্রিয়াপদৰ সৈতে অন্যান্য পদৰ যি সম্বন্ধ ঘটে তাকেই কাৰক বোলা হয়। গতিকে দেখা যায়, কাৰকবাচক বিভক্তি যুক্ত হৈ পদবোৰে ক্রিয়াপদৰ লগত প্রত্যক্ষ সঙ্গতি স্থাপন কৰে। এতেকে, ক্রিয়াৰ কার্য সম্পাদনৰ হেতু বা নিমিত্ত অর্থকে কাৰক বুলি 'ব পাৰি। আন এটা উদাহৰণ লোৱা হওক —

ডাক্তৰে ৰোগীজনক এৰোপ্লেনেৰে গুৱাহাটীৰ পৰা ভেলোৰলৈ নিলে।

এই বাক্যটোত নিলে ক্রিয়াপদৰ লগত আন পদবোৰৰ সম্পর্ক স্থাপিত হৈছে। এই সম্বন্ধই কাৰক। ডাক্তৰ, ৰোগীজনক, এৰোপ্লেনেৰে, গুৱাহাটীৰ পৰা, ভেলোৰলৈ — প্রত্যেকেই একো একোটি কাৰক।

কোনে নিলে?	উত্তৰ	— ডাক্তৰে (কর্তা-কাৰক)
কাক নিলে?		— ৰোগীজনক (কর্ম-কাৰক)
কেনেকৈ নিলে?		— এৰোপ্লেনেৰে (কৰণ-কাৰক)
ক'ৰপৰা নিলে?		— গুৱাহাটীৰ পৰা (অপাদান কাৰক)
ক'লৈ নিলে?		— ভেলোৰলৈ (নিমিত্ত কাৰক)।

এনেদৰে ক্রিয়াপদৰ লগত হোৱা সম্বন্ধৰ ভিত্তিত অসমীয়া কাৰকক ছটা ভাগত ভগাব পাৰি —

1] কর্তা-কাৰক	2] কর্ম-কাৰক
3] কৰণ-কাৰক	4] নিমিত্ত-কাৰক
5] অপাদান কাৰক	6] অধিকৰণ-কাৰক

এতিয়া আন এটা উদাহৰণলৈ মন কৰা হওক — 'এইটো মোৰ ঘৰ।' ইয়াত 'ঘৰ' শব্দৰ লগত 'মোৰ' এটা সম্বন্ধ স্থাপিত হৈছে। কিন্তু ঘৰ শব্দটো ক্রিয়া পদ নহয়, নামপদহে। কাৰকৰ সূত্র অনুযায়ী ক্রিয়াপদৰ লগত আন পদৰ সম্বন্ধকহে কাৰক বোলে। 'ঘৰ' ক্রিয়াপদ নোহোৱা বাবে এনে সম্বন্ধক সম্বন্ধ পদ বোলা হয়। এক কথাত ক'ব পাৰি অসমীয়া ভাষাত ক্রিয়াপদ অবিহনেও বাক্য ৰচিত হয়। এনে সম্বন্ধক ব্যাকৰণবিদসকলে 'সম্বন্ধ পদ' আখ্যা দিছে। পৰম্পৰাগত ব্যাকৰণত সম্বন্ধ পদক কাৰক বুলি গণ্য কৰা হোৱা নাছিল। বর্তমান কিন্তু ই কাৰকৰে অন্তর্গত।

অসমীয়া ভাষাত মূলতঃ কাৰকৰ সংখ্যা ছটা — কর্তা, কর্ম, কৰণ, নিমিত্তার্থক, অপাদান, আৰু অধিকৰণ। অসমীয়া ভাষাত এই ছটা কাৰক আৰু 'সম্বন্ধ পদ'ৰ বোধ জন্মাবৰ কাৰণে কিছুমান সর্গ আছে। এই সর্গবোৰক শব্দ-বিভক্তি বা কাৰক বিভক্তি বোলা হয়। 'যিহৰদ্বাৰা কাৰক আৰু সম্বন্ধ পদৰ বোধ জন্মে বা যিহৰদ্বাৰা কাৰক আৰু সম্বন্ধ পদক চিনিব পাৰি, সেইটোৱেই শব্দ-বিভক্তি' বুলি উপেন্দ্রনাথ গোস্বামীয়ে কৈছে। এই কাৰককেইটা বুজাবলৈ অসমীয়া ভাষাত দুটা উপায় অৱলম্বন কৰা হয় — (ক) কাৰক বিভক্তি বা শব্দ-বিভক্তি যোগ দি; আৰু (খ) শব্দ-বিভক্তি(-অৰ)-ৰ পিছত অনুপদ ব্যৱহাৰ কৰি। শব্দ-বিভক্তিবোৰৰ বিষয়ে যিহেতু পৰৱর্তী অধ্যায়ত বিতংকৈ আলোচনা কৰা হ'ব, এতেকে ইয়াত মাত্র বিভিন্ন কাৰকৰ সংজ্ঞা আৰু উদাহৰণ দাঙি ধৰা হৈছে। সংস্কৃতৰ দৰে অসমীয়াতো কাৰকৰ বিভক্তিৰ সংখ্যা একে হ'লেও বিভক্তি আৰু কাৰকবোৰ একে নহয়। বিভক্তিবোৰ ভাষাৰ গঠনমূলক ৰূপ আৰু কাৰকবোৰ হ'ল এই বিভক্তিবোৰৰ প্রয়োগগত অর্থাৎ ব্যৱহাৰিক অর্থ। বিভক্তিবোৰ ৰূপ, কাৰক সিহঁতৰ কার্য বা অর্থ। গতিকে, কেতিয়াবা একেটা বিভক্তিৰে প্রয়োগৰ বা সংগতিৰ ভিন্নতাৰ হেতু ভিন্ ভিন্ কাৰক হ'ব পাৰে।

অসমীয়া ভাষাত সম্বন্ধ পদকে ধৰি ছটা কাৰকত প্রয়োগ হোৱা কাৰক বিভক্তি আৰু অনুপদবোৰৰ তালিকা তলত দিয়া হ'ল।

তালিকা ১২.১ ঃ অসমীয়া ভাষাৰ কাৰক বিভক্তি আৰু অনুপদ

কাৰক	বিভক্তি	বিভক্তিৰ চিন		অনুপদ
		ব্যঞ্জনান্ত শব্দত	স্বৰান্ত শব্দত	
কৰ্তা	শূন্য বিভক্তি	-ϕ	-ϕ	
	১মা	-এ	-এ -ই [ঠিয়)	
কৰ্ম	শূন্য	-ϕ	-ϕ	
	২য়া	-অক	-ক	
কৰণ	৩ য়া	-এৰে	ৰে	-দি, দ্বাৰা, হতুৱাই, সৈতে, জৰিয়তে
নিমিত্ত	৪র্থী	-অলৈ	-লৈ	
অপাদান	—	—	—	পৰা
অধিকৰণ	৭ মী	-অত	-ত	
সম্বন্ধ পদ	৬ষ্ঠী	-অৰ	-ৰ	

কাৰক অনুযায়ী শব্দ বিভক্তি আৰু কাৰক বাচক অনুপদৰ প্রয়োগ।

- **কর্তা কাৰক ঃ** যি পদে ক্রিয়া সম্পাদন কৰে তাকে কর্তা কাৰক বোলে। কর্তা কাৰকত প্রথমা বিভক্তি লগ লাগে। প্রথমা বিভক্তিৰ চিন -এ, -ই, শূন্য (-ϕ)। দৰাচলতে এইবোৰ একেটা প্রাকৃতিৰে উপাকৃতিহে, কাৰণ ইহঁতৰ প্রয়োগৰ স্থান নির্দিষ্ট। 'এ' বা 'ই' ধ্বনি সাপেক্ষ ৰূপহে। যেনে—

  ল'ৰাই (ল'ৰা-এ) খেলি আছে।
  গৰুৰে (গৰু-এ) ঘাঁহ খাই আছে।
  ৰামে (ৰাম-এ) পঢ়ি আছে।
  মণিয়ে (মণি-এ) নাচি আছে।
  ডাণ্টেই (ডাণ্টে-এ) ডিভাইন কমেডি লিখিছিল।
  টোৰে (টো-এ) ভেটা ভাঙি পেলালে।

  ওপৰৰ উদাহৰণকেইটাত প্রথমা বিভক্তি '-এ', কাষত থকা স্বৰধ্বনিৰ প্রভাৱত তির্যক ৰূপ লৈছে। গতিকে এইবোৰ ধ্বনি সাপেক্ষ ৰূপহে। আনহাতে, প্রথমা বিভক্তি সকর্মক ক্রিয়াৰ কর্তাত যোগ হয় আৰু হাঁহ, কান্দ, ওমল, গাজ, ৰিঙিয়া আদি ধাতুৰ বাহিৰে অন্য ক্ষেত্রত অকর্মক ক্রিয়াৰ কর্তাত বিভক্তি লগ নালাগে। গতিকে শূন্য বিভক্তি ৰূপ সাপেক্ষ। ৰমেশ পাঠকৰ মতে এয়া হয় বুলি কৰা ধাৰণাহে (predictable)। যেনে—

  মানুহ মৰে। তেওঁ টোপনিয়াই আছে।

  এই বাক্য দুটাৰ কর্তা হ'ল মানুহ আৰু তেওঁ। ইহঁতে কার্য সাধন কৰিছে যদিও বিভক্তিযুক্ত হোৱা নাই। বিভক্তি অবিহনে পদ গঠন হ'ব নোৱাৰে। সেয়ে ইয়াত শূন্য বিভক্তিযুক্ত হোৱা বুলি ধৰা হয়।

- **কর্ম কাৰক ঃ** 'যি বা যিহকে কৰা যায় অর্থাৎ ক্রিয়াৰ যি ব্যাপ্য' সেইটোৰ নাম কর্মকাৰক। অর্থাৎ কর্তাই যি কৰে অথবা যাৰ ওপৰত কার্য কৰে সেয়ে কর্ম। কর্তৃবাচ্যৰ প্রয়োগত কর্ম কাৰকত দ্বিতীয় বিভক্তি যোগ হয়; যেনে— মই কাম কৰোঁ; কিতাপ পঢ়োঁ; কবিতা লিখোঁ ইত্যাদি। ইয়াত 'মই' কর্তাৰ 'কৰোঁ', পঢ়োঁ, লিখোঁ প্রভৃতি ক্রিয়া আৰু 'কাম', 'কিতাপ', 'কবিতা' এই নিমিত্তে সিহঁতেই কর্ম। দ্বিতীয়া বিভক্তিৰ চিন হ'ল (-ϕ) শূন্য, -অক, -ক। ব্যঞ্জনান্ত শব্দৰ পিছত -অক আৰু স্বৰান্ত শব্দৰ পিছত -ক যোগ হয়। ইহঁত ধ্বনি সাপেক্ষ।

  বাঘে গৰুজনী খালে।
  মায়ে ভাত ৰান্ধিছে।
  মই কিতাপ পঢ়িছো।

  এই বাক্যকেইটাত কর্তাই গৰুজনী, ভাত, কিতাপৰ ওপৰত কার্য সম্পাদন কৰিছে। এই পদবোৰত কোনো বিভক্তি যোগ হোৱা নাই বাবে শূন্য বিভক্তি যোগ হোৱা বুলি কোৱা হয়। আকৌ—

  পুলিচে চোৰটোক পিটিলে।
  মই ভকতসকলক নিমন্ত্রণ জনাইছোঁ।

  ইয়াত চোৰটো পদত -ক আৰু ভকতসকল পদত -অক বিভক্তি যোগ হৈছে।

  কিছুমান ধাতুৰ পাঁচনী ক্রিয়াৰ প্রয়োগত কর্তৃপক্ষ দুটা হয়, অর্থাৎ পূর্বে সাধাৰণী ক্রিয়াৰ যিটো কর্তা থাকে সিও কর্ম হয়। যেনে— মই তাক ঔষধ খুৱালোঁ।

- **কৰণ কাৰক ঃ** যি কর্তাৰ অধীন হৈ ক্রিয়া কৰে অর্থাৎ কর্তাই যাৰ বা যিহৰদ্বাৰাই ক্রিয়া সম্পন্ন কৰে, তাকে কৰণ কাৰক বোলে। কৰণ কাৰকত তৃতীয়া বিভক্তি যোগ হয়। তৃতীয়া বিভক্তিৰ চিন -এৰে, -ৰে। এই বিভক্তিৰ উপৰি ষষ্ঠী বিভক্তি -ৰ লগ লগাৰ পিছত দি, দ্বাৰা, হতুৱাই, সৈতে, জৰিয়তে অনুপদ বহুৱাইও কৰণ কাৰকৰ ভাব প্রকাশ কৰা হয়। উদাহৰণস্বৰূপে—

  মধুৰে চকুৰে নেদেখে।
  জখলাৰে পাণ পাৰিছে।
  ৰসগোল্লা গাখীৰেৰে তৈয়াৰ কৰা হয়।

  উদাহৰণকেইটিত চকু, জখলা শব্দ স্বৰান্ত বাবে -ৰে আৰু গাখীৰ শব্দ ব্যঞ্জনান্ত হোৱা বাবে -এৰে বিভক্তি লগ লাগিছে। আকৌ—

  তাৰ দ্বাৰা কামটো কৰা হ'ল।
  হাতেদি কটা সূতা বৰ ভাল।
  গৌতমৰ হতুৱাই কামটো কৰা হ'ল।
  গৌতমৰ সৈতে ফুৰিবলৈ গ'লোঁ।

  গৌতমৰ জৰিয়তে চিঠিখন পঠালোঁ। এই বাক্যকেইটিত অনুপদৰ জৰিয়তে কৰণ কাৰকৰ অর্থ প্রকাশ কৰা হৈছে।

- **নিমিত্তার্থক কাৰক ঃ** অসমীয়াত উদ্দেশ্য, লক্ষ্য, দিশ, প্রতি, অভিমুখ নিমিত্ত আদি অর্থত ক্রিয়াৰ লগত কিছুমান শব্দৰ সম্পর্ক ঘটে। এইবোৰক নিমিত্ত কাৰক বোলা হয়। নিমিত্ত কাৰকত চতুর্থী বিভক্তি যোগ হয়। চতুর্থী বিভক্তিৰ চিন -অলৈ, লৈ। ব্যঞ্জনান্ত শব্দৰ পিছত -অলৈ আৰু স্বৰান্ত শব্দৰ পিছত -লৈ যোগ হয়। সংস্কৃতত সম্প্রদান কাৰক আছে। কাৰোবাক কোনো বস্তু দিয়াটোৱেই সম্প্রদান। অসমীয়াত সম্প্রদান কাৰক নাই। উদাহৰণ—

  পৰীক্ষালৈ আৰু দহদিন আছে।

  মই ঘৰলৈ যাওঁ।

  ইয়াত স্বৰান্ত 'পৰীক্ষা' শব্দত -লৈ আৰু ব্যঞ্জনান্ত 'ঘৰ' শব্দৰ পাছত -অলৈ যোগ হৈছে।

জানি থোৱা ভাল



অসমীয়া ভাষাত সম্প্রদান কাৰক নাই। কর্ম কাৰকেই সম্প্রদান কাৰকৰ কার্যও সম্পন্ন কৰে। পৰম্পৰাগত ব্যাকৰণবোৰত স্বত্ব এৰি দান কৰিলে সম্প্রদান কাৰক আৰু অন্য ক্ষেত্রত কর্ম কাৰক হয় বুলি আলোচনা কৰা হৈছে। এনে ধাৰণা সংস্কৃত ব্যাকৰণৰ পৰা আহৰিত। সংস্কৃত ভাষাত সাধাৰণ কর্ম বুজালে এটা বিভক্তি আৰু স্বত্ব এৰি দান কৰিলে অন্য এটা বিভক্তি লগ লাগে। পিছৰটোক সংস্কৃতত সম্প্রদান কাৰক বোলা হয়; যেনে — দৰিদ্রায় ধনং দদাতি। সংস্কৃতৰ এই ভেদ অসমীয়াতো ৰাখি সম্প্রদান কাৰকত -অক, -লৈ বিভক্তি দেখুওৱাটো ভ্রমাত্মক। প্রকৃতপক্ষে অসমীয়া ভাষাত কর্ম আৰু সম্প্রদানৰ কোনো ভেদ নাই। ধোবাক কাপোৰ ধুবলৈ দিয়া আৰু ভিখাৰীক চাউল দিয়া দুয়ো ক্ষেত্রতে অসমীয়াত কর্মকাৰকৰ -অকû-ক বিভক্তি লগ লাগে; কিন্তু এইখিনিতে উল্লেখনীয় যে, এনে পৰিস্থিতিৰ বাক্যত সাধাৰণতে সদায় দুটা কর্ম পদ হয়। যেনে— মই ধোবাক কাপোৰ ধুবলৈ দিলোঁ। ইয়াত 'ধোবাক' আৰু 'কাপোৰ' দুটা কর্মপদ। এনেদৰে দুটা কর্মপদ থাকিলে গৌণ কর্মপদৰ পিচত কর্মৰ বিভক্তি থাকে। ওপৰৰ উদাহৰণটোত 'ধোবাক' গৌণ কর্ম; 'কাপোৰ' মুখ্য কর্ম। সাধাৰণতে প্রাণী বুজোৱা কর্মক গৌণ কর্ম আৰু অপ্রাণী বুজোৱা কর্মক মুখ্য কর্ম বোলা হয়। যদি দুয়োটা কর্ম যদি প্রাণীবাচক হয়, তেনেহ'লে ক্রিয়াৰ আগত থকা কর্ম মুখ্য (Direct Object) আৰু প্রথমটো গৌণ (Indirect Object) হয়। যেনে— তেওঁ মোক ছোৱালীজনী দেখুৱালে।

- **অপাদান কাৰক ঃ** যাৰ পৰা কোনো বস্তু পৃথক, ব্যাপ্তি, অপসৰণ, স্খলন অর্থ প্রকাশ পায় বা ভয় আদি ভাব জন্মে তাকে অপাদান কাৰক বোলে। অপাদান কাৰক অসমীয়াত আছে, কিন্তু কোনো নির্দিষ্ট বিভক্তি ইয়াত যোগ নহয়। পঞ্চমী বিভক্তি অসমীয়া ভাষাত নাই। অপাদান অর্থ প্রকাশ কৰিবলৈ ষষ্ঠী বিভক্তিৰ চিন -ৰ যোগ হয় আৰু তাৰ পিছত -পৰা পৰসর্গ যোগ হয়। উদাহৰণ—

বজাৰৰ পৰা মাছ অনা হৈছে।

ঘৰৰ পৰা কলেজলৈ খোজকাঢ়ি যাওঁ।

গুৱাহাটীৰ পৰা কলিকতালৈ ৰেলেৰে যাব পাৰি।

ইয়াত বজাৰ, ঘৰ, গুৱাহাটী আদিৰ লগত ষষ্ঠী বিভক্তিৰ চিন -ৰ যোগ কৰাৰ পাচত 'পৰা' পৰসৰ্গ সংযোগ কৰিহে ক্রিয়া হোৱা অর্থ প্রকাশ কৰিছে গতিকে সিহঁতেই অপাদান।

কেতিয়াবা প্রথমা -এ বিভক্তি আৰু ষষ্ঠীৰ -ৰ যোগ কৰিও অপাদানৰ অর্থ প্রকাশ কৰিব পাৰি। যেনে— ঘটনাটো তেওঁৰ মুখে (মুখৰ পৰা) সকলোৱে গম পালে; কুঁৱাৰ (কুঁৱাৰপৰা) পানী তুলি গা ধোৱা। আকৌ ভয় শব্দৰ যোগত অপাদান কাৰকত কেতিয়াবা ষষ্ঠী বিভক্তি হয়। যেনে— বাঘৰ ভয় (বাঘৰপৰা ভয়); সাপৰ ভয় (সাপৰপৰা ভয়) আদি।

- **সম্বন্ধ পদ ঃ** সম্বন্ধ পদ কাৰক নহয়। তথাপি ইয়াক কাৰকৰ শ্রেণীতে ধৰি আলোচনা কৰা হৈছে। যি পদে আন এটা পদৰ লগত সম্বন্ধ, স্বত্ব, গৰাকী, অধিকাৰ আদি ভাব বুজায় তাকে সম্বন্ধ পদ বোলে। যেনে—

  এইখন মোৰ ঘৰ।

  বজাৰত পিঁয়াজৰ আশী টকা কিলো।

  তাৰ দেউতাক এজন খেতিয়ক।

  -এই বাক্যবোৰত মোৰ, পিঁয়াজৰ, তাৰ আদি শব্দত ষষ্ঠী বিভক্তিৰ চিন -অৰ, -ৰ যোগ হৈছে। স্বৰান্ত শব্দৰ পিছত -ৰ আৰু ব্যঞ্জনান্ত শব্দৰ পিছত -অৰ যোগ হয়।

  ওপৰত কাৰক আৰু শব্দ বিভক্তিৰ প্রয়োগৰ আলোচনাত এটা কথা স্পষ্ট হৈছে যে বাক্যৰ গাঁথনিত এই বিভক্তিবিলাকৰ প্রয়োগ অপৰিহার্য। এনেবোৰ বিভক্তি নহ'লে বাক্য শুদ্ধ হ'ব নোৱাৰে, সেয়ে অসমীয়া ভাষাত কাৰক ব্যাকৰণগত বিষয়। উদাহৰণ—

  কটাৰীৰে তামোলখন কটা হ'ল।

  এই বাক্যটোৰ কটাৰী শব্দত -ৰে বিভক্তি প্রয়োগ হৈছে। -ৰে বিভক্তি প্রয়োগ নহ'লে বাক্যটো হ'ব— কটাৰী তামোলখন কটা হ'ল। এনেকৈ ক'লে বা লিখিলে বাক্যটো শুদ্ধ নহ'ব বা অভিপ্রেত অর্থ নোলাব। সেয়ে বাক্যটো শুদ্ধ হ'বলৈ 'কটাৰীৰে' বুলি লিখিব লাগিব। ইয়াত কৰণ কাৰকৰ অর্থ প্রকাশিত হৈছে।

  অসমীয়া ভাষাত এটা বিভক্তিৰ ঠাইত আন এটা বিভক্তিৰে কাম চলোৱা দেখা যায়। প্রথমা বিভক্তি -এ প্রয়োগ কৰি সপ্তমী বিভক্তি বুজোৱাৰ কথা ইতিমধ্যে উল্লেখ কৰি অহা হৈছে। এটা বিভক্তিৰ ঠাইত আন এটা বিভক্তিৰ প্রয়োগ অসমীয়া ভাষাৰ অন্যতম স্বতন্ত্র বৈশিষ্ট্য।

- **অধিকৰণ কাৰক ঃ** যিহক আধাৰ বা আশ্রয় কৰি ক্রিয়া সম্পাদিত হয় তাক অধিকৰণ কাৰক বোলে। অধিকৰণ কাৰকত সপ্তমী বিভক্তি যোগ হয়। সপ্তমী বিভক্তিৰ চিন হ'ল -ত, -অত। ব্যঞ্জনান্ত শব্দৰ পিছত -অত আৰু স্বৰান্ত শব্দৰ পিছত -ত যোগ হয়। উদাহৰণ—

নদীত বান্ধ দিয়া হৈছে।

সাগৰত ছুনামিয়ে বহু ধ্বংস কৰিছে।

আঞ্জাত মছলা নহ'লে খাই ভাল নালাগে।

কেতিয়াবা কোনো বস্তু স্বৰূপার্থত কাৰো আধাৰ নোহোৱাতো তাক অধিকৰণৰূপে ব্যৱহাৰ কৰা যায়। যেনে— বৰষুণত তিতিল, ৰ'দত শুকাল আদি। ইয়াত বৰষুণে বা ৰ'দে কাকো ধাৰণ নকৰে। তথাপি সিহঁত অধিকৰণ কাৰক।

কেতিয়াবা আকৌ প্ৰথমা বিভক্তিৰ চিন -এ -ৰে সপ্তমী বিভক্তি বুজোৱা হয়। যেনে— বাটে বাটে ঘূৰি নুফুৰিবা। দেশে-বিদেশে বহুত ঘূৰিলো। অসমৰ উত্তৰে অৰুণাচল প্ৰদেশ।

অধিকৰণ দুই প্ৰকাৰৰ— কালাধিকৰণ আৰু আধাৰাধিকৰণ। যিসময়ত ক্ৰিয়া সম্পন্ন হয় তাক কালাধিকৰণ বোলে। যেনে— সন্ধ্যা সময়ত নুশুবা, শৰৎ কালত আকাশ নিৰ্মল হয়।

আনহাতে আধাৰাধিকৰণ ঘাইকৈ তিনিপ্ৰকাৰৰ— একদেশ, বিষয় আৰু ব্যাপ্তি।

একদেশ— মাজুলীত ঘৰ, পানীত মাছ আছে (মাজুলী বা পানীৰ এঠাইত)।

বিষয়— তেওঁ গণিতত ভাল, ভীম গদাযুদ্ধত পাৰ্গত আছিল (গণিত আৰু গদাযুদ্ধ বিষয়ত)।

ব্যাপ্তি— তিলত তেল আছে, গাত জ্বৰ আছে (জুৰি আছে) আদি।

- **সম্প্ৰদান কাৰক ঃ** অসমীয়াত শুদ্ধ অৰ্থত সম্প্ৰদান কাৰক নাই। সম্প্ৰদানৰ অৰ্থ কৰ্ম কাৰকেৰে সূচিত কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ অসমীয়া ভাষাত কাৰক কেইবিধ আৰু কি কি?

.....

.....

.....

প্ৰশ্ন নং ২ ঃ অসমীয়া ভাষাত কাৰক নিৰ্ণয়ৰ উপায় কেইটা আৰু কি কি?

.....

প্ৰশ্ন নং ৩ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক —

(ক) অসমীয়া ভাষাত সম্প্ৰদান কাৰক নাই।

(খ) ক্ৰিয়াৰ যি ব্যাপ্য তাৰ নাম কৰ্মকাৰক।

(গ) কৰ্তা কাৰকৰ -এ বিভক্তি যোগ কৰিও অসমীয়াত কৰণ কাৰক আৰু অধিকৰণ কাৰকৰ ভাব প্ৰকাশ কৰা হয়।

(ঘ) অন্যান্য কাৰকৰ দৰে অপাদান কাৰকৰো স্বতন্ত্ৰ বিভক্তি আছে।

(ঙ) - অৰঢ়ি-ৰ বিভক্তিৰ সংযোগেৰে অসমীয়াত অধিকৰণ কাৰক বুজোৱা হয়।

.....

.....

.....

.....

প্ৰশ্ন নং ৪ ঃ তলৰ বাক্যকেইটাত কি কি কাৰক আছে নিৰ্ণয় কৰক —

(ক) ভাৰতে চন্দ্ৰলোকলৈ মহাকাশ যান পঠিয়াইছে।

(খ) ৰমেন আজি কলিকতালৈ গ'ল।

(গ) গজেনৰ ঘৰ তেজপুৰত।

(ঘ) সি পেঞ্চিলেৰে লিখিছে।

(ঙ) ছিলিঙত বৰ চেঁচা।

.....

.....

১২.৪ অসমীয়া ভাষাৰ বিভক্তি

অসমীয়া ভাষাৰ ব্যাকৰণগত শ্ৰেণী (Grammatical Category) বা ব্যাকৰণগত বিষয়ৰ নিৰ্ণয়ত যদিও স্বৰূপাৰ্থত কাৰক, সম্বন্ধপদৰ পুৰুষ, ক্ৰিয়াপদৰ পুৰুষ, অসমাপিকা ক্ৰিয়া (সীমিত), কৰ্মবাচ্য (সীমিত) আৰু লিঙ্গ (আংশিক) — এই বিষয়কেইটা বুজোৱা বদ্ধৰূপবোৰক বিভক্তিৰ মৰ্যাদা দিব পৰা যায়; তথাপি বিভক্তি বুলিলে সাধাৰণতে বিভিন্ন কাৰকৰ অৰ্থ প্ৰকাশ কৰিবলৈ সংযোগ হোৱা কাৰক-চিহ্ন বা শব্দ-বিভক্তি আৰু ধাতুৰূপত যোগ হোৱা ক্ৰিয়া বিভক্তিবোৰৰ কথাহে প্ৰধানকৈ আলোচনা কৰা হয়। সীমিত পৰিসৰলৈ লক্ষ্য ৰাখি অসমীয়া ভাষাৰ ব্যাকৰণগত বিষয়ৰ সৈতে জড়িত আটাইবোৰ বিভক্তিৰ কথা আলোচনা নকৰি আপোনাৰ অধ্যয়নৰ সুবিধাৰ্থে পাঠ্যক্ৰমত প্ৰদত্ত শব্দ-বিভক্তি আৰু ক্ৰিয়া-বিভক্তিবোৰৰ বিষয়ে তলত একোটিকৈ আলোচনা দাঙি ধৰিম। তাৰ পূৰ্বে আমি বিভক্তি আৰু প্ৰত্যয়ৰ পাৰ্থক্য সম্বন্ধে আলোচনা কৰিম।

১২.৪.১ বিভক্তি আৰু প্ৰত্যয় বিভাজনৰ সূত্ৰ

ভাষা একোটাৰ বিভক্তি আৰু প্ৰত্যয় দুয়োবিধ মূলতঃ — সৰ্গ (Affix) যদিও দুয়োৰে কাৰ্যগত বা গুণগত প্ৰকৃতি সুকীয়া সুকীয়া। ভাষাৰ শব্দ সাধনৰ সৰ্গবোৰক প্ৰত্যয় বোলা হয়। অৰ্থাৎ মূল প্ৰাকৃতি (প্ৰাতিপদিক আৰু ধাতু)-ৰ লগত সংযোগ কৰি যিবোৰ সৰ্গৰ সহায়ত ভিন্ ভিন্ অৰ্থসূচক নতুন নতুন শব্দ নিৰ্মাণ কৰা হয়, ভাষাৰ সেই সৰ্গবোৰৰ নাম প্ৰত্যয় বা সাধন প্ৰত্যয় (Derivatives)। অসমীয়া ভাষাত 'বাজ' আৰু 'বাজনা' দুটা সুকীয়া শ্ৰেণীৰ শব্দ। সাধাৰণ দৃষ্টিৰে দুয়োটা শব্দক এটা শব্দৰে দুটা ভিন্

ৰূপ বুলি কৈ থ'ব পৰা যায় যদিও কার্যত — 'বাজ' ধাতু শব্দ আৰু 'বাজনা' হ'ল বিশেষ্য। সেইদৰে অসমীয়া 'খেত' প্রকৃতিটোৰ অর্থ শস্য-ভূমি বা পথাৰ। ইয়াৰ লগত '-ই' লগ লগালে সৃষ্টি হোৱা 'খেতি' শব্দই কিন্তু 'খেত'ত কৰা শস্যক বুজায়। আকৌ তাৰ লগত '-অক' লগ লগাই পোৱা 'খেতিয়ক' শব্দই খেতি কৰোঁতাজনক বুজায়। গতিকে একেটা মূল প্রাকৃতিৰ পৰা শব্দ সাধনৰ সর্গৰ বা প্রত্যয়ৰ জৰিয়তে ভিন্ ভিন্ অর্থবাচক নতুন নতুন শব্দ সাধন কৰি উলিয়াব পৰা যায়। এনেদৰে প্রত্যয়ৰ সংযোগত সৃষ্টি হোৱা শব্দবোৰ কেতিয়াবা এটা শ্রেণীৰ পৰা আন এটা শ্রেণীলৈ, যেনে — বিশেষ্যৰ পৰা বিশেষণলৈ, বিশেষণৰ পৰা বিশেষ্যলৈ, বিশেষ্যৰ পৰা ধাতুলৈ বা ধাতুৰ পৰা বিশেষ্যলৈ কিংবা একেটা শ্রেণীলৈ সাধি উলিয়াব পৰা যায়।

ভাষাৰ 'যিবোৰ সর্গই পদৰ ৰূপৰ পৰিৱর্তন সাধন কৰে' তেনে সর্গক বিভক্তি বা ৰূপাত্মক বিভক্তি (Inflectives) বোলা হয়। মানুহে কথা কওঁতে বাক্য একোটাত এক বা একাধিক খণ্ড ব্যৱহাৰ কৰে। বাক্যৰ এনে গাইগুটীয়া খণ্ডৰ নাম পদ। বাক্য একোটাত এনে বিভিন্ন পদৰ সম্পর্ক ঘটে আৰু তাৰ ফলত পদৰ ৰূপৰ পৰিৱর্তন হয়। যিবোৰ সর্গৰ সংযোগত পদৰ ৰূপৰ পৰিৱর্তন হয় সেইবোৰকে বিভক্তি আখ্যা দিয়া হয়। যেনে — ৰামে, ৰামক, ৰামৰ, ৰামলৈ, ৰামত — এই পদকেইটাত যথাক্রমে -এ, -অক, -অৰ, -অলৈ, -অত — এই সর্গকেইটা লগ লাগিছে। ইহঁতৰ প্রতিটোৱেই একোটা বিভক্তি। সেইদৰে কৰোঁ, কৰ, কৰা, কৰে — এই পদকেইটাত 'কৰ' ধাতুত যথাক্রমে -ওঁ, -অ, -আ, -এ সর্গ লগ লাগিছে। মন কৰিবলগীয়া যে 'ৰাম' আৰু 'কৰ' শব্দ দুটাত উল্লিখিত সর্গসমূহ লগ লগাৰ পিছতো দুয়োটা শব্দৰ অর্থ বা শ্রেণী এটাৰো পৰিৱর্তন ঘটা নাই। মাথোঁন এই সর্গবোৰৰ সংযোগত ৰূপগত পৰিৱর্তনহে ঘটিছে। অর্থাৎ এই সর্গবোৰে বাক্যত ব্যৱহৃত বিভিন্ন পদৰ মাজত সম্পর্ক স্থাপন কৰিছে। সেইবাবে এইবোৰক বিভক্তি বোলা হৈছে। মনত ৰখা প্রয়োজন যে বিভক্তিসমূহ বাক্যৰ অপৰিহার্য অঙ্গ। অঙ্কৰ আর্যা বা বীজগণিতৰ ফর্মুলাৰ দৰে সকলো ভাষাতে বিভক্তিবোৰৰ এক বা ততোধিক স্তম্ভ (Paradigm) থাকে, যাক আশ্রয় কৰি শব্দৰ ৰূপ সাধন কৰা হয় বা বাক্যত ব্যৱহাৰৰ উপযোগী পদ ৰচনা কৰা হয়।

ওপৰত প্রত্যয় আৰু বিভক্তি সম্বন্ধে যি আলোচনা দাঙি ধৰা হ'ল তাৰ আধাৰত দুয়োটা বিষয়ৰ প্রকৃতি বা বৈশিষ্ট্য তলত দিয়া ধৰণে চমুকৈ দেখুৱাব পাৰি—

- প্রত্যয়ৰ সংযোগত ভিন্ ভিন্ অর্থবাচক নতুন নতুন শব্দৰ সৃষ্টি হয়; আনহাতে বিভক্তিৰ সংযোগত একেটা শব্দৰ ৰূপৰ পৰিৱর্তন ঘটি বাক্যত ব্যৱহৃত বিভিন্ন পদৰ মাজত সঙ্গতি স্থাপিত হয়।
- প্রত্যয়বোৰ মূল প্রাকৃতিৰ গাতে লগা ভিতৰৰ তৰপৰ সামগ্রী; আনহাতে বিভক্তিবোৰ মূল প্রাকৃতিৰ সৈতে সংযোগ হ'বও পাৰে, নাইবা প্রত্যয় যোগ হোৱাৰ পিছতো লগ লাগিব পাৰে। অর্থাৎ বিভক্তিবোৰ বাহিৰৰ তৰপৰ সামগ্রী।

- বিভক্তিৰ সংযোগত শব্দৰ মৌলিক অর্থৰ কোনো সাল-সলনি নঘটে; কিন্তু প্রত্যয়ৰ যোগত সৃষ্টি হোৱা নতুন শব্দৰ অর্থ মূল শব্দটোৰ অর্থৰ সৈতে সম্পর্ক থাকিলেও ভিন্ন হৈ পৰে।
- প্রত্যয়ৰ অর্থ শব্দগত (Lexical); আনহাতে বিভক্তিৰ অর্থ সদায় ব্যাকৰণগত (Grammatical)।
- বিভক্তিৰ প্রকাৰ আৰু সংখ্যা প্রত্যয়তকৈ আপেক্ষিকভাৱে সীমিত।
- বিভক্তি হৈছে পদ গঠনৰ অন্তিম সর্গ; শব্দত এক বা একাধিক প্রত্যয় যোগ হোৱাৰ পিছত বিভক্তি যুক্ত হ'ব পাৰে; কিন্তু বিভক্তি যুক্ত হোৱাৰ পিছত শব্দত আৰু কোনো প্রত্যয় যুক্ত নহয়।

১২.৪.২ অসমীয়া ভাষাৰ শব্দ-বিভক্তি

অসমীয়া ভাষাত বিভিন্ন কাৰকৰ সৈতে জড়িত বিভক্তিসমূহকে শব্দৰূপৰ বিভক্তি বা চমুকৈ শব্দ-বিভক্তি বোলা হয়। পোনপটীয়াভাৱে কাৰকৰ সৈতে সম্পর্কিত বাবে এইবিধ বিভক্তিক কাৰক-চিহ্ন বা কাৰক-বিভক্তি (Case-ending)ও বোলে।

অসমীয়া ভাষাত সম্বন্ধ পদকে ধৰি সাতোটা কাৰক আছে যদিও শব্দ-বিভক্তিৰ সংখ্যা ছয়টাহে। অসমীয়াত অপাদান কাৰক বুজাবলৈ কোনো স্বতন্ত্র বিভক্তি নাই। সম্বন্ধপদৰ '-অৰ-ৰ' পিছত 'পৰা' অনুপদ বহুৱাই যৌগিক ধৰণে অসমীয়াত অপাদান কাৰকৰ অর্থ প্রকাশ কৰা হয়। পণ্ডিত কালিৰাম মেধিৰ ভাষাত 'যৌগিক বিভক্তি পৰিহাৰ কৰিলে অসমীয়া ভাষাত অপাদান কাৰকৰ কোনো বিভক্তি পোৱা নাযায়।' একে ধৰণে কৰণ কাৰকো কিছু পৰিমাণে যৌগিক উপায়ে প্রকাশ কৰা হয়; যেনে— তাৰ দ্বাৰা নহ'ব।

তলত বিভিন্ন কাৰকত লগ লগা বিভক্তিসমূহৰ এখন তালিকা দিয়া হ'ল। মন কৰিব যে তালিকাখনত উল্লেখ কৰা বিভক্তিসূচক সংখ্যাবোৰ সংস্কৃত ব্যাকৰণ অনুসাৰে দিয়া হৈছে।

তালিকা ১২.২ ঃ কাৰকত লগ লগা বিভক্তিসমূহৰ এখন তালিকা

সংখ্যা	কাৰক	বিভক্তি	
		স্বৰান্ত	ব্যঞ্জনান্ত
প্রথমা	কর্তাকাৰক	- এ, -ই, -ϕ	- এ,-ϕ
দ্বিতীয়া	কর্মকাৰক	- ক, -ϕ	- অক, -ϕ
তৃতীয়া	কৰণ কাৰক	-ৰে	- এৰে, -এদি
চতুর্থী	নিমিত্তার্থক কাৰক	- লৈ	- অলৈ
পঞ্চমী	অপাদান কাৰক	—	—

ষষ্ঠী	সম্বন্ধ পদ	- ৰ	- অৰ
সপ্তমী	অধিকৰণ কাৰক	- ত	- অত

তালিকাখনত উল্লেখ থকা শব্দবিভক্তিবোৰে প্ৰকাশ কৰা অৰ্থ আৰু কাৰ্যৰ নামেই হ'ল কাৰক। আন কথাত বিভক্তিবোৰ হৈছে আলোচ্য অসমীয়া ভাষাৰ ৰূপ বা গঠনৰ সামগ্ৰী; আনহাতে কাৰক হৈছে এই সামগ্ৰীবোৰৰ প্ৰায়োগিক বা ব্যৱহাৰিক অৰ্থ। গতিকে শব্দ-বিভক্তি হৈছে ৰূপ আৰু কাৰক হৈছে সিবোৰ অৰ্থ বা কাৰ্য। তলত প্ৰতিটো বিভক্তিৰ প্ৰায়োগিক দিশৰ আলোচনা দাঙি ধৰা হ'ল।

- *কৰ্তা কাৰকৰ - ϕ,- এঁ- ই ঃ* বাক্যৰ ক্ৰিয়াপদ অকৰ্মক হ'লে কৰ্তাকাৰকত ঃ ***-ϕ (শূন্য) বিভক্তি*** লগ লাগে; যেনে— ৰাম গ'ল, মানুহ মৰে, গঁড় কাজিৰঙাত থাকে, তেওঁ আহি পাইছে ইত্যাদি। অৱশ্যে কেতবোৰ নিৰ্দিষ্ট অকৰ্মক ক্ৰিয়াপদ (হাঁহ, কান্দ, নাচ আদি ধাতুৰ পৰা উদ্ভৱ হোৱা ক্ৰিয়াপদ)-ৰ কৰ্তাত কৰ্তা কাৰকৰ -এঁ-ই বিভক্তি যুক্ত হোৱাদেখা যায়, যেনে — সিহঁতে হাঁহিছে, ছোৱালীজনীয়ে কান্দিছে, নাচনীয়ে নাচিছে ইত্যাদি। এখেত, তেখেত ভিন্ন অন্য ব্যক্তি বাচক সৰ্বনামৰ লগত সকৰ্মক, অকৰ্মক নিৰ্বিশেষে শূন্য বিভক্তি যুক্ত হয়।

  সকৰ্মক ক্ৰিয়াৰ কৰ্তা ব্যঞ্জনান্ত আৰু অ, আ, এ ভিন্ন অন্য স্বৰান্ত হ'লে -এ বিভক্তি লগ লাগে; যেনে — মানুহে ভাত খায়, গৰুৱে ঘাঁহ খায়, হৰিয়ে ব্যাকৰণ পঢ়িছে ইত্যাদি। অকাৰান্ত, আকাৰান্ত আৰু একাৰান্ত কৰ্তাপদত-ই বিভক্তি যুক্ত হয়; যেনে — ল'ৰাই খায়, কাছই কণী পাৰে, বিনোৱা ভাৰেই কৈছিল ইত্যাদি।
- *কৰ্ম কাৰকৰ - ϕ, - অকঁ ক ঃ* বিশেষণভাৱে নুবুজালে অসমীয়া ভাষাত কৰ্মকাৰকতো -ϕ বিভক্তি লগ লাগে; যেনে— ৰামে ভাত খালে, ডকাইত ধৰিছে, কাম কৰিবলৈ মানুহ আহিছে ইত্যাদি। অন্য ক্ষেত্ৰত ব্যঞ্জনান্ত শব্দত -অক আৰু স্বৰান্ত শব্দত -ক বিভক্তি যোগ হৈ কৰ্মকাৰকৰ অৰ্থ প্ৰকাশ কৰে; যেনে — মানুহে মানুহক মৰম কৰিব লাগে, শিক্ষাগুৰুক ভক্তি কৰিব লাগে, মই তেওঁক কথাটো ক'লোঁ ইত্যাদি।
- *কৰণ কাৰকৰ - এৰেঁ-ৰে ঁ-এদি ঃ* কৰণকাৰক বুজাবলৈ অসমীয়াত ব্যঞ্জনান্ত শব্দত -এৰে আৰু স্বৰান্ত শব্দত -ৰে যোগ হয়; যেনে — আমি কলমেৰে লিখোঁ, যদুৱে ম'হেৰে হাল বায়, তেওঁ কাণেৰে কম শুনে, মানুহজনে গাড়ীৰে অহা-যোৱা কৰে ইত্যাদি। কোনো কোনো ক্ষেত্ৰত '-এৰে' সংক্ষিপ্ত ৰূপ -এ বিভক্তিৰেও কৰণকাৰকৰ ভাৰ প্ৰকাশ কৰা হয়; যেনে — হাতে বোৱা কাপোৰ। বিকল্পে, -এদি বিভক্তি যোগ কৰিও কৰণ কাৰকৰ পদ গঠন কৰা হয়; যেনে— বাট - বাটেদি (তুমি যাবা তোমাৰ বাটেদি); নদী - নদীয়েদী।
- *নিমিত্তাৰ্থ কাৰকৰ -অলৈঁ-লৈ ঃ* অসমীয়া ভাষাত নিমিত্তাৰ্থক কাৰকত ব্যঞ্জনান্ত শব্দত -অলৈ আৰু স্বৰান্ত শব্দত -লৈ বিভক্তি যোগ হয়; যেনে — ৰমেন ঘৰলৈ গ'ল, আমি কালিলৈ দিল্লীলৈ যাম ইত্যাদি।

- *সম্বন্ধপদৰ -অৰ ঁ-ৰ ঃ* সম্বন্ধ, স্বত্ব, গৰাকী আদি ভাব বুজোৱা সম্বন্ধ পদ বা সম্বন্ধবাচক কাৰক বুজাবলৈ ব্যঞ্জনান্ত শব্দত -অৰ আৰু স্বৰান্ত শব্দত -ৰে লগ লাগে; যেনে — ৰহিলাৰ ঘৰ বৰপেটাত, কৰিমৰ কথাই বেলেগ ইত্যাদি। মানুহ বাচক বিশেষ্য পদৰ লগত -ৰ দ্বাৰা যোগ দি যৌগিক উপায়ে কৰণ কাৰকৰ পদ গঠন কৰা হয়; যেনে— তাৰ দ্বাৰা নহ'ব। সম্বন্ধপদৰ -অৰ ঁ-ৰ বিভক্তিৰ সহায়ৰ কৰণ আৰু অপাদান কাৰক প্ৰকাশ কৰা লক্ষ্য কৰা যায়। এই বিভক্তিৰ পিছত দ্বাৰা, দ্বাৰাই, হতুৱাই, সৈতে আদি অনুপদ বহুৱাই কৰণ কাৰকৰ অৰ্থ প্ৰকাশ কৰা হয়; যেনে — কামটো ৰামৰ দ্বাৰা কৰালোঁ, হৰিৰ হতুৱাই বস্তুটো অনালোঁ, বাণ ৰজাৰ সৈতে অনিৰুদ্ধৰ যুদ্ধ হৈছিল ইত্যাদি। আকৌ এই বিভক্তিৰ পিছত পৰা অনুপদ বহুৱাই অপাদান কাৰকৰ অৰ্থ প্ৰকাশ কৰা হয়। অসমীয়াত অপাদান কাৰক বুজাবলৈ আন উপায় নথকাটো মন কৰিবলগীয়া বিষয়; যেনে — সি দোকানৰ পৰা বস্তু কিনিছে, কিতাপখন ৰামৰ পৰা আনিছোঁ ইত্যাদি। ইয়াৰ উপৰি -অৰ ঁ-ৰ বিভক্তিৰ পিছত প্ৰতি, নিমিত্তে, কাৰণে, বাবে আদি বিবিধ অনুপদ বহুৱাইও বিভিন্ন ভাব প্ৰকাশ কৰা হয়।
- *অধিকৰণ কাৰকৰ -অত ঁ-ত ঁ–এ ঃ* স্থান, কাল, পাত্ৰ বা আধাৰ অথবা নিহিত অৰ্থ বুজাবলৈ অসমীয়া ভাষাত ব্যঞ্জনান্ত শব্দত -অত আৰু স্বৰান্ত শব্দত -ত বিভক্তি যোগ দি অধিকৰণ কাৰকৰ ভাব প্ৰকাশ কৰা হয়; যেনে— তেওঁ ঘৰত নাই, ৰামায়ণত ৰাম-ৰাৱণৰ যুদ্ধৰ কথা আছে, পৰ্বতত কাছকণী পোৱা নাযায়, মৰুভূমিত বৰ গৰম।

  বিভক্তি সংযুক্ত কৰিও কেতবোৰ ক্ষেত্ৰত অধিকৰণৰ ভাব প্ৰকাশ কৰা হয়, আন কথাত অধিকৰণ কাৰকৰ বিভক্তিৰ আৰু এটা চিন আছে। সেয়া হ'ল -এ; যেনে — অসমৰ দক্ষিণে মেঘালয় ৰাজ্য, ঘৰে ঘৰে ৰং ধেমালিৰ হাট, বিনা ধনে কোনো কাম কৰিব নোৱাৰি ইত্যাদি।
- *বিভক্তি সংযোগৰ নিয়মাৱলী ঃ* ওপৰৰ আলোচনাৰ পৰা শব্দ বিভক্তিবোৰে প্ৰকাশ কৰা কাৰ্য তথা অৰ্থৰ বিষয়ে আপুনি অৱগত হ'ল। এতিয়া এই বিভক্তিবোৰৰ সংযোগ সম্বন্ধে কিছু কথা আলোচনা কৰিম। তলত উল্লেখ কৰা কথাখিনিৰ পৰা আপুনি সেই বিষয়ে খৰচি মাৰি জানিব পাৰিব
  - আগতেই কোৱা হৈছে যে কাৰক বিভক্তি পদৰ অন্তিম সৰ্গ শব্দ বিভক্তিবোৰ কেতবোৰ ক্ষেত্ৰত পোনে পোনে মূল প্ৰাকৃতি বা প্ৰাতিপদিকটোৰ লগত সংযুক্ত হয়; যেনে — মানুহ (মানুহ +ϕ), ৰামে (ৰাম + এ), সীতাই (সীতা + ই), হৰিক (হৰি + ক), বাটেৰে (বাট + এৰে), চহৰলৈ (চহৰ + অলৈ), কৃষ্ণৰ (কৃষ্ণ + ৰ), যোৰহাটত (যোৰহাট + অত) ইত্যাদি।
  - প্ৰাতিপদিকটোৰ লগত প্ৰত্যয় যোগ হ'লে, শব্দ বিভক্তিবোৰ প্ৰত্যয়ৰ পিছত যোগ হয়; যেনে — (মোৰ) খুৰী, খুৰীয়ে, খুৰীক, খুৰীৰে, খুৰীলৈ, খুৰীৰ,

খুৰীত; কলিতানী, কলিতানীয়ে, কলিতানীক ইত্যাদি। উদাহৰণ কেইটাৰ খুৰী আৰু কলিতানী শব্দ দুটাত যথাক্রমে '-ঈ' আৰু '-নী' স্ত্রীবাচক প্রত্যয় লগ লাগিছে আৰু শব্দ বিভক্তিবোৰ তাৰ পিছত সংযুক্ত হৈছে।

- শ্রেণী নির্দেশক বা নির্দিষ্টতাসূচক প্রত্যয় যোগ হ'লে শব্দ বিভক্তিবোৰ তাৰ পিছত লগ লাগে; যেনে—ল'ৰাটো, ল'ৰাটোৱে, ল'ৰাটোক, ল'ৰাটোৰে, ল'ৰাটোলৈ ইত্যাদি।
- সম্বন্ধবাচক বিশেষ্যত পুৰুষ অনুসাৰে লগ লগা প্রাকৃতিবোৰৰ পিছত যোগ হয়; যেনে— মোৰ মাই, তোৰ মাৰাই, তোমাৰ শাহুৰেৰালৈ, তাৰ মাকৰ ইত্যাদি।
- বহুবচন বুজোৱা প্রাকৃতিৰ পিছত যোগ হয়; যেনে — মানুহবিলাক, মানুহবিলাকে, মানুহবিলাকলৈ, ৰামহঁতৰ ইত্যাদি
- শব্দ বিভক্তি যোগ হৈ সৃষ্টি হোৱা কাৰক পদৰ পিছত জোৰ বুজোৱা প্রত্যয় যোগ হ'ব পাৰে; যেনে — বজাৰতেই (বজাৰ - অত - এই) বস্তু নাই, সমাজে হৰিধনকো (হৰিধন - অক -ও) দণ্ড কৰিলে, বালীলৈ যিপাট সুগ্রীৱলৈও (সুগ্রীৱ - অলৈ - ও) সেইপাট ইত্যাদি।
- শব্দ-বিভক্তিযুক্ত পদৰ পিছত সম্ভাৱনা, সন্দেহ, অনুৰোধ আদি অর্থত অনুপদ বহিব পাৰে; যেনে — ঘৰত দেখোন মানুহেই নাই, আপোনাক হ'বলা আহিবলৈ কৈছিল ! তাক দেখোন কেতিয়াবাই যাবলৈ কৈছিলোঁ ইত্যাদি।
- কর্তা আৰু অধিকৰণ কাৰকৰ -এ বিভক্তি সংযোগ হোৱা পদৰ অভ্যাস হ'ব পাৰে; যেনে — ৰজাই ৰজাই ৰণ-বিগ্রহ, বাটে বাটে, ৰাস্তাই ৰাস্তাই ইত্যাদি। কেতিয়াবা অভ্যস্ত পদৰ দ্বিতীয় পদটো ভিন্ন হোৱাও দেখা যায়; যেনে — আকাশে-বতাহে, পাহাৰে-ভৈয়ামে ইত্যাদি।
- অধিকৰণ কাৰকৰ -অতঁ-ত বিভক্তি যুক্ত পদৰ পিছত -কৈ বহুৱাই বিশেষণৰ তাৰতম্য বুজোৱা হয়; ৰূপতকৈ সোণৰ মূল্য অধিক, ৰুমীতকৈ ৰূবী চাপৰ ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ অসমীয়া ভাষাত '-এ' শব্দ-বিভক্তিৰ চিনটোৱে কি কি কাৰকৰ কার্য সম্পাদন কৰে?

.....

প্রশ্ন নং ৬ ঃ অসমীয়া ভাষাত সম্বন্ধ পদৰ -অৰঁ-ৰ বিভক্তিৰ পিছত কি কি কাৰকৰ অর্থত কি কি অনুপদ বহে?

.....

প্ৰশ্ন নং ৭ ঃ -অকঊ-ক, -এৰেঊ-ৰে, -অলৈঊ-লৈ আৰু -অতঊ-ত এই শব্দ বিভক্তি কেইটাই কি কি কাৰকৰ অর্থ প্ৰকাশ কৰে?

.....

প্ৰশ্ন নং ৮ ঃ কর্তা আৰু কর্ম কাৰকত শূন্য বিভক্তিৰ প্ৰয়োগ দেখুৱাওক।

.....

প্ৰশ্ন নং ৯ ঃ কর্তাকাৰকৰ -এ বিভক্তি কি কি পৰিস্থিতিত -ই -লৈ ৰূপান্তৰিত হয়?

.....

১২.৪.৩ অসমীয়া ভাষাৰ ক্ৰিয়া-বিভক্তি

অসমীয়া ভাষাত বিভিন্ন ধাতুত পুৰুষ, কাল আৰু দশাবাচক যিবোৰ চিহ্ন লগ লাগি ক্ৰিয়াপদ গঠন কৰে সেইবোৰক ক্ৰিয়া-বিভক্তি বোলা হয়; যেনে — খা + ওঁ = খাওঁ, কৰ + আ = কৰা, ধৰ্ + ইছ্ + ইল্ + ϕ = ধৰিছিল ইত্যাদি।

অসমীয়া ভাষাত ক্ৰিয়াপদৰ জৰিয়তে তিনিটা কাল আৰু দুটা দশা বুজোৱা হয়। সেইকেইটা তলত দিয়া ধৰণৰ —

কাল ঃ অতীত কালবাচক -ইল-ঊ-ল- প্ৰাকৃতিযুক্ত ক্ৰিয়াপদ;
ভৱিষ্যত কালবাচক - ইব- ঊ -ব - (-ইম-ঊ-ম-) প্ৰাকৃতিযুক্ত ক্ৰিয়াপদ।
বর্তমান কাল বাচক কোনো প্ৰাকৃতি বা বিভক্তি নাই।

দশা ঃ সম্পন্ন দশাবাচক -ইছ্ - প্ৰাকৃতিযুক্ত ক্ৰিয়াপদ;

অসমীয়া ভাষাত অনুজ্ঞাভাব (mood)বাচক স্বতন্ত্ৰ প্ৰাকৃতি পাবলৈ নাই। ধাতুৰূপ কৰোঁতে ভিন্ন পুৰুষবাচক বিভক্তি যোগ দি অনুজ্ঞা অর্থ প্ৰকাশ কৰা হয়।

মন কৰিবলগীয়া যে অসমীয়া ভাষাৰ -ইল-ঊ-ল-, -ইব-ঊ-ব- (-ইম-ঊ-ম-) আৰু -ইছ্- —এই প্ৰাকৃতিকেইটাৰ বিভক্তিৰ মর্যাদা নাই। ইহঁতে কাল আৰু দশাবাচক ধাতুশব্দহে সাধন কৰে। এই ফালৰ পৰা ইহঁতক কৃৎ প্ৰত্যয় বোলা যুগুত। এই প্ৰত্যয়কেইটাৰ সংযোগত গঠন হোৱা ধাতুশব্দত যোগ হোৱা -ওঁ, -আ, -অ, আৰু -এ এই পুৰুষবাচক প্ৰাকৃতি কেইটাকহে ক্ৰিয়া-বিভক্তি বুলিব পাৰি।

-ইল- যুক্ত হ'লে স্বৰূপ ভূতৰ পূর্ণ (past perfective)কালৰ ক্ৰিয়াপদ গঠন হয়; যেনে — মই পঢ়িলোঁ, তুমি পঢ়িলা, তই পঢ়িলি, তেওঁ পঢ়িলে।

-ইব- (-ইম) হ'লে ভৱিষ্যত কালৰ ক্ৰিয়াপদ পোৱা যায়; যেনে — মই পঢ়িম, তুমি পঢ়িবা, তই পঢ়িবি, তেওঁ পঢ়িব।

-ইছ্ — প্ৰাকৃতি যুক্ত ক্ৰিয়াপদে ঘটমান দশা বা চলি থকা বুজায়। কেতিয়াবা কিন্তু ই পূর্ণ দশাও বুজাব পাৰে। -ইছ্- কাল নিৰপেক্ষ প্ৰাকৃতি। বর্তমান কাল বুজাবলৈ এই প্ৰাকৃতিটো ধাতুটোৰ পিছত যোগ হয় আৰু ইয়াৰ পিছত পুৰুষবাচক প্ৰাকৃতি লগ

লাগে। আনহাতে অতীত কাল বুজাবলৈ এই প্ৰাকৃতিটোৰ লগত -ইল যোগ হৈ -ইছিল ৰূপে প্ৰয়োগ হয় আৰু ইয়াৰ পিছত একেদৰে পুৰুষবাচক প্ৰাকৃতি যুক্ত হয়। ভৱিষ্যত কালবাচক -ইব-ৰ লগত ইয়াৰ প্ৰয়োগ পোৱা নাযায়। -ইছ্- যুক্ত ধাতুশব্দত ক্ৰিয়া-বিভক্তি যোগ হৈ সৃষ্টি হোৱা ক্ৰিয়াপদে প্ৰধানকৈ বৰ্তমান কালৰ দশা বুজায় যদিও অতীত আৰু ভৱিষ্যত অৰ্থও প্ৰকাশ কৰিব পাৰে। যেনে —

বৰ্তমান কালৰ দশা ঃ মই ভাত খাইছোঁ, অলপ ৰ'ৱা!

অতীত কাল ঃ মই ছবিখন চাইছোঁ, আৰু নাচাওঁ।

ভৱিষ্যত কাল ঃ মই আহিছোঁ, ৰ'ৱা!

উদাহৰণ কেইটাৰ প্ৰথম বাক্যটোৰ 'খাইছোঁ' ক্ৰিয়াপদে বৰ্তমানত চলি থকা বুজাইছে, দ্বিতীয় বাক্যৰ 'চাইছোঁ' ক্ৰিয়াপদে অদূৰ অতীতৰ অৰ্থ প্ৰকাশ কৰিছে আৰু তৃতীয় বাক্যৰ 'আহিছোঁ' ক্ৰিয়াপদে অদূৰ ভৱিষ্যত বুজাইছে।

অতীত কালসূচক -ইল-ৰ আগত -ইছ্- যোগ হ'লে অতীত কালৰ অৰ্থ প্ৰকাশ হয়। এনেদৰে সৃষ্টি হোৱা ক্ৰিয়াপদে সুদূৰ অতীতৰ দুটা দশা বুজাব পাৰে। যেনে —

ঘটমান অতীত ঃ তুমি খেলি থাকোঁতে মই ভাত খাইছিলোঁ।

পূৰ্ণ অতীত ঃ মই ব্যাকৰণ পঢ়িছিলোঁ। সি দিল্লীলৈ গৈছিল।

-ইল- আৰু -ইব- এই দুটা কালবাচক প্ৰাকৃতিৰ সংযোগত কৃদন্ত পদো গঠন হোৱা দেখা যায়; যেনে— গ'ল কথা গুছিল, পকিল কল সোৱাদলৈ হ'ল, পাৰিছিলোঁ, দিব পাৰোঁ, দিব পাৰিম, কৰিবলৈ গ'লোঁ, কৰিবলৈ যাওঁ, কৰিবলৈ যাম, পঢ়িবৰ মন নাই ইত্যাদি।

মন কৰিবলগীয়া যে সাম্প্ৰতিক কালত কথিত অসমীয়াত ঘটমান বা চলিত অতীত বুজাবলৈ যৌগিক ক্ৰিয়াপদহে ব্যৱহাৰ কৰা হয়; যেনে— খাই আছিলোঁ, গৈ আছিলোঁ ইত্যাদি।



জানি থোৱা ভাল

পৰম্পৰাগতভাৱে চলি অহা অসমীয়া ব্যাকৰণবোৰত ক্ৰিয়া-বিভক্তিৰ ফলাখনত এনে ধৰণৰ বিভক্তি উল্লেখ প্ৰত্যক্ষ কৰা যায় —

কাল	ভাব	বিভক্তি			
		প্ৰথম পুৰুষ	দ্বিতীয় পুৰুষ	দ্বিতীয় পুৰুষ	তৃতীয় পুৰুষ
			তুচ্ছ	*মান্য*	
বৰ্তমান	নিৰ্দেশক	ওঁ	অ	আ	ওঁ ই
	অনুজ্ঞা	-	-ϕ	আ	অকঁ ওক

পূর্ণ বর্তমান	-	ইছোঁ	ইছ	ইছা	ইছে
ভূত	-	লোঁ	লি	লা	লে
পূর্ণভূত	-	ইছিলোঁ	ইছিলি	ইছিলা	ইছিল
ভৱিষ্যত	-	ম	বি	বা	ব

তালিকাখনৰ -ইছ্ দৰাচলতে কালসূচক প্রত্যয়হে। এইকেইটাৰ ক্রিয়া সংযোগত কৃদন্ত পদো গঠন হয়। -ওঁ, -অ, -ϕ, আ, -এ আৰু -অকঁ-ওক পুৰুষসূচক বিভক্তি।

ওপৰৰ আলোচনাৰ পৰা যি জনা গ'ল তাৰ ভিত্তিত ৰূপগতভাৱে কাল আৰু দশাবাচক কৃৎ-প্রত্যয়ৰ পিছত সংযোগ হোৱা অসমীয়া ক্রিয়া-বিভক্তিৰ ফলাখন তলত দিয়া ধৰণে লিখি উলিয়াব পাৰি —

তালিকা ১২.৩ ঃ ৰূপগতভাৱে কাল আৰু দশাবাচক কৃৎ-প্রত্যয়ৰ পিছত সংযোগ হোৱা অসমীয়া ক্রিয়া-বিভক্তিৰ ফলা

প্রধান কাল	কাল আৰু দশা	কাল সূচক প্রত্যয়	পুৰুষবাচক বিভক্তি				
			প্রথম পুৰুষ	দ্বিতীয় পুৰুষ		তৃতীয় পুৰুষ	
				তুচ্ছ	মান্য	ব্যঞ্জনান্ত আৰু অন্য স্বৰান্ত ধাতুত	অ/আ স্বৰান্ত ধাতুত
বর্তমান	অনুজ্ঞা (দশা)	-	-	-ϕ	আঁ/আঁ	অক	ওক
	নিত্য বর্তমান	-	ওঁ	অ	আ	এ	য়
	স্বৰূপ বর্তমান	ইছ্	ওঁ	অ	আ	এ	
ভূত	স্বৰূপ ভূত	ইল্/ল্	ওঁ	ই	আ	এঁ-ϕ	
	অপূর্ণ ভূত	ইছ্ঁ ইল্ঁ ল্	ওঁ	ই	আ	-ϕ	
ভৱিষ্যত	ভৱিষ্যত	ইব/ব	ইম/ম	ই	আ	-ϕ	

মন কৰিবলগীয়া যে অসমীয়া ক্রিয়া বিভক্তিবোৰে পুৰুষৰ সৈতে সঙ্গতি ৰক্ষা কৰি চলে। অর্থাৎ বিভিন্ন পুৰুষত এই বিভক্তিবোৰৰ ৰূপ সুকীয়া সুকীয়া হয়। সিপিঠিত কৰ্ আৰু খা ধাতুত ক্রিয়া বিভক্তিবোৰৰ সংযোগ দেখুৱাই এখন তালিকা দিয়া হ'ল।

➢ *অসমীয়া ক্রিয়া-বিভক্তিসমূহৰ ৰূপ ঃ*

❍ অসমীয়া ভাষাত প্রথম পুৰুষত ধাতুশব্দৰ লগত কালবাচক প্রত্যয় যোগ হোৱাৰ পিছত -ওঁ বিভক্তি লগ লাগে; যেনে — যাওঁ (যা-ওঁ), গৈছোঁ (যা-গ-ইছ্-ওঁ), গ'লোঁ (যা-গ -ইল্-ওঁ), গৈছিলোঁ (যা-গ-ইছ্-ইল্-ওঁ), যাম (যা-ম্)। ব্যঞ্জনান্ত ধাতুত ইম্ আৰু স্বৰান্ত ধাতুত ম্ লগ লাগে।

তালিকা ১২.৪ ঃ কৰ্ আৰু খা ধাতুত ক্রিয়া বিভক্তিবোৰৰ সংযোগ

প্রধান কাল	কাল আৰু দশা	কালসূচক প্রত্যয়	প্রথম পুৰুষ	পুৰুষবাচক বিভক্তি			
				দ্বিতীয় পুৰুষ		তৃতীয় পুৰুষ	
				তুচ্ছ	মান্য	ব্যঞ্জনান্ত আৰু অন্য স্বৰান্ত	অ/আ স্বৰান্ত
	অনুজ্ঞা দশা	-	-	কৰ + ϕ = কৰ্ খা + ϕ = খা	কৰ + আঁঅাঁ = কৰাঁ কৰাঁ খা+আঁঅাঁ =খোৱাঁখোৱাঁ	কৰ+অক =কৰক	খা+ওক = খাওক
বর্তমান	নিত্য বর্তমান	-	কৰ্ + ওঁ= কৰোঁ খা + ওঁ = খাওঁ	কৰ + অ = কৰ খা + অ = খাৱ	কৰ + আ = কৰা খা + আ = খোৱা	কৰ + এ = কৰে	খা+ য় = খায়
	স্বৰূপ বর্তমান	ইছ্	কৰ্-ইছ্ +ওঁ = কৰিছোঁ খা - ইছ্ +ও = খাইছোঁ	কৰ্ - ইছ্ +অ = কৰিছ খা - ইছ্ +অ = খাইছ	কৰ - ইছ্ +আ = কৰিছা খা - ইছ্ +আ = খাইছা	কৰ্ - ইছ্ +এ = কৰিছে খা - ইছ্ +এ = খাইছে	
ভূত	স্বৰূপ ভূত	ইল্ ঁ ল্	কৰ্ - ইল+ওঁ = কৰিলোঁ খা- ল্ +ওঁ = খালোঁ	কৰ্ - ইল +ই = কৰিলি খা- ল্ +ই = খালি	কৰ্ - ইল +আ= কৰিলা খা- ল্ +আ = খালা	কৰ্ - ইল +এ = কৰিলে খা- ল্ +এ = খালে	
	অপূর্ণ ভূত	ইছ্-ইলঁল্	কৰ্-ইছ্-ইল্ +ওঁ=কৰিছিলোঁ খ-ইছ্-ইল্ +ওঁ = খাইছিলোঁ	কৰ্-ইছ্-ইল্+ই =কৰিছিলি খা-ইছ্-ইল্+ই =খাইছিলি	কৰ্-ইছ্-ইল্ +আ=কৰিছিলা খা-ইছ্-ইল্+আ =খাইছিলা	কৰ্- ইছ্ - ইল্ +-ϕ= কৰিছিল খা- ইছ্ - ইল্ +-ϕ= খাইছিল	
ভৱিষ্যত	ভৱিষ্যত	ইৱ ঁৱঁইম্ঁম্	কৰ্ + ইম = কৰিম খা + ম = খাম	কৰ্- ইব +ই = কৰিবি খা- ব +ই = খাবি	কৰ্- ইব +আ = কৰিবা খা- ব +আ = খাবা	কৰ্- ইব +-ϕ = কৰিব খা- ব +-ϕ = খাব	

- দ্বিতীয় পুৰুষৰ তুচ্ছার্থত ϕঁঅঁই বিভক্তি লগ লাগে। তলত বিভক্তি কেইটাৰ সংযোগৰ নিয়মসমূহ উল্লেখ কৰা হ'ল —
  (ক) বর্তমান কালৰ অনুজ্ঞা দশাত ϕ [শূন্য) বিভক্তি লগ লাগে; যেনে — তই যা (যা-ϕ], তইআহ(আহ-ϕ], তইপঢ়(পঢ়-ϕ] ইত্যাদি।
  (খ) নিত্য বর্তমান আৰু স্বৰূপ বর্তমান কালত ধাতুৰ পিছত অ বিভক্তি যোগ হয়; যেনে — তই যাৱ (যা-অ), তই খাৱ (খা-অ), তই আহ (আহ-অ) ইত্যাদি
  (গ) ভূত কালত (স্বৰূপ আৰু অপূর্ণ উভয়তে) আৰু ভৱিষ্যত কালত ধাতুৰ পিছত কালসূচক প্রত্যয় যোগ হয় আৰু তাৰ পিছত ই বিভক্তি লগ লাগে, যেনে — তই কৰিলি (কৰ্-ইল্-ই), তই পঢ়িছিলি (পঢ়-ইছ্ -ইল্-ই), তই লিখিবি (লিখ্- ইব্-ই) ইত্যাদি।
- দ্বিতীয় পুৰুষৰ মান্যার্থত -আঁ-আঁ বিভক্তিৰ সংযোগ হয়। বর্তমান কালৰ অনুজ্ঞা দশাত উজনি অসমৰ অঞ্চল বিশেষে কোনো কোনো মানুহৰ মুখত বিভক্তিটোৰ অনুনাসিক উচ্চাৰণ (আঁ) স্পষ্টভাৱে শুনা যায়। কোনো কোনোৱে লিখোতেওঁ -আঁ হিচাপে লিখে; যেনে — তুমি কামটো কৰাঁ, কথাখিনি তুমি এনেদৰে লিখাঁ, এইখিনি ভালদৰে পঢ়াঁ, ইত্যাদি। এই ব্যতিক্রমটোৰ বাহিৰে দ্বিতীয় পুৰুষৰ মান্যার্থক বিভক্তিটো আটাইবোৰ কাল আৰু দশাত -আ হয়; যেনে — কৰা (কৰ্- আ), ধৰা (ধৰ্-আ), পঢ়িছা (পঢ়-ইছ্-আ), লিখিলা (লিখ্-ইল্-আ), আহিছিলা (আহ-অছ্-ইল-আ), আহিবা (আহ-ইব্- আ) ইত্যাদি। অনুজ্ঞা ভাবটো এই ৰূপেই হয়।

  দ্বিতীয় পুৰুষৰ সম্ভ্রমার্থত অর্থাৎ অতি সন্মানত, ভৱিষ্যৎ ভিন্ন অন্য কালত -এ, -ϕ আৰু অনুজ্ঞা ভাবত -অকঁ-তক পুৰুষ বিভক্তি যুক্ত হয়। স্বৰূপার্থত দ্বিতীয় পুৰুষৰ সম্ভ্রামার্থ আৰু তৃতীয় পুৰুষৰ পুৰুষ বিভক্তি একে।
- অসমীয়া ভাষাত তৃতীয় পুৰুষৰ সৈতে সংগতি ৰক্ষা কৰা ক্রিয়া-বিভক্তি হৈছে -অকঁ–ওক, -এঁ–য়, -ϕ। এই বিভক্তিকেইটাৰ সংযোগৰ নিয়মবোৰ তলত দিয়া ধৰণে ফঁহিয়াই দেখুৱাব পাৰি; —
  (ক) বর্তমান কালৰ অনুজ্ঞা দশাত অ-কাৰান্ত আৰু আ-কাৰান্ত ধাতু শব্দত -ওক, আৰু অন্য স্বৰান্ত আৰু ব্যঞ্জনান্ত ধাতু শব্দত -অক যোগ দিয়া হয়; যেনে — সি কওক (ক-ওক), সি চাওক (চা--ওক), সি নিয়ক (নি-অক), সি ধোৱক (ধো-অক), ইত্যাদি।
  (খ) নিত্য বর্তমান কালত -এ যোগ হয়। অৱশ্যে সংশ্লিষ্ট ধাতু অ-কাৰান্ত বা আ- কাৰান্ত হ'লে -এ-ৰ সলনি -য় যোগ হয়; যেনে — সি পঢ়ে (পঢ়-এ), সি কয় (ক-য়), সি যায় (যা-য়) ইত্যাদি।

(গ) স্বৰূপ বৰ্তমান কালত ধাতুৰ লগত ইছ্ কালসুচক প্ৰাকৃতি যোগ হোৱাৰ পিছত -এ বিভক্তি লগ লাগে; যেনে — তেওঁ পঢ়িছে (পঢ়্- ইছ্-এ), তাই কান্দিছে (কান্দ্-ইছ্-এ) ইত্যাদি।

(ঘ) স্বৰূপ ভূত কালত কালসূচক ব্যঞ্জনান্ত -ইল্ প্ৰাকৃতি ধাতুৰ সৈতে লগ লাগে আৰু তাৰ পিছত সকৰ্মক ধাতুত এ আৰু অকৰ্মক ধাতুত -ϕ (শূন্য) বিভক্তি যোগ হয়; যেনে — সি পঢ়িলে (পঢ়্-ইল-এ), সিহঁত আহিল (আহ্-ইল-ϕ)। এই উদাহৰণ দুটাৰ পঢ় সকৰ্মক আৰু আহ অকৰ্মক ধাতু। মন কৰিবলগীয়া যে হাঁহ, কান্দ, নাচ, আদি কেইটামান ধাতু অকৰ্মক যদিও এইবোৰত -ϕ (শূন্য) বিভক্তি নহৈ -এ বিভক্তিৰহে সংযোগ ঘটে; যেনে — ল'ৰাটোৱে হাঁহিলে (হাঁহ্- ইল্-এ), মানুহজনীয়ে কান্দিলে (কান্দ-ইল্-এ), সিহঁতে সাঁতুৰিলে (সাঁতোৱ্- ইল্-এ), ইত্যাদি।

(ঙ) অপূৰ্ণ ভূত কালত ইছ্-ইল্ (ইছিল) প্ৰাকৃতি ধাতু শব্দত যোগ হোৱাৰ পিছত -ϕ (শূন্য) পুৰুষ বিভক্তি যোগ হয়; যেনে — ল'ৰাকেইজন আহিছিল (আহ্-ইছ্ -ইল্-ϕ), বনুৱাবোৰে কাম কৰিছিল (কৰ্-ইছ্-ইল্-ϕ) ইত্যাদি। সাম্প্ৰতিক কালৰ কথিত অসমীয়াত -ϕ ঠাই -এ দখল কৰিছে।

(চ) ভৱিষ্যত কালসূচক -ইম আৰু -ইব প্ৰাকৃতি ধাতু শব্দত সংযোগ হোৱাৰ পিছত অপূৰ্ণ ভূত কালৰ দৰে -ϕ (শূন্য) বিভক্তি যোগ হয়; যেনে — মই কৰিম, সিহঁত আহিব (আহ-ইব-ϕ), তাই নাচিব (নাচ-ইব-ϕ) ইত্যাদি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১০ ঃ অসমীয়া ক্ৰিয়া বিভক্তিবোৰে কিহৰ লগত সংগতি ৰক্ষা কৰে?

.....

প্ৰশ্ন নং ১১ ঃ অসমীয়া ভাষাত কাল আৰু দশা বাচক প্ৰাকৃতি কি কি?

.....

প্ৰশ্ন নং ১২ ঃ অসমীয়া ভাষাত বিভিন্ন পুৰুষত যোগ হোৱা ক্ৰিয়া বিভক্তিবোৰৰ এখন তালিকা যুগুত কৰক।

.....

প্ৰশ্ন নং ১৩ ঃ শুদ্ধ অশুদ্ধ নিৰ্ণয় কৰক —

(ক) অসমীয়া ভাষাত -ইছ্- ইল্- ইছিল আৰু -ইব ক্ৰিয়া বিভক্তি।

(খ) অসমীয়া ভাষাৰ নিত্য বৰ্তমান কালৰ প্ৰথম পুৰুষৰ বিভক্তি হৈছে -ওঁ।

(গ) স্বৰূপ ভূত কালত দ্বিতীয় পুৰুষৰ তুচ্ছাৰ্থত -ই বিভক্তি ধাতুশব্দৰ পিছত যোগ হয়।

(ঘ) বৰ্তমান কালৰ অনুজ্ঞা দশাত দ্বিতীয় পুৰুষৰ মান্যার্থত বিকল্পে আ ঁআঁ যোগ হয়।
(ঙ) অসমীয়া ভাষাৰ ভৱিষ্যত কালসূচক প্ৰাকৃতিটো হৈছে ইব।
.....
.....



১২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ যোগেদি আমি অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক দিশৰ এটা প্ৰধান বিষয় কাৰকৰ বিষয়ে জানিব পাৰিলোঁ।
- প্ৰচলিত ব্যাকৰণবোৰত উল্লেখ আছে যদিও প্ৰকৃত বিচাৰত অসমীয়া ভাষাত সম্প্ৰদান কাৰক পাবলৈ নাই। সম্প্ৰদান অর্থত অসমীয়াত কর্ম কাৰকৰ বিভক্তিহে লগ লাগে। মন কৰিবলগীয়া কথাটো হ'ল অসমীয়াত প্ৰতি, অভিমুখ, নিমিত্ত, লক্ষ্য, উদ্দেশ্য আদি অর্থত এটা বিশেষ কাৰকৰ ব্যৱহাৰ পোৱা যায়। ভাষাতত্ত্ববিদসকলে এই কাৰকটোক নিমিত্তার্থক কাৰকৰূপে নামকৰণ কৰিছে।
- অসমীয়া ভাষাত কাৰক সাধন কৰাৰ উপায় দুটা — (ক) শব্দ-বিভক্তি যোগ দি আৰু (খ) শব্দ-বিভক্তি -অৰ ঁ–ৰ পিছত অনুপদ সংযোগ কৰি।
- অসমীয়া ভাষাত অপাদান কাৰকৰ বাহিৰে বাকী আটাইকেইটা কাৰকৰ স্বতন্ত্ৰ বিভক্তি আছে। সম্বন্ধ পদৰ -অৰঁ–ৰ বিভক্তি যোগ দি তাৰ পিছত 'পৰা' অনুপদ বহুৱাই অসমীয়াত অপাদান কাৰকৰ অর্থ প্ৰকাশ কৰা হয়। -অৰঁ– ৰ বিভক্তিৰ পিছত দ্বাৰা, দ্বাৰাই অনুপদ বহুৱাই অসমীয়াত কৰণ কাৰকো প্ৰকাশ কৰিব পাৰি।
- এই অধ্যায়টিৰ যোগেদি আমি অসমীয়া ভাষাৰ শব্দ-বিভক্তি আৰু ক্ৰিয়া-বিভক্তিৰ বিষয়ে জানিব পাৰিলোঁ।
- অসমীয়া ভাষাত অপাদান কাৰকৰ বাহিৰে বাকী আটাইকেইটা কাৰকৰ স্বতন্ত্ৰ বিভক্তি আছে। সম্বন্ধ পদৰ -অৰঁ–ৰ বিভক্তি যোগ দি তাৰ পিছত 'পৰা' অনুপদ বহুৱাই অসমীয়াত অপাদান কাৰকৰ অর্থ প্ৰকাশ কৰা হয়। -অৰঁ– ৰ বিভক্তিৰ পিছত দ্বাৰা, দ্বাৰাই অনুপদ বহুৱাই অসমীয়াত কৰণ কাৰকো প্ৰকাশ কৰিব পাৰি।
- অসমীয়া ভাষাত ক্ৰিয়া-বিভক্তিসমূহে পুৰুষৰ সৈতে সংগতি ৰক্ষা কৰে। অর্থাৎ পুৰুষভেদে ক্ৰিয়া বিভক্তিও সুকীয়া হ'ব। পৰম্পৰাগত ব্যাকৰণসমূহত -ইছ্, -ইল্, -ইব বিভক্তি ৰূপে আলোচনা কৰা হৈছে যদিও ৰূপতাত্ত্বিক বিচাৰত ইহঁত কাল আৰু দশাবাচক প্ৰত্যয়হে। -ইল্ আৰু -ইব-ৰ জৰিয়তে অসমীয়াত কৃদন্ত পদো সাধন কৰা হয়। সামগ্ৰিক বিচাৰত অসমীয়া ভাষাত প্ৰথম

পুৰুষৰ -ওঁ; দ্বিতীয় পুৰুষৰ তুচ্ছার্থক -অ,-ই,-ϕ; দ্বিতীয় মান্যার্থক -আঁ–আঁ আৰু দ্বিতীয় পুৰুষ সম্ভ্রমার্থ আৰু তৃতীয় পুৰুষৰ -অক, -ওক, -এ, -য়, -ϕ — এইকেইটাকহে বিভক্তিৰ মর্যাদা দিব পাৰি। প্রথম পুৰুষৰ ভৱিষ্যত কালসূচক -ইম আৰু দ্বিতীয় আৰু তৃতীয় পুৰুষ -ইব।



১২.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

1] কাকতি, বাণীকান্ত [1996]Ê, *অসমীয়া ভাষাৰ গঠন আৰু বিকাশ;*(হাজৰিকা, বিশ্বেশ্বৰ অনুঃ); ৰৱপেটা ঃ বাণীকান্ত কাকতি জন্ম শতবার্ষিকী উদ্‌যাপন সমিতি (প্রথম প্রকাশ 1941)।

২) গোস্বামী, উপেন্দ্রনাথ [1997]Ê, *অসমীয়া ভাষাৰ ব্যাকৰণ;* গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

৩) গোস্বামী, উপেন্দ্রনাথ (1995); *অসমীয়া ভাষাৰ ৰূপ-কথা;* গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

4] গোস্বামী, গোলোকচন্দ্র [1999]Ê, *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

5] গোস্বামী, গোলোকচন্দ্র [2003]Ê, *অসমীয়া ব্যাকৰণ প্রৱেশ;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

6) গোস্বামী, গোলোকচন্দ্র (1996); *অসমীয়া বর্ণপ্রকাশ,* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

7) পাঠক, ৰমেশ (1988); *ব্যাকৰণ আৰু প্রাকৃতি বিজ্ঞান,* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

8] বৰা, লীলাৱতী শইকীয়া আৰু পাটগিৰি, দীপ্তি ফুকন (2003) (সম্পাঃ); *ভাষা-জিজ্ঞাসা;* গুৱাহাটী ঃ বনলতা।

9] বৰা, সত্যনাথ (1998); *বহল ব্যাকৰণ;* গুৱাহাটী।

10) বৰুৱা, ভীমকান্ত (1997); *অসমীয়া ভাষা;* ডিব্রুগড় ঃ বনলতা।

11] বৰুৱা, হেমচন্দ্র (1998); *অসমীয়া ব্যাকৰণ;* ডিব্রুগড় ঃ ডিব্রুগড় বিশ্ববিদ্যালয়।

12) ভৱালী, দেবানন্দ (1993); *অসমীয়া ভাষাৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

13) মেধি, কালিৰাম (1999); *অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

ইংৰাজী গ্রন্থ ঃ

১৪) Dutta Baruah, P. N. (1978). *A Comparative Analysis of the Morphological Aspects of Assamese and Oriya (Ph.D. Thesis).* Guwahati: Gauhati University.

১৫) Goswami, G. (1982). *Structure of Assamese.* Guwahati: Gauhati University.

১৬) Kakati, B. (2007). *Assamese : Its Formation and Development.* Guwahati: Lawyers Book Stall.



১২.৭ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ অসমীয়া ভাষাত কাৰক সাতবিধ — (1) কৰ্তাকাৰক, (2) কৰ্মকাৰক, (3) কৰণকাৰক, (4) নিমিত্তাৰ্থক কাৰক, (5) অপাদান কাৰক, (6) সম্বন্ধবাচক কাৰক আৰু (7) অধিকৰণ কাৰক।

২ নং প্ৰশ্নৰ উত্তৰ ঃ অসমীয়া ভাষাত কাৰক সাধনৰ উপায় দুটা — (1) শব্দ-বিভক্তি যোগ দি আৰু (2) সম্বন্ধবাচক কাৰকৰ -অৰû-ৰ বিভক্তিৰ পিছত অনুপদ ব্যৱহাৰ কৰি।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ, (খ) শুদ্ধ, (গ) শুদ্ধ, (ঘ) অশুদ্ধ, (ঙ) অশুদ্ধ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ

(ক)	ভাৰত-এ	=	কৰ্তা কাৰক
	চন্দ্রলোক- অলৈ	=	নিমিত্তাৰ্থক কাৰক
	মহাকাশযান-ϕ	=	কৰ্মকাৰক
(খ)	ৰমেন-ϕ	=	কৰ্তা কাৰক
	কলিকতা-লৈ	=	নিমিত্তাৰ্থক কাৰক।
(গ)	গজেন-অৰ	=	সম্বন্ধপদ
	তেজপুৰ-অত	=	অধিকৰণ কাৰক।
(ঘ)	সি (স-ই)	=	কৰ্তা কাৰক
	ীাপেঞ্চিল-এৰে	=	কৰণ কাৰক
(ঙ)	ছিলং -অত	=	অধিকৰণ কাৰক

৫ নং প্ৰশ্নৰ উত্তৰ ঃ কৰ্তা কাৰকৰ, কৰণ কাৰকৰ আৰু অধিকৰণ কাৰকৰ।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ কৰণ কাৰকৰ অৰ্থত 'দ্বাৰা' 'দ্বাৰাই' ঃ যেনে — কামটো ৰামৰ দ্বাৰা কৰোৱা হ'ল, তাৰ দ্বাৰাই অনালোঁ অপাদান কাৰক বুজাবলৈ 'পৰা' ; যেনে — তেওঁ ঘৰৰ পৰা আহিল। নিমিত্তাৰ্থক কাৰক বুজাবলৈ 'প্ৰতি' ; যেনে —ডাঙৰৰ প্ৰতি ভক্তিভাব ৰাখিবা।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ

-অক û-ক	ঃ	কৰ্মকাৰক
-এৰে û- ৰে	ঃ	কৰণ কাৰক
-অলৈ û- লৈ	ঃ	নিমিত্তাৰ্থক কাৰক
-অত û- ত	ঃ	অধিকৰণ কাৰক

৮ নং প্ৰশ্নৰ উত্তৰ ঃ

কৰ্তা কাৰক	ঃ	ৰাম আহিল। (ৰাম + ϕ = ৰাম)।
কৰ্মকাৰক	ঃ	ৰামে ভাত খালে। (ভাত +ϕ = ভাত)।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ কৰ্তাপদটো -অ-কাৰান্ত, -আ-কাৰান্ত নাইবা -এ-কাৰান্ত হ'লে -এ বিভক্তিৰ ঠাইত -ই বিভক্তিৰ প্ৰয়োগ হয়; যেনে —

অ - কাৰান্ত ঃ পাৰই খায় (পাৰ + ই),

আ- কাৰান্ত ঃ ল'ৰাই খেলে (ল'ৰা + ই),

আৰু এ - কাৰান্ত ঃ বিনোৱা ভাৱেই কয় (ভাৱে + ই)।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ বাক্যত ব্যৱহাৰ হওঁতে অসমীয়া ক্ৰিয়া-বিভক্তিবোৰে পুৰুষৰ লগত সংগতি ৰক্ষা কৰে।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ অসমীয়া ভাষাৰ কাল আৰু দশাবাচক প্ৰাকৃতিকেইটা হৈছে -ইছ্ -ইল্- আৰু -ইব।

১২ নং প্ৰশ্নৰ উত্তৰ ঃ

প্ৰথম পুৰুষ	ঃ	ওঁ
দ্বিতীয় পুৰুষ (তুচ্ছ)	ঃ	-ঀঁঅঁই
দ্বিতীয় পুৰুষ (মান্য)	ঃ	আঁআঁ
তৃতীয় পুৰুষ	ঃ	অকঁওক, এঁয়, -ঀ

১৩ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) অশুদ্ধ (খ) শুদ্ধ (গ) শুদ্ধ (ঘ) শুদ্ধ (ঙ) শুদ্ধ



১২.৮ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

ক) কৰ্তাকাৰক বুলিলে কি বুজায়?

খ) অসমীয়া ভাষাত অপাদান কাৰক চিহ্নিত কৰিবলৈ কি বিভক্তি ব্যৱহাৰ কৰা হয়?

গ) অসমীয়াত শুদ্ধ অৰ্থত সম্প্ৰদান কাৰক আছেনে?

ঘ) বিভক্তি আৰু প্ৰত্যয়ৰ পাৰ্থক্য কি?

ঙ) 'ক্ৰিয়া-বিভক্তি' কাক বোলা হয়?

চ) অসমীয়া ভাষাত তৃতীয় পুৰুষৰ সৈতে সংগতি ৰক্ষা কৰা ক্ৰিয়া-বিভক্তি কেইটা কি কি— উল্লেখ কৰক।

প্ৰশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ লিখক —

ক) 'যি বা যিহকে কৰা যায় অৰ্থাৎ ক্ৰিয়াৰ যি ব্যাপ্য' সেইটোৰ নাম কৰ্মকাৰক।

খ) ক্ৰিয়াপদৰ লগত হোৱা সম্বন্ধৰ ভিত্তিত অসমীয়া কাৰকক নটা ভাগত ভগাব পাৰি।

গ) অসমীয়াত শুদ্ধ অর্থত সম্প্রদান কাৰক নাই।

ঘ) এটা বিভক্তিৰ ঠাইত আন এটা বিভক্তিৰ প্রয়োগ অসমীয়া ভাষাৰ অন্যতম স্বতন্ত্র বৈশিষ্ট্য।

চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ কাৰক আৰু শব্দ-বিভক্তিৰ সম্পর্ক কি?

প্রশ্ন ২ ঃ কর্ম কাৰক সম্পর্কে এটি টোকা প্রস্তুত কৰক।

প্রশ্ন ৩ ঃ তলত দিয়া বোৰৰ একোটাকৈ টোকা প্রস্তুত কৰক —

(ক) কৰণ কাৰক (খ) অধিৰকণ কাৰক

প্রশ্ন ৪ ঃ বিভিন্ন কাৰকত লগ লগা বিভক্তিসমূহৰ এখন তালিকা প্রস্তুত কৰক।

প্রশ্ন ৫ ঃ বিভক্তি সংযোগৰ নিয়মাৱলী সম্পর্কে চমুকৈ লিখক।

প্রশ্ন ৬ ঃ 'অসমীয়া ক্রিয়া-বিভক্তিসমূহৰ ৰূপ' — এই বিষয়ে এটি টোকা যুগুত কৰক।

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ কাৰক কাক বোলে? অসমীয়া ভাষাত কেই প্রকাৰৰ কাৰক আছে? প্রতিবিধ কাৰকৰ বিষয়ে খৰচি মাৰি আলোচনা কৰক।

প্রশ্ন ২ ঃ অসমীয়া ভাষাত কাৰক সাধনৰ উপায় কি কি? কাৰক অনুসাৰে এই উপায়কেইটাৰ ব্যৱহাৰ দেখুৱাওক।

প্রশ্ন ৩ ঃ কাৰক আৰু শব্দ-বিভক্তিৰ সম্পর্ক কি? অসমীয়া ভাষাৰ শব্দ-বিভক্তিবোৰৰ এখন তালিকা প্রস্তুত কৰি একাধিক উদাহৰণেৰে সেইবোৰৰ প্রয়োগ দেখুৱাওক।

প্রশ্ন ৪ ঃ অসমীয়া ভাষাৰ শব্দ-বিভক্তিবোৰৰ এখন তালিকা প্রস্তুত কৰি একাধিক উদাহৰণেৰে সেইবোৰৰ প্রয়োগ দেখুৱাওক।

প্রশ্ন ৫ ঃ কাল, দশা আৰু পুৰুষ অনুসাৰে অসমীয়া ক্রিয়া-বিভক্তিবোৰৰ এখন তালিকা যুগুত কৰি 'ধৰ' বা 'যা' ধাতুৰ ক্রিয়াৰূপত সিবোৰৰ ব্যৱহাৰ দেখুৱাওক।

প্রশ্ন ৬ ঃ ক্রিয়া-বিভক্তি কাক বোলে? শব্দ-বিভক্তিৰ সৈতে এই বিভক্তিৰ পার্থক্য কি? -ইছ্- ইল্ আৰু -ইব-ক বিভক্তিৰ মর্যাদা দিব পাৰি নে? যুক্তি সহকাৰে আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৩ঃ অসমীয়া ভাষাৰ প্ৰত্যয়

অধ্যায় গাঁথনি

13.1 উদ্দেশ্য

13.2 পৰিচয়

13.3 অসমীয়া ভাষাৰ প্ৰত্যয়ৰ সাধাৰণ পৰিচয়

13.4 অসমীয়া ভাষাৰ সৰ্গ বা প্ৰত্যয়ৰ শ্ৰেণীবিভাজন

13.4.1 অসমীয়া ভাষাৰ অৱস্থানগত প্ৰত্যয়

13.4.2 অসমীয়া ভাষাৰ গুণগত প্ৰত্যয়

13.5 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

13.6 অধিক জানিবলৈ

13.7 অগ্ৰগতিৰ খতিয়ান

13.8 আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া ভাষাৰ প্ৰত্যয়ৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- অসমীয়া ভাষাৰ প্ৰত্যয়ৰ শ্ৰেণী বিভাজন কৰি দেখুৱাব পাৰিব
- শব্দ গঠন আৰু পদ সাধনত প্ৰত্যয়ৰ ভূমিকা সম্পৰ্কে জানিব পাৰিব
- কৃৎ আৰু তদ্ধিত প্ৰত্যয়ৰ সংযোগত নতুন নতুন শব্দ গঠন কৰিব পাৰিব
- নিৰ্দিষ্টতাবাচক, অনিৰ্দিষ্টতাবাচক, বহুবচনবাচক, স্ত্ৰীপ্ৰত্যয় আদি প্ৰত্যয়ৰ ধাৰণা স্পষ্ট হ'ব।

১৩.২ পৰিচয়

এই অধ্যায়ৰ পূৰ্বৱৰ্তী অধ্যায়টোত আমি সামগ্ৰিকভাৱে অসমীয়া ভাষাৰ বিভক্তিৰ অন্তৰ্গত বিভিন্ন দিশৰ বিষয়ে অধ্যয়ন কৰিলোঁ। এই অধ্যায়টোত আমি অসমীয়া ভাষাৰ প্ৰত্যয় সম্পৰ্কে বহলাই আলোচনা কৰিম।

স্মৰণযোগ্য যে বিভক্তিৰ আলোচনাত প্ৰত্যয় বিভাজনৰ সূত্ৰৰ লগতে বিভক্তিসমূহ যে সৰ্গৰে একোটা গুণগত বিভাজন সেই বিষয়েও আলোচনা কৰা হৈছে। তদুপৰি, বিভক্তিমূলক সৰ্গৰ বাক্যবিন্যাসগত কাৰ্যসাধক (Syntactical) হিচাপে শব্দবিভক্তি, ধাতুবিভক্তি, সম্বন্ধবাচক শব্দত যোগ হোৱা পুৰুষবাচক সৰ্গ, অসমাপিকা আৰু কৰ্মবাচ্য গঠন কৰা সৰ্গৰ বিষয়েও ইতিমধ্যে

বিভিন্ন অধ্যায়ত বিশদভাৱে আলোচনা কৰি অহা হৈছে। এই অধ্যায়ত আমি শব্দমূলক বা বুৎপত্তিমূলক (Derivatives) সৰ্গ বা প্ৰত্যয় আৰু ব্যাকৰণগত অৰ্থপ্ৰকাশক (Semantical) প্ৰত্যয় সম্পৰ্কে আলোচনা উপস্থাপন কৰিম।

১৩.৩ অসমীয়া ভাষাৰ প্ৰত্যয়ৰ সাধাৰণ পৰিচয়

ভাষাৰ ৰূপতত্ত্বৰ মূল আধাৰ ৰূপবোৰৰে এটা ভাগ হৈছে বদ্ধৰূপ। অসমীয়া ভাষাত এনে বদ্ধৰূপবোৰকে সাধাৰণতে সৰ্গ বা প্ৰত্যয় বোলা হয়। ইংৰাজীত ইয়াক affix শব্দই বুজোৱা হয়। 'সৰ্গ' আৰু 'প্ৰত্যয়' দুয়োটা শব্দই তৎসম শব্দ। সংস্কৃত ব্যাকৰণত 'সৰ্গ' আৰু 'প্ৰত্যয়ে' সামৰি লোৱা অৰ্থতকৈ অসমীয়া ব্যাকৰণে অলপ বহল পৰিসৰত ইয়াৰ অৰ্থ বহন কৰে। সংস্কৃতত 'সৰ্গ' শব্দৰ আগত 'উপ' যোগ হৈ সৃষ্টি হোৱা 'উপসৰ্গ' শব্দই কেৱল ধাতুৰ আগত যোগ হোৱা বদ্ধৰূপবোৰকহে (prefix) বুজায় আৰু প্ৰত্যয় শব্দই ধাতু আৰু শব্দৰ পাছত যোগ হোৱা বদ্ধৰূপক (suffix) বুজায়। অসমীয়া ব্যাকৰণবোৰত সংস্কৃতৰ দৰে উপসৰ্গ, প্ৰত্যয় আৰু বিভক্তি— এই তিনিওটা শব্দৰ প্ৰয়োগ আছে যদিও সামগ্ৰিকভাৱে অসমীয়াত সৰ্গ বা প্ৰত্যয় শব্দই ইংৰাজী affix-ৰ দৰে উপসৰ্গ, প্ৰত্যয় আৰু বিভক্তি — এই তিনিওবিধ বদ্ধৰূপকে সামৰি লয়। সৰ্গ বা প্ৰত্যয়বোৰে স্বাধীনভাৱে অৰ্থ প্ৰকাশ কৰিব নোৱাৰে। মূল ৰূপ অৰ্থাৎ শব্দ বা ধাতুৰ আগত বা পাছত যোগ কৰিলেহে ইহঁতে অৰ্থ প্ৰকাশ কৰাৰ ক্ষমতা লাভ কৰে। গতিকে যিবোৰ বদ্ধৰূপে কোনো মূল ৰূপৰ আশ্ৰয় নোহোৱাকৈ বাক্যত অকলে ব্যৱহাৰ হৈ অৰ্থ প্ৰকাশ কৰিব নোৱাৰে, সাধাৰণভাৱে সেইবোৰেই সৰ্গ বা প্ৰত্যয়। উদাহৰণস্বৰূপে— অ, নি, -অনি, -আ আদি বদ্ধৰূপকেইটাই কোনো স্বয়ংসম্পূৰ্ণ অৰ্থ প্ৰকাশ কৰা নাই; কিন্তু ইহঁতৰ সংযোগত মূল ৰূপৰ অৰ্থৰ সলনি হৈ নতুন নতুন শব্দ গঠন হ'ব পাৰে। 'বাট' শব্দৰ আগত 'অ' যোগ হৈ হোৱা নতুন শব্দ 'অবাট'; 'লাজ' শব্দৰ আগত 'নি' যোগ হৈ হোৱা শব্দ 'নিলাজ'; 'নাচ্' ধাতুৰ পাছত 'অনি' যোগ হৈ হোৱা শব্দ 'নাচনি'; 'পঢ়্' ধাতুৰ পাছত 'আ' যোগ হৈ হোৱা শব্দ 'পঢ়া' আদি। গতিকে অ, নি, -অনি, -আ ইহঁত প্ৰত্যেকেই একো-একোটা প্ৰত্যয়।

অসমীয়া ভাষাত প্ৰত্যয়সমূহক বহল অৰ্থত সৰ্গ বুলি ক'লেও ভাষাবিদসকলে সৰ্গবোৰক বিভক্তি আৰু প্ৰত্যয় — এই দুটা ভাগত ভাগ কৰিছে। তাৰে যিবোৰ সৰ্গই নতুন নতুন শব্দৰ সৃষ্টি কৰে সেইবোৰ সদায় শব্দ সাধনৰ সৰ্গ, অৰ্থাৎ প্ৰত্যয়; আৰু যিবোৰ সৰ্গই একেটা শব্দৰে ৰূপৰ সলনি ঘটাই বাক্যত ব্যৱহৃত বিভিন্ন পদৰ মাজত সম্পৰ্ক স্থাপন কৰি দেখুৱায়, সেইবোৰ শব্দৰূপৰ সৰ্গ অৰ্থাৎ বিভক্তি বুলি কৈছে। বিভক্তিবোৰৰ বাক্যবিন্যাসগত কাৰ্য আছে ইহঁতৰ সংযোগত শব্দৰ মৌলিক অৰ্থৰ কোনো পৰিৱৰ্তন নঘটে; কাৰ্যগত অৰ্থহে সলনি হয়। উদাহৰণস্বৰূপে—

(ক) মই জোনৰ কথা কৈ আছোঁ।

(খ) মই জোনক কথা কৈ আছোঁ।

— ইয়াত 'জোন' নামশব্দত '-অৰ' আৰু '-অক' বিভক্তি লগাৰ ফলত 'জোন' শব্দৰ অৰ্থৰ

কোনো পৰিৱৰ্তন ঘটা নাই; জোন একেজন ল'ৰাই আছে। কিন্তু 'জোনৰ' বুলি কওঁতে তাৰ পিচতে থকা 'কথা' পদৰ লগত, আৰু 'জোনক' বোলোঁতে 'কৈ আছোঁ' ক্ৰিয়াপদৰ লগত সম্পৰ্ক স্থাপিত হৈছে; অৰ্থাৎ জোনৰ কথা মানে জোন নামৰ ল'ৰাজনৰ কথা আৰু জোনক কথা কৈ আছোঁ মানে জোন বোলা ল'ৰাজনক প্ৰত্যক্ষ সম্বোধন ধৰি কথা কৈ আছোঁ — সেই কথা প্ৰকাশ পাইছে। আনহাতে, প্ৰত্যয়বোৰে বাক্যবিন্যাসগত কাৰ্য সম্পাদন কৰিব নোৱাৰে, ইহঁতে কেৱল শব্দহে সাধন কৰে। প্ৰত্যয়ৰ সংযোগত সাধিত শব্দৰ অৰ্থ প্ৰকৃতি বা মূলৰ অৰ্থৰ লগত সম্পৰ্ক থাকিলেও বেলেগ অৰ্থ প্ৰকাশ কৰে আৰু কেতিয়াবা কেতিয়াবা মূল আৰু সাধিত শব্দৰ শ্ৰেণী-পৰিৱৰ্তন হয়। উদাহৰণস্বৰূপে —

খা-অন = খাৱন (ধাতু শব্দৰপৰা বিশেষ্য শব্দ গঠন)

সাঁচ্ - অতীয়া = সাঁচতীয়া (ধাতু শব্দৰপৰা বিশেষণ শব্দ গঠন)

খেতি - অক = খেতিয়ক (বিশেষ্যৰপৰা বিশেষ্য শব্দ গঠন)

আগ - অতীয়া = আগতীয়া (বিশেষ্যৰপৰা বিশেষণ শব্দ গঠন)


মাহ - ইলি = মাহিলি (মাহিলি পায়); (বিশেষ্যৰপৰা ক্ৰিয়া বিশেষণ শব্দ গঠন)


ওপৰৰ উদাহৰণকেইটাৰপৰা দেখা গৈছে যে, মূল শব্দৰ লগত প্ৰত্যয় সংযোগ হৈ গঠন হোৱা শব্দসমূহে বহন কৰা অৰ্থৰ পৰিৱৰ্তন হৈছে আৰু শব্দৰ শ্ৰেণীৰো পৰিৱৰ্তন সাধন হৈছে।

১৩.৪ অসমীয়া ভাষাৰ সৰ্গ বা প্ৰত্যয়ৰ শ্ৰেণীবিভাজন

অসমীয়া ভাষাৰ সৰ্গবোৰক বাক্যত প্ৰয়োগৰ স্থান আৰু গুণ বা কাৰ্যৰ আধাৰত প্ৰধানকৈ দুটা ভাগত ভাগ কৰা হয় — অৱস্থানগত সৰ্গ বা প্ৰত্যয় (positional affix) আৰু গুণগত বা কাৰ্যগত সৰ্গ (functional affix)। অৱস্থানগত সৰ্গৰ আকৌ দুটা ভাগ — উপসৰ্গ বা পূৰ্বসৰ্গ (prefix) আৰু পৰসৰ্গ বা অনুসৰ্গ বা পৰপ্ৰত্যয় (suffix)। তলত ৰেখাচিত্ৰৰ সহায়ত অসমীয়া ভাষাৰ সৰ্গবোৰ শ্ৰেণীবিভাগ কৰি দেখুওৱা হ'ল —

তালিকা ১৫.১ ঃ অসমীয়া ভাষাৰ সৰ্গৰ শ্ৰেণীবিভাজন





বাক্যবিন্যাসগত কার্যসাধকত অন্তর্ভুক্ত হৈ থাকে — শব্দবিভক্তি, ধাতুবিভক্তি, সম্বন্ধবাচক শব্দত যোগ হোৱা পুৰুষবাচক সর্গ, অসমাপিকা আৰু কর্মবাচ্য গঠন কৰা সর্গ। আনহাতে ব্যাকৰণগত অর্থপ্রকাশকত অন্তর্ভুক্ত হৈ থাকে — বচনবাচক, লিংগবাচক, নির্দিষ্টতাবাচক, অনির্দিষ্টতাবাচক সর্গ, জোৰ বুজোৱা সর্গ, স্বার্থিক প্রত্যয় ইত্যাদি।

১৩.৪.১ অসমীয়া ভাষাৰ অৱস্থানগত প্রত্যয়

অসমীয়া ভাষাত অৱস্থানগত প্রত্যয় দুবিধ — পূর্বপ্রত্যয় আৰু পৰপ্রত্যয়। তলত এই বিষয়ে আলোচনা দাঙি ধৰা হ'ল।

- *পূর্বপ্রত্যয় বা উপসর্গঃ* মূল বা প্রকৃতিৰ আগত লগ লগা প্রত্যয়ক পূর্বপ্রত্যয় বোলে। সংস্কৃত ভাষাত পূর্ব প্রত্যয়বোৰক উপসর্গ বোলা হৈছিল। অসমীয়া ভাষাৰ পূর্বপ্রত্যয়বোৰক উৎসৰ দিশৰপৰা তিনিটা ভাগত ভগাব পাৰি — সংস্কৃত, দেশী আৰু বিদেশী।
  - সংস্কৃত উপসর্গ ঃ সংস্কৃত ভাষাত উপসর্গ কুৰিটা। ইহঁত ধাতুৰ আগত বহি অর্থ প্রকাশ কৰে। তদুপৰি একেটা ধাতুৰ আগত বেলেগ বেলেগ উপসর্গ যোগ হৈ বেলেগ বেলেগ অর্থ প্রকাশ কৰিব পাৰে। যেনে — প্র, পৰা, অপ, সম, নি, অনু, নিৰ, দুৰ, প্রতি, অভি, সু, অধি, উৎ, অতি, পৰি, অপি, উপ, অৱ, বি, আ। এইবোৰ প্রকৃততে তৎসম শব্দৰ ক্ষেত্রতহে ব্যৱহাৰ হয়। তলত কেইটামান উদাহৰণ দাঙি ধৰা হ'ল —

প্র	ঃ	প্রবীণ, প্রণাম, প্রলয় আদি।
পৰা	ঃ	পৰাজয়, পৰাধীন, পৰাভৱ আদি।
অপ	ঃ	অপমান, অপযশ, অপকাৰ আদি।
সম	ঃ	সমীপ, সংযোগ, সংলাপ আদি।
নি	ঃ	নিমাত, নিৰোধ, নিষেধ আদি।
অনু	ঃ	অনুৰোধ, অনুভৱ, অনুসর্গ আদি।
নিৰ	ঃ	নির্বাক, নির্ভয়, নির্মাণ আদি।
দুৰ	ঃ	দুর্গম, দুর্গতি, দুর্দিন আদি।
প্রতি	ঃ	প্রতিশোধ, প্রতিদান, প্রতিফল আদি।
অভি	ঃ	অভিধান, অভিযান, অভিমান আদি।

সু ঃ সুকুমাৰ, সুগম, সুখ্যাতি আদি।

অধি ঃ অধিকাৰ, অধিবেশন, অধিকৰণ আদি।

উৎ ঃ উৎসৱ, উৎসাহ, উন্নত আদি।

❍ অসমীয়া পূৰ্বপ্ৰত্যয় ঃ অসমীয়া পূৰ্বপ্ৰত্যয় বৰ বেছি নহয়। সেইবোৰ হ'ল —

অ ঃ অবাট, অসময়, অঘটন আদি।

অন ঃ অনাৱশ্যক, অনিচ্ছা, অনুচিত আদি।

অনা ঃ অনাতাঁৰ, অনাহক, অনাগত আদি।

অৰ্ধ ঃ অৰ্ধ-শিক্ষিত, অৰ্ধাকাশ,অৰ্ধনগ্ন আদি।

আও ঃ আওপাক, আওবাট, আওমৰণ আদি।

আদ ঃ আদ-বয়সীয়া, আদ-সিজা আদি।

এ ঃ এলাগী

কা ঃ কাপুৰুষ

কু ঃ কুৰূপ, কুলক্ষণ, কুচক্ৰান্ত আদি।

বিনা ঃ বিনাশ্ৰম, বিনাপইচা, বিনাঘাটি আদি।

যথা ঃ যথাৰীতি, যথাসাধ্য, যথাভক্তি আদি।

স ঃ সশ্ৰম, সজাতি, সতীৰ্থ আদি।

সহ ঃ সহ-অভিনেত্ৰী, সহমৰ্মিতা, সহকৰ্মী আদি।

❍ বিদেশী পূৰ্বপ্ৰত্যয় ঃ অসমীয়া ভাষাত ঘাইকৈ আৰৱী-পাচীৰপৰা অহা কেইটামান পূৰ্বপ্ৰত্যয়ৰ ব্যৱহাৰ পোৱা যায়। সেয়া হ'ল —

কাৰ ঃ কাৰবাৰ, কাৰখানা, কাৰচাজি আদি।

গৰ ঃ গৰমিল

দৰ ঃ দৰবাৰ, দৰকাৰ, দৰগাহ আদি।

ব ঃ বনাম, বকলম আদি।

বে ঃ বে-আইনী, বেদখল, বেচৰম আদি।

বদ ঃ বদনাম, বদহজম, বদমাচ আদি।

বৰ ঃ বৰখাস্ত, বৰবাদ আদি।

এইবোৰৰ বাহিৰেও অসমীয়া ভাষাত নঞৰ্থক ক্ৰিয়াপদ গঠন কৰা 'ন'-টোকো পূৰ্বপ্ৰত্যয় হিচাপে ধৰিব পাৰি। উদাহৰণস্বৰূপে—

কৰোঁ— ন-কৰোঁ (নকৰোঁ)

যায়— ন-যায় নাযায়)

লিখোঁ— ন-লিখোঁ (নিলিখোঁ)

খোৱা— ন-খোৱা (নোখোৱা) আদি।

➢ অসমীয়া পৰপ্ৰত্যয় বা অনুসৰ্গ ঃ মূল বা প্ৰকৃতিৰ পাছত যোগ হোৱা প্ৰত্যয়বোৰকে

পৰপ্ৰত্যয় বোলা হয়। পৰপ্ৰত্যয় দুবিধ — কৃৎ আৰু তদ্ধিত। পৰপ্ৰত্যয়বোৰৰ কিছুমানে প্ৰাথমিক প্ৰাতিপদিক তৈয়াৰ কৰে আৰু কিছুমান এনে প্ৰাথমিক প্ৰাতিপদিক বা কৃদন্ত ৰূপৰ পাছতহে যোগ হয়। ধাতুৰ পাছত যোগ হোৱা প্ৰত্যয়বোৰক কৃৎ প্ৰত্যয় আৰু প্ৰাতিপদিকৰ পাছত যোগ হোৱা প্ৰত্যয়বোৰক তদ্ধিত প্ৰত্যয় বোলে। কৃৎ প্ৰত্যয়ক মুখ্য প্ৰত্যয় আৰু তদ্ধিত প্ৰত্যয়ক গৌণ প্ৰত্যয় বুলিও কোৱা হয়। মুখ্য বা কৃৎ প্ৰত্যয়বোৰ ধাতুৰ পাছত যোগ দি কিছুমান বিশেষ্য আৰু বিশেষণ শব্দ গঠন কৰা হয়। গৌণ বা তদ্ধিত প্ৰত্যয়সমূহ বিশেষ্য শব্দৰ পাছত যোগ দি নতুন বিশেষ্য শব্দ অথবা বিশেষ্য শব্দৰপৰা বিশেষণ শব্দ সজাব পাৰি। অসমীয়া ভাষাত সংস্কৃত আৰু অসমীয়া দুয়োবিধ কৃৎ প্ৰত্যয় আছে বুলি কোৱা হয় যদিও সংস্কৃত প্ৰত্যয়যুক্ত শব্দবোৰ সংস্কৃততে গঠিত হোৱাৰ পাছতহে অসমীয়ালৈ আহিছে। যেনে — 'কুম্ভকাৰ' শব্দটো 'কুম্ভ-কৃ-ষণ = কুম্ভকাৰ'। এনে সংস্কৃত প্ৰত্যয়যুক্ত বহুতো তৎসম শব্দৰ ব্যৱহাৰ অসমীয়া ভাষাত পোৱা যায়।

❍ অসমীয়া কৃৎ প্ৰত্যয় ঃ ধাতুৰ পাছত যোগ দি বিশেষ্য আৰু বিশেষণ শব্দ গঠন কৰা মুখ্য বা কৃৎ প্ৰত্যয়ৰ উদাহৰণ তলত দাঙি ধৰা হ'ল —

(ক) বিশেষ্য শব্দ গঠন কৰা কৃৎ প্ৰত্যয় ঃ

-অন	ঃ	উৰ্-অন, উৰণ
		খা-অন, খাৱন
		মাগ্-অন, মাগন
		পিন্ধ্-অন, পিন্ধন
		ৰান্ধ্-অন, ৰান্ধন আদি।
-অনা	ঃ	বাজ-অনা, বাজনা
		খুন্দ-অনা, খুন্দনা আদি।
-অনি	ঃ	নাচ্-অনি, নাচনি
		পাত্-অনি, পাতনি
		বিচ্-অনি, বিচনি
		শিক্-অনি, শিকনি
		নাম্-অনি, নামনি
		জান্-অনি, জাননি আদি।
-অনিয়াৰ	ঃ	মাগ্-অনিয়াৰ, মাগনিয়াৰ আদি।
-অনী	ঃ	দা-অনী, দাৱনী
		ৰো-অনী, ৰোৱণী আদি।
-অৰীয়া	ঃ	খা-অৰীয়া, খাৱৰীয়া
		পলা-অৰীয়া, পলৰীয়া আদি।

-আৰু ঃ যুঁজ-আৰু, যুঁজাৰু
লেখ্-আৰু, লেখাৰু আদি।

-ঈয়া ঃ ৰাখ্-ঈয়া, ৰখীয়া
মাৰ্-ঈয়া, মৰীয়াআদি।

(খ) বিশেষণ শব্দ গঠন কৰা কৃৎ প্ৰত্যয় ঃ

-অতিয়াল ঃ লাগ-অতিয়াল, লাগতিয়াল

-অতী ঃ ৰো-অতী, ৰোৱতী
ক্ষীৰা-অতী, ক্ষীৰতী আদি।

-অতীয়া ঃ সাঁচ-অতীয়া, সাঁচতীয়া।

-অনিয়াৰ ঃ দেখ্-অনিয়াৰ, দেখনিয়াৰ।

-উঙা ঃ উৰ্-উঙা, উৰুঙা আদি।

এইবোৰৰ উপৰি -অক, -অঙ, -অৰীয়া, -আল, -ই, -উক, -উকা, -উৰা, -উৰৈ, -ওনা আদি কৃৎ প্ৰত্যয়ৰ প্ৰয়োগ কৰি অসমীয়া ভাষাত নতুন নতুন শব্দ গঠন কৰা হয়।

(গ) বিশেষ্য শব্দ গঠন কৰা তদ্ধিত প্ৰত্যয় ঃ

-অক ঃ খেতি-অক, খেতিয়ক

-অনি ঃ কাঠ-অনি, কাঠনি
দল-অনি, দলনি আদি।

-অৰি, -অৰী ঃ ভাল-অৰি, ভালৰী
লগ-অৰী, লগৰী আদি।

-অৰীয়া ঃ নাও-অৰীয়া, নাৱৰীয়া
ভাও-অৰীয়া, ভাৱৰীয়া।

-অৰুৱা ঃ বাট-অৰুৱা, বাটৰুৱা
হাট-অৰুৱা, হাটৰুৱা।

-অলি ঃ আগ-অলি, আগলি।

-আক ঃ জোন-আক, জোনাক।

-আৰ ঃ কাঁহ-আৰ, কঁহাৰ।

-আৰী ঃ পূজা-আৰী, পূজাৰী
সোণ-আৰী, সোণাৰী।

-আলি ঃ ওজা-আলি, ওজালি
খৰ-আলি, খৰালি।

-ঈয়া ঃ ঢোল-ঈয়া, ঢুলীয়া
কুল-ঈয়া, কুলীয়া।

-ওৰা ঃ হাল-ওৰা, হালোৰা
জাল-ওৰা, জালোৰা।
-ওৰাল ঃ ডাক-ওৰাল, ডাকোৰাল

(ঘ) বিশেষণ শব্দ গঠন কৰা তদ্ধিত প্ৰত্যয় ঃ

-অতীয়া ঃ আগ-অতীয়া, আগতীয়া
শেহ-অতীয়া, শেহতীয়া।
-অলীয়া ঃ গাঁও-অলীয়া, গাঁৱলীয়া
মিছা-অলীয়া, মিছলীয়া।
-আঙ ঃ খৰ-আঙ, খৰাং
চোৰ-আঙ, চোৰাং।
-আম ঃ ফুল-আম, ফুলাম
সাত-আম, সাতাম।
-ইয়াল ঃ মৰম-ইয়াল, মৰমিয়াল
সাহ-ইয়াল, সাহিয়াল।
-উৰা ঃ এলাহ-উৰা, এলেহুৰা
পলস-উৰা, পলসুৰা।
-ওৰালী ঃ ৰূপ-ওৰালী, ৰূপোৰালী
সোণ-ওৰালী, সোণোৰালী।

এইবোৰৰ উপৰি অসমীয়া ভাষাত -অচীয়া, -অতী, -অনা, -অনীয়া, -অল, -অলি, -অহ, -আ, -আই, -আকি, -আমি, -আল, -আলী, -আহ, -আহী, -ই, -ইয়া, -ইলা, -ইলী, -ঈ, -ঈন, -ঈয়, -উ, -উনী, -উৰা, -উলা, -উলি, -উৰাল, -উৰৈ, -এতীয়া, -ঐ, -ওৰাল, -কৰী, -কাৰ, -কাৰী, -কুৰি, -কুৰীয়া, -গিৰি, -তলী, -তী, -দাৰ, -নি, -ময়, -লা আদি বহুতো তদ্ধিত প্ৰত্যয়ৰ প্ৰয়োগ পোৱা যায়, যিবোৰৰ সংযোগত ধাতু শব্দৰপৰা বিশেষ্য, বিশেষণ অথবা বিশেষ্য শব্দৰপৰা নতুন বিশেষ্য, বিশেষণ বা অন্য শ্ৰেণীৰ শব্দ গঠন কৰি ভাষাটোৰ শব্দসম্ভাৰ চহকী কৰি তুলিছে।

অসমীয়া ভাষাৰ অৱস্থানগত প্ৰত্যয়ৰ আলোচনা কৰোঁতে এইখিনিতে এটা কথা উল্লেখ কৰা ভাল হ'ব যে, দুই এক ভাষাবিদে অসমীয়া ভাষাত মধ্যপ্ৰত্যয়ৰ প্ৰয়োগ আছে বুলি উল্লেখ কৰি 'কেই' ৰূপটোক মধ্যপ্ৰত্যয় হিচাপে দেখুৱাইছে। কিন্তু মধ্যপ্ৰত্যয় হ'ল, যি মূল-ভিত্তিৰ আধাৰত শব্দ গঠিত হয় সেইটো ভাঙি মাজত সোমোৱা প্ৰত্যয়। মধ্যপ্ৰত্যয় হ'ল এনে এক প্ৰাকৃতি যি মূলপ্ৰাকৃতি বা শব্দমূলটো ভাঙি মাজত সোমাই নতুন শব্দ গঠন কৰে। ("An infix is a morpheme which is inserted into the stem with which it is associated''- Gleason.'' অথবা "Affixes added within the underlying form are called the infixes.'' - Bloomfield). সেই

দৃষ্টিৰে অসমীয়া ভাষাৰ 'কেই' ৰূপটোক মধ্যপ্ৰত্যয় বুলি ক'ব নোৱাৰি, কাৰণ ই মূল শব্দক ভাঙি মাজত সোমাই বহিব নোৱাৰে। উদাহৰণস্বৰূপে— 'মানুহকেইজনমান' শব্দটোলৈ মন কৰিলে ইয়াৰ মূল ৰূপটো হৈছে 'মানুহ'। তাৰ লগত 'কেই', 'জন', 'মান' আদি ৰূপ লগ লাগি অনিৰ্দিষ্টবাচকতা প্ৰকাশ কৰিছে। 'কেই' ৰূপটো ইয়াত মূল 'মানুহ' ৰূপৰ পাছতহে লগ লাগিছে, 'মানুহ' ৰূপক ভাঙি মাজত প্ৰয়োগ হোৱা নাই। গতিকে ইয়াক মধ্যপ্ৰত্যয় বুলি ক'ব নোৱাৰি। ইয়াৰপৰা স্পষ্ট হয় যে, অসমীয়া ভাষাত মধ্যপ্ৰত্যয়ৰ প্ৰয়োগ পোৱা নাযায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ অসমীয়া ভাষাৰ সৰ্গবোৰক বাক্যত প্ৰয়োগৰ স্থান আৰু গুণ বা কাৰ্যৰ আধাৰত কেইটা আৰু কি কি ভাগত ভাগ কৰা হয়?

.....

.....

প্ৰশ্ন নং ২ ঃ অসমীয়া ভাষালৈ আৰৱী-পাৰ্চীৰপৰা অহা পূৰ্বপ্ৰত্যয়ৰ চাৰিটা উদাহৰণসহ উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৩ ঃ বিশেষ্য শব্দ গঠন কৰা তদ্ধিত প্ৰত্যয়ৰ চাৰিটা উদাহৰণসহ উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৪ ঃ অসমীয়া ভাষাত মধ্যপ্ৰত্যয়ৰ প্ৰয়োগ আছেনে?

.....

১৩.৪.২ অসমীয়া ভাষাৰ গুণগত প্ৰত্যয়

অসমীয়া ভাষাত গুণগত প্ৰত্যয় দুবিধ — শব্দ-সাধনমূলক আৰু বিভক্তিমূলক। মন কৰিবলগীয়া যে অসমীয়া ভাষাত বিভক্তি ব্যাকৰণগত বিষয় অৰ্থাৎ এইবোৰৰ বাক্য-বিন্যাসগত কাৰ্য আছে। আনহাতে শব্দ-সাধনৰ প্ৰত্যয় সংযোগৰ ফলত শব্দ গঠন কৰা হয়। অসমীয়া ভাষাৰ অৱস্থানগত প্ৰত্যয়ৰ অন্তৰ্গত পূৰ্বপ্ৰত্যয়, কৃৎ প্ৰত্যয় আৰু তদ্ধিত প্ৰত্যয়ৰ প্ৰয়োগ বিধিলৈ লক্ষ্য ৰাখি ইহঁতক শব্দ-সাধনৰ প্ৰত্যয় হিচাপে ধৰিব পাৰি আৰু ইতিমধ্যেই উল্লিখিত প্ৰত্যয়কেইটাৰ আলোচনা অৱস্থানগত প্ৰত্যয় হিচাপে কৰি অহা হৈছে। ইয়াৰ উপৰি অসমীয়াত নিৰ্দিষ্টতাবাচক প্ৰত্যয়, অনিৰ্দিষ্টতাবাচক প্ৰত্যয়, স্ত্ৰী-প্ৰত্যয়, বচনবাচক প্ৰত্যয়, জোৰ বুজোৱা প্ৰত্যয়, স্বাৰ্থিক প্ৰত্যয় আদি আছে।

এইবোৰক বিভক্তিমূলক প্ৰত্যয় বুলি ধৰা হয় যদিও কাৰ্যকাৰণগত দিশলৈ লক্ষ্য কৰিলে দেখা যায়, ইহঁতে বাক্য-বিন্যাসগত কাৰ্য সাধন নকৰে। অৰ্থাৎ বাক্যৰ গাঁথনিক দিশত ইহঁতৰ প্ৰয়োগে কোনোধৰণৰ সালসলনি নঘটায়। সেয়ে এইবোৰ পোনে পোনে বিভক্তিৰ শাৰীতো ধৰিব নোৱাৰি। আনহাতে এইবোৰক প্ৰকৃতাৰ্থত শব্দ-সাধনৰ প্ৰত্যয় বুলিও ক'ব নোৱাৰি, কাৰণ ইহঁতে মূল শব্দটোৰ অৰ্থৰ শ্ৰেণী পৰিৱৰ্তন কৰাব নোৱাৰে। এইবোৰৰ বাক্য-বিন্যাসগত কাৰ্য নাই, মাথোন শব্দহে সাজে বাবে কিছুমান ভাষাবিদে অসমীয়া ভাষাৰ লিংগবাচক, বচনবাচক প্ৰত্যয়ক শব্দ-সাধনৰ প্ৰত্যয় বুলি বিবেচনা কৰিও আলোচনা কৰিছে। প্ৰয়োগ আৰু অৰ্থ — এই দুয়োটা দিশ বিশ্লেষণ কৰিলে দুয়োবিধৰে বৈশিষ্ট্য বহন কৰে বাবে অন্য কিছু ভাষাবিদে এইবোৰক শব্দ-সাধনৰ প্ৰত্যয় বা বিভক্তিৰ ভিতৰত নধৰি এটা সুকীয়া শ্ৰেণীৰ মৰ্যাদা দি আলোচনা কৰা দেখা যায়। তথাপি এই শ্ৰেণীৰ প্ৰত্যয়ক আগৰ তালিকাত নিৰ্দেশ কৰা অনুসৰি ব্যাকৰণগত অৰ্থ প্ৰকাশক বিভক্তিমূলক প্ৰত্যয় হিচাপে ইয়াত আলোচনা কৰা হ'ব।

- *অসমীয়া ভাষাৰ নিৰ্দিষ্টতাবাচক প্ৰত্যয় ঃ* অসমীয়া ভাষাত বিশেষ্য, বিশেষণ, সংখ্যাবাচক শব্দ আৰু প্ৰথম আৰু দ্বিতীয় পুৰুষৰ সৰ্বনামৰ বাহিৰে আন কিছুমান সৰ্বনামৰ প্ৰকৃতি নিৰ্দিষ্টভাৱে বুজাবলৈ কিছুমান প্ৰত্যয় যোগ কৰা হয়। এনে প্ৰত্যয়কে নিৰ্দিষ্টতাবাচক প্ৰত্যয় বোলে। মূল শব্দত নিৰ্দিষ্টতাবাচক প্ৰত্যয় লগ লগাৰ পাচতহে শব্দ-বিভক্তি যোগ কৰা হয়। এই প্ৰত্যয়বোৰ ৰূপসাপেক্ষ। ইয়াৰে কিছুমান প্ৰত্যয়ে একাধিক কাৰ্য সম্পাদনা কৰে। তলত এনে প্ৰত্যয় কিছুমানৰ আলোচনা কৰা হ'ল —

  -টো ঃ নিৰ্দিষ্ট, প্ৰাণীবাচক ঃঅপ্ৰাণীবাচক, তুচ্চাৰ্থ, লিংগ, বচন, গুণ আদিৰ ধাৰণা জন্মায় । যেনে — ল'ৰাটো, গৰুটো, কথাটো, ভালটো।

  -জনঃজনাঃজনী ঃ মানুহৰ ক্ষেত্ৰত নিৰ্দিষ্ট, প্ৰাণীবাচকঃঅপ্ৰাণীবাচক, মান্যাৰ্থ, লিংগ, একবচনৰ ধাৰণা জন্মায়। যেনে — ল'ৰাজন, ভকতজনা, ছোৱালীজনী।

  -কণঃকণি ঃ নিৰ্দিষ্ট, প্ৰাণীবাচকঃঅপ্ৰাণীবাচক, ক্ষুদ্ৰ, সমষ্টি অৰ্থ প্ৰকাশ কৰে। 'কণ'তকৈ ক্ষুদ্ৰতৰ বুজাবলৈ 'কণি' ব্যৱহাৰ কৰা হয়। যেনে — পোনাকণ, ল'ৰাকণ, তেলকখ, লোনকণ।

  -খনঃখনি ঃ বহল, চেপেটা অৰ্থত বস্তুবাচক শব্দৰ পিছত বহে। 'খন'তকৈ ক্ষুদ্ৰতৰ বুজাবলৈ 'খনি' ব্যৱহাৰ কৰা হয়। যেনে — চাদৰখন, কপালখন, কিতাপখনঃকিতাপখনি, নৈখনঃনৈখনি।

  -গছঃগছি ঃ দীঘল আৰু লেহুকা অৰ্থত ব্যৱহাৰ কৰা হয়। যেনে — বন্তিগছ, জৰীগছ।

  -চটা ঃ দীঘল আৰু চেপেটা বস্তু বুজাবলৈ ব্যৱহাৰ কৰা হয়। যেনে — বাঁহচটা, কাঠচটা।

এইবোৰৰ উপৰি অসমীয়া ভাষাত বিশেষ কিছুমান বস্তুৰ লগতহে প্ৰয়োগ হোৱা অন্য কেতবোৰ নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ উদাহৰণ তলত দিয়া হ'ল — -আখি, -কঠা, -কাচলি, -কুৰা, -কোছা, -খিনি, -খিলা, -গৰাকী, -গাল, -চকল, -চপৰা, -চমকা, -চলু, -চাব, -চিলিম, -জাউৰি, -জাক,-জোকা, জোপা, -টাঁৰ, টোপাউটুপি,-ডৰা, -ডোখৰ, -টুকুৰা, -থান, -থোক, -থোপা, -দোঙা, -ধাৰ, -ধোকা, -পাব, -পাহ, -পালি, -পদ, -ফাকি, -ফেৰা, -ভাগ, -মুঠা, -যোৰ, -লদা, -যাৰ, -সাজ, -সূত, হাল আদি।

- পুৰুষবাচক-নিৰ্দিষ্টতাবাচক প্ৰত্যয় ঃ অসমীয়া ভাষাৰ সম্বন্ধবাচক শব্দৰ ক্ষেত্ৰত পুৰুষ অনুযায়ী কিছুমান নিৰ্দিষ্টতাবাচক প্ৰত্যয় যোগ দিয়া হয়। প্ৰথম পুৰুষৰ ক্ষেত্ৰত এনে প্ৰত্যয় লগ নালাগে, কিন্তু দ্বিতীয় আৰু তৃতীয় পুৰুষ অনুযায়ী এনে প্ৰত্যয়সমূহ ভিন্ ভিন্ হয়। যেনে — মোৰ মা, তোৰ মা-ৰ, তোমাৰ মা-ৰা, আপোনাৰ মা-ক, তাৰ মা-ক; মোৰ জী, তোৰ জী-এৰ, তোমাৰ জী-এৰ-আ, আপোনাৰ জী-এক, তাৰ জী-এক আদি। ইয়াত -ৰ, -ৰা, -ক, -এৰ, -এৰ-আ, -এক আদি পুৰুষবাচক-নিৰ্দিষ্টতাবাচক প্ৰত্যয়।
- সম্বোধনবোধক-নিৰ্দিষ্টতাবাচক প্ৰত্যয় ঃ কাৰোবাক সম্বোধন ধৰি মাতিব লাগিলে সাধাৰণতে মাতোতাজনে যাক মাতিব তেওঁৰ বয়স বা মানৰ প্ৰতি লক্ষ্য ৰাখি সম্বোধন পদৰ লগত বেলেগ বেলেগ প্ৰত্যয়ৰ ব্যৱহাৰ কৰে। এনে প্ৰত্যয়কে সম্বোধনবোধক-নিৰ্দিষ্টতাবাচক প্ৰত্যয় বোলে। সম্বন্ধ পদ ব্যৱহাৰ নকৰি কেৱল সম্বোধন ধৰি মতা অসমীয়া ভাষাৰ ৰূপটো হৈছে 'হে'; যেনে — হে ভগৱান, হে হৰি। তলত সম্বোধনবোধক-নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ উদাহৰণ দিয়া হ'ল —

  (ক) হে-ৰ, হেৰৌ (মানত সৰুটোক মাতিবলৈ)

  (খ) হে-ৰা (মানত সমানজনক মাতিবলৈ)

  (গ) হে-ৰি (মানত ডাঙৰজনক মাতিবলৈ)

  (ঘ) হে-ৰৈ, হে-ৰেই (মৰমতে মানত সৰুটোক মাতিবলৈ)।

➢ *অনিৰ্দিষ্টতাবাচক প্ৰত্যয় ঃ* অনিৰ্দিষ্টতাবাচক প্ৰত্যয়ে নিৰ্ধাৰিত বস্তুটো নিৰ্দিষ্ট কৰি নেদেখুৱায়। কেতিয়াবা নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ আগত 'এ' অথবা ভিন্ন সংখ্যাবাচক শব্দ যোগ কৰি এনে কৰা হয়। যেনে— এজন মানুহ, এখন কাপোৰ, এটা চৰাই, দুই-তিনিবাৰ, তিনি-চাৰি দিনৰ ভিতৰত আদি। প্ৰকৃত অনিৰ্দিষ্টতা বুজাবলৈ হ'লে তলত দিয়া প্ৰত্যয়বোৰ নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ পাছত যোগ দিবলগীয়া হয়—

-মান ঃ দুজনমান মানুহ, এখনমান কিতাপ, এযোৰমান কাপোৰ, কেইনেচামান সূতা আদি।

-চেৰেক ঃ মাহচেৰেক, দিনচেৰেক, জনচেৰেক, খনচেৰেক আদি।

-দিয়েক ঃ গুটিদিয়েক, মুঠিদিয়েক আদি।

-বা ঃ বহুবচনাত্মক -কেই ৰূপৰ পাছত -বা প্ৰত্যয় লগ লগাই কোনো বিশেষ্য শব্দৰ আগত ব্যৱহাৰ কৰিলে অনিৰ্দিষ্টতা বুজায়; যেনে— কেইবাদিন, কেইবাঘণ্টা, কেইবাজনো মানুহ, কেইবাটাও কথা আদি।

কেত ঃ বহুবচনৰ প্ৰত্যয় -বোৰৰ আগত 'কেত' যোগ কৰিও অনিৰ্দিষ্টত্বৰ ভাব প্ৰকাশ কৰিব পাৰি; যেনে— কেতবোৰ বিধি, মানুহ কেতবোৰ আদি।

➢ *স্ত্রী-প্রত্যয় ঃ* ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে অসমীয়া ভাষাত লিঙ্গ ব্যাকৰণগত নহয়। প্ৰাণীবাচক-অপ্ৰাণীবাচক, চেতন-অচেতন বস্তুৰ ভেদ নকৰাকৈ অসমীয়াত লিঙ্গভেদ কৰা নহয় আৰু লিঙ্গভেদে অসমীয়া বাক্য-গাঁথনিৰ বিশেষণ বা ক্ৰিয়া পদকো ই প্ৰভাৱিত নকৰে। সংস্কৃত ভাষাত শব্দৰ আকৃতিভেদে লিঙ্গ ঠিক কৰা হয়। তদুপৰি সংস্কৃতত বছৰ, মাহ, ডাঙৰ পৰ্বত আদি পুংলিঙ্গ; তিথিৰ নাম, নদীৰ নাম আদি স্ত্রীলিঙ্গ। অসমীয়াত দুই-এক শব্দৰ ক্ষেত্ৰত সংস্কৃতৰ আৰ্হিত এনে লিঙ্গভেদ কৰে যদিও সাধাৰণতে অপ্ৰাণীবাচক শব্দৰ লিঙ্গভেদ কৰা নহয়। অৱশ্যে সীমিত ক্ষেত্ৰত সংস্কৃতৰ আৰ্হিত কৰ্তাৰ লিঙ্গ অনুসৰি বিশেষণৰ ৰূপ সলনি হোৱা দেখা যায়। যেনে—

অকৰা ল'ৰা	আকৰী ছোৱালী
অজলা ল'ৰা	আজলী ছোৱালী
ৰঙা বলধ	ৰাঙী গাই
ৰূপহ কোঁৱৰ	ৰূপহী কুঁৱৰী
কণা মানুহ	কাণী তিৰোতা
চেৰেলা দমৰা	চেৰেলী গাই আদি।

আপোনালোকে ইতিমধ্যে অসমীয়া ভাষাৰ লিঙ্গ সম্পৰ্কে বিশদভাৱে পঢ়ি আহিছে আৰু অসমীয়াত লিঙ্গভেদৰ উপায় সম্পৰ্কে অধ্যয়ন কৰোঁতে স্ত্রী-প্রত্যয় ব্যৱহাৰ কৰিও অসমীয়াত লিঙ্গ নিৰ্ণয় কৰা হয় বুলি জানি আহিছে। অসমীয়া ভাষাত স্ত্রী-প্রত্যয় চাৰিটা। সেইবোৰ হ'ল— -নী, -অনী, -ঈ,-ৰী। তলত সেইবোৰৰ বিষয়ে আলোচনা কৰা হ'ল—

-নী ঃ অ-কাৰান্ত আৰু আ-কাৰান্ত শব্দৰ পিছত -নী যোগ হয়। যেনে ঃ গৃহস্থ — গৃহস্থনী, হাজৰিকা — হাজৰিকানী, ৰৰা — ৰৰানী। '-নী'ৰ তিৰ্যক ৰূপ 'ইনী' আৰু 'উনী'। সাধাৰণতে, ব্যঞ্জনান্ত শব্দৰ শেষত -নী লগ লাগিলে '-ইনী' ৰূপ হয়; কিন্তু ধোৱা, চোৰ আদি শব্দৰ পাছত -নী লগ লাগিলে মূল ৰূপৰ ও 'উ' হয় আৰু 'নী'ৰ তিৰ্যক ৰূপ 'উনী' হয়। যেনে—

বাঘ-নী — বাঘিনী

নাগ-নী — নাগিনী
ৰাক্ষস -নী — ৰাক্ষসিনী
ধোবা-নী — ধুবুনী
চোৰ-নী — চুৰুনী আদি।

-অনী ঃ ব্যঞ্জনান্ত শব্দৰ পাছত প্ৰায়ে -অনী যোগ হয়। সাধাৰণতে জাতি, পদ বা বিষয়বাব আদি বুজালে -অনী প্ৰত্যয় লগ লাগে। কেতিয়াবা 'পত্নী' অৰ্থতো লগ লাগে। যেনে ঃ কুমাৰ — কুমাৰনী, কমাৰ — কমাৰনী, পাঠক — পাঠকনী, ভকত — ভকতনী আদি।

-ঈ ঃ জাতি, বিষয়বাব আদি নুবুজোৱা ব্যঞ্জনান্ত শব্দৰ পাছত সাধাৰণতে 'ঈ' লগ লাগে। যেনে ঃ নিলাজ —নিলাজী, বান্দৰ — বান্দৰী আদি। মন কৰিবলগীয়া যে 'ঈ' যোগ হ'লে 'আকাৰান্ত শব্দৰ আ' লোপ পায় আৰু প্ৰথম অক্ষৰত 'আ' এটাৰ আগমন হয়। অৱশ্যে এই নিয়ম তিনিটা অক্ষৰযুক্ত শব্দৰ ক্ষেত্ৰতহে প্ৰযোজ্য হয়। যেনে ঃ অকৰা — আকৰী, কজলা — কাজলী, পগলা — পাগলী আদি। দুটা অক্ষৰযুক্ত শব্দৰ পদৰ শেষত থকা 'আ' লোপ পায় আৰু তাৰ ঠাইত 'ঈ' লগ লাগে। যেনে ঃ পেহা — পেহী, মহা — মাহী, ক'লা — ক'লী, বগা — বগী আদি। কিন্তু 'ৰঙা' শব্দৰ ক্ষেত্ৰত 'ৰাঙী' হয়।

-ৰী ঃ '-ৰী'ৰ প্ৰয়োগ অত্যন্ত সীমিত। ইয়াৰ তিৰ্যক ৰূপ -অৰী, -এৰী আৰু -উৰী। যেনে ঃ কলা — কালৰী, ডেকা — ডেকেৰী, বেঙা — বেঙুৰী।

অসমীয়া স্ত্ৰী প্ৰত্যয় -ঈ, -নী, -অনী, -ইনী, -উনী, -অৰী, -এৰী, -উৰী— এইবোৰ লগ লাগিলে স্ত্ৰীলিংগ বুজায়। এইবোৰৰ কিছুমান ধ্বনিসাপেক্ষ আৰু বেছিভাগ ক্ষেত্ৰতে ৰূপসাপেক্ষ।

❍ *অসমীয়া বচনবাচক প্ৰত্যয় ঃ* লিঙ্গৰ দৰে বচনো অসমীয়াত ব্যাকৰণগত বিষয় নহয়। অসমীয়া ভাষাত বচন নিৰপেক্ষ ৰূপৰ লগতহে একবচন বা বহুবচনৰ প্ৰত্যয় লগ লাগে। যেনে —

মানুহ (বচন নিৰপেক্ষ) — মানুহজন (একবচন) — মানুহবোৰ (বহুবচন)

অসমীয়া ভাষাত একবচনক নিৰ্দিষ্টভাৱে বুজাবলৈ -টো, -জন, -জনী, গৰাকী আদি একবচনবাচক কিছুমান নিৰ্দিষ্টতাবাচক প্ৰত্যয় যোগ কৰা হয়। এইবোৰে একবচনৰ উপৰি কেতিয়াবা লিঙ্গ, কেতিয়াবা তুচ্চাৰ্থ বা মান্যাৰ্থ আদি ভাবো বুজায়।

❍ একবচনাত্মক প্ৰত্যয় ঃ

-টো ঃ প্ৰাণীবাচক আৰু অপ্ৰাণীবাচক ৰূপৰ পাছত লগ লাগে। প্ৰাণীবাচক

শব্দৰ পাছত যোগ হ'লে ই পুংলিঙ্গৰ উপৰিও তুচ্চার্থ বহন কৰে। যেনে— ল'ৰাটো, চোৰটো, পোৱালীটো আদি।

-জন ঃ কেৱল মানুহৰ ক্ষেত্ৰত পুংলিঙ্গ, নিৰ্দিষ্ট আৰু মান্যার্থ বুজায়। যেনে— মানুহজন, ভকতজন, মন্ত্ৰীজন আদি।

-জনী ঃ স্ত্ৰীলিঙ্গ, নিৰ্দিষ্টতা বুজায়। যেনে— ছোৱালীজনী, মানুহজনী, গাইজনী আদি।

-গৰাকী ঃ মানুহৰ ক্ষেত্ৰত মান্যার্থত ব্যৱহাৰ কৰা হয়। যেনে— আইগৰাকী, ব্যক্তিগৰাকী, বাইদেউগৰাকী আদি।

পদাশ্ৰিত নিৰ্দেশক -খন, -ডাল আদিয়েও একবচন বুজায় আৰু বস্তুৰ আকৃতিৰ ধাৰণাও দিয়ে।

❍ বহুবচনৰ প্ৰত্যয় ঃ অসমীয়াত বিশেষ্য, বিশেষণ, সর্বনাম ৰূপৰ পাছত বহুবচনৰ প্ৰত্যয় সংযোগ কৰি বহুবচনৰ ৰূপ কৰা হয়। সেইবোৰ প্ৰধানকৈ হ'ল ঃ -বোৰ, -বিলাক, -হঁত, -লোক, -সকল, -মখা, -সোপা আদি। তলত ইহঁতৰ উদাহৰণ দাঙি ধৰা হ'ল—

-বোৰ ঃ প্ৰাণীবাচক, অপ্ৰাণীবাচক সকলো শব্দৰ পাছত -বোৰ প্ৰত্যয় লগ লাগে। যেনে— মানুহবোৰ, কিতাপবোৰ, গছবোৰ, মৰমবোৰ, বেদনাবোৰ আদি।

-বিলাক ঃ প্ৰাণীবাচক, অপ্ৰাণীবাচক সকলো শব্দৰ পাছত লগ লাগে। মানুহৰ ক্ষেত্ৰত 'বোৰ'তকৈ কিছু মান্যার্থত 'বিলাক' প্ৰত্যয় যোগ হয়।

-হঁত ঃ ব্যৱসায়, জাতি, দল আদি বুজাবলৈ সাধাৰণ অর্থত 'হঁত' লগ লাগে। যেনে— কঁহাৰহঁত, ৰামহঁত। সম্বন্ধ বুজোৱা বিশেষ্য শব্দৰ পাছত সন্মান অর্থত -হঁত লগ লাগে। যেনে— দেউতাহঁত, মাৰা-হঁত আদি। সর্বনামৰ পাছত -হঁত লগ লগাই কেৱল বহুবচনৰ অর্থ প্ৰকাশ কৰা হয়। যেনে— সি-হঁত, (তই)ত-হঁত, ই-হঁত আদি। জন্তু বুজোৱা শব্দৰ পাছত -হঁত ব্যৱহাৰ কৰি মানুহৰ ক্ষেত্ৰত প্ৰয়োগ কৰিলে গালি বুজায়; যেনে— গৰুহঁত, কুকুৰহঁত আদি।

-লোক ঃ সন্মানসূচক সর্বনামৰ পাছত যোগ হয়। মূল ৰূপটোৰ তির্যক ৰূপ, যেনে— তোমালোক, আপোনালোক আদি।

-সকল ঃ বিশেষ্য আৰু সর্বনাম শব্দৰ পাছত বেছি সন্মান বুজাবলৈ -সকল যোগ দিয়া হয়। যেনে— আপুনি, কিন্তু আপোনা-লোক, আপোনা-সকল; ছাত্ৰবন্ধুসকল, মন্ত্ৰীসকল, ভকতসকল, এখেতসকল, তেখেতসকল আদি।

-মখা ঃ সামূহিকভাৱে হীন অর্থত -মখা ব্যৱহাৰ কৰা হয়। যেনে—

ল'ৰামখা, গৰুমখা, এইমখা, সেইমখা আদি।

-সোপা ঃ হীন অৰ্থত ব্যৱহাৰ হয়। যেনে— জাৱৰসোপা, গালিসোপা, কাপোৰসোপা আদি।

এইবোৰৰ উপৰি অসমীয়াত -জাক, -দল, -পাল, -বৰ্গ, -বৃন্দ,-মণ্ডলী, -গণ, -পুঞ্জ, -মালা, -ৰাজি, -ৰাশি, -আৱলী আদি বহুবচনাত্মক প্ৰত্যয়ৰ প্ৰয়োগ আছে।

➢ *জোৰ বুজোৱা ৰূপ বা প্ৰত্যয় ঃ* কেতিয়াবা বিশেষভাৱে বা জোৰকৈ বুজাবলৈ বিশেষ্য, বিশেষণ, সৰ্বনাম, শব্দবিভক্তি, পৰসৰ্গ, ক্ৰিয়া, ক্ৰিয়াবিশেষণ, সংখ্যাবাচক শব্দ, নিৰ্দিষ্টতাবাচক প্ৰত্যয় আৰু অনিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ পাছত কিছুমান যুক্ত ৰূপৰ প্ৰয়োগ কৰা হয়। এই যুক্ত ৰূপবোৰক জোৰ বুজোৱা ৰূপ বা প্ৰত্যয় বুলিও ক'ব পাৰি। এনে ৰূপবোৰক দুটা ভাগত ভগাব পাৰি— ওপৰঞ্চি ভাবত ব্যৱহাৰ হোৱা আৰু ডাঠি কোৱা ভাবত ব্যৱহাৰ হোৱা। ওপৰঞ্চি ভাবত ব্যৱহাৰ হোৱা প্ৰত্যয় '-ও'। ডাঠি কোৱা ভাৱত ব্যৱহাৰ হোৱা প্ৰত্যয় -এ, -এই, -হে, -কে। যেনে—

❍ ওপৰঞ্চি ভাৱত ঃ

বিশেষ্যৰ পাছত ঃ ল'ৰা-ও = ল'ৰাও, মানুহ-ও = মানুহো, তাৰৈ-ও = তাৰৈও।

বিশেষণৰ পাছত ঃ সৰু-ও = সৰুও; ডাঙৰ-ও = ডাঙৰো।

সৰ্বনামৰ পাছত ঃ মই-ও = ময়ো, তুমি-ও = তুমিও, সি-ও = সিও আদি।

শব্দ-বিভক্তিৰ পাছত ঃ মানুহে-ও = মানুহেও, দিল্লীলৈ-ও =দিল্লীলৈও, তোমাৰ-ও = তোমাৰো।

ক্ৰিয়াৰ পাছত ঃ খাব-ও = খাবও, নিব-ও = নিবও, নাচে-ও = নাচেও ।

ক্ৰিয়া-বিশেষণৰ পাছত ঃ কালি-ও = কালিও, তেনেকৈ-ও = তেনেকৈও।

নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ পাছত ঃ কিতাপখন-ও = কিতাপখনো, ল'ৰাজন-ও = ল'ৰাজনো।

অনিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ পাছত ঃ ল'ৰাকেইজনমান-ও = ল'ৰাকেইজনমানো।

❍ ডাঠি কোৱা ভাবত ঃ

বিশেষ্য শব্দৰ পাছত ঃ কিতাপ-এ = কিতাপে, কিতাপ-এহ = কিতাপেই, কিতাপ-হে = কিতাপহে ।

বিশেষণ শব্দৰ পাছত ঃ ডাঙৰ-এ = ডাঙৰে, ডাঙৰ-এই = ডাঙৰেই, ডাঙৰ-হে = ডাঙৰহে ।

সৰ্বনাম শব্দৰ পাছত ঃ মই-এ = ময়ে, মই-এই = ময়েই, মই-হে = মইহে ।

শব্দ-বিভক্তিৰ পাছত ঃ ঘৰলৈ-এ = ঘৰলৈয়ে, ঘৰলৈ-হে = ঘৰলৈহে, ঘৰলৈ-কে = ঘৰলৈকে।

ক্ৰিয়াৰ পাছত ঃ খালোঁ-এ = খালোঁৱে, খালোঁ-এই = খালোঁৱেই, খালোঁ-হে = খালোঁহে।

ক্ৰিয়া-বিশেষণৰ পাছত ঃ আজি-হে = আজিহে, কালি-এ = কালিয়ে, কাইলৈ-কে = কাইলৈকে।

সংখ্যাবাচক শব্দৰ পাছত ঃ তিনি-এ = তিনিয়ে বাজিল, তিনি-এই = তিনিয়েই বাজিল, তিনি-হে = তিনিহে বাজিছে।

অনিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ পাছত ঃ এমাহমান-এ = এমাহমানে হ'ল, এমাহমান-এই = এমাহমানেই হ'ল।

➢ *স্বাৰ্থিক প্ৰত্যয় ঃ* অসমীয়া ভাষাত কোনো কাৰ্য বিশেষভাৱে বুজাবলৈ প্ৰধানকৈ ক্ৰিয়া বিভক্তিৰ পিছত কিছুমান প্ৰত্যয় ব্যৱহাৰ কৰা হয়, তেনেবোৰ প্ৰত্যয়ক স্বাৰ্থিক প্ৰত্যয় বোলে। কোনো কোনো ব্যাকৰণবিদে এনে প্ৰত্যয়ক অনুসৰ্গ বুলিও অভিহিত কৰিছে। অসমীয়া ভাষাত ব্যৱহৃত স্বৰ্থিক প্ৰত্যয়বোৰ তলত দেখুওৱা হ'ল।

-গৈ ঃ গৈ স্বৰ্থিক প্ৰত্যয় যোগ কৰিলে কোনো সমাপিকা ক্ৰিয়া হোৱা বুজায়। যেনে— হৰিয়ে কামটো কৰিলেগৈ।

-হি ঃ অসমাপিকা ক্ৰিয়া গঠন কৰা প্ৰত্যয়; কিন্তু -হি স্বাৰ্থিক প্ৰত্যয়ৰ সহযোগত ক্ৰিয়াটোৱে আন ঠাইৰপৰা আহি সমাধা হোৱা ভাব বুজায়। যেনে— ছোৱালীজনী ঘৰ পালেহি।

-না, -নো ঃ পদৰ পাছত বহি জোৰ দিয়া বা অনুৰোধ কৰা বুজায়। যেনে— আজি আবেলিলৈ আহিবানা; তুমিনো কিয় নোযোৱা।

-চোন ঃ অসমীয়াত সাধাৰণতে মৰমৰে দিয়া আদেশ, আশ্চৰ্য ভাব, আশাৰ ভাব বুজাবলৈ বিভিন্ন পদৰ পাছত -চোন ব্যৱহাৰ কৰা হয়। যেনে— তুমি কাইলৈ আহিবাচোন (মৰমৰে দিয়া আদেশ), তুমিচোন আজিয়ে আহিলা (আশ্চৰ্য), মই এইবোৰ একোকে নাজানোচোন (আশাতীত)।

-দে, -দেই, -দেখোন ঃ মৃদু আদেশ অথবা আশ্চৰ্য ভাব প্ৰকাশ কৰিবলৈ ব্যৱহাৰ কৰা হয়। যেনে— খা দে। (মৃদু আদেশ), সি আহিম বুলি কৈও নাহিল দেখোন। তুমি নাযাবা দেই।

-হবলা ঃ সম্ভাৱনা বা জোৰ বুজাবলৈ ব্যৱহাৰ কৰা হয়। যেনে— বাবুল আজি আহিব হবলা।

-পাই ঃ নিশ্চিত অৰ্থত প্ৰয়োগ কৰা হয়। যেনে— বাবুল আজিও নাহিল পাই ।

-একা ঃ প্ৰশ্নবাচক অৰ্থত প্ৰয়োগ কৰা হয়। যেনে— তাই গ'ল, তুমি একা ?

অসমীয়া ভাষাটো প্ৰত্যয় প্ৰধান ভাষা। মূল ৰূপৰ আগে-পিছে বিবিধ প্ৰত্যয় সংযোগ কৰি ভাষাটোত নতুন নতুন শব্দ গঠন কৰা হয়। আকৌ এই ৰূপসমূহ বাক্যবিন্যাসগত কাৰ্যসাধক অৰ্থাৎ শব্দবিভক্তি, ধাতুবিভক্তি, সম্বন্ধবাচক শব্দত যোগ হোৱা পুৰুষবাচক সৰ্গ, অসমাপিকা আৰু কৰ্মবাচ্য গঠন কৰা সৰ্গ সংযোগ কৰি বাক্যৰ উপযোগী পদ হিচাপে প্ৰয়োগ কৰা হয়। মূল সংস্কৃত ভাষাৰপৰা উদ্ভূত অসমীয়া ভাষাই

ভাষাতাত্ত্বিক দিশত বহুক্ষেত্ৰত সংস্কৃতৰ নীতি-নিয়ম মানি চলিলেও প্ৰত্যয় প্ৰয়োগৰ ক্ষেত্ৰত স্বকীয় নিয়ম মানি চলা পৰিলক্ষিত হয়। ভাষাটোৰ ৰূপতত্ত্বৰ আলোচনাত প্ৰত্যয়ে অধিকাংশ ঠাই সামৰি লৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ অসমীয়া ভাষাৰ -খনটোখনি, -গছটোগছি, -চটা — এই কেইটা নিৰ্দিষ্টতাবাচক প্ৰত্যয় কেনে অৰ্থত ব্যৱহাৰ কৰা হয়?

.....

.....

প্ৰশ্ন নং ৬ ঃ অনিৰ্দিষ্টতাবাচক প্ৰত্যয় কাক বোলে?

.....

প্ৰশ্ন নং ৭ ঃ ডাঠি কোৱা ভাবত ব্যৱহৃত প্ৰত্যয়ৰ চাৰিটা উদাহৰণসহ উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৮ ঃ স্বাৰ্থিক প্ৰত্যয় কাক বোলে? উদাহৰণসহ লিখক।

.....

.....

.....



১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমীয়া ভাষাৰ অৱস্থানগত আৰু গুণগত প্ৰত্যয়ৰ ধাৰণা হ'ল আৰু শব্দসাধনমূলক আৰু বিভক্তিমূলক প্ৰত্যয়ৰ পাৰ্থক্য ধৰিব পাৰিলে। প্ৰত্যয়ৰ সংযোগত কেনেদৰে নতুন নতুন শব্দ গঠন কৰিব পাৰি সেয়া স্পষ্ট হ'ল।
- অসমীয়া ভাষাৰ নিৰ্দিষ্টতাবাচক, অনিৰ্দিষ্টতাবাচক, লিংগবাচক, বচনাত্মক, জোৰবাচক, স্বাৰ্থিক আদি বিভিন্ন প্ৰত্যয় সম্পৰ্কে বিশদভাৱে জানিব পাৰিলে। এই আলোচনাৰ পৰা ধাৰণা কৰিব পাৰিলে যে অসমীয়া ভাষা প্ৰত্যয় প্ৰধান। মূল ৰূপৰ আগে-পিছে বিবিধ প্ৰত্যয় সংযোগ কৰি ভাষাটোত নতুন নতুন শব্দ গঠন কৰা হয়। মন কৰিবলগীয়া যে মূল সংস্কৃত ভাষাৰপৰা উদ্ভূত অসমীয়া ভাষাই ভাষাতাত্ত্বিক দিশত বহুক্ষেত্ৰত সংস্কৃতৰ নীতি-নিয়ম মানি চলিলেও

প্ৰত্যয় প্ৰয়োগৰ ক্ষেত্ৰত স্বকীয় নিয়ম মানি চলা পৰিলক্ষিত হয়। ভাষাটোৰ ৰূপতত্ত্বৰ আলোচনাত প্ৰত্যয়ে অধিকাংশ ঠাই সামৰি লৈছে।



১৩.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

1] কাকতি, বাণীকান্ত [1996]Ê, *অসমীয়া ভাষাৰ গঠন আৰু বিকাশ;* (হাজৰিকা, বিশ্বেশ্বৰ অনুঃ); ৰৱপেটা ঃ বাণীকান্ত কাকতি জন্ম শতবাৰ্ষিকী উদ্‌যাপন সমিতি (প্ৰথম প্ৰকাশ 1941)।

২) গোস্বামী, উপেন্দ্ৰনাথ [1997]Ê, *অসমীয়া ভাষাৰ ব্যাকৰণ;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

৩) গোস্বামী, উপেন্দ্ৰনাথ (1995); *অসমীয়া ভাষাৰ ৰূপ-কথা;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

4] গোস্বামী, গোলোকচন্দ্ৰ [1999]Ê, *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

5] গোস্বামী, গোলোকচন্দ্ৰ [2003]Ê, *অসমীয়া ব্যাকৰণ-প্ৰৱেশ;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

6) গোস্বামী, গোলোকচন্দ্ৰ (1996); *অসমীয়া বৰ্ণপ্ৰকাশ;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

7] পাঠক, ৰমেশ [1998]Ê, *ব্যাকৰণ আৰু প্ৰাকৃতি বিজ্ঞান;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

8] বৰা, লীলাৱতী শইকীয়া [2006]Ê, *অসমীয়া ভাষাৰ ৰূপতত্ত্ব;* গুৱাহাটী ঃ বনলতা।

9] বৰা, লীলাৱতী শইকীয়া আৰু পাটগিৰি, দীপ্তি ফুকন (2003) (সম্পাঃ); *ভাষা-জিজ্ঞাসা;* গুৱাহাটী ঃ বনলতা।

10] বৰা, সত্যনাথ (1998); *বহল ব্যাকৰণ;* গুৱাহাটী।

11) বৰুৱা, ভীমকান্ত (1997); *অসমীয়া ভাষা;* ডিব্ৰুগড় ঃ বনলতা।

12] বৰুৱা, হেমচন্দ্ৰ (1998); *অসমীয়া ব্যাকৰণ;* ডিব্ৰুগড় ঃ ডিব্ৰুগড় বিশ্ববিদ্যালয়।

13) ভৰালী, দেবানন্দ (1993); *অসমীয়া ভাষাৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

14) মেধি, কালিৰাম (1999); *অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

15] হাজৰিকা, লক্ষী [2006]Ê, *ভাষাবিজ্ঞান আৰু অসমীয়া ভাষাবিজ্ঞান পৰিচিতি;* গুৱাহাটী ঃ আশা বুক ষ্টল।

ইংৰাজী গ্ৰন্থ ঃ

১৬) Dutta Baruah, P. N. (1978). *A Comparative Analysis of the Morphological Aspects of Assamese and Oriya (Ph.D. Thesis).* Guwahati: Gauhati University.

১৭) Goswami, G. (1982). *Structure of Assamese.* Guwahati: Gauhati University.

১৮) Kakati, B. (2007). *Assamese : Its Formation and Development.* Guwahati: Lawyers Book Stall.

১৩.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ অসমীয়া ভাষাৰ সৰ্গবোৰক বাক্যত প্ৰয়োগৰ স্থান আৰু গুণ বা কাৰ্যৰ আধাৰত প্ৰধানকৈ দুটা ভাগত ভাগ কৰা হয় — অৱস্থানগত সৰ্গ বা প্ৰত্যয় (positional affix) আৰু গুণগত বা কাৰ্যগত সৰ্গ (functional affix)।

২ নং প্ৰশ্নৰ উত্তৰ ঃ অসমীয়া ভাষালৈ আৰৱী-পাৰ্চীৰপৰা অহা পূৰ্বপ্ৰত্যয়ৰ চাৰিটা উদাহৰণ হ'ল—

কাৰ ঃ কাৰবাৰ, কাৰখানা, কাৰচাজি আদি।

দৰ ঃ দৰবাৰ, দৰকাৰ, দৰগাহ আদি।

ব ঃ বনাম, বকলম আদি।

বদ ঃ বদনাম, বদহজম, বদমাচ আদি।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ বিশেষ্য শব্দ গঠন কৰা তদ্ধিত প্ৰত্যয়ৰ চাৰিটা উদাহৰণসহ তলত উল্লেখ কৰা হ'ল —

-অক	ঃ	খেতি-অক, খেতিয়ক
-অনি	ঃ	কাঠ-অনি, কাঠনি
-অৰি, -অৰী	ঃ	লগ-অৰী, লগৰী আদি।
-অৰীয়া	ঃ	নাও-অৰীয়া, নাৱৰীয়া

৪ নং প্ৰশ্নৰ উত্তৰ ঃ নাই। কোনো কোনোৱে 'কেই'-ক মধ্যপ্ৰত্যয় বুলি ক'ব বিচাৰে যদিও ই মধ্যপ্ৰত্যয়ৰ প্ৰকৃত বৈশিষ্ট্য বহন নকৰে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ -খনঃখনি — বহল, চেপেটা অৰ্থত বস্তুবাচক শব্দৰ পিছত বহে। 'খন'তকৈ ক্ষুদ্ৰতৰ বুজাবলৈ 'খনি' ব্যৱহাৰ কৰা হয়। যেনে — কিতাপখনঃকিতাপখনি, নৈখনঃনৈখনি।

-গছঃগছি ঃ দীঘল আৰু লেহুকা অৰ্থত ব্যৱহাৰ কৰা হয়। যেনে — বন্তিগছ, জৰীগছ।

-চটা ঃ দীঘল আৰু চেপেটা বস্তু বুজাবলৈ ব্যৱহাৰ কৰা হয়। যেনে — বাঁহচটা, কাঠচটা।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ অনিৰ্দিষ্টতাবাচক প্ৰত্যয়ে নিৰ্ধাৰিত বস্তুটো নিৰ্দিষ্ট কৰি নেদেখুৱায়। কেতিয়াবা নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ আগত 'এ' অথবা ভিন্ন সংখ্যাবাচক শব্দ যোগ কৰি এনে কৰা হয়।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ ডাঠি কোৱা ভাবত ব্যৱহৃত প্ৰত্যয়ৰ চাৰিটা উদাহৰণ উল্লেখ কৰা হ'ল—

বিশেষ্য শব্দৰ পাছত ঃ কিতাপ-এ = কিতাপে, কিতাপ-এই = কিতাপেই আদি।

বিশেষণ শব্দৰ পাছত ঃ ডাঙৰ-এ = ডাঙৰে, ডাঙৰ-এই = ডাঙৰেই আদি।

সৰ্বনাম শব্দৰ পাছত ঃ মই-এ = ময়ে, মই-এই = ময়েই, মই-হে = মইহে আদি।

শব্দ-বিভক্তিৰ পাছত ঃ ঘৰলৈ-এ = ঘৰলৈয়ে, ঘৰলৈ-হে = ঘৰলৈহে আদি।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ অসমীয়া ভাষাত কোনো কাৰ্য বিশেষভাৱে বুজাবলৈ প্ৰধানকৈ ক্ৰিয়া বিভক্তিৰ পিছত কিছুমান প্ৰত্যয় ব্যৱহাৰ কৰা হয়, তেনেবোৰ প্ৰত্যয়ক স্বাৰ্থিক প্ৰত্যয় বোলে। যেনে — হৰিয়ে কামটো কৰিলেগৈ— ইয়াত 'গৈ' স্বাৰ্থিক প্ৰত্যয় যোগ কৰা হৈছে।



১৩.৮ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

ক) অসমীয়া ভাষাত স্ত্ৰীপ্ৰত্যয় কেইটা আৰু কি কি?

খ) অসমীয়া ভাষাৰ সৰ্গসমূহক কেইটা ভাগত ভাগ কৰিব পাৰি আৰু কি কি?

গ) সৰ্গ বুলিলে কি বুজে ?

চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ তদ্ধিত প্ৰত্যয়ৰ সংযোগত শব্দৰ শ্ৰেণী পৰিৱৰ্তন হোৱা দহটা শব্দ লিখক।

প্ৰশ্ন ২ ঃ অসমীয়া ভাষাৰ বহুবচনাত্মক প্ৰত্যয়বোৰ কি কি? আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ জোৰ বুজোৱা প্ৰত্যয় বুলিলে কি বুজে? অসমীয়া ভাষাৰ জোৰ বুজোৱা প্ৰত্যয় সম্পৰ্কে এটা টোকা যুগুত কৰক।

প্ৰশ্ন ৪ ঃ তলত দিয়া শব্দসমূহ ভাঙি দেখুৱাওক আৰু কি প্ৰত্যয় যোগ হৈছে লিখক — মাৰি, খুলীয়া, দলীয়, তামী, কামিলা, মেলুৱৈ, ভঙুৱা, যুৰীয়া, দুখুনী, পেটুলা, ৰণুৱা, জপনা, নাটনি, বিলনীয়া, চোৱাঙ, ৰুগীয়া, পনীয়া, উৰুঙা, নাহৰণি, যুঁজাৰু।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অসমীয়া ভাষাত বচন আৰু লিংগ ব্যাকৰণগত বিষয় হয়নে? অসমীয়া ভাষাৰ বচন আৰু লিঙ্গ নিৰূপক প্ৰত্যয়ৰ উদাহৰণসহ আলোচনা আগবঢ়াওক।

প্ৰশ্ন ২ ঃ অসমীয়া ভাষাৰ নিৰ্দিষ্টতাবাচক প্ৰত্যয় সম্পৰ্কে উদাহৰণসহ আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৩ ঃ অৱস্থানগত প্ৰত্যয় মানে কি? অসমীয়া ভাষাৰ অৱস্থানগত প্ৰত্যয় সম্পৰ্কে বহলাই আলোচনা যুগুত কৰক।

প্ৰশ্ন ৪ ঃ স্ত্ৰী-প্ৰত্যয় মানে কি ? অসমীয়া ভাষাৰ স্ত্ৰী-প্ৰত্যয়ৰ বিষয়ে উদাহৰণসহ এটি প্ৰবন্ধ প্ৰস্তুত কৰক।

প্ৰশ্ন ৫ ঃ অসমীয়া ভাষাৰ স্বাৰ্থিক প্ৰত্যয়ৰ বিষয়ে উদাহৰণসহ এটি প্ৰবন্ধ যুগুত কৰক।

*** ***** ***

অধ্যায় ১৪ ঃ অসমীয়া ভাষাৰ সন্ধি আৰু সমাস

অধ্যায় গাঁথনি

14.1 উদ্দেশ্য
14.2 পৰিচয়
14.3 অসমীয়া ভাষাৰ সন্ধি
14.4 অসমীয়া ভাষাৰ সমাস
14.5 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
14.6 অধিক জানিবলৈ
14.7 অগ্রগতিৰ খতিয়ান
14.8 আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া ভাষাৰ সন্ধিৰ বিশেষত্ব আৰু অসমীয়াত প্রচলিত সংস্কৃত সন্ধিৰ বিষয়ে জানিব পাৰিব
- সমাস কি, সমাসৰ ভাগ আৰু সমাসৰ দ্বাৰা ভাষাৰ ভিন্ন ভংগী বুজি পাব।

১৪.২ পৰিচয়

আগৰ অধ্যায়সমূহত আপুনি ভাষাৰ প্রাথমিক ৰূপ ধ্বনিৰ বিষয়ে, ৰূপতত্ত্বৰ প্রয়োজনীয় দুটা উপাদান— বিভক্তি আৰু প্রত্যয়ৰ বিষয়ে আৰু বাক্যতত্ত্বৰ সাধাৰণ আভাস পাই আহিছে। এই অধ্যায়ত সন্ধি আৰু সমাসৰ বিষয়ে ধাৰণা লাভ কৰিব। সন্ধি শব্দ-গঠন প্রক্রিয়াৰ বিষয় যদিও ধ্বনি পৰিৱর্তনৰ মাজেৰে দুটা শব্দ বা ৰূপৰ মাজত সন্ধি হয়। সমাস এক অর্থত বাক্যতত্ত্বৰে ভিতৰুৱা। তলত এই বিষয়ে বহলাই আলোচনা কৰা হ'ল।

১৪.৩ অসমীয়া ভাষাৰ সন্ধি

'সন্ধি' মানে মিলন হোৱা বা লগ হোৱা। দুটা বর্ণ বা আখৰৰ মিলনেই সন্ধি। দুটা শব্দ মিলি এটা শব্দ হওঁতে প্রথম শব্দৰ শেষ ধ্বনি আৰু দ্বিতীয় শব্দৰ প্রথম ধ্বনিৰ মিলন ঘটি যি পৰিৱর্তন হয় তাকে সন্ধি বোলা হয়।

সংস্কৃত ভাষাত সন্ধিৰ প্রয়োগ বেছি। অসমীয়া ভাষাত বহু সংস্কৃত শব্দৰ ব্যৱহাৰ আছে বাবে সংস্কৃত সন্ধিৰ বিষয়ে জানিব লগা হয়। অসমীয়াত দুটা শব্দৰ মাজত হোৱা সন্ধি নাই।

অসমীয়া সন্ধি মূলত শব্দ বা ধাতুৰ পাছত প্রত্যয় বা বিভক্তি যোগ হওঁতেহে দেখা যায়।

- **অসমীয়া সন্ধি ঃ** নামশব্দ বা ধাতুৰ পাছত প্রত্যয় বা বিভক্তি যোগ হ'লে নামশব্দ বা ধাতুৰ শেষ ধ্বনি আৰু প্রত্যয় বা বিভক্তিৰ প্রথম ধ্বনিৰ মাজত অসমীয়া সন্ধি হয়। অসমীয়া সন্ধি হওঁতে বেছিভাগ ক্ষেত্রতে 'ৰ' বা 'য়' ধ্বনিৰ আগম ঘটে।

  অসমীয়া সন্ধিৰ সাধাৰণ নিয়মসমূহ এনেধৰণৰ ঃ

  ➢ নামশব্দ বা ধাতুৰ শেষৰ স্বৰধ্বনি প্রত্যয়-বিভক্তিৰ আৰম্ভণিৰ স্বৰৰ সৈতে একে হ'লে এটা লোপ পায় —

  ল'ৰা + আলি > ল'ৰালি

  ➢ নামশব্দ ঁধাতুৰ ইঁও লগত প্রত্যয় ঁবিভক্তিৰ ওঁএ লগ লাগিলে 'ই' ৰ ঠাইত য় আৰু 'ও' ৰ ঠাইত ৱ হয়। যেনে —

  দুই + ও > দুয়ো

  শো + এ > শোৱে

  হৰি + এ > হৰিয়ে

  ➢ নামশব্দ ঁধাতুৰ 'অ' বা 'আ' -ৰ লগত প্রত্যয় ঁবিভক্তিৰ আ লগ লাগিলে নামশব্দ ঁধাতুৰ অঁআ - ৰ ঠাইত 'ও' পোৱা যায় —

  খা + আ > খোআ (খোৱা)

  ল + আ > লোআ (লোৱা)

  দেখা গ'ল, ইয়াতো 'ৰ' ৰ আগম ঘটি খোৱা আৰু লোৱা ৰূপ পায়

  ➢ ইঁঈ + অঁআ, হ'লে 'অঁআ- ৰ ঠাইত 'য়' হয় -

  বুধি + অক > বুধিয়ক

  ই + আক > ইয়াক

  ওপৰৰ আটাইকেইটা উদাহৰণত কেৱল স্বৰধ্বনিৰ লগত স্বৰধ্বনিৰ সন্ধিহে দেখা গ'ল। এনেদৰে স্বৰধ্বনিৰ লগত স্বৰধ্বনিৰ মিলনক স্বৰসন্ধি বোলে।

  ➢ যেতিয়া নামশব্দ ঁধাতুৰ শেষত থকা ব্যঞ্জন বর্ণৰ লগত প্রত্যয় বিভক্তিৰ স্বৰধ্বনিৰ সন্ধি হয় তেতিয়া স্বৰধ্বনিটো ব্যঞ্জনত লগ লাগে। যেনে —

  ধান + অনি > ধাননি

  নাচ + অনি > নাচনী

  পেট + উৱা > পেটুৱা

  ভোগ + হ'লে > ভুগিলে।

  ➢ সংখ্যাবাচক শব্দৰ শেষত ব্যঞ্জন নির্দিষ্টতাবাচক শব্দৰ আৰম্ভণিৰ ব্যঞ্জনৰ লগ লাগিলে কেতিয়াবা সংখ্যাবাচক শব্দৰ ব্যঞ্জন লোপ পায় আৰু কেতিয়াবা সংখ্যাবাচক শব্দৰ অন্ত্যব্যঞ্জনত -ও- যোগ হয় —

  এক + টা > এটা, দুই + টা > দুটা

দহ + টা > দহোটা, সাত + টা > সাতোটা

- **অসমীয়াত প্ৰচলিত সংস্কৃত সন্ধি ঃ** সংস্কৃত সন্ধি তিনি প্ৰকাৰৰ —
  - স্বৰসন্ধি (স্বৰ + স্বৰ)
  - ব্যঞ্জনসন্ধি (স্বৰ + স্বৰ/ব্যঞ্জন)
  - বিসৰ্গসন্ধি (বিসৰ্গ + স্বৰ + ব্যঞ্জন)

➢ *স্বৰসন্ধি ঃ* দুটা স্বৰধ্বনিৰ মাজৰ সন্ধিক স্বৰসন্ধি বোলে।

❍ দুটা ***সবর্ণ***ৰ মাজত সন্ধি হ'লে দুয়ো মিলি ***দীর্ঘ*** হয়। যেনে — (অ + অ = আ, অ/আ + অ/আ = আ, ই/ঈ + ই/ঈ = ঈ, উ/ঊ + উ/ঊ = ঊ)

মৃগ + অঙ্ক > মৃগাঙ্ক

আশা + অতীত > আশাতীত

মুনি + ইন্দ্ৰ > মুনীন্দ্ৰ

মহী + ইন্দ্ৰ > মহীন্দ্ৰ

কটু + উক্তি > কটূক্তি

❍ অ-সবর্ণ আৰু ই-সবর্ণ মিলি 'এ' হয়। যেনে —

নৰ + ইন্দ্ৰ > নৰেন্দ্ৰ

দুর্গা + ঈশ্বৰ > দুর্গেশ্বৰ

❍ অ-সবর্ণ আৰু উ-সবর্ণ মিলি 'ও' হয় (অ/আ + উ/ঊ = ও) —

মহা + উৎসৱ > মহোৎসৱ

❍ অ-সবর্ণ আৰু ঋ মিলিলে 'ঋ' ৰেফলৈ ৰূপান্তৰ হয় আৰু পিছৰ ধ্বনিৰ লগ লাগে—

মহা + ঋষি > মহর্ষি

❍ প্ৰথম শব্দৰ শেষত ই, ঈ থাকিলে পাছৰ শব্দৰ আৰম্ভণিত, এই দুয়ো স্বৰৰ বাহিৰে আন স্বৰ থাকিলে ই, ঈ -ৰ ঠাইত 'য়' হয়। যেনে—

প্ৰতি + আশা > প্ৰত্যাশা

এনেধৰণৰ নিয়মৰ মাজেৰে সংস্কৃতৰ স্বৰসন্ধি সাধিত হয়

➢ *ব্যঞ্জনসন্ধি ঃ* ব্যঞ্জনধ্বনিৰ লগত স্বৰ বা ব্যঞ্জনধ্বনি/স্বৰধ্বনিৰ লগত ব্যঞ্জনধ্বনিৰ সন্ধি হ'লে তাক ব্যঞ্জনসন্ধি বোলা হয়। যেনে -

দিক + অন্ত > দিগন্ত

উৎ + গতি > উদ্‌গতি

দিক + বিজয় > দিগ্বিজয়

উৎ + নতি > উন্নতি

সম + গীত > সঙ্গীত

শম + কৰ > শঙ্কৰ

সম + যত > সংযত

উৎ + ল্লাস > উল্লাস

ব্যঞ্জনসন্ধি স্বৰসন্ধিতকৈ জটিল। ব্যঞ্জনসন্ধি সাধন হওঁতে কিছুমান জটিল নিয়মৰ মাজেৰে সম্পন্ন হয়।

➢ *বিসর্গ সন্ধি ঃ*প্রথম শব্দৰ শেষৰ বিসর্গ (ঃ) ৰ লগত স্বৰ বা ব্যঞ্জনধ্বনিৰ সন্ধি হ'লে তাক বিসর্গ সন্ধি বোলা হয়। যেনে -

ততঃ + অধিক > ততোধিক (বিসর্গ + অ = ও)

পুৰঃ + ভাগ > পুৰোভাগ

তেজঃ + ময় > তেজোময়

দুঃ + গতি > দুর্গতি

পুনঃ + উক্তি > পুনৰুক্তি, ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ অসমীয়া সন্ধি কেনেদৰে সাধিত হয়?

.....

প্রশ্ন নং ২ ঃ সংস্কৃত সন্ধি কেই প্রকাৰৰ?

.....

১৪.৪ অসমীয়া ভাষাৰ সমাস

অর্থগত সম্পর্ক থকা দুটা বা ততোধিক পদৰ মিলনেই সমাস। কেইবাটাও পদৰ দ্বাৰা প্রকাশ কৰা অর্থ সমাসত সংক্ষিপ্তকৈ অথচ শুনিবলৈ শুৱলা কৰি তোলা হয়। সংস্কৃত ভাষাত সমাসৰ প্রয়োগ অত্যন্ত বেছি। অসমীয়া ভাষাও সংস্কৃতৰ পৰা বিকাশ হোৱা ভাষা বাবে সংস্কৃতৰ অনেক সমাসবদ্ধ পদ অসমীয়াত প্রচলন হৈ আহিছে। মনত ৰাখিব সন্ধিত দুটা বর্ণৰ মাজত মিলন হয়; সমাসত দুটা পাৰস্পৰিক অর্থৰ সম্পর্ক থকা পদৰ মাজত মিল হয়।

সমাসৰ ধাৰণাৰ বাবে আপুনি 'ব্যস্ত পদ', 'সমস্ত পদ' আৰু 'ব্যাস বাক্য'ৰ ধাৰণা ল'ব লাগিব।

- **ব্যস্ত পদ ঃ** যি কেইটা পদৰ দ্বাৰা সমাস হয় সেই কেইটাক ব্যস্ত পদ বোলে।
- **ব্যাস বাক্য ঃ** যি কেইটা শব্দৰে সমাস ভাঙি দেখুওৱা হয় তাকে ব্যাস বাক্য বোলে।
- **সমস্ত পদ ঃ** সমাস হৈ যি পদ হয় তাকে সমস্ত পদ বোলে।

উদাহৰণস্বৰূপে, ৰাম আৰু লক্ষ্মণ — এইটো এটা ব্যাস বাক্য। এই ব্যাস বাক্যত 'ৰাম' আৰু 'লক্ষ্মণ' — এই দুটা ব্যস্ত পদ। এই ব্যাস বাক্যটো সমাসসিদ্ধ হ'লে হ'ব — ৰামলক্ষ্মণ, — ই সমস্ত পদ।

সমাস মূলতঃ ছয় প্ৰকাৰ— দ্বন্দ্ব সমাস, বহুব্ৰীহি সমাস, কৰ্মধাৰয়, তৎপুৰুষ, দ্বিগু সমাস আৰু অব্যয়ীভাব সমাস। কিন্তু ইয়াৰে কৰ্মধাৰয় আৰু দ্বিগু সমাস দৰাচলতে তৎপুৰুষ সমাসৰে ভিতৰুৱা।

- **দ্বন্দ্ব সমাস ঃ** দুই বা ততোধিক ভিন্ন অৰ্থবাচক পদ লগ লাগি হোৱা সমাসকে দ্বন্দ্ব সমাস বোলে। দ্বন্দ্ব সমাস তিনি প্ৰকাৰৰ — ইতৰেতৰ দ্বন্দ্ব, সমাহাৰ দ্বন্দ্ব আৰু একশেষ দ্বন্দ্ব।
  - ➢ *ইতৰেতৰ ঃ* সমাস হোৱা পদ কেইটাৰ অৰ্থ একেদৰে থাকি সমাস হ'লে তাক ইতৰেতৰ দ্বন্দ্ব সমাস বোলা হয়। যেনে—

    তেল আৰু পানী = তেল-পানী
    আকাশ আৰু পাতাল = আকাশপাতাল
    মতা আৰু মাইকী = মতামাইকী।
  - ➢ *সমাহাৰ দ্বন্দ্ব ঃ* সমাস হোৱা পদ কেইটাৰ অৰ্থৰ উপৰি তেনেজাতীয় বস্তুৰ সমষ্টিৰ অৰ্থ বুজালে সমাহাৰ দ্বন্দ্ব সমাস হয়। যেনে —

    কাঁহী-বাটি = কাঁহী, বাটি, ঘটি, গিলাচ ইত্যাদি বাচন-বৰ্তনৰ অৰ্থত।
    বাৰীৰ আম কঁঠাল = বাৰীত হোৱা আম, কঁঠাল, লেতেকু, জলফাই আদি সকলো ফল বুজাইছে।
  - ➢ *একশেষ দ্বন্দ্ব সমাস ঃ* সমাস হোৱা পদ কেইটাৰ প্ৰথম পদটো মাত্ৰ থাকি বাকীবোৰ লোপ পায় আৰু প্ৰথম পদটো বহুবচন হয়, তাক একশেষ দ্বন্দ্ব সমাস বোলে। যেনে—

    গকুলহঁতৰ ঘৰ = গকুল, লিলি, মইনা আদি সকলোৰে ঘৰ
    আমি = তুমি আৰু মই
- **বহুব্ৰীহি সমাস ঃ** যি সমাসত সমস্ত পদে ব্যস্ত পদৰ (সমাস হোৱা পদবিলাকৰ) অৰ্থ নুবুজাই আন এটা ভিন্ন অৰ্থ প্ৰকাশ কৰে তাক বহুব্ৰীহি সমাস বোলে। যেনে— চক্ৰ আছে পাণিত যাৰ = চক্ৰপাণি। ইয়াত চক্ৰ লোৱা সকলোৱে বুজোৱা নাই। চক্ৰপাণি মানে বিষ্ণুকহে বুজাইছে। একেদৰে —অল্প হৈছে মতি যাৰ = অল্পমতি, তিনিটা চকু আছে যাৰ = ত্ৰিনয়ন (শিৱ)। একেদৰে, পদ্মনাভ, হাতদীঘল, বাঘেখোৱা, আপোন-পেটা ইত্যাদি। পৰস্পৰ একে কাম কৰা বুজালেও বহুব্ৰীহি সমাস হয়। যেনে — হাতে হাতেকৰা যি যুঁজ = হতাহতি; একেদৰে, খেদাখেদি, মৰামৰি, দবৰাদবৰি ইত্যাদি।
- **তৎপুৰুষ সমাস ঃ** যি সমাসত দুটা ব্যস্ত পদৰ প্ৰথম পদত থকা 2য়া, 3য়া, 4ৰ্থী, 5মী, 6ষ্ঠী আৰু 7মী বিভক্তি লোপ পায় আৰু পাছৰ পদৰ অৰ্থই প্ৰধানভাৱে প্ৰকাশ পায়, সিয়েই তৎপুৰুষ সমাস। যেনে —

  গুৰুক সেৱা = গুৰুসেৱা (দ্বিতীয়া বিভক্তি -ক লোপ পাইছে।)
  হাতেৰে বোৱা = হাতে-বোৱা (3য়া বিভক্তি -ৰে লোপ পাইছে।)
  মাতৃলৈ ভক্তি = মাতৃ-ভক্তি (4ৰ্থী বিভক্তি -লৈ লোপ পাইছে।)

গছৰ পৰা সৰা = গছ-সৰা (5মী বিভক্তি -ৰ + পৰা লোপ পাইছে।)

পুথিৰ ভঁৰাল = পুথিভঁৰাল (6ষ্ঠী বিভক্তি -ৰ লোপ পাইছে।)

গছত পকা = গছপকা (7মী বিভক্তি -ত লোপ পাইছে।)

তদুপৰি, নোহোৱা (নঞ) অর্থত সমস্তপদৰ আগত অ বা অন্ যোগ হৈও তৎপুৰুষ সমাস হয়। যেনে — ইচ্ছা নোহোৱা = অনিচ্ছা

ন-উচিত বা উচিত নোহোৱা = অনুচিত, ইত্যাদি

- **কর্মধাৰয় সমাস ঃ** এটা বিশেষ্য আৰু এটা বিশেষণ পদৰ মাজত সমাস হ'লেই সি কর্মধাৰয় সমাস হয়। যেনে— ৰঙা যি ফুল = ৰঙাফুল, একেদৰে, মহাপুৰুষ, মৰুভূমি, ভীমকল, তেজৰঙা, চন্দ্রমুখ, ইত্যাদি।

  দুটা বস্তুৰ মাজত তুলনা হ'লেও কর্মধাৰয় সমাস হয়। ওপৰত দিয়া চন্দ্রমুখ ইয়াৰ উদাহৰণ। চন্দ্রমুখ = চন্দ্রৰ দৰে মুখ যাৰ বা মুখ চন্দ্রৰ নিচিনা

- **দ্বিগু সমাস ঃ** যি সমাসত প্রথম পদটো সংখ্যাবাচক আৰু দ্বিতীয় পদটো বিশেষ্য তাকে দ্বিগু সমাস বোলে। যেনে — সাত বিহু = সাতবিহু, দুইপৰ = দুপৰ, পঞ্চ অমৃত = পঞ্চামৃত, একেদৰে, দোমাহী, তিনি ভূৱন = ত্রিভূৱন।

  মন কৰিব, দ্বিগু সমাসত সংখ্যাবাচক পদটোৱে বুজোৱা সংখ্যাৰ সমাহাৰ হ'ব লাগে। কেৱল সংখ্যা বুজালেই সমাস নহয়। যেনে — স্বর্গ, মর্ত্য, পাতাল এই তিনিখন ভূৱন অর্থত তিনিভূৱন সমাস নহয়। কিন্তু ত্রিভূৱন সমাস হয়। কাৰণ, ত্রিভূৱন শব্দই সমস্ত জগত বুজাইছে। একেদৰে, সাতবিহুৱে বহাগ বিহুৰ সাতদিন জোৰা সামগ্রিকতা বুজাইছে।

- **অব্যয়ীভাব সমাস ঃ** অভাৱ, সমীপ (ওচৰত থকা), সাদৃশ্য, ব্যাপ্তি (বিয়পি থকা), বিপৰীত আদি অর্থত অব্যয় পদৰ যোগত যি সমাস হয়, সিয়েই অব্যয়ীভাব সমাস। যেনে—

  কুলৰ সমীপ = উপকূল

  মিলৰ অভাব = অমিল

  কণ্ঠ পর্যন্ত = আকণ্ঠ

  বনৰ সদৃশ = উপবন

  দানৰ বিপৰীত = প্রতিদান ইত্যাদি



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ সমাস মূলতঃ কেই প্রকাৰৰ আৰু কি কি?

.....

প্রশ্ন নং ৪ ঃ দ্বিগু সমাস কাক বোলে?

.....

প্ৰশ্ন নং ৫ ঃ তলৰ পদ কেইটা কি সমাস নিৰ্ণয় কৰক—

মতামাইকী, আমি, অনিচ্ছা, উপকূল

.....



১৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাষা শুৱলা আৰু সবল কৰিবলৈ সন্ধি আৰু সমাসৰ প্ৰয়োজন আছে।
- অসমীয়া ভাষাৰ সন্ধিৰ নিয়ম সংস্কৃততকৈ সুকীয়া।
- অসমীয়া ভাষাৰ শব্দ-সন্ধি কেৱল বিভক্তি-প্ৰত্যয় সংযোগ হোৱা ক্ষেত্ৰতহে দেখা যায়।
- দুটা বা ততোধিক অৰ্থৰ মিল থকা পদৰ মিলনেই সমাস। সমাসৰ বিভিন্ন প্ৰকাৰ আছে।



১৪.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

1] কাকতি, বাণীকান্ত [1996] Ê, *অসমীয়া ভাষাৰ গঠন আৰু বিকাশ;* (হাজৰিকা, বিশ্বেশ্বৰ অনুঃ); বৰপেটা ঃ বাণীকান্ত কাকতি জন্ম শতবাৰ্ষিকী উদ্‌যাপন সমিতি (প্ৰথম প্ৰকাশ 1941)।

২) গোস্বামী, উপেন্দ্ৰনাথ [1997] Ê, *অসমীয়া ভাষাৰ ব্যাকৰণ;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

৩) গোস্বামী, উপেন্দ্ৰনাথ (1995); *অসমীয়া ভাষাৰ ৰূপ-কথা;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

4] গোস্বামী, গোলোকচন্দ্ৰ [1999] Ê, *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

5] গোস্বামী, গোলোকচন্দ্ৰ [2003] Ê, *অসমীয়া ব্যাকৰণ-প্ৰৱেশ;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

6) গোস্বামী, গোলোকচন্দ্ৰ (1996); *অসমীয়া বৰ্ণপ্ৰকাশ;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

7] পাঠক, ৰমেশ [1998] Ê, *ব্যাকৰণ আৰু প্ৰাকৃতি বিজ্ঞান;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

8] বৰা, লীলাৱতী শইকীয়া [2006] Ê, *অসমীয়া ভাষাৰ ৰূপতত্ত্ব;* গুৱাহাটী ঃ বনলতা।

9] বৰা, লীলাৱতী শইকীয়া আৰু পাটগিৰি, দীপ্তি ফুকন (2003) (সম্পাঃ); *ভাষা-জিজ্ঞাসা;* গুৱাহাটী ঃ বনলতা।

10] বৰা, সত্যনাথ (1998); *বহল ব্যাকৰণ;* গুৱাহাটী।

11) বৰুৱা, ভীমকান্ত (1997); *অসমীয়া ভাষা;* ডিব্ৰুগড় ঃ বনলতা।

12] বৰুৱা, হেমচন্দ্ৰ (1998); *অসমীয়া ব্যাকৰণ;* ডিব্ৰুগড় ঃ ডিব্ৰুগড় বিশ্ববিদ্যালয়।

13) ভৰালী, দেবানন্দ (1993); *অসমীয়া ভাষাৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

14) মেধি, কালিৰাম (1999); *অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

15] হাজৰিকা, লক্ষী [2006] Ê, *ভাষাবিজ্ঞান আৰু অসমীয়া ভাষাবিজ্ঞান পৰিচিতি;* গুৱাহাটী ঃ আশা বুক ষ্টল।

ইংৰাজী গ্ৰন্থ ঃ

১৬) Dutta Baruah, P. N. (1978). *A Comparative Analysis of the Morphological Aspects of Assamese and Oriya (Ph.D. Thesis).* Guwahati: Gauhati University.

১৭) Goswami, G. (1982). *Structure of Assamese.* Guwahati: Gauhati University.

১৮) Kakati, B. (2007). *Assamese : Its Formation and Development.* Guwahati: Lawyers Book Stall.

১৪.৭ অগ্ৰগতিৰ খতিয়ান

১ **নং প্ৰশ্নৰ উত্তৰ ঃ** নামশব্দ বা ধাতুৰ পাছত প্ৰত্যয় বা বিভক্তি যোগ হ'লে নামশব্দ বা ধাতুৰ শেষ ধ্বনি আৰু প্ৰত্যয় বা বিভক্তিৰ প্ৰথম ধ্বনিৰ মাজত অসমীয়া সন্ধি হয়।

২ **নং প্ৰশ্নৰ উত্তৰ ঃ** তিনি প্ৰকাৰৰ।

৩ **নং প্ৰশ্নৰ উত্তৰ ঃ** সমাস মূলতঃ ছয় প্ৰকাৰ— দ্বন্দ্ব সমাস, বহুব্ৰীহি সমাস, কৰ্মধাৰয়, তৎপুৰুষ, দ্বিগু সমাস আৰু অব্যয়ীভাব সমাস। কিন্তু ইয়াৰে কৰ্মধাৰয় আৰু দ্বিগু সমাস দৰাচলতে তৎপুৰুষ সমাসৰে ভিতৰুৱা।

৪ **নং প্ৰশ্নৰ উত্তৰ ঃ** যি সমাসত প্ৰথম পদটো সংখ্যাবাচক আৰু দ্বিতীয় পদটো বিশেষ্য তাকে দ্বিগু সমাস বোলে।

৫ **নং প্ৰশ্নৰ উত্তৰ ঃ** ইতৰেতৰ দ্বন্দ্ব, একশেষ দ্বন্দ্ব সমাস, তৎপুৰুষ সমাস, অব্যয়ীভাব সমাস।



১৪.৮ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

ক) সন্ধি কাক বোলে?

খ) সমাস মানে কি?

চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ চমুটোকা লিখক— ক) *স্বৰসন্ধি* *খ) ব্যঞ্জনসন্ধি*

প্ৰশ্ন ২ ঃ বহুব্ৰীহি সমাস সম্পৰ্কে চমুকৈ আলোচনা কৰক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অসমীয়া ভাষাৰ সন্ধিৰ এটা আভাস দিয়ক।

প্ৰশ্ন ২ ঃ সমাস কাক বোলে? কেই প্ৰকাৰৰ আৰু কি কি? প্ৰত্যেকৰে উদাহৰণ দিয়ক।

প্ৰশ্ন ৩ ঃ সন্ধি আৰু সমাসৰ পাৰ্থক্য আলোচনা কৰক।

*** ***** ***



প্রসঙ্গ পুথি

অসমীয়া গ্রন্থ ঃ

1] কাকতি, বাণীকান্ত [1996]Ê, *অসমীয়া ভাষাৰ গঠন আৰু বিকাশ;*(হাজৰিকা, বিশ্বেশ্বৰ অনু.); ৰৱপেটা ঃ বাণীকান্ত কাকতি জন্ম শতবার্ষিকী উদ্‌যাপন সমিতি (প্রথম প্রকাশ 1941)।

2] কোঁৱৰ, অর্পণা [2008]Ê, *ভাষাবিজ্ঞান উপক্রমণিকা;* গুৱাহাটী ঃবনলতা।

3) গোস্বামী, উপেন্দ্রনাথ [2000]Ê, *অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ;*গুৱাহাটী ঃ বৰুৱা এজেঞ্চি।

৪) গোস্বামী, উপেন্দ্রনাথ [1997]Ê, *অসমীয়া ভাষাৰ ব্যাকৰণ;*গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

৫) গোস্বামী, উপেন্দ্রনাথ [1993]Ê, *ভাষা-বিজ্ঞান;*গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

6] গোস্বামী, গোলোকচন্দ্র [1999]Ê, *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ;*গুৱাহাটী ঃ বীণা লাইব্রেৰী।

7) গোস্বামী, গোলোকচন্দ্র (1996); *অসমীয়া বর্ণপ্রকাশ,* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

8) গোস্বামী, গোলোকচন্দ্র (2008); *ধ্বনিবিজ্ঞানৰ ভূমিকা;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

9] ঠাকুৰ, নগেন [1997]Ê, *পৃথিৱীৰ বিভিন্ন ভাষা;*গুৱাহাটী ঃ জ্যোতিপ্রকাশন।

10) ঠাকুৰ, নগেন আৰু ডেকা, খগেশসেন (সম্পাঃ)(2002); *ভাষা-চিন্তা-বিচিত্রা;* গুৱাহাটী ঃ পূবেৰুণ।

১১) ডেকা, খগেশসেন (2002); *ব্যাকৰণ ঃ প্রাচ্য আৰু পাশ্চাত্য;*গুৱাহাটী ঃ জ্যোতি প্রকাশন।

12] দত্তবৰুৱা, ফণীন্দ্র নাৰায়ণ [2006]Ê, *আধুনিক ভাষাবিজ্ঞানৰ পৰিচয়;*গুৱাহাটী ঃ বনলতা।

13] দত্তবৰুৱা, ফণীন্দ্র নাৰায়ণ [2006]Ê, *প্রয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা;*গুৱাহাটী ঃ বনলতা।

14] দেৱী, প্রণীতা [2007]Ê, *ভাষা বিজ্ঞানৰ জিলিকনি;*নলবাৰী (সৰুনর্দী) ঃ হীৰেন্দ্রনাথ শর্মা (প্রকাশক)।

15) পাঠক, ৰমেশ (1991); *ভাষাবিজ্ঞানৰ ভূমিকা;* গুৱাহাটী ঃ অশোকৰ বুক ষ্টল।

16) পাদুন, নাহেন্দ্র (সম্পাঃ)(1993); *ভাষাৰ তত্ত্বকথা;* গুৱাহাটী ঃ বাণী মন্দিৰ।

17) পাটগিৰি, দীপ্তি ফুকন (1991); *ভাষাতত্ত্ব,* গুৱাহাটী ঃ বনলতা।

18] পাটগিৰি, দীপ্তি ফুকন [2009]Ê, *ভাষা-সাহিত্য-জিজ্ঞাসা;*গুৱাহাটী ঃ পূর্বাঞ্চল প্রকাশ।

19) বৱা, লীলাৱতী শইকীয়া [2011]Ê, *অসমীয়া ভাষাৰ ৰূপতত্ত্ব;*গুৱাহাটী ঃ বনলতা।

20] বৱা, লীলাৱতী শইকীয়া আৰু পাটগিৰি, দীপ্তি ফুকন (সম্পাঃ)(2003); *ভাষা-জিজ্ঞাসা;* গুৱাহাটী ঃ বনলতা।

21] বৰা, সত্যনাথ (1998); *বহল ব্যাকৰণ;* গুৱাহাটী।

22] বৰুৱা, হেমচন্দ্র (1998); *অসমীয়া ব্যাকৰণ;* ডিব্রুগড় ঃ ডিব্রুগড় বিশ্ববিদ্যালয়।

23) বৰুৱা, বিৰিঞ্চি কুমাৰ (2001); *অসমীয়া ভাষা আৰু সংস্কৃতি;* নলবাৰী ঃ জার্ণল এম্পা'ৰিয়াম।

24) ভৰালী, দেবানন্দ (1993); *অসমীয়া ভাষাৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

25] মহন্ত, বিপুল কুমাৰ [1992]Ê, *ভাষাবিজ্ঞানৰ পৰিচয়;* ডিব্রুগড় ঃ বনলতা।

26) মেধি, কালিৰাম (1999); *অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

27] মৰল, ভগৱান (1998); *আধুনিক ভাষাবিজ্ঞান;* গুৱাহাটী ঃ পঞ্চজ্যোতি প্রকাশ।

28] হাজৰিকা, লক্ষী [2006]Ê, *ভাষাবিজ্ঞান আৰু অসমীয়া ভাষাবিজ্ঞান পৰিচিতি;* গুৱাহাটী ঃ আশা বুক ষ্টল।

বাংলা গ্রন্থ ঃ

29] গোস্বামী, কৃষ্ণপদ [2001]Ê, *বাংলা ভাষাতত্ত্বের ইতিহাস;* কলকাতা ঃ করুনা প্রকাশনী।

30] ঘোষ, জগদীশ এবং অনিলচন্দ্র [2003]Ê, *আধুনিক বাংলা ব্যাকরণ ও রচনা;* কলকাতা ঃ প্রসিডেন্সী লাইব্রেরী।

31] চট্টোপাধ্যায়, সুনীতি কুমাৰ [1996]Ê, *বাংলা ভাষাতত্ত্বের ভূমিকা;* কলকাতা ঃ কলকাতা বিশ্ববিদ্যালয়।

32] চট্টোপাধ্যায়, সুনীতি কুমার [1989]Ê, *বাংলা ভাষা প্রসঙ্গে;* কলকাতা ঃ জিজ্ঞাসা এজেন্সিজ লিমিটেড।

33] চক্রৱর্তী, বামনদেৰ [2003]Ê, *উচ্চতর বাংলা ব্যাকরণ;* কলকাতা ঃ অক্ষয় মালঞ্চ।

34] চাকী, জ্যোতিভূষণ [1996]Ê, *বাংলা ভাষার ব্যাকরণ;* কলকাতা ঃ আনন্দ পাব্লিচার্স প্রাইভেট লিমিটেড।

35] মজুমদার, পরেশ চন্দ্র [1987]Ê, *আধুনিক ভারতীয় ভাষা প্রসঙ্গে;* কলকাতা ঃ দে'জ পাব্লিশিং।

36] মজুমদার, পরেশ চন্দ্র [1993]Ê, *বাঙলা ভাষা পরিক্রমা (দ্বিতীয় খণ্ড);* কলকাতা ঃ দে'জ পাব্লিশিং।

37] মুখোপাধ্যায়, বৈদ্যনাথ [1996]Ê, *বাংলা মাধ্যমিকী;* কলকাতা ঃ প্রান্তিক প্রকাশন।

38] শ, রামেশ্বৰ [1996]Ê, *সাধারণ ভাষাবিজ্ঞান ও বাংলা ভাষা;* কলকাতা ঃ পুস্তক বিপণি।

39] সেন, সুকুমাৰ [1999]Ê, *ভাষাৰ ইতিবৃত্ত;* কলকাতা ঃ আনন্দ পাব্লিশার্স প্রাইভেট লিমিটেড।

উড়িয়া গ্রন্থ ঃ

40] প্রধান, কৃষ্ণচন্দ্র [2012]Ê, *সাৰস্বত ব্যৱহাৰিক উড়িয়া ব্যাকৰণ;* কটক ঃ সত্যনাৰায়ণ বুক ষ্ট'ৰ, বিনোদ বিহাৰী।

ইংৰাজী গ্ৰন্থ ঃ

৪১) Anozie, C. C. (2007). *General Linguistics : An Introduction*. Enugu: Tashiwa Network Ltd.

৪২) Bally, C. & Sechehaye, A. (ed.)(1959). *Course in General Linguistics.* New York: Philosophical Library.

43] Bhattacharjy, K. (1993). *Bengali-Oriya Verb-Morphology : A Constructive Study.* Calcutta: Das Gupta Co. Pvt. Ltd.

৪৪) Bloomfield, L. (1994). *Language*. Delhi: Motilal Banarasidass.

45] Chatterji, S. K. (1979). *The Origin and Development of the Bengali Language.* London: Georege Allen & Unwin.

৪৬) Crystal, D. (1997). *The Encyclopedia of Language*. Cambridge: CUP.

৪৭) Dutta Baruah, P. N. (1978). *A Comparative Analysis of the Morphological Aspects of Assamese and Oriya (Ph.D. Thesis).* Guwahati: Gauhati University.

৪৮) Gleason (Jr.)(1978). *An Introduction to the Descriptive Linguistics.* Lisbon: Calouste Gulbenkian Foundation.

৪৯) Goswami, G. (1982). *Structure of Assamese.* Guwahati: Gauhati University.

৫০) Hockett, C. F. (1970). *A Course in Modern Linguistics*. New Delhi: Oxford & IBH Publishing Co. Pvt. Ltd..

৫১) Kakati, B. (2007). *Assamese : Its Formation and Development.* Guwahati: Lawyers Book Stall.

52) Taraporewalla. I. J. S. (1962). *Elements of the Science of Language.* Calcutta: Calcutta University.

৫৩) Matthews, P. H. (2002). *Morphology.* Cambridge: CUP.

৫৪) Yule, G. (1996). *The Study of Language*. Cambridge: CUP.